মণিকূটৰ নিবেদন

# স্মৰণীয় সুৱাস

বিশিষ্ট শিক্ষাবিদ
হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ
স্মাৰক গ্ৰন্থ





সম্পাদক

উৎপল শৰ্মা

# স্মৰণীয় সুবাস

আজীৱন শিক্ষাব্ৰতী
প্ৰয়াত **হেমচন্দ্ৰ শৰ্মা** আৰু প্ৰয়াত **চাৰু দেৱীৰ**
স্মৃতিত পৰিয়ালবৰ্গ আৰু অনুৰাগীৰ
**সশ্ৰদ্ধ অঞ্জলি**

**সম্পাদনা**
**উৎপল শৰ্মা**

**মণিকূট**
**মথুৰা নগৰ, দিছপুৰ, গুৱাহাটী-৭৮১০০৬**

**SMARANIYA SUBASH:** A collection of articles on the lives and achievements of late Hem Chandra Sharma and late Charu Devi, edited by Utpal Sarma and published by Mrinal Kumar Misra on behalf of MONIKUT, Mathura Nagar, Dispur, Guwahati-781006.

**First Edition: May, 2023** **Price Rs. 350.00**

# স্মৰণীয় সুবাস

সম্পাদক ঃ উৎপল শৰ্মা

প্ৰকাশক ঃ মণিকূট
মথুৰা নগৰ, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, কামৰূপ (ম), অসম
দূৰভাষ ঃ ৯১-৯৪৩৫০-০০২৬৬, ৮৬৩৮৯-৬০১১৬
ই-মেইল ঃ mrinalkmisra@gmail.com

প্ৰথম প্ৰকাশ ঃ মে’, ২০২৩ চন

গ্ৰন্থস্বত্ব ঃ জয়ন্ত কুমাৰ শৰ্মা

প্ৰচ্ছদ ঃ মনজিৎ ৰাজখোৱা, হিমশিখৰ শৰ্মা

অক্ষৰাংকন ঃ ভাৰ্গৱ বৰুৱা, ব্ৰজেন ৰয়, বিপুল চৌধুৰী, অজয় মেধি

অলংকৰণ ঃ মৃণাল কুমাৰ শৰ্মা

মূল্য ঃ ৩৫০.০০ টকা

ISBN: 978-93-93096-26-5

ছপাশাল ঃ
ছানবিম
১ শংকৰদেৱ পথ, ৰূপনগৰ, গুৱাহাটী-৭৮১০৩২

| হেমচন্দ্ৰ শৰ্মা | চাৰু দেৱী |
| --- | --- |
|  |  |
| জন্ম ঃ ২৩ অক্টোবৰ, ১৯৩২ চন<br>মৃত্যু ঃ ২১ আগষ্ট, ১৯৮৮ চন | জন্ম ঃ ২৬ এপ্ৰিল, ১৯৩৯ চন<br>মৃত্যু ঃ ২১ অক্টোবৰ, ১৯৯৯ চন |

ন জায়তে ম্ৰিয়তে ৱা কদাচিন্
নায়ং ভূত্বা ভৱিতা ৱা ন ভূয়ঃ ।
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে ।।

# কৃতজ্ঞতাৰ শৰাই

'স্মৰণীয় সুবাস' বজালী অঞ্চলৰ বিশিষ্ট শিক্ষাবিদদ্বয় আমাৰ দেউতা প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আৰু মা প্ৰয়াত চাৰু দেৱীৰ স্মৃতিত পৰিয়ালৰ সশ্ৰদ্ধ অঞ্জলি। দেউতা আৰু মাৰ মৃত্যুৰ সময়ত যিসকল ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে ব্যক্তিগতভাৱে আমাৰ ঘৰত উপস্থিত হৈ বা চিঠিৰে আমাৰ লগত সমমৰ্মিতা প্ৰকাশ কৰিছিল, বা বিভিন্ন অনুষ্ঠানত মিলিত হৈ মৃতকৰ আত্মাৰ সদগতিৰ কাৰণে প্ৰাৰ্থনা জনাইছিল, এই স্মাৰক গ্ৰন্থৰ জৰিয়তে তেওঁলোক সকলোকে কৃতজ্ঞতা জনাইছোঁ। যিসকল লিখকে অশেষ কষ্ট স্বীকাৰ কৰি, বহু সময় খৰছ কৰি আৰু বহুতো বহুমূলীয়া তথ্য সংগ্ৰহ কৰি প্ৰবন্ধপাতিসমূহ লিখি গ্ৰন্থখন সজালে তেওঁলোকৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। 'ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়'ৰ অধ্যক্ষ, কবি, গল্পকাৰ তথা আবৃত্তিকাৰ বন্ধুবৰ উৎপল শৰ্মাই বিভিন্ন ব্যস্ততাৰ মাজতো গ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব মূৰ পাতি লোৱা বাবে তেওঁৰ প্ৰতিও কৃতজ্ঞ হ'বই লাগিব। সম্পাদিত পাণ্ডুলিপি সজাই-পৰাই এখন সৰ্বাংগ সুন্দৰ ছপাগ্ৰন্থৰ পৰ্য্যায়লৈ নিয়া বাবে পাঠশালাৰ 'ৰাইনো প্ৰিণ্টাৰ্ছ' আৰু গুৱাহাটীৰ 'ছানবিম'ৰ কৰ্মকৰ্তাসকলৰ লগতে আন কেইবাগৰাকী ব্যক্তি ধন্যবাদৰ পাত্ৰ। সৰ্বশেষত গ্ৰন্থখনত ব্যৱহাৰ কৰা আলোকচিত্ৰ আৰু আন বিভিন্ন তথ্য সংগ্ৰহ কৰাৰ ক্ষেত্ৰত বহুতো লোকে আমাক ভিন ভিন ধৰণে সহায় আগবঢ়াইছিল। সেই প্ৰতিগৰাকী ব্যক্তিকে এইখিনিতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গ্ৰন্থখনিত বিভিন্ন লিখকৰ ভিন ভিন কেইবাটাও লেখাৰ উপৰিও দেউতা আৰু মাৰো দুটামান লেখা সংযোগ কৰা হৈছে। ইয়াত নতুন-পুৰণি বহুতো আলোকচিত্ৰ, বা আন তথ্যও আছে। লেখাসমূহত সংযোজিত তথ্যপাতিসমূহত কিছু অশুদ্ধি বা অসম্পূৰ্ণতা ৰৈ যাব পাৰে, কিছু তথ্য পুৰণি হ'ব পাৰে, বা উল্লেখ কৰিবলগীয়া কিছু ব্যক্তিৰ নাম উল্লেখ কৰা নহ'ব পাৰে। এনে অনিচ্ছাকৃত ভুলৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী।

এইখিনিতে উল্লেখ কৰিব খুজিছোঁ যে বিশ্ববিদ্যালয়ত পঢ়া কালৰেপৰা সাহিত্যৰ প্ৰতি অসীম আগ্ৰহী দেউতাই নিজৰ মাত্ৰ দুকুৰি যোল্ল বছৰীয়া চুটি জীৱনকালতে ভিন ভিন বিষয়ৰ কেইবাখনো গ্ৰন্থ ৰচনা কৰি যায়। তাৰে মাত্ৰ চাৰিখন গ্ৰন্থই ছপাৰ মুখ দেখে।

**স্মৰণীয় সুবাস**

দেউতাৰ সকলোখিনি লেখা সামৰি 'হেমচন্দ্ৰ শৰ্মা ৰচনাৱলী' এখনো প্ৰকাশ কৰাৰ চেষ্টা অব্যাহত ৰাখিছোঁ। আশা কৰোঁ সকলোৰে সহযোগিতাত সেইখনো সফলতাৰে প্ৰকাশ কৰিব পাৰিম।

সৰ্বশেষত স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা জনাই সামৰিছোঁ।

ইতি—

*প্ৰয়াত **হেমচন্দ্ৰ শৰ্মা** আৰু প্ৰয়াত **চাৰু দেৱীৰ** পৰিয়ালৰ হৈ—*

**জয়ন্ত কুমাৰ শৰ্মা**

৩১ মে', ২০২৩ চন, জ্যোতিনগৰ, পাঠশালা

সম্পাদকীয়

# সুৱাস সুঁৱৰি

গতিশীল সময়ৰ সোঁতত এই পৃথিৱীৰ বেছিভাগ মানুহেই বিস্মৃতিৰ অতল গৰ্ভত বিলীন হৈ যাবলৈ বাধ্য। আমাৰ জীৱনকালত সমাজৰ বিভিন্ন ক্ষেত্ৰৰ এনে বহু ব্যক্তিক আমি লগ পাওঁ, যাৰ ব্যক্তিত্ব, ত্যাগ বা সেৱাৰ কথা চিৰস্মৰণীয় হৈ থকাটো আমি মনে-প্ৰাণে আশা কৰোঁ। অথচ সেইগৰাকী ব্যক্তিক কায়িকভাৱে লগ নোপোৱা আমাৰ পিছৰটো প্ৰজন্মই তেওঁক স্মৃতিপটত জীয়াই ৰাখিবলৈ অপাৰগ হয়। এনেকৈয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বহুতো গুৰুত্বপূৰ্ণ ব্যক্তি আজি আমাৰ বাবে এক বিস্মৃত অতীত মাত্ৰ।

ষাঠিৰ দশকৰ আৰম্ভণিৰপৰা নৱৈৰ দশকলৈ বৃহত্তৰ বজালী অঞ্চলৰ শিক্ষাক্ষেত্ৰ-খনলৈ অসামান্য অৱদান আগবঢ়াই যোৱা এনে এক দম্পতীৰ কথাৰে আমাৰ এই গ্ৰন্থৰ অৱতাৰণা। প্ৰায় তিনি দশকজুৰি এই দুগৰাকী প্ৰাতঃস্মৰণীয় শিক্ষকৰ এগৰাকীয়ে বজালী অঞ্চলৰ উচ্চ শিক্ষা তথা আনগৰাকীয়ে মাধ্যমিক পৰ্য্যায়ৰ স্ত্ৰীশিক্ষাৰ জগতখনলৈ এক বিশাল বৰঙণি আগবঢ়াই থৈ গৈছে। শিক্ষাগ্ৰহণৰ সৈতে জড়িত আজিৰ বজালীৰ চল্লিশোৰ্দ্ধ অথবা পঞ্চাশোৰ্দ্ধ বয়সৰ অধিকাংশ ব্যক্তিৰ মুখতেই শুনিবলৈ পোৱা যায় তেখেতসকলৰ অনৱদ্য সেৱাৰ প্ৰশংসাসূচক স্মৃতিকথা। তাৰ পৰৱৰ্তী প্ৰজন্মৰ শিক্ষাৰ্থী-সকলৰ ভিতৰত কিছুসংখ্যকে মূৰ দোঁৱাই কয়, তেখেতসকলৰ বিষয়ে তেওঁলোকে অন্যৰ মুখৰ পৰা কিছু কথা শুনিছে। আৰু তেওঁলোকৰ পৰৱৰ্তী প্ৰজন্মই হয়তো পোনছাটে ক'বলৈ দ্বিধাবোধ নকৰিব যে তেখেতসকলৰ বিষয়ে তেওঁলোকে একোৱেই নাজানে।

চমুকৈ এনেধৰণৰ গ্ৰন্থৰ প্ৰাসংগিকতা এইখিনিতেই। এসময়ত নিৰলসভাৱে বজালীৰ লগতে অসমৰ শিক্ষাৰ জগতখনলৈ সেৱা আগবঢ়াই বিস্মৃতিৰ গৰ্ভত হেৰাই যাবলৈ ওলোৱা এই দুগৰাকী ব্যক্তিক স্মৃতিৰ মণিকোঠাত জীৱন্ত কৰি ৰখাৰ লগতে নতুন প্ৰজন্মৰ লগত তেখেতসকলক চিনাকি কৰাই দিয়াৰ এক মহৎ আৰু সজ প্ৰচেষ্টাৰ ফলশ্ৰুতি এই 'স্মৰণীয় সুৱাস'। বজালীৰ দক্ষিণ প্ৰান্তৰ কালদিয়াৰ পাৰৰ এখনি প্ৰত্যন্ত গাঁও জালিখাটাৰ এটি নিম্ন মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰি নানা বাধা-বিঘিনি, ঘাত-প্ৰতিঘাতৰ মাজেদি বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী গ্ৰহণ কৰিবলৈ সক্ষম হোৱা প্ৰয়াত হেমচন্দ্ৰ শৰ্মাই শিক্ষকতা বৃত্তিৰেই নিজৰ কৰ্মজীৱনৰ পাতনি মেলিছিল। ষাঠিৰ দশকৰ দোকমোকালিতে প্ৰথমে আঢ়ৈ বছৰকাল বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয়

শিক্ষক আৰু ১৯৬৩ চনত বজালী মহাবিদ্যালয়ত অধ্যাপকৰ চাকৰিত যোগদান কৰিছিল। ১৯৫৫ চনত প্ৰতিষ্ঠা হোৱা নামনি অসমৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান 'বজালী মহাবিদ্যালয়'ৰ সেয়া আছিল প্ৰতিষ্ঠা কালৰ সংগ্ৰামৰ সময়। স্বাভাৱিকতে এনেধৰণৰ এক বৃহৎ সপোন পূৰ্ণ কৰিবলৈ অনুষ্ঠানটোৱে এক দীঘলীয়া সংগ্ৰামৰ মাজেদিহে পূৰ্ণতা লাভ কৰিবলৈ সক্ষম হয়। শৰ্মাদেৱেও এইখন সংগ্ৰামত চামিল হৈ অনুষ্ঠানটোৱে পূৰ্ণতা লাভ কৰাৰ ক্ষেত্ৰত এক অনৱদ্য ভূমিকা গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়লৈকে তেখেতে এই মহাবিদ্যালয়ত শিক্ষাদান কাৰ্য্যত ব্ৰতী আছিল আৰু অধ্যাপনাৰ উপৰিও বিভাগীয় মুৰব্বী হিচাপে মহাবিদ্যালয়খনলৈ আগবঢ়োৱা তেখেতৰ সেৱাৰ কথা আজিও সকলোৱে একেমুখে স্বীকাৰ কৰে।

শিক্ষকতা কৰ্মৰ সমান্তৰালভাৱে তেখেতে পাঠ্যপুথি ৰচনা আৰু সাহিত্য কৰ্মতো একাণপতীয়াকৈ জড়িত হৈ পৰে। তেখেতে লিখা কেবাখনো উপাদেয় গ্ৰন্থ অসমীয়া গ্ৰন্থজগতলৈ এক গুৰুত্বপূৰ্ণ সংযোজন হিচাপে চিহ্নিত হৈ ৰ'ব। প্ৰয়াত শৰ্মাদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন সমিতিৰ সদস্য হিচাপেও সেৱা আগবঢ়াইছিল। তদুপৰি পাঠশালা সাহিত্য সভা, বজালী বিজ্ঞান সমিতি, সাহিত্য-সংস্কৃতি আৰু সমাজ কল্যাণ কেন্দ্ৰ আদি বিভিন্ন অনুষ্ঠানৰ বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্ববাহী হিচাপে তেখেতে নিষ্ঠাৰে সেৱা আগবঢ়াই এই অনুষ্ঠানবোৰক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

১৯৬২ চনত তেখেত উত্তৰ গুৱাহাটীৰ শিলসাঁকোৰ জীয়ৰী বিদূষী মহিলা চাৰু দেৱীৰ লগত বিবাহপাশত আৱদ্ধ হয়। অসমত পঞ্চাছ-ষাঠিৰ দশকলৈকে স্ত্ৰীশিক্ষাৰ গুৰুত্ব প্ৰায় নাছিল বুলি ক'লেও নিশ্চয় অত্যুক্তি কৰা নহ'ব। তেনে এক সময়তে চাৰু দেৱীয়ে স্নাতক ডিগ্ৰী লৈ বোৱাৰী সাজত বজালীত পদাৰ্পণ কৰিছিলহি। প্ৰায় সমসাময়িকভাৱে স্থাপিত হোৱা পাঠশালাৰ স্ত্ৰীশিক্ষাৰ অগ্ৰণী অনুষ্ঠান 'পাঠশালা ছোৱালী হাইস্কুলে' যেন তেখেতৰ বাবেই অপেক্ষা কৰি আছিল। পাটাছাৰকুছি সমষ্টিৰ সেই সময়ৰ বিধায়ক তথা বিশিষ্ট সমাজসেৱী ডাঃ কৃষ্ণকান্ত লহকৰদেৱৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰি কইনাৰ সাজ এৰি চাৰু দেৱীয়ে এই বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে যোগদান কৰিছিল। আজি অসমৰ চুকে-কোণে সিঁচৰতি হৈ থকা এইখন বিদ্যালয়ৰ অসংখ্য প্ৰাক্তন ছাত্ৰীৰ মুখে মুখে তেখেতৰ পাঠদানৰ দক্ষতা তথা কঠোৰ অনুশাসনৰ বিষয়ে শুনিলে ভক্তিত মূৰ দোঁ খাই যায়। শেষৰফালে বিদ্যালয়খনৰ মুৰব্বীৰ দায়িত্ব লৈ অতি দক্ষতাৰে তেখেতে শৈক্ষিক দিশটোৰ লগতে প্ৰশাসনিক দিশটোও চম্ভালি ল'বলৈ সক্ষম হৈছিল। স্বামীৰ পদাংক অনুসৰণ কৰি তেখেতেও অধ্যয়ন তথা লিখামেলাৰ লগত জড়িত হৈ

পৰিছিল। স্বামীৰ সৈতে যুটীয়াভাৱে চেমনীয়াৰ উপযোগীকৈ লিখা ‘চাৰ্লছ্ ডাৰউইন’ এখনি অতি উপাদেয় গ্ৰন্থ।

এগৰাকী সফল শিক্ষয়িত্ৰী হোৱাৰ উপৰিও তেখেত আছিল এগৰাকী আদৰ্শ গৃহিণী তথা সফল মাতৃ। ঘৰখন সুন্দৰভাৱে পৰিচালনা কৰাৰ লগতে তিনিটাকৈ ল'ৰা-ছোৱালীক উপযুক্ত পৰিৱেশত গঢ়ি তোলাৰ ক্ষেত্ৰত তেখেত সম্পূৰ্ণৰূপে সফল হ'ব পাৰিছিল বুলি সকলোৱে একেমুখে স্বীকাৰ কৰিব। প্ৰয়াত শৰ্মাদেৱৰ সকলো ধৰণৰ ঘৰুৱা সমস্যা চাৰু দেৱীৰ প্ৰচেষ্টাত সমাধান হৈছিল। অন্য কথাত চাৰু দেৱী আছিল প্ৰয়াত শৰ্মাদেৱৰ সাংসাৰিক জীৱনৰ পৰিপূৰিকা।

কিছু দেৰিকৈ হ'লেও এই সোঁৱৰণী গ্ৰন্থখন তেখেতসকলৰ সুযোগ্য পুত্ৰ, তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক ড° জয়ন্ত কুমাৰ শৰ্মাৰ উদ্যোগত প্ৰকাশ হ'বলৈ ওলোৱাত স্বাভাৱিকতে তেখেতসকলৰ গুণগ্ৰাহীসকল আনন্দিত হৈছোঁ। সোঁৱৰণী গ্ৰন্থখনত ব্যক্তি দুগৰাকীৰ জীৱন পৰিক্ৰমাৰ আধাৰত এটা সুন্দৰ তথা উপযুক্ত শিৰোনাম দিয়াৰ আকাংক্ষা থাকে। শিক্ষকতাৰ মাজেৰে দুয়োগৰাকী ব্যক্তিয়ে সমগ্ৰ জীৱনজুৰি বিলোৱা জ্ঞানৰ সুৱাস আজিও বিভিন্নজনে শ্ৰদ্ধাৰে সোঁৱৰণ কৰি আহিছে। সেই দৃষ্টিকোণৰপৰা গ্ৰন্থখনৰ শিৰোনাম নিৰ্ধাৰণ কৰা হ'ল। বিভিন্নজন আত্মীয়ৰ তেখেতসকলৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধা আৰু স্মৃতিবিজড়িত অনুভৱ, লগতে তেখেত দুয়োগৰাকীৰ সান্নিধ্য লাভ কৰাসকলৰ এধানি মধুৰ সোঁৱৰণিয়ে এই গ্ৰন্থখনক সাকাৰ কৰি তুলিছে। তদুপৰি ওৰে জীৱন দুয়োগৰাকী শিক্ষাজগতৰ সৈতে জড়িত হৈ থকা ব্যক্তি হিচাপে এই সোঁৱৰণী গ্ৰন্থখনত শিক্ষাৰ সৈতে প্ৰাসংগিক লিখনিও দুটামান সন্নিৱিষ্ট কৰা হৈছে।

শেষত সকলোলৈকে আন্তৰিক সেৱা আৰু শ্ৰদ্ধেয় শৰ্মাদম্পতীৰ পৰলোকগত আত্মালৈ আমাৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

**উৎপল শৰ্মা**

# চাৰু-হেম প্ৰশস্তিঃ

**ড° খগেন্দ্ৰনাথ দেৱ শৰ্মা**

কামৰূপ মণ্ডলস্থে জালিখাটা নামগ্ৰামে।
কাশ্যপগোত্ৰজৱিপ্ৰঃ পুষ্পচন্দ্ৰেতি ৱিখ্যাতঃ।।
তস্য পত্নী সাৱিত্ৰীতি ৱিনীতা প্ৰিয়বাদিনী।
তস্যাঃ গৰ্ভসমুদ্ভূতঃ হেমচন্দ্ৰমহোদয়ঃ।।
মধুনাথস্যানুজঃ সঃ প্ৰভাতস্যাগ্ৰজস্থিতঃ।
মহেশঃ কনিষ্ঠভ্ৰাতা অৱলা সোদৰা জাতা।।
প্ৰাথমিক শিক্ষাৰম্ভং কৰোতি স্বজন্মস্থানে।
মহাৱিদ্যালয়ীয়ংতু কটনাখ্যে ভূৱিখ্যাতে।।
ৱিশ্বস্যপ্ৰখ্যাতঃ একঃ ৱিশ্বৱিদ্যালয়ঃ স্থিতঃ।
গুৱাহাট্যাং নগৰ্য্যাঞ্চ তত্ৰৈৱসঃ উপস্থিতঃ।।
উদ্ভিদবিজ্ঞান নাম ৱিভাগঃ সৰ্ব্বৱিদিতঃ।
তত্ৰৈৱাধীত্য সম্যক্‌সঃ স্নাতকোত্তৰঃ সংপ্ৰাপ্তঃ।।
সৌম্যাকাৰঃ সৌম্যভাৱঃ সাধুসঙ্গ সদাপ্ৰিয়ঃ।
প্ৰশান্তঃ সমদৰ্শী চ হেমচন্দ্ৰঃ জনপ্ৰিয়ঃ।।
উত্তৰ গুৱাহাট্যাংয়ঃ বালিকানাং ৱিদ্যালয়ঃ।
তত্ৰৈৱ শিক্ষকৰূপঃ কৰ্মজীৱনস্যাৰম্ভঃ।।
বজাল্যুচ্চতৰঃ যস্য দ্বিতীয়পাঠনস্থলঃ।
তত্ৰৈৱ ৱিৱাহহেতোঃ চাৰুদেৱী নিৰ্ৱাচিতা।।
পাঠশালানিৱাসীয়ঃ হেমচন্দ্ৰমহাশয়ঃ।
মহাৱিদ্যাল্যয়েহপিসঃ প্ৰৱক্তাৰৈ নিয়োজিতঃ।।

## চাৰু-হেম প্ৰশস্তিঃ

কৰ্মজীৱনস্যাধিকঃ মহাৱিদ্যালয়েস্থিতঃ।
বজাল্যাঃ সঃ সুসন্তানঃ বজাল্যামেৱাধিস্থিতঃ।।
ৱিভিন্নৱিভাগে তস্য সুয়শঃ পৰিকীৰ্ত্তিতঃ।
সাহিত্যসভায়াঃ সভ্যঃ ৱিজ্ঞানসমিতেৰপি।।
সৰ্ৱত্ৰ কৰ্মনিপুণঃ লিখনে পঠনে ৰতঃ।
শ্যামচৰণেন সহ জীৱৱিজ্ঞানঃ প্ৰণীতঃ।।
বজাল্যামেকঃ মন্দিৰঃ পৰিহৰেশ্বৰঃ খ্যাতঃ।
তস্যেতিবৃত্তোঽপি তেন গ্ৰথিতশ্চ সুয়ত্নেন।।
মুনীন্দ্ৰেন সতীশেন সঙ্গবদ্ধনৈপুণ্যেন।
সমাজস্য হিতাৰ্থায় ইতিবৃত্তঃ প্ৰকীৰ্ত্তিতঃ।।
শশীমোহনেন সাৰ্দ্ধম্ অশ্বক্ৰান্তস্য বৃত্তান্তঃ।
পৰমযত্নেন তেন চাৰুতয়া সুনিৰ্মিতঃ।।
চাৰ্লছ্ ডাৰুইন সংজ্ঞস্য প্ৰখ্যাতৱিজ্ঞানৱিদঃ।
বৃত্তান্তমপি নিৰ্মিতং পত্ন্যা চাৰুদেব্যা সহ।।
পৰাশৰগোত্ৰোদ্ভৱা জয়কান্ত গৃহেজাতা।
কালিন্দ্ৰী গৰ্ভসম্ভূতা চাৰুদেৱীতি ৱিখ্যাতা।।
হেমচন্দ্ৰস্য পত্নী সা বিচক্ষণা কৰ্মৰতা।
সুতীক্ষ্ণ দৃষ্টিসম্পন্না গৃহস্য পৰিচালিকা।।
শৈশৱে পিতৃহাৰা সা মহতী বুদ্ধিসম্পন্না।
আত্মচাতুৰ্য্যবলেন জন্মস্থানে ৱিবৰ্দ্ধিতা।।
প্ৰাথমিক শিক্ষাংলব্ধা উত্তৰগুৱাহাট্যাংসা।
উচ্চমাধ্যমিকামপি ততঃ গুৱাহাটীং গতা।।
সন্দিকৈ ইতি ৱিখ্যাতঃ মহাৱিদ্যালয়ঃ স্থিতঃ।
য়স্মাৎ স্নাতকং সংপ্ৰাপ্য বালিকা ভূৱি প্ৰখ্যাতা।।
স্বৱিদ্যালয়ে নিযুক্তা জন্মস্থানে নমস্যাসা।
শিক্ষয়িত্ৰীৰূপয়াপি সৰ্ৱেষামাদৰণীয়া।।
যৌৱন সম্পন্না বালা হেমচন্দ্ৰেণ বদ্ধিতা।

**স্মৰণীয় সুবাস**

হিন্দুৰিৱাহ নিয়মাৎ পাঠশালাং সমাগতা।।
পাঠশালায়াং স্থাপিতঃ বালিকানাং ৰিদ্যালয়ঃ।
তত্ৰৈৰ কন্যা নিযুক্তা শিক্ষয়িত্ৰী মহাশয়া।।
কালান্তৰে চাৰুদেৰী প্ৰধানৰূপা বৰ্ত্তিতা।
উত্তমা প্ৰশাসিকা সা সৰ্ব্বৈৰেৰ সন্মানিতা।।
ৰিদ্যালয়েঽতি তীক্ষ্নাসা গৃহে সদা ব্যতিক্ৰমা।
আত্ম মতানুসাৰেণ গৃহস্থী পৰিচালিতা।।
হেমচন্দ্ৰচাৰুদেব্যোঃ শক্তিভূতং শিশুত্ৰয়ম্।
জয়ন্তাচিন্ত্যৌ সুপুত্ৰৌ ৰন্দিতা স্নিগ্ধা দুহিতা।।
জয়ন্তঃ জয়যুক্তশ্চ পিত্ৰোঃ হৰ্ষপ্ৰদায়কঃ।
স্বকীৰ্ত্তিৰিস্তাৰেণ য়ঃ অধ্যাপকঃ প্ৰতিষ্ঠিতঃ।।
দ্বিতীয়া কন্যা ৰন্দিতা কৌতুকেন উদ্বাহিতা।
সুচতুৰা কাৰ্য্যক্ষমা সুপ্ৰতীমস্য সামাতা।।
কনিষ্ঠঃ পুত্ৰঃ অচিন্ত্যঃ সংৰাদকৰ্ম নিৰতঃ।
আত্মকৰ্মবলাদেৰ গৃহধৰ্মস্য পালকঃ।।
বহুগুণ সমাযুক্তৌ চাৰুহেমৌ একত্ৰিতৌ।
গৰিম্না মহিম্নৈৰ দ্বৌ স্বৰ্গলোকে সুসংস্থিতৌ।।
আশীৰ্ৱাদ প্ৰদানাৰ্থং প্ৰণমামি সয়ত্নতঃ।
দ্বয়োৰ্মশঃ কীৰ্ত্তনেন খগেন্দ্ৰোঽহমানন্দিতঃ।।

- *লিখক বজালী মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন অধ্যাপক।*

# স্মৰণীয় সুবাস

## সূচীক্ৰম


- **কৃতজ্ঞতাৰ শৰাই** ৫
- **সম্পাদকীয়**
  - সুবাস সুঁৱৰি ✍ উৎপল শৰ্মা ৭
- **চাৰু-হেম প্ৰশস্তিঃ** ✍ ড° খগেন্দ্ৰনাথ দেৱ শৰ্মা ১০
- **সোণগুটিৰ লেছেৰি**
  - বিজ্ঞানমনস্কতা, সত্য আৰু আমাৰ জীৱন ✍ ড° অমৰজ্যোতি চৌধুৰী ১৭
  - ফণী শৰ্মাৰ গদ্য ঃ আত্মজৈৱনিক ৰচনা ✍ মদন শৰ্মা ২৪
  - মুক্ত চিন্তাৰ গৰিমা ✍ বসন্ত ডেকা ৩৩
  - বেথুন ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্য আনন্দৰাম আৰু অসমৰ আধুনিকতা ✍ ৰঞ্জিত কুমাৰ দেৱ গোস্বামী ৩৬
  - ৰবীন্দ্ৰনাথৰ সাধনাক্ষেত্ৰ শান্তিনিকেতন আৰু বিশ্বভাৰতী ✍ সুনীল কুমাৰ দত্ত ৫৮
  - অন্ধবিশ্বাসৰ আৱৰ্তত ধূমকেতু ✍ ড° কালীপ্ৰসাদ শৰ্মা ৬৮
  - Indian Higher Education in a State of Despair ✍ Dr. B. K. Konwar ৭১
  - Crisis in Education ✍ Alak K. Buragohain ৯০
- **শৰ্মা দম্পতীৰ কাপ-নিসৃত**
  - অসমৰ পৰ্বত-ভৈয়াম সম্প্ৰীতি ✍ হেমচন্দ্ৰ শৰ্মা ৯৪
  - সোণালী ধাননি সেউজীয়া কুঁহি ✍ হেমচন্দ্ৰ শৰ্মা ১০০
  - আমাৰ সৌৰজগতখন ✍ হেমচন্দ্ৰ শৰ্মা ১০৫
  - Introduction to Botany ✍ Hem Chandra Sharma ১২২
  - এটি মৃত্যুঞ্জয়ী মৰা হাতী ✍ হেমচন্দ্ৰ শৰ্মা ১৩৫
  - ভাৰতত স্ত্ৰীশিক্ষা ✍ চাৰু দেৱী ১৩৬
  - বজালীত নাৰীশিক্ষাৰ বিষয়ে একাষাৰ ✍ চাৰু দেৱী ১৪১

## স্মৰণীয় সুবাস


● **স্মৃতিৰ স্বৰ্ণিল অধ্যায়**

- প্ৰিয়বন্ধু হেমচন্দ্ৰ শৰ্মাৰ বিষয়ে — ✍ শ্যামচৰণ ডেকা — ১৪৩
- সহকৰ্মী প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ স্মৃতিত — ✍ হেমকান্ত শৰ্মা — ১৪৫
- স্মৃতিৰ সঁফুৰা বিচাৰি — ✍ হৰেন্দ্ৰ নাথ মজুমদাৰ — ১৪৬
- শ্ৰদ্ধাৰ হেমচন্দ্ৰ শৰ্মাদাৰ সোঁৱৰণত — ✍ শিল্পাচাৰ্য্য প্ৰমোদ চন্দ্ৰ ৰায় — ১৪৭
- আপদিয়া দেওবাৰ — ✍ নকুল দাস — ১৫০
- এজন সৰল প্ৰকৃতিৰ মানুহ— হেমচন্দ্ৰ শৰ্মাদেৱ — ✍ ড° সোণেশ্বৰ শৰ্মা — ১৫২
- জ্ঞান-প্ৰদীপ হেমচন্দ্ৰ — ✍ ড° চন্দ্ৰমোহন শৰ্মা — ১৫৪
- সান্নিধ্যৰ স্মৃতি — ✍ ড° নৃপেন্দ্ৰ নাথ শৰ্মা — ১৫৭
- বিদায় ক্ষণত শ্ৰীযুতা চাৰু দেৱীলৈ — ✍ কুসুম দাস (বৌ) — ১৫৯
- সোঁৱৰণিৰ কুন্দ্ৰাক্ষজালেৰে প্ৰয়াত চাৰু দেৱী — ✍ নৃপেন্দ্ৰ কুমাৰ মজুমদাৰ — ১৬০
- অনুভৱৰ ভাষাৰে একলম — ✍ যামিনী পাটগিৰী — ১৬৫
- স্মৃতিৰ সঁফুৰাত সহকৰ্মী প্ৰয়াত চাৰু দেৱী — ✍ ছায়া তালুকদাৰ — ১৬৬
- শিক্ষাবিদ দম্পতী হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱী — ✍ মুৰাৰি মোহন দত্ত — ১৬৮
- হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ সান্নিধ্যৰ বিষয়ে দুষাৰ — ✍ ৰত্নেশ্বৰ দাস — ১৭৫
- এক পৌঢ় দম্পতীৰ জীৱন-গাথাৰে — ✍ তৰুণ চন্দ্ৰ মিশ্ৰ ভাগৱতী — ১৭৮

● **তস্মৈ শ্ৰীগুৰৱে নমঃ**

- প্ৰয়াত হেমচন্দ্ৰ শৰ্মাছাৰৰ সোঁৱৰণত এটি গীত — ✍ কুশল দাস — ১৮৩
- তেওঁ গ'লগৈ — ✍ পুৰন্দৰ পাটগিৰি — ১৮৪
- তেওঁ শুই আছে — ✍ যজ্ঞেশ্বৰ কাকতি — ১৮৫
- পূজনীয় শিক্ষাগুৰু হেমচন্দ্ৰ শৰ্মাছাৰৰ সশ্ৰদ্ধ সোঁৱৰণত — ✍ অজিত তালুকদাৰ — ১৮৬

## সূচীক্ৰম


- ❑ পাঠশালা সাহিত্য সভাত অধ্যাপক হেমচন্দ্ৰ শৰ্মা ✍ প্ৰবোধ চন্দ্ৰ শৰ্মা ১৮৯
- ❑ ৰসিক হেমচন্দ্ৰ শৰ্মা ✍ গদাধৰ চৌধুৰী ১৯৪
- ❑ এজন অভিভাৱকৰ ৰূপত স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মা ✍ মৃণাল কুমাৰ মিশ্ৰ ১৯৬
- ❑ কালিন্দী তীৰৰ হেম ✍ মথুৰা মোহন গোস্বামী ১৯৯
- ❑ চিৰনমস্য হেমচন্দ্ৰ শৰ্মাছাৰৰ সোঁৰৰণত ✍ দিবাকৰ গোস্বামী ২০২
- ❑ শ্ৰদ্ধেয় শিক্ষাগুৰু হেমচন্দ্ৰ শৰ্মাছাৰৰ স্মৃতিত ✍ ড° সুৰেশ ডেকা ২০৫
- ❑ মানসপটত মোৰ জেঠীমা ✍ দীপা শৰ্মা ২০৯
- ❑ শিক্ষাগুৰু চাৰু দেৱীৰ চৰণকমলত ভক্তি-অঞ্জলি ✍ গীতা পাটগিৰি ২১০
- ❑ শ্ৰদ্ধাৰ শিক্ষয়িত্ৰী চাৰু দেৱী বাইদেউৰ সোঁৰৰণত ✍ প্ৰণীতা দত্ত পাঠক ২১৩
- ❑ এটি শ্ৰদ্ধাঞ্জলি ঃ ছাৰ-বাইদেউলৈ ✍ ড° তপন কাকতি ২১৫
- ❑ এটি সংস্কৃত পৰিয়ালৰ সান্নিধ্যৰ স্মৃতি ✍ ড° বীৰেন দাস ২১৮

- **সোঁৰৰণিৰ সোণালী সঁফুৰা**
  - ❑ কৃতী শিক্ষাবিদ সাহিত্যিক হেমচন্দ্ৰ শৰ্মা ✍ নৰনাৰায়ণ দেৱশৰ্মা ২২০
  - ❑ স্মৃতিয়ে যেতিয়া আমনি কৰে ✍ বিষ্ণু শৰ্মা ২৩৩
  - ❑ সোঁৰৰণিৰ পাতত দাদা ✍ দীপালী দেৱী ২৩৫
  - ❑ পিতৃভ্যাং নমো নমঃ ✍ ব্ৰজেন শৰ্মা ২৩৭
  - ❑ মোৰ স্মৃতিৰ পটত চাৰু বাইদেউ ✍ ভাৰতী দেৱী ২৪০
  - ❑ স্বৰ্গীয় মামা আৰু মামীৰ স্মৃতিত ✍ অনু দেৱী ২৪২
  - ❑ হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীক মই যিদৰে জানিছিলোঁ ✍ গোলাপ চন্দ্ৰ দেৱ চৌধুৰী ২৪৫
  - ❑ সোঁৰৰণিৰ পাতত শ্ৰদ্ধাঞ্জলিৰে একলম ✍ কিৰণ চন্দ্ৰ চৌধুৰী ২৪৬
  - ❑ প্ৰয়াত হেমখুড়া আৰু চাৰুখুড়ীৰ সোঁৰৰণত ✍ জয়মতী দেৱী ২৪৯

## স্মৰণীয় সুবাস


- স্মৃতিৰ ৰেঙণিত মামা-মামী ✍ ড° ৰশ্মি দেৱী ২৫২
- স্মৃতিৰ মণিকোঠাত আতা-আবু ✍ মেঘালী শৰ্মা ২৫৬
- মোৰ স্মৃতিত শাহু আই আৰু শহুৰ দেউতা ✍ কৌতুক শৰ্মা ২৫৮
- তেওঁলোক আছিল গ্ৰীষ্মকালৰ কৃষ্ণচূড়া গছৰ দৰে ✍ অচিন্ত্য শৰ্মা ২৫৯
- শ্ৰদ্ধাৰ মা আৰু দেউতাৰ সোঁৱৰণত ✍ বন্দিতা দেৱী ২৬২
- মা-দেউতা— স্মৃতি আৰু বিস্মৃতি ✍ ড° জয়ন্ত কুমাৰ শৰ্মা ২৬৪

**● পৰিশিষ্ট (ক)**

- জীৱন পৰিক্ৰমা ঃ হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ ২৬৬
- হেমচন্দ্ৰ শৰ্মাৰ গ্ৰন্থসমূহৰ তালিকা ২৬৯
- হেমচন্দ্ৰ শৰ্মাৰ মৃত্যুত বিভিন্নজনৰপৰা পোৱা চিঠিৰ তালিকা ২৭০
- হেমচন্দ্ৰ শৰ্মাৰ বংশলতিকা ২৭২

**● পৰিশিষ্ট (খ)**

- অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক-প্ৰস্তাৱসমূহ ২৭৩
- বাতৰিকাকতত প্ৰকাশিত মৃত্যুৰ বাতৰিসমূহ ২৯৫
- হস্তাক্ষৰৰ নমুনা ৩০১
- খুচুৰা তথ্য ৩০৫
- সম্বৰ্দ্ধনা পত্ৰসমূহ ৩১৩
- লিখিত গ্ৰন্থসমূহৰ প্ৰচ্ছদ ৩১৮
- হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ ৩২৪
- চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ ৩৫৭

# বিজ্ঞানমনস্কতা, সত্য আৰু আমাৰ জীৱন

ড° অমৰজ্যোতি চৌধুৰী

বিজ্ঞানমনস্কতা কি ? সত্যৰ হাতবাউলি চিনিবলৈ বিজ্ঞানমনস্কতাই সহায় কৰেনে ? এনেবোৰ প্ৰশ্নৰেই উত্তৰ বিচাৰি চাইছোঁ এই প্ৰৱন্ধত। এই চিন্তাৰ আঁত ধৰি মোৰ মন উৰি গৈছে তাহানিলৈ।

আমি তেতিয়া অষ্টম শ্ৰেণীত। সেই শ্ৰেণীত আমাক অসমীয়া বিষয়ৰ পাঠ দিছিল বীৰেন বৰুৱা ছাৰে। কিন্তু সেই পাঠ বহুসময়ত জীৱনৰ পাঠৰ লেখীয়া হৈছিলগৈ। এদিন তেখেতে এখন কাগজত জৱাহৰলাল নেহৰুৱে লিখা The Discovery of India নামৰ গ্ৰন্থখনৰ এটা টুকুৰা অসমীয়ালৈ অনুবাদ কৰি আমাক দিছিল। আমি আটায়ে আমাৰ বহীত সেইখিনি টুকি লৈছিলোঁ। টুকুৰাটোত বিজ্ঞানমনস্কতাৰ কথা লিখা আছিল এনেদৰে—

"প্ৰয়োজন হৈছে বিজ্ঞানমনস্কতাৰ। বিজ্ঞানৰ সাহসী অথচ সূক্ষ্ম বিচাৰৰ। সত্য আৰু নতুন জ্ঞানৰ সন্ধানৰ। বিচাৰ আৰু পৰ্য্যবেক্ষণ নকৰাকৈ কোনো কথাকে সত্য বুলি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা দৃষ্টিভংগীৰ। নতুন তথ্যৰ ভিত্তিত আগৰ সিদ্ধান্ত সলনিৰ ক্ষমতাৰ। আগেয়ে থিৰ কৰি থোৱা ধাৰণাৰ সলনি পৰ্য্যবেক্ষণত নিৰ্ভৰ কৰাৰ। মনৰ কঠোৰ শৃংখলাবদ্ধতাৰ। কেৱল বিজ্ঞানৰ বাবেহে যে এয়া জৰুৰী এনে নহয়। বৰং তাৰ প্ৰয়োজন জীৱনৰ বাবেও। বহু সমস্যাৰ সমাধানৰ বাবেও।"

সেইদিনা তেখেতে এইখিনি কথাৰ প্ৰতিটো বাক্য আৰু শব্দৰ ব্যাখ্যাৰে আমাক বাধ্য কৰিছিল নিজাববীয়াকৈ ভাৱিবলৈ। এনে এক জীৱন যাপনৰ বাবে তেওঁ আমাক দিছিল প্ৰৱল অনুপ্ৰেৰণা। আমাক তেখেতে সুধিছিল— "তোমালোকে বাৰু এই প্ৰয়োজনৰ কথাত পতিয়ন গৈছানে ? আনৰ কথা নাজানোঁ, মই হ'লে পতিয়ন গৈছোঁ। তোমালোক যদি পতিয়ন গৈছা, প্ৰতিদিনে পুৱাই উঠি এই কেইশাৰী কথা এবাৰ আওৰাই চাবা।"

সেইদিনাই সেয়ে মন ডাঠ কৰি লৈছিলোঁ— তথ্যৰ ওপৰত ভিত্তি কৰিয়েই সকলো সিদ্ধান্ত ল'ম জীৱনৰ। লগতে প্ৰয়োজনবোধে সলাই ল'ম পুৰণি ধাৰণাক। নাজানোঁ কিমান সফল হৈছোঁ এই বাটত। কিন্তু সেইদিন ধৰি এয়াই হৈ পৰিল মোৰ জীৱনৰ মন্ত্ৰ।

## স্মৰণীয় সুবাস

স্কুলৰপৰা এবাৰ আমাক লৈ গৈছিল কটন কলেজৰ বিজ্ঞানাগাৰলৈ। বৰ বিস্ময়েৰে চাইছিলোঁ ডাঙৰ ডাঙৰ যন্ত্ৰসমূহ। ছাৰে আজি ক'লে— "এনে যন্ত্ৰৰ সহায়তেই প্ৰাকৃতিক জগতৰ তথ্য গোটাই লয় বিজ্ঞানীয়ে। এই পৰ্য্যবেক্ষণৰ সত্যই হেনো চৰম সত্য বিজ্ঞানৰ। সেই তথ্যৰ লগত ৰজিতা খালেহে হেনো বিজ্ঞানে গ্ৰহণ কৰে যি কোনো বিশ্লেষণ বা তত্ত্ব।"

তেতিয়ালৈ আমি বিজ্ঞানৰ বিভিন্ন পাঠ্যপুথি পঢ়িছিলোঁ। তাৰ মাজতে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ কথাও পঢ়িছিলোঁ। তথাপি বিজ্ঞান আমাৰ বাবে আছিল বিভিন্ন টুকুৰা-টুকুৰ খবৰৰ সমষ্টি মাথোন। উদাহৰণস্বৰূপে আমি পঢ়িছিলোঁ— বৰফত তাপ দিলে কিদৰে পানী হয়, পানী কিদৰে গৰম কৰিলে বাষ্প হয় বা গছে কিদৰে নিজৰ খাদ্য সংগ্ৰহ কৰে, এনে ধৰণৰ বিচিত্ৰ খবৰ। সেই সময়ত "জানানে?" নামৰ এখন কিতাপ ছাত্ৰ-ছাত্ৰীৰ মাজত খুব চলিছিল। মই পোনতে বিজ্ঞান তেনে "জানানে?" জাতীয় বিষয় বুলিয়েই ভাবিছিলোঁ। বিজ্ঞানৰ পাঠ দিওঁতে শিক্ষক এগৰাকীয়ে কোৱা সাধু এটা মোৰ মনত আছে। বুনিয়াদী ৰং মিহলোৱাৰ ফলাফল বুজাবলৈ তেখেতে এই সাধুটো কৈছিল। সাধুটো আছিল এজন চিত্ৰকৰৰ। ৰঙা, নীলা আৰু সেউজীয়া এই তিনিওটা ৰঙেই আছিল চিত্ৰকৰজনৰ বৰ প্ৰিয়। সেয়ে এখন চিত্ৰত এই তিনিওটা ৰঙেই থাওক। এই ইচ্ছাৰে তেওঁ তিনিটা ৰঙেই ওপৰা-উপৰিকৈ সানিলে। কিন্তু ছবি আঁকা কাকতখিলা চাই তেওঁ চক খাই উঠিল। কাৰণ তিনিওটা ৰঙ মিহলি হৈ কাকতখিলাৰ সেই অংশত তিনিওটা ৰঙেই অদৃশ্য হৈ পৰিল। বৰং কাকতখনৰ সেই অংশটো আকৌ বগা হৈ পৰিল। বুনিয়াদী ৰং মিহলাই যে বগা ৰঙ পাব পাৰোঁ সেই সত্যটো উদঙাই দিবলৈয়ে ছাৰে সেই সাধুটো কৈছিল— সেয়া স্পষ্ট হৈ আছে। পিছে সেই সাধুটোৰ পৰা আমি আন এটা শিকনিও পাওঁ। চিত্ৰকৰজনে চিত্ৰখনত তিনিওটা ৰঙেই দেখুৱাবলৈ বিচাৰিছিল। পিছে তিনিওটা ৰং ওপৰা-উপৰি হোৱাত তাৰ গড় হিচাপে ৰংটো হ'লগৈ বগা। সেইসময়ত এয়া মোৰ বাবে আছিল এটা বিচিত্ৰ অভিজ্ঞতা। সেইসময়ত আমাৰ ছাৰসকলে প্ৰায়ে কৈছিল ১৯৬১ চনৰ ১২ এপ্ৰিলত ৰাছিয়াৰ য়ুৰি গাগাৰিনে 'ভস্টক' যানেৰে পৃথিৱী প্ৰদক্ষিণ কৰাৰ কথা। বিজ্ঞানৰ এনেবোৰ কথা জানি মোৰ বৰ ভাল লাগিছিল। পিছে পঢ়ি ভাল লাগিলেও কোনখিনি কথাক বিজ্ঞান বুলিম বা বিজ্ঞান পঢ়াৰ উদ্দেশ্য কি তাৰ কোনো স্পষ্ট ধাৰণাই নাছিল মোৰ। ছাৰৰ সেই দিনাৰ পাঠৰপৰাহে প্ৰথমবাৰলৈ বুজিবলৈ পালোঁ বিজ্ঞানত পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজনীয়তাৰ কথা। প্ৰাকৃতিক সত্যৰ বিচাৰ যে বিজ্ঞানৰ উদ্দেশ্য, সেই কথা। যিসমূহ কথা তথ্যৰ সহায়ত সত্য বুলি প্ৰতিষ্ঠিত নহয় সেয়া বিজ্ঞানৰ বাবে সত্য নহয়। তেনে অসত্যক সত্য বুলি লোৱাই হেনো কু-সংস্কাৰ।

এইদৰে ছাৰে সেইদিনা কৈ গ'ল— এই সত্যৰ সন্ধানত বিজ্ঞানে কৰা জয়যাত্ৰাৰ কথা। তথ্যৰ ভেটিত প্ৰয়োজনবোধে সলাই লোৱা সিদ্ধান্তৰ কথা। আমাৰ দৈনন্দিন জীৱনৰ নিয়ম-নীতি সলনি হৈ যোৱা অণু-পৰমাণুৰ ভিতৰখনৰ কথা। এটা বন্ধ বাকচৰ লেখীয়া পৰিৱেশৰপৰাও এটা কণা ওলাই যাব পৰাৰ কথা। ছাৰে কৈ গ'ল— এনেবোৰ পৰিস্থিতি ব্যাখ্যা কৰিবলৈ কিদৰে বিজ্ঞানে সলাই লৈছে পুৰণি তত্ত্ব। ছাৰৰ কথাৰ আঁত ধৰিয়েই এইদৰে বিজ্ঞানৰ প্ৰতি মই অনুভৱ কৰিলোঁ এক তুমুল আকৰ্ষণ।

মোৰ মনত আছে— পাঠদান প্ৰায় শেষ হ'বলৈ লৈছে সেই দিনা। এনেতে মোৰ অনুভৱ হ'ল এয়াই দেখোঁ সত্য অন্বেষণৰ উৎকৃষ্ট বাট। সেয়ে মই ছাৰক সুধিলোঁ— "সত্য বিচৰাৰ বাবে বাৰু এইটোৱেই আটাইতকৈ ভাল বাট নেকি?" ছাৰে উত্তৰ দিলে— "মই অৱশ্যে বিজ্ঞানৰ মানুহ নহয়। তথাপি মই যিমানদূৰ জানোঁ এইটোৱেই আটাইতকৈ উত্তম বাট।" ছাৰৰ মতে শ্ৰেষ্ঠ এই বাটটো চিনি ল'বলৈ সেইদিনা বৰ ইচ্ছা হ'ল মোৰ।

এইদৰে অসমীয়া বিষয়ৰ এটা পাঠেই মোৰ মনত জগাই দিলে বিজ্ঞানৰ প্ৰতি আগ্ৰহ। এই আগ্ৰহ বুকুত বান্ধিয়েই ছাৰক সুধিলোঁ— "ছাৰ, বিজ্ঞানৰ কথা থকা এখন কিতাপৰ কথা ক'ব নেকি? মোৰ পঢ়িবলৈ বৰ মন গৈছে।" ছাৰে ক'লে— Mr. Tompkins in Wonderland নামৰ কিতাপখন পঢ়ি চাবাচোন।" ছাৰৰ নিৰ্দেশতেই এই কিতাপখনে পঢ়িলোঁ। কিতাপখনে পাৰ ভাঙি দিলে বিজ্ঞানৰ প্ৰতি মোৰ আকৰ্ষণৰ। বিজ্ঞানৰ প্ৰতি এই আকৰ্ষণ নিঃসন্দেহে মোৰ জীৱনলৈ অষ্টম শ্ৰেণীৰ এক স্মৰণীয় অৱদান।

এই ছেগতে ভাৰি চাইছোঁ— কি কবা, কাক বাৰু মই ভাল পাওঁ? উভতি চাই দেখিছোঁ, শৈশৱতে পৰিয়ালৰ বাহিৰত প্ৰথমে মোৰ ভাল লাগিছিল কাষৰ নৈখনক। তাৰ পিছত ভালপোৱা হৈছিল শিহুৰ জাকৰ সৈতে। পাহাৰৰ সৈতে। হঠাৎ দেখা চৰাই এজাকৰ সৈতে। গছৰ সৈতে। তাৰ পিছত অৰণ্যৰ সৈতে। পথাৰৰ সৈতে। পথাৰত নতুনকৈ মেলা থোঁৰৰ সৈতে। বা নাটকৰ ঘটনাই অনা বিস্ময়ৰ সৈতে। কিতাপৰ সৈতে। এইটোৱেই আছিল মোৰ ভাল লগাৰ ক্ৰম। কেতিয়াবা ভাবোঁ এই যে নৈ, পাহাৰ, গছ, অৰণ্য, পথাৰ, নাটক আৰু কিতাপক যে ভাল পাইছিলোঁ বা পাওঁ— এইবোৰ ভাল লগাৰ কাৰণবোৰৰ মাজত বাৰু কিবা সম্পৰ্ক আছেনে? এই প্ৰশ্নই বহু দিন ধৰি মোৰ মনত খু-দুৱনি তুলি আছিল। প্ৰথমতে ধৰিব পৰা নাছিলোঁ। এতিয়া পিছে বুজিছোঁ তাৰ কাৰণ। কাৰণ আচলতে একেবাৰে স্পষ্ট। নৈ, পাহাৰ, গছ, অৰণ্য, পথাৰ— এইবোৰ প্ৰত্যেকখনেই একোখন কিতাপ। প্ৰত্যেকতেই আমি বিচাৰি পাওঁ পৰম বিস্ময়। সেইবাবেই ভাল লাগে এইবোৰক। এই আটাইবোৰেই যেন একো একোখন কিতাপ। দেখাত এয়া ব্যক্তিগত উপলব্ধি। ভাল লগাৰ ক্ৰমটো মানুহ অনুযায়ী সুকীয়া হোৱাটোতো আচৰিত

হ'বলগীয়া একো নাই। পিছে লগতে মই এয়াও ভাবোঁ— এইবোৰৰ উঁহত থকা বিস্ময়ৰ বাবেই যে এইবোৰ ভাল লাগে সেয়াও ধ্ৰুৱপ। সেয়াও এক সত্য। ওলোটাকৈ চালে আন কেতিয়াবা আকৌ অনুভৱ হয়— প্ৰত্যেকখন কিতাপেই যেন একোডাল গছ। কিতাপৰ প্ৰতিটো থূপেই একোখন অৰণ্য।তাত বিচাৰি পাওঁ পৰম বিস্ময়।ৰ লাগি চাওঁ সেইবোৰ বিস্ময়ৰ থূপ। বহুতৰ বাবে সেয়া যেন অনিৰুদ্ধৰ দৰে প্ৰেম। যেন উছৰ্গা কৰি দিয়ে জীৱন সেই প্ৰেমত। সেয়ে চাগে কিতাপ দম লাগি থকা পুথিভঁৰালৰ বিষয়ে Saul Bellowয়ে কৈছিল— People can lose their lives in libraries. They ought to be warned. যেন চাকিৰ প্ৰতি চগাৰ প্ৰেম।

একো একোখন ভাল কিতাপ যেন একো একোটা আৱিষ্কাৰ। বিজ্ঞানীয়ে পৰীক্ষাগাৰত, মাটি বা পানী, বতাহ বা আকাশত আৱিষ্কাৰ কৰে নতুন সত্য। প্ৰয়োগৰ নতুন বাট। কিতাপৰো পাতে পাতে আমাৰ বাবে থাকে নতুন আবিষ্কাৰ। এনে লাগে যে কিতাপৰ আখৰে আখৰে থাকে জোনাকী পৰুৱা। তাৰ ছবি, আখৰ আটাইতে পোহৰৰ চিন। অ'ত-ত'ত, ইফালে-সিফালে, চাৰিওফালে পোহৰ। সেই বাবেই একো একোখন ভাল কিতাপেই হয় গৈ মনৰ দীপান্বিতা। দীপান্বিতাৰ দৰে উজলি উঠে আমাৰ মন। কেতিয়াবা তাতেই আবিষ্কাৰ কৰোঁ নিজক। নিজৰ সমাজক। আৱিষ্কাৰ কৰোঁ আন সমাজৰ মাজত একে বা বিপৰীত অনুভূতি। আন কেতিয়াবা আকৌ পৃথিৱীৰ, ব্ৰহ্মাণ্ডৰ নতুন তথ্য। সেই তথ্যই বহলাই নিছে আমাৰ মনৰ দিগন্ত। বিদ্যালয়ত থাকোতেই গান্ধীজীৰ "মোৰ সত্য অন্বেষণৰ কাহিনী" পঢ়ি বুকুখন ধপ্ ধপ্ কৰা আজিও মোৰ মনত আছে। "মই গান্ধীজীৰ দৰে হ'ম" কবিতাটো আবৃত্তি কৰাৰ দিনৰেপৰা গান্ধীজীৰ চৰিত্ৰ মোৰ বাবে আছিল চুম্বকৰ নিচিনা। তাতে মায়ে মোক সঁচাৰ বাটত থাকিবলৈ কোৱা দিনৰেপৰা লাহে লাহে তেখেতৰ প্ৰতি অনুভৱ কৰিছিলোঁ এই অবুজ আকৰ্ষণ। পৰিয়ালৰ পৰম্পৰাৰ বিৰুদ্ধে গৈ মাংস খোৱা, বিড়ি-চিগাৰেট খোৱা, মদ খোৱা এজন ল'ৰাই কিদৰে সত্যৰ সন্ধানেৰে জীৱনৰ ৰেহ-ৰূপেই সলাই দিলে সেয়া মোৰ বাবে আছিল পৰম বিস্ময়। হৰিশ্চন্দ্ৰ আৰু শ্ৰৱণৰ পিতৃভক্তিৰ নাটকে তেওঁৰ দৃষ্টিভংগীয়েই সলাই দিয়া কাহিনীও একেবাৰতে পঢ়ি শেষ কৰিছিলোঁ মই। এইদৰে সত্য আৰু অহিংসাৰ ধাৰণাৰ বীজ বুকুত স্থাপন কৰাৰ ঘটনাবোৰো বাৰে বাৰে পঢ়িছিলোঁ মই।কিন্তু মোৰ বাবে সবাতোকৈ আকৰ্ষণীয় আছিল তেখেতৰ প্ৰতিটো ধাৰণা আৰু বিশ্বাসক নিজৰ জীৱনতে প্ৰয়োগ কৰাৰ বাবে তেখেতৰ দৃঢ়তা। এখন সফল উপন্যাস পঢ়াতকৈও আচৰিত হৈছিলোঁ তেখেতৰ সাহস দেখি।

আগতেই কৈ আহিছোঁ— মোৰ বাবে গান্ধীজী আছিল এগৰাকী বিজ্ঞানীৰ নিচিনা। তাৰ কাৰণ হ'ল জীৱনক তেনেই কাষৰপৰা অতি সূক্ষ্মভাৱে লক্ষ্য কৰিছিল তেখেতে।

লগতে তাৰপৰা পোৱা জীৱনক তুলি ধৰাৰ শিক্ষা নিষ্ঠাৰে আৰু বিজ্ঞানভিত্তিক দৃষ্টিভংগীৰে অনুসৰণো কৰিছিল নিজৰ জীৱনত। বিজ্ঞানীৰ দৰেই কাযৰপৰা চাইছিল জীৱনৰ প্ৰয়োজনসমূহক। উদাহৰণস্বৰূপে তন্নতন্নকৈ তেখেতে চাইছিল আহাৰ, পানী, স্বাস্থ্য আৰু পৰিৱেশ সম্পৰ্কীয় প্ৰয়োজনৰ তালিকাখন। তাৰ ভেটিতেই তেখেতে ঠিক কৰি লৈছিল এইবোৰ প্ৰয়োজনৰ যোগান ধৰাৰ বাবে ল'বলগীয়া উদ্যমবোৰ। মুঠতে জীৱনৰ প্ৰয়োজনসমূহ সকলোৰে পোৱাটো নিশ্চিত কৰাই আছিল তেওঁৰ জীৱনৰ লক্ষ্য। দেখাত সেয়াটো বিজ্ঞানীৰো লক্ষ্য।

বিজ্ঞানীৰ দৰেই যিকোনো উদ্যম লোৱাৰ আগতে গান্ধীজীয়েও কৰিছিল তন্নতন্ন পৰ্য্যবেক্ষণ। বিজ্ঞানীৰ দৰেই এই পৰ্য্যবেক্ষণৰ সত্য আৰু জীৱনৰ চৰম সত্যই হ'ল তেখেতৰ সমুখৰ বাটৰ পোহৰ। উদাহৰণস্বৰূপে ভাৰতৰ স্বাধীনতাৰ হকে যুঁজাৰ আগতে ভাৰতীয়ৰ ইচ্ছা আৰু প্ৰয়োজনৰ কথা জানিবলৈ দক্ষিণ আফ্ৰিকাৰপৰা উভতি আহিয়েই তেখেতে ঘূৰিলে ভাৰতৰ ইমূৰ-সিমূৰ। এই ভ্ৰমণৰ জৰিয়তেই তেখেতে দেখিলে সেই সময়ৰ জৰুৰী প্ৰয়োজন আছিল ভোকৰ বিৰুদ্ধে যুঁজ। কাপোৰ আৰু আশ্ৰয় যোগানৰ হকে যুঁজ। গাঁৱে গাঁৱে পৰিষ্কাৰ খোৱা পানী যোগানৰ যুঁজ। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ হকে যুঁজ। সকলোৰে স্বাস্থ্যৰ বাবে যুঁজ। সেই সকলোৰে বাবেই প্ৰয়োজন নিজৰ শাসনৰ। সেইবাবে তেখেতে উচিত সময়ত ঘোষণা কৰিলে পূৰ্ণ স্বৰাজৰ হকে যুঁজ। এইদৰে তেখেতৰ বাবে স্বাধীনতাৰ বুনিয়াদী অৰ্থ আছিল জীৱনৰ বুনিয়াদী প্ৰয়োজনসমূহ পূৰণ কৰাৰ পৰিৱেশ। কিন্তু তাৰ বাবে লোৱা উদ্যমো হ'ব লাগিব অহিংস চেতনাৰে উদ্বুদ্ধ। কাৰণ তাৰ জৰিয়তেহে ৰক্ষা পৰিব জীৱন আৰু জীৱনৰ প্ৰতি সম্ভ্ৰম। কিন্তু ইমানতেই শেষ হোৱা নাছিল তেখেতৰ উদ্যম। বৰং মোহনীয়ভাৱে তেখেতৰ জীৱনেই উচৰ্গিত হৈছিল এই বিশ্বাসৰ হুবহু ৰূপায়ণৰ হেতু। এইখন কিতাপ সেইবাবে হৈ আছিল মোৰ জীৱনৰ সংশোধনৰ উপযোগী আহিলা।

সেইদৰে জৰ্জ গেম'ৰ One Two Three... Infinity অথবা Mr. Tompkins in Wonderland নামৰ কিতাপেও তেনে এক অনুভৱ ধুমুহাৰ দৰে আমাৰ মনলৈ কঢ়িয়াই অনাৰ ঘটনা আজিও মোৰ মনত আছে। এইবোৰৰ পৰশত মনেই হয়গৈ নতুন নতুন সত্য উপলব্ধিৰ আটোমটোকাৰি ঘৰ। সত্যাগ্ৰহৰ ঘৰ। এক ধলফাটৰ ঘৰ। সত্যৰ উপলব্ধিৰ প্ৰতি এনেকৈয়ে মনত গঢ় লৈছিল এক অনন্য ভালপোৱা। কিন্তু এই সত্য বিচৰাৰ বাটটো আছিল বিজ্ঞানমনস্কতাৰ বাট। হাতত থকা তথ্যৰ ভেটিত যুক্তিৰে সত্য প্ৰতিষ্ঠাৰ বাট।তথ্য-প্ৰমাণৰ অভাৱত বিশ্বাস গঢ়ি নোলোৱাৰ বাট।সংগৃহীত নতুন তথ্যৰ বাবে পুৰণি সিদ্ধান্ত সলাই লোৱাৰ বাট। বাস্তৱ জীৱনৰ সকলো ক্ষেত্ৰতে এয়ে সত্য প্ৰতিষ্ঠাৰ উৎকৃষ্ট বাট। এইবোৰ উপলব্ধিয়ে ক্ৰমে বাগৰি আহি থাকিল মনলৈ।

বছৰ পাৰ হৈ থাকিল। এটা সময়ত প্ৰৱেশিকা পৰীক্ষা দিলোঁ। ফলাফল ওলাল। মই অসমৰ ভিতৰতে প্ৰথম হ'লোঁ। অনেক মানুহ মোক ওলগ জনাবলৈ আহিল।

এই সকলোৰে মাজত এজন মানুহক মই বিচাৰি থাকিলোঁ। সেয়া হৈছে নিপদা। মেট্ৰিক পৰীক্ষাৰ দেওনা পাৰ হ'লেই তেখেতে মোক লৈ চিনেমা কৰিব বুলি কোৱা কথাষাৰেই মনত পৰি আছিল সঘনে। তেখেতেই কথা দিছিল— প্ৰৱেশিকাৰ ফলাফল ওলোৱাৰ পিছত তেখেত নিজেই আহিব তেতিয়া। সেয়ে বাট চাই আছিলোঁ তেখেতলৈ। পৰীক্ষাৰ ফলাফল দিয়াৰ তিনি দিনৰ পিছত তেখেত সঁচাকৈয়ে আহিল। মই মন কৰিছিলোঁ— নিপদাৰ গোটেই মুখখনতেই তেতিয়া হাঁহি। আহিয়েই মোক সাৱটি ধৰিলে নিপদাই। উলাহতে ময়েই সুধিলোঁ, "নিপদা, ফলাফলতো ওলায়ে গ'ল পৰীক্ষাৰ। এতিয়া চিনেমাখন কেতিয়া কৰিবা ?" নিপদা পিছে গহীন হৈ পৰিল। ক'লে, "ভাইটি, তই গোটেই অসমতে প্ৰথম হৈছ। এতিয়া যদি তোক পঢ়াশুনাৰ পৰা নি চিনেমাত লগাওঁ, মানুহে মোক কি ক'ব কচোন ? ভালকৈ পঢ়া-শুনা কৰ ভাইটি। ভাল হ'বদে তোৰ"। কথা শুনি মোৰ মূৰত সৰগ ভাগি পৰিল। মুখৰ মাত হেৰাল মোৰ। এটা মুহূৰ্তটো মই ভাবিলোঁ— প্ৰথম হোৱাটোৱেই দেখোঁ কাল হ'ল মোৰ।

এটা সময়ত ওলাই গ'লোঁ বাহিৰলৈ। বাহিৰলৈ মানে নৈখনৰ কাষলৈ। নৈৰ পাৰতেই বহি ল'লোঁ মই। মোৰ এনে লাগিল যেন জীৱনৰ আলিদোমোজাতহে বহিছোঁহি। তাতে বহি উভতি চালোঁ অতদিনে বাটকুৰি বাই অহা বাটলৈ। ভাবি চালোঁ এই বাটটোৱে বাৰু কি শিকালে মোক ? মই দেখিলোঁ— বাটটোৱে মোক শিকালে ওপজা ঠাইক ভাল পাবলৈ। নিজৰ ভাষাক ভাল পাবলৈ। অসমৰ বিভিন্ন জনগোষ্ঠীক ভাল পাবলৈ। শ্ৰদ্ধা কৰিবলৈ। কেৱল সেয়াই নহয়, সকলো মানুহকে ভাল পাবলৈ। সমতাৰ হকে যুঁজিবলৈ। আৰ্তজনৰ সহায়ৰ বাবে হাত আগবঢ়াবলৈ। সৰ্বোপৰি সত্যৰ বাটেৰে বাট বুলিবলৈ।

সেয়ে সত্যকেই জুকিয়াবলৈ মন বান্ধিলোঁ মই। সঁচা কথা— অভিনয়ৰ প্ৰতি মোৰ আছে এক সহজাত আকৰ্ষণ। কথা হ'ল— কিয় বাৰু কৰিবৰ মন আছিল মোৰ চিনেমাখন ? নাম-যশৰ বাবেতো নহয়। চিনেমাৰ নাম-যশ যে দুদিনীয়া তাৰ শিক্ষাতো আগতেই পাই থৈছোঁ মই। কৰি ভাল পাওঁ বাবেইতো কৰিব খুজিছিলোঁ। চিনেমা কৰি বহুত নতুন কথা জনা যায় বাবেইতো কৰিব খুজিছিলোঁ। পিছে চিনেমাখন কৰিবলৈ নাপালোঁ বুলিয়েই সকলো শেষহৈ গ'লনে ? বন্ধ হৈ গ'ল নেকি জনাৰ বাট ? একো নহ'লেও আবৃত্তি আৰু নাটকতো সদায় কৰিব পাৰিম মই। আৰু কথা জানিবলৈ জীৱনটোৱেইতো পৰি আছে সমুখত।

উভতি চাই দেখিলোঁ— অভিনয়ৰ প্ৰতি যি আকৰ্ষণ অনুভৱ কৰোঁ মই, পঢ়া-শুনাৰ মাজতো দেখোঁ অনুভৱ কৰোঁ প্ৰায় একেই আকৰ্ষণ। প্ৰকৃতিৰ সত্য জনাৰ আকৰ্ষণ।

মানুহৰ সত্য জনাৰ আকৰ্ষণ। দুয়োবিধ সত্যৰ বাবেই মই অনুভৱ কৰোঁ একেই উত্তেজনা। জানোঁ, নাটকত উভৈনদীকৈ পাম মানুহৰ সত্য। কিন্তু প্ৰকৃতিৰ সত্য একা? সেয়াতো নিশিকিলে জনা নাযায়। তেনেহ'লে সংকোচ কিহৰ? দ্বিধা কিহৰ? মই থিৰ কৰিলোঁ— মই শিকিব লাগিব বিজ্ঞানৰ বাট। এই বাটৰপৰা নাটক, আবৃত্তি আৰু কেতিয়াবা সম্ভৱ হ'লে চিনেমাৰ ধেনুভিৰীয়া বাটেৰেও বাট বুলি আকৌ ওলামহি মূল বাটত। এইবোৰ বাটেৰেই মই কৰিব লাগিব সত্যৰ সন্ধান। তেনেহ'লে ভাঁজ-কেঁকুৰিবোৰ নজনা সেই বাটেৰেই হ'ব মোৰ পুনৰ আৱিষ্কাৰ।

এই সিদ্ধান্ত লৈছোঁহে মাথোন। এনেতে চকুত পৰিল কাগজৰ নাও এখন। পাৰৰ এটা সৰু ভাঁজত ঘূৰি ঘূৰি আছে। দুবছৰমান আগলৈ উজানবজাৰৰ পকীঘাটটো আছিল বৰ সুন্দৰকৈ বন্ধা। ওচৰৰ ল'ৰা-ছোৱালীয়ে সেই চিৰিৰে নামি গৈ প্ৰায়ে নৈত উটাই দিয়ে কাগজৰ নাও। সৰহভাগেই উটি যায় বা বুৰি যায়। দুই এখনহে একোটা চুকত পাকঘূৰণি খাই থাকে। প্ৰায় দুবছৰমান চকুতেই পৰা নাছিল এনে কাগজৰ নাও। আজি নাওখন দেখিয়েই ঢপলিয়াই আহিল মোৰ আগৰ অভ্যাস। বৰ মন গ'ল— নাওখন আনিবলৈ।দুখোজমান দিয়েই পিছে ৰৈ গ'লোঁ মই। মোৰ মৃত আইতা-ককাই বাৰু লিখিব কিদৰে? নাওখনত আইতা-ককাৰ চিঠি আহিব বুলি কৰা আশাই দেখোঁ সত্যৰ ভেটিত থিয় হৈ থকা নাই। কিয় তেনেহ'লে জানি-বুজিও মই প্ৰশ্ৰয় দিছোঁ এই মিছা কথাৰ ভেটিক? আজিও যদিও মই নাওত আইতা-ককাৰ চিঠি বিচাৰোঁ তেনেহ'লে বীৰেন বৰুৱা ছাৰে তথ্যৰ ভেটিত আগবঢ়াৰ যি বাট দেখুৱাইছিল তাৰ কি হ'ব? বিজ্ঞানমনস্কতাৰ কি হ'ব? মায়ে যে সঁচাৰ বাটেৰে বাট বুলিবলৈ শিকাইছিল তাৰ কি হ'ব?

কাগজৰ নাওখনৰ কাষলৈ আৰু আগবাঢ়ি নগ'লোঁ মই। বৰং উভতি আহি আকৌ বহিহে ল'লোঁহি আগৰ ঠাইত। বুজিলোঁ— সঁচা অৰ্থত বিজ্ঞানমনস্কতা আহিল মনলৈ। বুজিলোঁ সলনি হ'লোঁ মই। সলনি হ'ল নৈৰ পানী। এটা কথা পিছে একেই থাকিল— আগৰই দৰেই বৈ থাকিল নৈখন। ■

- *লিখক অসম ডাউন টাউন আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য। লগতে তেখেত বিশিষ্ট কবি, আবৃত্তিকাৰ, ঔপন্যাসিক আৰু প্ৰৱন্ধ লেখক।*

# ফণী শৰ্মাৰ গদ্য ঃ আত্মজৈৱনিক ৰচনা

## মদন শৰ্মা

নাটক আৰু চলচ্চিত্ৰৰ কৃতী অভিনেতা, নাট্যকাৰ আৰু সুদক্ষ পৰিচালক হিচাপে নটসূৰ্য্য ফণী শৰ্মাৰ পৰিচয় মানুহৰ মনত ইমান দকৈ সোমাই আছে যে তেওঁৰ সাহিত্যিক প্ৰতিভাৰ আন দিশৰ কথা প্ৰায়েই পাহৰি থকা হয়। তেওঁৰ অভিনয়ৰ দৰে তেওঁৰ গদ্যতো আছে এক বিৰল সাৱলীলতা আৰু গতিশীলতা, সেই গদ্যৰো আছে এক অনৱদ্য আকৰ্ষণ। আছে ভাষাৰ ওপৰত দখল আৰু বুদ্ধিদীপ্ততা। সংখ্যাত কম যদিও তেওঁ লিখি থৈ যোৱা ৰচনাৰাজিৰ গুণগত মান আৰু সিবোৰৰ সাহিত্যিক-শৈল্পিক মূল্য মুঠেও কম নহয়। ফণী শৰ্মাৰ নাটকৰ, ৰচনাৰ গদ্যৰ বিশেষ গুণৰ কথাও পাহৰিব নোৱাৰি।

যিকোনো লিখকে তেওঁৰ জীৱনৰপৰা, নিজৰ অভিজ্ঞতাৰপৰা লিখাৰ সমল আহৰণ কৰে— এই কথা সাহিত্য তাত্বিকসকলে মানি লৈছে। নিজৰ লেখাত লিখকগৰাকী কোনো নহয় কোনো প্ৰকাৰে সোমাই থাকে। লিখকৰ মৌলিকতাৰ পৰিচয় ফুটি উঠে নিজৰ ব্যক্তিগত জীৱনৰপৰা আহৰণ কৰা সমলৰ নতুন, কল্পনাশীল আৰু সৃষ্টিশীল ব্যৱহাৰত। আৰু সিবোৰক এক বহল সামাজিক প্ৰাসংগিকতা প্ৰদানত।

শৈশৱ-কৈশোৰৰ দিনবোৰৰপৰাই ফণী শৰ্মাই জগত আৰু জীৱন সম্পৰ্কে আহৰণ কৰিছিল বৰ্ণাঢ্য অভিজ্ঞতা। কলাৰ জগতখনৰ সৈতে সৰুৰেপৰা জড়িত হৈও তেওঁ জীৱিকাৰ বাবেই কলাসুলভ কাম-কাজৰ সৈতে দেখাতেই ৰজিতা নোখোৱা কামৰ কঠোৰ অভিজ্ঞতা আৰ্জিব লগা হৈছিল। তেনে অভিজ্ঞতাৰে সমৃদ্ধ আত্মজৈৱনিক সমলৰ সৃষ্টিশীল ব্যৱহাৰত তেওঁ বিৰল দক্ষতাৰ পৰিচয় দিছে। ফণী শৰ্মাৰ আত্মজৈৱনিক ৰচনাৰ আলচ কৰাৰ আগতে ফণী শৰ্মাক ওচৰৰপৰা পোৱা দুগৰাকী শিল্পীৰ ফণী শৰ্মাৰ জীৱনৰ বিভিন্ন দিশ পোহৰোৱা দুটি লেখাৰ আঁত ধৰি কিছু কথা কৈ লোৱা প্ৰাসংগিক হ'ব নিশ্চয়।

বিশিষ্ট নাট্যশিল্পী, ফণী শৰ্মাৰ বাল্যবন্ধু চন্দ্ৰধৰ গোস্বামীয়ে "নটসূৰ্য্য ফণী শৰ্মা" নামৰ ৰচনাখনত নটসূৰ্য্যৰ জীৱনৰ বিষয়ে কোৱা কেইটিমান গুৰুত্বপূৰ্ণ কথা উল্লেখনীয়।

ফণী শৰ্মাৰ জন্ম হৈছিল এটা স্বচ্ছল, সংস্কৃতিৱান পৰিয়ালত। কম বয়সতে মাকক হেৰুৱাবলগীয়া হোৱাটোৱে তেওঁৰ জীৱনৰ এছোৱা গুৰুত্বপূৰ্ণ সময়ত তেওঁৰ মানসিকতাত

নিশ্চয় অলপীয়াকৈ হ'লেও নেতিবাচক প্ৰভাৱ পেলাইছিল। গোস্বামীয়ে কোৱামতে, "যৌৱনত ভৰি থোৱাৰ পাছতেই ফণী শৰ্মাই চিৰদিনৰ বাবে মৰমী মাকক হেৰুৱাইছিল। দেউতাকৰপৰা পৰিপূৰ্ণ মৰম পালেও মনৰ বিকাশৰ কাৰণে যি সাহচৰ্য্যৰ প্ৰয়োজন, গুৰু-গম্ভীৰ দেউতাকৰপৰা তাক নোপোৱাত ফণী শৰ্মাৰ মনত সৰুৰেপৰা এক উদাস, বিৰাগী আৰু অঘৰীভাৱে ঠাই লয়" (গোস্বামী)। এই 'উদাস, বিৰাগী আৰু অঘৰী ভাৱ' আৰু নিঃসংগতা আঁতৰাবলৈকে তেওঁ ঘৰৰ সমুখৰ লুইতৰ পাৰে পাৰে, কঁহুৱা ফুলৰ মাজে মাজে অকলে অকলে ঘোঁৰা চেকুৰাই ভাল পাইছিল। ওঠৰ বছৰ বয়সতে তেওঁ বাণ থিয়েটাৰত অভিনয় কৰিবলৈ লয় আৰু প্ৰায় লগে লগে ভাল অভিনেতা বুলি স্বীকৃত হয়।

কমল চৌধুৰীদেৱে লিখামতে ফণী শৰ্মাই প্ৰৱেশিকাৰ দেওনা পাৰ হ'ব নোৱাৰিলে। দেউতাকে তেওঁক কাশীত পঢ়াবলৈ নিয়ে যদিও শৰ্মাই দেউতাকৰ অজ্ঞাতে কাশী এৰি তেজপুৰ পায়হি। পাছত দেউতাকে এখন হিন্দু বেকাৰী খুলিবৰ বাবে বেকাৰী খোলা সম্পৰ্কে অধ্যয়ন কৰিবলৈ তেওঁক কলিকতালৈ পঠিয়ায় যদিও তেওঁ সেই কামো আধৰুৱাকৈ এৰে। তেজপুৰলৈ উভতি আহি আকৌ নাটক কৰিবলৈ লয়। তেতিয়া তেওঁৰ বয়স বিছ, পঢ়া আধৰুৱা, কৰ্ম সংস্থান নাই। দেউতাকে তেওঁৰ ওপৰত ভাৰসা নকৰি নিজৰ শ্ৰাদ্ধ আদি আগতীয়াকৈ পাতি যায়। অৱশ্যে দেউতাকৰ মৃত্যুৰ পিছত ফণী শৰ্মাই নিয়ম অনুসৰিয়ে শ্ৰাদ্ধ পাতিছিল।

জীৱনৰ এই সময়ছোৱাৰ কথা ফণী শৰ্মাই তেওঁৰ ৰসাল আত্মজৈৱনিক ৰচনা 'ৰং-বিৰং'-অত উল্লেখ কৰিছে। ওঠৰ বছৰ বয়সতে বাণ ৰংগমঞ্চত প্ৰথম নাট্যাভিনয় কৰাৰপৰা, ব্ৰজ শৰ্মাৰ কহিনুৰ অপেৰা পাৰ্টিত অভিনয় কৰা, জ্যোতিপ্ৰসাদৰ জয়মতীত অভিনয় কৰা আৰু শেষত কলিকতাত নাটকৰ গ্ৰামোফোন ৰেকৰ্ড কৰালৈকে বিচিত্ৰ অভিজ্ঞতাৰ ৰসাল বৰ্ণনাই পঢ়ুৱৈক সহজে আকৃষ্ট কৰে। এই দীঘলীয়া ৰচনাখনত মাকৰ মৃত্যুৰ পিছৰপৰা যাযাবৰী জীৱন কটোৱাৰ কথা তেওঁ অকপটে স্বীকাৰ কৰিছে। ইতিমধ্যে তেজপুৰৰপৰা গুৱাহাটীলৈ গৈ তেওঁ পঢ়া আধৰুৱাকৈ উভতি অহা বিষ্ণু ৰাভাক লগ পায়। সময়টো শৰ্মাদেৱৰ ৰচনাত উল্লেখ কৰা নাই যদিও সেয়া ১৯৩০ চনৰ কথা বুলি কমল চৌধুৰীৰ ৰচনাখনত কোৱা হৈছে। বিষ্ণু ৰাভাই তেতিয়া গুৱাহাটীত থাকি মাছ, ঘিউ আৰু চাউলৰ কাৰবাৰ কৰিবলৈ লৈছিল। সেই কাৰবাৰ অৱশ্যে কেনেকৈ অতি সোনকালে সামৰিব লগা হ'ল তাৰ ৰসাল বৰ্ণনা কিছুসংখ্যক পঢ়ুৱৈয়ে হয়তো শৰ্মাদেৱৰ 'ৰং-বিৰং' নামৰ ৰচনাখনত পঢ়িছে। ৰচনাখনৰ এঠাইত ফণী শৰ্মাই লিখিছে—"কি দুখতনো তেজপুৰ এৰি থৈ গুৱাহাটীলৈ আহিছোঁ তাকো (ৰাভাক) বিবৰি কলোঁ।" কিন্তু কি দুখৰ কথানো বিৱৰি ক'লে সেয়া লেখকে পঢ়ুৱৈক জনাব নুখুজিলে। ব্যক্তিগত

দুখ-বেজাৰৰ কথাৰ উল্লেখ একেবাৰে পৰিহাৰ কৰি তেওঁলোকৰ কাৰবাৰৰ ৰসাল কথাহে তেওঁ পঢ়ুৱৈক জনাইছে। এনে লাগে যেন ফণী শৰ্মা আৰু বিষ্ণুপ্ৰসাদ ৰাভা— দুয়োজনে নিজৰ ৰাজহুৱা ৰূপটো আত্মবিশ্বাসী, ৰঙিয়াল, কোনো বিপদ-আপদে বিতত কৰিব নোৱৰা ব্যক্তি হিচাপে পঢ়ুৱৈৰ সমুখত দাঙি ধৰিব খুজিছিল।

ফণী শৰ্মাই পঢ়ুৱৈক জনাইছে যে ৰাভাই কাৰবাৰত ব্যৰ্থ হোৱাৰ সকলো দোষ জাপি দিছে হাৰমোনিয়ামটোৰ গাত—“সকলো দোষ সেই হাৰমোনিয়ামটোৰ”। আচলতে ব্যৱসায়ৰ কথা পাহৰি গান গোৱা, গান লিখা, ছবি অঁকা আদি কামত অধিক মনোনিৱেশ কৰা বাবেহে সেই ব্যৰ্থতা। কাৰবাৰ সামৰি দুয়ো বৰপেটা আৰু সৰভোগলৈ গৈ ফুটবল খেলা আৰু এখন খেলৰ ৰেফাৰী নাট্যাচাৰ্য্য ব্ৰজ শৰ্মাক লগ পোৱাৰ কথা তেওঁ বিতংকৈয়ে কৈছে। সংগীত চৰ্চা, নাটক, খেলা সকলো যেন দুয়োৰে বাবে কৰিবলগীয়া সমানেই দৰ্কাৰী কাম, সকলোতে সমানে উছাহ। খেলৰপৰা বাহিৰে বাহিৰে ব্ৰজ শৰ্মাৰ কহিনুৰ অপেৰা পাৰ্টিত যোগ দি তেওঁ অসমৰ বিভিন্ন ঠাইত অভিনয় কৰি ফুৰে। এনেকৈ ঘূৰি ফুৰাৰ মাজতে এবাৰ বহুদিনৰ মূৰত নিজৰ ঘৰলৈ ঘূৰি আহি অতীতৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ পৰত তেওঁ হৈ পৰে আৱেগিক— সেই সময়ৰ অনুভৱ ধৰি ৰখা তেওঁৰ লেখাৰ ভাষাও হৈ পৰে কাব্যিক ঃ

“বিছনাত পৰি থাকিয়েই বাহিৰলৈ চাই দেখোঁ বাৰীৰ কাষে কাষে থকা নাৰিকল গছবিলাকৰ পাতত কোনোবাই যেন ফাকুগুৰি ছটিয়াই দিছে। তেজৰঙা গাভৰুৰ গালৰ ঘামৰ টোপালৰ দৰে অসংখ্য নিয়ৰৰ টোপালে পাতে পাতে তিব্‌বিৱাইছে। ওপৰেদি উৰি যোৱা এজাক বগলীৰ ছাঁ নাৰিকলৰ পাতে পাতে পৰি নোহোৱা হ'ল।”

তাৰপিছত দেখোঁ অলপ দুখ, পাৰ হৈ যোৱা সময়ৰ বাবে অলপ যেন অনুশোচনাৰ ভাৱৰ একেই স্বতঃস্ফূৰ্ত কাব্যিক প্ৰকাশ ঃ

“চকু দুটা মুদি বিছনাত পৰি থাকিলোঁ। ...কাণত কত ধৰণৰ শব্দই যে পৰা নাই। ...ইমান পৰিচিত মোৰ এই মাতবিলাক ...নেদেখাকৈ মাত শুনিয়েই ক'ব পাৰোঁ কি চৰায়ে মাতিছে। ...চোতালৰ ৰ'দ চাই ক'ব পাৰোঁ কিমান বেলি হৈছে। ...জোনাক চাই ক'ব পাৰোঁ কি তিথি পৰিছে। ...চাব শুনিয়েই ক'ব পাৰোঁ ঢেঁকীত কি খুন্দিছে। ইমান পৰিচিত মোৰ এই শব্দবিলাক। ইমান পৰিচিত মোৰ এই আন্ধাৰ-পোহৰবিলাক। চন্নচাৰা জীৱনৰ চাৰিটাকৈ বছৰ ইহঁতক পাহৰি আছিলোঁ কেনেকৈ?”

ইয়াতে শিল্পীগৰাকীয়ে নিজৰ জীৱনৰ সৃষ্টিশীল অস্থিৰতাৰ ব্যাখ্যা আগবঢ়াবলৈ বিচাৰিছে। পৰিচিত দৃশ্য আৰু শব্দৰ মাজলৈ সোমাই গৈ নিজৰ অতীতটোক তেওঁ আকৌ এবাৰ চাব খুজিছে— এই একেখন ৰচনাতে ঃ

## ফণী শৰ্মাৰ গদ্য ঃ আত্মজৈৱনিক ৰচনা

"সৌখন বুঢ়া লুইত আগৰ দৰেই বৈ আছে। ...সৌবিলাক নাও পাল তৰি আগৰ দৰেই গৈছে। ...সৌৱা টিলাটোৰ ওপৰত মাখিয়তি-ছাগলী-ফুলৰ গছডৰা আগৰ দৰেই আছে। আজি যদি মা জীয়াই থাকিলেহেঁতেন সিহঁত থকাৰ দৰে ময়ো থাকিলোঁহেঁতেন। মাৰ সমাধিৰ লগে লগে মোৰ ভৰিষ্যতৰো সমাধি নহ'লহেঁতেন।"

অন্ততঃ তেতিয়া তেওঁৰ ভাৱ হৈছিল— মাক হেৰাই যোৱাৰ লগে লগে তেওঁৰ জীৱনৰ গতিপথ সলনি হৈ গ'ল। শৈশৱৰ স্মৃতি, মাকৰ সৈতে বিজড়িত স্মৃতিয়ে তেওঁক পৰিণত বয়সতো আমনি নকৰাকৈ থকা নাছিল। অসম সাহিত্য সভাৰ ঢিং অধিৱেশনৰ সাংস্কৃতিক সন্ধিয়াৰ সভাপতিৰ ভাষণত তেওঁ শৈশৱ সুঁৱৰি কোৱা কথাৰ সৈতে যেন বিষাদ সাঙোৰ খাই আছে ঃ

"তাহানি নঙঠা কালত ৰাতি সমাজিক দেখি সাৰ পাই আইৰ বুকুত কুচিমুচি সোমাওঁ। এৰাবাৰীৰ বৰ আম গছজোপাত হুদু চৰায়ে মাতে, পিছ চোতালৰ ডালিম গছজোপাত নানা তৰহৰ কেইটামান চিএৱৰ মাৰি ফেঁচাই উৰা মাৰে। মাৰল ঘৰৰ মূধচত থকা বাদুলিয়ে কেতেৰা-জেৰেঙা মাতেৰে সম্ভাষণ জনায়। লুইতৰ কাষৰ কৈৱৰ্ত গাঁৱৰ নামঘৰত সেই মাজনিশাও ঢোল-খোলৰ শবদৰ লগতে বভ্ৰুবাহন বধ ভাওনাৰ আখৰা চলি থাকে। অৰ্জুনে বিলাপ কৰে...। মাজ নিশাৰ সেই বিলাপৰ সুৰে মোৰ শিশু মনত কিবা এক শিহৰণ তোলে। ...কেতিয়াবা টুপ-টুাপকৈ নিয়ৰৰ টোপাল পেলায়, কেতিয়াবা বতাহেৰে গছৰ পাতত খুঁটিতাল বজায়। কেতিয়া নিশাৰ এই অলেখ সুৰ-মাতৰ মাজত দুনাই আইৰ বুকুৰ মাজত সোমাই টোপনি যাওঁ ক'ব নোৱাৰোঁ।"

পিছে বিষ্ণুপ্ৰসাদ ৰাভাৰ নিচিনাই অনবৰত সৃষ্টিশীল এক অস্থিৰতাই পৰিচালিত কৰা ফণী শৰ্মাই দুখ-বেজাৰ এৰি থৈ ততালিকে আন এক সৃষ্টিৰ কামত ব্যস্ত হৈ পৰে। সেয়া হ'ল জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰিবলৈ লোৱা প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী'ত অভিনয় কৰিবলৈ লোৱা আৰু জয়মতী নিৰ্মাণৰ সৈতেও সাঙোৰ খাই পৰা। 'ৰং-বিৰং'-অৰ এটা সুদীৰ্ঘ অংশ জুৰি আছে জয়মতী নিৰ্মাণৰ আঁৰৰ বহু আনে বৰ্ণনা নকৰা কথা (আন কোনোবাই এই বিষয়ে শৰ্মাদেৱৰ নিচিনাকৈ লিখিছে নেকি সেই কথা এই লিখকৰ জ্ঞাত নহয়)।

ফণী শৰ্মাই নিজে পৰিচালনা কৰা চলচিত্ৰ 'চিৰাজ' নিৰ্মাণৰ সময়ত কলিকতাত ঘটা ৰসাল ঘটনা এটাৰ বৰ্ণনাৰে শৰ্মাদেৱে 'ৰং-বিৰং'-অৰ সামৰণি মাৰিছে। আত্মজৈৱনিক ৰচনাখনত দেখাত অনেক কথাই কোৱা যেন লাগে যদিও নিজৰ জীৱনৰ বহু কথাই ইয়াত নোকোৱাকৈয়ে থাকি গ'ল। ৰং-ৰহইচৰ মাজে মাজে তাহানিৰ শিল্পীৰ দুৰৱস্থাৰ ছবিও পিছে ফণী শৰ্মাৰ স্মৃতিচাৰণত ফুটি উঠিছে, প্ৰকাশ পাইছে অকণ বেজাৰ, অকণ যেন অনুশোচনাৰ ভাব ঃ

"থিয়েটাৰলৈ কিবা এটা বিতৃষ্ণা লাগিল। কিন্তু বিতৃষ্ণা লাগিলেও অন্তৰৰ গোপন কোণত তৃষ্ণা পূৰা মাত্ৰাই আছিল। সেই তৃষ্ণা মানুহৰ বাহ্-বাহত, মানুহৰ হাত-চাপৰিত। আজি তিনিকুৰিৰ কাষ চাপি সুদা জেপত হাত ভৰাই ভাবোঁ, সেইবিলাক বোধকৰো মোৰ অদৃষ্টৰ ইতিকিঙৰ বাহিৰে একো নাছিল।"

'ৰং-বিৰং'-অত নথকা কিছু কথা জানিবলৈ আমি ফণী শৰ্মাৰ আন এখন ৰসাল ৰচনা 'বনৰীয়া ফুল' পঢ়িব লাগিব। পিছে সমস্যা হ'ল তেওঁৰ সুদীৰ্ঘ ৰচনা 'বনৰীয়া ফুল'ত আত্মজৈৱনিক সমলখিনিৰ সৈতে কল্পনাৰ এনেদৰে সানমিহলি ঘটোৱা হৈছে যে কোনখিনি আচল, বাস্তৱ, কোনখিনি কাহিনী—অৰ্থাৎ ফিক্শ্বনেল ধৰাই টান। সিয়ে পিছে ৰচনাখনৰ ঘাই আকৰ্ষণৰ কাৰণ। দুৰ্ভাগ্যবশতঃ ৰচনাখনে পঢ়ুৱৈ আৰু সমালোচকৰ-পৰা পাবলগীয়া মনোযোগ পোৱা নাই। ৰচনাখনৰ আৰম্ভণিতে কথক-লেখকে পঢ়ুৱৈক লগত লৈ সংৰক্ষিত বনাঞ্চললৈ গৈছে ঃ

"ৰিজাৰ্ভৰ মাজে মাজে কাঠ কঢ়িয়াবৰ কাৰণে সুৰুকীয়া বাট। সেই বাটে ব'লক। হাতত কিবা থাকিব লাগে। কঁকালত এখন খুকুৰী থকাই ভাল। ...খবৰদাৰ, নপলাব। হাতীৰ চকু আপোনাৰ ওপৰত পৰিছে।"

তাৰপিছত তেওঁ দেউতাকৰ সৈতে ৰিজাৰ্ভলৈ যোৱা, বাঘ আৰু পহু চিকাৰ দেখাৰ কথা সুঁৰৰিছে। এনেদৰে অলপ আঁতৰি আহি পশ্চাদৱলোকন বা ফ্লেশ্ববেক কৰিছে। নিজেও অনুভৱ কৰিছে মূল কথাৰ পৰা আঁতৰি অহাৰ কথা ঃ "পাচনৈ ৰিজাৰ্ভৰ কথা ক'বলৈ গৈ আন কথাতহে ধৰিলোঁ।" পাচনৈত গা ধোৱা, সাঁতোৰাৰ কথা কৈ থাকোতে তেওঁ চলচ্চিত্ৰৰ ফ্লেশ্ববেকৰ নিচিনাকৈ লগৰীয়াৰ সৈতে নৈত সাঁতোৰাৰ কথালৈ উভতি গৈছে।

তেওঁৰ কৈশোৰৰ দিনবোৰৰ ৰং-ধেমালিৰ কথা বৰ্ণাওতে ভুমুকি মাৰে কণটিলৌৰ দৰে আকৰ্ষণীয় এটা চৰিত্ৰই। লুইতত সাঁতুৰিবলৈ গৈ উৎপতীয়া ধেমালি আৰু দুষ্টালি কৰি দেউতাকৰ খং তোলা চেমনীয়া কণটিলৌক বিচাৰি গৈ তাৰ লগৰীয়াসকলে ভূতৰ বসতিস্থল বুলি ভৰা এখন এৰাবাৰীত তাক আৱিষ্কাৰ কৰে। তাৰ পাছৰ বৰ্ণনাখিনিত ফণী শৰ্মাই কিশোৰৰ কাণ্ড-কাৰখানা আৰু ভাৱজগতৰ বৰ মনোমোহা আভাস দাঙি ধৰিছে এনেদৰে—

"কাৰো মুখত কথা নাই, মাত্ৰ হাবিৰ মাজত কেইটামান ফৰিঙে ৰৈ ৰৈ মাতিছে। হঠাৎ কণটিলৌৱে মোৰ ফালে চাই ক'লে, পেহীৰ ভাত ৰান্ধোতে (পিন্ধা) ৰঙা ৰিহা-মেখেলা এযোৰ আছে নহয়? (কণটিলৌৱে আমাৰ মাক পেহী বোলে) মই আছে বুলি মূৰ দুপিয়ালোঁ। কণটিলৌৱে ক'লে, সেইযোৰ লৈ আহগৈ। মই কিয় বুলি সুধিলোঁ।

কণটিলৌৱে ক্ষন্তেক ৰৈ ওচৰতে পৰি থকা নাৰিকলৰ কোৰোকাৰ চুকত লাগি থকা নাৰিকল অকণমান নখেৰে এৰুৱাই দুটা দাঁতেৰে কুটি থূ-থুৱাই পেলাই দি ক'লে, "মই ভূত হ'ম। মোৰ গাৰ নোমবোৰ জিকাৰ খাই উঠিল। কণটিলৌৱে নিজকে নিজে কৈ গ'ল, ৰাতি পেহীৰ ৰঙা ৰিহা-মেখেলাযোৰ ইয়াত পিন্ধি মই বহি থাকিম। ভূতে মোক মাৰি সিহঁতৰ লগৰ কৰি ল'ব। মই ভূত হৈ কেইটামানক ভালকৈ এশিকনি দিম। মই বুজিলোঁ। সেই কেইটামানৰ ভিতৰত অমুকা মাষ্টৰো যে পৰিব, সেইটো ধ্ৰুৰূপ। আৰু এজন পৰিব, নাম নকওঁ। হঠাৎ কেইমুহূৰ্তমানৰ ভিতৰতে খেলিমেলিকৈ মোৰ মনত কিছুমান কথা খেলাই গ'ল। ৰিহা-মেখেলা পিন্ধি বহি থকা কণটিলৌক ভূতে মাৰি ভূত কৰি ল'ব নে ভূতুনী কৰি ল'ব। মাৰ ৰঙা ৰিহা-মেখেলাযোৰ পিন্ধি ভূত হ'বলৈ বহি থকা কণটিলৌৰ চেহেৰাটো কেনে দেখা হ'ব? মূৰত ৰিহাৰ ওৰণিখন ল'লে একা? হঠৎ মই ক'ব নোৱাৰাকৈয়ে খিল্‌খিলাই হাঁহি দিলোঁ।"

ইয়াৰ পিছত তেওঁৰ ভাষাত 'বহুতো জাৰ-জহ, বাৰিষা-খৰালি পাৰ হৈ গ'ল...'। বহুদিনৰ পিছত বন্ধু এজনৰপৰা গম পায়, সেই ভূত হ'ব খোজা কণটিলৌৱে স্বাধীনতা সংগ্ৰামৰ সময়ত ব্ৰিটিছৰ চট্টগ্ৰাম অস্ত্ৰাগাৰ লুণ্ঠন কৰা বিপ্লৱী দলত যোগ দিছিলগৈ। পুলিচৰ সৈতে হোৱা গুলিয়াগুলিত কণটিলৌৰ মৃত্যু হয়। কণটিলৌৰ আচল নাম কি আছিল পঢ়ুৱৈয়ে নাজানিলে।

ফণী শৰ্মাই অতীতৰ কথা সোঁৱৰোতে নিজকে হাঁহিয়াতৰ পাত্ৰ কৰি হাস্যৰস সৃষ্টি কৰে। উদাহৰণস্বৰূপে, 'বনৰীয়া ফুল'ৰে এঠাইত তেওঁ কৈছে ঃ

"তেতিয়া বোধকৰো ইংৰাজী আঠাইছ বা উনত্ৰিছ চন। মোৰ বয়স যোল্ল-সোতৰৰ ভিতৰত। ইংৰাজী স্কুলৰ সপ্তম নে অষ্টম শ্ৰেণীত পঢ়োঁ। যোল্ল-সোতৰ বছৰীয়া ল'ৰাই সপ্তম নে অষ্টম শ্ৰেণীত পঢ়া শুনি হাঁহিছে, নহয়? আৰে ব্ৰাদাৰ, মোৰতো বহুত কম বয়স, মোৰ লগত পঢ়া দুই-এটাৰ তেতিয়া বিয়া হৈ গৈছে। ...নেপালী ল'ৰা দুজনৰ এজন খৰ্গবাহাদুৰতো তিনিবছৰীয়া এজনী ছোৱালীৰে বাপেক। বছৰে বছৰে প্ৰমোশ্যন পোৱা ল'ৰাবিলাক খৰ্গবাহাদুৰৰ চকুৰ কুটা, দাঁতৰ শুল।"

কাহিনীকাৰ ফণী শৰ্মাৰ মৌলিকতা আৰু সৃষ্টিশীলতাৰ পৰিচয় পোৱা যায় 'বনৰীয়া ফুল' কিতাপখনৰ বা ৰচনাখনৰ গাঁথনিত— এটা ঘটনাৰপৰা আন এটা ঘটনালৈ অৱলীলাক্ৰমে গতি কৰি ঘটনাবোৰৰ মাজত যোগসূত্ৰ বা সংগতি স্থাপন কৰাৰ কৌশলত আৰু আগতে কৈ অহাৰ দৰে বাস্তৱ আৰু কল্পনাৰ কৌশলী সংমিশ্ৰণত। কিতাপখন আৰম্ভ হৈছে পাচনৈ নামৰ নৈখনৰ আৰু সেই নৈখনৰ পাৰৰ ৰিজাৰ্ভৰ বৰ্ণনাৰে— "ঢক্‌ঢকীয়া শিলৰ ফাঁকে ফাঁকে গমাৰী, বনচোম, তিতাচঁপা, খকনৰ সুৰুঙাৰ আঁৰে আঁৰে

থোপাথোপে পৰা ৰ'দৰ কিৰণত চিক্‌মিকাই জৰ্‌জৰাই বৈ অহা সেইখনেই খৰালিৰ পাচনৈ।" ৰচনাখনৰ শেষৰফালে তেওঁৰ কিতাপখনৰ ('বনৰীয়া ফুল'ৰ) প্ৰকাশকে তেওঁৰ প্ৰস্তাৱিত কিতাপৰ এই বৰ্ণনা শুনি হাঁহে— বিশেষকৈ ঢক্‌ঢকীয়া শিল, থোপাথোপে ৰ'দ পৰা আৰু নৈ জৰ্‌জৰাই বৈ যোৱাৰ বৰ্ণনা শুনি প্ৰকাশকৰ হাঁহি উঠে। প্ৰকাশকে ভাষাৰ এনে ব্যৱহাৰ ভুল আৰু হাঁহি উঠা বুলিয়ে ভাৱে।এনেদৰে লেখকে নিজৰ লিখাৰ বিষয়ে লিখাটিৰ মাজতে মতামত আগবঢ়োৱাৰ আধুনিক কৌশলো ফণী শৰ্মাই সেই তেতিয়াই ব্যৱহাৰ কৰিছিল।

চন্দ্ৰধৰ গোস্বামী আৰু কমল চৌধুৰী উভয়ে লিখিছে বা ইংগিত দিছে যে উনৈছ শ চল্লিছ চনমানৰপৰা কেইবছৰমান শৰ্মাদেৰে কাঠৰ মহল লৈ নেপালৰপৰা কৰতীয়া আনি কাঠৰ ব্যৱসায় কৰিছিল। সেই সময়ত তেওঁৰ আৰ্থিক অৱস্থা যথেষ্ট উন্নত হৈছিল। সেই সময়ৰ অভিজ্ঞতাৰ বৰ্ণনা অতি ৰসালকৈ আৰু অলপ কৌশলেৰে দিয়া হৈছে 'বনৰীয়া ফুল'ৰ প্ৰাপ্তবয়স্কৰ বাবে বুলি কোৱা অংশটোত। কৌশলেৰে বুলি এইবাবে কোৱা হৈছে যে লিখক শৰ্মাই কথাখিনি সত্য হ'বও পাৰে, নহ'বও পাৰে এনে এটা ভাৱ সৃষ্টি কৰাকৈ লিখিছে। অৰ্থাৎ আগতে কৈ অহাৰ দৰে ফিক্‌শ্বনেলাইজ কৰিছে। ৰচনাখনৰ আৰম্ভণিতে অৱশ্যে সৰুতে চাপৰিত বাঘ চিকাৰলৈ যোৱাৰ অভিজ্ঞতা আৰু তাৰ পিছতে উল্লেখ কৰি অহা ধৰণে কণটিলৌৰে ভূত হ'ব খোজা কৈশোৰৰ দিনৰ বৰ্ণনা আছে।

কাঠৰ কাৰবাৰ কৰি থাকোতেই ১৯৪৭ চনত ডাকি লোৱা কাঠৰ কূপৰ কাঠ কাটিবলৈ কৰতীয়া আনিবলৈ তেওঁ বিহাৰ-নেপাল সীমাৰ যোগবাণীলৈ যায়। সেই যাত্ৰাৰ বৰ্ণনা দিয়াৰ আগতে কথক-লিখকে পঢ়ুৱৈক উদ্দেশ্য কৰি কয় ঃ

"আপুনি যেতিয়া হক দাম দি মোৰ কিতাপখন পঢ়িছে, যোগবাণীলৈ প্ৰকৃততে মোৰ লগত নগ'লেও, গৈছে বুলি ভাৱি লওক। অৱশ্যে এই অধ্যায়ৰ শিৰোনামত থকাৰ দৰে যদিহে আপুনি প্ৰাপ্তবয়স্ক অৰ্থাৎ এডাল্ট হয়।"

পিছৰ কথাখিনি বৰ্ণাওতে তেওঁ ধৰি লয় যে পঢ়ুৱৈজন তেওঁৰ লগত যোগবাণীলৈ গৈছে, তাতে কাঞ্চীৰ দোকানঘৰত তেওঁৰে সৈতে একেলগে আছে আৰু তেওঁৰপৰা গোলাপ বাগ বা গুলাব বাগৰ মেলাৰ বিৱৰণ শুনিছে। উল্লেখযোগ্য যে বিহাৰৰ পূৰ্ণিয়াত ১৯১৯ চনৰপৰাই গুলাব বাগ মেলা অনুষ্ঠিত হৈ আহিছে। মেলাৰ কেইদিন 'নাথুনি' অৰ্থাৎ নাকত কেৰু পিন্ধা কুমাৰী ছোৱালীক চহকী মানুহে ধন দি বিয়া পতা, দৰাচলতে উপভোগ কৰা বা নাথুনি খোলা (নাথুনি খোলা মানে বিবাহ হোৱা, কুমাৰীত্ব নোহোৱা হোৱা) প্ৰথাৰ সৰস বৰ্ণনাও কথকে পঢ়ুৱৈক দিয়ে। তাৰ মাজতে কিবা প্ৰসংগত আকৌ পাচলিৰ কথা ওলালত লিখক-কথকে পুনৰ পাচনৈ ৰিজাৰ্ভ ফৰেষ্টত ঘটা ঘটনা বৰ্ণায়।

আগৰ কাহিনীলৈ ঘূৰি আহি তেওঁ কাঞ্চীক কয়, ভালকৈ চাবোনেৰে গা ধুম। তাৰপিছত চলচ্চিত্ৰত কৰাৰ দৰে কাট কৰি বৰ্তমানলৈ ঘূৰি আহে এনেদৰে—

—ভালকৈ চাবোনেৰে গা ধুম।

—চাবোন নাই।

—কিয় নাই? আজি তিনি দিনৰ আগতে আনিছিলোঁ।

—গৰুৱে খালে।

মনটো আৰু তিতা লাগি গ'ল। প্ৰকাশকৰ গাইজনীয়েই হ'ব পায়।

অৰ্থাৎ তেওঁৰ এই লেখাৰ প্ৰকাশকজনৰ চাবোন খাই ভালপোৱা গাইজনীয়ে লেখকৰ গা ধোৱা চাবোনডোখৰ খাই পেলায়। কাহিনী কোৱাৰ মাজতে লিখকে জনায় যে তেওঁ এই লেখাখিনি প্ৰকাশ কৰাৰ বাবে খাটনি ধৰিবলৈ প্ৰকাশকজনৰ ঘৰলৈ যায়। প্ৰকাশকৰ কথা পাতিবলৈ সময় নাই। তেওঁ নিজৰ হেৰোৱা গাইজনী বিচৰাত ব্যস্ত। গতিকে তেওঁ লিখকক কয় ঃ

"তেন্তে শৰ্মা, এটা কামকে কৰোঁ। গাইৰ আগৰ গিৰিহঁতৰ তালৈকে দুয়ো গৈ থাকোঁ। ইয়াৰপৰা কিমাননো দূৰ— এক মাইল। গৈ থাকোঁতে আপুনি কাহিনীখিনি পঢ়ি শুনাই গৈ থাকিব।"

লিখক, প্ৰকাশক দুয়ো গৰু বিচাৰি গৈ থাকোতে লিখকে প্ৰকাশকৰ অনুৰোধমৰ্মে লেখাখিনি পঢ়ি যায়, প্ৰকাশকে শুনি মন্তব্য দি যায়। প্ৰকাশকে কণটিলৌৰ সাঁতুৰিবলৈ যাওতে কৰা দুষ্টালিৰ কথা আৰু ভূতৰ কাহিনী বৰ পছন্দ নকৰিলে যদিও গোলাপ বাগ মেলাৰ নাৰীদেহ ব্যৱসায়ৰ বৰ্ণনা ভাল পালে আৰু সেই লেখীয়া কাহিনীহে ফুলস্কেপ কাগজৰ আৰু ত্ৰিছ পৃষ্ঠামানৰ ভিতৰত লিখি দিবলৈ লিখকক ক'লে। প্ৰকাশকে গোলাপ বাগৰ কাহিনীছোৱাৰ বাবে চাৰি টকা আৰু বাকীখিনিৰ আগধন হিচাপে এটকা, মুঠ পাঁচ টকা তেওঁক দিয়ে। কিন্তু তেওঁক তাতকৈ বহুত বেছি টকাৰ প্ৰয়োজন। কাহিনী সম্পূৰ্ণ নকৰিলেতো সেয়া লাভ নহ'ব। কিন্তু লিখে কেনেকৈ। চাত্‌কৈ তেওঁৰ মনত পৰিল— তেওঁ গোলাপ বাগৰ কুমাৰী ছোৱালীৰ নাথুনি খোলাৰ কাহিনীটো লিখাৰ আগতে কবিৰাজৰপৰা সৰু মোদকৰ লাড়ু এটা আনি খাই লৈছিল। এই কথাটো কৈ তেওঁ আচলতে তেওঁ কৈ অহা কাহিনীৰ বিশ্বাসযোগ্যতা সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিবলৈ পঢ়ুৱৈক উদগায়। প্ৰকাশকক সন্তুষ্ট কৰিবলৈ সেই জাতীয় কাহিনী লিখিবলৈ এইবাৰো তেওঁ মোদকৰ ডাঙৰ লাড়ু এটা খাই ল'লে। লাড়ু খাই তেওঁৰ নিচা লাগে আৰু নিচাৰ জালতে তেওঁ লিখি যায় দীঘলীয়া এটা কাহিনী। ই হ'ল চীনা যুদ্ধৰ পটভূমিত ৰচিত সঁচাকৈ এটা আকৰ্ষণীয় কাহিনী। দেশপ্ৰেম, ত্যাগ, নিঃস্বাৰ্থ ভালপোৱা আৰু মানৱীয়

মহত্ত্বৰ কথাৰে ভৰা এই কাহিনী কৈ অঁতোৱাৰ পাছত লিখক-কথকে টোপনিৰপৰা সাৰ পাই কয় ঃ

"কিবা এটাই যেন কাণখনত ফুঁৱাই দিছে, গালখন ঠাণ্ডা ঠাণ্ডা যেন লাগিছে। সাৰ পাই চকু মেলি দেখোঁ, প্ৰকাশকৰ চাবোনখাতী গাইজনীয়ে মোৰ গালত মুখখন লগাই শুঙিছে।"

ইতিমধ্যে অৱশ্যে প্ৰকাশকে বিচৰামতে ত্ৰিশ পৃষ্ঠা লিখা হৈয়ে গ'ল। অৰ্থাৎ কিতাপ সম্পূৰ্ণ হ'ল।

গোটেই লেখাটো অতি সৰস, কল্পনাশীল আৰু ব্যতিক্ৰমী। চলচ্চিত্ৰত কেমেৰা ব্যৱহাৰ কৰাৰ নিচিনাকৈয়ে তেওঁ লিখকীয় দৃষ্টিকোণৰ কৌশলী প্ৰয়োগ কৰিছে। লেখাটিৰ প্ৰকৃতি সম্পৰ্কে অৰ্থাৎ ই সঁচা কাহিনীৰ আধাৰত গঢ় লোৱা, নে কেৱল কল্পনাৰে গঢ়ি লোৱা সেই সম্পৰ্কে সন্দেহ থাকিলেও বা লিখকে ইচ্ছা কৰি পঢ়ুৱৈৰ মনত সন্দেহৰ সৃষ্টি কৰিলেও ক'ব লাগিব যে আত্মজৈৱনিক সমল আৰু কল্পনাৰ এনে মিশ্ৰণ আৰু বুদ্ধিদীপ্ত হাস্যৰসৰ এনে উপস্থাপন সঁচাকৈ বিৰল।

'ৰং-বিৰং'-অত যদি সঁচা ঘটনাৰ সৰস বৰ্ণনা আছে, 'বনৰীয়া ফুল'ত আছে সঁচা আৰু কল্পিত কাহিনীৰ সানমিহলি। দুয়োখন ৰচনাতে নিজৰ জীৱনৰ দুখ-বেজাৰ আৰু অসফলতাৰ বেয়া বা বেজাৰলগা কথা সাৱধানে এৰাই চলা দেখা যায়। পঢ়ুৱৈক জীৱনৰ আনন্দময় ৰূপটো দেখুওৱাহে তেওঁৰ উদ্দেশ্য আছিল যেন লাগে। দুয়োখন ৰচনাতে বুদ্ধিদীপ্ত হাস্যৰ লগতে মানৱীয় আৱেগ-অনুভূতি আৰু অভিজ্ঞতাৰ আঁৰ নলগা প্ৰকাশে দেখুৱায় যে ফণী শৰ্মা কাহিনীকাৰ হিচাপেও সফল হ'লহেঁতেন। 'বনৰীয়া ফুল'ৰ দৰে বাস্তৱ আৰু কল্পনাৰ এনে মনোমোহা সানমিহলি, এনে আত্মজৈৱনিক লেখা অসমীয়া সাহিত্যত সতকাই দেখা নাযায়। ■

- *লিখক তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী আৰু বিদেশী ভাষা বিভাগৰ প্ৰাক্তন অধ্যাপক, বিশিষ্ট গল্পকাৰ-ঔপন্যাসিক আৰু প্ৰবন্ধকাৰ।*

---

❖ ইয়ং বিসৃষ্টিৰ্য়ত আবভূৱ য়দি বা দধে য়দি ৱা ন।
য়ো অস্যাধ্যক্ষঃ পৰমে ব্যোসন্ত্সো অঙ্গ ৱেদ য়দি ৱা ন ৱেদ।।
(এই নানা সৃষ্টি যে ক'ৰপৰা হ'ল, কাৰপৰা হ'ল, কোনে কৰা নাই, সেইটো তেৱেঁই জানে যিজন ইয়াৰ প্ৰভুস্বৰূপে পৰমধামত আছে। বা তেৱোঁ নাজানিব পাৰে।)

**—নাসদীয় সূক্ত, ঋগৱেদ**

# মুক্ত চিন্তাৰ গৰিমা

## বসন্ত ডেকা

কেইটিমান কাহিনী। সঁচা কাহিনী। তেজ-মঙহৰ মানুহৰ কাহিনী। কিন্তু তেওঁলোক বেলেগ আছিল। অগতানুগতিক আছিল। কাহিনীবোৰৰ আঁৰে আঁৰে কিছুমান কথা আছে। সকলোৰে বাবে। আমাৰ নতুন চামে পঢ়ি আপ্লুত হ'ব পাৰে। নিজৰ জীৱনটোত কিবা-কিবি অলপ ছটিয়াই ল'ব পাৰে। কাহিনীৰ চৰিত্ৰবোৰ বিজ্ঞানৰ কেইজনমান শ্ৰেষ্ঠ ছাত্ৰৰ।

আইনষ্টাইনৰ কথাৰেই আৰম্ভ কৰোঁ। এলবাৰ্ট আইনষ্টাইন। বিজ্ঞানীৰ মতেই যোৱা শতিকাটোৰ শ্ৰেষ্ঠ বিজ্ঞানীজন। স্কুলত এলবাৰ্ট আছিল 'দুৰ্বল'। পঢ়া-শুনাত দুৰ্বল। ছাৰহঁতে তেনেকৈয়ে ভাৱিছিল। এলবাৰ্টে জীৱনত একো কৰিব নোৱাৰে। ছাৰহঁতে দেউতাকক তেনেকৈয়ে কৈছিল।

ঘটনাটো দুয়োফালৰপৰা হৈছিল। এলবাৰ্টে ছাৰহঁতৰ পঢ়োৱা বুজি নাপায়। গতিকে বিষয়বোৰ টান পাইছিল। আৰু ছাৰহঁতেও এলবাৰ্টক ধৰিবপৰা নাছিল। গতিকে এলবাৰ্টৰ ভৱিষ্যত বিচাৰি পোৱা নাছিল। কিন্তু ইতিহাসত ৰৈ গ'ল এলবাৰ্ট। ইতিহাস সলালে এলবাৰ্টে। চৈধ্য বছৰ বয়সত এলবাৰ্টে জগতৰ কোনেও নভৱা কথা ভাৱিছিল। এলবাৰ্টে পোহৰৰ পিঠিত উঠিব বিচাৰিছিল। কথাষাৰ পঢ়িয়েই ৰৈ যাবলগীয়া। পোহৰৰ পিঠিত উঠাৰ সপোন! বিশ্বাসে ঢুকি নোপোৱা সপোন। কিন্তু তেনে সপোনেই মুক্ত চিন্তা। স্বাধীন চিন্তা। সীমা নজনা চিন্তা। নতুনৰ সঁচাৰ কাঠী।

সপোনটোত পোহৰ আৰু আইনষ্টাইন একেলগেই যাব। পোহৰৰ বাবে আইনষ্টাইন আৰু আইনষ্টাইনৰ বাবে পোহৰ ৰৈ থাকিব। কিন্তু তেনেতো নহয়। পোহৰ কাৰো বাবে ৰৈ নাথায়। তাৰ অৰ্থ হ'ল পোহৰৰ পিঠিত কোনো উঠিব নোৱাৰে। পোহৰৰ বেগক কোনেও চুব নোৱাৰে। তেতিয়াহ'লে পোহৰৰ বেগেই আটাইতকৈ বেছি। মুক্ত সপোনৰ, মুক্ত চিন্তাৰ দহ বছৰৰ মূৰত এলবাৰ্টে তাকে শিকিলে। প্ৰকৃতিত আটাইতকৈ বেগাই যায় পোহৰে। এলবাৰ্ট হৈ পৰিল আইনষ্টাইন। সভ্যতা ধন্য হ'ল। মুক্ত চিন্তাৰপৰা আইনষ্টাইনে পালে এটা সঠিক চিন্তা। লগতে মহীয়ান কৰিলে স্বাধীন চিন্তাক।

লিফ্‌টৰ ৰচীডাল যদি ছিগি যায়?

## স্মৰণীয় সুবাস

আকৌ এটা মুক্ত চিন্তা। আইনষ্টাইন। আইনষ্টাইনে চিএৰ শুনাৰ কথা নাভাৰিলে। আৰম্ভ হ'ল আকৌ এটা চিন্তাৰ অকোৰা-পকোৰা বাট। আকৌ প্ৰায় দহ বছৰৰ যাত্ৰা। এটা সঠিক চিন্তা-অভিমুখী যাত্ৰা। ৰচীডাল ছিগিলে আৰোহীয়ে নিজৰ ওজন অনুভৱ নকৰে। সেইটোৱেই সঠিক উত্তৰ। মুক্ত চিন্তাই (লিফ্‌টটো সৰি পৰিলে) এটা পুৰণি প্ৰশ্নৰ উত্তৰ দিলে। পৃথিৱীয়ে আমটো টানি অনাৰ কাৰণ আইনষ্টাইনে বিচাৰি পালে। নিউটনে পৃথিৱী আৰু আমটোৰ টান কিমান হিচাপ কৰিছিল। টানি অনাৰ কাৰণটো বিচাৰি পোৱা নাছিল।

মুক্ত চিন্তাৰ বাবে সাহসৰো প্ৰয়োজন। যুক্তিৰ লগত টনাটনি কৰিবলৈ সাহসৰ প্ৰয়োজন। তেনে সাহস দেখুৱালে আন এজন সাধকে। মুক্ত চিন্তাৰ সাধক। নাম মেক্স প্লেংক। কাম কৰিবলৈ জোৰ বা শক্তি লাগে। বা, শক্তিয়ে কাম কৰে। জুয়ে পানী তপতায়, ছাল পোৰে, শুকান বনানি ছাৰখাৰ কৰে। জুই এবিধ শক্তি। বৰদৈচিলাই টিনপাত উৰুৱায়, ঘৰ ভাঙে। বতাহৰ জীয়া প্ৰকাশ। বতাহো শক্তি। পোহৰো এবিধ শক্তি।

পোহৰ ঢৌৰ আকাৰত বিয়পি পৰে। একেবাৰে সৰু সৰু ঢৌ। ঢৌ হিচাপে পোহৰে কেইবাটাও আচৰণ দেখুৱায়। পৰীক্ষাবোৰেই কৈছিল পোহৰ শক্তি হ'ল এবিধ ঢৌ। পোহৰ নিজে নিজেই বিয়পি পৰে। কাৰো আলম নালাগে। পোহৰৰ ঢৌৰ ধাৰণা প্ৰায় শতিকাজুৰি আছিল।

কিন্তু পোহৰৰ ঢৌৰ ধাৰণা যথেষ্ট নাছিল। কথাটো ধৰা পৰিল। বিজ্ঞানজগত গভীৰ বিপাঙত পৰিল। ঢৌৰ ৰূপ বাদ দিয়াৰ কাৰো সাহসেই নাছিল। অৱশেষত প্লেংক মুক্ত চিন্তাৰ বোকোচাত উঠিল। পোহৰ এবিধ কণিকা, শক্তিৰ কণিকা। বস্তুৱে পোহৰ শোহে কণিকাৰ ৰূপত, ঢৌৰ ৰূপত নহয়। বস্তুৱে পোহৰ এৰে কণিকাৰ আকাৰত, ঢৌৰ আকাৰত নহয়। প্লেংকে ক'বলৈ সাহস গোটালে। মুক্ত চিন্তা নিয়ন্ত্ৰণহীন, কিন্তু লক্ষ্যহীন নহয়।

আজিৰ দিনটোত পোহৰৰ চিনাকি দুটা। পোহৰ ঢৌ, পোহৰ কণিকাও।

আৰু এটা কাহিনী নক'লে নহয়। মনভৰা মুক্ত চিন্তাৰ কাহিনী। ৰিচাৰ্ড ফাইনমেনৰ কাহিনী।আটাইতকৈ চোকা ছাত্ৰ। যোৱা শতিকাৰ বিজ্ঞানৰ। পোহৰৰ বেগ সীমিত আৰু নিৰ্দিষ্ট। যদি ধৰি লোৱা হয় পোহৰ যিকোনো বেগত যায়? পোহৰ পোন বাটেৰে যায়। যদি আন বাটেৰেও যাব পাৰে? পোহৰ ঢৌ, পোহৰ কণিকাও। পোহৰ যদি মাথো কণিকাহে? — এইবোৰ আছিল ফাইনমেনৰ মুক্ত চিন্তাৰ ঘোঁৰাৰ চেকুৰ। দুৰন্ত আত্মবিশ্বাস আৰু সাহসৰ। কথাবোৰ ভাঙি চোৱাৰ নতুন উপায় ফাইনমেনে দিলে।আটাইতকৈ সফল তত্ত্ব গঢ়িলে। ন'বেল বঁটাই ফাইনমেনৰ ধাৰণাবোৰ আদৰিলে।

## মুক্ত চিন্তাৰ গৰিমা

ইয়াৰ মূলতে আছে সকলোৰে মানি লোৱা কথা ফাইনমেনে নামানিলে। মুক্ত চিন্তাও এক প্ৰচণ্ড যুক্তি! কোনো কথা কাৰো কথা শিলৰ ৰেখা নহয়। মুক্ত চিন্তা আৱিষ্কাৰৰ মূল, উদ্ভাৱনৰ মূল। মুক্ত চিন্তা দায়বদ্ধ মাথোঁ সত্যৰ প্ৰতি।

নিষ্ঠাৱান আমাৰ কোমল মনবোৰ বাৰু কেতিয়া কৌতূহলী হ'ব? একোটা নজনা কথা জানিবলৈ উজাগৰী নিশা কটোৱা আমাৰ মাজত আছেইবা কিমানজন? আমাৰ নতুন চাম খবৰসমৃদ্ধ হ'ল, জ্ঞানপিপাসু নহ'ল। নতুন নতুন প্ৰশ্ন মনলৈ আহেনো কেনেকৈ? কৰ্মপ্ৰধান দেশবোৰত বহু ছাত্ৰই-ছাত্ৰীয়ে নিশাবোৰত আকাশত বিচৰণ কৰে— যন্ত্ৰপাতিৰে, নতুনৰ সন্ধানত। একবিংশ শতিকা হ'ব আকাশৰ শতিকা। তেনেবোৰ কামে গৰিমা আনিব। মানুহৰ সভ্যতালৈ। ষ্টিফেন হকিঙো উঠি-পৰি লাগিছিল। আমিবোৰ যেন আছোঁ বৰ্তমানত, গৰিমাহীন ভৱিষ্যতলৈ বুলি। ■

- *লিখক সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক।*

---

❖ বিজ্ঞান হৈছে বিদ্ধিবদ্ধ চিন্তাৰ জৰিয়তে এই প্ৰকৃতিৰ ইন্দ্ৰিয়গ্ৰাহ্য পৰিঘটনাসমূহক যথাসম্ভৱ সুসংহত সম্পৰ্কৰ বন্ধনৰদ্বাৰা সংগঠিত কৰাৰ শতাব্দীব্যাপী সাধনা।

❖ তেওঁকেই মই ধৰ্মৰ আলোকেৰে আলোকিত বুলি ক'ম, যিজনে নিজকে আত্মকেন্দ্ৰিক কামনা-বাসনাৰ বন্ধনজাল বিমুক্ত হৈ সৰ্বক্ষণ নিস্বাৰ্থ চিন্তা, ভাৱনা আৰু আশা-আকাংক্ষা লৈ মগ্ন হৈ আছে।

❖ মই প্ৰত্যহ নিজকে এই কথা স্মৰণ কৰাই দিওঁ যে— মোৰ অন্তৰ্জীৱন আৰু বহিৰ্জীৱন, জীৱিত বা মৃত, আন লোকসকলৰ শ্ৰমৰ ওপৰত প্ৰতিষ্ঠিত, আৰু মই যিধৰণে গ্ৰহণ কৰিছোঁ আৰু এতিয়াও গ্ৰহণ কৰিয়েই আছোঁ, ঠিক একেধৰণে দিবলৈ নিজেও প্ৰচেষ্টা চলোৱা উচিত।

**—এলবাৰ্ট আইনষ্টাইন**

# বেথুন ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্য আনন্দৰাম আৰু অসমৰ আধুনিকতা

ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী

আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-৫৯)ৰ প্ৰতিভাৰ বিচাৰত বেথুন ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্য হিচাপে তেওঁ লোৱা ভূমিকা আৰু ঊনবিংশ শতিকাৰ চল্লিছ আৰু পঞ্চাছৰ দশক দুটাত কলিকতাৰ বৌদ্ধিক পৰিমণ্ডলে গঢ় দিয়া তেওঁৰ আদৰ্শ আৰু ব্যক্তিত্বৰ উমান লোৱাটো এই বিষয়ৰ যি কোনো গৱেষণাৰ বাবেই কেন্দ্ৰীয় গুৰুত্বৰ কথা।

"প্ৰসিদ্ধ বাঙালী পণ্ডিত যোগেশ চন্দ্ৰ বাগল (১৯০৩-৭১)ৰ বেথুন সোসাইটি" (কলিকাতা ঃ বঙ্গীয় সাহিত্য পৰিষৎ, ১৯৬১) শীৰ্ষক গ্ৰন্থত থকা তথ্যৰাজিৰ আলমত এই বিষয়ৰ প্ৰাথমিক চৰ্চাৰ কাম এটা আৰম্ভ কৰিব পাৰি।

কলিকতাত গৱৰ্ণৰ-জেনেৰেলৰ কাউন্সিলৰ আইনী সদস্য, প্ৰখ্যাত বেৰিষ্টাৰ আৰু বংগৰ স্ত্ৰী-শিক্ষা প্ৰসাৰৰ অন্যতম উদ্যোক্তা জন এলিয়ট ড্ৰিংকৱাটাৰ বেথুনে ১৮৫১ চনৰ ১২ আগষ্টত পঞ্চাছ বছৰ বয়সতে মৃত্যুবৰণ কৰে। ১৮৪৯ চনত তেওঁৰ উদ্যোগতে স্থাপন হোৱা বালিকা বিদ্যালয় (তেওঁৰ মৃত্যুৰ পিছত ১৮৬২-৬৩ চনত সেই স্কুলৰ নাম ৰখা হয় বেথুন স্কুল)ৰ কাৰণে তেওঁ তেওঁৰ স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তি দান কৰিছিল। তেওঁৰ মৃত্যুৰ চাৰি মাহৰ ভিতৰতে ১৮৫১ চনৰ এঘাৰ ডিচেম্বৰ তাৰিখে কলিকতা মেডিকেল কলেজৰ প্ৰেক্ষাগৃহত ডাঃ এফ. জে. মৌৱেটৰ সভাপতিত্বত অনুষ্ঠিত এখন আলোচনা সভাৰ অন্যতম যোগদানকাৰী আছিল 'আনন্দৰাম ফুকন'। ধৰ্ম আৰু ৰাজনীতিৰ কথা বাদ দি সাহিত্য আৰু বিজ্ঞান সম্বন্ধীয় বিভিন্ন বিষয়ৰ আলোচনাৰ উদ্দেশ্যে গঠন কৰা 'গিয়ানৰ সভা' আছিল বেথুন ছ'চাইটি। "সোসাইটির সদস্য হইতে হইলে পূৰ্ব্ব অধিবেশনে সভায় দুইজন সদস্য কৰ্ত্তৃক তাঁহার নাম প্ৰস্তাবিত ও সমৰ্থিত হওয়া প্ৰয়োজন" (পৃ. ৭) ঃ সেই অনুযায়ী ১৮৫২ চনৰ ৮ জানুৱাৰী তাৰিখে কলিকতা মেডিকেল কলেজৰ প্ৰেক্ষাগৃহত ডাঃ মৌৱেটৰ পৌৰোহিত্যত বহা দ্বিতীয়খন সাধাৰণ অধিৱেশনত "নিম্নের ভদ্ৰমহোদয়গণ সোসাইটির সদস্য পদ গ্ৰহণ করিলেন। ইঁহারাই সোসাইটির 'প্ৰতিষ্ঠা-সদস্য' ঃ ১. এফ. জে. মৌএট, ২. ৰাধানাথ শিকদার, ৩. ৰামচন্দ্ৰ মিত্ৰ, ৪. আনন্দরাম

ফুকন, ৫. পাদ্রী জেম্‌স লঙ্, ৬. মেজৰ জি. টি. মার্শ্যাল, ৭. জ্ঞানেন্দ্র মোহন ঠাকুর, ৮. পাদ্রী কৃষ্ণমোহন বন্দোপাধ্যায়, ৯. এল. ক্লিন্ট, ১০. ড° স্প্রেংগার, ১১. ডাঃ সূর্য্য কুমার গুডিব চক্রবর্ত্তী, ১২. প্যারীচরণ সরকার, ১৩. দেবেন্দ্রনাথ ঠাকুর, ১৪. রামগোপাল ঘোষ, ১৫. প্যারীচাঁদ মিত্র, ১৬. হরচন্দ্র দত্ত, ১৭. কৈলাশ চন্দ্র বসু, ১৮. হরমোহন চট্টোপাধ্যায়, ১৯. রসিকলাল সেন, ২০. প্রসন্ন কুমার মিত্র এবং, ২১. গোপাল চন্দ্র দত্ত। সদস্যগণ প্রত্যেকেই সে যুগে বিভিন্ন বিভাগে সুনাম অর্জন করিয়াছিলেন।" (পৃ. ৯)

বেথুন ছ'চাইটিৰ প্ৰথম আঠোটা বছৰৰ নথি-পত্ৰ পৰীক্ষা কৰি যোগেশ চন্দ্ৰ বাগলে 'প্ৰতিষ্ঠা-সদস্য'ৰূপে থকা লোকৰ দুখন তালিকা পায় আৰু "দ্বিতীয় তালিকায় নূতন চারিজন সদস্যের নাম যথাক্রমে পণ্ডিত ঈশ্বরচন্দ্র বিদ্যাসাগর, জগদীশনাথ রায়, নবীনচন্দ্র মিত্র এবং দক্ষিণারঞ্জন মুখোপাধ্যায় (পরে রাজা)। এই তালিকায় আনন্দরাম ফুকনের নাম পরিত্যক্ত হইয়াছে। তালিকা দুইটি যাচাই করিয়া দেখিবার সূত্র এখন আর পাওয়া যাইবে না। তবে মোটমুটি এই পঁচিশ জনকেই আমরা প্রাথমিক বা 'প্রতিষ্ঠা সদস্য' বলিয়া ধরিয়া লইতে পারি।" (পৃ. ৯)

আনন্দৰাম যে প্ৰথম চাৰিগৰাকী 'প্ৰতিষ্ঠা-সদস্য'ৰ অন্যতম ১৮৫২ চনৰ ২০ জানুৱাৰী তাৰিখে বিখ্যাত 'বেঙ্গল হৰকৰা' কাকতত বেথুন ছ'চাইটি প্ৰতিষ্ঠাৰ বিষয়ে থকা তালিকাখনেই স্পষ্টকৈ দেখুৱায় ঃ

যোগেশ চন্দ্ৰ বাগলে পোৱা দ্বিতীয়খন তালিকাৰ চাৰিটা নামৰ দুটা আটাইৰে চিনাকি ঃ পূজনীয় ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ (১৮২০-৯১) আৰু ডেৰ'জিয়ৰ প্ৰপন্ন শিষ্য, যুৱা বাঙালীৰ অন্যতম প্ৰধান নেতা দক্ষিণাৰঞ্জন মুখোপাধ্যায় (১৮১৪-৯৮)। জগদীশ নাথ ৰায় চল্লিছৰ দশকৰ হিন্দু কলেজৰ ছাত্ৰ আৰু (মাইকেল) মধুসূদন দত্ত, প্যাৰীচৰণ চৰকাৰ, ৰামগোপাল ঘোষ আৰু জ্ঞানেন্দ্ৰ মোহন ঠাকুৰৰ সহপাঠী, পিছলৈ প্ৰথমগৰাকী ভাৰতীয় আৰক্ষী অধীক্ষক। নবীন চন্দ্ৰ মিত্ৰ কলিকতা মেডিকেল কলেজৰ প্ৰতিষ্ঠা-কালৰে ছাত্ৰ আৰু ১৮৩৬ চনত কলেজৰ শৱ-ব্যৱচ্ছেদন কক্ষত মধুসূদন গুপ্ত (১৮০০-৫৬)ৰ সৈতে দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে মানৱ শৰীৰৰ ব্যৱচ্ছেদনত অংশগ্ৰহণ কৰি ইতিহাস সৃষ্টি কৰা ছাত্ৰসকলৰ অন্যতম।

১৮৫২ চনৰ ২০ জানুৱাৰী তাৰিখৰ 'বেঙ্গল হৰকৰা' (The Bengal Hurkaru and India Gazette, 20 January, 1852) কাকতৰ বেথুন ছ'চাইটি প্ৰতিষ্ঠাৰ বিষয়ে থকা দীঘলীয়া বাতৰিটিৰ প্ৰাসংগিক প্ৰতিচ্ছবি এনেধৰণৰ ঃ

তালিকাখনত থকা এৰেকৈছটা নামৰ সম্পূৰ্ণ ৰূপ আৰু সদস্যসকলৰ জন্ম-মৃত্যুৰ চনসমূহ এনেধৰণৰ—

1. Frederic John Mouat (1816-97)
2. Radhanath Sichdhar (1813-70)
3. Ramchunder Mitter (1814-78)
4. Anunderam Phookan (1829-59)
5. James Long (1814-87)
6. George T. Marshall (–1854)
7. Ganendro Mohum Tagore (1826-90)
8. Krishna Mohum Banerjea (1813-85)
9. Leonidas Clint (1812-93)
10. Aloys Sprenger (1813-93)
11. Surya Kumar Goodeve Chuckerbutty (1826-74)
12. Peary Churn Sirkar (1823-75)
13. Debendranath Tagore (1817-1905)
14. Ramgopal Ghose (1815-68)
15. Peary Chand Mittra (1814-83)
16. Hurro Chunder Dutt (1831-1901)
17. Koylas Chunder Bose (1827-78)
18. Hurry Mohun Chatterjee (–1875)
19. Russiclal Sen (–1855)
20. Prosunno Coomar Mitter
21. Gopal Chunder Dutt

প্ৰতিগৰাকীয়েই সমসাময়িক কলিকতাৰ একোগৰাকী লেখৰ মানুহ। **ফ্ৰেডৰিক জন মৌৱেট** কলিকতা মেডিকেল কলেজৰ অধ্যাপক, শিক্ষা আৰু কাৰাগাৰ-সংস্কাৰৰ বিষয়ত আগবঢ়োৱা অৱদানৰ বাবে বিখ্যাত। পিছলৈ ১৮৭০ চনত বিলাতলৈ ঘূৰি যোৱাৰ পিছত ৰয়েল ষ্টেটিষ্টিকেল ছ'চাইটি আৰু ৰয়েল জিঅ'গ্ৰাফিকেল ছ'চাইটিৰ সভাপতি গৈছিলগৈ। আনন্দৰাম নগাঁৱত ছাব-এছিষ্টেণ্ট হৈ থাকোতে অসমৰ অন্যান্য ঠাইৰ লগতে নগাঁও কাৰাগাৰো পৰিদৰ্শন কৰি চৰকাৰৰ ওচৰত পিছলৈ এই বিষয়ে দীঘলীয়া প্ৰতিবেদন দাখিল কৰিছিল। **ৰাধানাথ শিকদাৰ** এভাৰেষ্ট বিজয়ী বীৰ ঃ এসময়ৰ হিন্দু কলেজৰ অংকৰ কিম্বদন্তি-ছাত্ৰ ৰাধানাথে পৃথিৱীৰ উচ্চতম শৃংগটোৰ জোখ নিৰূপণ কৰিছিল ত্ৰিকোণমিতিত থকা তেওঁৰ বিৰল দক্ষতাৰ জোৰত। **ৰামচন্দ্ৰ মিত্ৰ** হিন্দু কলেজৰ অধ্যাপক,

বাংলা প্ৰৱন্ধকাৰ আৰু বংকিমচন্দ্ৰ প্ৰভৃতি হিন্দু কলেজৰ পুৰণি ছাত্ৰৰো শ্ৰদ্ধেয় শিক্ষক। বংগৰ শিক্ষা-সংস্কৃতিলৈ পাদুৰী **জে'ইমছ লঙে** যোগোৱা অৰিহণা সোণসেৰীয়া। ১৮৬১ চনত দীনবন্ধু মিত্ৰৰ 'নীলদৰ্পণ'ৰ ইংৰাজী অনুবাদ এটা প্ৰকাশ কৰি তেওঁ জে'ইলৰ ভাত পৰ্য্যন্ত খাব লগা হৈছিল। **জি. টি. মাৰ্শ্বেল** ফ'ৰ্ট উইলিয়াম কলেজৰ সচিব, সামৰিক বিষয়া, সংস্কৃত কলেজৰো সচিব। প্ৰসন্ন কুমাৰ ঠাকুৰৰ পুত্ৰ **জ্ঞানেন্দ্ৰ মোহন ঠাকুৰে** কৃষ্ণমোহন বেনাৰ্জীৰ প্ৰভাৱত খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰি ত্যাজ্যপুত্ৰ হ'ব লগা হয়। ১৮৪২ চনত চল্লিছ টকা বৃত্তিৰে মেডিকেল কলেজত ভৰ্তি হৈ পঢ়া আধৰুৱা কৰে। পিছলৈ বিলাতলৈ গৈ এছিয়াৰ প্ৰথমগৰাকী বেৰিষ্টাৰ হয়। জ্ঞানেন্দ্ৰ মোহনে কৃষ্ণমোহন বেনাৰ্জীৰ ছোৱালী কমলিনীক বিয়া কৰাইছিল। ডেৰ'জিয়-পন্থী যুৱা বাঙালী **কৃষ্ণমোহন বেনাৰ্জী**য়ে জ্ঞানেন্দ্ৰ মোহনকে নহয়, মাইকেল মধুসূদন দত্তকো খ্ৰীষ্টধৰ্মত দীক্ষা দিছিল।

ইংৰাজী আৰু বাংলাৰ তেৰ খণ্ডৰ বিশ্বকোষ প্ৰকাশ কৰি বংগীয় সংস্কৃতিলৈ লেখৰ অৰিহণা যোগাই গৈছে কৃষ্ণমোহনে। **লিয়নিডাছ ক্লিণ্ট** পহিলা হিন্দু কলেজৰ অধ্যাপক, আনন্দৰামৰ শিক্ষক— ১৮৪৫-৫৪ৰ সময়ছোৱাত লক্ষ্ণৌৰ La Martinier স্কুলৰ অধ্যক্ষ। **এলয়ছ স্প্ৰেংগাৰ**-এ অষ্ট্ৰিয়াৰপৰা ভাৰতলৈ আহি প্ৰাচ্যতত্ত্বৰ গৱেষণাত কৃতিত্ব প্ৰদৰ্শন কৰে আৰু ১৮৫০ চনত এছিয়াটিক ছ'চাইটিৰ সচিব নিযুক্ত হয়। আৰবী ভাষাত দখল থকা স্প্ৰেংগাৰ-এ হজৰত মহম্মদৰ বিষয়ে দীঘলীয়াকৈ লিখিছিল এছিয়াটিক ছ'চাইটিৰ পত্ৰিকাত। **সূৰ্য্যকুমাৰ গুডিব চক্ৰৱৰ্তী** কলিকতা মেডিকেল কলেজৰ কৃতী ছাত্ৰ, বিলাতলৈ গৈ M.R.C.P. আৰু M.D. হয়। খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰি তেওঁ কলেজৰ অধ্যাপক গুডিব (H. H. Goodeve, Professor of Anatomy and Surgery, Calcutta Medical College)ৰ উপাধিটিও নিজৰ নামৰ সৈতে সংলগ্ন কৰে। বেথুন ছ'চাইটিৰ দ্বিতীয়খন সভাত নিজৰ গৱেষণা-পত্ৰ পাঠ কৰি ছ'চাইটিৰ বিদ্যায়তনিক কাৰ্য্যক্ৰম আৰম্ভ কৰা প্ৰথমগৰাকী লোক ("The Sanitary Improvement of Calcutta, Discourse read before the Benthune Society meeting, on Thursday, the 8th of January, 1852, by S. G. Chuckerbutty, M.D."– *The Calcutta Review,* Vol. XVI, July-December 1851)। **প্যাৰীচৰণ চৰকাৰ** প্ৰসিদ্ধ শিক্ষাবিদ, বংগদেশৰ কেইবাটাও প্ৰজন্ম তেওঁৰ পাঠ্যপুথি পঢ়িয়ে ডাঙৰ হৈছে। দ্বাৰকানাথ ঠাকুৰৰ পুত্ৰ **দেবেন্দ্ৰনাথ ঠাকুৰ** প্ৰসিদ্ধ ব্ৰাহ্ম নেতা— লেখক, সম্পাদক, 'মহৰ্ষি' ঃ জগত-বিখ্যাত ৰবীন্দ্ৰনাথৰ পিতৃ। **ৰামগোপাল ঘোষ** এসময়ৰ যুৱা-বাঙালী গোটৰ অন্যতম সদস্য। বংগদেশৰ শিক্ষাৰ প্ৰসাৰত অগ্ৰণী ভূমিকা লোৱা ৰামগোপালে ছোৱালী স্কুল স্থাপন বিষয়ত বেথুনক সহায় কৰিছিল সৰ্বতোপ্ৰকাৰে। মেডিকেল কলেজৰ

অধ্যক্ষ গুডিবে যেতিয়া উচ্চ শিক্ষাৰ বাবে চাৰিজন ছাত্ৰক বিলাতলৈ পঠোৱাৰ সিদ্ধান্ত লয়, ৰামগোপাল আছিল তাৰ উৎসাহী সমৰ্থক। সাগৰ পাৰ হোৱাৰ বিষয়ে থকা অন্ধবিশ্বাসৰ বাবে কুমলীয়া ছাত্ৰকেইটিৰ মনোবল ভাঙি পৰে বুলি যাত্ৰাৰ আগৰাতি ৰামগোপালে জাহাজতে ল'ৰাহঁতৰ সৈতে থাকি তেওঁলোকক উৎসাহ-উদগনিকে ধৰি নিৰ্ভয়-বাণী দিছিল। **প্যাৰীচাঁদ মিত্ৰ** যুৱা-বাঙালী গোটৰ আন এজন সক্ৰিয় সদস্য; লেখক, সাংবাদিক, গ্ৰন্থাগাৰিক আৰু বিখ্যাত 'আলালের ঘরের দুলাল'ৰ ৰচয়িতা। **হৰচন্দ্ৰ দত্তই** ১৮৪৪ চনৰ ২২ মাৰ্চত মাহিলি ৯৫ টকা বেতনেৰে হিন্দু কলেজৰ জুনিয়ৰ বিভাগত যোগদান কৰাৰ তথ্য কলেজৰ নথিপত্ৰত পোৱা যায়। **কৈলাস চন্দ্ৰ বসু** 'ছ'চাইটি ফৰ একুইজিশ্যন অৱ জেনেৰেল নলেজ'ৰ এগৰাকী সক্ৰিয় সদস্য, পিছলৈ বেথুন ছ'ছাইটিৰ সচিব আৰু 'উজ্জ্বল নক্ষত্ৰ'। **হৰমোহন চেটাৰ্জী** (*বেঙ্গল হৰকৰা*ৰ তালিকাত হৰমোহন Hurry Mohun হৈছে) ছ'চাইটি ফৰ একুইজিশ্যন অৱ জেনেৰেল নলেজৰ আন এগৰাকী সক্ৰিয় সদস্য, হিন্দু কলেজৰ উচ্চপদস্থ গাণনিক বিষয়া ঃ তেওঁ ৰাজনাৰায়ণ বসুৰ ভাষাত হিন্দু কলেজৰ সত্য, ত্ৰেতা, দ্বাপৰ, কলি— এই চাৰি যুগৰেই ইতিহাস জনা লোক। **ৰসিকলাল সেন** পূৰ্বে মেদিনীপুৰ আৰু বেৰাকপুৰ স্কুলৰ প্ৰধান শিক্ষক আছিল। ১৮৪২-৫৩ কালছোৱাত সংস্কৃত কলেজৰ ইংৰাজী শ্ৰেণীৰ হেডমাষ্টৰ। **প্ৰসন্ন কুমাৰ মিত্ৰ** কলিকতা মেডিকেল কলেজৰ ছাত্ৰ, মৃত্যুকালত ডে'ৰিড হেয়াৰৰ সমস্ত দায়িত্ব লোৱা বিশিষ্ট চিকিৎসক। তেওঁৰ কন্যা ৰামকৃষ্ণ পৰমহংসৰ অনুগতা শিষ্যা যোগিন মা। **গোপাল চন্দ্ৰ দত্ত** মেডিকেল কলেজৰ ছাত্ৰ, সম্ভৱতঃ পিছলৈ 'সুলোচনা' (১৮৮২)ৰ ৰচয়িতা।

১৮৫২ চনৰ ২৬ মাৰ্চ তাৰিখে চিৰদিনলৈ কলিকতা এৰি (অৰ্থাৎ সেই সময়ৰপৰা কলিকতালৈ আৰু কাহানিও যাব নোৱাৰিলে তেওঁ) অসমলৈ অহা আনন্দৰামে স্বাভাৱিকভাৱেই বেথুন ছ'চাইটিৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থাকিব নোৱাৰিলে। ডাঃ মৌৱেট বা অধ্যাপক ৰামচন্দ্ৰ মিত্ৰলৈকো তেখেতে এই বিষয়ে কৰা যোগাযোগৰ শুংসূত্ৰ আমি উদ্ধাৰ কৰিব পৰা নাই অদ্যাপি। ১৮৫২ চনৰ ফেব্ৰুৱাৰী বা মাৰ্চ মাহৰ সভাৰ কোনো বিৱৰণী আমাৰ হাতত পৰা নাই, সম্ভৱতঃ জানুৱাৰী মাহৰ সভাৰ পিছৰখন অনুষ্ঠিত হৈছিল ৮/৪/১৮৫২ তাৰিখে (দ্ৰঃ *The Bengal Hurkaru,* 21 April, 1852)। আনন্দৰাম সেইদিনা কলিকতাৰপৰা গুৱাহাটী-অভিমুখী জাহাজত।

ফুকনে মেটকাফ হলত পঢ়া-শুনা কৰা অথবা মেটকাফ হল পুথিভঁৰালৰ সচিব প্যাৰীচাঁদ মিত্ৰৰ সৈতে থকা তেওঁৰ সহৃদয়তাৰ কথা গুণাভিৰাম বৰুৱাই উল্লেখ কৰিছে। সমসাময়িক কলিকতাৰ বিদ্যোৎসাহী আৰু বিদ্বান ভালেকেইগৰাকী লোকৰ সৈতে ফুকনৰ যোগাযোগৰ স্পষ্ট ইংগিত এটা হৰপ্ৰসাদ শাস্ত্ৰী (১৮৫৩-১৯৩১) দেৱেও দি থৈ গৈছে ঃ

## বেথুন ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্য আনন্দৰাম আৰু অসমৰ আধুনিকতা

'বাবু প্যারীচাঁদ যখন মেটকাফ হলের সেক্রেটারী ও পাব্‌লিক লাইব্রেরির লাইব্রেরিয়ান, সেই সময় আসাম দেশ হইতে একজন বড়োলোক কলিকাতায় বেড়াইতে আসেন— তাঁহার নাম ছিল ঢেঁকচন্দ্র ফুকন। তিনি কলিকাতার বড়ো বড়ো বাঙালিদিগের সঙ্গে খুব মিশিয়াছিলেন। তাঁহার নাম হইতেই বোধহয় টেকচাঁদ ঠাকুরের উৎপত্তি। সেকালের অনেক লোকেই তাঁহার নাম জানিত, এখনকার লোকে ভুলিয়া গিয়াছে।' (দেবপ্ৰসাদ ভট্টাচাৰ্য্য আৰু অন্যান্য সম্পাদিত, হরপ্রসাদ শাস্ত্রী রচনা-সংগ্রহ, দ্বিতীয় খণ্ড, কলিকাতাঃ পশ্চিমবঙ্গ রাজ্য পুস্তক পর্ষদ, ১৯৮১, পৃ. ১৪৫)

১৮৪১-৪৪ আৰু বিশেষকৈ ১৮৫১-৫২ সময়ছোৱাত কলিকতাত হোৱা ফুকনৰ প্ৰতিষ্ঠা প্ৰতিপত্তিৰ কথা ইতিমধ্যে ইতিকথাত পৰিণত হৈ পৰা কালতে লিখা এই চাৰিটা বাক্যত তথ্যগত ভুল স্পষ্টকৈ দুটা ঃ এক, ঢেঁকিয়ালৰ ঠাইত ঢেঁকচন্দ্ৰ আৰু, দুই, ঢেঁকচন্দ্ৰৰ পৰা প্যাৰীচাঁদৰ ছদ্মনাম টেকচাঁদ হৈ পৰাৰ বিষয়ে শাস্ত্ৰীৰ অনুমান। আনন্দৰামৰ মৃত্যুৰ ভালেকেইটা দশক পাৰ হৈ যোৱা কালত লিখা ৰচনাখনিৰ এই ভুলৰ প্ৰথমটো কাৰণ স্মৃতিবিভ্ৰাট আৰু দ্বিতীয়টো হ'ল আগৰ কথাটোকে সত্য বুলি কৰা অনুমানকে ভিত্তি কৰি পাখি মেলা কল্পনা। প্ৰকৃততে টেকচাঁদ আছিল সাৰস্বত সমাজত 'বাহাৰ-ই-আজম' (১৭৪০) নামৰ বিশ্বকোষ সদৃশ পাৰ্চী অভিধানৰ প্ৰণেতাৰূপে সমাদৰ লাভ কৰা এগৰাকী বিশিষ্ট পণ্ডিত। আৰু দৈনন্দিন ব্যৱহাৰৰ কথ্যভাষাৰ প্ৰয়োগৰ বিষয়ত উৎসাহী প্যাৰীচাঁদ মিত্ৰৰ সেই অভিধানৰ সৈতে ৰখা সম্পৰ্কৰ কথাটো অনুমান কৰাত অসুবিধা একো নাই। কিন্তু আমাৰ বাবে প্ৰয়োজনীয় শাস্ত্ৰীদেৰৰ কথা দুটা হ'ল "আসাম দেশ হইতে (কলিকাতায় আসা) একজন বড়োলোক", যাৰ নাম "সেকালের অনেক লোকেই... জানিত।"

আৰু নজনাৰো কথা নাই। ১৮৪১-৪৪ চনৰ হিন্দু কলেজৰ মেধাৰী ছাত্ৰসকলৰ অন্যতম আছিল ফুকন। মামলা-মোকৰ্দমাকে ধৰি বিভিন্ন ঘৰুৱা লেঠাৰ কাৰণে কলেজীয়া শিক্ষা সাং নকৰাকৈ ফুকন ঘূৰি আহিবলগীয়া হ'ল হয়, কিন্তু সেইকালৰ হিন্দু কলেজত যি দেখা যায়— ফুকনৰ ৰৈ-বৈ যোৱা নাম। ৰামচন্দ্ৰ মিত্ৰ, ঈশ্বৰচন্দ্ৰ সাহা, গোপীকৃষ্ণ মিত্ৰ, জয়গোপাল শেঠ, মে'জৰ ইষ্টজন, মে'জৰ জৌনছ, কেপ্টেইন ৰিচাৰ্ডছন (আনন্দৰাম কলেজত ভৰ্তি হ'বৰেপৰা ১৮৪৩ চনলৈ হিন্দু কলেজৰ অধ্যক্ষ) প্ৰভৃতি শিক্ষকসকলে ফুকনক 'স্নেহ' কৰা আৰু "তেওঁৰ সচ্চৰিত্ৰ আৰু উন্নতিত সন্তোষ [পোৱাৰ]" কথা গুণাভিৰাম বৰুৱাই লিখি থৈ গৈছে। বাংলাৰ প্ৰখ্যাত অধ্যাপক ৰামচন্দ্ৰ মিত্ৰ ফুকনৰ অভিভাৱকৰ দৰে আছিল। সেয়ে নহয়, ১৮৪৪ চনৰ হিন্দু কলেজৰ ফুকনৰ শ্ৰেণীটোৰ বিষয়ে থকা প্ৰতিবেদনত লিপিৱদ্ধ হৈ আছে এই দুটা বাক্য ঃ

"Anundoram Phookun and Gresh Chunder Mitter, of this class, were found to be far ahead of the others in all subjects the former, who has been very attentive, and who has improved greatly during the past year, has since the examination been promoted to the fourth class of the senior department."

*(General Report on Public Instruction in the Lower Provinces of the Bengal Presidency for 1844-45, Calcutta 1845, p. 28)*

হিন্দু কলেজত ভৰ্তি হ'বৰ বাবে ভায়েক দুৰ্গাৰামৰ সৈতে আনন্দৰাম কলিকতালৈ যায় ১৮৪১ চনৰ নৱেম্বৰ মাহৰ শেষৰ পিনে। জাহাজত ২৫ দিন। ডিচেম্বৰৰ শেষৰফালে কলিকতা পায়গৈ। ১৮৪৪ চনৰ নৱেম্বৰত কলিকতাৰপৰা ওভতনি যাত্ৰা। মুঠতে তিনি বছৰ। পিছলৈ বিজনী ৰাজ্যৰ লেঠা ছিঙিবলৈ তেওঁ কলিকতালৈ যায় ১৮৫১ চনৰ ছেপ্টেম্বৰত। পিছৰটো বছৰৰ ২৬ মাৰ্চত কলিকতা এৰে। এইবাৰ মোটামুটিকৈ ছমাহ। ঊনত্ৰিছ বছৰীয়া এটা চুটি জীৱনকালত এই চাৰে-তিনি বছৰে কেৱল আনন্দৰামৰ ক্ষেত্ৰতে নহয়, অসম-বংগৰ বৌদ্ধিক-সামাজিক জীৱনতো যি মচিব নোৱাৰা ধৰণৰ প্ৰভাৱৰ চিন ৰাখি থৈ গ'ল সেয়া আজি পুৰাকাহিনীৰ লেখীয়া কথা হৈ পৰিছে। ঊনবিংশ শতিকাৰ প্ৰখ্যাত সংস্কৃতজ্ঞ আৰু প্ৰাচ্যতত্ত্ববিশাৰদ পণ্ডিতসকলৰ অন্যতম হোৰে'ইছ হেইমেন উইলছন (১৭৮৬-১৮৬০) ঃ হিন্দু কলেজৰ প্ৰতিষ্ঠাৰেপৰা ১৮৩২ চনত অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ পহিলাগৰাকী Boden Professor of Sanskrit হৈ ইংলণ্ডলৈ ঘূৰি যোৱা উইলছন হিন্দু কলেজৰ দৈনন্দিন পাঠদান আৰু প্ৰশাসনৰ তলানলা জনা লোক— অসমীয়া মানুহৰ মাজত অৰ্হতাসম্পন্ন লোকৰ অভাৱ নাই বুলি কৈ নতুনকৈ ছাব-এছিষ্টেণ্ট কমিছনাৰ পদত অধিষ্ঠিত হোৱা আনন্দৰাম ফুকনৰ বিষয়ে তেওঁৰ তেতিয়াৰ লণ্ডনৰ ঘৰত বহি ১৮৫৩ চনত লিখিছিল ঃ

"...Nor are the Assamese deficient in the qualifications requisite for the discharge of responsible work. Witness the recent appointment of a liberally educated Assamese, Phukon, to the situation of subassistant, which modest post he is well qualified to fill with diligence and uprightness." ('Assam Since the Expulsion of the Burmese', in *Calcutta Review*, Vol. XIX January-June 1853, Calcutta 1853).

১৮৪১ চনত হিন্দু কলেজত নামভৰ্তিৰ বাবে ভায়েক দুৰ্গাৰামৰ সৈতে কলিকতালৈ যাওঁতে জেনকিন্স আৰু মেথিয়ে বাৰবছৰীয়া ফুকনৰ হাতত কেলভিন কোম্পানী, কেণ্টৰ

কোম্পানী, কেৰগছন কোম্পানী, ডাঃ মৌৱেট, মে'জৰ হে'লিডে', মে'জৰ বেকেট প্ৰভৃতি "কলিকতাৰ বৰ বৰ লোকলৈ পৰিচয়-পত্ৰ দিলে।" (গুণাভিৰাম বৰুৱা, পৃ. ৩৫) হিন্দু কলেজৰ সচিব ৰসময় দত্ত আৰু কাউন্সিল অৱ এ'ডুকেশ্যনৰ নামতো "পত্ৰ লিখে"। ফুকন ভ্ৰাতৃদ্বয়ে কলিকতালৈ গৈ সাক্ষাৎ কৰা লোকসকল আছিল ঃ ৰাজা ৰাধাকান্ত দেৱ (১৭৮৪-১৮৬৭), ৰাজা কালীকৃষ্ণ দেৱ (১৮০৮-৭৪), প্ৰসন্ন কুমাৰ ঠাকুৰ (১৮০৩-৬৮), মতিলাল শীল (১৭৯২-১৮৫৪), ৰামকমল সেন (১৭৮৩-১৮৪৪), সত্যচৰণ ঘোষাল (মৃত্যু ১৮৫৬),ৰসময় দত্ত (১৭৭৯-১৮৫৪)প্ৰভৃতি। অক্ৰুৰ দত্ত (জন্ম ১৭২০)ৰ নামটো গুণাভিৰামে ভুলকৈ লোৱা বুলি অনুমান কৰিব পাৰি, সম্ভৱতঃ অক্ৰুৰ দত্তৰ পৰিয়ালৰ কথা বুজাইছিল। "সকলোতকৈ মতিলাল শীলে তেওঁবিলাকক বৰ স্নেহ কৰিছিল।" (গুণাভিৰাম, পৃ. ৩৭), পটুৱাটোলা লে'ইনৰ শ্যামচৰণ দাস ফুকনৰ "বন্ধু আৰু অধ্যক্ষ" হৈছিলগৈ (ঐ, পৃ. ৪০)। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱনীগ্ৰন্থসমূহত সচৰাচৰ উল্লিখিত শ্যামচৰণ দাসেই সম্ভৱতঃ এইগৰাকী শ্যামচৰণ দাস ঃ বিধৱা-কন্যাৰ দুৰ্বিসহ জীৱনৰ সাক্ষী এইগৰাকী লোকে ছোৱালীজনীৰ বিবাহৰ প্ৰস্তুতি চলাই শেষত সমাজৰ তীব্ৰ বিৰোধিতাৰ বাবে সেই আশা চিৰদিনলৈ ত্যাগ কৰিব লগা হৈছিল।

১৮৫১-৫২ৰ ছমাহ কলিকতাত থাকোঁতে ফুকনৰ সদায়েই আহ-যাহ আছিল মতিলাল শীল, নগেন্দ্ৰনাথ ঠাকুৰ, ৰামচন্দ্ৰ মিত্ৰ, শ্যামচৰণ দাস, নবীনচন্দ্ৰ কৰ্মকাৰ, সীতানাথ ঘোষ আৰু প্ৰসন্ন কুমাৰ ঠাকুৰৰ সৈতে। জোৰাসাঁকোৰ নগেন্দ্ৰনাথ ঠাকুৰ (দ্বাৰকানাথ ঠাকুৰৰ সৰুটো ল'ৰা, দেবেন্দ্ৰনাথৰ ভ্ৰাতৃ) আৰু "ভাৰতবৰ্ষীয় স্ত্ৰী-জাতিৰ বিদ্যা-শিক্ষা"ৰ বিষয়ে প্ৰৱন্ধ লিখা আৰু পিছলৈ মেডিকেল কলেজৰ কৃতী ছাত্ৰ সীতানাথ আনন্দৰাম হিন্দু কলেজৰে 'সহাধ্যায়ী'। নানাখন দুৰ্লভ গ্ৰন্থেৰে সমৃদ্ধ প্ৰসন্ন কুমাৰৰ বিশাল ব্যক্তিগত পুথিভঁৰালটি আনন্দৰামৰ আকৰ্ষণৰ যে কেন্দ্ৰবিন্দু আছিল সেই কথা অনুমান কৰাত অসুবিধা নাই। ইপিনে ৰাধাকান্ত দেৱ, কালীকৃষ্ণ দেৱ, দেবেন্দ্ৰনাথ ঠাকুৰ, গোবিন্দ চন্দ্ৰ সেন, গোপীকৃষ্ণ মিত্ৰ আৰু প্যাৰীচাঁদ মিত্ৰক সেই কালছোৱাত ফুকনে "সময়ে সময়ে" লগ পাই থকাৰ কথা গুণাভিৰামে লিখিছে। 'সাধাৰণ জ্ঞানোপাৰ্জিকা সভা'ৰ সভ্য গোবিন্দ চন্দ্ৰ সেন 'বাঙ্গালা ইতিহাস' (১৮৪০)ৰ প্ৰণেতা; ফুকনৰ হিন্দু কলেজৰ শিক্ষাগুৰু গোপীকৃষ্ণ মিত্ৰ SAGP আৰু 'স্কুল বুক ছ'ছাইটি'ৰ সক্ৰিয় সদস্য, পিছলৈ 'মহিলাবলী ঃ অৰ্থাৎ কীৰ্তিমতী মহিলাগণেৰ জীৱন চৰিত' (১৮৬৭)ৰ প্ৰসিদ্ধ লিখক। সংস্কৃত কলেজৰ অধ্যাপক, সংস্কৃত কবি আৰু কিছুকাল 'সমাচাৰ চন্দ্ৰিকা'ৰো সম্পাদক প্ৰাণকৃষ্ণ বিদ্যাসাগৰৰ সৈতেও ফুকনৰ যোগাযোগ আছিল। কিন্তু 'সকলোতকৈ প্ৰধান বন্ধু' শ্যামচৰণ দাস আৰু নবীনচন্দ্ৰ ৰায়। শ্যামচৰণ দাসৰ কথা আগেয়ে কৈ অহা

হৈছে, নবীনচন্দ্ৰ ৰায় প্ৰশাসনিক বিষয়া, পিছলৈ ব্ৰাহ্মধৰ্ম প্ৰচাৰৰ বাবে পঞ্জাবলৈ মিছনেৰী হৈ যোৱা পণ্ডিতগৰাকীয়েই বোধহয়। হৰপ্ৰসাদ শাস্ত্ৰীয়ে কোৱা কলিকতাৰ "বড়ো বড়ো বাঙালি" আছিল এইসকলেই ঃ ৰাধাকান্ত দেৱ-কালীকৃষ্ণ বাহাদুৰৰ দৰে প্ৰাচীনপন্থীৰপৰা সীতানাথ-নগেন্দ্ৰনাথ-যতীন্দ্ৰনাথ (ঠাকুৰ)ৰ দৰে নৱপ্ৰজন্মলৈ। ১৮৪০ চনতেই জোৰাসাঁকোৰ ঠাকুৰবাৰীৰ সৈতে হোৱা ফুকনৰ সংযোগ ১৮৫২ৰ মাৰ্চলৈ অব্যাহত।

২.

কলিকতাত ফুকনৰ প্ৰতিষ্ঠাৰ কাৰণ তিনিটা ঃ এক, তেওঁ হলিৰামৰ পুত্ৰ আৰু যজ্ঞৰামৰ ভতিজাক; দুই, মে'থি আৰু জেনকিন্সৰ লেখীয়া উচ্চপদস্থ বিষয়াই কলিকতাৰ সংশ্লিষ্ট মহলক ফুকনৰ ভ্ৰাতৃদ্বয়ৰ বাবে দিয়া পৰিচয় পত্ৰ আৰু তিনি, আনন্দৰামৰ প্ৰতিভা, জ্ঞান, কৌতূহলৰ পৰিসৰ, নিষ্ঠা আৰু পাৰিপাট্য।

বংগত অসমৰ ৰজা হিচাপেই পৰিচিত হলিৰাম আছিল লক্ষ্মী আৰু সৰস্বতীৰ বৰপুত্ৰ। হাদিৰাচকিৰ দুৱৰীয়া বৰুৱাৰ পৰা মাহিলি ২৩০ টকা বেতনেৰে গুৱাহাটীৰ এছিষ্টেণ্ট মেজিষ্ট্ৰেট হোৱা হলিৰামে ১৮২৯ চনত 'আসাম বুৰঞ্জি' লিখি খ্যাতি অৰ্জন কৰিছিল আৰু পৰৱৰ্তী কালত অসমৰ নাম ওলোৱাৰ লগে লগেই হলিৰামৰ গ্ৰন্থৰ উল্লেখ অৱধাৰিতভাৱেই হোৱাৰ লেখীয়া কথা এটা হৈছিলগৈ। 'আসাম বুৰঞ্জি' প্ৰকাশৰ প্ৰায় অব্যৱহিত পিছতেই কলিকতাৰ India Gazette-অত যুৱা-বাঙালী-খ্যাত ('যুৱা-বাঙালী'ক *Friend of India* কাকতে 'চক্ৰৱৰ্তী গোট' আখ্যা দিছিল একালত) তাৰাচাঁদ চক্ৰৱৰ্তীৰ দীঘলীয়া সাৰাংশ এটি প্ৰকাশ পায় আৰু সেই প্ৰকাশৰে প্ৰায় ওচৰা-উচৰিকৈ *The Asiatic Journal and Monthly Register for British and Foreign India, China and Australia* Vol.II– New Series, May-August 1830 (London : Parbury, Allen and Co, 1830) আলোচনীয়ে ছয় পৃষ্ঠাজোৰা এই দীঘলীয়া লেখাটো প্ৰকাশ কৰে ভাৰতীয় সাহিত্যলৈ নতুনত্ব অনা (A novelty in the annals of Inidan Literature) হলিৰামৰ গ্ৰন্থখনিৰ সুদূৰপ্ৰসাৰী তাৎপৰ্য্যৰ বাবে। 'আসাম বুৰঞ্জি' প্ৰকাশৰ চাৰিটা বছৰৰ ভিতৰতে আমি দেখিছোঁ এই বিষয়ে ফৰাচী কিতাপৰ এটা উল্লেখ (কিতাপখন মিৰজুমলাৰ অসম আক্ৰমণৰ বিষয়ে চিহাবুদ্দিন তালিছৰ 'তাৰিখ-ই-আসাম' গ্ৰন্থৰ ফৰাচী অনুবাদ ঃ Tarikh-I-Asham ঃ Recit De L'expedition De Mir-Djumlah Au Pays D'assam (Paris: Benjamis Duprat, 1845)।

দুগৰাকী জাৰ্মান ভূগোলবিদৰ দুটা জাৰ্মান আলোচনাৰ কথাও মনত পেলাব লাগিব এই প্ৰসংগতঃ Heinrich Berghans (১৭৯৭-১৮৮৪)অৰ Asia, Sammlung

Von Denkschriften... (Gotha, 1832) গ্ৰন্থৰ সৰু থেপাথেপি আখৰৰ এটি তিনিপতীয়া আলোচনা আৰু Carl Ritter (১৭৭৯-১৮৫৯)ৰ Die Erkunde Von Asian (Vol.III, Berlin, 1834)ৰ দুপতীয়া আলোচনা।

এছিয়াটিক ছ'ছাইটি অৱ বেংগলৰ প্ৰখ্যাত সচিব জে'ইমছ প্ৰিঞ্চেপ (১৭৯৭-১৮৪০)এ অসমৰ ৰজাৰ নাম আৰু শাসনকালৰ প্ৰসংগত লিখিছিল ঃ "The best authority is a Native History ('Assam Buranji') by Huliram Dhakiyal Phukon, of Gohati." একে উশাহতে মেকছে সংগ্ৰহ কৰা ডে'ৰিড স্কটৰ পাণ্ডুলিপিৰ টোকা আৰু বুকানন-হেমিল্টনৰ বুৰঞ্জীৰ প্ৰসংগ টানি বুকাননৰ নিৰ্ভৰযোগ্যতাৰ বিষয়ে প্ৰিঞ্চেপে প্ৰশ্ন তুলিছিল এই বুলি ঃ "Buchanan is not to be trusted prior to Rudra Sinha" (James Prinsep, F. R. S. ed., 'Useful Tables Illustrative of the Coins, Weights and Measures of British India', London: John Murray, 1858)।প্ৰসংগক্ৰমে, 'Useful Tables' গ্ৰন্থখন প্ৰিঞ্চেপৰ মৃত্যুৰ ওঠৰ বছৰৰ পিছত এডৱাৰ্ড টমাছ (১৮১৩-৮৬)ৰ টোকা আৰু নতুন লেখাৰে প্ৰকাশ পায় যদিও হলিৰামৰ বিষয়ে উপৰিউক্ত মন্তব্যটো, প্ৰিঞ্চেপৰ, আৰু বুৰঞ্জী প্ৰকাশৰ এটা দশকৰ ভিতৰৰ। অৱশ্যে প্ৰিঞ্চেপে হলিৰামৰ বুৰঞ্জী নপঢ়াকৈয়ে তাৰাচাঁদ চক্ৰৱৰ্তীৰ আলোচনাৰ ভিত্তিত কথাখিনি কোৱা বুলি চাইমন ডিগ্‌বীয়ে পিছত মন্তব্য কৰিছিল ঃ *Bulletin of the School of Oriental and African Studies,* University of London, Vol. 36, No. 3 (1973), pp 588-602. আনহাতে, ঊনবিংশ শতিকাৰ পঞ্চাছৰ দশকত Edward Balfour (১৮১৩-৮৯) সম্পাদিত 'Encyclopaedia of India, Eastern and Southern Asia, Commercial, Industrial and Scientific Products' (১৮৫৭) গ্ৰন্থত হলিৰামৰ বুৰঞ্জীৰ উল্লেখ বাৰম্বাৰ ঘটিছে।

'আসাম বুৰঞ্জি'ৰ দৰে 'কামৰূপ যাত্ৰা পদ্ধতি' (বা কামাখ্যা যাত্ৰা পদ্ধতি)ও ব্ৰিটিছ লাইব্ৰেৰী বা ইউৰোপৰ অন্যান্য পুথিভঁৰালৰ সম্পদ হৈ পৰাত আচৰিত হ'ব লগা কথা হয়তো একো নাই। ঔপনিৱেশিক আমোলত প্ৰয়োজনীয় কিতাপ এখনে সাউতকৈ লণ্ডন বা পেৰিছৰ পুথিভঁৰালত ঠাই এটুকুৰা লয়। কিন্তু গ্ৰন্থৰ ইতিহাসৰ ফালৰপৰা তাৎপৰ্য্যপূৰ্ণ কথাটো হ'ল মণিপুৰৰ ৰাজকীয় পুথিভঁৰালত সেই গ্ৰন্থৰ অন্তৰ্ভুক্তি। গে'ইটে লিখিছিল— 'It is interesting to note that a *puthi* written by an Assamese only sixty-five years ago should have found its way to the library of the Raja of Manipur.' (Edward Gait, *Report on the Progress of Historical Research in Assam*) কলিকতাৰ সমাচাৰ চন্দ্ৰিকা

প্ৰেছৰপৰা ১৮১৩ চনত ছপা হৈ ওলোৱা বিনামূলীয়া এই গ্ৰন্থখন কোনফালেদি আৰু কেনেকৈ মণিপুৰ পালেগৈ সেয়ে গে'ইটৰ স্বাভাৱিক কৌতূহলৰ বিষয়।

তেতিয়া উত্তৰ-পূব সীমান্তত গৱৰ্ণৰ-জেনেৰেলৰ প্ৰতিনিধি ডে'ৰিড স্কট (১৭৮৬-১৮৩১)ৰ বিশ্বস্ত আৰু বিশাল সম্পত্তি আৰু চহকী জ্ঞানভাণ্ডাৰৰ অধিকাৰী হলিৰামে 'আসাম বুরঞ্জি'ত আৰু 'কামৰূপ যাত্ৰা পদ্ধতি'ৰ বাহিৰেও কৰা লেখা-মেলাৰ বিশদ বিৱৰণ পণ্ডিত যতীন্দ্ৰমোহন ভট্টাচাৰ্য্যই দি থৈছেঃ দ্ৰষ্টব্য 'আসাম বুরঞ্জি' [প্ৰথম, দ্বিতীয়, তৃতীয় এবং চতুৰ্থ ভাগ], গৌহাটী ঃ মোক্ষদা পুস্তকালয়, ১৯৬২। ৰাধাকান্ত দেৱৰ 'ধৰ্মসভা'ৰ সৈতেও সক্ৰিয়ভাৱে জড়িত হলিৰামৰ বিয়োগত *সমাচাৰ দৰ্পণ* আলোচনীয়ে তিনিটাকৈ লেখা প্ৰকাশ কৰিছিল।

যজ্ঞৰাম আনহাতে আছিল ৰামমোহন ৰায়ৰ বন্ধু। তেওঁ কেতিয়া কেনেকৈ কলিকতা পায়গৈ, তাৰ ক'ত ক'ত কি কি কৰিলে সেই বিষয়ে বিশদ তথ্যৰ নাটনি। কেৱল গুণাভিৰাম বৰুৱাৰ দুআষাৰ কথা এনেধৰণৰঃ "যজ্ঞৰাম কলিকতালৈ গৈ ইংৰাজী আৰু অন্যান্য শাস্ত্ৰাদি আলোচনা কৰিলে। ৰামমোহন ৰায় ব্ৰাহ্ম, যজ্ঞৰাম তেওঁৰ ছাত্ৰ হোৱাত তেওঁ যে ব্ৰাহ্ম হ'ল এই জনৰৱ হ'ল। তেতিয়া ব্ৰাহ্ম বুলি তিমান পৰিচয় নাছিল— খ্ৰীষ্টিয়ানহে বুলিছিল। হলিৰাম ঢেকিয়াল ফুকনে নিজ ভ্ৰাতৃৰ ধৰ্মত্যাগৰ কথা শুনি তেওঁক আনিবলৈ কলিকতালৈ যাবলৈ ইচ্ছা কৰিলে। ইফালে হোৱাইট চাহাবৰ সৈতে বিবাদ লাগিল..." (পৃ. ২০) মুৰ্ছিদাবাদেৰে অসমলৈ ঘূৰি আহোঁতে লগত এজনা ইংৰাজী শিক্ষক তেওঁ লৈ আহিছিল আৰু জগত শেঠৰ বৃহৎ ব্যৱসায় প্ৰতিষ্ঠানৰ "হিচাপ পৰিষ্কাৰ কৰে", আজিৰ দিনৰ চাৰ্টাৰ্ড একাউণ্টেণ্টৰ লেখীয়া। ফুকন ভ্ৰাতৃদ্বয়ৰ প্ৰতি শত্ৰু ভাৱাপন্ন এডাম হোৱাইটে তেওঁৰ 'Historical Miscellany'ত যজ্ঞৰামৰ বিষয়ে লিখা অনুচ্ছেদটিৰ সৈতে সকলোৰে পৰিচয় আছে। ১৮৩৫ চনত গুৱাহাটীত ইংৰাজী স্কুল প্ৰতিষ্ঠাৰ সময়ত তেওঁ দান কৰিছিল এহেজাৰ টকা, পিছলৈ স্কুলৰ উন্নয়নৰ বাবে খৰচ আগবঢ়োৱাত কাৰ্পণ্য কৰা নাছিল তেওঁ। ব্ৰাহ্মৰ প্ৰাৰ্থনাসমূহত যোগদান কৰা যজ্ঞৰামৰ কাব্য-প্ৰয়াসৰ ইংগিত দুই-এটা আছে; সতীপ্ৰথা বিলোপ কৰাৰ বাবে চৰকাৰক ধন্যবাদ জনাই *সমাচাৰ দৰ্পণ* (৯ জুলাই, ১৮৩১)ত তেওঁ লিখা চিঠিখনৰ কথাও উল্লেখ কৰিব লাগিব।

৩.

আনন্দৰামৰ ৰচনাৱলীতে আধুনিক ইউৰোপীয় চিন্তাৰ অসমীয়া ৰূপান্তৰৰ সূচনা। ভক্তি আন্দোলনৰ কালত সংস্কৃত সাহিত্য-সম্ভাৰৰ অসমীয়া ৰূপান্তৰে অসমীয়া চিন্তালৈ যি উখল-মাখল পৰিৱৰ্তনৰ ঢৌ আনিছিল ("বহে ব্ৰহ্মাণ্ডক ভেদি..."), আনন্দৰামৰ

অনুবাদেও ঊনবিংশ শতিকাৰ অসমত একেই জোৱাৰৰ সৃষ্টি কৰিছিল। প্ৰকৃততে 'A Few Remarks on the Assamese Language' আৰু মিলছলৈ দিয়া প্ৰতিবেদন 'Obeservations on the Administration of the Province of Assam'ৰ বাহিৰে *অৰুনোদই*ৰ লেখা অথবা 'অসমীয়া লৰাৰ মিত্ৰ' আৰু 'আইন ও ব্যৱস্থা সংগ্ৰহ' সমস্তই অনুবাদ বা ভাৱানুবাদ। নিজৰ নামটো পৰ্য্যন্ত উহ্য ৰাখি ফুকনে 'অসমীয়া লৰাৰ মিত্ৰ' পঢ়ুৱৈলৈ বুলি আগবঢ়াই দিছিল অনুবাদ গ্ৰন্থৰূপেই ঃ "ভালেমান পুৰুষাৰ্থেৰে ইংৰাজী ভাষাৰে লিখিত ভূগোলবিদ্যা বিষয়ক নানা পুস্তক ভাষান্তৰিত কৈ ৰচনা" কৰাৰ কথা পাতনিততো কৈছেই, মূল কিতাপৰ বাকলি-পিঠিতো স্পষ্টকৈ লিখা আছে— 'The Friend of Young Assam No. 2, Assamese Instructor, Being a Selection of Articles, compiled and translated from the English by a Native of Assam'।

'অসমীয়া লৰাৰ মিত্ৰ'ৰ মূল ইংৰাজী ৰচনাসমূহ হিউ মাৰে'ৰ 'The Encyclopedia of Geography' (১৮৩৯), লিণ্ডলে' মাৰে'ৰ 'Introduction to the English Reader' (১৮৩১), পিটাৰ পাৰ্লিৰ 'Common School History' (নৱম সংস্কৰণ, ১৮৪১), এডৱাৰ্ড বিলিয়াম লে'ইন (১৮০১-৭৬) অনূদিত 'The Arabian Nights' Entertainment', Vol. II (London : Charles Knight and Co. 1840), আন্না লেটিশ্বিয়া বাৰব'ল্ড (১৭৪৩-১৮২৫)অৰ 'Hymns in Prose of Children' (১৭৮১), এনেকি জন মেটকাফ বোলা মাৰ্কিন প্ৰকাশক এজনে উলিওৱা, আৰু সম্ভৱতঃ তেৱেঁই যুগুত কৰা, 'The Good Boy' (১৮৩২)শীৰ্ষক এটি শিশু-সাহিত্যৰ পাঠ। 'Chambers Biographical Dictionary'ৰ সৈতে এইবিলাকৰ কোনো সম্বন্ধ নাই, আৰু উক্ত অভিধানখনৰ প্ৰকাশো ফুকনৰ মৃত্যুৰ আঠত্ৰিছ বছৰৰ পিছৰ আৰু চেম্বাৰ্ছ ভ্ৰাতৃদ্বয় উইলিয়াম (১৮০০-৮৩) আৰু ৰবাৰ্ট (১৮০২-৭১)ৰ সৈতে সম্পৰ্ক নথকা গ্ৰন্থ ঃ দুই ভ্ৰাতৃৰ মৃত্যুৰ পিছত ডে'ৰিড পেট্ৰিক আৰু ফ্ৰেন্সিছ গ্ৰুম নামৰ W&R Chambers কোম্পানীৰ সৈতে জড়িত দুগৰাকী পণ্ডিতেহে গ্ৰন্থখন সম্পাদনা কৰি প্ৰকাশ কৰে ১৮৯৭ চনত।

ভট্টদেৱ, ৰঘুনাথ মহন্ত, চক্ৰপাণী বৈৰাগী আতৈ, কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীকে ধৰি অসমৰ সমস্ত বুৰঞ্জী পুথি, 'ধৰ্ম্মপুস্তক' আৰু মণিৰাম দেৱানৰ 'বুৰঞ্জী বিবেকৰত্ন'ৰ পৰৱৰ্তী 'অসমীয়া লৰাৰ মিত্ৰ'ত পূৱা-পশ্চিমা দুই চহকী ঐতিহ্যৰ অভিঘাতত অসমীয়া গদ্যই পৰিগ্ৰহ কৰে এক অপৰম্পৰাগত, 'আধুনিক' ৰূপ। আনহাতে, তেতিয়াৰ কালত আইনৰ বাংলা নথিপত্ৰত ব্যৱহৃত কৃত্ৰিম আৰু অস্বাভাৱিক শ্বাসাঘাতবিশিষ্ট

সংস্কৃত-আৰবী-পাৰ্চী মিহলি জটিল ভাষাৰ ঠাইত ফুকনে প্ৰয়াস কৰে স্পষ্টতা আৰু পৰিচ্ছন্নতাৰ জ্ঞানোদয় (enlightment) অনুসৃত ধাৰণাৰ ৰূপায়ণ— এসময়ত ৰয়েল ছ'ছাইটি অৱ ছায়েন্সে নিৰ্দিষ্ট কৰা সৰল, নিৰাভৰণ গদ্যৰ আদৰ্শ ঃ

"বঙ্গদেশ শাসনাৰ্থে গৱৰ্ণমেণ্ট দ্বারা সংস্থাপিত আইনসকল যদিও দেশীয় ভাষায় অনুবাদিত হইয়াছে, তথাপি তাহার ভাষা এমত কঠিন যে তাহার অৰ্থ অনেকের সহজে হৃদয়ঙ্গম হয় না; বিশেষতঃ যে হিন্দু শাস্ত্ৰ ও মুসলমানের শরার বিধানানুসারে হিন্দু ও মুসলমান প্ৰজাদিগের স্বত্বের বিচার হয়, তৎসমুদায় সংস্কৃত ও আৰবী ভাষায় রচিত হওয়াতে তাহা অত্যল্প লোকের বোধগম্য হইয়া থাকে, এবং দেশ ব্যবহাৰ সিদ্ধ যে সকল নীতি ব্যৱস্থা আদালতের নজিৰ দ্বারা অবধারিত হইয়াছে, তাহাও প্ৰায় ইঙ্গৰাজী ভাষায় প্ৰকাশ হওয়াতে সৰ্বসাধারণের পক্ষে গুণদায়ক হয় না।" ('Notes on the Laws of Bengal' by Ananda Ram Dhekial Phookan Vol. I, 'আইন ও ব্যৱস্থা সংগ্ৰহ', কলিকাতা ঃ নিউ প্ৰেস, ১৮৫৫, পৃ. ১)

অসমীয়াত অভিধান প্ৰণয়নৰ প্ৰয়াস কৰা, আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীয়েই মাথোন নহয় অসমৰ ৰাজনৈতিক বুৰঞ্জীৰো ৰেখাংকন কৰি থৈ যোৱা আনন্দৰামে পছিমীয়া জ্ঞানোদয়ৰ বিভিন্ন ধাৰণাৰ সূচনা কৰি গৈছে অসমীয়া ভাষাত। দাসপ্ৰথাৰ অৱলুপ্তিত আনন্দিত হোৱা, ভূমি-ৰাজহৰ বিষয়ত সজোৰে ৰায়তী (ryotwari) ব্যৱস্থাৰ পোষকতা কৰা, 'সৰ্বসাধাৰণ'ৰ মঙ্গল কামনা কৰা আৰু আধুনিক বিজ্ঞানৰ ধাৰণাৰে উদ্বুদ্ধ হোৱা ফুকনৰ প্ৰেৰণাতে গুণাভিৰামে গঠন কৰিছিল 'জ্ঞানপ্ৰদায়িনী'ৰ দৰে 'গিয়ানৰ সভা'। তেওঁ সূচনা কৰা নতুন ভালেকেইটা ধাৰণা সোমাই আছে 'অৰুনোদই'ত প্ৰকাশিত সেই প্ৰাতঃস্মৰণীয় 'ইংলণ্ডৰ বিবৰণ'তে ঃ

"হে ক্ৰিপামই জগদিস্বৰ, এই অসম দেশৰ লোকসকলক স্বদেশ সভ্য গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া; সিবিলাকৰ অভাৱ আৰু দুৰঅৱস্থা জানিবলৈ সিবিলাকক গিয়ান দিয়া; আৰু তোমাৰ বিচিত্ৰ সক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আগ্যা পালিবৰ জোগ্য কৰা। জি সময়ত অসম হাবি গুচি, ফুলবাৰি হব, নৈত ডোংগা গুচি, জাহাজ হব, ঘৰ বাঁহৰ গুচি সিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পৰ্হাসালি, গিয়ানৰ সভা, চিকিতসালই, দুখিয়া দৰিদ্ৰ পৰিত্ৰানৰ আলই হ'ব, আৰু জি কালত লোকসকলে পৰস্পৰ হিংসা ন কৰি আটাইয়ে আটাইক ভাত্ৰিবত চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নিদি লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাইও কাৰো অন্যাই ন কৰিব, বেস্যা, কানি আৰু সুৰা এই কথা দেসত লোকে ভু নোপোআ হব, সেই সমই, হে পৰম পিতা জগদিস্বৰ, সিঘ্ৰে ঘটোআ।"

## বেথুন ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্য আনন্দৰাম আৰু অসমৰ আধুনিকতা

**পুনশ্চ ঃ** আধুনিক অসমৰ চাৰিগৰাকী পুৰোধা ঢেকিয়াল ফুকন— হলিৰাম, যজ্ঞৰাম, আনন্দৰাম আৰু ৰাধিকাৰাম-ৰ বিষয়ে অদ্যাপি কোনো অভিলেখাগাৰ ভিত্তিক গৱেষণাৰ আৰম্ভণি নোহোৱাটো পৰিতাপৰ কথা। পুৰণি নথি-পত্ৰবোৰ লাহে লাহে এতিয়া নোহোৱা হ'বৰে উপক্ৰম। এটা মাত্ৰ উদাহৰণ ঃ পণ্ডিত যোগেশ চন্দ্ৰ বাগলে ১৯৬১ চনত 'বেথুন সোসাইটি' গ্ৰন্থত যে কৈছিল ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্যসকলৰ 'তালিকা দুইটি যাচাই করিয়া দেখিবার সূত্র এখন আর পাওয়া যাইবে না...' ঃ পছপন্ন বছৰৰ পিছত এতিয়া সেয়া আৰু দুৰুহ হৈ পৰাৰ লেখীয়া হৈছে। এই লেখকে ১৯৭৬ চনৰ জুলাই মাহত বেথুন ছ'ছাইটিৰ মূল এক নথি 'Report of the Bethune Society from December 1851 to December 1852' কলিকতাৰ ৰাষ্ট্ৰীয় পুথিভঁৰালৰপৰা দীঘলীয়া বহী এখনত টুকি আনিছিল যদিও শেহতীয়াভাৱে তাৰ সন্ধেদ পোৱাত বিফল মনোৰথ হ'ল। টুকি অনা তালিকাখন কলিকতা বিশ্ববিদ্যালয়ৰ গৱেষক প্ৰদীপ সিন্‌হাই 'Nineteenth Century Bengal: Aspects of Social History' (Calcutta Firma K. L. Mukhopadhyay, 1965) গ্ৰন্থৰ Appendix Bত সন্নিৱিষ্ট কৰা বেথুন ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্যসকলৰ তালিকাখনৰ সৈতে ৰিজাই চোৱাত দেখা গ'ল একেখন তালিকাই। বৰ্ণানুক্ৰমে সজোৱা এই তালিকাখনৰ প্ৰথমখিনিতেই তাৎপৰ্য্যপূৰ্ণ কথাটো হ'ল 'Anandaram Dhekial Phookun, Babu, Sub Assistant Commissioner'। ১৮৫১ চনৰ এঘাৰ ডিচেম্বৰত, অথবা ১৮৫২ চনৰ ৮ জানুৱাৰীৰ দিনা, কলিকতা মেডিকেল কলেজৰ সভাকক্ষত বেথুন ছ'চাইটিৰ কাৰ্য্যক্ৰমণিকাত যোগদান কৰা আনন্দৰাম কিন্তু চব-এচিষ্টেণ্ট কমিশ্যনাৰ নাছিলঃ তেওঁ তেতিয়াও বিজনী ৰাজ্যৰেই দেৱান। ছাব-এছিষ্টেণ্ট হয়গৈ ১৮৫২ চনৰ ৯ অক্টোবৰত বৰপেটাত। অৰ্থাৎ চিঠি-পত্ৰৰ যোগেদি হ'লেও ছ'চাইটিৰ সৈতে আনন্দৰামৰ সক্ৰিয় যোগাযোগ ১৮৫২ চনৰো শেষলৈকে অব্যাহত।

**আন এটা কথা ঃ** বেঙ্গল হৰকৰাৰ বাতৰিত ওলোৱা তালিকাখনৰ প্ৰথম চাৰিটা নামৰ এটাই 'আনন্দৰাম ফুকন'ৰ। চাৰিওগৰাকী মিলি বাৰু ১৮৪১ চনৰ ডিচেম্বৰৰ বেথুন ছ'চাইটিৰ সভাখন আহ্বান কৰিছিল নেকি? মৌৰেট ১৮৪০ৰে পৰা আনন্দৰামৰ অভিভাৱকৰ লেখীয়া, ৰাধানাথ শিকদাৰ তেওঁৰ হিন্দু কলেজৰ বন্ধু আৰু ৰামচন্দ্ৰ মিত্ৰ আনন্দৰামৰ গুণগ্ৰাহী শিক্ষক। সেই সময়ৰ কলিকতাত আনন্দৰামৰ প্ৰতিষ্ঠা আৰু প্ৰতিপত্তিৰ কথা আমি ইংগিত কৰিছোঁ। নতুন গৱেষকসকলৰ সন্মুখত প্ৰত্যাহ্বান হৈ ৰ'ল এই বিচাৰৰ দায়িত্ব।

**LIST OF MEMBERS**

(from the Report of the Bethune Society from
December 1851 to December 1852)

**A**

Abdul Luteef, Esq., Deputy Magistrate, 24-Pergunnahs
Abdul Juhlar, Assistant Urdu Translator, Sudder Court
Anunduram Dhekial Phookun, Babu, Sub Assistant Commissioner

**B**

Bannemadhab Bose, Babu
Bama Churun Chowdree, Babu
Bemola Churn Biswas, Babu, Banian
Beanland, J. G., Esq., Teacher, Krishnagur College
Beadon, Cecil, Esq., C. S., Secretary to Government of Bengal
Bhubanee Prosad Dutt, Babu, Zemindar
Bhugobutty Churun Dutt, Teacher, Barrackpore School
Bhoodheb Chunder Mookerjea, Head Master, Howrah School
Bhugoban Chunder Bose, Babu
Bhoobun Mohun Mitter, Babu, Commissioner for the Improvement of Calcutta
Bejoy Chunder Bose, Babu, Assistant of Messrs Malcolm and Co.
Bissonath Singh, Babu, Teacher Sanscrit College
Bindabun Bose, Babu, Writer, Treasury
Bostum Churun Addy, Babu, Teacher General Assembly's School
Boaz The Revd. T, L L D, Pastor of the Union Chapel
Bonomally Mitter, Babu, Teacher, Hooghly College
Brojosoonder Mitter Babu, Dacca
Budun Chunder Chowdree, Babu, Sub Assistant Surgeon, Hooghly

**C**

Cally Prosunno Dutt, Babu

Cally Churun Bannerjea, Babu, Mymensing
Chunder Shekar Dheb, Babu, Burdwan
Chuckerbuttee Soorjee Coomar G., Esq., M. D., M. R. C. S., Assistant Physician, Medical College Hospital
Chunder Shekhur Gooptu, Babu
Choonylal Gooptu, Babu, Teacher, Madrussa
Clinger, J., Esq., Teacher, Madrussa, Calcutta
Clint, L., Esq., Late Principal of the Hooghly College

**D**

Debendronath Tagore, Babu, Zemindar
Denobundhoo Dey, Commissioner for the Improvement of Calcutta
Derozario, P., Esq., Teacher
DeCruz, C., Esq., Teacher, Parental Academy
Dhurumdhur Roy, Babu, Borrisaul
Duckinarunjun Mookerjea, Babu, Zemindar
Dwarakanath Bidyahbhooshun, Professor, Sanscrit College
Dayal Chand Roy, Babu, Teacher, Krishnaghur College

**F**

Foggo, D., Esq., B. A., Professor, Dacca College

**G**

Ganendra Mohun Tagore, Babu, Zemindar
Gobind Chunder Kurr, Babu
Gobind Chunder Dutt, Babu, Actuary Government Savings Bank
Gobind Chunder Bose, Babu, Hd. Writer, Collector's Office, Tipperah
Gobind Chunder Dutt, Babu, Banian
Gobind Chunder Dhur, Babu
Goodwin Lieut. Colonel, Engineers
Gooru Churun Doss, Darogah, Chitpore
Gopaul Chunder Dutt, Babu
Gopaul Chunder Bundopadhya, Babu, Teacher, Hindu College

Gopee Kissen Mitter, Babu, Teacher, Hindu College
Gourdoss Bysack, Babu, General Treasury
Gregory, M., Esq, Hooghly College
Greesh Chunder Ghose, Babu, Military Auditor General's Office
Gunganaran Roy, Babu

**H**

Huru Chunder Dutt, Babu, Asst. Khazancy, General Treasury
Hurugobind Sen, Babu, Teacher, Beauleah School
Huru Mohan Chatterjea, Asst. to the Secy., Hindu College
Huru Nauth Mitter, Babu
Huru Chunder Surmah, Babu, Zemindar

**I**

Ishur Chunder Ghosal, Babu, Debuty Magistrate, Santipoor
Ishur Chunder Doss, Babu, Hooghly
Issen Chunder Bannerjea, Babu, Teacher, Hooghly College
Isser Chunder Mitter, Babu, Hd. Writer, Commissioner's Office, Dacca
Isser Chunder Bidyasagur, Pandit,Principal, Sanscrit College
Issen Chunder Bose, Babu, Banian

**J**

Jadhubkissen Singh, Babu, Zemindar
Jadhub Chund Bose, Babu, Dacca
Jogodishnath Roy, Babu, Sherishtedar to the Suptd. of Salt Chowkies, Baripore
Joykisto Mookerjea, Zemindar

**K**

Kanaram Day, Babu, Teacher, General Assembly's School
Kasheshur Mittra, Babu, 2nd Principal, Sudder Ameen, 24-Pergunnahs
Kally Churn Roy, Babu, Zemindar
Kissory Chand Mittra, Babu, Deputy Magistrate, Jehanabad
Koonjubehary Chatterjee, Babu, Sub-Asst. Surgeon, Hindu College

Koonjubehary Bysack, Babu
Khetter Mohun Chatterjea, Babu, Civil Auditor's Office
Krishnocomar Sen, Babu
Krishna Mohun Bannerjee, The Revd., Professor, Bishop's College.
Kylash Chunder Bose, Babu, Treasury

**L**

Lallbehary Dey, The Revd.
Lawler, W., Esq., Anglo-Arabic Master, Madrussa
Lackersteen, M. H., Esq.
Lewis, G., Esq., Principal, Dacca College
Lokenath Bose, Babu, Principal, S. Ammen, Hooghly
Long, J., The Revd.
Lukhekanth Doss, Babu

**M**

Machenzie, J., Esq., Seal's College
Marshall, Major, G.T., Secretary, College, Fort William
Mohesh Chunder Bannerjea, Babu, Teacher, Hooghly College
Mohendrolal Shome, Hindu College
Mohendranath Bannerjea, Babu
Mouat, F. J., M. D., Secretary, Council of Education

**N**

Neelmoney Bysack, Babu, Assistant to the Commissioner, Rampoor Beauliah
Nobin Chunder Mitter, Babu, Graduate, Medical College
Nobokisto Mookerjea, Babu, Ooturparah
Nobocoomar Singh, Babu, Assistant Banian
Nubin Chunder Paulit, Babu, Assistant to Messrs R. G. Ghose and Co.
Nurrotum Mullick, Babu, Moonsiff of Narrangange

**O**

Omesh Chunder Dutt, Babu, Krishnagur College

**P**

Peary Chand Mittra, Babu, Secretary, Calcutta Public Library
Peary Mohun Sircar, Babu, Head Master, Brrasut School
Pertapnarin Singh, Babu, Hindu College
Prosunno Coomar Mitter, Babu, Bengali and Hindustani Teacher of Medicine, Medical College
Prosunno Commar Surbadhekary, Babu, Teacher, Hindu College

**R**

Rajindrolall Mittra, Babu, Librarian, Asiatic Society
Rajnarain Bose, Babu, Head Master, Midnapore School
Radhanath Sickdhar, Babu, Chief, Computer, Surveyor General's Office
Ram Chunder Mitter, Babu, Teacher, Hindu College
Ramsunkur Sen, Babu, Dacca College
Ramgopaul Ghose, Babu, Merchant and Agent
Ramtunno Lahoree, Babu, Head Master, Ooturparah School
Ram Churun Bannerjea, Babu, Mymensing
Ramcoomar Bose, Babu, Dacca
Rees, J., Esq., Dacca College
Rotriom Meodilia, Rajah, Madras
Russick Krishna Mullick, Babu, Deputy Collector, Burdwan
Russick Lal Sen, Babu, Head Master, Sanscrit College

**S**

Sama Churun Biswas, Babu, Assistant, General Treasury
Sama Churun Ghose, Babu, Chandernagore
Shib Chunder Deb, Babu, Deputy Collector, 24-Pergunnahs
Shreesh Chunder Bidyarutna, Pundit, Professor, Sanscrit College
Sirringee, S. P., Esq., Medical College
Sprenger, Dr., Principal, Madrussa
Stephen, Carrapiet J., Esq., Dacca

**T**

Toyluckonath Tagore, Babu, Zemindar
Twentyman, W. J., Esq., Head Master, Branch School, Hindu College

**U**

Ure, A., Esq., Hooghly College

**W**

Woodrow, H., Esq., M. A., Principal, La Martiniere
Wuhudoon Nubbee, Moulvee, Deputy Magistrate of Hooghly

**Y**

Yule, The Revd., Mr.

## আনন্দৰাম ঢেকিয়াল ফুকন

(২২ ছেপ্টেম্বৰ, ১৮২৯—১৬ জুন, ১৮৫৯)

### জীৱনপঞ্জী

১৮২৯ ২২ ছেপ্টেম্বৰ মঙ্গলবাৰে গুৱাহাটীৰ ভৰলুমুখত জন্ম (৭ আহিন, ১৭৫১ শকত)।

১৮৩২ পিতৃ হলিৰাম ঢেকিয়াল ফুকনৰ প্ৰয়াণ।

১৮৩৪ উমানন্দৰ যশোধৰ অধ্যাপকৰ অধীনত সংস্কৃত শিক্ষা।

১৮৩৭ গুৱাহাটী ইংলিছ ছেমিনাৰীত ভৰ্তি।

১৮৩৮ ৰণৰাম বৰুৱাৰ মৃত্যু (১৭৬০ শকৰ জেঠৰ শুক্লা চতুৰ্থী)। যজ্ঞৰাম খাৰঘৰীয়া ফুকনৰ মৃত্যু (শাওণৰ শুক্লা দ্বিতীয়া)। আনন্দৰামৰ স্কুলত প্ৰধান শিক্ষকৰূপে ছিংগাৰৰ স্থলাভিষিক্ত হয় শ্ৰীৰামপুৰ মিছনত কেৰীৰ সহকাৰী আৰু জাভা দ্বীপত ভালেকেইবছৰ কাম কৰি অহা উইলিয়াম ৰবিনছন (১৭৮৪-১৮৫৩), মাহিলি বেতন ২৬৩ টকা।

১৮৪১ কৃষ্ণৰাম ন্যায়বাগীশৰ নাতিৰ পৰিনাতি কালিদাস ভট্টাচাৰ্য্যৰ দীক্ষাগ্ৰহণ। খুৰাক যজ্ঞৰামৰ পুত্ৰ দুৰ্গাৰামেৰে সৈতে উচ্চ শিক্ষাৰ্থে কলিকতা যাত্ৰা। হিন্দু কলেজৰ জুনিয়ৰ বিভাগৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত ভৰ্তি।

১৮৪২ কলিকতাত দুৰ্গাৰামৰ মৃত্যু (শাওণ মাহৰ শুক্লা ষষ্ঠী)। অকলশৰীয়া হোৱা আনন্দৰামে হিন্দু কলেজৰ ওচৰৰ পটলদাঙাৰ ঘৰ এটি ভাৰালৈ বুলি লৈ থাকিবলৈ লয়।

১৮৪৪ ঘৰুৱা লেঠোৰ বাবে হিন্দু কলেজৰ শিক্ষা আধৰুৱাকৈ এৰি নৰেস্বৰত গুৱাহাটী-যাত্ৰা।

১৮৪৫ জানুৱাৰীত আনন্দৰামৰ জাহাজ গুৱাহাটী আহি পায়। জে'ইমছ মে'থিয়ে গুৱাহাটীৰ গিৰ্জাৰ নৱনিযুক্ত সহকাৰী-চেপলেইন ৰেভাৰেণ্ড ৰবাৰ্ট জে'ইমছ ব্ৰেণ্ডৰ সৈতে পৰিচয় কৰি দিয়ে। কে'মব্ৰিজ বিশ্ববিদ্যালয়ৰ যীছাছ কলেজৰ স্নাতক পাদুৰী জে'ইমছৰ অধীনত শিক্ষাগ্ৰহণৰ নতুন পৰ্বৰ সূচনা আনন্দৰামৰ।

১৮৪৬ যোৰহাটৰ ৰাজগুৰু ফুকন পৰিয়ালৰ পশুপতি ফুকন আৰু কমলেশ্বৰী ফুকননীৰ কন্যা মাহিন্দ্ৰীৰ সৈতে এপ্ৰিলত শুভবিবাহ।

১৮৪৭ ২৯ এপ্ৰিলত মে'জৰ এগন্যুৰ নিৰ্দেশ (নং ১১২৩ তাং ২৯ এপ্ৰিল, ১৮৪৭) মৰ্মে খাটা পৰগণাৰ জিম্মাদাৰ নিযুক্ত। অৰুনোদই (২, ৪)ত 'ইংলেণ্ডৰ বিৱৰণ' প্ৰকাশ। ১৬ নৱেম্বৰত নলবাৰীৰ অস্থায়ী মুন্সিপ নিযুক্ত।

১৮৪৯ 'অসমীয়া লৰাৰ মিত্ৰ'ৰ প্ৰকাশ। বিজনীৰ জমিদাৰ অমৃতনাৰায়ণ ভূপ (মৃত্যু ১৮৫৩)ৰ দেৱান নিযুক্ত। কন্যা ৰাসেশ্বৰীৰ জন্ম।

১৮৫০ নগাঁও আৰু গোৱালপাৰাৰ অস্থায়ী ছাব-এছিষ্টেণ্ট কমিছনাৰ।

১৮৫১ ৪ ছেপ্টেম্বৰত বিজনী ৰাজ্যৰ কামত কলিকতা যাত্ৰা। এঘাৰ ডিচেম্বৰত কলিকতা মেডিকেল কলেজৰ প্ৰেক্ষাগৃহত বেথুন ছ'ছাইটিৰ পহিলাখন সভাত যোগদান।

১৮৫২ ১ জানুৱাৰীৰ দিনা অধ্যাপক ৰামচন্দ্ৰ মিত্ৰৰ সৈতে ইণ্ডিয়ান ফিমে'ইল নৰ্মাল স্কুলৰ প্ৰদৰ্শনী ভ্ৰমণ। ৮ জানুৱাৰীত বেথুন ছ'ছাইটিৰ সভাত যোগদান। 'আইন ও ব্যৱস্থা সংগ্ৰহ' উলিওৱাৰ বাবে কলিকতাত ছপাশাল ক্ৰয় আৰু Calcutta New Press নামেৰে কলিকতাৰ আৰক্ষী বিভাগত গুণাভিৰাম বৰুৱাৰ নামত পঞ্জীকৰণ। ১৫ এপ্ৰিলত গুৱাহাটীত পদাৰ্পণ। ৩০ এপ্ৰিলত গোৱালপাৰা যাত্ৰা। মে' মাহত বিজনীৰ সমস্যা আলোচনা কৰিবৰ কাৰণে গোৱালপাৰাৰ কালেক্টৰ মে'জৰ এগন্যুয়ে পতা ত্ৰিপাক্ষিক (চৰকাৰ-জমিদাৰ-প্ৰজা) বৈঠকত যোগদান। আগষ্টত পুনৰ হাবৰাঘাটৰ দলগোমাত আনখন ত্ৰিপাক্ষিক বৈঠকত যোগদান। গুৱাহাটীত শিশুকন্যা ৰাসেশ্বৰীৰ মৃত্যু। ২৫ আগষ্টত ফুকনৰ গুৱাহাটী প্ৰত্যাৱৰ্তন। মাৰ্চ মাহতে কলিকতাৰপৰা পঠোৱা সমস্ত বস্তু-বাহানি আৰু কিতাপ-পত্ৰ নাও বুৰি লুপ্ত হোৱাৰ খবৰ আগষ্টতে। ছেপ্টেম্বৰৰ শেষত পুনৰ গোৱালপাৰা যাত্ৰা। ৮ অক্টোবৰত বৰপেটা আগমন, ৯ অক্টোবৰত বৰপেটাৰ ছাব-এছিষ্টেণ্ট পদত অধিষ্ঠিত। ১৪ অক্টোবৰত এই বিষয়ে ওলোৱা গেজেট ন'টিফিকেশ্যন ২৭ অক্টোবৰত বৰপেটাত প্ৰাপ্তি। বিজনীৰ কামৰপৰা ইস্তফা।

**বেথুন ছ'চাইটিৰ প্ৰতিষ্ঠা-সদস্য আনন্দৰাম আৰু অসমৰ আধুনিকতা**

১৮৫৩ দেওবাৰ ৯ জানুৱাৰী (১৭ পুহ, অমাৱস্যা, ১৭৭৪ শক) তাৰিখে কন্যা পদ্মাৱতীৰ জন্ম। মিল্‌ছলৈ দিবলগীয়া প্ৰতিবেদন প্ৰস্তুতিৰ বাবে চৰকাৰৰ ওচৰত পোন্ধৰ দিনৰ ছুটী প্ৰাৰ্থনা আৰু চৰকাৰৰ অনুমতি লাভ। ছাব-এছিষ্টেণ্টৰূপে বৰপেটাৰপৰা নগাঁৱলৈ বদলি, ১৯ জুনত বৰপেটাৰ কাৰ্য্যভাৰ মিঃ ড্ৰাইভাৰক দি ২০ জুনত গুৱাহাটী যাত্ৰা। ৪ জুলাইত গুৱাহাটীত মিল্‌ছৰ হাতত প্ৰতিবেদন অৰ্পণ আৰু তেওঁৰে বাৰ্তালাপ। ১৪ জুলাই নগাঁও যাত্ৰা। ১৯ জুলাইত নগাঁও পাই ছাব-এছিষ্টেণ্টৰ কৰ্মভাৰ গ্ৰহণ।

১৮৫৪ অসম কোডৰ অধীনত জুনিয়ৰ এছিষ্টেণ্ট কমিছনাৰৰূপে ফুকনক ক্ষমতা প্ৰদান। সদৰামিন আৰু ডেপুটি কালেক্টৰৰো ক্ষমতা লাভ। ৯ ডিচেম্বৰত পুত্ৰ ৰাধিকাৰামৰ জন্ম।

১৮৫৫ ডেনফৰ্ডৰদ্বাৰা 'A Few Remarks on the Assamese Language'অৰ এশটা কপি শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছত ছপা। 'আইন ও ব্যৱস্থা সংগ্ৰহ'ৰ প্ৰকাশ। নৱেম্বৰৰপৰা পিছৰ বছৰৰ জানুৱাৰীলৈ সমগ্ৰ নগাঁও জিলাৰ শাসনৰ দায়িত্ব।

১৮৫৭ চাকৰিকালৰ পাঁচ বছৰ অন্ত পৰাত ১০০ টকা বেতন বৃদ্ধি। এতিয়াৰ বেতন ৩৫০ টকা।

১৮৫৮ ১৯ নৱেম্বৰত নগাঁৱৰ কাছাৰি বাকৰিত ৰাণী ভিক্টোৰিয়াই ভাৰতৰ সম্ৰাজ্ঞীৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰা চৰকাৰী নিৰ্দেশ আনন্দৰাম ঢেকিয়াল ফুকনৰদ্বাৰা পাঠ। কোম্পানীৰ শাসনৰ যৱনিকা।

১৮৫৯ ২১ জানুৱাৰীত কন্যা চন্দ্ৰপ্ৰভাৰ জন্ম। ১ ফেব্ৰুৱাৰিত কলিয়াবৰ (কামাখ্যা) যাত্ৰা। বাটত বিভিন্ন ভূমি-বিবাদৰ নিষ্পত্তি। ৭ ফেব্ৰুৱাৰীত নাওযোগে কলিয়াবৰৰ পৰা তেজপুৰ যাত্ৰা। ১২ ফেব্ৰুৱাৰিত নগাঁও প্ৰত্যাৱৰ্তন। ১৬ জুন তাৰিখে নগাঁৱত দেহাৱসান।

**কৃতজ্ঞতা ঃ অমিয় দেৱ, স্বপন বসু, জি. নাগেশ্বৰ ৰাও, কেৰ'লিন দত্তবৰুৱা, প্ৰসূন বৰ্মন, সঞ্জীৱ পল ডেকা**

(প্ৰথম কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বক্তৃতা ঃ অসম একাডেমী, জুলাই, ২০১৬)

● *লিখক তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন 'শ্ৰীমন্ত শংকৰদেৱ আসন' অধ্যাপক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক।*

# ৰবীন্দ্ৰনাথৰ সাধনাক্ষেত্ৰ শান্তিনিকেতন আৰু বিশ্বভাৰতী

**সুনীল কুমাৰ দত্ত**

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱনৰ সাধনা আৰু কৰ্মযজ্ঞৰ এটি বাস্তৱ নিদৰ্শন হ'ল বিশ্বভাৰতী বিশ্ববিদ্যালয়। বিশ্বভাৰতী কবিগুৰুৰ এক অনবদ্য সৃষ্টি। ই যেন তেওঁৰ অন্য এটি 'মহৎ কবিতা'। কেৱল ভাৱবিলাসী কবি হিচাপেই ৰবীন্দ্ৰনাথৰ পৰিচয় সীমাবদ্ধ কৰিব নোৱাৰি। অশেষ ধৈৰ্য্য, কৰ্মপ্ৰেৰণা আৰু সংগঠন-শক্তিৰ পৰিচয় দি ৰবীন্দ্ৰনাথে বিশ্বভাৰতী প্ৰতিষ্ঠাৰ মাধ্যমেৰে দেখুৱাই গৈছে— প্ৰৱল ইচ্ছাশক্তি আৰু আন্তৰিকতাৰদ্বাৰা কল্পনাক কেনেকৈ বাস্তৱত পৰিণত কৰিব পাৰি।

ৰবীন্দ্ৰনাথে নিজে কোনো মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা পোৱা নাছিল। অথচ নিজৰ অসাধাৰণ প্ৰতিভা আৰু অন্তৰ্দৃষ্টিৰদ্বাৰা বিভিন্ন প্ৰকাৰৰ জ্ঞানেৰে তেওঁ জ্ঞানী হৈ উঠিছিল। শিক্ষা সম্পৰ্কে তেওঁ বিশেষ আদৰ্শ আৰু আঁচনিৰ অনুগামী আছিল। তাকেই বাস্তৱত ৰূপ দিছিল এই বিশ্বভাৰতীৰ যোগেদি। এই কাৰ্য্যৰদ্বাৰা সত্যদ্ৰষ্টা কবিগৰাকী মানৱজাতিৰ শিক্ষকৰ বিশিষ্ট ভুমিকাত অৱতীৰ্ণ হ'ল। স্বাভাৱিকতে মনলৈ প্ৰশ্ন আহে, কবিয়ে এনে এটি প্ৰতিষ্ঠান স্থাপন কৰাৰ কাৰণ কি? বিশ্বভাৰতী প্ৰতিষ্ঠাৰ গুৰিৰ কথা, ইয়াৰ কৰ্মপদ্ধতি আৰু পৰিৱৰ্তন-পৰিবৰ্ধনৰ ধাৰা অনুসৰণ কৰিলেই এই প্ৰশ্নৰ উত্তৰ পোৱা যাব।

ৰবীন্দ্ৰনাথৰ পিতৃদেৱ মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে ব্ৰাহ্মধৰ্মত দীক্ষা গ্ৰহণ কৰি এই ধৰ্ম প্ৰচাৰত মনোযোগ দিয়ে। ইয়াৰ লগে লগে দেবেন্দ্ৰনাথে ধৰ্ম সাধনাতো আত্মনিয়োগ কৰিছিল। নিৰ্জন ঠাই ধৰ্ম সাধনাৰ বাবে উপযুক্ত ঠাই। সেইবাবে দেবেন্দ্ৰনাথে বীৰভূম জিলাৰ বোলপুৰ ৰেল ষ্টেছনৰ কাষৰ অনুৰ্বৰ, শাল, তাল গছ আৰু ৰঙা ৰঙা পাথৰেৰে (কাঁকৰ) ভৰা ঠাইডোখৰকে নিৰ্বাচন কৰিলে। পোন প্ৰথমে এটি পকীঘৰ সজা হ'ল, আৰু সেই ঘৰটোৰ নাম ৰখা হ'ল শান্তিনিকেতন। পাছলৈ এই ঘৰটোৰ নামানুসাৰে বোলপুৰৰ ওচৰৰ ঠাইখনৰো নাম হ'ল। ১৮৮৮ চনত মহৰ্ষি দেবেন্দ্ৰনাথে শান্তিনিকেতন বাসগৃহক

কেন্দ্ৰ কৰি আশ্ৰম প্ৰতিষ্ঠা কৰে আৰু এই আশ্ৰম সৰ্বসাধাৰণৰ সম্পত্তি হিচাপে উৎসৰ্গা কৰে। ৰবীন্দ্ৰনাথে দেউতাকৰ লগত প্ৰথমবাৰ সেই ঠাইলৈ আহোতেই সেই ঠাইৰ প্ৰাকৃতিক দৃশ্য দেখি মুগ্ধ হৈ পৰিছিল। শান্তিনিকেতনৰ প্ৰতি তেতিয়াৰপৰাই ৰবীন্দ্ৰনাথে প্ৰৱল আকৰ্ষণ অনুভৱ কৰে। তেওঁৰ নিজৰ ভাষাতেইঃ “সেই বাল্যকালতেই প্ৰকৃতিৰ আমন্ত্ৰণ পাইছিলোঁ, —এই ঠাইৰ অৱৰুদ্ধ আকাশ আৰু পথাৰ; দূৰৰপৰা প্ৰতিভাত নীলাভ শাল আৰু তালগছৰ সমুচ্ছ শাখাপুঞ্জৰ শ্যামল কান্তি স্মৃতিৰ সম্পদ হিচাপে চিৰকাল মোৰ স্বভাৱৰ অন্তৰ্ভুক্ত হৈ ৰ'ল।” ক্ৰমে ক্ৰমে শান্তিনিকেতন আশ্ৰমৰ বিস্তাৰ হ'বলৈ ধৰে। বহুতো ঘৰ-দুৱাৰ নিৰ্মিত হ'ল; উপাসনাৰ বাবে সুদৃশ্য স্থায়ী কাঁচৰ মন্দিৰ নিৰ্মাণ কৰা হ'ল। শান্তিনিকেতন আশ্ৰমত নিৰাকাৰ ব্ৰহ্মাৰ উপাসনাৰ বাহিৰে কোনো সম্প্ৰদায়বিশেষৰ পূজ্য দেৱাদিৰ পূজা, মূৰ্তি, চিত্ৰ বা যিকোনো চিহ্নৰ পূজা নিষিদ্ধ আছিল। কোনো প্ৰকাৰ নিন্দা বা অৱমাননা হ'ব নোৱাৰিছিল। ইয়াৰ এনেধৰণৰ উপদেশাদি আগবঢ়োৱাৰ ব্যৱস্থা আছিল যাৰদ্বাৰা বিশ্বস্ৰষ্টাৰ প্ৰতি অনুৰাগ বৃদ্ধি পায়, নীতি-ধৰ্ম ৰক্ষা পৰে আৰু বিশ্বভাতৃত্ব বৰ্ধিত হয়। সাধুসকলৰ আগমন আৰু ধৰ্মালাপৰ সুবিধাদানৰ অৰ্থে আশ্ৰমত বছৰি এবাৰকৈ মেলা অনুষ্ঠিত কৰাৰো নিয়ম কৰা হৈছিল। এই মেলাত পৌৰাণিক আৰাধনা, কুৎসিৎ আমোদ-প্ৰমোদ, মদ-মাংস ভক্ষণ নিষেধ আছিল। আশ্ৰম ধৰ্মৰ উন্নতিৰ অৰ্থে ব্ৰহ্মবিদ্যালয় আৰু পুথিভঁৰাল স্থাপনৰ ব্যৱস্থাও কৰা হৈছিল। দেবেন্দ্ৰনাথে আশ্ৰম প্ৰতিষ্ঠা কৰি ইয়াক জনসাধাৰণৰ ব্যৱহাৰৰ অৰ্থে উৎসৰ্গা কৰি যি দানপাত্ৰ ৰচনা কৰি গৈছে, সেই দানপাত্ৰত স্থান পোৱা কথাখিনিৰেই পূৰ্ণতৰ প্ৰকাশ ৰবীন্দ্ৰনাথৰ বিশ্বভাৰতী। দেবেন্দ্ৰনাথৰ ব্ৰাহ্মধৰ্মক ৰবীন্দ্ৰনাথে মানৱ ধৰ্মলৈ ৰূপান্তৰিত কৰিলে বিশ্বভাৰতীৰ যোগেদি।

ইতিমধ্যে ইংৰাজ প্ৰৱৰ্তিত শিক্ষাব্যৱস্থাই আমাৰ দেশত যথেষ্ট প্ৰসাৰ লাভ কৰিছিল। এই শিক্ষাব্যৱস্থাত বিশেষভাৱে জোৰ দিয়া হৈছিল ইংৰাজৰ ভাষা, সাহিত্য, বিজ্ঞান, দৰ্শনৰ আলোচনাৰ ওপৰত। ফলত ভাৰতীয়সকলে কোনোপ্ৰকাৰে ইংৰাজৰ সমকক্ষতা লাভ কৰিবতো নোৱাৰিছিলেই, আনকি নিজৰ ঐতিহ্য-সংস্কৃতিৰ লগতো আত্মিক সম্পৰ্ক হেৰুৱাব লগাতহে পৰিছিল। এই কথাটোৱে সেইসময়ৰ চিন্তাশীলসকলৰ মনত দ্বিধা-শংকাৰ ভাৱ জগাই তুলিছিল।

ৰবীন্দ্ৰনাথে নিজৰ শিক্ষা-আদৰ্শৰ ৰূপ দিবলৈ শিলাইদহত থকা সময়তে এটি গৃহ বিদ্যালয় স্থাপন কৰে। উদ্দেশ্য, — নিজৰেই সন্তানকেইটিক কলিকাতাৰ অনৈতিক পৰিমণ্ডল আৰু আমোদ-বিলাসিতাৰ পৰিৱেশৰপৰা দূৰত ৰাখি শিক্ষা দিয়া। ইয়াৰ ফলত ৰবীন্দ্ৰনাথে প্ৰত্যক্ষভাৱে শিক্ষাদানৰ অভিজ্ঞতাও লাভ কৰে। সাংসাৰিক কাৰণে ৰবীন্দ্ৰনাথৰ শিলাইদহৰ বসবাস তুলি আনিব লগা হ'ল আৰু তেতিয়াই তেওঁ স্থিৰ কৰিলে— পিতৃদেৱে

প্ৰতিষ্ঠা কৰা শান্তিনিকেতন আশ্ৰমত সপৰিবাৰে বাস কৰিবলৈ। শিলাইদহৰ গৃহ বিদ্যালয়টি তেওঁ শান্তিনিকেতনলৈ স্থানান্তৰিত কৰিলে। সেয়া ১৯০১ চনৰ কথা। ৰবীন্দ্ৰনাথে নিজৰ সন্তানৰ শিক্ষাদানক কেন্দ্ৰ কৰিয়েই শান্তিনিকেতন ব'ৰ্ডিং স্কুল প্ৰতিষ্ঠা কৰিলে। এই সময়ৰ কবিৰ চিন্তাধাৰা প্ৰকাশ পাইছে তেওঁৰ এখন ব্যক্তিগত চিঠিত ঃ "শান্তিনিকেতনত মই এখন বিদ্যালয় খুলিবলৈ বিশেষ চেষ্টা কৰি আছোঁ। তাত ঠিক প্ৰাচীন কালৰ গুৰু-গৃহবাসৰ নিচিনাকৈ সমস্ত নিয়ম, বিলাসিতাৰ নাম-গোন্ধ নাথাকিব, ধনী-দৰিদ্ৰ সকলোৰেই কঠিনতম ব্ৰহ্মচৰ্য্যত দীক্ষিত হ'ব লাগিব। উপযুক্ত শিক্ষক কোনোমতেই বিচাৰি পোৱা নাই। এই কালৰ বিদ্যা আৰু সেই কালৰ প্ৰকৃতি একত্ৰে পোৱা নাযায়। অসংযত প্ৰবৃত্তি আৰু বিলাসিতাই আমাক নষ্ট কৰিছে— দাৰিদ্ৰ্যক সহজে গ্ৰহণ কৰিব পৰা নাই বুলিয়েই সকলো প্ৰকাৰ দৈন্যই আমাক পৰাভূত কৰিছে।" কিন্তু সেই কালত যি আদৰ্শ আছিল সি শাশ্বত, সেয়া কেৱল বিশেষ এটি কালতে আৱদ্ধ নহয়। জ্ঞান যদি জীৱনৰ লগত মিলিব নোৱাৰে, কিতাপ যদি মনৰ ভিতৰত সোমাব নোৱাৰে, তেন্তে সেই শিক্ষা ব্যৰ্থ। ৰবীন্দ্ৰনাথে সেয়ে নিচক পুথিগত মুখস্থ বিদ্যাৰ পৰিৱৰ্তে আনন্দময় জীৱন্ময় পৰিৱেশত আত্মিক জীৱনৰ সমুজ্জ্বল বাস্তৱধৰ্মী এক নৱ শিক্ষাধাৰাৰ সূচনা কৰিলে।

চিৰদিন উদাৰ প্ৰকৃতিৰ নিবিড় সংস্পৰ্শতেই ভাৰতবৰ্ষৰ মন গঢ়ি উঠিছে। জগতৰ জড় আৰু চেতনৰ লগত নিজক একান্তভাৱে ব্যাপ্ত কৰি দিয়াটোৱেই ভাৰতবৰ্ষৰ স্বভাৱসিদ্ধ কথা। সেয়ে ৰবীন্দ্ৰনাথে কৈছিল ঃ "বালকহঁতৰ হৃদয় যেতিয়া সজীৱ আৰু সমুদায় ইন্দ্ৰিয়শক্তি সতেজ হৈ থাকে, তেতিয়াই সিহঁতক মেঘ আৰু ৰ'দৰ লীলাভূমি অবাৰিত আকাশৰ তলত খেলা কৰিবলৈ দিয়া, সিহঁতক ভূমাৰ আলিংগনৰ পৰা বঞ্চিত কৰি নাৰাখিবা। শিশুৰ কোমল মনত প্ৰকৃতিৰ স্নেহৰ পৰশ নিবিড়ভাৱে পৰিবলৈ দিয়া। ছয় ঋতুৰ বিচিত্ৰ ৰূপ তাৰ চকুত অবাৰিত থাকক। আমাৰ যথাৰ্থ শিক্ষা সম্পন্ন হ'ব তপোৱনত— প্ৰকৃতিৰ লগত মিলিত হৈ, তপস্যাৰ দ্বাৰা পবিত্ৰ হৈ।" ৰবীন্দ্ৰনাথে বিচাৰিছিল আমাৰ শিক্ষা সম্পূৰ্ণ হওক শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক শক্তিৰ সমন্বয়ত। তেওঁ ভাবিছিল, "আধ্যাত্মিক লক্ষ্যচ্যুত শিক্ষা অসম্পূৰ্ণ। মানুহৰ চৰম অধ্যৱসায় হ'ল নিজৰ ভিতৰৰপৰা নিজৰ অন্তৰতম সত্যক নিৰন্তৰ উদ্‌ঘাটন কৰা। আমাৰ আত্মাত অনন্ত স্বৰূপৰ প্ৰকাশ বিচাৰোঁ। জ্ঞান-প্ৰেম-কৰ্মৰ মাজেদি আমাৰ অভিব্যক্তিয়ে তোমাৰেই প্ৰকাশ দিব।" এনে আধ্যাত্মসাধনা শিক্ষাৰেই এটি আদৰ্শ হওঁক— ৰবীন্দ্ৰনাথে ইয়াকেই বিচাৰিছিল। মানৱচিত্তৰ বিকাশ ঘটাই আৰু সকলো প্ৰকাৰ হীনতা আৰু বিভেদ অতিক্ৰম কৰি এটি শুদ্ধ মানুহৰ বিৰাট আৰু মহৎ সত্তা পূৰ্ণ বিকশিত কৰি তোলাৰ ক্ষেত্ৰত তেওঁ ভাবি পাইছিল—প্ৰকৃতি আৰু পৰিৱেশেও সহায় কৰিব পাৰে। সেয়ে য'ত তেওঁ শিক্ষাশ্ৰম

গঢ়ি তুলিছিল সেই শান্তিনিকেতনত,প্ৰকৃতিৰ মনোৰম কোলাত, গছ-লতা-পখী পৰিবেষ্টিত হৈ মুকলি আকাশৰ তলত ছাত্ৰসকলে পাঠ গ্ৰহণ কৰিব পাৰে। প্ৰকৃতিৰ যুগপৎ কোমলতা আৰু ৰূঢ়তাৰ মাজতেই মানৱমন বিকাশপ্ৰাপ্ত হ'ব— এয়ে ৰবীন্দ্ৰনাথৰ কাম্য আছিল। ৰবীন্দ্ৰনাথে ভাৰতীয় আধ্যাত্মবাদীসকলৰ দৰে প্ৰকৃতিক মানুহৰ সহচৰ আৰু সদ্যব্যথী ৰূপত দেখিছে ঃ "বাহিৰৰ জগত আৰু আমাৰ অন্তৰৰ ধী এই একেই শক্তিৰ বিকাশ— এই কথা জানিলে জগতৰ সেই সচ্চিদানন্দৰ ঘনিষ্ঠ যোগ অনুভৱ কৰি, সংকীৰ্ণতাৰপৰা, স্বাৰ্থৰপৰা, বিষাদৰপৰা মুক্তি লাভ কৰিব পাৰোঁ।"

১৯০১ চনৰ ২২ ডিচেম্বৰৰ দিনা (৭ পুহ) ৰবীন্দ্ৰনাথৰ কল্পনাৰ নৱবিদ্যালয়ে বাস্তৱ ৰূপ পালে। তেওঁ ভাৱিছিল, "সমস্ত ভাৰতবৰ্ষৰ মাজত এইখন ঠাই হ'ব ৰজা আৰু সমাজৰ সকলো প্ৰকাৰ বন্ধন-পীড়নৰ পৰা মুক্ত।" প্ৰথমে এই বিদ্যালয়ত ইংৰাজী, বাংলা, গণিত, সংস্কৃত, ভূগোল, বুৰঞ্জী, বিজ্ঞান আদি ভালেমান বিষয়ৰ শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। প্ৰথম অৱস্থাত ছাত্ৰ আৰু শিক্ষকৰ থকা-খোৱাৰ ব্যয় কবিয়েই বহন কৰিছিল। পাছত ত্ৰিপুৰা ৰাজ্যৰ পৰা এটি বাৰ্ষিক অনুদান (বাৰ্ষিক এহেজাৰ টকা) আহিছিল। কঠোৰ বাস্তৱে কবিৰ আদৰ্শক মাজে মাজে ভাঙিব বিচাৰিছিল। তেওঁৰ জীৱনৰ শেষ কাললৈকে— এই বিশ্ববিদ্যালয়ক এটি পূৰ্ণাংগ ৰূপ দিয়ালৈকে— কবিয়ে এই অনুষ্ঠানটিৰ বাবে কেৱল মানসিকভাৱেই নহয় শাৰীৰিকভাৱেও অপৰিসীম কষ্ট কৰিছিল। তেওঁৰ এই কৰ্মসাধনাত সহযোগী হিচাপে পাইছিল ভালেমান উৎসৰ্গপ্ৰাণ, কৰ্মদক্ষ, কবিৰ প্ৰতি অনুগত জ্ঞানী লোকক। সময়ৰ কষটি শিলত পৰীক্ষা কৰি কৰি এই বিদ্যালয়ৰ বহু নিয়ম-প্ৰণালীৰ পৰিবৰ্ধন, সংযোজন, সংকোচন কৰাৰ পাছত এটি ব'ডিং স্কুলৰ সামান্য বীজৰ পৰাই আজি এক বিশাল মহীৰূহতুল্য বিশ্ববিদ্যালয়ে ৰূপ পাই উঠিল।

বিদ্যালয়ত শিক্ষক হিচাপে কবিয়ে বিভিন্ন ঠাইৰপৰা উদ্যোগী উপযুক্ত মানুহ মাতি আনিছিল। নিজেও আশ্ৰমত থাকি লৈ শিক্ষাদান কৰিছিল। কবিৰ শিক্ষাদানৰ বিষয় আছিল ইংৰাজী আৰু বাংলা। কাৰ্য্যোপলক্ষে কবিয়ে দূৰ-দূৰণিত ভ্ৰমণ কৰি ফুৰিছিল; কিন্তু য'তেই নাথাকক বিদ্যালয়ৰ খা-খবৰ নিয়মিতভাৱে ৰাখিছিল; বিদ্যালয় পৰিচালনাৰ নিৰ্দেশ আদি দিছিল। উল্লেখ কৰিব পাৰি যে যিসকলে শান্তিনিকেতনত শিক্ষকতা কৰিবলৈ আহিছিল, কবিৰ প্ৰত্যক্ষ প্ৰেৰণাত তেওঁলোকেও হাতত লিখনী ধৰিছিল আৰু এইসকলৰ ভিতৰৰে বহুতো লোক পাছলৈ খ্যাতিমান লিখক হৈ উঠিছিল। ছাত্ৰসকলৰ শাৰীৰিক বিকাশৰ বাবে খেলাধূলা আৰু ব্যায়াম চৰ্চা কবিৰ নিৰ্দেশত বিদ্যালয়ত নিয়মিতভাৱে হৈছিল। ৰান্ধনি-ঘৰৰ কামত চকু দিয়া, হিচাপ-পত্ৰ ৰখা, বিদ্যালয়ৰ মেৰামতি আৰু জামাদাৰসকলৰ কামত চকু দিয়া, দৰমহা দিয়া, শিক্ষকৰ কামত চকু দিয়া, শিক্ষকৰ

দায়িত্বৰ ভিতৰত পৰিছিল। ছাত্ৰসকলেও নিজৰ যাৱতীয় কাম-কাজ নিজেই কৰি ল'ব লাগিছিল। অপেক্ষাকৃত বয়স্ক ছাত্ৰসকলে অধ্যাপনাৰ ক্ষেত্ৰতো শিক্ষকসকলক সহায় কৰিব লাগিছিল। শিক্ষকসকল আছিল ছাত্ৰগত প্ৰাণ। শিক্ষক-ছাত্ৰ একেলগে বাস কৰা আৰু খোৱা-মেলা কৰাৰ সুফল এনেদৰেই পোৱা গৈছিল। এই বিদ্যালয়লৈ বালিকা শিক্ষাৰ্থীও নহাকৈ নাছিল।

লাহে লাহে ছাত্ৰৰ সংখ্যা বাঢ়িল আৰু ঘৰ-বাৰীও বাঢ়িল। বিদ্যালয়ৰ বাবে নতুন নতুন কৰ্মপদ্ধতি উদ্ভাৱন কৰা হ'ল। গো-পালন, গাঁও সংগঠন, দুস্থ ব্যক্তিৰ সেৱা আদি বিচিত্ৰ কাম ছাত্ৰ আৰু শিক্ষকৰ সহযোগিতাত সম্ভৱ হৈ উঠিছিল। এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰসকলো বিদ্যালয়ৰ সৈতে স্থায়ী বান্ধোনেৰে বান্ধ খাই এখনি সন্মিলন অনুষ্ঠিত হৈছিল। আজিও বিশ্বভাৰতীত এই নিয়ম চলি আছে। শান্তিনিকেতন বিদ্যালয় ব্ৰাহ্মধৰ্মৰ আদৰ্শ লৈ প্ৰতিষ্ঠিত হৈছিল। শান্তিনিকেতন মন্দিৰত উপাসনা, উপাসনাৰ অন্তত ৰবীন্দ্ৰনাথৰ দ্বাৰা বক্তৃতা দান, ব্ৰাহ্মধৰ্ম গ্ৰন্থ পাঠ, ব্ৰাহ্মসংগীত পৰিৱেশন ইত্যাদি সঘনে হৈছিল। বৰ্তমান প্ৰতি বুধবাৰে উপাসনা হয়। বৰদিন, নৱবৰ্ষ (ইংৰাজী, বাংলা) আৰু বিশেষ বিশেষ উপলক্ষ্যত শান্তিনিকেতন মন্দিৰত প্ৰাৰ্থনাসভা অনুষ্ঠিত হয়। ৰবীন্দ্ৰনাথ আশ্ৰমত থাকিলে নিজেই উপাসনা পৰিচালনা কৰিছিল। আশ্ৰমত কোনো ধৰণৰ পূজা-পাতল কৰা নহয়; মাছ-মাংস খোৱাও নিষেধ। এতিয়া কিন্তু এই নিয়ম আৰু বৰ্তি থকা নাই। কবিৰ নিজৰ কথাতেই ঃ "আমাৰ আশ্ৰমত যদি ভূমাই স্থান নাপায়, ইয়াতো যদি সাময়িক, ৰাজহুৱা, ক্ষণস্থায়ী মৃন্ময় দেৱতাৰ পূজাৰ মত্ততা সঞ্চাৰিত হয়— তেতিয়া হ'লে আশ্ৰমধৰ্ম পীড়িত হয়। আমাৰ আশ্ৰমত যেন বেসুৰ নাবাজে— যি শান্ত শিৱম-দ্বৈতম্ তাক যেন কোনোদিনেই পাহৰি নাযাওঁ— তাতকৈ আৰু কাকো যেন ডাঙৰ কৰি নোতোলোঁ।"

ব্ৰহ্ম বিদ্যালয়ৰ শাসন ব্যৱস্থা আৰু নিয়মানুৱৰ্তিতাৰ মাজত ছাত্ৰসকলৰ মনত আনন্দ দিয়াৰ ব্যৱস্থাও ৰখা হৈছিল। বিলাসিতা নহয়, সৌন্দৰ্য্য সৃষ্টি আশ্ৰম শিক্ষাৰ এটা প্ৰধান অংগ আছিল। নাট্যাভিনয় ছাত্ৰ-শিক্ষকৰ উদ্যোগত নিয়মিতভাৱে হৈছিল। বিভিন্ন ঋতুক উপলক্ষ্য কৰি অনুষ্ঠিত হোৱা ঋতু উৎসৱ আজিও শান্তিনিকেতনত চলি আছে। বৰ্ষামংগল, বসন্তোৎসৱ এনে ধৰণৰেই দুটি ঋতু উৎসৱ।

শান্তিনিকেতন বিদ্যালয়ৰ সৈতে বহু স্বনামধন্য ব্যক্তি জড়িত হৈ পৰিছিল। ১৯১৪ চনত ছি. এফ. এনড্ৰুজ আৰু পিয়াৰ্ছন নামৰ দুজন মিছনেৰি এই ঠাইলৈ আহিছিল। তেওঁলোকে নিস্বাৰ্থভাৱে সকলো ত্যাগ কৰি, আনকি পাদুৰীৰ পদো ত্যাগ কৰি, ভাল ভাল চাকৰি ত্যাগ কৰি ৰবীন্দ্ৰনাথৰ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হৈ শান্তিনিকেতনত শিক্ষাদানত ভাগ লৈছিল। মহাত্মা গান্ধীৰ লগ লাগি এই এনড্ৰুজেই দক্ষিণ আফ্ৰিকাত প্ৰবাসী ভাৰতীয়সকলৰ হকে

কাম কৰি বিখ্যাত হৈছিল। পিয়াৰ্ছন আৰু এনড্ৰুজৰ শান্তিনিকেতনৰ প্ৰতি অৱদান অতি মহৎ। ডাৰবানৰ গান্ধী-প্ৰতিষ্ঠিত ফিনিক্স বিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষসকলক শান্তিনিকেতনলৈ আনি শিক্ষাদান কৰাটো এটা উল্লেখযোগ্য ঘটনা। ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা অহা ছাত্ৰসকলৰদ্বাৰা এই বিদ্যালয়ৰ খ্যাতি সমগ্ৰ ভাৰতবৰ্ষতে ব্যাপ্ত হৈ পৰিছিল। ১৯১৫ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত মহাত্মা গান্ধী শান্তিনিকেতনলৈ আহিছিল। গান্ধীজীয়ে আশ্ৰমত দুই-এটা নতুন নিয়ম প্ৰৱৰ্তন কৰি যায়, যেনে— ঘৰ-দুৱাৰ চাফা কৰা কাম, ৰন্ধা কাম শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে মিলি নিজেই কৰা। গান্ধী-প্ৰৱৰ্তিত সেই স্বাৱলম্বনৰ শিক্ষা শান্তিনিকেতনত এটা স্থায়ী নিয়মত পৰিণত নহ'লেও, আজিও ১০ মাৰ্চৰ দিনটো 'গান্ধী পুণ্যাহ' হিচাপে পালন কৰি, সেইদিনা আশ্ৰমৰ হোষ্টেলৰ ৰান্ধনীসকলক ছুটী দি ছাত্ৰ-ছাত্ৰীসকলেই ৰন্ধা আৰু পৰিৱেশন কৰা নিয়ম চলি আছে।

ইতিমধ্যে গুৰুদেৱৰ মনত শান্তিনিকেতনক কেন্দ্ৰ কৰি নতুন নতুন চিন্তাই থিত লৈছিল। তেওঁ এই বিদ্যালয়ৰ পৰিধি আৰু বঢ়াই ইয়াক বিশ্বৰ লগত ভাৰতৰ যোগসূত্ৰ স্থাপন কৰাৰ মাধ্যম হিচাপে গঢ়ি তোলাৰ কথা ভাবিলে। ইয়াক সৰ্বজাতিৰ মানৱিক চৰ্চাৰ কেন্দ্ৰ হিচাপে স্থান দিয়াৰ কথা চিন্তা কৰিলে। স্বজাতিক সংকীৰ্ণতাৰ যুগৰ অন্ত পেলাই বিশ্বজাতিক মহামিলনৰ মহান যজ্ঞৰ পাতনি তৰাৰ কথা ভাবিলে। এই চিন্তা কবিয়ে ১৯১৬ চনত জাপান আৰু আমেৰিকাত ভ্ৰমণ কৰি থকা অৱস্থাতেই কৰিছিল। ১৯১৮ চনতে কবি "বিশ্বভাৰতী" পৰিকল্পনাৰ বাস্তৱায়নৰ ক্ষেত্ৰত আগবাঢ়িছিল। তেওঁ এই উদ্দেশ্যে বাহিৰৰপৰা অৰ্থ সংগ্ৰহতো ব্ৰতী হয়। ১৯১৯ চনৰ জুলাই মাহৰ পৰা 'বিশ্বভাৰতী' আৰম্ভ হয়। ভাৰততত্ত্ব চৰ্চাই হ'ল বিশ্বভাৰতীৰ কামৰ প্ৰথম পদক্ষেত্ৰ। অত্যন্ত ঘৰুৱাভাৱে ভাবীকালৰ এক বিখ্যাত বিশ্ববিদ্যালয়ৰ বীজ ৰোপণ কৰা হৈ গ'ল। প্ৰথমে শান্তিনিকেতন ব্ৰহ্মবিদ্যালয়ৰ শিক্ষকসকলেই "বিশ্বভাৰতী" অৰ্থাৎ সেই কালৰ গৱেষণানুষ্ঠানত ভৰ্তি হৈ পঢ়া-শুনাত মনোনিৱেশ কৰিছিল। ইতিমধ্যে শান্তিনিকেতনত বহুমুখী কৰ্ম পদ্ধতিৰ সূচনা কৰিবৰ বাবে কাৰখানা বিভাগ খোলা হ'ল। ইয়াত তাঁতৰ কাম, সৰিয়হ পেৰা কামো অন্তৰ্ভুক্ত আছিল। প্ৰথম অৱস্থাত তাঁতবোৱা শিকাবলৈ এগৰাকী অসমীয়া শিপিনী ইয়ালৈ অনা হৈছিল। পিছে এই কাম বেছিকাল স্থায়ী নহ'ল।

মুখ্যতঃ কবি আৰু শিল্পী ৰবীন্দ্ৰনাথৰ বিদ্যালয়ত জ্ঞান চৰ্চাৰ লগে লগে ৰস চৰ্চায়ো স্থান পাইছিল। সেয়েহে বিশ্বভাৰতীৰ চালুকীয়া অৱস্থাতেই কলাভৱন আৰু সংগীতভৱনৰ সূত্ৰপাত কৰা হ'ল। মণিপুৰৰ পৰা অহা এজন নৃত্যশিল্পীয়ে সেই সময়ত সংগীতভৱনত নৃত্য শিক্ষা দিছিল।

বিশ্বভাৰতীক কি ভাৱে গঢ়ি তুলিব পাৰি এই বিষয়ে দিহা-পৰামৰ্শ শিক্ষক-সকলৰপৰাও আহিবলৈ ধৰিছিল। অনেকে কিন্তু ইয়াত পৰীক্ষা চলোৱাৰ বিৰোধী আছিল।

ইয়াত কেৱল শিক্ষাহে দিয়া হ'ব, আনুষ্ঠানিক পৰীক্ষা চলোৱা নহ'ব। কেৱল শুদ্ধ জ্ঞান চৰ্চা অৰ্থাৎ গৱেষণা কেন্দ্ৰ হিচাপে বিশ্বভাৰতী গঢ়ি উঠক— এয়াও আছিল অনেকৰ ধাৰণা। "ই হ'ব কেৱল গৱেষণাৰ বাবে এটি বিদ্যায়তন, ডিগ্ৰীৰ প্ৰতি মোহ থকাসকলক ইয়াত সোমাবলৈ উৎসাহিত কৰা নহ'ব।" —এয়ে আছিল এনড্ৰুজ চাহাবৰ পৰামৰ্শ। ৰবীন্দ্ৰনাথে নিজে বিশ্বভাৰতীক কেৱল ভাৰতীয় সংস্কৃতিৰ কেন্দ্ৰ কৰি ৰাখিয়েই ক্ষান্ত থাকিব নুখুজিছিল; তেওঁ এই প্ৰতিষ্ঠানক বুলিছিল— আন্তৰ্জাতিক বিশ্ববিদ্যালয়। তেওঁ ভাৱিছিল, শান্তিনিকেতনলৈ আমন্ত্ৰণ কৰি অনা হ'ব ইউৰোপীয় পণ্ডিতসকলকো। জ্ঞানৰ ক্ষেত্ৰত সহযোগিতাৰ দ্বাৰাই ঘটিব পূব আৰু পশ্চিমৰ মিলন। কবিৰ এই পৰিকল্পনাৰ বাস্তৱায়নৰ ক্ষেত্ৰত প্ৰথমে তেওঁ নিজেই অগ্ৰসৰ হৈছিল। সফলো নোহোৱাকৈ থকা নাছিল। ফ্ৰান্সৰ প্ৰখ্যাত পণ্ডিত, বহুভাষাবিদ চিলভ্যাঁ লেভি, জেকোশ্লোভাকিয়াৰ প্ৰাচ্যবিদ মৰিছ ৱিণ্টাৰনিটজ, তেওঁৰে ছাত্ৰ ড° লেচনি, ফ্ৰান্সৰ ফাৰ্ডিনাণ্ড বেনোৱা, আয়াৰলেণ্ডৰ মাৰ্ক কলিন্স, ভিয়েনাৰ ষ্টেলা ক্ৰামাৰিচ, ইহুদী মিছ ফ্লোম ফ্লাউম, পাৰ্ছী ভাষাৰ পণ্ডিত ৰাছিয়ান বগডানোফ, নৰৱেৰ ষ্টেন কোনো, ইটালিৰ কাৰ্লো ফাৰ্মাক, জোছেফ তুচিচ, হাংগেৰিৰ গেৰমানুচ— এইসকলে কবিৰ ব্যক্তিগত উদ্যোগত শান্তিনিকেতনলৈ আহি অধ্যাপনাৰ কামত সহযোগিতা কৰিছিল।

১৯২১ চনৰপৰা 'বিশ্বভাৰতী' নামেৰে সমস্ত বিদ্যায়তনটিক বুজাবলৈ লোৱা হ'ল। ইয়াৰ দুটা বিভাগ হ'ল ঃ পাঠভৱন আৰু বিদ্যাভৱন। ১৯২৫ চনত আৰু কিছু সালসলনি কৰি পৰীক্ষা-নিৰপেক্ষ উচ্চতৰ জ্ঞান আলোচনাৰ কেন্দ্ৰ কৰা হ'ল "বিদ্যাভৱন", মহাবিদ্যালয় বিভাগক বোলা হ'ল "শিক্ষাভৱন" আৰু বিদ্যালয় বিভাগক "পাঠভৱন"। নৃত্য-গীত-নাট চৰ্চাৰ কেন্দ্ৰ "কলাভৱন" আছিলেই। বিদ্যা চৰ্চাৰ লগে লগে ছাত্ৰ-শিক্ষক সকলোৱে মিলি নাট-গীতৰ অনুশীলন কৰি বিভিন্ন উপলক্ষ্যত আশ্ৰমত সেইবোৰ উপস্থাপন কৰিছিল নিয়মিতভাৱে। শান্তিনিকেতনত কবিৰ "নটীৰ পূজা"ৰ অভিনয়ত এটি আশ্ৰম বালিকাৰ অংশ গ্ৰহণ (১৯২৬) উল্লেখযোগ্য ঘটনা। বিদ্যালয়লৈ বিভিন্ন সূত্ৰৰপৰা অহা আৰ্থিক অনুদানৰদ্বাৰা জ্ঞান চৰ্চাৰ নতুন নতুন দিগন্ত উন্মোচিত হ'বলৈ ধৰিলে। হায়দৰাবাদৰ নিজামৰ এক লাখ টকা দানেৰে ইছলামীয় সংস্কৃতিৰ চৰ্চাৰ কেন্দ্ৰ বিশ্বভাৰতীত গঢ়ি উঠে।

১৯২৯ চনৰপৰা শিক্ষাভৱনত অৰ্থাৎ মহাবিদ্যালয় স্তৰত বিজ্ঞান শিক্ষাৰো পাতনি মেলা হয়; কবি যে বিজ্ঞান শিক্ষাৰ পৰিপন্থী নাছিল, তেওঁ লিখা বিজ্ঞানভিত্তিক বিশ্বপৰিচয় পুথিয়েই তাৰ প্ৰমাণ। ক্ৰমে বিশ্বভাৰতীৰ পৰিসৰ বাঢ়িবলৈ ধৰিলে। শান্তিনিকেতনত বিদ্যাভৱন, শিক্ষাভৱন, পাঠভৱন, কলাভৱন আৰু সংগীতভৱন হোৱাৰ দৰে শ্ৰীনিকেতনত

পশুপালন কেন্দ্ৰকে ধৰি কৃষি চৰ্চা, গাঁও সংগঠন, কুটীৰ শিল্প, শিক্ষা সত্ৰ (হাইস্কুল) আদি কেন্দ্ৰসমূহ গঢ়ি উঠিল। কবিৰ পুত্ৰ ৰথীন্দ্ৰনাথেই শ্ৰীনিকেতনৰ বিভিন্ন বিভাগসমূহৰ গুৰি ধৰি সেইবোৰ আগবঢ়াই নিছিল। এই উদ্দেশ্যেই কবিয়ে ৰথীন্দ্ৰনাথক কৃষি সম্পৰ্কীয় উচ্চ শিক্ষা লাভ কৰিবৰ বাবে আমেৰিকালৈ পঠাইছিল। শান্তিনিকেতন-শ্ৰীনিকেতনৰ প্ৰগতিৰ ক্ষেত্ৰত মাজে মাজে অৰ্থাভাৱে হেঙাৰ হৈ থিয় দিছিল। কবিয়ে নিজৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপকৰ সহযোগত নৃত্য-গীত পৰিৱেশন কৰি অৰ্থ সংগ্ৰহ কৰিব লগা হৈছিল। অৱশ্যে নাট্যাভিনয় পৰিৱেশন কৰি কবিয়ে অপাৰ আনন্দ লাভ কৰিছিল আৰু আনকো আনন্দ দান কৰিব পাৰিছিল। গতিকে নৃত্য-গীত পৰিৱেশনৰ ক্ষেত্ৰত অৰ্থ সংগ্ৰহেই প্ৰধান কথা নাছিল। ১৯২৮ চনত কবিৰ আদৰ্শত মুগ্ধ হৈ তান-যুন-চান নামৰ এক চীনা যুৱকে চীন দেশত অৰ্থ সংগ্ৰহ কৰি আনি শান্তিনিকেতনত চীনা ভাষা আৰু সংস্কৃতি চৰ্চাৰ কেন্দ্ৰ "চীনভৱন" নিৰ্মাণ কৰায়। চীনা ভাষাৰ বহু অমূল্য পাণ্ডুলিপি এই ভৱনত আজিও সংৰক্ষিত হৈ আছে। চীয়াংকাই চেকৰ ব্যক্তিগত দানো এই পুথিভঁৰাললৈ পোৱা হৈছিল। তেনেকৈ হিন্দী সাহিত্য আৰু ভাষাৰ পঠন-পাঠনৰ বাবে 'হিন্দী ভৱন' মুকলি কৰা হয় কবিৰ জীৱদ্দশাৰ ভিতৰতেই ১৯৩৯ চনত।

কবিৰ মৃত্যুৰ পাছত ১৯৫১ চনত ভাৰতীয় সংসদে আইন প্ৰণয়ন কৰি বিশ্বভাৰতীৰ দায়িত্বভাৰ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ন্যস্ত কৰে। বৰ্তমান ই প্ৰাথমিক বিদ্যালয় স্তৰৰপৰা উচ্চ শিক্ষা আৰু গৱেষণালৈকে সুবিধা থকা (কলা, বিজ্ঞান, সংগীত, কৃষি, চাৰুকলা) এটি স্বয়ংসম্পূৰ্ণ স্বায়ত্তশাসিত অনুষ্ঠান। ৰবীন্দ্ৰনাথৰ ৰচনাৱলী প্ৰকাশ কৰি হোৱা আয় এই বিশ্ববিদ্যালয়ৰ উন্নয়নৰ অৰ্থেই ব্যৱহাৰ হয়। কবিয়ে জীৱনৰ শেষ দুকুৰি বছৰ অতিবাহিত কৰি যোৱা এই শান্তিনিকেতনে কেৱল পশ্চিমবংগৰেই নহয়, ভাৰতবৰ্ষৰো সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত বিশিষ্ট স্থান অধিকাৰ কৰি আছে। মহান কবিৰ স্মৃতিৰে বিধৌত এই ঠাইলৈ দেশ-বিদেশৰ অনেক গুণগ্ৰাহী লোক তেওঁৰ স্মৃতিৰ পৰশ লভিবলৈ দিনৌ আহে। ৰবীন্দ্ৰ সংগ্ৰহালয়ত কবিৰ ব্যৱহৃত সামগ্ৰীবোৰৰ উপৰিও পৃথিৱীৰ বিভিন্ন ঠাইৰপৰা তেওঁক দিয়া অসংখ্য স্নেহৰ-সন্মানৰ উপহাৰ, তেওঁৰ নিজৰ চিত্ৰাৱলী, বিখ্যাত নোবেল পুৰস্কাৰ ইত্যাদি সযত্নে প্ৰদৰ্শিত হৈছে। কবিৰ সমগ্ৰ লেখাৰ পাণ্ডুলিপি, চিঠি-পত্ৰ, দিনলিপি আৰু চিত্ৰসমূহ এই সংগ্ৰহালয়-সংলগ্ন পুথিভঁৰালত সংৰক্ষিত। কবিৰ নিজৰ কণ্ঠৰ গীত আৰু ভাষণৰ ৰেকৰ্ড বিদেশ আৰু দেশ ভ্ৰমণৰ অনেক আপুৰুগীয়া ফটো, তথ্যচিত্ৰ আদিও ৰবীন্দ্ৰভৱনতেই গোটাই ৰখা হৈছে। আগ্ৰহী গৱেষক আৰু গুণগ্ৰাহী দৰ্শকৰ বিশেষ অনুৰোধত সেই সামগ্ৰীবোৰ প্ৰদৰ্শিত হয়। বৰ্তমান ৰবীন্দ্ৰচৰ্চাৰ প্ৰধান কেন্দ্ৰ হিচাপে বিশ্বভাৰতী তথা ৰবীন্দ্ৰভৱনে প্ৰতিষ্ঠা লাভ কৰিছে। দেশ-বিদেশৰ

নানান ভাষাত প্ৰকাশিত ৰবীন্দ্ৰ সাহিত্যৰ অনুবাদ, ৰবীন্দ্ৰনাথৰ বিষয়ে লিখা কিতাপ, বাতৰিকাকত, আলোচনী আদিত প্ৰকাশিত প্ৰৱন্ধ আৰু সংবাদ আদি সংগ্ৰহ সংৰক্ষণ কৰি ৰবীন্দ্ৰভৱনক এটি পূৰ্ণাংগ ৰবীন্দ্ৰ চৰ্চাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চেষ্টা চলি আছে। ৰবীন্দ্ৰনাথ কবি হিচাপে নিশ্চয় এজন খেয়ালী ব্যক্তি আছিল। তেওঁ একেটা ঘৰতে থাকি ভাল নাপাইছিল। সেয়েহে কেতিয়াবা "কোনাৰ্ক", কেতিয়াবা মাটিৰঘৰ "শ্যামলী", কেতিয়াবা "পুনশ্চ", কেতিয়াবা "উদীচী", আৰু অৱশেষত প্ৰাসাদোপম "উদয়নত" থাকিছিল। উত্তৰায়ণ চৌহদত থকা এই ঘৰবোৰ এতিয়াও দৰ্শকে চাব পৰাকৈ সজাই থোৱা আছে। ৰবীন্দ্ৰনাথৰ পুত্ৰ ৰথীন্দ্ৰনাথৰ হাতত গঢ় লোৱা আৰু প্ৰতিমা দেৱীয়ে সজাই তোলা উদয়ন-গৃহসংলগ্ন উদ্যানখনি আজিও অৱশ্যদ্ৰষ্টব্য হিচাপে পৰিগণিত হৈ আছে, প্ৰাচীন পৰম্পৰাৰ আৰ্হিত খোলা আকাশৰ তলত গছলতাৰ ছায়াত বহি পাঠদান গ্ৰহণ কৰাৰ নিয়ম শান্তিনিকেতনত এতিয়াও চলি আছে। সাপ্তাহিক ছুটীৰ দিন বুধবাৰ বাদে যিকোনো দিন শান্তিনিকেতন আশ্ৰমৰ আম্ৰকুঞ্জ, বকুলবীথী, শালবীথী, ঘণ্টা তলা, গৌড়প্ৰাংগণ, সন্তোষালয়ৰ বাৰাণ্ডা আৰু পাঠাগাৰৰ বাৰাণ্ডাত শিক্ষক-ছাত্ৰৰ মধুৰ গুঞ্জন আজিও শুনিবলৈ পোৱা যায়। পঢ়াশুনাৰ সৈতে প্ৰায় বাধ্যতামূলকভাৱেই শৰীৰ চৰ্চা, নাচ-গান-নাটকৰ শিক্ষা, মাটি আৰু কাঠৰ কাম শিকা, সমান্তৰালভাৱে চলে। বুধবাৰে উপাসনাগৃহত ৰবীন্দ্ৰসংগীত (ব্ৰাহ্ম গান) আৰু ৰবীন্দ্ৰনাথৰ লেখা পাঠ কৰি সাপ্তাহিক উপাসনা কৰা হয়। কোনো আশ্ৰমবাসীৰ মৃত্যু হ'লে তেওঁৰ স্মৃতিত উপাসনাগৃহত ৰবীন্দ্ৰসংগীত পৰিৱেশন কৰি মৃতকৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ নিয়ম এতিয়াও চলি আছে। নন্দলাল, ৰামকিংকৰ, বিনোদবিহাৰীৰ দৰে কীৰ্তিমান শিল্পীৰ অনেক কাম শান্তিনিকেতনৰ চাৰিওফালে দেখিবলৈ পোৱা যায়। ৰামকিংকৰৰ অনুপম ভাস্কৰ্য্য, নন্দলাল আৰু বিনোদবিহাৰীৰ হিন্দীভৱন আৰু চীনভৱনৰ দেৱালৰ ফ্ৰেছকোৱে আজিও আমাৰ বিস্ময় আৰু শ্ৰদ্ধা উদ্ৰেক কৰে। অনুৰ্বৰ, শিলগুটিৰে ভৰা ৰঙা মাটিৰ মৰুভূমিসদৃশ বোলপুৰৰ ভুবনডাংগাক গছ-বন-লতাৰে সুশোভিত "তপোবন"লৈ ৰূপান্তৰিত কৰাৰ আঁৰত যি কল্পনা শক্তি, বাস্তৱমুখী কৰ্ম আৰু সংগঠন-শক্তিয়ে কাম কৰিছিল সেই কথা ভাবিলে এই বিশাল কৰ্মযজ্ঞৰ কেন্দ্ৰীয় ব্যক্তিজনাৰ প্ৰতি শ্ৰদ্ধাত মূৰ দোঁ খাই অহা স্বাভাৱিক।

আজি বিশ্বভাৰতীৰ অন্তৰ্গত শিক্ষা কেন্দ্ৰসমূহ হ'ল আনন্দ পাঠশালা (প্ৰাক্-প্ৰাথমিক স্তৰ), পাঠভৱন (দশম শ্ৰেণী পৰ্য্যন্ত), উত্তৰ শিক্ষাসদন (একাদশ দ্বাদশ শ্ৰেণী), বিদ্যাভৱন (স্নাতক আৰু স্নাতকোত্তৰ, কলা), শিক্ষাভৱন (স্নাতক আৰু স্নাতকোত্তৰ, বিজ্ঞান), ৰবীন্দ্ৰভৱন (ৰবীন্দ্ৰ চৰ্চা কেন্দ্ৰ), বিনয়ভৱন (শিক্ষক প্ৰশিক্ষণ বিভাগ), পল্লী শিক্ষাসদন (কৃষিবিভাগ, স্নাতক আৰু স্নাতকোত্তৰ), পল্লী সংগঠন কেন্দ্ৰ (ছ'ছিয়েল

ৱৰ্কছ বিষয়ৰ স্নাতক আৰু স্নাতকোত্তৰ), সংগীতভৱন (সংগীত মহাবিদ্যালয়) আৰু কলাভৱন (চাৰুকলা মহাবিদ্যালয়)। অন্যান্য বিষয়ৰ লগতে ভাষা শিক্ষা বিষয়টোৱেও আদিৰেপৰাই বিশ্বভাৰতীত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ইংৰাজী, ফৰাচী, জাৰ্মান, লেটিন, ইটালীয়ান, চীনা, জাপানী, তিব্বতী, ৰুছ, পাৰ্চী, আৰবী আৰু ভাৰতীয় ভাষাৰ ভিতৰত বাংলা, হিন্দী, উৰিয়া, মাৰাঠী, তামিল, উৰ্দু, অসমীয়া, চাওঁতালী, সংস্কৃত, পালি আৰু প্ৰাকৃত ভাষা শিকোৱাৰ ব্যৱস্থা আছে। ইয়াৰ বাহিৰে ইণ্ড'লজি, বুৰঞ্জী, ভুগোল, অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ বিভাগ আছে। কলাভৱনৰ বিভাগবোৰ এনেধৰণৰ ঃ ডিজাইন, পেইণ্টিং, গ্ৰাফিক্স, হিষ্ট্ৰি অৱ আৰ্ট, স্কাল্‌প্‌চাৰ। সংগীতভৱনত কণ্ঠ আৰু যন্ত্ৰ সংগীত, ৰবীন্দ্ৰ সংগীত, ভৰত নাট্যম, মণিপুৰী আৰু কথাকলিৰ এম মিউজ পৰ্য্যায়লৈকে পঢ়ুওৱাৰ সুবিধা আছে। বিনয়ভৱনত এম. এড., বি. এড. পৰ্য্যায়ৰ শিক্ষাদানৰ ব্যৱস্থা আছে। এইখন এখন আবাসিক বিশ্ববিদ্যালয়। আগেয়ে যদিও 'কেজুৱেল' ছাত্ৰ একেবাৰেই লোৱা নহৈছিল, বৰ্তমান ছাত্ৰৰ ভিৰৰ হেঁচাত কেজুৱেল অৰ্থাৎ অনাবাসিক ছাত্ৰও ভৰ্তি কৰা হয়।

আজি যাঠি বছৰৰো বেছি কাল ধৰি বিশ্বভাৰতী ভাৰতবৰ্ষৰ মুখ্য শিক্ষানুষ্ঠানবোৰৰ ভিতৰত অন্যতম হিচাপে পৰিগণিত হৈ আহিছে। এই অনুষ্ঠানে গান্ধী আৰু নেহৰুৰ পৰাও কিমান আস্থা আৰু আগ্ৰহ অৰ্জন কৰিছিল— গান্ধীয়ে তেওঁৰ দক্ষিণ আফ্ৰিকাৰ ফিনিক্স স্কুলৰ ছাত্ৰসকলক ভাৰতবৰ্ষলৈ আনি শান্তিনিকেতনত ভৰ্তি কৰোৱা আৰু নেহৰুৱে তেওঁৰ আদৰৰ কন্যা ইন্দিৰাক শিক্ষা লাভ কৰিবৰ উদ্দেশ্যে শান্তিনিকেতনলৈ পঠোৱা কথাই প্ৰমাণ দিব। এইবোৰ অৱশ্যে বৰ্তমান অতীতৰ মধুৰ স্মৃতি হিচাপেই সকলোৱে মনত ৰাখিছে। ৰবীন্দ্ৰনাথৰ দৰে বিশাল ব্যক্তিত্ব সম্পন্ন ব্যক্তিয়ে যেতিয়া গুৰি ধৰি এই অনুষ্ঠান চলাই নিছিল, তেতিয়াৰ গৌৰৱ, তেতিয়াৰ আকৰ্ষণ বৰ্তমানৰ বিশ্বভাৰতীত বিচাৰিলে পোৱা নাযাব, কাৰণ এতিয়া সেই ব্যক্তিত্ব ক'ত? তদুপৰি বিশ্বভাৰতী বৰ্তমান সম্পূৰ্ণভাৱে ইউ.জি.ছি.য়ে (বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ) শাসন কৰা প্ৰতিষ্ঠান। ইউ.জি.ছি.য়ে কেৱল অৰ্থসাহায্য দিয়েই ক্ষান্ত থকা নাই— ইয়াক ইউ.জি.ছি.ৰ নিজস্ব নীতি-নিয়মেৰে বান্ধিও পেলাইছে। সেয়েহে বিশ্বভাৰতীত নতুন আৰু পুৰণাৰ এটা টনাটনি ভাৱ সদায়েই লক্ষ্য কৰা যায়। তথাপি বিশ্বভাৰতী বৰ্তি আছে, আগলৈও থাকিব— এই কথা নিশ্চিত। এই প্ৰদীপ যিগৰাকী মহান ব্যক্তিৰ হাতত প্ৰজ্বলিত হৈছিল, ইয়াক অব্যাহতভাৱে জ্বলাই ৰাখিলেহে সেই ক্ষণজন্মা ব্যক্তিৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰা হয়। ■

● *লিখক বিশ্বভাৰতী আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক।*

# অন্ধবিশ্বাসৰ আৱৰ্তত ধূমকেতু

## ড° কালী প্ৰসাদ শৰ্মা

মানৱ সমাজৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে কিছুমান সৌৰজাগতিক পৰিঘটনাই যুগে যুগে মানুহৰ মন সন্মোহিত কৰি আহিছে। ইয়াৰ ভিতৰত ধূমকেতুৰ আৱিৰ্ভাৱৰ ফলত পৃথিৱীৰ প্ৰায় বেছিভাগ সমাজৰ মানুহৰ মনতেই ভয়, শংকা বা উদ্বিগ্নতা সৃষ্টি হোৱা দেখা যায়। এই ভয়, শঙ্কাৰপৰাই আৰম্ভ হৈছিল ধূমকেতু সম্বন্ধে নানা ধৰণৰ গল্প, কাহিনী, অন্ধবিশ্বাস, আৱেগ আৰু অনুভূতি। এই ধাৰণাৰ বহিঃপ্ৰকাশ ঘটিছিল তেওঁলোকে অঙ্কন কৰা চিত্ৰ আৰু বিৱৰণীত। গ্ৰীকসকলে নাম দিছিল Kometes যাৰ অৰ্থ হ'ল কেশযুক্ত তৰা। চীনাসকলে জাৰু তৰা, জেৰুজালেমবাসীসকলে আকাশৰ পৰা ওলমি থকা তৰোৱাল আদি উপমাৰে একোখন চিত্ৰ আঁকিছিল। আন কিছুমান সমাজত ইয়াক নেজাল তৰা, দীঘল পাখিযুক্ত তৰা, ধূলিৰ তৰা বোলা হৈছিল। পূৱ আফ্ৰিকাৰ মাচাইসকলৰ মতে ধূমকেতু মানে দুৰ্ভিক্ষ, দক্ষিণ আফ্ৰিকাৰ জুলু সম্প্ৰদায়ৰ মতে যুদ্ধ, চীনা সাহিত্য মতে ধূমকেতু হৈছে স্বৰ্গৰাজ্যৰ পৰা অশুভ শক্তিসমূহক পৰিষ্কাৰ কৰা জাৰু তৰা। নাইজেৰিয়াৰ ইনগাপ লোকসকলৰ মতে মহামাৰী, জাইৰেৰ ডিয়াগাৰসকলৰ মতে বসন্ত বেমাৰ ইত্যাদি। প্ৰাচীন পাৰস্যবাসীসকলে বিশ্বাস কৰিছিল যে আকাশত ধূমকেতু ওলালেই দেশত মহামাৰী হয় আৰু ৰজাই ৰাজ সিংহাসন হেৰুৱায়। প্ৰাচীন তিব্বতীসকলে ধূমকেতুক ড্ৰেগনৰ সৈতে তুলনা কৰিছিল। মেক্সিকোবাসীসকলে বিশ্বাস কৰিছিল যে ৰজা অথবা ৰাজবিষয়াৰ মৃত্যু হ'লে তেওঁলোকে ধূমকেতুৰ ৰূপ ধাৰণ কৰি প্ৰজাসকলৰ ওচৰলৈ আহে। খৃষ্টপূৰ্ব পঞ্চম শতাব্দীৰ ইউৰোপৰ দাৰ্শনিক ডেমোক্ৰিটাছে ধাৰণা কৰিছিল যে ধূমকেতুৰ কায়িক ৰূপটো অশৰীৰী আত্মাৰ দৰে ধোঁৱাৰে আবৃত। পেৰুৰ আদিবাসীসকলে আকৌ সূৰ্য্যদেৱতা বিতুষ্ট হ'লে আকাশত ধূমকেতুৰ আৱিৰ্ভাৱ হয় বুলি বিশ্বাস কৰিছিল। সেয়েহে সূৰ্য্যদেৱতাৰ কোপদৃষ্টিৰপৰা ৰক্ষা পাবলৈ সূৰ্য্যদেৱতাৰ নামত শিশু উচৰ্গা কৰি বলি দিয়াৰো এটা প্ৰথা আছিল।

প্ৰাচীন সভ্যতাত জ্যোতিৰ্বিজ্ঞান আছিল জ্যোতিষশাস্ত্ৰ, কুসংস্কাৰ আৰু সেই সময়ৰ পুৰোহিতসকলে বৰ্ণনা কৰা ধৰ্মৰ সংমিশ্ৰণ। সেয়েহে ২১৮ চন, ৪৫১ চন,

৮৩৭ চন আদি বিভিন্ন সময়ত ৰোমৰ আকাশত দেখা দিয়া ধূমকেতুৰ বাবেই ৰোমান সম্রাটসকলৰ মৃত্যু হৈছিল বুলি পুৰোহিতসকলে জনসাধাৰণক পতিয়ন নিয়াব পাৰিছিল। ১০৬৬ চনত ইংলণ্ডৰ ৰজা হেৰল্ডৰ ফ্ৰান্সৰ সৈতে হোৱা যুদ্ধত মৃত্যু, জুলিয়াছ চিজাৰৰ মৃত্যু, ১৮১১ চনত নেপোলিয়ন ব'নাপাৰ্টৰ ৰাছিয়া আক্ৰমণত পৰাজয় ইত্যাদি ঘটনাকো সেই সময়ত আকাশত উদিত ধূমকেতুৰ প্ৰভাৱৰ পৰিণতি বুলি ব্যাখ্যা আগবঢ়োৱা হৈছিল। জুলিয়াছ চিজাৰৰ মৃত্যুৰ চাৰি মাহ পাছত তেওঁৰ সন্মানত আয়োজন কৰা অন্ত্যেষ্টিক্ৰিয়া সম্বন্ধীয় উৎসৱৰ সময়ছোৱাত আকাশত এটা অতি উজ্জ্বল সৌৰজাগতিক বস্তুৰ উদ্ভৱ হৈছিল। এইটোকে ৰোমানসকলে চিজাৰৰ আত্মানিহিত নক্ষত্ৰ আৰু তেওঁলোকৰ উপাস্য দেৱতা বুলি সেই সময়ত গণ্য কৰিছিল।

ভাৰতবৰ্ষৰ প্ৰাচীন কাব্যসমূহতো ধূমকেতু সম্পৰ্কে বিভিন্ন কাল্পনিক কাহিনীৰ উল্লেখ পোৱা যায়। পুৰাণ হৈছে ভাৰতীয় সংস্কৃতিৰ অতি পুৰণি গ্ৰন্থ। বহু সংখ্যক পুৰাণত ধূমকেতুৰ বিষয়ে উল্লেখ আছে। ঋকবেদত সূৰ্য্যৰপৰা কেনেকৈ ধূমকেতুৰ উৎপত্তি হৈছিল তাৰ বৰ্ণনা আছে। ইয়াত ধূমকেতুক বশিষ্ঠপুত্ৰৰ সৈতে তুলনা কৰা হৈছে। বেদত অৰুণা নক্ষত্ৰক এটা লুভীয়া ধূমকেতু বুলি কোৱা হৈছিল।

মহাকবি কালিদাসেও তেওঁৰ "কুমাৰ সম্ভৱ" কাব্যত তাৰক নামৰ এক অসুৰক ধূমকেতুৰ সৈতে তুলনা কৰিছিল। কুৰুক্ষেত্ৰ যুদ্ধৰ সময়তো এটা ধূমকেতু উদয় হোৱাৰ ফলতেই দুই পক্ষৰ সৈন্যবাহিনীৰ বিস্তৰ ক্ষতিসাধন আৰু কুৰুকুল বিনাশৰ মূল কাৰণ বুলি ব্যাখ্যা আগবঢ়োৱা হৈছিল।

১৮১১ আৰু ১৬৮০ চনত ক্ৰমে পৃথিৱীৰ তাপমাত্ৰা অস্বাভাৱিকভাৱে বৃদ্ধি আৰু হ্ৰাস হৈ প্ৰচণ্ড শীত প্ৰকোপৰ কাৰণো ধূমকেতু বুলি ভৱা হৈছিল। লাপ্লাচৰ দৰে দাৰ্শনিকেও ধূমকেতুৰ প্ৰভাৱত পৃথিৱীৰ গতিৰ পৰিৱৰ্তন আৰু মেৰুপ্ৰদেশত পানী জমা হোৱাৰ আশংকা কৰিছিল। তদুপৰি প্ৰায় সকলো জনগোষ্ঠীৰ মানুহৰ মাজতেই ধূমকেতুৱে পৃথিৱী প্ৰদক্ষিণ কৰাৰ সময়ত খুন্দা মৰাৰ পৰিণামস্বৰূপে মহাপ্ৰলয় হৈ ধ্বংস হোৱাৰ কাহিনী পোৱা যায়। ১৮৫৭ চনত ফ্ৰান্সৰ এজন চিত্ৰশিল্পীয়ে তেওঁৰ এখন কাৰ্টুনত এনে প্ৰচলিত আতঙ্কৰ কথা সুন্দৰভাৱে ফুটাই তুলিছিল।

এৰিষ্ট'টল (খৃষ্টপূৰ্ব ৩৮৪-৩২২)ৰপৰা আৰম্ভ কৰি এডমাণ্ড হেলীলৈকে ধূমকেতু সম্পৰ্কে ধাৰণাৰ যথেষ্ট ক্ৰমবিকাশ ঘটিলেও পৃথিৱীৰ বেছিভাগ সমাজতে ই অবাঞ্ছিত দুখ-যন্ত্ৰণাৰ নায়ক আৰু অনভিলষিত হিচাপে চিহ্নিত হৈ আহিছে। অৱশ্যে নামিবিয়াৰ আদিম অধিবাসী কিছুমানে ধূমকেতুক শুভদিনৰ আগমন হিচাপেহে চিহ্নিত কৰিছিল।

ধূমকেতুক লৈ যে অকল অন্ধবিশ্বাস আৰু কিংবদন্তিহে আমাৰ সমাজত প্ৰচলিত এনে নহয়। হেলিৰ ধূমকেতুক লৈ মানুহৰ মাজত এক সন্ত্ৰাস সৃষ্টি হৈছিল। সেই সময়ত

প্ৰচাৰ কৰা হৈছিল যে ধূমকেতুৰ নেজত থকা বিষাক্ত গেছ নিৰ্গত হৈ মানুহৰ অনিষ্ট সাধন হ'ব। এনে পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ইউৰোপ আৰু আমেৰিকাৰ ব্যৱসায়িক গোষ্ঠীয়ে গেছ মুখা (Gas mask), ধূমকেতুৰ বাবে দৰবৰ বৰি তৈয়াৰ কৰি প্ৰচুৰ পৰিমাণে অৰ্থ উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল। কেতিয়াবা পৃথিৱীয়ে ধূমকেতুৰ নেজৰ মাজেৰে পৰিভ্ৰমণ কৰিবলগীয়া হয়। কিন্তু নেজত থকা গেছ বা ধূলি কণাৰ ঘনত্ব আমাৰ পৃথিৱীৰ ডাঙৰ চহৰসমূহৰ ধূলিকণা আৰু কাৰ্বন-ডাই-অক্সাইডৰ ঘনত্বতকৈও কম। ১৬৬৫ চনত ইউৰোপত দেখা দিয়া প্লেগ মহামাৰীৰ বাবেও ধূমকেতুকে দায়ী কৰিব বিচৰা হৈছিল যদিও পিছত অৱশ্যে অস্বাস্থ্যকৰ পৰিৱেশৰ বাবেই যে এই ৰোগৰ উৎপত্তি সেইটো নিশ্চিত হৈছিল। ধূমকেতুক লৈ হোৱা অন্ধবিশ্বাসৰ বিৰুদ্ধে জিওটো ডি বল্ড নামৰ শিল্পী এজনে প্ৰথমে বিৰোধিতা কৰিছিল। তেওঁ নিজৰ এখন বিখ্যাত চিত্ৰশিল্পত নক্ষত্ৰৰ সলনি ধূমকেতুৰ চিত্ৰ অঙ্কন কৰি মানুহক প্ৰত্যয় নিয়াব বিচাৰিছিল যে ধূমকেতু প্ৰকৃততে অমংগলৰ সূচক নহয়। সম্পূৰ্ণ প্ৰাকৃতিক নিয়ম অনুসৰি ই আকাশত আৱিৰ্ভাৱ হয়। আৰগো নামৰ এজন বিজ্ঞানীয়ে তথ্য সহকাৰে প্ৰমাণ কৰিছিল যে পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধি বা হ্ৰাস পোৱা ঘটনাৰ সৈতে ধূমকেতুৰ কোনো সম্পৰ্ক নাই। আজি বিজ্ঞানৰ যথেষ্ট অগ্ৰগতি হ'ল— ধূমকেতু সম্পৰ্কে বহুতো বৈজ্ঞানিক তথ্য প্ৰকাশ পালে, কিন্তু ধূমকেতুৰ বিষয়ে অজ্ঞানতা আৰু অন্ধবিশ্বাসৰ ওৰ নপৰিল। ১৯৯৭ চনৰ মাৰ্চ-এপ্ৰিল মাহত আকাশত হেল-ব'প নামৰ এটা ধূমকেতুৰ আৱিৰ্ভাৱ ঘটিছিল। এই ধূমকেতুৱে আত্মপ্ৰকাশ কৰাৰ কিছুদিন পিছত ৯ এপ্ৰিল তাৰিখৰ 'এছিয়ান এজ' নামৰ পত্ৰিকাখনত উইলিয়াম জে ব্ৰৰ্ডৰ হেল-ব'পৰ ওপৰত লিখা প্ৰবন্ধটোত এটা বৰ শিহৰণকাৰী তথ্য প্ৰকাশ পাইছিল। ঘটনাৰ বিৱৰণী মতে ৩৯ জন মানুহে 'হেল-ব'প' ধূমকেতুৰ আৱিৰ্ভাৱক তেওঁলোকৰ বাবে মৃত্যুদূত হিচাপে গণ্য কৰি স্বৰ্গীয় সুখৰ বাঞ্ছাত আত্মহত্যা কৰিছিল। ইয়াতে উল্লেখ কৰা ভাল হ'ব যে হেলীৰ ধূমকেতুৰ (১৯৮৬) বা হেল-ব'প ধূমকেতুৰ (১৯৯৭) আৱিৰ্ভাৱ আছিল এক সম্পূৰ্ণ বৈজ্ঞানিক পৰিঘটনা; তাত নাছিল কোনো অলৌকিকতা। ইয়াৰ আৱিৰ্ভাৱ সম্বন্ধে বিজ্ঞানীসকলে বৈজ্ঞানিক গণনাৰ ভিত্তিত ভৱিষ্যতবাণী কৰিছিল। আজি যি সময়ত মানুহে চন্দ্ৰক আন আন উপগ্ৰহলৈ যোৱাৰ বাবে মহাজাগতিক কোঠ আৰু বৈজ্ঞানিক কাৰ্য্যকলাপৰ কেন্দ্ৰ কৰি সম্পদ আহৰণৰ চিন্তাৰে এক বিংশ শতাব্দীৰ আৰম্ভণি কৰিছে— ইতিহাসৰ তেনে সন্ধিক্ষণত ধূমকেতুক লৈ যে এনে কুসংস্কাৰ প্ৰচলিত হ'ব পাৰে তাক ভাৱিবলৈকে আচৰিত লাগে। ■

- *লিখক তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰিৱেশবিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক।*

# Indian Higher Education in a State of Despair

**Dr. B. K. Konwar**

College is a tertiary educational institution within a university offering degree or vocational education, and the word is derived from the Latin word *collegium*. University represents 'community of teachers and scholars' which was derived from the Latin *universitas magistrorum et scholarium*. University is an institution where knowledge is created and disseminated. It is the educational institution for study, examination and conferment of universally acceptable degrees in the important branches of learning. In fact, it is a system by which non-members are admitted to higher levels of teaching, examination and awarding of qualification certificates following the completion of learning.

One of the most revered personalities of the world, Dr. A. P. J. Abdul Kalam rightly stated that the '21st century belongs to the knowledge, where acquisition, possession and application of knowledge are the most important resources. Knowledge has been the prime mover of prosperity and power; it empowers and enriches people, causes societal transformation, encourages discoveries and innovations, causes goodness in all spheres of the society resulting peace and prosperity.' Knowledge is the sum total of education, experience, research, intelligence and information. It is basically harnessed in academic institutions. Objective oriented consistent

effort to produce knowledge empowered society is the need of the world order. The "horizontal" model of academic leadership that emphasizes collaboration and team work among the similar institutes as well as group of individuals can bring wonders in academia. Faculty members, employees and students of a college or university must be prepared to assume due responsibility and tasks as the situation demands. The working teams in a college or university have to foster feeling of ownership and pride in the overall product of their endeavour. Organizational need calls for accounting of professional practice and ethics, expanding the horizon of academia towards exploratory and innovative component, the growth in graduate and postgraduate programs in the creative sector requiring equivalents to the knowledge-transfer models. There is a need to understand teaching, research and innovations, and this represents an opportunity to reorient the existing and required systems by which teaching and research are undertaken and supported.

## Present Education Scenario of the Country

Presently there are 790 universities and degree awarding institutions in the country. In the North-East states 40 such institutions are present with Assam having 10, Meghalaya 9, Sikkim 5, Nagaland 4, Arunachal Pradesh, Mizoram, Manipur and Tripura each having 3. The small number of institutions in these states can be due to the small sizes of these states. The movement of students from the NER to different central institutions/universities thereby raises questions on the quality of higher education in these institutions.

The number of 30 universities and 695 colleges (23 per university) in 1950 has gone up by 30 folds to 832 universities and whereas colleges by 50 folds to 42,000 (58 per university) in 2017-18, thus putting huge pressure on the university administration in managing them. Similarly, the student enrolment of 3,97,000 (girls

43,000) in 1950 has surged to 2,20,75,000 (girls 90,50,000) in 2017-18. The number of graduates coming out of technical colleges was slightly over 10,00,000 in the last year. However, 75% of technical graduates and more than 85% of general graduates are unemployable by India's high-growth global industries, including information technology. However, the institutions today have faced acute shortage of faculty and concerns have been raised over the quality of educational institutes and teachers.

The present ratio of student: teacher in the country is almost 20:1, colleges having about 5,00,000 teachers and universities 1,10,000. More than 25% colleges' and almost 35% universities' teaching positions nationwide are vacant, and 57% of college teachers lack either a master's or PhD degree. Similarly, in IIT, IIM etc. 40% faculty positions are vacant. Out of the total enrolment in colleges, almost 86% students obtain graduation; only 12% of them opt for PG degree programs and subsequently meagre 1% for research. This dismal trend refers to lack of interest for pursuing PG and research or better career option available after graduation. Another 1% goes for diploma or certificate courses. Majority of graduates of both sexes choose humanities stream, followed by boys engineering and medicine and girls science whereas management or commerce still remains to be third preferred. Only few of them prefer programs in agriculture, education, veterinary, fishery and nursing. In the case of financial support to the higher education sector, the country lags behind as compared to other countries of the world.

During the last 4-6 years, against Cuba's 12.8%, Ghana's 8.1, Iceland's 7.6, New Zealand's 7.1, Sweden's 7, Norway's 6.9, Finland's 6.8, UK's 6.2, Netherland's 5.9, Austria's 5.8, France's 5.7, USA's 5.4, Mexico's 5.2, Australia's 5.1, Spain's 5 and Nepal's 4.7, India spends 3.4% of its GDP in the education sector, and out of the total

education expenditure 32.3% goes to the higher education sector, i.e. 1.1% of GDP.

India’s one major wealth is youth which presently stands at almost 55 crore, 64% of the total population. To provide scope for skill development and education for value addition to this huge manpower base, the country has to substantially increase higher education institutes like universities, IIMs, IITs, NITs, IIScs etc. In addition to public funding, there has to be private participation, industrial linkage and philanthropic contributions for the cause of nation’s education. In India despite growing investment in education, 25% of its population is still illiterate; 15% of Indian students reach high school and just 7% college and university. The quality of higher education is significantly poor. India’s post-secondary institutions offer only enough seats for 7% of India’s college-age population.

**Indian Teachers and Scientists Trained Abroad**

Since independence, during the last 68 years, a large number of PhD or Master degree holder Indians have returned from USA, Australia, UK, Germany, Canada, France etc; and the total number of almost 13,40,000 have been engaged in Indian universities, colleges, research laboratories as well as industries. The number of Indian students going overseas has risen to a stunning 256%, from 53,266 to 1,89,629 during 2000–2009. As estimated by the UNESCO Institute of Statistics and the Institute of International Education almost 2,00,000 Indian students studied abroad during 2010-11 at a cost of US $5.5 billion a year.

Having a huge pool of foreign trained manpower in the country, still our teaching and more specifically research are lagging behind. Whereas, those of Indians remained in the foreign countries are contributing significantly in research, teaching and industry of that country. In NASA (USA) alone about 20% of the work force comprises

of Indian technocrats and scientists. Some of those remained and worked in the foreign countries even became Nobel laureates. But those came back could not do much in the country. The country has to find out the reasons for the same. A foreign trained resource person certainly desires to perform, but the prevailing system makes them dissipated and dispirited.

Moreover, across the higher education and research organizations in the country almost 30% posts are remaining vacant. There is a dearth of qualified personnel at the level of associate professor and professor, as well as scientists at the senior levels. To tide over the shortage of faculty members, we tend to follow the US pattern of adjunct faculty and durational appointment of visiting foreign faculty. While making such lopsided policies whether we realize the infrastructure limitations of the country? The country has about eighty institutes of higher learning in the central sector, barring a few; majority lacks necessary infrastructure, basic amenities, connectivity, transport and communication. Some of them are so remotely located, even the representatives and nominees of the various agencies most of the time buck down their responsibility of visiting them giving poor excuses. If they refrain from visiting such organizations, then how on earth they can comprehend the situations and problems faced by the institutes and do the needful for their growth and development. The '*sob janta*' attitude of some of our decision makers and bureaucrats is indeed a major hindrance for overall improvement of the higher education sector in the country.

## Outreach Education Through Open University and Distance Education

Distance education is a need to reach learners living in remote and inaccessible areas. With the proliferation of media like television, radio, land-line and mobile telephones and internet connectivity,

universities can effectively participate in this endeavour. There is also a need for effective system of infrastructure for delivery of resources like books, research journals, periodicals etc. as support to the distance education may be created. However, the experience so far gained at the national level is far below the expectation in regard to quality, delivery mechanism, job prospect as well as acceptance of products by various sectors. Even the organizations producing such graduates and post graduates do not prefer their products for employment. Moreover, candidates having qualification from the open universities or distance education organizations usually fare poorly in various examinations and interviews. As such, there is a national requirement to assess the performance of such organizations and to develop effective mechanism for their all round quality improvement.

What India needs, whether literacy or education? A nation where 40% of the population lives below the poverty line, education almost remains to be unaffordable task. Out of every year passed out graduate and post graduate students, about 15 – 25% is unemployable. This clearly explains the impact of education in the society, thus the country is simply teaching students 'how to read and write, not how to think and apply', the open universities and distance education systems are simply creating literacy but not education.

## National Knowledge Commission

The Government of India on 13th June, 2005 constituted the National Knowledge Commission to advise policy decisions for making the country knowledge creator and disseminator. The terms of reference of the NKC are:

- Building excellence in the educational system to meet the knowledge challenges of the 21st century and increase India's competitive advantage in knowledge.
- Promote creation of knowledge in science and technology.

- Improve the management of institutions engaged in the intellectual property rights (IPR).
- Promote knowledge application in agriculture, industry and technology.
- Promote the use of knowledge capabilities in making Government an effective, transparent and accountable service provider to the citizens and promote widespread sharing of knowledge to maximize public benefit.

The commission has worked with the sole objective of making the country a global leader in the creation of knowledge, to enhance access to the knowledge, to invigorate knowledge imparting institutions, effective application of knowledge for sustained inclusive growth and knowledge application for public gain. But the politico-administrative systems of this aimless democracy miserably failed to give credence to these streamlined principles and strategies.

## Attributes of a Good College and a Good University

A good university must be able to support the learning process with ongoing research findings. It must have enough qualified teachers, modern buildings with adequate facilities, and the most of all good management. A qualified teacher with proper personality shall have adequate teaching skills in addition to in-depth knowledge in the concerned subject generated through active research works. Nobody can deny the need of standard buildings with adequate high technology facilities, well equipped classrooms, libraries with adequate books and journals, rest rooms and cafeterias for an effective teaching-learning process.

The management of the university shall be student-centric. There must be enough employees to handle administrative tasks. All facilities must be maintained for proper functioning. Adequate security is necessary to ensure safety of university property, employees and

students. It is equally important to maintain cleanliness of the entire university campus.

Universities with frequent revision of curricula, introduction of course credit system, enhancing reliance on internal assessment, encouraging research and reforming governance of institutions, establishing more department based unitary universities and giving greater autonomy to existing institutions, multiple accreditations and student feedback could be better options. Stringent information declaration to provide reliable information to students would ensure better accountability. Infrastructure to be upgraded attracting and retaining talented faculty with salary and parks differentials, greater research opportunity, faculty exchange-programs, allowing professional practice and consultancy. Well-funded scholarships/ fellowships shall be available and affirmative action initiated for taking into account the multi-dimensionality of deprivation. Universities shall dedicate for the cause of research and teaching wherein each and every student is inspired and transformed to become fully knowledgeable. Faculty recruitment shall be on the basis of excellence yesterday-today-tomorrow, to make way for excellence.

## World's Leading Institutions of Higher Learning

The top twenty five universities of the world are Massachusetts Institute of Technology (MIT), Cambridge University, Harvard University, University College of London, Oxford University, Imperial College (Science Technology and Medicine),Yale University, University of Chicago, Princeton University, California Institute of Technology, Columbia University, University of Pennsylvania, Swiss Federal Institute of Technology, Cornell University, Stanford University, Johns Hopkins University, University of Michigan, McGill University, University of Toronto, Duke University, University of Edinburgh, University of California Berkeley, University of Hong

Kong, Australian National University and National University of Singapore. Out of them 14 belong to USA, six to Europe, two to Canada, two to Asia and one Australia.

These institutes possess very good teaching-learning environment with almost all standard infrastructure and other facilities. With their quality and volume of research, they earn sizeable income and reputation worldwide. Research works carried out by these institutions usually determine the trend and opinion. Technologies generated by them bring good dividends with the participation of industry. With students, scholars and faculty from all over the world they effectively represent a true international atmosphere. The ranked universities are the ones that make significant contributions to the advancement of knowledge through research, teaching with the most innovative curricula and pedagogical methods under the most conducive circumstances, make research an integral component of undergraduate teaching, and produce graduates who stand out because of their success in intensely competitive arenas during their education and after graduation.

British magazine Times Higher Education (THE) gives weightage of 55% to research indicators while the teaching environment is given 30%; of this, teaching reputation comprises 15%, which depends on faculty and not students. It should not come as a surprise that not a single Indian university features among the world's top 100 universities.

## Challenges Facing Indian Universities

**Location disadvantage:** Barring few select universities/ institutes, others all established in the last 20-25 years are established in remote places. While appreciating the concern of the Government for giving opportunity to all parts of the country to have access to higher education, but the support provided for their all round

development is very dismal. In addition to lack of infrastructure support like faculty and staff accommodation, hostel, library, laboratory, recreation facility etc; these universities are also suffering from bad road connectivity, lack of transportation, poor communication, and difficulty in getting and retaining quality faculty. Universities situated in such places shall get more financial support for the stated facilities rather those situated in cities.

**Infrastructure and autonomy**: Lack of infrastructure and autonomy are two major impediments to encourage innovations in colleges and universities. Most universities are primarily funded by the government and hence subjected to government regulation and audit. For instance, in case of IITs, about 82% of all operational and capital expenditure comes from the government.

The regulatory bodies like UGC, AICTE, ICAR, ICMR etc. are becoming more authoritative negating the autonomy of universities, which are instituted by public representatives through enactments in the state assemblies or the parliament. The role of such bodies rather being supportive is more of a repressive type. The overlapping multiplicity of such regulatory bodies is another discouraging factor for higher education of the country. In the name of academic improvement, they bring out regulation after regulation which are not only self-contradicting but also very confusing.

The existing legal framework of the governance of Indian universities is based upon a lack of trust on the part of our institutions to be able to do the right thing. Unfortunately, our rules and regulations have reinforced the belief that regulatory control of universities can only ensure quality and maintain high academic standard. But we ought to learn from the past experience of regulating higher education that the more we try to regulate, the more avenues it creates for corruption, abuse of powers and other forms of vested interests. Rules

and Regulations should be transparently enforced with a proper procedure for obtaining the status of a university.

**Political influence:** The multi-party democracy of the country makes inroad to each and every organization/institution and influences almost all administrative and other decisions. Even in the case of faculty appointment, award of contracts for infrastructure development etc. are distorted by the political bosses.

**Groupism and nepotism:** Groupism in respect of territorial coverage of state or a region, cast and community is one of the ugliest trends plaguing universities and other national institutes of the country. Nepotism is rampant in all over the country including the educational organizations. Favouritism is visible in every nook and corner. With the ugly interplay of groupism and nepotism mediated by the bureaucratic governance and indifferent administration, quality becomes a casualty.

**Responsibility:** Every citizen of a country is expected to be responsible, name it a faculty member or administrator. Unfortunately in India, most of the capable individuals buck down the responsibility including those in universities and other institutes. As a result progress of work and quality becomes back benchers.

**Teaching quality and research culture:** Research shall be the priority of universities and also to some extent the undergraduate colleges. Research does help teaching and side by side teaching should contribute to research. The pedagogy of teaching that ought to take place in universities requires a certain degree of threshold knowledge and perspectives on the part of the students. We have not yet envisaged our universities to be embarking on the larger goals of nation building through knowledge creation and research. The emphasis continues to be on teaching, leading to the best of the researchers across disciplines having little or no motivation to work in Indian universities.

Many prefer to work in think-tanks, research institutions, scientific and professional organisations, intergovernmental and non-governmental organisations.

**Institutional teaching and private tutorials:** Bucking down teaching in class rooms and imparting teaching through private tuition to enable passing of students in examinations rather imparting quality education for knowledge creation are prevalent everywhere.

**Rules and pressure tactics:** In the country, 'dada-giri' by majority against accepted rules is a common phenomenon. Associations with their majority and at times with political blessings tend to destabilize the various organizations and institutes including educational institutions for petty causes at the cost of established rules and common causes.

**Private participation:** India should overcome its biases and prejudices primarily because of the fact that universities are private or public institutions. There is a need to assess them on the basis of objective standards relating to the quality of teaching, faculty, research, and capacity building. Higher education in India cannot be reformed if we are not able to develop strong private universities that are truly non-profit, philanthropic and committed to promoting academic freedom.

## Academic Impediments in the Country

Teaching in professional subjects in universities is challenging as retaining talented faculty is difficult as they usually get lucrative career opportunities elsewhere. Introduction of salary differentials, permission for professional practices, easier research grants, and financial benefit for research findings could be explored. Medical education in the country has to be reoriented; rather being symptomatic should be more diagnostic. Research based disease diagnosis and effective treatment should be the order of the day for

better health care, and research has to be integral part of medical education.

Our university system is, in many parts, in a state of despair. Appointments in universities, including that of vice-chancellors are politicised and have become subject to caste and communal considerations, also complaints of favouritism and corruption. As long as we discourage young talent, encourage an obsolete examination system and remain indifferent to research, we will continue to lag behind. Faculty members are known to be appointed on the basis favouritism, community bias, politics and chauvinism. Expert selection committees tend to discourage talent. The norms and standards that western institutions apply for selecting young faculty focus on individualised assessment of potential. In the western world, senior people and administrators make decisions in such a way that the aspirants are assessed on the basis of what they have published, the quality of research they have done, and how passionate they seem about the pursuit of knowledge and teaching. But in India we do just opposite to everything.

In the country trans-disciplinary interest are not given chance to appear in the interview, and those get selected at the time of interview due to lobbies they might belong to. But those independent of personal or intellectual lobbies are the first to be eliminated out. A candidate with strong background and achievements might fail in the on flimsy ground. The selection of the most qualified candidate is dependent on the principled and unbiased authority looking for quality only. Usually with the confusing eligibility norms set by the University Grants Commission, it has become increasingly difficult to get the most qualified candidates as faculty members and the selection committees appointed end up in selecting average candidates affecting the very future of the university.

Teaching is a choice based full time job, but in India teaching is measured in terms of periods. The UGC recommends 18 periods of teaching per week from an assistant professor which is quite reasonable. Similarly, recommended duty hours are also there for associate professors and professors. But, some faculty members, in the name of academic freedom, remain absent without valid ground. If efforts are made to fix duty hours in colleges and universities, pressure builds up against it. It is also true that in the case of dedicated research and teaching, authoritarian compulsions are not at all desirable. We worry about attendance records to keep the student under pressure that may be altogether devoid of intellectual stimulation. Despite attendance norms being stringent, there are classes without much attendance; also cases of attendance without classes. Moreover, undeserving and inferior teachers appointed through backdoor policy make the classrooms suffocating ones. There are many teachers who take the number of periods required, but their classes are clumsy, boring and lifeless.

## Knowledge Environment

Senior faculty members shall engage themselves in teaching fresh UG and PG students to satisfy their inquisitiveness. But a sizeable number of faculty members in the country become unwilling to take undergraduate classes as and when they get senior status. In the country, teaching and research are considered as two separate activities, while teaching is perceived as institutional work, research as a personal agenda for moving upward in the career. Not surprisingly, infrastructure and administrative procedures that might facilitate quality research do not exist. Moreover, with the repressive attitude possessed by so called expert members, the deserving research projects are not considered for the award. Rather communal and state-regional feeling, nepotism, sycophancy, political obligation and

favouritism play the deciding role. In such a suffocating environment research becomes a dead horse. Even, in the case of various awards such considerations are the order of the day.

In an academic institution, the library is the centre of life for teachers and students. But in India, the library is almost a 'ghetto'; in many universities UG students are not even allowed to use the university library. Fund is mostly scanty for subscribing journals and magazines, and the maintenance of available books and journals is neglected. The availability of e-journals is another deterrent of library use.

## Knowledge Through Internet

The internet facility has caused widespread copying facility in the country. The availability of online information has kept faculty members and research students away from the nerve centre library. Rather using the fingertip based information to develop effective strategy to strive for new and in-depth knowledge through systematic research, the facility has been used for plagiarism even by the national level achievers. However, the internet alone cannot be blamed for this crime. Copying and manipulation of research data are two major evils of research throughout the country.

## Establishment of World Class Universities

During the 12th five year plan, the NDC has approved setting up of 14 world-class innovation universities under public-private partnership. This is thought to be a strategy for "brain gain" to attract global talent. Rather making some white elephants on borrowed western world idea, the strategy for establishing universities/institutes of international standard the country may take up (i) grooming of all few universities/institutes in each state/region for innovations in their niche areas, (ii) selection of few of the existing universities/ institutions, and groom them to obtain high standard through

innovations in select fields of academia, (iii) universities on niche areas of regional and national importance and to establish disciplines of research covering such areas, and (iv) creation of educational hubs in select places having national level institutes effecting strong inter-disciplinary research and teaching among them.

None of these strategies would be effective unless the very root causes of academic malice prevalent in the country are uprooted. On the other hand, any one of these strategies is likely to create academic racism and a feeling of second class citizenship. Rather giving emphasis on select universities/institutes, equal grooming could be a better proposition.

If we look at the world's top universities today, they not only took time, but put serious effort to create knowledge and disseminate across the world. With their sustained quality research proven through publications in the best international journals and production of quality students suitable for the leading institutes, organizations, industries and companies they could obtain the status today they are at. The very nature of work culture, appointment and retention of the best faculty, dedicated research and teaching, wide array of courses, full administrative support, as well as provision and maintenance of good infrastructure facility are the driving forces of these standard universities. Of course money matters, but pumping of huge fund would not produce results.

Long-term planning with well-orchestrated implementation has to be taken up with the mission 'for the quality by the quality'. The nation has to give emphasis on school level education as well, and to create tertiary education institutions like poly-techniques, community colleges etc. Universities to achieve quality shall strive for (i) emphasis on research based teaching, training and consultancy, (ii) creation of quality academic environment, (iii) collaboration of all stakeholders,

(iv) self-evaluation, accountability, autonomy, transparency and innovation, (v) quality assurance through periodic assessment and accreditation, (vi) student involvement in quality improvement, (vii) outreaching society at large in developmental activities, (viii) faculty development for quality enhancement, (ix) freedom from administrative logjam, (x) prevention of political pressure, nepotism and favouritism, (xi) adequate funding for research and teaching infrastructure, and (xii) incentives for meritorious teachers and researchers.

## Conclusion

India today could hardly be proud of its academic institutes. This calls for serious review to find out the limitations. We have to ask ourselves, whatever we are doing whether right and justified for the cause of education. The negating issues like corruption, political inkling, nepotism, favouritism etc. should never be allowed to interfere having proper rules and code of conduct. All round quality covering infrastructure, faculty, library, research and teaching shall produce quality manpower and research output. If all negative parameters prevalent in our academia are removed and serious efforts made for progress, world quality would not remain to be unachievable.

## References

01. Towards a Knowledge Society: Three Years of the National Knowledge Commission, Compilation of Recommendations on Education, published by National Knowledge Commission, Government of India, Dharma Marg, Chanakyapuri, New Delhi, 2008.
02. Inclusive and Qualitative Expansion of Higher Education, 12th Five Year Plan, 2012 – 2017, University Grants Commission, Bahadur Shah Zafar Marg, New Delhi.

03. Zeus, L. (2004), Critical Social Theory and Transformative Knowledge: The Functions of Criticism in Quality Education, *Educational Researcher,* August 2004 33: 11-18.

04. Houston, D. (2008), Rethinking quality and improvement in higher education, *Quality Assurance in Education*, Vol. 16 Iss: 1, pp.61-79.

05. Yang Fujian (2008), What Makes a Good University: Thoughts and Suggestions *www.nottingham.ac.uk.*

06. Indian Higher Education and Ranking Standard, B. K. Konwar (2014), *University News* 52(49): 18-24, Dec., ISSN: 0566-2257.

07. Higher Education in Nagaland, B. K. Konwar (2012), *Yojana*, Dec. 5-9, ISSN 0971-400.

08. Empowering Knowledge Institutions for Quality Enhancement, B. K. Konwar (2012), *University News*, AIU, New Delhi.

09. Quality improvement of research and teaching in North Eastern States, Presentation by B. K. Konwar (2013), Oct., NEHU, Shillong.

10. Education and sustainable development, B. K. Konwar (2013). Nagaland University Foundation Day Talk, B. K. Konwar (2013), Sept., Lumami, Zunheboto, Nagaland.

11. Quality Education, B. K. Konwar (2013), 2nd Convocation, Sept., Patkai Christian College (Autonomous), Chumukdema, Nagaland.

12. Capacity building of human resources of the North Eastern states. B. K. Konwar (2014), Workshop organised by V. V. Giri National Labour Institute, New Delhi, 30th July.

13. Promotion and improvement of higher education in North Eastern States of India, B. K. Konwar (2015). 2nd North East Teachers' Congress-2014, National Seminar on "Changing Scenario in Academic Performance & Audit", organised by

University of Science and Technology, Baridua, Meghalaya, January.

14. Higher Education at a Cross Road, B. K. Konwar (2015), 3rd Convocation. June, Patkai Christian College (Autonomous), Chumukdema, Nagaland.
15. Quality Aspects of Higher Education, B. K. Konwar (2015), NAAC sponsored workshop for Quality Improvement in Higher Education, March, SASRD, Medziphema, Nagaland.
16. Globalization and issues of food security, (Keynote talk), B. K. Konwar (2015). National Seminar on 'Globalization, Development and with special reference Environment to North East Region', March, Nagaland University, Lumami, Zunheboto, Nagaland.
17. Research on Resources of North Eastern India for Knowledge Generation and Socio-economic Development, B. K. Konwar (2016), Rajiv Gandhi University, Itanagar, February 2016.
18. Human Resource and Economic Development of North East India, B. K. Konwar (2016), National Seminar on "Human Resource and Economic Development in India: Prospects, Challenges and Strategies", St. Joseph's College, Jakhama, Kohima, 26th August.

● *লিখক নাগালেণ্ড কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ আণৱিক জীৱবিজ্ঞান আৰু জৈৱপ্ৰযুক্তি বিভাগৰ অধ্যাপক।*

❖ কোনো মতবাদক গ্ৰহণ নকৰিও তাৰদ্বাৰা কাম কৰিব পৰাটোৱেই শিক্ষিত লোকৰ বৈশিষ্ট্য।

**—এৰিষ্টটল**

❖ বিশ্বক সলনি কৰি দিবৰ কাৰণে সবাতোকৈ শক্তিশালী যি অস্ত্ৰটো আপুনি ব্যৱহাৰ কৰিব পাৰে, সেয়া হ'ল শিক্ষা।

**—নেলছন মেণ্ডেলা**

# Crisis in Education

**Alak K. Buragohain**

There has been phenomenal growth or more appropriately expansion in education in India in the post independence period. The higher education sector in India is one of the largest in the world– next only to the USA. This is largely the outcome of the nation's emphasis on extending the benefit of education to all the sections of the society in order to bring about an overall development of the country. The number of schools, colleges, universities and other higher education institutes across the country has increased at a pace rarely witnessed in any other nation of comparative standing. At the time of independence there were 30 universities and 695 colleges. In 2017-18, according to the report of the All India Survey of Higher Education, there are 903 universities, 39050 colleges and 10011 stand alone institutions in the country. There was an urgency to produce high quality human resource to build the nation that had become independent after more than hundred years of colonial rule. Years of persecution, oppression and deprivation of the millions led to aspiration for education in a free nation and reposed a huge responsibility on the leadership of the new born country towards fulfilment of such aspirations.

Now seventy years down the line after independence, what we witness and experience is a complex scenario mired in directionlessness, confusion, desperation and frustration. Without going into the details of the indicators of sucess in the field of

education, if we focus on the two fundamental expectations from education, it is not difficult to understand our failure. One of the two basic objectives of education is to enable one to earn a decent livelihood through the knowledge and the skill that education is excepted to provide. The other objective of education is to enable one to live a life of happiness, fulfilment that is deeply rooted in values, sense of fairness and commitment to fellow citizen and humanity at large. On both counts what we witness is appalling. Unemployment amongst the educated is unprecedented. What is of great concern is that unemployment is because of the fact that most of our educated youth are without the required knowledge and skill which make them unemployable. This is a clear indication of the failure of the teaching-learning exercises that are being carried out in the large number of educational institutions– from school to the universities. The data that one obtains from the National Bureau of Crime Record is revealing the complete lack of values amonst the educated youth as reflected in the rising crimes committed by the educated youth, increased addiction to drugs, serious psychological as well as psychiatric maladies amongst the youth and the high rates of suicides amongst them. This is a clear indicator that our education is a failure in as much as to enable our youth to live a healthy life. These are symptoms of serious flaws in our policies, approaches and attitudes that call for deep introspection.

Beginning with the University Educaion Commission in 1948-49 and the famous Kothari Commission in 1964-66, there has been constant effort towards formulation of an appropriate policy on education for a country as vast and diverse as India. While these policy intiatives are sound and worked out with deep insight and prudence, the same cannot be stated with respect to their implementation. Massification of education brought in its wake

massive incongruities and inconsistencies. Lack of professionalism in the teaching-learning process at every level from the primary to the tertiary levels produced large number so called educated youth who possess only a certificate of graduation without the expected knowledge or any skill. The consequence of this is the generation of large numbers of unemployable youth who is a burden to the economy and the society. The craze for higher education has blined the society in identifying the actual aptitudes of the young students. The carreer of the student is decided by market driven societal aspirations, compounded by commercialisation of education. This is creating a huge crisis for the country. As we are painting a rosy picture about the demographic dividend to be reaped in the context of the more than fifty percent population being comprised of young people, there is a real apprehension about a situation which would be otherwise.

Human resource is the most valuable resource for a country. This resource can be harnessed only through education that is imparted imaginatively, scientifically and strategically. Human resource is the only resource that can bring about all round development of the country. The country needs robust mechanism to train teachers for teaching-learning at every level in schools, colleges and in universities. Without professionally trained teacher in pedagogy we shall continue to generate the so called educated youth who are devoid of both knowledge and skill and therefore are of incapable of contributing in any way to their personal development as well as for the growth and prosperity of the nation.

Education is not only required for the nation building process. Education also stimulates the creative, imaginative and innovative minds of the young and this is how new knowledge is generated. The most harmful consequence of our flawed education system is witnessed in our poor performance in today's world and society which

is driven by knowledge and is based on knowledge. This would have far reaching affect in our society as we slip into decadence in every sphere of our activities. The fearful thing is that the society is driven by false sense of aspiration and achievement. We all are denouncing the present education being examination centric and telling about the hollowness of such a system. But until and unless the contextual reality of the society is changed, and institutional transformations are made possible, there is hardly any scope for amelioration of the situation. For this societal attitude and mindset have to undergo radical change. ■

- *লিখক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য আৰু ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ৰ শৈক্ষিক অধ্যক্ষ।*

---

❖ বিজ্ঞানৰ— বা আন যিকোনো বিষয়ৰে বিশেষজ্ঞ গোষ্ঠীয়ে কি কৰি আছে তাৰ অকণো আওভাও যদি জনসাধাৰণে নাপায়, তেন্তে তাৰ পৰিণাম হ'ব এক নতুন 'বিশ্বাসৰ যুগ'লৈ আমাৰ যুগটোৰ প্ৰত্যাৱৰ্তন। মধ্যযুগত জ্ঞান-বিজ্ঞানৰ মধুময় ভাণ্ডটো এচাম মুষ্টিমেয় পণ্ডিতে নিজৰ একচেটিয়া সম্পত্তি কৰি ৰাখিছিল; তাৰ সোৱাদ লাভৰপৰা জনসাধাৰণ বঞ্চিত হৈ আছিল। ফলত মধ্যযুগ হৈ পৰিছিল বিশ্বাসৰ যুগ, এন্ধাৰৰ যুগ। আজিৰ গণতন্ত্ৰৰ যুগত জ্ঞান-বিজ্ঞানক যদি গণতন্ত্ৰীকৰণ কৰা নাযায়, ই যদি কেৱল বিদ্বন্মণ্ডলীৰ গজদন্ত মিনাৰতে বন্দী হৈ থাকে, তেন্তে জনসাধাৰণ ঐহিকভাৱে নহ'লেও অন্ততঃ বৌদ্ধিকভাৱে হৈ পৰিব নিঃস্ব, ৰিক্ত। এনে পৰিণাম ৰোধিব খুজিলে বিজ্ঞানৰ হিৰণ্ময় পাত্ৰৰ ঢাকনি জনসাধাৰণৰ বাবেও খুলি দিয়া প্ৰয়োজন।

**—ড° শিৱনাথ বৰ্মণ**

# অসমৰ পৰ্বত-ভৈয়াম সম্প্ৰীতি

## হেমচন্দ্ৰ শৰ্মা

জাতিৰ সংস্কৃতি আৰু সাহিত্যৰ সৃষ্টিত ভৌগোলিক অৱস্থিতিয়ে কিদৰে সহায় কৰে, সেই কথা W. Schimdtয়ে "The Culture– Historical Method of Ethnology" নামৰ গ্ৰন্থত ভালদৰে আলোচনা কৰিছে। সকলো জাতিৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শিল্প-সাহিত্য, সমাজ ব্যৱস্থা, ধৰ্ম-কৰ্ম, ধ্যান-ধাৰণা, দেহৰ গঠন আদি সকলো ভৌগোলিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে।

অসমৰ স্থিতি ভাৰতৰ পূৰ্ব সীমান্তত। গতিকে অসমৰ লগত অতি প্ৰাচীন কালৰেপৰা ব্ৰহ্মদেশ, ইন্দোচীন, তিব্বত, চীন আদিৰ সংযোগ ঘটা স্বাভাৱিক। এই কথা মহাভাৰত আৰু পুৰাণ আদিয়েও প্ৰমাণ কৰিছে। তাৰ পিছত আহিল এৰিয়ানবোৰ (আৰ্য্যসকল), আৰু অসমখন হ'ল ইণ্ডোমঙ্গোল আৰু ইণ্ডোএৰিয়ান লোকৰ সংগমস্থল। এই বিভিন্ন জাতিৰ লোকসকলৰ ভিতৰত কিছুমানে অসমৰ উত্তৰফালে থকা পৰ্বতমালাত ভোট, অঁকা, ডফলা, মিৰি, মিচিমি, আবৰ নামৰ জাতি হিচাপে, কিছুমানে দক্ষিণফালে থকা লুচাই পাহাৰত মিজো জাতি হিচাপে, আৰু আন কিছুমানে অসমৰ মাজত থকা পাহাৰমালাত গাৰো, ৰাভা, বড়ো, খাচীয়া, জয়ন্তীয়া, নগা আদি জাতি হিচাপে থাকিবলৈ লয়, আৰু বাকীবোৰে অসমৰ ভৈয়ামতে বাস কৰিলে। গতিকে অসমৰ সংস্কৃতি আৰু সাহিত্য কেনে ধৰণৰ হব পাৰে বাৰু?

এইটো কথা সত্য যে, ইণ্ডোমঙ্গোল বা মঙ্গোলসকলে অসমত বহু দিন ধৰি শাসনকাৰ্য্য চলাইছিল। তেওঁলোকৰ বহুতেই এতিয়াও ভৈয়ামৰ জনজাতীয় লোক বুলি জনাজাত। মঙ্গোলসকলৰ লগত ইণ্ডোএৰিয়ান সকলৰ দীৰ্ঘস্থায়ী সংস্পৰ্শৰ ফলতেই অসমত এটা বৈশিষ্ট্যপূৰ্ণ, মিশ্ৰিত কৃষ্টিসভ্যতাৰ সৃষ্টি হ'ল আৰু সেয়া গ্ৰহণ কৰিলে ভৈয়ামৰ জনজাতীয় লোকসকলে। তেতিয়াৰেপৰা অসমৰ ভৈয়ামৰ জনজাতীয় আৰু আন আন স্থানীয় অজনজাতীয় লোকসকলৰ মাজত পাৰস্পৰিক উপলব্ধিৰ ধাৰা গ্ৰহণ কৰা হ'ল। ভৈয়ামৰ জনজাতীয়সকলৰ উপৰিও অসমৰ ভৈয়ামত স্থায়ীভাৱে বাস কৰা গাৰো, ৰাভা, মিকিৰ, মিৰি, লালুং আদি পাৰ্বত্য জনজাতীয় লোকসকলে অসমৰ পৰ্বত আৰু ভৈয়ামত বাস কৰা জনগণৰ মাজত এটি অতি আপোন যোগসূত্ৰ স্থাপন কৰিলে।

## অসমৰ পৰ্বত-ভৈয়াম সম্প্ৰীতি

আমি অসমীয়া মানুহ এই জনজাতীয় আৰু অজনজাতীয় লোকেৰে গঠিত। জনজাতীয় ভাইসকলে আমাৰ জীৱননিৰ্বাহ পদ্ধতি, ভাষা, আৰু কৃষ্টিৰ ভালেখিনি মুকলিভাৱে গ্ৰহণ কৰিছে। আমিও একেদৰে তেওঁলোকৰ বহু ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ অনুষ্ঠান আদি গ্ৰহণ কৰিছোঁহক। সেই সময়ত ভৈয়ামৰ মানুহৰ লগত সম্বন্ধ স্থাপন কৰি পাহাৰীয়া লোকসকলে বেহাবেপাৰ আৰু অন্যান্য কাৰণে ভৈয়ামলৈ নামি আহিছিল আৰু বন্ধুত্বৰ এনাজৰীডাল সদায় ৰক্ষা কৰা হৈছিল।

এতিয়া অসমৰ জনজাতীয় আৰু অজনজাতীয় লোকসকলৰ মাজত কোন কোন বিষয়ত মিল আছে ফঁহিয়াই চোৱা যাওক।

১) **ভাষা ঃ** অসমীয়া ভাষা সংস্কৃত, পাৰ্ছী আৰু জনজাতীয় ভাষাৰ শব্দৰে পৰিপুষ্ট। জনজাতীয় ভাষাৰ শব্দৰ ভিতৰত খাচী, কোল, মালয়, তিব্বত-বৰ্মী, বড়ো আদিৰ ভাষাৰ শব্দই বেছি। খাচী ভাষাৰ পৰা অহা শব্দ— কিংখাপ, খং, ডিঙ্গা, জেং, জপা, জঞ্জলি, জহা, মেথোন, নোদোকা ইত্যাদি। কোলমুণ্ডাৰীৰ লগত মিল থকা শব্দ আটোমটোকাৰি, ভঙ্গুৰা, জুনা (জুনানাম), লাটুম, ভোদা, ঢোপ, গোহাৰি, তেজপিয়া ইত্যাদি। মালয়ৰ লগত মিল থকা শব্দ— বগা, বোকা, আঁচুসূতা, বিলাক, গাহৰি, লাওপানী ইত্যাদি। বড়ো ভাষাৰ পৰা অহা শব্দ হাফলু, জখলা, জোং, হোজা, হেঙ্গাৰ, হাঁওফাওঁ, চাং, লাওখোলা, শিলিখা, ডাউক ইত্যাদি। ইয়াৰপৰা আমি ভালদৰে বুজিব পাৰিলোঁ যে ভাষাৰ ক্ষেত্ৰত জনজাতীয় আৰু অজনজাতীয় লোকসকলৰ মাজত যথেষ্ট মিল আছে।

২) **জাতীয় উৎসৱ ঃ** জাতীয় উৎসৱৰ ক্ষেত্ৰতো অসমৰ জনজাতীয় আৰু অজনজাতীয় লোকসকলৰ মাজত যথেষ্ট মিল থকা দেখা যায়। উদাহৰণ স্বৰূপে অসমীয়াৰ বিহু। এই বিহু অসমীয়া অজনজাতীয় লোকৰ এটা ডাঙৰ উৎসৱ। ঋতু পৰিৱৰ্তন প্ৰকৃতিৰ সহজাত চিৰন্তন সত্য। এই সত্যৰ জালিকটাইদি নিগৰি পৰা অভিজ্ঞতাৰ জিলিঙনি বুটলি আনি গীতৰ ধ্বনিত, নৃত্যৰ লহৰত আদিম সমাজে অন্তৰৰ পুঞ্জীভূত অনুভূতিৰাশি প্ৰকাশ কৰিছিল। আমাৰ ৰঙালী বিহু এনে এটা উদ্দীপনাৰেই প্ৰকাশ। সেই সময়ত পৃথিৱীখন গাভৰু হয়। সন্তান উৎপাদনৰ কাৰণে যেনেকৈ নাৰীৰ লগত নিগূঢ়ভাৱে চিনাকি হ'ব লাগে, সেইদৰে পৃথিৱীক শস্যসম্ভৱা কৰিবলৈ হ'লেও প্ৰকৃতিৰ লগত মানুহ চিনাকি হ'ব লাগিব। সেই কাৰণেই দেখা যায়, আদিম মানুহে আনকি নিজৰ যৌন অভিজ্ঞতা প্ৰকৃতিৰ বুকুত আৰোপ কৰিছিল। গতিকে এই উৎসৱৰ লগতে প্ৰায় মিলন আৰু যৌন সম্পৰ্কসূচক নৃত্যগীতৰ সংযোজন কৰাটো অপৰিহাৰ্য্য হৈ পৰিছিল। আমাৰ ৰঙালী বিহু উৎসৱৰ লগত আন আন

জনজাতীয় ভাইসকলৰ জাতীয় উৎসৱ কিছুমানৰ হুবহু মিল থকা দেখা যায়। যেনে— ৰাভা জনজাতীয়সকলৰ "বায়খু" উৎসৱ। তেওঁলোকৰ এই উৎসৱো আমাৰ ৰঙালী বিহুৰ সময়তে হয় আৰু একে উদ্দেশ্যেই পাতে, মিলন আৰু যৌন সম্পৰ্কসূচক নৃত্য-গীতৰ সংযোজনা কৰে। উদাহৰণস্বৰূপে এটা গীত—

আমাৰ বিহুগীত— "হাঁহ হৈ চৰিমগৈ তোমাৰে পুখুৰীত
পাৰ হৈ পৰিমগৈ ছালত
ঘাম হৈ সোমামগৈ তোমাৰে শৰীৰত
মাখি হৈ চুমা দিম গালত।"

বায়খু (ছাথাৰ) গীত— "ই পুৰুং মানচাইকা
আৰো পুৰুং ৰানো
পাখি পৈয়ান চাঙেয়ান
কামকাই জোৰা ৰানো।"

বায়খু নৃত্যতো আমাৰ বিহুৰদৰে দল বান্ধি নাচে। মিৰি জাতিৰ বসন্ত উৎসৱ "আলি আয়য়ে লৃগাং" আৰু "নৰাছিগা বিহু"ৰ লগতো আমাৰ বিহুৰ যথেষ্ট সাদৃশ্য আছে। এই উৎসৱতো আমাৰ বিহুৰ নিচিনাকৈ তেওঁলোকৰ ডেকা-গাভৰুৰ মাজত ভাৱৰ আদান-প্ৰদান হয়। উদাহৰণস্বৰূপে এটা গীত—

আলি আয়য়ে লৃগাং গীত— "আৰিক্ ইলাই কাপিয়েন্
ৰিক্চেং ইলাই কাপিয়েন্
মেনাম্ ঐনম্ পামামিল
তুৰৰা দুলাই কাপিয়েন্।"

বিহুগীত— "হাবি কাটি কি কৰিম
খেতি কৰি কি কৰিম
তোমাক চেনাই নেপালে
জীয়াই থাকি কি কৰিম।"

"নৰাছিগা বিহু"ক অৱশ্যে আমাৰ "ভোগালী বিহু"ৰ লগতো তুলনা কৰিব পাৰি। কাৰণ আমি যেনেকৈ পুহ মাহত শালিধান আৰু আন আন শস্য চপাই পুহ মাহৰ সংক্ৰান্তিত ভোগালী বিহু পাতি নতুন শস্যৰদ্বাৰা তৈয়াৰ কৰা বিভিন্ন ধৰণৰ বস্তু খাওঁ, তেওঁলোকেও আহিন-কাতি মাহৰ সংক্ৰান্তিত আহুধান চপাই ৰাজহুৱাভাৱে ভোজভাত খোৱাৰ দিহা কৰে। লগতে ৰং-ধেমালি আৰু নাচ-গানো কৰে। নগাসকলৰ "চেক্ৰোন্য" আৰু খাচীসকলৰ "নংক্ৰেম" উৎসৱ আমাৰ

ৰঙালী বিহুৰ নিচিনা। আঙ্গামী নগাসকলৰ উৎসৱ "তেৰপুনি"ৰ লগত আমাৰ ভোগালী বিহুৰ তুলনা কৰিব পাৰি। এইদৰে জাতীয় উৎসৱতো অসমৰ জনজাতীয় আৰু অজনজাতীয় লোকসকলৰ মাজত যথেষ্ট সম্পৰ্ক থকা দেখা যায়।

৩) **সমাজ ব্যৱস্থা ঃ** সমাজ ব্যৱস্থাৰ ভিতৰত বিবাহ প্ৰথাটো এটা লেখত ল'বলগীয়া ব্যৱস্থা। এই বিবাহ প্ৰথাটোতো জনজাতীয় আৰু অজনজাতীয় লোকসকলৰ কিছু কিছু মিল থকা দেখা যায়। হিন্দুসকলৰ বিবাহ আঠ প্ৰকাৰ ব্ৰাহ্ম, দৈৱ, আৰ্য্য, প্ৰজাপত্য, আসুৰ, গন্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ। ইয়াৰ প্ৰথম চাৰিবিধ সম্ভৱতঃ প্ৰাচীন, আৰু বাকী চাৰিবিধ জনজাতীয়সকলৰ মাজত প্ৰচলিত প্ৰথাক আৰ্য্যকৰণ কৰা হৈছে। ছোৱালী পলুৱাই বিয়া কৰোৱা প্ৰথা ৰাক্ষস আৰু পৈশাচৰ ভিতৰত পৰিছে। অসমীয়া বিয়াত হেঙ্গাৰ ধৰা বা দৰা আগছা নিয়ম আদিও ৰাক্ষস আৰু পৈশাচ বিবাহৰপৰা অহা।

ইয়াৰ উপৰিও পৰ্বত-পাহাৰ, গছ-গছনি, দেৱ-দেৱীৰ পূজা আদি বা অইন আচাৰ-নীতি কিছুমানতো জনজাতীয় আৰু অজনজাতীয়সকলৰ মাজত বহুত ক্ষেত্ৰত মিল আছে। হিন্দু ধৰ্মত মৃতকৰ উদ্দেশ্যে পিণ্ডদানৰ বিধি-ব্যৱস্থা, আৰু মৃতকৰ সৎকাৰ কৰা স্থানত অসমীয়া হিন্দুৱে বাঁহ বা জেং এডালকৈ পোতাৰ ব্যৱস্থা আছে। আমাৰ জনজাতীয় ভাইসকলৰ কিছুমানৰ মাজতো এনে ধৰণৰ ব্যৱস্থা আছে। তেওঁলোকে আজিও মৃতকৰ উদ্দেশ্যে টোপোলা বান্ধি খোৱা বস্তু উচৰ্গা কৰে আৰু মৃতকৰ সৎকাৰ কৰা স্থানত একোটা ডাঙৰ শিল থিয়কৈ পোতে। এতিয়াও খাচীয়া পাহাৰত এনে ধৰণৰ বহুতো শিল আছে। জনজাতীয় লোকৰ কিছুমানৰ বাঁহৰ চুঙাত ভাত ৰান্ধি খোৱা আৰু কোমল বাঁহৰ আঞ্জা খোৱা নিয়ম আমাৰ অজনজাতীয় সকলৰ চুঙাপিঠা আৰু গাজটেঙা বা পকাখৰিচাৰ লগত মিলে। বাঁহপূজা কৰা নিয়ম অজনজাতীয় আৰু জনজাতীয় লোকৰ মাজত প্ৰচলিত আছে। শনিবাৰে আৰু মঙ্গলবাৰে বাঁহ কাটিব নোৱৰা নিৰ্দেশত সেই কথা লুকাই আছে। ৰঙালী বিহুৰ সময়ত বাঁহৰপৰা 'পাৰ কৰা প্ৰথা'ও বাঁহপূজাৰ ৰূপান্তৰ মাথোন। আমাৰ সাপপূজা "মনসাপূজা"ৰ লগত খাচীসকলৰ সাপপূজা "উথলেন" পূজাৰ যথেষ্ট মিল আছে।

তদুপৰি বাদ্যযন্ত্ৰৰ ভিতৰত ডবা, ভোৰতাল, টকা, গগনা, চিফুং, বাঁহী আদি, আৰু নাচৰ ভিতৰত দেওধানী, দেৱদাসী, জুনা (জুনা নাম বৈষ্ণৱ যুগৰপৰা) আদিৰ লগত অজনজাতীয় আৰু জনজাতীয়সকলৰ মাজত যথেষ্ট মিল আছে।

ইত্যাদি প্ৰকাৰে আমি দেখিবলৈ পাওঁ যে, জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজত আদি পূৰ্বৰপৰাই যথেষ্ট মিল আছিল। অসমীয়া ৰাইজে এনেধৰণৰ যোগসূত্ৰ

খাচী, গাৰো, ভুটীয়া, ডফলা, আবৰ, মিচিমি, আদিৰ লগত বৃটিছ শাসনৰ আগলৈকে ৰক্ষা কৰিছিল।

কিন্তু পিছলৈ বৃটিছ আৰু বিদেশী পাদুৰী চাহাবৰ কাৰ্য্যকলাপে পাহাৰৰ জনজাতীয় ভাইসকলক ভৈয়ামৰ ভাই-ককাইসকলৰ পৰা পৃথক কৰি দিলে। বৃটিছ চৰকাৰৰ ৰুদ্ধদ্বাৰ নীতিয়ে জনজাতীয় অঞ্চলসমূহক জাতীয়তাৰ প্ৰভাৱৰপৰা আঁতৰাই ৰাখিছিল। ভাৰত তথা অসমৰ জনসাধাৰণৰপৰা জনজাতীয় ভাইসকলক পৃথক আৰু অকলশৰীয়াকৈ ৰখাৰ মূলতে আছিল বৃটিছ চৰকাৰে এই অঞ্চলসমূহত তেওঁলোকৰ প্ৰতিপত্তি বিস্তাৰ কৰা; আৰু তেওঁলোকৰ বিভেদ নীতিয়ে জনসাধাৰণৰ বিভিন্ন ভাগসমূহৰ মাজত অনৈক্যৰ সৃষ্টি কৰি দিছিল। এনেকৈ যেতিয়া মানুহৰ দুটা নিচেই চুবুৰীয়া গোটক কৃত্ৰিম প্ৰাচীৰেৰে অৰ্থনৈতিক, সামাজিক নাইবা ৰাজনৈতিক ক্ষেত্ৰত বহুদিন ধৰি পৃথক কৰি ৰখা হয়, তেতিয়া দুয়োটা গোটৰ ভিতৰত কিছু নহয় কিছু সন্দেহ আৰু অবিশ্বাসৰ সৃষ্টি আৰু বিকাশ ঘটাটো স্বাভাৱিক। অসমৰ ক্ষেত্ৰতো সেইটো হৈ পৰিল। অজনজাতীয়সকলৰ-পৰা জনজাতীয় ভাইসকল পৃথক হৈ পৰিল। তেওঁলোকে সুকীয়া পাৰ্বত্য ৰাজ্য, সুকীয়া ভাষা, আনকি নিজা বিশ্ববিদ্যালয় লাগে বুলি দাবী কৰিবলৈ ধৰিলে। আৰু বৰ্তমান তেওঁলোকৰ দুই-এটা জাতিয়ে সম্ভৱতঃ কোনোবা পৰৰাষ্ট্ৰৰ প্ৰৰোচনাত অসম তথা ভাৰত চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিবলৈও প্ৰয়াস কৰিছে।

এতিয়া দৰকাৰী কথা হ'ল অসমৰ এই ভৈয়ামৰ অজনজাতীয় আৰু পৰ্বতৰ জনজাতীয় লোকসকলৰ বৃটিছ শাসনৰ কুফলত হেৰোৱা পূৰ্বৰ সেই ঐক্য আৰু সম্প্ৰীতিৰ ভাৱ ঘূৰাই অনাটো। মাদ্ৰাজৰ ভূতপূৰ্ব ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধিয়েও, প্ৰথম বছৰৰ ৮০তম সংখ্যা 'অসম বাতৰি'ত প্ৰকাশ হোৱা "পৰ্বত ভৈয়াম সম্প্ৰীতি" নামৰ তেখেতৰ প্ৰবন্ধত উল্লেখ কৰিছে যে, ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুচ্ছেদত উল্লেখ কৰা মতে ভাৰতৰ পাহাৰীয়া অঞ্চলসমূহ ভৈয়ামৰ লগত চামিল কৰিব লাগে।

কিন্তু কথা হ'ল— কি কি উপায়েৰে অসমৰ পাহাৰীয়া অঞ্চলসমূহ ভৈয়ামৰ লগত চামিল কৰিব পাৰি, আৰু পাহাৰৰ জনজাতীয় লোকসকলৰ আৰু ভৈয়ামৰ অজনজাতীয় লোকসকলৰ মাজত সম্প্ৰীত ঘূৰাই আনিব পাৰি।

এই ক্ষেত্ৰত বোধহয় একমাত্ৰ যুক্তিপূৰ্ণ ব্যৱস্থা হ'ব পাহাৰীয়া অঞ্চলসমূহ সম্পূৰ্ণৰূপে উন্নত হ'লে, সেইবোৰক ক্ৰমে ভৈয়ামৰ লগত চামিল কৰা। তেনে কৰোঁতে, তেওঁলোকৰ ঐতিহ্য, জীৱননিৰ্বাহ পদ্ধতি, আচাৰ-ব্যৱহাৰ, নিয়ম-নীতিৰ আদিত হস্তক্ষেপ কৰিব নেলাগিব, নাইবা তেওঁলোকে বেয়াপোৱা কোনো ব্যৱস্থাকে জাপি দিব নেলাগিব।

## অসমৰ পৰ্বত-ভৈয়াম সম্প্ৰীতি

পাহাৰীয়া অঞ্চলৰ শিক্ষা-দীক্ষা, চিকিৎসা আদিৰ সা-সুবিধা, আৰু এই অঞ্চলসমূহত বাস কৰা লোকসকলৰ মন আকৰ্ষণ কৰিব পৰাকৈ খনিজ আৰু প্ৰাকৃতিক সম্পদসমূহ আহৰণ কৰিব লাগিব। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত মনোযোগ দি তেওঁলোকৰ মাজত অসমীয়া মাধ্যমৰ স্কুল স্থাপন কৰি দিব লাগিব। কিছুমান আৱশ্যকীয় কিতাপ তেওঁলোকৰ ভাষালৈ অনুবাদ কৰিব লাগিব, আৰু অসমীয়া ভাষা তেওঁলোকে যাতে অতি সহজে শিকিব পাৰে তাৰ বাবে প্ৰচাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। পাহাৰবোৰৰ বৈশিষ্ট্যপূৰ্ণ অৱস্থাৰ লগত খাপ খোৱাকৈ বৈজ্ঞানিক কৃষিপদ্ধতিৰ সৃষ্টি, আৰু নতুন নতুন শস্যৰ উৎপাদন কৰিব লাগিব। আৰু এই অঞ্চলবোৰত উৎপন্ন হোৱা বস্তুৰ আচল বজাৰত ভৈয়ামৰ অঞ্চলসমূহৰ লগত মিলা-প্ৰীতিৰে বেহা-বেপাৰ কৰিব লাগিব।

শেষত আমি এটা কথা নকৈ থাকিব নোৱাৰোঁ যে, পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ ভাৱ আৰু বেছি গাঢ় হ'ব বোধহয় বৈবাহিক সম্বন্ধেৰে। কিন্তু এই ক্ষেত্ৰত আমাৰ সঙ্কীৰ্ণ মনোভাৱে হ'ল একমাত্ৰ অন্তৰায়। আমি এই সঙ্কীৰ্ণ মনোভাৱ আঁতৰাব লাগিব। কটকটীয়া জাতিভেদ প্ৰথাকো আওকাণ কৰি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে তেওঁৰ ভতিজা জীয়ৰী ভুৱনেশ্বৰী আইদেউক কোঁচ বংশজাত চিলাৰায় দেৱানলৈ বিয়া দি ৫০০ বছৰ আগেয়ে যি আদৰ্শৰ বাট দেখুৱাই থৈ গৈছে, সেই মহাপুৰুষৰ দেশত আজিও আন্তঃসাম্প্ৰদায়িক বিবাহ নোহোৱা, বা সম্পূৰ্ণ কাৰ্য্যকৰী নোহোৱাটোৱে আমাৰ মনবোৰ কিমান সঙ্কীৰ্ণ, কিমান পিছপৰা, তাৰ ইঙ্গিত দিয়ে। গতিকে পৰ্বত-ভৈয়ামৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন কৰাটো কিমান জটিল হ'ব পাৰে, সেইটো সহজে অনুমেয়। কিন্তু সমূহীয়া প্ৰচেষ্টাৰদ্বাৰা ইও সম্ভৱ হ'ব পাৰে। আৰু তাৰ গুৰি ধৰিব লাগিব আমাৰ সাহিত্যিকসকলে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱে তেখেতৰ "ইয়াৰুইঙ্গম" নামৰ বিখ্যাত উপন্যাসত জীৱন মাষ্টৰৰ চৰিত্ৰৰ জৰিয়তে পৰ্বত-ভৈয়াম সম্প্ৰীতি স্থাপনত বৈবাহিক সম্বন্ধৰ গুৰুত্ব উপলব্ধি কৰি তাক সুন্দৰভাৱে প্ৰচাৰ কৰিছে। এইদৰে আন আন সম্বন্ধৰ লগতে ভৈয়ামৰ লোকসকলে যদি পৰ্বতৰ লোকসকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰে, তেন্তে পৰ্বত-ভৈয়াম সম্প্ৰীতি আৰু যে গাঢ় হ'ব তাত অকণো দ্বিধা ভাৱ নাই।

সদৌ শেষত, আমাৰ অসমৰ ৰাইজৰ প্ৰধান কৰ্তব্য হ'ব এইটো যে, এখন নতুন অসম গঢ়িবলৈ পাহাৰ আৰু ভৈয়ামৰ ৰাইজে তেওঁলোকৰ মাজৰ বন্ধুত্বৰ এনাজৰীডাল সবল কৰি তুলিব লাগিব। পাহাৰ-ভৈয়ামৰ ৰাইজে একেলগে জাতীয় ঐক্য, উন্নতি আৰু সকলোৰে বাবে সুখৰ জীৱন গঢ়াৰ চেষ্টা কৰিব লাগিব। ■

*('অসমবাণী'ত প্ৰকাশিত)*

# সোণালী ধাননি সেউজীয়া কুঁহি

## হেমচন্দ্ৰ শৰ্মা

(ৰমেশ নামৰ ল'ৰা এজনে অলপতে জাপানৰপৰা ধানখেতিৰ বিষয়ে কিছু শিকি ঘৰলৈ উভতি আহিছে। তেওঁৰে খবৰ লওঁ বুলি গাঁৱৰ গাঁওবুঢ়াই বলোৰাম নামৰ মানুহ এজনক লগত লৈ ৰমেশক লগ ধৰিবলৈ গধূলি পৰত তেওঁলোকৰ ঘৰলৈ আহিছে। সেই বিষয়ে এটি কথিকা।)

**গাঁওবুঢ়া**— অ' বাপু ৰমেশ, ঘৰত আছনা। অ' বাপু ৰমেশ!

**ৰমেশ**— অ' গাঁওবুঢ়াকা দেখোন। আহা আহা। এ— মই আজি তোমালোকৰ পিনে যাম বুলি ভাবিছিলোঁৱেই। বাৰু! বহা বহা। বোলো এবাৰ গাঁওখনো ঘূৰি-পকি চাওঁ আৰু দুই-এঘৰ ইষ্ট-কুটম্বৰ ঘৰলৈও যাওঁ। পিছে তোমালোক আহিলাই। ভালেই হ'ল। আজি দুবছৰে তোমালোকক দেখা নাই। মই যেন কোনোবা এখন বেলেগ সংসাৰত আছিলোঁ।

**গাঁওবুঢ়া**— এহ বাপু, বেলেগ সংসাৰতেতো আছিলাদে। পিৰ্থিবীৰ সিমূৰলৈ গৈছিলা যাতে বেলেগ সংসাৰ নহয় যিনো কি? না কিহে বলো?

**বলোৰাম**— অ' নহয় যিনো কি।

**ৰমেশ**— অ পিছে তোমালোকৰ খবৰ কেনে? ভালতো? অ' বাপুকাই, বাপুকাই। (বাপুৰাম ৰমেশহঁতৰ লগুৱা)।

**বাপুকাই**— গৈছোঁ।

**ৰমেশ**— আমালোকক একো পিয়লাকৈ চাহ দেছোন।

**বাপুকাই**— ভাল বাৰু।

**গাঁওবুঢ়া**— আমাৰনো ক'ৰবাত কোনবাদিনা ভাল হ'বনে? আজি বোলে ইটো হ'ল, কালি বোলে সিটো হ'ল।

**বলোৰাম**— তুমি ঠিকেই কৈছা গাঁওবুঢ়া। আজি বোলে ল'ৰা-ছোৱালীৰ বেমাৰ, কালি বোলে বানপানী ইত্যাদিকৈ বাৰ মাহত তেৰটা লেঠা।

**ৰমেশ**— বানপানীৰ কথা মই তাত থাকোতেই কাকতত পাইছিলোঁ। খুব ডাঙৰ পানী হৈছিল নহয়?

## সোণালী ধাননি সেউজীয়া কুঁহি

**গাঁওবুঢ়া**— অ' বাপু তোমালোকৰ ঘৰৰ ভিতৰতে এক আঁঠু পানী। আমাৰতো কথাই নাই। একেবাৰে মূধৰ ওপৰেদি পানী বাগৰি গৈছিল।

**ৰমেশ**— এৰা কিনো ক'বা। সেই সকলোবোৰ প্ৰাকৃতিক দুৰ্য্যোগ বুলি ক'ব লাগিব।

**গাঁওবুঢ়া**— পিছে বাপু! তুমিনো এই দুবছৰে বিলাতত কি শিকিলা? হেলা নকৰি যদি আমাক অলপ কোৱা।

**ৰমেশ**— এ, ককাই কিনো ক'ম। অলপ-অচৰপ ধানখেতিৰ বিষয়ে শিকি আহিলোঁ।

**বলোৰাম**— অ' আজিৰ যুগত এনে বিদ্যাই শিকিব লাগে।

**গাঁওবুঢ়া**— ভাল হ'লদে বাপু। আমি খেতিয়ক মানুহ হিচাপে তোমাৰপৰা কিবা অলপ শিকিব পাৰিলেও কিমান উপকাৰ হ'ব। আজি কিমান বছৰে ধানৰ বেমাৰ। বানপানীয়ে যি নষ্ট কৰে কৰেই। তদুপৰি আজি কি ইবিধ পোক, কালি কি সিবিধ পোকে ধৰি ধানবোৰ একেবাৰে নষ্ট কৰিব ধৰিছে। আমাক একেবাৰে উঠিবলৈ দিয়া নাই। ইয়াৰ কিবা ঔষধ-পাতি জানা যদি আমাক অলপ দিহা-পৰামৰ্শ দি উদ্ধাৰ নকৰিলে আমাৰ বৰ বিপদ হৈছে বাপু।

**ৰমেশ**— বাৰু, তোমালোকক ধানৰ প্ৰধান শত্ৰু কিছুমানৰ বিষয়ে ক'ম।

**দুয়ো**— ভাল, কোৱাচোন বাপু।

**ৰমেশ**— আমাৰ দেশত প্ৰায় ৩০ বিধমান ধানৰ পোক আছে। এই পোকবোৰৰ কিছুমান স্থায়ী আৰু কিছুমান সময় লৈ লৈ ওলায়। এই পোকবোৰ জাকপাতি খেতিৰ ওপৰত পৰে আৰু সেউজীয়া ধাননি খাই তেনেই নষ্ট কৰে।

**দুয়ো**— অহে, তুমি ঠিকেই কৈছা।

**গাঁওবুঢ়া**— এইবাৰ মোৰ সেই জানৰ পাৰৰ মাটিখিনিত খুব ভাল ধান হৈছিল। পিছে ফুলিবৰ সময়তে কিবা এবিধ পোক পৰি একেবাৰে চব নষ্ট কৰিছে।

**বলোৰাম**— বাৰু, ইয়াক নোহোৱা কৰাৰ কিবা উপায় আছেনে? (পঞ্চায়তৰ সভাপতি লক্ষীধৰে মাতে)

**লক্ষ্মীধৰ**— অ' ৰমেশ! (চাইকেলৰ বেলৰ শব্দ) ৰমেশ! (চাইকেলৰ বেলৰ শব্দ)

**ৰমেশ**— কোন? অ' ককাইদেউ দেখোন। ক'ৰপৰা আহিল? আহক, আহক, বহক।

**লক্ষ্মীধৰ**— বোলো আমাৰ ৰমেশ...। এ গাঁওবুঢ়াও দেখোন।

**গাঁওবুঢ়া**— হয়। আমিও এইফালে আহিছোঁ। পিছে আপুনি...।

**লক্ষ্মীধৰ**— ৰমেশ বাপু বিলাতৰ পৰা আহিল। কিনো কৰিছে, বিলাতত বা কি দেখিলে, কি শিকিলে তাৰে খবৰ-বাতৰিকে লৈ আহোঁ বুলি আহিলোঁ।

**ৰমেশ**— শিকিবনো কি? শিকোঁ বুলিলেতো এটা জীৱনত শিকি শেষেই কৰিব নোৱাৰি। তথাপি যি অলপ শিকিছোঁ, তাকেই তেওঁলোকৰ আগত ক'ম বুলি ভাবিছোঁ। পিছে আপোনালোকৰ পঞ্চায়তৰ খবৰ কেনে? চলিছে নে একৰকম?

**লক্ষ্মীধৰ**— কিনো ক'বা আমাৰ পঞ্চায়তৰ ভেকোভাওঁনা। আজি বোলে এইখিনি কৰা হওক, কালি বোলে সেইটোৰে কৰা হওক, আন এজনে আহি আকৌ ক'ব— নহয় এইটোহে কৰিব লাগে। ইত্যাদি। (তেনেতে বাপুৰামে চাহ দি যোৱাৰ শব্দ)

**ৰমেশ**— আৰু একাপ আন গৈ যা।

**গাঁওবুঢ়া**— অ' পিছে কি হ'ল বাপু।

**ৰমেশ**— জানো কোনখিনিত এৰিলোঁ। ...অ' পিছে এই পোকবোৰৰ বিষয়ে মই আজি তোমালোকক কৈ শেষ কৰিব নোৱাৰিম। মাত্র ৫/৬ বিধমানৰ বিষয়েহে ক'ম। (বাপুৰামে আকৌ একাপ চাহ দিয়াৰ শব্দ)।

**ৰমেশ**— এ চাহ খাওঁক, ঠাণ্ডা হ'ল। (আটাইবোৰে চাহ খোৱাৰ লগতে ৰমেশে কৈ যায়) তাৰে এবিধৰ নাম হৈছে— 'ছোৱার্মিং কেটাৰপিলাৰ'। এইবোৰ পোক বৰ দুষ্ট প্ৰকৃতিৰ। ইহঁত দিনত লুকাই থাকে, আৰু ৰাতি হ'লে ধানগছৰ পাতবোৰ খাই সাং কৰে। সেই কাৰণে যেতিয়ালৈকে বেছিকৈ পাত নাখায়, তেতিয়ালৈকে আমি ধৰিবই নোৱাৰোঁ। বেছিকৈ পাত খালেহে আমি ধানত পোকে ধৰা বুলি গম পাওঁ। ইহঁতে ইখনৰপৰা সিখনকৈ ধানৰ পথাৰ খাই শেষ কৰে। সেই কাৰণে ইহঁতক 'আৰ্মি ওৱাৰ্মছো' বোলে।

**দুয়ো**— ইয়াক নোহোৱা কৰাৰ কিবা উপায় আছেনে বাপু?

**ৰমেশ**— নিশ্চয় আছে। তোমালোকে ডি. ডি. টি.ৰ নাম শুনিছা নহয়?

**লক্ষ্মীধৰ**— এই যে মহ নিবাৰণৰ কাৰণে দিয়ে সেই ডি. ডি. টি.?

**ৰমেশ**— হয় সেই ডি. ডি. টি.য়েই। পোকে ধৰা ধাননিৰ ওপৰত ছটিয়াই দিলে এই পোকৰ পৰা সহজে হাত সাৰিব পাৰি। ৯৯.৮ ভাগ পানীৰ লগত ০.২ ভাগ ডি. ডি. টি. লৈ ভালদৰে মিহলাই ধাননিৰ ওপৰত ছটিয়াই দিব লাগে।

**দুয়ো**— ওঁ ওঁ।

**লক্ষ্মীধৰ**— কিহেৰে ছটিয়াই দিব লাগে?

**ৰমেশ**— পাম্পেৰে।... আন এবিধ হৈছে 'বাগ'। ইয়াক আমি গান্ধীপোক বুলিও কওঁ।

**লক্ষ্মীধৰ**— হয়হে। এইবিধ পোকৰ কাৰণে বৰ জুলুম হ'বলগা হৈছে।

**ৰমেশ**— ইহঁতৰ ডাঙৰবোৰ সেউজীয়া ৰঙৰ। ঠেংবোৰ দীঘল দীঘল। ইহঁতৰ কি ডাঙৰ, কি সৰু দুয়ো বিধে শস্যৰ ওপৰত পৰি শস্যবোৰ তেনেই নষ্ট কৰে। সকলোবোৰে কোমলপাত খায়। এইদৰে এখন খেতিপথাৰ সাং কৰি অইন এখন খেতিপথাৰত পৰেগৈ। ইহঁতে সাধাৰণতে ধান ফুলিবৰ সময়তে ধৰে আৰু ফুলৰ আচল ৰসখিনি শুহি পেলায়। ফলত ধানবোৰ পতান হৈ পৰে।

**লক্ষ্মীধৰ**— এই পোকবোৰৰ পৰা হাত সাৰিবলৈ কিবা উপায় আছেনে ৰমেশ?

**ৰমেশ**— হয় ককাইদেউ আছে।

**লক্ষ্মীধৰ**— ক'তা। আমাৰ অফিচতে দেখোন বহুত পাউডাৰ আছে। কৃষি বিভাগৰ বিষয়াসকলে আহি আহি দি যায়। বোলো এইবিধ অমুকত দিব, সেইবিধ তমুকত দিব ইত্যাদি। সেইদৰে আমিও খেতিয়কসকলৰ মাজত ভগাই দিওঁ। পিছে খেতিয়কসকলে কয় বোলে এইবোৰ দিয়াত কোনো লাভ নাই। আমাৰ গাঁওবুঢ়াই দেখোন কেইদিন নিছিলে। পিছে কোনো ফল নাপালে বুলি কৈছে।

**গাঁওবুঢ়া**— হয়। মই হ'লে একো ভাল ফল নাপালোঁ। সেইদেখি এতিয়া নিবকে বাদ দিছোঁ।

**ৰমেশ**— এ নহয়, তোমালেকে দিবকে জনা নাই হয়তো, নহ'লে পাউডাৰবোৰেই বেয়া। অতি পুৰণি। পুৰণি পাউডাৰে কেতিয়াও ভাল কাম নিদিয়ে। এই পাউডাৰবোৰ যেনে তেনেকৈ দিবও নালাগে।

**লক্ষ্মীধৰ**— বাৰু কোৱাচোন কেনেকৈ দিব লাগে।

**ৰমেশ**— আপোনালোকে বি. এইচ. চি. পাউডাৰৰ কথা জানে নহয়?

**লক্ষ্মীধৰ**— নাজানোঁ। পিছে... ...।

**ৰমেশ**— কিয়? আপোনালোকৰ অফিচত জানো এইবিধ পাউডাৰ নাই।

**লক্ষ্মীধৰ**— বি. এইচ. চি. নাই। অইন কিবা-কিবিহে আছে।

**ৰমেশ**— এই বি. এইচ. চি. পাউডাৰ শতকৰা ৫ ভাগ কৰি লৈ গান্ধীপোকে ধৰা ধাননিত ছটিয়াই দিব লাগে।

**দুয়ো**— ওঁ ছটিয়াই দিব লাগে।

**বলোৰাম**— আৰুনো কি পোক আছে বাপু?

**ৰমেশ**— আৰু এবিধ হৈছে "পেদি গ্ৰাছ হোপাৰ"। ইহঁতৰ ডাঙৰ-সৰু মিলি তিনিবিধমান আছে। ইহঁত বৰ সাংঘাতিক। কেতিয়াবা কেতিয়াবা গোটেই পাতবোৰ খাই শেষ কৰে। মাথো নৰাবোৰহে ওলাই থাকে।

**লক্ষ্মীধৰ, গাঁওবুঢ়া**— ও বাপ! সাংঘাতিকহে।

**ৰমেশ**— ইহঁতকো গান্ধীপোকৰ দৰে বি.এইচ. চি. পাউডাৰ দি খেদিব পাৰি। ইহঁত কি! আৰু যে এবিধ আছে?

**গাঁওবুঢ়া**— সেইবিধৰ নাম কি?

**ৰমেশ**— সেইবিধৰ নাম হৈছে "লিফ্ হোপাৰ"। ইহঁত ধানগছৰ দৰে সেউজীয়া ৰঙৰ। সেইবাবে যেতিয়া ধান গছৰ ওপৰত পৰি থাকে ভালকৈ নাচালে ইহঁতক থকা বুলি ধৰিবই নোৱাৰি। ইহঁতে ধানৰ কোমল গছৰ ৰস শুহি খায়। তেতিয়া ধান গছবোৰ লেৰেলি যায়।

**বলোৰাম**— অ' পিছে এইবিধ নোহোৱা কৰাৰ কিবা উপায় আছে নে নাই?

**ৰমেশ**— নিশ্চয় আছে। বাৰু এইবিধৰ পৰা হাত সাৰিবৰ এটা সহজ উপায় কওঁ। ইহঁতে পোহৰ খুব ভাল পায়। গতিকে ৰাতি খেতিপথাৰত জুই ধৰিলে ইহঁত জুইত পৰি মৰে। নহ'লে—

**গাঁওবুঢ়া**— নহ'লে কি কৰিব লাগে বাপু?

**ৰমেশ**— নহ'লে আগৰ দৰে শতকৰা ৫ ভাগ বি. এইচ. চি. পাউডাৰ ছটিয়াই দিব।

**লক্ষ্মীধৰ**- ভাল বাৰু, ৰমেশ! আমি এতিয়া উঠোহে।

**গাঁওবুঢ়া, বলোৰাম**— পিছে, বাপু, আমি আহিলোহে। তোমাক দিগদাৰ দিবলৈ আকৌ আহিম। আমাক খেতিৰ বিষয় ক'ব লাগিব।

**ৰমেশ**— ক'ম বাৰু, আগলৈ মই তোমালোকক কেনেকৈ জাপানী পদ্ধতিৰে খেতি কৰিব লাগে তাকো ক'ম। পিছে মই কোৱাৰ দৰে ধানৰ প্ৰধান শত্ৰুবোৰৰপৰা হাত সাৰিবলৈ চেষ্টা কৰিবা। দেখিবা সোণালী ধাননি সোণালী হৈয়ে থাকিব। সেউজীয়া কুঁহিপাত সেউজীয়া হৈয়ে ৰ'ব। ■

**বিঃদ্রঃ** আৱশ্যক অনুযায়ী পৰিৱৰ্তন কৰিব পাৰি— লিখক।

*(আকাশবাণী গুৱাহাটী কেন্দ্ৰযোগে প্ৰচাৰিত)*

---

❖ বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰিব খোজাসকললৈ মোৰ উপদেশ— তেওঁলোকে যেন বিমূৰ্ত চিন্তাত নিৰ্ভৰ কৰাৰ সলনি প্ৰকৃতিৰ তথ্য— অভিজ্ঞতাৰপৰা প্ৰকৃতিৰ ৰহস্যজ্ঞান লাভ কৰিবলৈ প্ৰচেষ্টা চলায়।

**—মেক্স বৰ্ন**

# আমাৰ সৌৰজগতখন

## হেমচন্দ্ৰ শৰ্মা

সূৰ্য্যক কেন্দ্ৰ কৰি থকা বৰ্তমানলৈকে জনা ৯টা গ্ৰহৰ সমষ্টি আৰু সূৰ্য্যক লৈ আমাৰ সৌৰজগত গঠিত। আমাৰ সৌৰজগতখনৰ আকৃতিও গোলাকাৰ । ই আমাৰ আকাশীগংগাৰ কেন্দ্ৰৰ পৰা প্ৰায় ২৫,০০০-৩০,০০০ আলোকবছৰ দূৰৈত আছে। ইয়াৰ ব্যাস প্ৰায় ১,১৯৪ কোটি কিলোমিটাৰ। গ্ৰহবোৰৰ লগতে থকা উপগ্ৰহ, ধূমকেতু, উল্কা আদিও আমাৰ সৌৰজগতৰ অংশস্বৰূপ।

**নিকট দৃষ্টিত তৰাসদৃশ আমাৰ সূৰ্য্যটো ঃ** আমাৰ নিকটতম নক্ষত্ৰ হ'ল সূৰ্য্য। ই গোলাকাৰ। ই অতি তাপত ভাস্কৰ হৈ থকা উদযান আৰু হিলিয়াম গেছেৰে গঠিত। সূৰ্য্যৰ ভিতৰভাগৰ উষ্ণতা প্ৰায় ২০০০০০০° ছেণ্টিগ্ৰেড, কিন্তু বাহিৰ ভাগৰ উষ্ণতা প্ৰায় ৬০০০° ছেণ্টিগ্ৰেডহে। ইয়াৰ গড় আপেক্ষিক গুৰুত্ব ১.৪। ইয়াৰপৰা বুজা যায়— সূৰ্য্য গেছেৰে গঠিত হ'লেও, ইয়াৰ নিজৰ অসাধাৰণ মাধ্যাকৰ্ষণ বলৰ প্ৰভাৱত গেছৰ পৰমাণুবোৰ থূপ খাই ইমান আটিল হৈ আছে যে, প্ৰতি ঘন ছেণ্টিমিটাৰ আয়তনত থূপ খাই থকা গেছৰ ওজন ১.৪ গ্ৰাম হয়।

সূৰ্য্য এটা প্ৰকাণ্ড গোলক। ইয়াক আমি থাল এখনৰ দৰে দেখোঁ। সূৰ্য্যৰ থালখনৰ ব্যাস ১৩ লাখ ৯০ হেজাৰ কিলোমিটাৰ, অৰ্থাৎ পৃথিৱীৰ ব্যাসৰ ১০৯ গুণ। সূৰ্য্য, পৃথিৱীতকৈ প্ৰায় ১৩ লাখ গুণ ডাঙৰ। কিন্তু ইয়াৰ গড় ঘনত্ব পৃথিৱীৰ ঘনত্বৰ ১/৪ অংশ মাথোন, অৰ্থাৎ ১ ঃ ৪। সেই কাৰণে সূৰ্য্যৰ ভৰ, পৃথিৱীৰ ভৰৰ ১৩ লাখ গুণ নহয়। বিভিন্ন গ্ৰহৰ ওপৰত সূৰ্য্যৰ আকৰ্ষণৰ পৰিমাণ লক্ষ্য কৰি নিউটনৰ মাধ্যাকৰ্ষণ সূত্ৰৰ সহায়ত গণিতজ্ঞসকলে সূৰ্য্যৰ ভৰ, পৃথিৱীৰ ভৰৰ ৩১/৩ লাখ গুণ বুলিহে হিচাপ কৰি পাইছে। ইয়াৰ ফলস্বৰূপে পৃথিৱীত যি বস্তুৰ ওজন ১ কিলোগ্ৰাম, সূৰ্য্যৰ ওপৰত সেই বস্তুৰ ওজন ২৮ কিলোগ্ৰাম হ'ব। অৱশ্যে সূৰ্য্যৰ ওপৰত কোনো বস্তু ওজন কৰাৰ কথা নুঠে।

আইনষ্টাইনৰ অপেক্ষিকতাবাদত থকা পদাৰ্থৰ পৰিমাণ আৰু শক্তিৰ মাজৰ সম্পৰ্কৰ সহায়ত, ছাৰ জেমছ জীনছে হিচাপে কৰি পাইছে যে, প্ৰতিছেকেণ্ডত সূৰ্য্যৰ

প্ৰায় ৪০ লাখ টন পদাৰ্থ পোহৰ, উত্তাপ আদি বিভিন্ন শক্তিলৈ ৰূপান্তৰিত হয়। আইনষ্টাইনৰ বিখ্যাত সূত্ৰ $E = mc^2$ ($E$ = শক্তি, $m$ = পদাৰ্থ, $c$ = পোহৰৰ বেগ) ব্যৱহাৰ কৰিলে বুজা যায়, প্ৰতিছেকেণ্ডত সূৰ্য্যৰ পৰা কি ভীষণ শক্তি উৎপন্ন হয়। অৱশ্যে ইয়াৰ প্ৰায়ভাগেই শূন্যত বিলীন হয়। প্ৰতি ছেকেণ্ডত সূৰ্য্যৰ ইমান পদাৰ্থ নাইকিয়া হোৱাৰ পিছতো, সূৰ্য্যৰ ভৱিষ্যত সম্পৰ্কে বিজ্ঞানীসকলে একো ঠিৰাং ক'ব পৰা নাই। অলপতে আমেৰিকাৰ লৱেল বীক্ষাণাগাৰৰ জ্যোতিৰ্বিদসকলে ঘোষণা কৰিছে যে, যোৱা দহ বছৰত সূৰ্য্যটো শতকৰা দুভাগ বেছি উজ্জ্বল হৈছে, আৰু ইয়াৰ উষ্ণতাও বোধহয় সেই পৰিমাণে বাঢ়িছে। ইউৰেনাছ আৰু নেপচুন গ্ৰহৰ পোহৰ, ওচৰৰ কেইটামান নক্ষত্ৰৰ পোহৰৰ লগত ৰিজাই জ্যোতিৰ্বিদসকলে এই সিদ্ধান্তত উপনীত হৈছে।

বৰ্ণালীবীক্ষণ যন্ত্ৰৰ সহায়ত সূৰ্য্যৰ উপৰিভাগত বৰ্তমানলৈকে পৃথিৱীৰ প্ৰায় ৬৫টা মৌলিক পদাৰ্থ চিনাক্ত হৈছে। হিলিয়াম গেছ ১৮৬৮ চনতেই সূৰ্য্যতেই প্ৰথম আৱিষ্কৃত হয়। সূৰ্য্যৰ গ্ৰীক নাম হেলিয়ছৰ পৰাই এই গেছৰ নামকৰণ হৈছে।

পৃথিৱীৰ কক্ষপথ উপবৃত্তাকাৰ হোৱাৰ কাৰণে, পৃথিৱীৰ পৰা সূৰ্য্যৰ দূৰত্ব, বছৰৰ ভিন্ ভিন্ সময়ত ভিন্ ভিন্ হয়। পৃথিৱীৰপৰা সূৰ্য্যৰ গড় দূৰত্ব ১৪ কোটি ৯৫ লাখ কিলোমিটাৰ। আটাইতকৈ ওচৰত থকা সময়ত পৃথিৱীৰপৰা সূৰ্য্যলৈ যি দূৰত্ব হয়, তাক অধম দূৰত্ব, আৰু আটাইতকৈ দূৰত থকা সময়ত পৃথিৱীৰ পৰা সূৰ্য্যলৈ যি দূৰত্ব হয়, তাক পৰম দূৰত্ব বোলে। ডিচেম্বৰ আৰু জানুৱাৰী মাহত পৃথিৱীৰ উত্তৰ গোলাৰ্ধত জাৰ পৰে; অথচ তেতিয়া পৃথিৱী সূৰ্য্যৰ নিচেই ওচৰত থাকে, আৰু দূৰত্ব হয় ১৪ কোটি ৬৯ লাখ কিলোমিটাৰ। আনহাতে জুন আৰু জুলাই মাহত আমাৰ ইয়াত খুব গৰম পৰে; কিন্তু সূৰ্য্য পৃথিৱীৰ পৰা আটাইতকৈ দূৰত থাকে আৰু তেতিয়া দূৰত্ব হয়গৈ ১৫ কৌটি ২০ লাখ কিলোমিটাৰ।

পৃথিৱীৰ চাৰিওফালে থকা গেছীয় পদাৰ্থৰ আৱৰণটোক আমি পৃথিৱীৰ বায়ুমণ্ডল বোলোঁ। সূৰ্য্যৰ চাৰিওফালেও আপেক্ষিক শীতল গেছীয় পদাৰ্থৰ আৱৰণ এটা আছে। এই আৱৰণটোক সূৰ্য্যৰ বায়ুমণ্ডল বুলি কোৱা হয়। সূৰ্য্যৰ এই বায়ুমণ্ডলৰ তিনিটা স্তৰ আছে— আলোকমণ্ডল, বৰ্ণমণ্ডল আৰু ছটামণ্ডল।

**আলোকমণ্ডল ঃ** সূৰ্য্যৰ ভিতৰৰ গোলটোক আলোকমণ্ডল বোলে। অৰ্থাৎ সূৰ্য্যগোলকৰ চাৰিওফালে গাতে লাগি যি এটা উজ্জ্বল বগা বৰণৰ অগভীৰ স্তৰ আছে— সেয়ে আলোকমণ্ডল। সূৰ্য্যক কমলাটেঙা এটাৰ লগত তুলনা কৰিলে টেঙাটোৰ বাকলিখনেই সূৰ্য্যৰ আলোকমণ্ডলৰ অনুৰূপ হয়। আমি সাধাৰণতে ইয়াকে দেখি থাকোঁ। সূৰ্য্যৰ এই পিঠিখন নিমজ নহয়; দূৰবীক্ষণ যন্ত্ৰেৰে চালে পিঠিখন দানাদাৰ গঠনেৰে ঢাক খাই থকা

যেন লাগে। মেঘৰ মাজেৰে চালে সূৰ্য্যৰ আলোকমণ্ডল ভাগক আমি নিমজ থাল এখনৰ দৰে দেখোঁ। আলোকমণ্ডলৰ উষ্ণতা প্ৰায় ৬০০০° ছেণ্টিগ্ৰেড। ইয়াৰপৰা আমি তাপ আৰু পোহৰ পাওঁ। আলোকমণ্ডলত মাজে মাজে প্ৰকাণ্ড চাকনৈয়া উঠে। এই চাকনৈয়াকে আমি সৌৰকলংকৰূপে দেখা পাওঁ।

**বৰ্ণমণ্ডল ঃ** আলোকমণ্ডলৰ চাৰিওফালে কেইবা হাজাৰ কিলোমিটাৰ ব্যাপি থকা যি এটা উজ্জ্বল ৰঙচুৰা বৰণৰ স্তৰ দেখা যায়, তাৰ নাম বৰ্ণমণ্ডল। এই মণ্ডলটো ঘাইকৈ পাতল গেছ উদযান, হিলিয়াম আৰু কেলচিয়াম ধাতুৰ বাষ্পৰে গঠিত। বৰ্ণমণ্ডলৰ গোটেই তলৰ অংশটোৰ ঘনত্ব আটাইতকৈ বেছি; এই অংশটো পাৰ্থিৱ মৌলিক পদাৰ্থৰ বাষ্পৰে তৈয়াৰী আৰু ইয়াৰ গভীৰতা প্ৰায় দুহেজাৰ কিলোমিটাৰ। পোহৰ আলোকমণ্ডলৰপৰা এই মণ্ডলৰ মাজেদি আহোঁতে ইয়াত থকা বাষ্পৰাশিয়ে তাৰ কিছুমান উপাদান শুহি লয়। সেই কাৰণে বৰ্ণালীবীক্ষণ যন্ত্ৰৰে সূৰ্য্যৰ পোহৰ পৰীক্ষা কৰি চালে সৌৰবৰ্ণালীত ঠায়ে ঠায়ে কেতবোৰ ক'লা ৰেখা দেখা যায়।

বৰ্ণমণ্ডলৰ এই তলৰ অংশটো অইন এটা স্তৰ হিচাপে ধৰি তাৰ নাম বেলেগে **বিশ্লেষণমণ্ডল** ৰখা হৈছে।

পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণৰ সময়ত সূৰ্য্যৰ থালখনৰ দাঁতিৰপৰা ঠায়ে ঠায়ে বৰ্ণমণ্ডল স্তৰকো অতিক্ৰম কৰি বহুত ওখলৈ জুৰি থকা উজ্জ্বল ৰঙা বৰণৰ কিছুমান প্ৰকাণ্ড অগ্নিশিখা দেখিবলৈ পোৱা যায়। এই শিখাবোৰক সৌৰশিখা বোলে। এনেধৰণৰ শিখাৰ উচ্চতা দুই-এদিনৰ কাৰণে কেতিয়াবা কেইবা লাখ কিলোমিটাৰো হয়গৈ। সৌৰকলংকৰ লগত এই শিখাৰ কিবা সম্পৰ্ক থকা যেন লাগে।

**ছটামণ্ডল ঃ** বৰ্ণমণ্ডলৰ বাহিৰত লাখ লাখ কিলোমিটাৰ জুৰি আৱৰণটোক ছটামণ্ডল বোলা হয়। পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণৰ সময়ত সূৰ্য্যৰ ক'লা থালখনৰ চাৰিওকাষে, দিনতে ৰাতিৰ লেখীয়া আন্ধাৰ হৈ পৰা আকাশত, মুকুতাৰ শুভ্ৰ উজ্জ্বল পোহৰৰ এই স্তৰটোৱে ছটামণ্ডল। ইয়াক সৌৰমুকুট বুলিও কোৱা হয়। কেতিয়াবা ইয়াক সূৰ্য্যমুখী ফুল এটাৰ দৰেও দেখি।

সূৰ্য্যৰ বায়ুমণ্ডল সূৰ্য্যৰ পিঠিৰপৰা ক্ৰমশঃ পাতল হৈ শূন্যৰ মাজেদি কেইবা লাখ কিলোমিটাৰ দূৰলৈ বিয়পি আছে। ছটামণ্ডলৰ গেছ আপেক্ষিকভাৱে শীতল আৰু বৰ পাতল। পৃথিৱীৰ বায়ুমণ্ডলত ধূলিকণা আদি ভাঁহি থকাৰ দৰে, সূৰ্য্যৰ ছটামণ্ডলতো কিছুমান আপেক্ষিকভাৱে ঘন পদাৰ্থৰ কণা ভাঁহি ফুৰে। এই কণাবোৰে বগা পোহৰ প্ৰতিফলিত কৰে কাৰণে সূৰ্য্যৰ বায়ুমণ্ডলৰ বাহিৰৰ স্তৰটো উজ্জ্বল বগা দেখা যায়। ছটামণ্ডলৰো নিজা পোহৰ আছে; কিন্তু ইয়াৰ জ্যোতি সিমান উজ্জ্বল নহয়।

**সৌৰকলংক ঃ** সূৰ্য্যৰ অন্তৰ্ভাগ চঞ্চল আৰু অস্থিৰ অৱস্থাত আছে। তাপৰ পৰিচলন প্ৰক্ৰিয়াৰ ফলত সূৰ্য্যৰ অন্তৰ্ভাগৰপৰা অতিশয় তপত আৰু ঘন গেছ প্ৰসাৰিত হৈ বহিৰ্ভাগলৈ ওলাই আহে। এনেকৈ ওলোৱা গেছ আলোকমণ্ডল স্তৰত আপেক্ষিক শীতল আৰু অনুজ্জ্বল হৈ পুনৰ তললৈ পাক খাই খাই নামি যায়। সূৰ্য্যৰ পিঠিখনৰ যিবোৰ ঠাই আপেক্ষিকভাৱে শীতল আৰু কম উজ্জ্বল, সেইবোৰ ঠাই, চাৰিওকাষৰ অতি উজ্জ্বল ঠাইৰ তুলনাত ক'লা দেখা যায়। সূৰ্য্যৰ পিঠিখনৰ এই ক'লা ঠাইবোৰকে সৌৰকলংক বোলা হয়। প্ৰায় ৩৫০ বছৰ আগেয়ে দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত গেলিলিওই সৌৰকলংক আৱিষ্কাৰ কৰে। সৌৰকলংকবোৰ সূৰ্য্যৰ আলোকমণ্ডলত উৎপন্ন হোৱা চাকনৈয়া বুলি জ্যোতিৰ্বিদসকলে অনুমান কৰে। সৌৰকলংকৰ মাজডোখৰ, অৰ্থাৎ গাঁতটো চাৰিওকাষৰ দাঁতিতকৈ বেছি ক'লা। কোনো কোনো কলংকৰ গাঁত বহলে ৯৫-১১০ হেজাৰ কিলোমিটাৰৰো বেছি। সৌৰকলংকবোৰ চুম্বকধৰ্মী। ইহঁতৰ সংখ্যা সদায় সমানে নাথাকে। বছৰে বছৰে বাঢ়ি গৈ, মাজতে কমি, পুনৰ ১০-১১ বছৰৰ মূৰত ইহঁতৰ সংখ্যা আটাইতকৈ বেছি হয়। যোৱা শতিকাৰ মাজভাগত এজন জাৰ্মান ঔষধ-বিক্ৰেতাই ওঠৰ বছৰৰ পৰিশ্ৰমৰ ফলত আৱিষ্কাৰ কৰিছিল যে এই সৌৰকলংকবোৰ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে দেখা যায়। ১৯৪৭ চনত বহুতো সৌৰকলংক দেখা গৈছিল। ১৯৫৪ চনত সৌৰকলংক প্ৰায় নাছিলেই। ১৯৫৮ চনত আকৌ বহুতো সৌৰকলংক দেখা গৈছিল। এই সময়ৰ এটা সৌৰকলংক প্ৰায় ১৪৪০০০ কিলোমিটাৰ দীঘল আছিল।

যি বছৰত সৌৰকলংকৰ সংখ্যা অতিপাত বাঢ়ে সেই বছৰত পৃথিৱীত অতিবৃষ্টি অনাবৃষ্টি আদি নানা ৰকমৰ প্ৰাকৃতিক দুৰ্য্যোগ হ'ব পাৰে বুলি মানুহৰ এটা বিশ্বাস আছে। অৱশ্যে সংখ্যা আটাইতকৈ বেছি হোৱাৰ সময়ত, সৌৰকলংকবোৰৰপৰা চাৰিওফালে শূন্যত চুম্বকধৰ্মী, অৰ্থাৎ তড়িতবাহিত কণা প্ৰ'টন আৰু ইলেক্ট্ৰ'ন চালিত হয়। তাৰে কিছুমান পৃথিৱীৰ আয়নমণ্ডললৈ আহে, আৰু আয়নমণ্ডল স্তৰটোত বিশৃংখলতা ঘটায়। ইয়াৰ ফলত আকাশবাণীৰ অনুষ্ঠান আৰু দূৰৈৰপৰা টেলিফোনত কোৱা কথা-বতৰা অস্পষ্ট শুনায়; টেলিভিছনৰ ছবি বিকৃত দেখায়; আৰু কম্পাছৰ চুম্বকেও দিশবোৰ ঠিকমতে নেদেখুৱায়। তাৰ উপৰি মেৰু অঞ্চলৰ বায়ুমণ্ডলৰ ওপৰ ভাগত বৰ উজ্জ্বল পোহৰৰ ছটা বা মেৰুপ্ৰভা দেখা যায়।

সৌৰকলংকবোৰ সূৰ্য্যৰ থালখনৰ পূব দাঁতিত দেখা দি ১২/১৩ দিনত মূৰত পশ্চিম দাঁতিত নেদেখা হয়। সেই কলংকবোৰ পুনৰ ১১/১২ দিনৰ মূৰত আকৌ পূব দাঁতিত দেখা দিয়েহি। আমি দেখা থালখন সূৰ্য্যগোলকৰ এফাল মাথোন। ইয়াৰপৰা বুজা যায়, সূৰ্য্যগোলকটোও, পৃথিৱীৰদৰে পশ্চিমৰ পৰা পূবলৈ নিজ মেৰুদণ্ডৰ ওপৰত

আৱৰ্তন কৰি আছে। সূৰ্য্যৰ আন এটি গতি আছে। সূৰ্য্যই হাৰকিউলিছ নক্ষত্ৰৰাশিৰ পিনে ছেকেণ্ডত প্ৰায় ২০ কিলোমিটাৰ বেগেৰে গৈ আছে। লগতে আমিও প্ৰত্যেকেই সেইপিনে সেই বেগেৰেই গৈ আছোঁ।

**সৌৰশক্তি ঃ** সূৰ্য্যৰপৰা আমি তাপ আৰু পোহৰ পাওঁহক। সূৰ্য্যই অনাদি কালৰপৰাই এই তাপ আৰু পোহৰ শক্তি বিকিৰণ কৰি আহিছে, তথাপিও আজিলৈকে শক্তিৰ ওৰ পৰা নাই। তেনেহ'লে ভৱিষ্যতেও সৌৰশক্তিৰ ওৰ পৰাৰ কোনো সম্ভাৱনা নাই নেকি? সূৰ্য্যটো ঘাইকৈ উদযান আৰু হিলিয়াম গেছৰ পৰমাণুৰে গঠিত। জ্যোতিৰ্বিদসকলে বিশ্বাস কৰে যে, সূৰ্য্যৰ অন্তৰ্ভাগত উদযান পৰমাণু, হিলিয়াম পৰমাণুলৈ ৰূপান্তৰিত হৈ আছে। এনে ৰূপান্তৰৰ ফলত উদযান পৰমাণুৰ ভৰৰ কিছু অংশ শক্তিলৈ ৰূপান্তৰিত হয়। মুঠতে সূৰ্য্যত পাৰমাণৱিক শক্তি উৎপন্ন হৈ আছে। সেই কাৰণে সূৰ্য্যৰ শক্তি অলপো হ্ৰাস হোৱা নাই। আনফালে কিন্তু সূৰ্য্যৰ ওজন প্ৰতি মিনিটত প্ৰায় ২৫৪ নিযুত মেট্ৰিক টনকৈ কমি আহিছে বুলি বিখ্যাত জ্যোতিৰ্বিদ ছাৰ জেমছ জিন্সে কয়। তথাপিও আজিলৈকে সূৰ্য্যৰ ওজন এক তিলমানো হ্ৰাস হোৱা বুলি আমি অনুভৱ কৰিব পৰা নাই। কাৰণ সূৰ্য্যটো যে এক বিৰাট শক্তিৰ উৎস।

আজি আমি পৃথিৱীত যিবোৰ ভিন্ ভিন্ ৰূপৰ শক্তিৰ লগত পৰিচিত, ভালকৈ আঁতিগুৰি বিচাৰি চালে, এই আটাইবোৰৰ উৎস হিচাপে পোৱা যায় মাথোন সৌৰশক্তি। সৌৰশক্তি পৃথিৱীলৈ ঘাইকৈ তাপ আৰু পোহৰৰ ৰূপত আহে।

সেউজীয়া উদ্ভিদে এঙাৰগেছ আৰু পানীৰপৰা শ্বেতসাৰ প্ৰস্তুত কৰাৰ সময়ত সূৰ্য্যৰ পোহৰ শক্তি ব্যৱহাৰ কৰে। শ্বেতসাৰত সূৰ্য্যৰ পোহৰ শক্তি ৰাসায়নিক শক্তিৰূপে সঞ্চিত হৈ ৰয়। জীৱদেহৰ কোষসমূহে উশাহ-নিশাহ লোৱাৰ সময়ত শ্বেতসাৰৰ জাৰণ হয়, আৰু এই জাৰণত শ্বেতসাৰত সঞ্চিত হৈ থকা শক্তিয়ে মুক্তি লাভ কৰে। শ্বেতসাৰ খাই আমি জীয়াই থাকিবলৈ শক্তি পাওঁ। জীৱনীশক্তিৰ বাবে আমি সূৰ্য্যৰ পোহৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰিব লাগে।

কয়লাৰ ৰাসায়নিক শক্তি আহিছে আগৰ যুগৰ উদ্ভিদত সঞ্চিত হৈ থকা শক্তিৰপৰা। কয়লা পুৰিলে তাপ আৰু পোহৰ পোৱা যায়, আৰু কয়লাৰপৰা পোৱা তাপ শক্তি সাধাৰণতে যান্ত্ৰিক শক্তিলৈ ৰূপান্তৰিত কৰা হয়। পেট্ৰ'লিয়ামৰ ৰাসায়নিক শক্তিও আহিছে ঘাইকৈ পুৰণি যুগৰ প্ৰাণীৰপৰা, আৰু এই প্ৰাণীবোৰে শক্তি পাইছিল সেউজীয়া উদ্ভিদৰ পৰাই— আহাৰৰ যোগেদি। কয়লাৰ দৰে পেট্ৰ'লিয়ামৰপৰাও আমি তাপ, পোহৰ আৰু যান্ত্ৰিক শক্তি পাওঁ।

সূৰ্য্যৰ তাপ শক্তিয়ে পৃথিৱী-পিঠিৰপৰা পানী বাষ্পীভূত কৰি বায়ুমণ্ডললৈ পঠিয়ায়। জলীয় বাষ্প মাটিৰপৰা ওখলৈ গৈ চেঁচা হৈ ঘনীভূত হয়, আৰু বৰষুণৰূপে মাটিত পৰে। বৰষুণৰ পানী ওখ ঠাইত জমা হ'লে ই স্থিতিশক্তি সম্পন্ন হয়, আৰু নামনিলৈ বৈ আহিলে পানীৰ স্থিতিশক্তি গতিশক্তিলৈ ৰূপান্তৰিত হয়। পানীৰ স্থিতিশক্তি জলচক্ৰ আৰু জল-টাৰ্বাইনলৈ যান্ত্ৰিক শক্তিৰূপে পৰিচালিত হয়।

সূৰ্য্যৰ তাপ শক্তিয়ে বায়ুমণ্ডলত বায়ুৰ পৰিচলন সোঁত উৎপন্ন কৰে— যাৰ ফলত বতাহৰ সৃষ্টি হয়। বায়ুৰ গতি শক্তি প্ৰয়োগ কৰি বায়ুকল চলাব পাৰি। বায়ুকলৰ যান্ত্ৰিক শক্তিৰে নাদৰ পানী তোলা, শস্যৰ গুটি গুৰি কৰা আদি নানা কাৰ্য্য কৰা হয়। সূৰ্য্যৰ পোহৰ আৰু তাপৰপৰা প্ৰকাৰন্তৰে পোৱা যান্ত্ৰিক শক্তি বিজুলী শক্তিলৈও ৰূপান্তৰিত কৰিব পাৰি। বিজুলী শক্তিৰ পৰা কাৰ্য্যক্ষেত্ৰত কেবাটাও সুবিধা পোৱা যায়। ইয়াক সহজে নিয়ন্ত্ৰণ আৰু পৰিবহন কৰি যান্ত্ৰিক, তাপ, পোহৰ, ৰাসায়নিক আৰু শব্দশক্তিলৈ অতি সহজে ৰূপান্তৰিত কৰিবও পাৰি।

এতেকে সূৰ্য্যই সকলো শক্তিৰ উৎস।

সূৰ্য্যৰো এদিন মৃত্যু হ'ব ? কেনেকৈ ? উদযান পৰমাণুৰ প্ৰক্ৰিয়াৰ ফলত কেন্দ্ৰৰ উষ্ণতা যেতিয়াই ১০ লাখ ডিগ্ৰী ছেণ্টিগ্ৰেড হয়, তেতিয়াই এটি নক্ষত্ৰৰ জন্ম হয়। সূৰ্য্যৰো জন্ম ঠিক এনেদৰে হৈছিল। এই প্ৰক্ৰিয়াটোক বৈজ্ঞানিক ভাষাত সংযোজন-প্ৰক্ৰিয়া বোলা হয়। এই প্ৰক্ৰিয়াৰ নিয়মানুসাৰে যেতিয়া কেবাটাও পৰমাণু একেলগে লগ লাগে, তেতিয়া এটা নতুন পৰমাণুৰ সৃষ্টি হয়। কেইবাটাও পৰমাণু সংযোগ হোৱাৰ ফলত, লগ হোৱা প্ৰত্যেক পৰমাণুৰে পদাৰ্থৰ কিছু অংশ লোপ হৈ যায় আৰু লুপ্ত অংশখিনিয়েই শক্তিলৈ ৰূপান্তৰিত হয়।

সূৰ্য্যৰ ক্ষেত্ৰত কেইবাটাও উদযান পৰমাণুৰ সংযোগৰ ফলত এটা হিলিয়ামৰ পৰমাণুৰ সৃষ্টি হয়। উদযান পৰমাণুবোৰৰ সংযোগ ঘটাৰ লগে লগে তাৰ ওজনৰ কিছু অংশ হেৰুৱাই পেলায়। এই হেৰুওৱা অংশখিনিয়ে শক্তিলৈ ৰূপান্তৰিত হৈ তাপ আৰু পোহৰৰূপে বিকশিত হয়। বিজ্ঞানীসকলৰ মতে, সূৰ্য্যৰ অসীম শক্তিৰ মূলতে, এই সংযোজন প্ৰক্ৰিয়া। সেইমতে হিচাপ কৰি পোৱা গৈছে যে, প্ৰতি ছেকেণ্ডত সূৰ্য্যৰ প্ৰায় ৪০ লাখ টন পদাৰ্থ শক্তিলৈ ৰূপান্তৰিত হয়। এই প্ৰক্ৰিয়াৰ ফলত, সূৰ্য্যৰ ওজন প্ৰতিমিনিটত প্ৰায় $২৫\times১০^{৭}$ টনকৈ কমি গৈ আছে। জ্যোতিৰ্বিদসকলৰ মতে বৰ্তমান সূৰ্য্যত ৩৫ ভাগ উদযান আৰু ৪০ ভাগ হিলিয়াম গেছ আছে।

যিহেতু সূৰ্য্যকে আদি কৰি নক্ষত্ৰবোৰৰ জীৱন উদযান গেছৰ ওপৰত নিৰ্ভৰশীল, গতিকে এনেকুৱা দিন নিশ্চয় আহিব, যিদিনাখন আটাইখিনি উদযান গেছ পুৰি নিঃশেষ

হৈ যাব। তেতিয়া তাৰ অৱস্থা কি হ'ব বাৰু? চমুকৈ ক'বলৈ হ'লে, তেতিয়াই তাৰ মৃত্যু ঘটিব। সূৰ্য্যৰো নিশ্চয় এনেকুৱা এটা দিন আহিব। এনেকুৱা অৱস্থাৰ প্ৰথম আগজাননীৰ চিন হ'ব— সূৰ্য্যৰ বহিৰ্ভাগৰ পোহৰ ৰঙচুৱা হোৱা আৰু ক্ৰমান্বয়ে স্ফীত হৈ যোৱা। সূৰ্য্যৰ বহিৰ্ভাগৰ পোহৰ বৰ্তমানলৈ ৰঙচুৱা হোৱা নাই যদিও, এতিয়াৰ পৰা প্ৰায় ৫ নিযুত বছৰৰ ভিতৰত উপৰিউক্ত লক্ষণবোৰ দেখা যাব বুলি জ্যোতিৰ্বিদসকলৰ ধাৰণা। আমেৰিকাৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ মানমন্দিৰৰ সঞ্চালক ড° জে. এইছ. মেনজেলৰ মতে প্ৰায় ১২০০ কোটি বছৰৰ পিছত সূৰ্য্যৰ আটাইখিনি উদ্যান গেছৰ অন্ত পৰিব আৰু তাৰপিছত ই ক্ৰমান্বয়ে স্ফীত হৈ শেষত বিদীৰ্ণ হৈ যাব। তেতিয়াই সূৰ্য্যৰ মৃত্যু ঘটিব।

**গ্ৰহমণ্ডলী ঃ** আমি আগতে উল্লেখ কৰিছোঁ যে, আমাৰ সৌৰজগতত বৰ্তমানলৈ জনামতে ৯টা গ্ৰহ আছে। দূৰবীক্ষণ যন্ত্ৰ আৱিষ্কাৰ হোৱাৰ আগতে পৃথিৱীৰ বাহিৰে, অকল বুধ, শুক্ৰ, মংগল, বৃহস্পতি আৰু শনি— এই পাঁচোটা গ্ৰহৰ কথাহে মানুহে জানিছিল। ইউৰেনাছ, নেপচুন আৰু প্লুট' দূৰবীণ-যুগৰ গ্ৰহ। সূৰ্য্যৰ ওচৰৰপৰা আৰম্ভ কৰি বৰ্তমানলৈ জনা গ্ৰহবোৰ হ'ল— বুধ, শুক্ৰ, পৃথিৱী, মংগল, বৃহস্পতি, শনি, ইউৰেনাছ, নেপচুন আৰু প্লুট'। এই নটা প্ৰধান গ্ৰহৰ বাহিৰেও মংগল আৰু বৃহস্পতিৰ মাজত বহুতো সৰু সৰু গ্ৰহকণিকা আছে।

এই ৯টা গ্ৰহৰ ভিতৰত বুধ, শুক্ৰ আৰু মংগলৰ, পৃথিৱীৰ লগত বহুতো সাদৃশ্য আছে। ইহঁতৰ আয়তনো একেৰকম পৃথিৱীৰ দৰেই। বৃহস্পতি, শনি, ইউৰেনাছ আৰু নেপচুন কিন্তু এই হিচাপে দৈত্যাকৃতিৰ। ইহঁত চাৰিওৰে আকৌ যথেষ্ট সাদৃশ্য আছে। প্লুট'ৰ আয়তন বুধ আৰু মংগলৰ মাজতে। প্লুট'ৰ বাহিৰে আন গ্ৰহকেইটা ৰাশিচক্ৰৰ ভিতৰতে দেখা যায়। আটাইবোৰ গ্ৰহই যদিও সূৰ্য্যক একে ধৰণে প্ৰদক্ষিণ কৰে, পৃথিৱীৰ নিজা গতিৰ কাৰণে আকাশত গ্ৰহবোৰৰ গতি দেখাত অদ্ভুত ধৰণৰ। পোহৰৰ বেগ প্ৰতি ছেকেণ্ডত ৩০০০০০ কিলোমিটাৰ। এই বেগত সূৰ্য্যৰ পোহৰ পৃথিৱীলৈ আহোতে প্ৰায় ৮.৫ মিনিট লাগে; কিন্তু আটাইতকৈ দূৰৱৰ্তী গ্ৰহ প্লুট'লৈ আহোতে প্ৰায় ৫.৫ ঘণ্টাৰ প্ৰয়োজন হয়।

সূৰ্য্যৰপৰা গ্ৰহমণ্ডলীৰ দূৰত্ব মনত ৰখাৰ কাৰণে 'বড-টিটিয়াছ ল' নামৰ এটি মজাৰ সূত্ৰ আছে। অষ্টাদশ শতিকাত ইয়াৰ প্ৰচলন হয়। ০, ৩, ৬, ১২, ২৪, ৪৮, ৯৬, ১৯২, ৩৮৪ আৰু ৭৬৮— এই সংখ্যাকেইটাৰ প্ৰত্যেকৰ লগত ৪ যোগ কৰি, যোগফলক দহেৰে ভাগ কৰিলে আমি একাদিক্ৰমে পাওঁ— ০.৪, ০.৭, ১.০, ১.৬, ২.৮, ৫.২, ১০.০, ১৯.৬, ৩৮.৮ আৰু ৭৭.২। সূৰ্য্যৰ পৰা পৃথিৱীৰ দূৰত্বক একক ধৰিলে, বড-টিটিয়াছৰ সূত্ৰ অনুযায়ী বুধৰ দূৰত্ব ০.৪ একক, শুক্ৰৰ দূৰত্ব ০.৭ একক, পৃথিৱীৰ দূৰত্ব

১.০ একক, মংগলৰ দূৰত্ব ১.৬ একক, বৃহস্পতিৰ দূৰত্ব ৫.২ একক ইত্যাদি। টিটিয়াছে হিচাপ কৰি উলিওৱা এই সূত্ৰটো ১৭৭২ চনত বডে প্ৰচাৰ কৰে, আৰু ১৭৮১ চনত ইউৰেনাছ আৱিষ্কাৰৰ সময়ত ইয়াৰ সাহায্য লোৱা হয়। গ্ৰহ কণিকাবোৰৰ আৱিষ্কাৰৰ মূলতো এই সূত্ৰ বুলি ক'ব পাৰি। কিন্তু নেপচুন আৰু প্লুট'ৰ ক্ষেত্ৰত এই সূত্ৰ নাখাটে।

১৯৩১ চনত বৃটেইনৰ ভূতপূৰ্ব ৰাজ-জ্যোতিৰ্বিদ ছাৰ হেৰল্ড স্পেন্সাৰ জোনছে সূৰ্য্যৰ পৰা গ্ৰহবোৰৰ দূৰত্ব ভালকৈ হিচাপ কৰি উলিয়ায়। গ্ৰহবোৰৰ পৰস্পৰৰ দূৰত্ব আৰু আয়তন ভালকৈ উপলব্ধি কৰিব পৰাকৈ ছাৰ জন হাৰ্ছেলে এটি মজাৰ হিচাপ উলিয়ায়। এই হিচাপ মতে সূৰ্য্যক দুই ফুট ব্যাসৰ এটি গোলক বুলি ধৰি লোৱা হয়। এই গোলকটোৰ কেন্দ্ৰৰ পৰা বুধ ১৬৪ ফুট দূৰৈত থকা এটা সৰিয়হৰ কণা, শুক্ৰ ২৮৪ ফুট দূৰৈত থকা এটা মটৰগুটি, পৃথিৱী ৪৩০ ফুট দূৰৈত থকা আন এটা মটৰ, মংগল ৬৫৪ ফুট দূৰত থকা এটা ডাঙৰ আলপিনৰ মূৰ, গ্ৰহকণিকাবোৰ ১,০০০-১,২০০ ফুটৰ ভিতৰত থকা কিছুমান ধূলিকণা, বৃহস্পতি প্ৰায় $^{১}/_{৪}$ মাইল দূৰৈত থকা এটা সৰু কমলাটেঙা, শনি $^{২}/_{৫}$ মাইল দূৰৈত থকা আন এটা সৰু কমলাটেঙা, ইউৰেনাছ $^{৩}/_{৪}$ মাইল দূৰৈত থকা এটা সৰু প্লাম, নেপচুন ১$^{১}/_{৪}$ মাইল দূৰৈত থকা আন এটা প্লাম, আৰু প্লুট' ১$^{১}/_{৩}$ মাইল দূৰৈত থকা এটা সৰু মটৰগুটি যেন। এই হিচাপমতে আকৌ আমাৰ নিকটতম নক্ষত্ৰ 'প্ৰক্সিমা-চেণ্টৰী' প্ৰায় ২,৪০০ মাইল দূৰৈত থকা এটা ক্ষুদ্ৰ গোলক। এতিয়া এই গ্ৰহবোৰৰ কথা বহলাই আলোচনা কৰা যাওক ঃ

**বুধ ঃ** ৰোমৰ পুৰণি আখ্যানমতে জ্ঞানদেৱতা মাৰ্কাৰী, সূৰ্য্যদেৱতা এপোল'ৰ বন্ধু। সেই কাৰণে সূৰ্য্যৰ আটাইতকৈ ওচৰত থকা এই গ্ৰহৰ নাম জ্যোতিৰ্বিদসকলে মাৰ্কাৰী ৰাখিছে। আমি অৱশ্যে ইয়াক বুধ বুলি জানোঁ। ভাৰতীয় পৌৰাণিক আখ্যানমতে বুধ হৈছে চন্দ্ৰৰ পুত্ৰ।

নটা গ্ৰহৰ ভিতৰত বুধেই আটাইতকৈ সৰু। ইয়াৰ ব্যাস প্ৰায় ৪৮০০ কিলোমিটাৰ, অৰ্থাৎ পৃথিৱীৰ ব্যাসৰ $^{৩}/_{৮}$ ভাগ। সূৰ্য্যৰপৰা ইয়াৰ গড় দূৰত্ব ৫৭৬ লাখ কিলোমিটাৰ। ছেকেণ্ডত গড়ে প্ৰায় ৪৬.৪ কিলোমিটাৰ বেগেৰে ৮৮ দিনত উপবৃত্তাকাৰ কক্ষপথেৰে ই এবাৰ সূৰ্য্যক প্ৰদক্ষিণ কৰে। এই ৮৮ দিনত বুধে নিজৰ মেৰুদণ্ডৰ ওপৰতো এপাক ঘূৰে। ফলত ইয়াৰ একেটা ফাল সদায় সূৰ্য্যৰ পিনে থাকে। গতিকে সেইফালত সদায় পোহৰ আৰু আনটো ফালত সদায় আন্ধাৰ হয়।

বুধ সূৰ্য্যৰ আটাইতকৈ ওচৰত থকা গ্ৰহ। সূৰ্য্যোদয়ৰ আগত আৰু সূৰ্য্যাস্তৰ পিছত, বুধৰ প্ৰায় ২ ঘণ্টা আকাশত দেখা যায়। দেখাত ই এটা প্ৰথম শ্ৰেণীৰ নক্ষত্ৰৰ দৰে উজ্জ্বল সুমথিৰা বৰণৰ। সূৰ্য্যৰ নিচেই ওচৰত থকা কাৰণে ইয়াক দেখা পোৱাত

যথেষ্ট অসুবিধা। সূৰ্য্যৰ চাৰিওফালে পৃথিৱীয়ে কক্ষত ঘূৰোতে যিমান সময় লয়, বুধে সিমান সময়ত পূৰা চাৰিপাক ঘূৰিও আৰু কিছু বেছিকৈ ঘূৰে। সেইকাৰণে বছৰৰ ভিতৰত ইয়াক চাৰিবাৰ পুৱতি-তৰা, আৰু চাৰিবাৰ সাঁজ-তৰা হিচাপে দেখা যায়। বুধগ্ৰহৰ কোনো উপগ্ৰহ নাই। ই সৌৰজগতৰ উষ্ণতম গ্ৰহ। ইয়াত কোনো জীৱ নাই।

**শুক্ৰ ঃ** হিন্দুশাস্ত্ৰমতে শুক্ৰ ভৃগুমুণিৰ পুতেক আৰু দৈত্যসকলৰ গুৰু। পাশ্চাত্য পৌৰাণিক আখ্যানমতে শুক্ৰ অৰ্থাৎ ভেনাচ হৈছে সৌন্দৰ্য্য আৰু প্ৰেমৰ অধিষ্ঠাত্ৰী দেৱী। এই গ্ৰহটো দেখাত ইমান ধুনীয়া যে, ইয়াৰ ভেনাচ নামটো বেছ উপযুক্ত হোৱা যেন লাগে।

শুক্ৰগ্ৰহৰ আয়তন পৃথিৱীতকৈ সামান্য কম। ইয়াৰ ব্যাস ১২,১২৮ কিলোমিটাৰ। সূৰ্য্যৰপৰা ইয়াৰ গড় দূৰত্ব ১,০৭২ লাখ কিলোমিটাৰ আৰু পৃথিৱীৰপৰা ৪১৬ লাখ কিলোমিটাৰ। ছেকেণ্ডত গড়ে ৩৫.২ কিলোমিটাৰ বেগেৰে ই প্ৰায় ২২৫ দিনত উপবৃত্তাকাৰ কক্ষপথেৰে এবাৰ সূৰ্য্যক প্ৰদক্ষিণ কৰে। প্ৰায় এমাহত ই নিজ মেৰুদণ্ডৰ ওপৰত এপাক ঘূৰে।

বেলি মাৰ যোৱাৰ অলপ পিছতে পশ্চিম আকাশত কেতিয়াবা কেতিয়াবা যিটো উজ্জ্বল জ্যোতিষ্ক দেখা যায়, সেইটোৱে শুক্ৰগ্ৰহ। গধূলি পশ্চিম আকাশত শুক্ৰকেই উজ্জ্বলতম জ্যোতিষ্ক হিচাপে দেখা যায়। তেতিয়া ইয়াক সাঁজ-ভোটাতৰা বুলি কোৱা হয়। পশ্চিম আকাশত কেইসপ্তাহমান ওলাই কিছুদিনৰ কাৰণে ই নেদেখা হয় আৰু নেদেখা হোৱাৰ সপ্তাহচেৰেক পিছত পুৱতি ভোটাতৰা হিচাপে পূব আকাশত আকৌ দেখা দিয়ে। উজ্জ্বলতাৰ কাৰণে কেতিয়াবা কেতিয়াবা ইয়াক দিনতো দেখা যায়। বুধৰ নিচিনা ইয়াৰো কোনো উপগ্ৰহ নাই। ই বুধতকৈ বহু পৰিমাণে চেঁচা হ'লেও, পৃথিৱীতকৈ গৰম।

ৰহস্যাবৃত ঘন মেঘে শুক্ৰগ্ৰহক আগুৰি থকা কাৰণে, ইয়াৰ বিষয়ে সবিশেষ জানিবলৈ বৰ টান। এই মেঘবোৰত যথেষ্ট পৰিমাণে এঙাৰ গেছ থকা বুলি জনা গৈছে। গতিকে এই গ্ৰহত জীৱ থকাৰ সম্ভাৱনা খুব কম। তাৰোপৰি এই মেঘত জীৱৰ প্ৰয়োজনীয় অম্লজান গেছ আৰু আৰু জলীয়বাষ্প লেশমানো থকাৰো প্ৰমাণ বৰ্তমানলৈকে কোনেও পোৱা নাই। ৰকেট আলোকচিত্ৰৰ সহায়ত শুক্ৰৰ উপৰিভাগৰ বিষয়ে জানিব পৰা হ'ব বুলি বৰ্তমানে আশা কৰা হৈছে।

কিছুদিনৰ আগতে শুক্ৰগ্ৰহ মঘা নক্ষত্ৰৰ সন্মুখেৰে পাৰ হৈ গৈছিল। শুক্ৰৰ বায়ুমণ্ডলৰ মাজেৰে অহা মঘা নক্ষত্ৰৰ পোহৰৰ বৰ্ণালী পৰীক্ষা কৰি হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ জ্যোতিৰ্বিদ আৰু অন্যান্য জ্যোতিৰ্বিদসকলে হিচাপ কৰি পাইছে যে, শুক্ৰগ্ৰহৰ উপৰিভাগৰ

উষ্ণতা ৬০০° ফাৰেনহাইটমান হ'ব পাৰে। গ্ৰহটোৰ ৬০-১০০ মাইল ওপৰৰ অঞ্চলৰ উষ্ণতা গড়ে ৩০° ফাৰেনহাইট পোৱা গৈছিল। এই হিচাপৰ ওপৰত ভিত্তি কৰি জ্যোতিৰ্বিদসকলে শুক্ৰৰ উপৰিভাগৰ উষ্ণতা নিৰ্ণয় কৰিছে। এই উষ্ণতা সঁচাকৈয়ে যদি ৬০০° ফাৰেনহাইট হয়, তেন্তে এই গ্ৰহত কোনো জীৱ থকাৰ সম্ভাৱনা একেবাৰে নাইকিয়া হ'ব যেন লাগে।

যোৱা ১৯৫৮ চনৰ ফেব্ৰুৱাৰী মাহত আমেৰিকাৰ বিজ্ঞানীসকলে শুক্ৰগ্ৰহৰ পৰা ৰাডাৰৰ প্ৰতিধ্বনি ঘূৰাই আনিব পাৰিছে। মুঠ সময় লাগিছিল ৫ মিনিট। পৃথিৱীৰপৰা শুক্ৰৰ দূৰত্ব এনেকৈয়ো নিৰ্ণয় কৰা সম্ভৱ হৈছে। শুক্ৰগ্ৰহৰপৰা অনাতাঁৰ সংকেত প্ৰতিধ্বনিত কৰি ওভোতাই অনাৰ কাৰণে বৃটেইনত এটা অতি শক্তিশালী অনাতাঁৰ প্ৰেৰক যন্ত্ৰও বিশেষভাৱে নিৰ্মাণ কৰা হৈছে। অনতিপলমে ইয়াৰদ্বাৰা শুক্ৰগ্ৰহলৈ সংযোগ স্থাপন কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

**পৃথিৱী** ঃ ভাৰতীয় পৌৰাণিক আখ্যানমতে পৃথিৱী ভগৱান শ্ৰীকৃষ্ণৰ পত্নী। পৃথিৱীৰ আন নাম ধৰিত্ৰী, বসুন্ধৰা ইত্যাদি। পৃথিৱীৰ আয়তন শুক্ৰগ্ৰহতকৈ অলপহে বেছি। ইয়াৰ গড় ব্যাস ১২৬৪০ কিলোমিটাৰ। সূৰ্য্যৰ পৰা ইয়াৰ গড় দূৰত্ব ১,৫৭৬ লাখ কিলোমিটাৰ বুলি জনা যায়। ছেকেণ্ডত গড়ে ২৯.৫ কিলোমিটাৰ বেগেৰে প্ৰায় ৩৬৫ দিনত ই উপবৃত্তাকাৰ কক্ষৰে সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰে। প্ৰায় ২৩ ঘণ্টা ৫৬ মিনিটত ই নিজ মেৰুদণ্ডৰ ওপৰত এপাক ঘূৰে।

আন আন গ্ৰহৰ তুলনাত পৃথিৱীৰ বিশেষত্ব হৈছে ইয়াৰ বায়ুমণ্ডল। এই বায়ুমণ্ডল পৃথিৱীৰ কেইবাশ মাইল ওপৰলৈকে বিস্তৃত। মহাশূন্যৰ বহুতো মাৰাত্মক ৰশ্মিয়ে এই বায়ুমণ্ডলত বাধা পাই আমাৰ বিশেষ অনিষ্টসাধন কৰিব নোৱাৰে। পৃথিৱীৰ বায়ুমণ্ডলত অম্লজান, জলীয়বাষ্প আদি থকাৰ কাৰণেহে ই জীৱন ধাৰণৰ কাৰণে উপযোগী হৈছে। পৃথিৱীৰ চন্দ্ৰ নামৰ এটি উপগ্ৰহ আছে।

**মংগল** ঃ ৰোমৰ পুৰণি আখ্যানমতে মংগল তেওঁলোকৰ ৰণদেৱতা। এই ৰণদেৱতাৰ নাম মাৰ্চ। সূৰ্য্যৰপৰা দূৰত্ব হিচাপে পৃথিৱীৰ পিছতে মংগল গ্ৰহ। ইয়াৰ ব্যাস ৬,৭৩২ কিলোমিটাৰ, পৃথিৱীৰ ব্যাসৰ প্ৰায় আধা। ইয়াৰ পদাৰ্থৰ পৰিমাণ, পৃথিৱীৰ পদাৰ্থৰ পৰিমাণৰ $^{১}/_{১০}$ ভাগমান মাত্ৰ। মংগল গ্ৰহৰ মাধ্যাকৰ্ষণ শক্তিও পৃথিৱীতকৈ বহুতো কম। সূৰ্য্যৰপৰা ইয়াৰ গড় দূৰত্ব প্ৰায় ২২৪০ লাখ কিলোমিটাৰ, আৰু পৃথিৱীৰপৰা দূৰত্ব ৭৮৪ লাখ কিলোমিটাৰ। ছেকেণ্ডত গড়ে প্ৰায় ২৪ কিলোমিটাৰ বেগেৰে প্ৰায় ৬৮৭ দিনত উপবৃত্তাকাৰ কক্ষপথেৰে ই সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰে। প্ৰায় ২৪$^{১}/_{২}$ ঘণ্টাত নিজৰ মেৰুদণ্ডৰ ওপৰত ই এপাক ঘূৰে।

পৃথিৱীৰ দৰে মংগল গ্ৰহৰো নিজস্ব বায়ুমণ্ডল এটা আছে; কিন্তু ইয়াৰ বতাহ বৰ পাতল। ইয়াৰ বৰণ ৰঙা। কাৰণ ইয়াৰ ৩/৫ ভাগ মৰুভূমি; তাত ঘাঁহ-বন বা পানী একো নাই; কেৱল ৰঙা বালি। এই বালিৰ ওপৰত সূৰ্য্যৰ পোহৰ পৰাৰ কাৰণে ইয়াক ৰঙা দেখি। মংগল গ্ৰহৰ দুই মেৰু বগা বৰফে আৱৰি থকা যেন দেখা যায়। ১৮৭৭ চনত ইটালিৰ বিখ্যাত জ্যোতিৰ্বিদ ছিয়াপাৰেলীয়ে গ্ৰহটোৰ ওপৰত বহুতো দাগ আৱিষ্কাৰ কৰে। আমেৰিকাৰ জ্যোতিৰ্বিদ পাৰ্চিভাল লৱেলে এই দাগবোৰ জলসিঞ্চন ব্যৱস্থাৰ চিন বুলি ধৰি ল'লে আৰু মংগল গ্ৰহত বুদ্ধিমান জীৱৰ বাস থকা বুলি ঘোষণা কৰিলে। কিন্তু বৰ্তমান জ্যোতিৰ্বিদসকলৰ এই ধাৰণা দূৰ হৈছে। অদূৰ ভৱিষ্যতত ৰকেট আলোকচিত্ৰই মংগল গ্ৰহৰ এই দাগবোৰৰ ৰহস্য ভেদ কৰিব বুলি আশা কৰা হৈছে।

মংগল গ্ৰহৰ দুটা উপগ্ৰহ আছে। শক্তিশালী দূৰবীক্ষণ যন্ত্ৰৰেহে ইহঁতক দেখা যায়। ৰোমানসকলৰ ৰণদেৱতা মাৰ্চৰ ৰথৰ ঘোঁৰা দুটাৰ নাম অনুযায়ী উপগ্ৰহ দুটাৰ নাম 'ফোবচ' আৰু 'ডিমচ' ৰখা হৈছে। 'ফোবচ'ৰ ব্যাস প্ৰায় ১৬ কিলোমিটাৰ আৰু 'ডিমচ'ৰ ব্যাস প্ৰায় ৮ কিলোমিটাৰ। অতি আচৰিত যেন লাগিলেও, এই উপগ্ৰহ দুটা আৱিষ্কাৰ হোৱাৰ এশ বছৰ আগতেই ছুইফটে 'গালিভাৰৰ ভ্ৰমণ কাহিনী'ত ইহঁতৰ বিষয়ে উল্লেখ কৰিছিল।

মংগল গ্ৰহত পানী আৰু বায়ু দুয়োটাই আছে। গতিকে ইয়াত ঘাঁহ-বন আদি থাকিব পাৰে। কিন্তু এই গ্ৰহত প্ৰাণী থকাৰ কোনো সম্ভাৱনা নাই। কাৰণ ইয়াৰ বায়ুমণ্ডলত অম্লজান গেছৰ পৰিমাণ খুব কম। এই বায়ুমণ্ডলৰপৰা প্ৰাণীয়ে জীৱন ধাৰণৰ জোখাৰে অম্লজান গেছ পাব নোৱাৰে। এতেকে মংগল গ্ৰহত পানী থকা-নথকা লৈ জ্যোতিৰ্বিদসকল এতিয়াও একমত হ'ব পৰা নাই। যদিহে তাত প্ৰাণী থকাটো সঁচা হয়, তেনেহ'লে তেওঁলোক বোধহয় জ্ঞান-বুদ্ধিত আমাতকৈ আগবঢ়া হ'ব। কাৰণ মংগল গ্ৰহ পৃথিৱীতকৈ বহুত পুৰণি। তেওঁলোকেও বোধহয় জ্যোতিৰ্বিদ্যা চৰ্চা কৰিছে, আৰু পৃথিৱীত মানুহ থকা কথাটো জানিব পাৰিছে। তেওঁলোকও হয়তো পৃথিৱীলৈ আহিবলৈ চেষ্টা কৰিছে। কোনে জানে কেতিয়া মংগল গ্ৰহৰ অধিবাসীসকল আহি পৃথিৱীত ভুমুকি মাৰেহি।

**বৃহস্পতি ঃ** পুৰাণৰ মতে বিদ্যাবুদ্ধিত অদ্বিতীয় বৃহস্পতি অংগিৰা মুনিৰ পুত্ৰ আৰু দেৱতাসকলৰ গুৰু। আকৌ ৰোমানসকলৰ মতে দেৱৰাজ জুপিটাৰৰ নাম অনুযায়ী ইয়াৰ নামকৰণ কৰা হৈছে। সূৰ্য্যৰপৰা দূৰত্ব হিচাপে মংগলৰ পিছতেই বৃহস্পতি। বৃহস্পতিৰ গড় ব্যাস ১,৩৬,০০০ কিলোমিটাৰ, অৰ্থাৎ পৃথিৱীৰ ব্যাসৰ দহগুণতকৈয়ো বেছি। বাকী আঠোটা গ্ৰহ লগ লাগি যিমান গধুৰ হ'ব, অকল বৃহস্পতি গ্ৰহৰ ওজনেই তাৰ দুগুণ হ'ব। সূৰ্য্যৰ পৰা বৃহস্পতিৰ গড় দূৰত্ব ১০,৯২৮ লাখ কিলোমিটাৰ। প্ৰতি

চেকেণ্ডত ১২.৮ কিলোমিটাৰ বেগেৰে উপবৃত্তাকাৰ কক্ষপথেৰে ই প্ৰায় ১২ বছৰত সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰে। মাত্ৰ ১০ ঘণ্টামান সময়তে ই নিজৰ মেৰুদণ্ডৰ ওপৰত এপাক মাৰে। বৃহস্পতিৰ উজ্জ্বলতা শুক্ৰগ্ৰহৰ পিছতেই।

দূৰবীক্ষণ যন্ত্ৰৰে চালে বৃহস্পতি গ্ৰহৰ ওপৰত কেতবোৰ উজ্জ্বল পটি দেখা যায়। এই পটিবোৰ বৃহস্পতিৰ বায়ুমণ্ডলত থকা ঘনীভূত বাষ্প বুলি অনুমান কৰা হৈছে। বৃহস্পতি গ্ৰহৰ এই পৰ্য্যন্ত ১১টা উপগ্ৰহ আৱিষ্কৃত হৈছে। ইয়াৰে চাৰিটা ডাঙৰ আৰু বাকীবোৰ কিছু সৰু। আটাইতকৈ ডাঙৰ উপগ্ৰহ চাৰিটা ১৬১০ চনতেই গেলিলিওই দূৰবীক্ষণ যন্ত্ৰৰে দেখিছিল। ইয়াৰে দুটা আমাৰ চন্দ্ৰৰ সমান ডাঙৰ, আৰু বাকী দুটা প্ৰায় বুধৰেই সমান। এই হিচাপে ইয়াক এখন সৰু সৌৰজগত বুলি ভাবিব পাৰি। বৃহস্পতি গ্ৰহত জীৱন থকা-নথকা কথা এতিয়া কল্পনাহে কৰিব পাৰি।

**শনি ঃ** হিন্দু শাস্ত্ৰমতে শনি বৰ অনিষ্টকাৰী গ্ৰহ। শনিৰ দৃষ্টি পৰি গণেশৰ মুণ্ডপাত হোৱাৰ কথা আমাৰ শাস্ত্ৰত লিখা আছে। শনিৰ কোপত পৰি শ্ৰীবৎস-চিন্তাৰ বিলৈ-কিপত্তি নোহোৱা হৈছিল। পাশ্চাত্য পৌৰাণিক আখ্যানমতে শনি বা ছেটাৰ্ন দেৱৰাজ জুপিটাৰৰ দেউতাক। গ্ৰহবোৰৰ ভিতৰত শনিয়েই আটাইতকৈ ধুনীয়া। ইয়াৰ গড় ব্যাস ১,১২,০০০ কিলোমিটাৰৰ ওপৰ, অৰ্থাৎ পৃথিৱীৰ ব্যাসৰ প্ৰায় নগুণ। কিন্তু পৃথিৱীতকৈ ইয়াৰ পদাৰ্থৰ পৰিমাণ মাত্ৰ ৯০ গুণমানহে বেছি। আচৰিত কথা যে, ইয়াৰ ঘনত্ব, পানীৰ ঘনত্বতকৈও কম। আয়তন হিচাপে বৃহস্পতিৰ তলতেই শনিগ্ৰহ। সূৰ্য্যৰ পৰা শনিৰ গড় দূৰত্ব ১৪,০৮০ লাখ কিলোমিটাৰ। প্ৰতি ছেকেণ্ডত ১০.৪ কিলোমিটাৰ বেগেৰে ২৯১/২ বছৰত ই এবাৰ সূৰ্য্যক প্ৰদক্ষিণ কৰে— উপবৃত্তাকাৰ বাটেৰে। ১০ ঘণ্টাতকৈ অলপ বেছি সময়ত ই নিজৰ মেৰুদণ্ডৰ ওপৰত এপাক ঘূৰে।

দূৰবীক্ষণ যন্ত্ৰৰে চালে শনিগ্ৰহৰ গাত তিনিটা অতি বিতোপন বলয় দেখা যায়। এই বলয়কেইটা চেপেটা আৰু উজ্জ্বল। ইহঁতৰ আটাইতকৈ ডাঙৰটোৰ ব্যাস ২৭৩৬০০ কিলোমিটাৰ। কিন্তু বলয়বোৰ মাত্ৰ ১৬ কিলোমিটাৰমানহে ডাঠ। পোন্ধৰ বছৰৰ মূৰে মূৰে এই বলয়বোৰ নাইকিয়া হোৱা যেন দেখা যায়। ইহঁত অসংখ্য কণিকাৰ সমষ্টি বুলি প্ৰমাণিত হৈছে। মাজৰ বলয়টো আটাইতকৈ ডাঠ আৰু দীপ্তিমান। শনিৰ চাৰিওফালে ইহঁত ঘূৰি থাকে। শনিগ্ৰহৰ ৯টা উপগ্ৰহ আছে। তাৰে টাইটান নামৰ আটাইতকৈ ডাঙৰটোৰ ব্যাস ৫,৬৮০ কিলোমিটাৰ, অৰ্থাৎ বুধতকৈ কিছু ডাঙৰ। বাকী কেইটাৰ পাচোঁটাৰ ব্যাস ৬৩২ আৰু ১,৮৪০ কিলোমিটাৰৰ ভিতৰত; আন তিনিটাৰ ব্যাস ৩২ আৰু ৬৪ কিলোমিটাৰৰ ভিতৰত। ইয়াৰ বায়ুমণ্ডল আৰু ইয়াত জীৱ থকা-নথকা সম্বন্ধে বৰ্তমানলৈ একো জানিব পৰা নাই।

**ইউৰেনাছ ঃ** পাশ্চাত্য পৌৰাণিক আখ্যান মতে ইউৰেনাছ ছেটাৰ্নৰ দেউতাক। ইউৰেনাছ আৱিষ্কাৰ কৰে বিখ্যাত জ্যোতিৰ্বিদ ছাৰ উইলিয়াম হাৰ্চেলে ১৭৮১ চনৰ ১৩ মাৰ্চৰ ৰাতি। সেই বছৰতে ইউৰেনিয়ামো আৱিষ্কৃত হয়। নতুন গ্ৰহটোৰ নাম অনুযায়ী নতুন এই মৌলিক পদাৰ্থটোৰ নামকৰণ কৰা হয়।

ইউৰেনাছ গ্ৰহটোৰ ব্যাস প্ৰায় ৪৯,৫০০ কিলোমিটাৰ অৰ্থাৎ পৃথিৱীৰ ব্যাসৰ প্ৰায় চাৰিগুণ। ইয়াৰ পদাৰ্থৰ পৰিমাণ পৃথিৱীৰ পদাৰ্থৰ পৰিমাণতকৈ প্ৰায় ১৫ গুণ বেছি। সূৰ্য্যৰপৰা ইয়াৰ দূৰত্ব ২৮,৫০০ লাখ কিলোমিটাৰ— শনিৰ দূৰত্বৰ প্ৰায় দুগুণ। প্ৰতি ছেকেণ্ডত ৬.৪ কিলোমিটাৰ বেগেৰে ৮৪ বছৰত ই এবাৰ সূৰ্য্যক প্ৰদক্ষিণ কৰে আৰু প্ৰায় ১১ ঘণ্টাত নিজৰ মেৰুদণ্ডৰ ওপৰত এপাক ঘূৰে। দূৰবীক্ষণ যন্ত্ৰে চালে ইউৰেনাছক সেউজীয়া যেন দেখা যায়। ইয়াৰ উপগ্ৰহ পাঁচটা। ইয়াক খালী চকুৰে নেদেখি।

**নেপচুন ঃ** পৌৰাণিক সমুদ্ৰদেৱতাৰ নাম অনুযায়ী এই গ্ৰহৰ নামকৰণ কৰা হৈছে। ইউৰেনাছতকৈ, নেপচুন অলপ ডাঙৰ। ইয়াৰ ব্যাস প্ৰায় ৫৩,০০০ কিলোমিটাৰ। ইয়াৰ পদাৰ্থৰ পৰিমাণ পৃথিৱীতকৈ ১৭ গুণ বেছি। সূৰ্য্যৰপৰা ইয়াৰ গড় দূৰত্ব প্ৰায় ৪৪৬ কোটি কিলোমিটাৰ অৰ্থাৎ ইউৰেনাছৰ দূৰত্বৰ প্ৰায় ১$^{১}/_{২}$ গুণ। ছেকেণ্ডত ৫.৫ কিলোমিটাৰ বেগেৰে উপবৃত্তাকাৰ পথেৰে প্ৰায় ১৬৫ বছৰত ই এবাৰ সূৰ্য্যক প্ৰদক্ষিণ কৰে। প্ৰায় ১৬ ঘণ্টাত নিজৰ মেৰুদণ্ডৰ ওপৰতো ই এপাক মাৰে।

নেপচুন গ্ৰহটো ইমান দূৰৈত আছে যে, শুদা চকুৰে ইয়াক নেদেখি; অতি শক্তিশালী দূৰবীক্ষণেৰে চালেও ইয়াক অতি সৰু চিহ্ন যেন দেখা যায়। নেপচুনক দূৰবীক্ষণেৰে ঈষৎ সেউজীয়া দেখি। জ্যোতিৰ্বিদসকলৰ মতে নেপচুন পাতল বাষ্পৰদ্বাৰা গঠিত। এই কাৰণে আকাৰত বৃহৎ হ'লেও, ই ওজনত বেছি গধুৰ নহয়। নেপচুন গ্ৰহৰ উপগ্ৰহ দুটা— ট্ৰাইটন আৰু নিৰেইড। ইয়াৰ উপৰিভাগৰ উষ্ণতা ইমান কম যে, কোনো প্ৰাণীয়ে ইয়াত বাস কৰাটো সম্ভৱ হয় বুলি ধাৰণা কৰিব নোৱাৰি।

**প্লুট' ঃ** পৌৰাণিক গ্ৰীক আৰু ৰোমান আখ্যানমতে প্লুট' নৰক বা পাতালৰ ৰজা। এই গ্ৰহটো সূৰ্য্যৰপৰা বহু দূৰৈত মহাশূন্যৰ কোনোবা ঠাইত সোমাই আছে কাৰণে ইয়াৰ এইৰকম নামকৰণ কৰা হৈছে।

এই গ্ৰহটো ১৯৩০ চনৰ ২১ জানুৱাৰী তাৰিখে আৱিষ্কৃত হয়। প্লুট' গ্ৰহটো খালী চকুৰে দেখাটো বেলেগ কথা অতি শক্তিশালী দূৰবীক্ষণ যন্ত্ৰে চালেও অতি অনুজ্জ্বল দেখা যায়। ই সৌৰজগতৰ শেষ সীমাত আছে বুলি ক'ব পাৰি। ইয়াৰ ব্যাস ৫,৭০০ কিলোমিটাৰ বুলি নিৰ্ণয় কৰা হৈছে। সেয়ে হলে ই প্ৰায় বুধৰ সমানেই আৰু পৃথিৱীৰ

দহ ভাগৰ এভাগমান হ'ব। সূৰ্য্যৰ পৰা ইয়াৰ দূৰত্ব ৫৯৭ কৌটি কিলোমিটাৰ। ছেকেণ্ডত প্ৰায় ৫ কিলোমিটাৰ বেগেৰে ই প্ৰায় ২৪৯ বছৰত সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰে। ইয়াৰ আহ্নিক গতিৰ বিষয়ে সবিশেষ এতিয়াও সঠিককৈ জানিব পৰা নাই। আমাৰ পৰা বহুত দূৰৈত থকা কাৰণে প্লুট' সম্পৰ্কে খুব বেছি একো জনা হোৱা নাই। এই পৰ্য্যন্ত ইয়াৰ কোনো উপগ্ৰহ আৱিষ্কৃত হোৱা নাই। প্লুট' গ্ৰহ সম্বন্ধে বহুত কথাই ভৱিষ্যতে জানিবলৈ আমি আশা ৰাখিছোঁ।

**গ্ৰহকণিকাপুঞ্জ ঃ** অষ্টাদশ শতিকাৰ শেষৰ ফালে জ্যোতিৰ্বিদসকলে মন কৰিলে যে, বড-টিটিয়াছৰ নিয়ম অনুযায়ী মংগল আৰু বৃহস্পতি গ্ৰহ দুটাৰ মাজত থাকিবলগীয়া গ্ৰহৰ স্থানত কোনো গ্ৰহ নাই। এই অঞ্চলত সৰু কিবাকিবি গ্ৰহ পোৱা হ'ব বুলি জ্যোতিৰ্বিদ কেপলাৰেও কৈ থৈছিল। গতিকে জ্যোতিৰ্বিদসকলৰ এখন সভাত প্ৰস্তাৱ লোৱা হ'ল যে— ইহঁতক বিচাৰি উলিয়াবই লাগিব। যেনে কথা, তেনে কাম। ১৮০১ চনত ১ জানুৱাৰীৰ ৰাতি চিচিলিৰ পালেমো বীক্ষাণাগাৰৰ পৰিচালক পিয়াৎজীয়ে প্ৰথম গ্ৰহকণিকা চিৰিছ আৱিষ্কাৰ কৰে। ১৮০২ চনত আৱিষ্কৃত হ'ল প্যালাছ, ১৮০৪ চনত জুনো, আৰু ১৮০৭ চনত ভীষ্টা। ১৮৩০ চনত পঞ্চম গ্ৰহকণিকা আৱিষ্কৃত হয়। ইয়াৰ পিছত আলোকচিত্ৰৰ সহায়ত কেবাহাজাৰো গ্ৰহকণিকা আৱিষ্কৃত হৈছে। এই গ্ৰহকণিকাবোৰ থকা বলয় আকৃতিৰ অঞ্চলটো প্ৰায় ৫৫ কোটি কিলোমিটাৰ বহল।

গ্ৰহকণিকাবোৰৰ ভিতৰত প্ৰথমে আৱিষ্কৃত হোৱা চাৰিটাই ডাঙৰ। ইয়াৰে চিৰিছৰ ব্যাস ৭৬৮ কিলোমিটাৰ, প্যালাছৰ ব্যাস ৪৮৬ কিলোমিটাৰ, জুনোৰ ১৯২ কিলোমিটাৰ, আৰু ভীষ্টাৰ ৩৮৪কিলোমিটাৰ। ইহঁতৰ ভিতৰত ভীষ্টাই আটাইতকৈ উজ্জ্বল। ইয়াক কেতিয়াবা কেতিয়াবা শুদা চকুৰেও দেখা যায়। আটাইতকৈ বিখ্যাত গ্ৰহকণিকা বোধহয় ইৰছ। ১৮৯৮ চনত ই আৱিষ্কৃত হয়। ইয়াৰ ব্যাস মাত্ৰ ২৪ কিলোমিটাৰমান। সূৰ্য্যৰ চাৰিওপিনে ইয়াৰ কক্ষপথত ঘূৰোতে প্ৰতি ৩৭ বছৰৰ মূৰে মূৰে ই আমাৰ প্ৰায় ১ কোটি ৬০ লাখ ২২ কিলোমিটাৰ ওচৰলৈ আহে। গতিকে আকাশৰ জ্যোতিষ্কবোৰৰ ভিতৰত চন্দ্ৰৰ পিছতেই ইৰছ আমাৰ আটাইতকৈ ওচৰ চাপে। জ্যোতিৰ্বিদসকলে অনুমান কৰে যে, আদিতে গ্ৰহকণিকাবোৰ আটায়ে মিলি একেটা মাত্ৰ গ্ৰহ আছিল। পিছত হয়তো অতিকায় বৃহস্পতি গ্ৰহৰ প্ৰৱল আকৰ্ষণৰ ফলত এই গ্ৰহ ভাঙি চূৰমাৰ হৈ এই গ্ৰহকণিকাবোৰত পৰিণত হয়।

**ধূমকেতু ঃ** ধূমকেতু বা নেজালতৰা সৌৰজগতৰ এবিধ আচৰিত ধৰণৰ অধিবাসী। বহু বছৰৰ মূৰে মূৰে আৱিৰ্ভাব হৈ আকাশত কিছুদিন দেখা দি থকাৰ পিছত ই কোনোবা অজান ৰাজ্যলৈ আঁতৰি যায়।প্ৰথমতে ই এটা মেঘাচ্ছন্ন অনুজ্জ্বল জ্যোতিষ্কৰ দৰে সন্ধিয়া

আকাশৰ কোনো এক অংশত দেখা দিয়ে। নিতৌ অলপ অলপকৈ সি সূৰ্য্যৰ ওচৰ চাপে, আৰু ক্ৰমে স্পষ্ট হৈ উঠে। ই যিমানে সূৰ্য্যৰ ওচৰ চাপে সিমানে তাৰ নেজডাল বেছি দীঘল হয়, আৰু লগে লগে ঘূৰণীয়া মূৰটোও উজ্জ্বল হৈ উঠে। ধূমকেতু সূৰ্য্যৰ ফালে কিছুদিন আগবাঢ়ি যোৱাৰ পিছত লাহে লাহে আকৌ আঁতৰি যাবলৈ আৰম্ভ কৰে। লগে লগে তাৰ নেজডালো চুটি হ'বলৈ ধৰে, আৰু মূৰটোৰ উজ্জ্বলতাও ক্ৰমে কমিবলৈ ধৰে। শেষত নেজডাল নাইকিয়া হয়, আৰু ধূমকেতুটোও একেবাৰে অদৃশ্য হৈ পৰে।

ধূমকেতুৰ সচৰাচৰ দুটা ভাগ— মূৰ আৰু নেজ। মূৰটো সৰু আৰু ঘূৰণীয়া, মূৰটোৰ সোঁমাজত নক্ষত্ৰৰ দৰে উজ্জ্বল পিণ্ড থাকে; ইয়াক ধূমকেতুৰ চকু বুলিবও পাৰি। আটাইবোৰ ধূমকেতুৰে নেজৰ আকৃতি একে নহয়। কিছুমানৰ নেজ মেলি থোৱা দীঘল চুলি একোছাৰ দৰে, আৰু কিছুমানৰ সোঁতাৰ দৰে দীঘল আৰু বহল। কোনো কোনো ধূমকেতুৰ আকৌ দুই-তিনিডালকৈ নেজ থাকে। ইয়াৰ নেজ ইমান পাতল যে, ইয়াৰ মাজেদি আকাশৰ গ্ৰহ নক্ষত্ৰবোৰ স্পষ্টভাবে দেখা যায়। অনুজ্জ্বল ধূমকেতুবোৰৰ আকৌ নেজ নাথাকিবও পাৰে। ডাঙৰ ধূমকেতুৰ মূৰৰ ব্যাস কেবা হাজাৰ আৰু নেজৰ দীঘ কেবা লাখ কিলোমিটাৰ হ'ব পাৰে।

ধূমকেতু বৰফ আৰু উল্কা জাতীয় কিছুমান ক্ষুদ্ৰ গোটা পদাৰ্থৰ সমষ্টি বুলি বৈজ্ঞানিকসকলৰ ধাৰণা। সূৰ্য্যৰ ওচৰ চাপিলে সূৰ্য্যৰ উত্তাপ পাই বৰফৰ কিছু অংশ বাষ্পত পৰিণত হয়, আৰু ধূলিকণাৰে মিশ্ৰিত হৈ ধূমকেতুৰ মস্তক বা মূৰ ভাগ গঠন কৰে। আয়তনৰ তুলনাত ধূমকেতুবোৰ খুব পাতল। ডাঙৰ একোটাৰ পদাৰ্থ পৰিমাণ পৃথিৱীৰ দহ লাখ ভাগৰ এভাগতকৈও কম। ধূমকেতুৰ নিজা পোহৰ নাই। সূৰ্য্যৰ পোহৰ গাত পৰিলেহে ই উজ্জ্বল হৈ উঠে। ধূমকেতুৰ নেজৰ এটা বিশেষত্ব হৈছে যে, ই সদায় সূৰ্য্যৰপৰা দূৰৰ পিনে থাকে। সূৰ্য্যৰ পোহৰৰ চাপেই ইয়াৰ কাৰণ বুলি জনা যায়।

ধূমকেতুবোৰেও গ্ৰহৰ দৰে নিজৰ নিজৰ উপবৃত্তাকাৰ কক্ষপথেৰে সূৰ্য্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰে। কিন্তু ধূমকেতু আৰু গ্ৰহৰ কক্ষ একেখন সমতলত নাথাকে। তদুপৰি কোনো কোনো ধূমকেতুৰ কক্ষপথ উপবৃত্তাকাৰ হ'লেও ই ইমান দীঘলীয়া আৰু চেপেটা যে, তাৰে এপাক ঘূৰোতে বহুত বছৰ লাগে। গতিকে সেই কক্ষপথেৰে ঘূৰা ধূমকেতু এবাৰ দেখাৰ পিছত পুনৰ নেদেখা কথাটো একেবাৰেই স্বাভাৱিক।

আকাশৰ যিকোনো অঞ্চলতে ধূমকেতু দেখা যাব পাৰে। কিন্তু গ্ৰহবোৰ নিৰ্দিষ্ট অঞ্চলতহে থাকে। প্ৰতি বছৰেই দুই-চাৰিটা ধূমকেতু আকাশত দেখা যায়। অৱশ্যে তাৰে প্ৰায় ভাগেই শুদা চকুৰে দেখা পাবলগীয়া নহয়। ধূমকেতুৰ লগত দুৰ্য্যোগৰ ঘনিষ্ঠ সম্পৰ্ক থকা বুলি অতীজৰে পৰা মানুহৰ বিশ্বাস। ধূমকেতুৱে দুৰ্য্যোগৰ আগজাননী দিয়ে বুলি অৱশ্যে বহুতে বিশ্বাস নকৰে।

কিছুমান ধূমকেতুৱে সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰিয়েই গুচি যায়। পুনৰায় ঘূৰি নাহে। কিছুমানে আকৌ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে দেখা দি থাকে। অৱশ্যে কম সময়ৰ ভিতৰত সূৰ্য্যক প্ৰদক্ষিণ কৰা ধূমকেতু মাত্ৰ এশটামানহে আছে বুলি জোতিৰ্বিদসকলৰ ধাৰণা। তাৰ ভিতৰত ইঙ্কেৰ ধূমকেতুৱেই বিখ্যাত। প্ৰায় চাৰে তিনি বছৰত ই একোবাৰ সূৰ্য্যক প্ৰদক্ষিণ কৰে। শুদা চকুৰেও ইয়াক কেতিয়াবা দেখা যায়। কিছুমান ধূমকেতুৰ প্ৰদক্ষিণকাল কেবাশ বা কেবা লাখ বছৰো হ'ব পাৰে।

ডাঙৰ ধূমকেতু কিছুমানে প্ৰকাণ্ড একোটা কক্ষপথত সূৰ্য্যক প্ৰদক্ষিণ কৰে। এনে কিছুমান ধূমকেতু সূৰ্য্যৰপৰা নেপচুন গ্ৰহৰ দূৰত্বৰ ত্ৰিশ গুণমান পায়গৈ। সূৰ্য্যৰ পৰা প্ৰচণ্ড দূৰ গৈ পালেও, সূৰ্য্যৰ আকৰ্ষণ শক্তিয়ে কিন্তু ইহঁতক নিজ নিজ কক্ষপথত ঠিকমতে ঘূৰাই থাকে।

ডাঙৰ ধূমকেতুবোৰৰ ভিতৰত হেলীৰ ধূমকেতু অতি বিখ্যাত। ই প্ৰায় ৭৫$^১/_২$ বছৰত সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰে। নিউটনৰ বিশেষ বন্ধু ইংলণ্ডৰ দ্বিতীয় ৰাজজ্যোতিৰ্বিদ এডমাণ্ড হেলীয়ে এই ধূমকেতুৰ কক্ষপথ নিৰ্ধাৰণ কৰে, আৰু তেওঁৰ নামেৰেই এই ধূমকেতুৰ নামকৰণ কৰা হয়। তেওঁৰ সময়ত ১৬৮২ চনত এই ধূমকেতু দেখা যায়। ১৭৫৭ চনমানত ইয়াক আকৌ দেখা যাব বুলি তেওঁ ভৱিষ্যদ্বাণী কৰে; আৰু প্ৰায় তেওঁ কোৱামতেই ধূমকেতুটো আচলত ১৭৫৮ চনৰ বৰদিনৰ দিনা দেখা যায়। তেতিয়াৰপৰা ৭৫$^১/_২$ বছৰৰ মূৰে মূৰে ইয়াক দেখা পোৱা গৈ আছে। ১৯১০ চনৰ ২১ মে'ৰ দিনা, পৃথিৱী এই ধূমকেতুৰ নেজৰ মাজেৰে বা নেজত ঘঁহনি খাই পাৰ হৈ গৈছিল। এই সময়ত পৃথিৱীত প্ৰলয় হ'ব পাৰে বুলি বহুতে আগৰেপৰা ভয় খাই আছিল। কিন্তু এই সংঘৰ্ষৰ ফলত পৃথিৱীৰ একো অনিষ্ট নহ'ল। ১৯৮৬ চনত আকৌ হেলীৰ ধূমকেতু দেখা পোৱা যাব।

**উল্কা ঃ** কেতিয়াবা কেতিয়াবা আন্ধাৰ ৰাতি হঠাৎ আকাশৰপৰা যেন একোটা বৰ উজ্জ্বল তৰা অতি বেগেৰে তললৈ নামি আহি নিমিষতে নাইকিয়া হয়। এয়েই উল্কা বা পপীয়া তৰা। উল্কাবোৰো সৌৰজগতৰ অধিবাসী। ইহঁত শিল বা ধাতুৰে গঠিত। গ্ৰহ আৰু ধূমকেতুৰ দৰে, উল্কাবোৰো সূৰ্য্যৰ চাৰিওফালে উপবৃত্তাকাৰ পথেৰে পৰিভ্ৰমণ কৰে। ইহঁতে সচৰাচৰ দল বান্ধি ফুৰে। উল্কাৰ এই দলক উল্কাপুঞ্জ বোলে। উল্কাপুঞ্জবোৰে নিজৰ কক্ষপথেদি আহি যেতিয়া পৃথিৱীৰ নিচেই ওচৰ চাপে, তেতিয়া পৃথিৱীৰ আকৰ্ষণৰ ফলত কিছুমান উল্কা কক্ষৰ পৰা বিচ্যুত হৈ পৃথিৱীলৈ খহি পৰে। কিন্তু মাটিত পৰাৰ আগতে সিহঁত বায়ুমণ্ডলৰ মাজেৰে আহিবলগা হয়। অতি বেগেৰে অহাৰ ফলত বায়ুৰ লগত ঘঁহনি খাই প্ৰচুৰ তাপ আৰু পোহৰ উৎপন্ন হয়। মাটিত পৰিবলৈ নৌপাওতেই

মাজবাটতে সিহঁত পুৰি গৈ ভস্ম আৰু বাষ্পত পৰিণত হয়। কেতিয়াবাহে দুই-এটুকুৰা ডাঙৰ উল্কা মাজ বাটতে সম্পূৰ্ণকৈ পুৰি নগৈ মাটিত আহি পৰেহি। তেতিয়া ইয়াক উল্কাপিণ্ড বোলা হয়।

মাজে-সময়ে বৰ ডাঙৰ উল্কাপাত হোৱা দেখা যায়। এনে উল্কাপাত হ'লে আকাশত প্ৰথমতে বৰ উজ্জ্বল আৰু বহল ধৰণৰ পোহৰৰ ছটা এটা ওলায়, আৰু মাটিত পৰাৰ সময়ত বজ্ৰপাতৰ দৰে ভীষণ শব্দ কৰি উল্কাটো কেইবাটুকুৰা হৈ ফাটি যায়। ১৯০৮ চনৰ ৩০ জুন তাৰিখে ৰুছিয়াৰ চাইবেৰিয়া অঞ্চলত উল্কাপাতে কেবাশ বৰ্গমাইল জুৰি গছ-গছনি, জীৱ-জন্তু ধ্বংস কৰে। আমেৰিকাৰ এৰিজোনা অঞ্চলৰ ডাঙৰ এডোখৰ গহ্বৰাকৃতি ঠাই উল্কাৰেই কীৰ্তি বুলি বহুতে বিশ্বাস কৰে। বছৰৰ কোনো সময়ত উল্কা জাকে জাকে দেখা যায়। জাৰৰ দিনত বৃষ, মিথুন, সিংহ আদি ৰাশি অঞ্চলৰপৰা এনে কিছুমান জাক আৱিৰ্ভাব হোৱা যেন দেখা যায়। এসময়ত সিংহ ৰাশি অঞ্চলৰ উল্কাজাক খুব বিখ্যাত আছিল। এইটো জাকৰ উল্কা একোটাই ৩৩ বছৰত সূৰ্য্যক এবাৰ প্ৰদক্ষিণ কৰে। ১৮৩৩ চনৰ ১৩ নৱেম্বৰৰ ৰাতি ইহঁতৰ আঢ়ৈ লাখমানক দেখা গৈছিল। এনে সুন্দৰ মনোৰম দৃশ্য আৰু কেতিয়াও দেখা পোৱা হোৱা নাই। ১৮৩৩ চনৰ পিছত এইজাক উল্কাক ১৮৬৬, ১৯০০, ১৯৩৩ আৰু ১৯৬৬ চনত কিছু পৰিমাণে দেখা গৈছিল।

কোনো নিশা আকাশৰ কোনো এডোখৰ ঠাইৰ পৰা বহুতো উল্কা একে লগে পৰা দেখা যায়। তেতিয়া উল্কাবৃষ্টি হোৱা বুলি কোৱা হয়। কেৱল উল্কাপুঞ্জৰ পৰাহে উল্কাবৃষ্টি হয়; কিন্তু সকলো সময়তে নহয়। জ্যোতিৰ্বিদসকলৰ মতে কিবা কাৰণত একোটা ধূমকেতু ভাগি গৈ উল্কাপুঞ্জত পৰিণত হয়। বায়েলাৰ ধূমকেতু ইয়াৰ উদাহৰণস্বৰূপে উল্লেখ কৰিব পৰা যায়। প্ৰায় ছবছৰত ই সূৰ্য্যক একোবাৰ প্ৰদক্ষিণ কৰিছিল। কিন্তু এবাৰ নিৰ্দিষ্ট সময়ত ইয়াৰ পৰিৱৰ্তে, ইয়াৰ কক্ষপথত এজাক ধুনীয়া উল্কা দেখা গ'ল। এতেকে আৰু সন্দেহ নাথাকিল যে, ধূমকেতুৰ পৰাই উল্কাপুঞ্জৰ সৃষ্টি হ'ব পাৰে। ■

*(এই লেখাটো লিখকে পৰিকল্পনা কৰা 'বিশ্বব্ৰহ্মাণ্ড' সম্পৰ্কীয় এখন অসম্পূৰ্ণ গ্ৰন্থৰ কিয়দংশ। ইয়াত জ্যোতিৰ্বিজ্ঞান সম্পৰ্কীয় বহুতো বৈজ্ঞানিক তথ্য ব্যৱহাৰ কৰা হৈছে। কিন্তু এতিয়াৰপৰা প্ৰায় চল্লিছ-পঞ্চাশ বছৰ আগতে লিখা বাবে আজিৰ নতুন গৱেষণাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ বহু তথ্য ভুল, পুৰণি আৰু অসম্পূৰ্ণ হ'ব পাৰে। কিন্তু প্ৰয়াত লিখকৰ প্ৰতি সন্মান জনাই সেইবোৰ শুদ্ধ কৰি দিয়া হোৱা নাই।)*

# Introduction to Botany

## Hem Chandra Sharma

The science that deals with the study of living objects goes by the common name of **Biology** (Bios means life: logos means discourse of science). Since both plants and animals are living, Biology includes a study of both. Biology is, therefore, divided into two branches, **Zoology** (Zoon, animals) which deals with animals, and **Botany** (Botane, herb) which deals with plants.

Botany deals with the study of plants from many points of view. It investigates the external and internal structures of plants, their functions in regard to nutrition, growth, movements, reproduction etc; their adaption to the environment, their distribution, their relationships, classification etc.

**Importance and Uses of Plants–** We people are surrounded by a world of plants. We shall have to depend on them for almost all our daily necessities of life. The primary necessities of man are three fold– food, clothing, and shelter. All these are extensively supplied by the plant kingdom.

The chief items of our food are derived directly or indirectly from plants. The green plants have the unique capacity of synthesizing complex organic food matters from simple substances in presence of sunlight. This process involves in taking of carbondioxide gas from the atmosphere, and giving out of oxygen gas. Thus the plants, apart from playing the role of universal food producer for animals including human beings, purify the air, and make possible for life on earth. All the important food cereals like rice, wheat, maize, millet, barley, oat etc., pulses, vegetables, fruits etc. are derived directly from the plants.

For clothing again plants are indispensable sources of fibres, coarse and fine, for the manufacture of garments.

For shelter timber is absolutely necessary for the construction of houses, buildings etc.

Besides, fats and oils produced by the plants are used as food, and also in other industries like manufacture of soap, as lubricants, and in paints and varnishes. Different spices, beverages like tea, coffee, cocoa, and wines and liquors are also plant products. Plants are the sources of a large member of medicines indispensable to the mankind. The wonder drugs of present age the antibiotics penicillin, streptomycin, chloromycin, aureomycin etc. which have revolutionized the medical science, are extracted from some of the lower forms of plants. Coal, an important commodity in the modern civilized world, is nothing that the remains of buried plants that existed in the past geological ages. Petroleum, tar, saccharine are also produced from coal. Many other essential substances like paper, rubber, cork etc. are plant products.

**Characteristics of Living Objects–** We do not know what life really is. It is something mysterious and its origin still remains shrouded in mystery. It is assumed, however, that many millions of years ago life first came into existence in water as a mass of '**protoplasm**' (protos, first; plasma, form) from inorganic or non-living substances as a result of certain physical or chemical changes in them, under adventitious circumstances. Therefore, protoplasm is the first formed living material.

The living objects possess some distinctive charactertics by which they can he distinguished from the non-living.

1. **Protoplasm–** Life cannot exists without protoplasm. It is the actual living substance in both plants and animals, and as such it is the "physical basis of life''. Protoplasm is a highly complex mixture of proteins and a variety of other chemical substances

occurring in definite proportion. It is sensitive to all kinds of stimuli.

2. **Respiration–** Respiration is a sign of life. All living beings– plants and animals respire continuously day and night, and for this process of respiration they take in oxygen gas from the atmosphere and give out almost an equal volume of carbon-di-oxide gas. By the process of respiration the energy stored up in the food and other materials is released and made use by the protoplasm for its manifold activities.
3. **Movement–** Movements are also regarded as the sign of life. Most of the animals can move freely, while the movements in most plants are restricted, as they are fixed to the ground. Moving plants and fixed animals are also not uncommon among lower organisms. Movements in plants and animals may be induced or spontaneous.
4. **Growth–** All living beings– plants and animals grow. Non-living objects also grow, as does a crystal, or a stone, or a piece of ice. But they differ in many respects. The growth of the non-living objects is external, new particles are added on the external surface of their bodies from outside, as a result of which they grow, while the growth of the living objects is internal, i.e. it produces from within new particles beings secreted by the protoplasm in the interior of their bodies.
5. **Nutrition–** A living being requires to be supplied with food. The food is ultimately digested and assimilated by the protoplasm for its own nutrition and growth. Thus a regular supply of food is very important factor to the living objects.
6. **Metabolism–** Metabolism is a phenomenon of life. It includes both constructive or anabolic, and destructive or catabolic changes that are constantly going on in the living body.

Anabolic changes lead to the formation of food substances and the construction of protoplasm, while the catabolic changes result in their breaking down, ending in the formation of variety of chemical substances.

7. **Cellular Structure–** All living bodies are composed of characteristic types of structural units called cells. A cell is an organized mass of living substance called protoplasm with a membrane or wall surrounding it. This cellular structure is an exclusive feature of all living organism.
8. **Reproduction–** All living beings possess the power of reproduction. They can give rise to new young ones like themselves. But non-living objects have no such power. They may mechanically break down into a number of irregular parts, but there is much difference between these parts and new young ones produced by the living organisms.
9. **Life Cycle–** All living organisms follow a definite life cycle of birth, growth, reproduction, and death. The plant or the animal is born, and gradually it grows into its characteristic form and size. In course of time, it reproduces to maintain the continuity of the species, and also to multiply in number. Ultimately the organism dies.

**Distinction Between Plants and Animals–** It is very difficult to make a distinction between unicellular animals and plants; but higher plants and higher animals are readily distinguished from one another by their possession of distinctive organs in both case for definite functions. As such, no hard and fast line of distinction can be drawn between plants and animals. The distinguishing features in general are as follows:

1. **Chlorophyll–** Chlorophyll– the green colouring matter is a characteristic feature of plants with the exception of total parasite and fungi. Chlorophyll is contained in special

protoplasmic bodies, called the plastids. Chlorophyll and plastids are conspicuous by their absence in animal cells.

2. **Movement–** Plants grow fixed to the ground or remain attached to the substrata, and as such they cannot bodily move from one place to another, except some lower forms of plants; while the animals can move freely from one place to another in search of food and shelter etc. except a few species which remain attached to the substrata.
3. **Growth–** The regions of growth are localized in the case of plants, lying mainly at the extremities i.e. root apex and stem apex, and also in the interior, i.e. growth is both apical and inter-calary; while in the case of animals growth is not localized to any definite regions, i.e. all parts grow simultaneously. Moreover, in case of plants growth proceeds until death, while in case of animals growth ceases long before death.
4. **Food–** Green plants absorb water and inorganic salts from the soil and carbon-di-oxide from the atmosphere, and prepare food materials out of them mainly in the leaves with the help of chlorophyll in presence of sunlight. Animals, being devoid of chlorophyll, have no such power of manufacturing their own food. They are solely to depend directly or indirectly on plants for food. It is also to be noted that plants take in food in solution only, whereas animals can take in solid as well as liquid food.
5. **Cell-wall–** Both plants and animals are cellular in composition. Each plant cell is surrounded by a distinct but dead wall composed of cellulose called cell-wall, which each cell of animals is surrounded by a living membrane composed of protoplasm called plasma membrane.
6. **Organs–** Various organs such as the organs of locomotion, respiratory organs, excretory organs, etc. have reached perfection

in animals for efficient functioning, but in plants these organs are simple in construction or even altogether absent.

**Main Groups of Plants–** Quite a large member of plants exist in this earth of nature. Nearly 359725 plants have been identified, described and named by the botanists up till now, and quite a large number still remains unknown. They are not only large in number, but are equally varied in nature.

Attempts to classify plants had been made even by early ancients like **Theophrastus** in Greece and the Indian sages in the age of the Upanishads. Since the sixteenth century, different systems of classification have been proposed. Modern classification is really systematic as it is based on the inter-relationships amongst the plant groups.

There are two divisions of the plant kingdom, viz. **Cryptogams** (kryptos means concealed; gamos means marriage) and **Phanerogams** (phaneros means visible; gamos means marriage). Cryptogams are lower plants which never bear flowers and seeds; and Phanerogams are higher plants which always bear flowers and seeds. Thus Cryptogams may be regarded as "flowerless" or "seedless" plants and planerogams may be regarded as "flowering" or "seed bearing" plants.

**A. Cryptogams–** the main groups of Cryptogams from the lower types to the higher are the following:

**1. Thallophyta:** The Thallophyta are lower cryptogams in which the plant body in not differentiated into the root, stem and leaf. Such an undifferentiated plant body is called a **thallus**, and the thallus bearing plants are known as the Thallophyta. The following are the main groups of Thallophyta:

**a) Algae–** Algae are generally green Thallophyta containing chlorophyll, although this colour may be masked by some

other colouring matters. They mostly grow in water and are of various forms. E.g. Spirogyra, Nostoc, Ectocarpus, Polysiphonia etc.

b) **Fungi–** Fungi are the non-green Thallophyta containing no chlorophyll. They grow mostly on land either as saprophytes or as parasites. They may also be of various froms like the Algae. E.g. Mucor, Yeast, Agaricues, Fusarium etc.

c) **Bacteria–** Bacteria are the smallest known organisms, not visible at all to the naked eyes. They are unicellular, non-green and usually spherical or rod-like. They occur almost everywhere, and are parasites or saprophytes. E.g. Bacillus Streptococcus, Spirillum, Vibrio etc.

d) **Lichen–** Lichen is a peculiar combination of an Alga and a Fungus– the two living organisms live together deriving mutual benefit. The Alga manufactures food materials which become available to the Fungus, and the later absorbs and retains water, and thus keeps the Algal cells moist. They constitute an extraordinary group of greyish green plants which grow on rocks, dead woods, tree-trunks etc. E.g. Usnea, Dermatocapon, Endocarpon, Tylophoron, Collema etc.

2. **Bryophyta:** The Bryophyta area group of higher Cryptogams in which the plant body may be thalloid or leafy. They develop some root-like structures called **rhizoids**, but no true roots, and the conducting tissue is also very simple and primitive. They grow on moist ground, old damp walls, barks of trees etc., forming a sort of beautiful green carpet. There are three groups of bryophyta:

a) **Hepaticae:** Hepaticae has dorsiventrally differentiated

Gametophytes, which are externally either simple or differentiated into stems and leaves. Internally they may be homogeneous or composed of different kinds of tissues. Sex organs are always borne on the dorsal surface of the thallus. The sporophyte is very simple or differentiated into a foot, a seta, and a capsule, and these are always borne on the dorsal surface of the thallus. The sporophyte is very simple or differentiated into a foot, a seta, and a capsule, and these are always entirely dependent upon the Gametophytes for food. E.g. Riccia, Marchantia, Sphaerocarpus, Pellia, Calobryum etc.

b) **Anthocrotae:** Gametophytes of Anthocerotae have distinct dorsiventral surfaces, and are of simple external forms. The internal construction is homogenous. The sex organs develop on the dorsal surface, and are embedded into the tissue of the thallus. The sporophytes are differentiated into a capsule, and a foot. The lower part of the capsule corresponding to the position of the seta is highly meristematic. The sporogeneous tissue is developed from the Amphithecium, and not from the endothecium, which is transformed into columella. E.g. Anthoceros, Megaceros, Notothylas etc.

c) **Mushi:** Mushi are a heterogenous series in which there are no such differences between the orders as there are among the Hepaticae. There are two phases in the developments of the gametophyte. The spore germinates to form a thalloid of filamentous body known as **protonema** of simple construction. The protonema gives rise to a leafy branch which bears sex organs. Rhizoids of the gametophytes are multicellular. The sporophyte

is differentiated into a foot, a seta and a capsule, and are semi-parasitic upon the gametophyte for food. E.g. Polytrichum, Sphagrum, Funaria etc.

3. **Pteridophyta:** The Pteridophyta are the highest group of cryptogams in which the plant body is differentiated into true roots, an underground horizontal stem, the rhizome, or an erect stem, and well developed green leaves. The plant body is more complicated with development of conducting and mechanical tissues. They bear spores on their leaves by which they reproduce and multiply. The following are the main groups of the Pteridophyta:
   a) **Psilophytineae–** the sporophyte may be provided with very minute leaves or leafless at all. Roots are generally absent in the fossil forms. The sporoangia are terminal and occur singly at the tips of the branches. E.g. Psilotum, Rhynia, Asteroxylon etc.
   b) **Lycopodineaz–** the sporophyte is differentiated into roots, stems and leaves. The leaves are minute and generally spirally arranged. The branching of the stem is commonly dichotomous. The sporangia are borne singly on the adaxial surface of the sporophylls and contain either homospores or heterospores. The sporophylls may or may not form cone or strobilus. E.g. Lycopodium, Lepidodendron, Selaginella, Isoetes etc.
   c) **Equisetincae–** the sporophyte is differentiated into roots, stems and leaves. The stem is provided with distinct nodes and internodes. The sterile leaves are either macrophyllous or microphyllous and are normally arranged in whorls. The sporangia are borne in groups on the lower surface of the peltate sporophylls, arranged on a special structure

called the **sporangiophore** and form a distinct strobilus. The sporophyte is generally homosphorous. E.g. Equisetum, Calamites, Sphenophyllum, Hyenia etc.

d) **Filicineae–** the sporophyte is normally differentiated into roots, stems and leaves. The leaves are generraly macrophyllus and are spirally arranged. The sporophylls and the sterile leaves are morphologically alike and they never form any strobilus or cone. The sporangia are borne in groups forming sori, either on the margins or near about the centre on the abaxial surface of the sporophylls. E.g. Archaeopteris, Ophioglossum, Polypodium, Marsilea, Salvinia etc.

B. **Phanerogams–** the main group of Phanerogams from the lower form to the higher are the following :

1. **Gymnosperms:** The Gymnosperms are naked-seeded plants, in which the seeds are not enclosed in the fruits. They may be regarded as lower "flowering plants" in which the flowers are unisexual, either male or female, simple in construction and primitive in nature. The following are the main groups of Gymnosperms:


a) **Cycadophyta–** the Cycadophyta are characterised by the plants of comparatively smaller size with unbranched stems, pinnately compound leaves, thick cortex, scanty wood, large pith, and usually simple cones. E.g. Cycas, Williamsonia, Calymmatotheca.

b) **Coniferophyta–** the Coniferophyta are characterised by the plants of comparatively large plants with extensively branched stems, simple leaves, scanty cortex, thick wood, small pith and generally compound female cones and simple male cones. E.g. Pinus, Taxus, Gnetum etc.

2. **Angiosperms:** The Angiosperms are closed-seeded plants, in which the seeds are enclosed in the fruits. They may be regarded as higher ‘‘flowering plants in which the flowers are complicated in contruction and advanced in nature.’’ The following are the main groups of Angiosperms:

   a) **Dicotyledons–** the Dicotyledons included those plants in which the embryo of the seed bears two cotyledons and the flower generrally bears five petals or multiple of this; other characteristics are reticulate venation of leaves and taproots in the root system. E.g. Magnifera indica, Shoreabusta, Tectona grandis etc.

   b) **Monocotyledons–** the Monocotyledons include those plants in which the embryo of the seed bears only one cotyledon and the flower generally bears three petals or a multiple of this; other characteristics are parallel venation of the levaes and fibrous roots in the root system. E.g. Orzyza sativa, Triticum vulgare, Saccharum officinarum, Cocos nucifera, Areca catechu, Musa sapientum etc.



## Introduction to Botany

**Number of Species Recorded:**

| | | |
|---|---|---|
| Thallophyta | – | 126500 |
| Bryophyta | – | 23525 |
| Pteridophyta | – | 10000 |
| Gymnosperms | – | 700 |
| Angiosperms | – | 199000 |
| **Total Species** | **=** | **359725** |

**Branches of Botany–** Botany is the science of plant life. As such it includes everything which has reference to plants. Botany, like other science subjects, may be studied from two aspects– the pure and the applied or economic. Pure Botany deals with the study of plants as a part of nature and Applied Botany, as it is applied to the well-being of mankind. As a whole, the subject may be divided into the following branches:

1. **Morphology:** (morphe means form; logos means science or discourse) So morphology deals with the study of forms and characters of different plant organs such as roots, stems, leaves, flowers, fruits and seeds. The study of external structures of these organs is otherwise known as external morphology, and the study of internal structure of these organs is known as internal morphology or **histology.**
2. **Histology:** (histos means tissues) The study of detailed structure of tissues making up a particular organ or a part is called histology. The study of the gross internal structure of a plant organ is called **anatomy** (ana means asunder; temnin means to cut). The study of the cell structure with special reference to the behaviour of the nucleus is called the **cytology** (kytos means cell).
3. **Physiology:** (physis means nature of life) Physiology deals with the various functions performed by the plants. Functions may

be vital performed by the living matters, i.e., by the protoplasm; or mechanical performed by certain dead tissues.

4. **Ecology:** (oikos means house) Ecology deals with the relationship that exists between an individual plant, or a plant community and its surroundings.
5. **Plant Geography:** Plant Geography deals with the distribution of plants in the different parts of the world, and the factors responsible for it.
6. **Palaeobotany:** (palaios means ancient) Palaeobotany deals with the study of plants preserved in the form of fossils in the earth's strata in past geological ages.
7. **Genetics:** Genetics deals with the study of facts and laws of inheritance of characters from generations to generations.
8. **Organic Evolution:** Organic Evolution deals with the study of the sequence of descent of more recent, more complex, and many more advanced types of plants (or animals), from the earlier, simpler and more primitive types through successive stages in different periods of the earth.
9. **Taxonomy or Systematic Botany:** (taxis means arrangement) Taxonomy deals with the description and identification of plants, and their classification into various natural groups according to the resemblences and differences in their morphological characters.
10. **Applied or Economic Botany:** Economic Botany deals mostly with the utilization of plants and plant products for the well-being of mankind. It may also be divided into several branches, such as– (a) agriculture dealing with cultivation of crops for food and industry; (b) horticulture dealing with the cultivation of garden plants for flowers and fruits; (c) pharmacognosy dealing with the study of medicinal plants with special

reference to preparation and preservation of drugs; (d) plant pathology dealing with the diagnosis, cure and prevention of plant diseases; (e) plant breeding dealing with the cross-breeding of plants evolving newer and more improved types with desired characters; (f) forestry dealing with the study of forest plants for timber and other forest products etc. ■

*(এই লেখাটো লিখকে পৰিকল্পনা কৰা উদ্ভিদবিজ্ঞানৰ এখনি অসম্পূৰ্ণ পাঠ্যপুথিৰ পাতনি অংশ।ইয়াত উদ্ভিদবিজ্ঞান সম্পৰ্কীয় বহুতো বৈজ্ঞানিক তথ্য ব্যৱহাৰ কৰা হৈছে। কিন্তু এতিয়াৰপৰা প্ৰায় চল্লিছ-পঞ্চাছ বছৰ আগতে লিখা বাবে আজিৰ নতুন গৱেষণাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ বহুতো তথ্য ভুল, পুৰণি আৰু অসম্পূৰ্ণ হ'ব পাৰে। কিন্তু প্ৰয়াত লিখকৰ প্ৰতি সন্মান জনাই সেইবোৰ শুদ্ধ কৰি দিয়া হোৱা নাই।)*

---

# এটি মৃত্যুঞ্জয়ী মৰা হাতী

**হেমচন্দ্ৰ শৰ্মা**

এটি মৃত্যুঞ্জয়ী মৰা হাতী
তেজপুৰীয়া হাবিয়নীত
অসমৰ পথাৰত ভেড়াবোৰে
ঘাঁহ খাবলৈ এৰি ওপৰলৈ চাই আছে
হাতীটোৱে অসমৰ ইমূৰৰপৰা
সিমূৰলৈ ভেড়াবোৰ খেদি ফুৰিছে।
হঠাৎ হাতীটো মৰিল
আমি তাক দেখিবলৈ পালোঁ
বোলছবিৰ পৰ্দাৰ আঁৰত... ■

# ভাৰতত স্ত্ৰীশিক্ষা

## চাৰু দেৱী

এটা জাতিৰ প্ৰকৃত ভেটি গঢ়োতা হ'ল মহিলাসকল। ল'ৰা-ছোৱালীয়েই যিহেতু জাতিৰ ভৱিষৎ, উজ্জ্বল ভৱিষ্যতৰ দায়িত্ব মাতৃৰ হাতত। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত নেহৰুৱে কৈছিল, "When you educate a boy you educate an individual only, but when you eduacte a girl you educate an entire family." এনে উক্তিয়ে স্ত্ৰীশিক্ষাৰ মূল্যাঙ্কন কৰে। শিক্ষিত মাতৃগৰাকীয়ে আনুষ্ঠানিক শিক্ষা পোৱাৰ পূৰ্বেই সন্তানক বহু ধৰণৰ শিক্ষা দিবলৈ সক্ষম হয়। যুগস্ৰষ্টা মহামানৱ মহাত্মা গান্ধীয়েও নাৰীৰ মৰ্য্যাদা উপলব্ধি কৰিছিল। তেখেতৰ মতে জন্মদাতৃ মাতৃৰ মঙ্গল সাধন কৰিব পাৰিলে এখন সমাজ তথা জাতিৰ মঙ্গল সাধন কৰিব পৰা যাব। মহামানৱগৰাকীয়ে আকৌ কৈছিল, "মোৰতো বিশ্বাস যে ল'ৰাতকৈ ছোৱালীক শিক্ষিতা কৰাটো বেছি মহত্বপূৰ্ণ কাম"। আন এঠাইত তেখেতে কৈছে, "এগৰাকী মাতৃয়ে এশ শিক্ষকৰ অভাৱ পূৰাব পাৰে।" আজিৰ যুগৰ নাৰীয়ে এই মহাত্মাগৰাকীৰ মন্তব্য উপলব্ধি কৰাটো অতি প্ৰয়োজন। ল'ৰা-ছোৱালী সাধাৰণতে অনুকৰণপ্ৰিয়। যিগৰাকী মাতৃক জন্মৰ দিনৰপৰা লগ পাব সেইগৰাকীক প্ৰতি কথাতে, প্ৰতি কামতে আনকি ব্যৱহাৰ-পাতি, চলন-ফুৰণ, নৈতিক আচৰণ আদিতো ল'ৰা-ছোৱালীয়ে অনুকৰণ কৰাটো স্বাভাৱিক। যি মাতৃয়ে মিছা কথা কয়, বেয়া আচৰণ দেখুৱায়, সেই মাতৃৰ সন্তান কেতিয়াও ভাল হ'ব নোৱাৰে। সেয়েহে মাতৃগৰাকী সুশিক্ষিতা হ'ব লাগে। আমাৰ সমাজত "মাক ভালেই জীয়েক জাতি" বুলি এযাৰ কথাৰ প্ৰচলন আছে। ইয়াৰো তাৎপৰ্য্য আছে। মাতৃ আৰু পত্নীৰ প্ৰভাৱ সকলো দেশতে, সকলো কালতে এটা পৰিয়ালৰ ওপৰত পৰি আহিছে।

প্ৰাচীন কালতো হিন্দুসমাজত নাৰীৰ স্থান বিচাৰ কৰিলে উচ্চখাপতেই পোৱা গৈছিল। আনকি পৃথিৱীৰ জাতিসমূহৰ ভিতৰত শিক্ষাই-দীক্ষাই ভাৰতীয় নাৰী আগবঢ়া আছিল। অৱশ্যে সেই শিক্ষা আমি আজিকালিৰ স্কুল-কলেজৰ শিক্ষা বুলিব নোৱাৰোঁ। সেইবোৰ আছিল ব্যৱহাৰিক শিক্ষা, শাস্ত্ৰশিক্ষা, যাগ-যজ্ঞ আদি ধাৰ্মিক ক্ৰিয়া। সভা-

সমিতি আদিত খৃষ্টপূৰ্ব ২০০ বছৰৰ আগলৈকে নাৰীয়ে যোগদান কৰিছিল। তিৰোতাৰ অনুপস্থিতিত যাগ-যজ্ঞ আদি বন্ধ কৰা, নাৰীয়ে ৰচনা কৰা শ্লোক বেদত অন্তৰ্ভুক্ত কৰা আদি কাৰ্য্য সঁচাকৈয়ে সেই কালত নাৰীৰ সামাজিক মৰ্য্যাদাৰ পৰিচায়ক। প্ৰাচীন কালত সহ-শিক্ষাৰো উদাহৰণ পোৱা যায়। উত্তৰ ৰামচৰিতৰ কথা এইখিনিতে উনুকিয়াব পাৰি। আত্ৰেয়ীয়ে ল'ব আৰু কুশৰ লগত শিক্ষা লাভ কৰিছিল। আনকি সেইসময়ত নাৰীয়েও শিক্ষকতা কৰিছিল। নাচ, গান, সুকুমাৰ কলা আদিত তিৰোতাই প্ৰশিক্ষণ লৈছিল। ড° আৰ. কে. মুখাৰ্জীয়ে কৈছে, "Women were taught some as the fine arts like dancing and singing which were regarded as accomplishments unfit for men." এনেবোৰ উক্তিয়ে বৈদিক যুগৰ পাছতোয়ে তিৰোতা শিক্ষিত আছিল তাৰ প্ৰমাণ দিয়ে।

কিন্তু খৃষ্টপূৰ্ব ২০০ৰ পৰা খৃষ্টাব্দ ১২০০ৰ ভিতৰৰ এই কালছোৱাত স্ত্ৰীশিক্ষাৰ অৱনতি ঘটে। এসময়ত নাৰীয়ে ৰচনা কৰা শ্লোক আন এটা সময়ত নাৰীয়ে উচ্চাৰণ কৰিবলৈকো বাধা হ'ল। জনা-নজনাৰ মাজে মাজে সমাজত পুৰুষ-স্ত্ৰীৰ কামৰ বিভাজন আহি পৰিল। তাৰ পাছৰ কালত মুনিসকলে ছোৱালীবোৰক শূদ্ৰশ্ৰেণীৰ বুলি অভিহিত কৰি শিক্ষাৰ পৰা বঞ্চিত কৰিছিল। সেই সময়ত বাল্যবিবাহৰ প্ৰচলন হৈছিল। স্তোত্ৰপাঠত ভুল হোৱা, শিক্ষিত নাৰীৰ বিবাহত বাধা জন্মা আদি সমাজৰ মূল্যহীন ধাৰণা কিছুমানেও স্ত্ৰীশিক্ষা প্ৰায় বন্ধ কৰিছিল। কিন্তু সমাজৰ ধনী-মানী ৰাজকীয় পৰিয়ালৰ ছোৱালীয়ে তেতিয়াও বৈদিক শিক্ষাৰ বাহিৰে আন উচ্চশিক্ষা পাইছিল। ইয়াৰ পিছৰ কালতো নানা কাৰণত স্ত্ৰীশিক্ষাৰ অৱনতি ঘটিছিল। সেইসমূহৰ ভিতৰত কিছুমানৰ বিষয়ে উল্লেখ কৰিব পাৰি; যেনে— সেই কালত শাসক-শাসিত উভয়ে স্ত্ৰীশিক্ষা অৱহেলা কৰিছিল; শিক্ষিতা ছোৱালী সোনকালে বিধৱা হয়; এনেধৰণৰ অন্ধবিশ্বাসো জনসাধাৰণৰ মাজত আছিল; মুছলমানসকলৰ শাসন কালত ঘনাই ৰাজনৈতিক বিদ্ৰোহ হৈছিল; ছোৱালীৰ শিক্ষা-অনুষ্ঠান সুকীয়াকৈ স্থাপন কৰা সামৰ্থ্য সমাজৰ নাছিল; এটা নিৰ্দিষ্ট বয়সলৈহে ছোৱালীয়ে শিক্ষা লাভ কৰিব পাৰিছিল; প্ৰাপ্তবয়স্ক ছোৱালীয়ে ঘৰতে শিক্ষা লৈছিল; ঘৰুৱা কামৰ অভিজ্ঞতাই তেওঁলোকৰ একপ্ৰকাৰ শিক্ষা; সেই সময়ত পৰ্দাপ্ৰথাৰ প্ৰচলন আছিল। ইত্যাদিবোৰ কাৰণতে ১৮শ আৰু ১৯শ শতিকা— এই দুশ বছৰৰ ভিতৰতে নাৰী শিক্ষাই অৱনতিৰ পথত বেগাই আগবাঢ়ে।

লাহে লাহে সমাজে স্ত্ৰীশিক্ষাত মূল্য দিবলৈ এৰি পেলালে। জীৱন যুদ্ধৰ ক্ষেত্ৰত শিক্ষিতা তিৰোতায়ে পুৰুষৰ কামত ইন্ধন যোগাব পাৰে— সেই বিষয়ে সমাজে উপলব্ধি কৰিব নোৱাৰা হ'ল। নাৰী সদায় পুৰুষৰ তলত আছিল। আনকি শিক্ষানুষ্ঠানত ছোৱালীৰ

নামভৰ্তি নকৰা হ'ল। ক্ৰমান্বয়ে দেশে সন্মুখীন হোৱা আৰ্থিক সমস্যায়ো নাৰীশিক্ষাৰ ক্ষেত্ৰত আউল নলগোৱাকৈ থকা নাই। আৰ্থিক অনাটনত পৰিলে এটা পৰিয়ালে প্ৰথমে ল'ৰাটোৰ কথা চিন্তা কৰিহে পাৰিলে ছোৱালীৰ কথা ভাৱিব। এনে দৃষ্টান্ত সমাজত বহুত। ইয়াৰ উপৰিও আমি আমাৰ সমাজৰ কিছুমান যুক্তিহীন বিচাৰকো এই ক্ষেত্ৰত দায়ী কৰিব পাৰোঁ। কিয়নো যি নাৰীয়ে একালত এই ভাৰতভূমিতেই, মানৱ সভ্যতাৰ আদি ভাগতেই একোটা গোট বা "জন"ৰ মুৰব্বী আছিল, সেই ভাৰতভূমিতেই আজিৰ সমাজৰ ধাৰণা "লাউ সিমানেই ডাঙৰ নহওঁক সি সদায় পাতৰ তল।" এনে মন্তব্যৰ প্ৰভাৱ শিক্ষিতা নাৰীৰ ওপৰতো বাৰুকৈ পৰিল। সমাজত পুৰুষে আধিপত্য স্থাপন কৰিলে। নাৰীয়ে কিন্তু পৰিবাৰ, মাক বা বন্ধুৰূপে হ'লেও পুৰুষৰ সেৱা সকলো কালতে, সকলো দেশতে কৰি আহিছে।

ইংলণ্ডতো এসময়ত ভিক্টোৰীয়াৰ ৰাজত্ব কালত কিছুমান বাছকবনীয়া পাঠ্যক্ৰমহে তিৰোতাক শিকাইছিল। সেইবোৰ হ'ল ছবি আঁকা, পিয়ানো বজোৱা, নচা, এম্ব্ৰইডাৰী, ৰন্ধাবঢ়া ইত্যাদি। তেওঁলোকেও নাৰীক যুক্তিবিমুখ হিচাপে গণ্য কৰি বিজ্ঞান, অঙ্কশাস্ত্ৰ আদি বিষয় তিৰোতাৰ বাবে অনুমোদন কৰা নাছিল। আনকি ১৮৭০ চনমানলৈ ইংলণ্ডৰ বিশ্ববিদ্যালয়ত নাৰীক শিক্ষা ল'বলৈ নিদিছিল। ঘৰুৱা সুখ-শান্তি ৰক্ষা কৰাৰ ক্ষেত্ৰতহে তিৰোতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল।

ভাৰতবৰ্ষত ইংৰাজসকলে শাসন কৰা সময়তো ভাৰতীয় শিক্ষাৰ কথা তথা ভাৰতীয় শিক্ষাৰ সমস্যাৰ কথা ভাৱিবলৈ তেওঁলোকৰ অৱকাশ নাছিল। কিন্তু মিছনেৰীসকলে তেওঁলোকৰ ধৰ্মৰ মূল তত্ত্বৰে সৈতে ভাৰতবাসীক পৰিচয় কৰি দিবলৈ আৰু শিক্ষানুষ্ঠানৰ জৰিয়তে ভাৰতবাসীৰ সৈতে সুসম্বন্ধ ঘটাবলৈ বিভিন্ন ঠাইত শিক্ষা অনুষ্ঠান স্থাপন কৰিছিল। ১৮২৩ চনৰ পাছত ইংৰাজ চৰকাৰে শিক্ষাবিষয়ত কিছু মনোযোগ দিছিল। সেই সময়ত তেওঁলোকে শিক্ষাৰ বাবে কিছু টকা-পইচাও খৰছ কৰিছিল। মিছনেৰীসকলেও শিক্ষা প্ৰচাৰৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। স্ত্ৰীশিক্ষাৰ মৰ্য্যাদা এওঁলোকে উপলব্ধি কৰিছিল। এওঁলোকে বেংগলত ২৭খন ছোৱালীৰ সুকীয়া শিক্ষানুষ্ঠান মুকলি কৰিছিল, য'ত বেছ কিছু ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিছিল। ১৮৫৪ চনত উড চাহাবক চেয়াৰমেন লৈ গঠিত হোৱা আয়োগে স্ত্ৰীশিক্ষাৰ প্ৰতি উৎসাহ দিছিল আৰু যিসকলে এই পবিত্ৰ কামত লাগিছিল সেইসকলকো প্ৰশংসা কৰিছিল। স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত এই আয়োগে আৰ্থিক সাহায্যও আগবঢ়াইছিল। ইয়াৰ পাছতো ১৮৮২ চনৰ শিক্ষা আয়োগৰ স্ত্ৰীশিক্ষাৰ দুখ লগা অৱস্থাৰ প্ৰতি দৃষ্টিগোচৰ হয়। সমাজৰ সহায়-সহানুভূতি এই ক্ষেত্ৰত আয়োগে বিচাৰিছিল, ছোৱালীক বিনামূলীয়া শিক্ষা দিবলৈ চেষ্টা কৰিছিল।

ইয়াৰ উপৰিও ছোৱালীৰ মাধ্যমিক শিক্ষাৰ ব্যৱস্থা, শিক্ষয়িত্ৰী নিয়োগ, পৰিদৰ্শিকা নিয়োগ, ছাত্ৰীবাসৰ সুন্দৰ বন্দবস্ত আদি নানা ব্যৱস্থাৰ পৰামৰ্শ দিছিল। এই আয়োগৰ চেষ্টাত বিশ্ববিদ্যালয়তো ল'ৰাৰ লগতে ছোৱালীয়ে শিক্ষা ল'বলৈ সুবিধা পাইছিল। ভাৰতৰ শাসনৰ ভাৰ কোম্পানীৰ হাতৰপৰা ইংলণ্ডৰ ৰাণীৰ হাতলৈ যোৱাত ভাৰতত স্ত্ৰীশিক্ষাৰ কিছু উন্নতি সাধন হ'ল। দেশৰ বিভিন্ন ঠাইত প্ৰাথমিক স্কুল, মাধ্যমিক স্কুল আৰু মহাবিদ্যালয় ছোৱালীৰ বাবে সুকীয়াকৈ প্ৰতিষ্ঠা কৰা হ'ল। পুনাত এখন ছোৱালীৰ বিশ্ববিদ্যালয়ো স্থাপন হয় ১৯১৬ চনত। আইন প্ৰণয়ন কৰি বাল্যবিবাহ ৰোধ কৰাত শিক্ষা অনুষ্ঠানসমূহত লাহে লাহে ছাত্ৰীৰ সংখ্যা বাঢ়িবলৈ ধৰে।

অতীতৰেপৰা ভাৰতীয় সভ্যতাই নাৰীৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰি আহিছে। মাজতে একালত অৱনতি হ'লেও আধুনিক সমাজে পুনৰ নাৰীসমাজৰ উন্নতিৰ হকে নানা প্ৰকাৰে শিক্ষা-দীক্ষা দিবলৈ চেষ্টা কৰিছে। প্ৰত্যেক কৰ্মক্ষেত্ৰতে সমাজে উপলব্ধি কৰিবলৈ ধৰিছে স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তা। স্ত্ৰীশিক্ষাৰ অৱনতিয়েই সমাজত অশিক্ষিত লোকৰ সংখ্যা বহুগুণে বঢ়ালে। তিৰোতাই পুৰুষৰ সমানে শিক্ষা পালে সমাজত থকা বহু আহুকাল আঁতৰিব। বিজয়লক্ষ্মী পণ্ডিত, পদ্মজা নাইডু, ইন্দিৰা গান্ধী আদি মহিলাসকলে পৃথিৱীৰ বিভিন্ন ঠাইত সুনাম লভিছে। এয়া জানো তিৰোতাৰ গৌৰৱৰ কথা নহয়? কিন্তু স্ত্ৰীশিক্ষা বৰ্তমান খৰখেদাকৈ আগবাঢ়ি যোৱাতো কিছু সমস্যা নথকা নহয়। ভাৰতত বৰ্তমান জনসংখ্যাৰ প্ৰায় আধা তিৰোতা। ১৯৬১ চনৰ লোকপিয়ল মতে শতকৰা ৫৫জনী ছোৱালীয়ে প্ৰাথমিক আৰু শতকৰা ২৬ গৰাকী মহিলাইহে মাধ্যমিক শিক্ষা পাইছিল। উচ্চ খাপৰ শিক্ষাৰ শতাংশ নিচেই নগণ্য আছিল। ইয়াৰ প্ৰধান কাৰণ অৱশ্যে সমাজে তেতিয়াও স্ত্ৰীশিক্ষাৰ ওপৰত গুৰুত্ব নিদিয়াই হ'ব যেন লাগে।

কিন্তু বৰ্তমান স্বাধীন ভাৰতৰ চৰকাৰে স্ত্ৰীশিক্ষাৰ প্ৰতি, তিৰোতাৰ উন্নতিৰ প্ৰতি যি গুৰুত্ব আৰোপ কৰিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। অৱশ্যে কেনে ধৰণৰ শিক্ষাৰদ্বাৰাই স্ত্ৰীশিক্ষাৰ উন্নতি সাধন হ'ব সেয়া চিন্তাৰ বিষয়। স্ত্ৰীশিক্ষাৰ পাঠ্যক্ৰমত (প্ৰাথমিক পৰ্য্যায় বাদ দি বাকীছোৱাত) ঘৰুৱা বিজ্ঞান (domestic science)ৰ শিক্ষা থাকিলে এখন ঘৰ, এখন সমাজ, এখন দেশৰ উন্নতি আশা কৰিব পাৰি। ভাৰতীয় সংবিধানত পুৰুষ আৰু তিৰোতাক সমান অধিকাৰ দিছে। সকলো প্ৰকাৰৰ শিক্ষাৰ সা-সুবিধাবোৰ ল'ৰাৰ সমানে ছোৱালীয়েও পাইছে। তিৰোতাক ভোটৰ অধিকাৰ দি স্ত্ৰীশিক্ষাৰ আৱশ্যকতা স্বাধীন চৰকাৰে বঢ়াইছে। বিভিন্ন সময়ত শিক্ষাৰ সম্প্ৰসাৰণ আৰু ইয়াক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষা আয়োগেও চেষ্টা কৰিছে। এই আয়োগতো স্ত্ৰীশিক্ষাৰ ওপৰতো গুৰুত্ব আছে। তিৰোতাক শিক্ষা দিয়া উচিত নে অনুচিত এই অবান্তৰ চিন্তা চৰকাৰে আৰু

নকৰে। য'ত অসুবিধা নাই এই আয়োগে সেই ঠাইত সহশিক্ষাৰো ব্যৱস্থা কৰিছে। প্ৰতি দশকৰ মূৰত কৰা লোকপিয়লৰপৰা ছোৱালীৰ উপস্থিতি শিক্ষা অনুষ্ঠানসমূহত বঢ়া দেখা গৈছে। ইয়াৰদ্বাৰা সমাজৰ স্ত্ৰীশিক্ষাৰ প্ৰতি ধাউতি পৰিলক্ষিত হয়। সহশিক্ষাৰ উপৰিও সুকীয়া বহুসংখ্যক স্কুল-কলেজ ছোৱালীৰ বাবে প্ৰতিষ্ঠা হৈছে। স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাসমূহৰ সমাধানৰ সূত্ৰ উলিয়াবলৈ আজিৰ চৰকাৰে সুকীয়া পৰিষদ গঠন কৰাত এই শিক্ষা বহুখিনি আগবাঢ়িছে। কেৱল সাধাৰণ শিক্ষাৰ ক্ষেত্ৰতে নহয়, কাৰিকৰী, চিকিৎসা আদিৰ ক্ষেত্ৰতো ল'ৰাৰ সমানে ছোৱালীয়ে অধ্যয়ন কৰিবলৈ লৈছে। ল'ৰাৰ সমানে ছোৱালীয়ে আগবাঢ়ি যাব পাৰিলে এখন ঘৰৰ আৰ্থিক অৱস্থাৰো যে উন্নতি হয় সেয়াও সঁচা। বৰ্তমান চৰকাৰে প্ৰাপ্তবয়স্ক শিক্ষাৰ ব্যৱস্থা কৰাত লিখা-পঢ়া নজনা মহিলায়ো শিক্ষাৰ আভাস কিছু পাইছে।

যি তিৰোতাৰ ওপৰত এখন ঘৰৰ, ল'ৰা-ছোৱালীৰ প্ৰাথমিক তথা অতি গুৰুত্বপূৰ্ণ সময়ৰ শিক্ষাসমূহ নিৰ্ভৰ কৰে, সেইসকলৰ শিক্ষা নিশ্চয় আদৰ্শনীয় হোৱা প্ৰয়োজন। তেতিয়াহে সমাজ এখন সৰ্বাঙ্গসুন্দৰ হৈ উঠিব। ■

---

❖ তোমালোকে মোক শিক্ষিত মাতৃ দিয়া, মই তোমালোকক শিক্ষিত জাতি দিম।

**—নাপালেয়ঁ বোনাপাৰ্ট**

❖ কোনো বিষয় সম্পৰ্কে ভালকৈ জানিব খুজিলে সেই সম্পৰ্কে এখন কিতাপ লিখা আৰম্ভ কৰাই ভাল।

**—বেঞ্জামিন ডিজৰেলি**

❖ মই হাঁহো, কাৰণ মই কান্দিলে কাম নচলে। এইটোৱেই যথেষ্ট।

**—আব্ৰাহাম লিংকন**

❖ যিসকলে খুব বেছি কথা কয়, সেইসকলে খুব কম চিন্তা কৰে।

**—জন ড্ৰাইভেন**

❖ কিতাপ কিনি কোনেও কোনোদিনে দেউলীয়া হোৱা নাই।

**—ছৈয়দ মুজতক আলি**

# বজালীত নাৰীশিক্ষাৰ বিষয়ে একাষাৰ

## চাৰু দেৱী

১৯৬২ চনৰ ৫ এপ্রিল। পাঠশালা ছোৱালী হাইস্কুলৰ বয়স ছয় বছৰ মাত্র। উক্ত দিনটোতে এই স্কুলত শিক্ষয়িত্রী হিচাপে যোগদান কৰি আজিলৈকে কাম কৰি আহিছোঁ। শুনা যায় শিক্ষিতা মহিলাৰ অভাৱত পাঠশালা ছোৱালী হাইস্কুলত শিক্ষয়িত্রী নিযুক্তি দিব পৰা হোৱা নাছিল। সেয়েহে মাৰ্চ মাহত বজালীৰ বোৱাৰী হৈ আহি বিনা আবেদনে পাঁচ এপ্রিলত পাঠশালা ছোৱালী হাইস্কুলত শিক্ষয়িত্রী হোৱা সুযোগ পাইছিলোঁ। সদৌ বজালীৰ ভিতৰতে এইখনেই আছিল একমাত্র চালুকীয়া হ'লেও ছোৱালীৰ শিক্ষানুষ্ঠান। এই অনুষ্ঠানখনো স্থানীয় কেইবাগৰাকী শিক্ষাপ্রেমী লোকৰ ত্যাগ আৰু কষ্ট স্বীকাৰৰ মাজেৰে গঢ়লৈ উঠিছে। বর্তমান সদৌ বজালীতে বহুত কেইখন ছোৱালীৰ হাইস্কুল প্রতিষ্ঠা হৈছে। ইয়াৰোপৰি কেইবাখনো হাইস্কুলত ল'ৰা-ছোৱালীয়ে সমানে শিক্ষা লাভ কৰি আছে। উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহতো ল'ৰাৰ সমানে সমানে ছোৱালীয়েও অধ্যয়ন কৰিছে। ইয়াৰদ্বাৰাই ছোৱালীৰ শিক্ষাৰ প্রতি ৰাইজৰ সজাগতা বৃদ্ধিৰ ইংগিত পোৱা যায়।

পৰিস্থিতিয়ে বাধ্য নকৰিলে বহুত উপলব্ধিয়েই মানুহৰ মনলৈ নাহে। সেয়েহে মোৰ কৰ্মক্ষেত্ৰৰ আৰম্ভণিৰে আন এটা কথালৈ মনত পৰিল। এদিন স্কুলৰ প্ৰধান শিক্ষক মহোদয়ক হঠাতে সুধিলোঁ স্কুলৰ নিৰ্দিষ্ট পোছাকৰ বিষয়ে। এই পোছাকৰ গুৰুত্ব যে বৰ বেছি সেই বিষয়েও মোৰ নিজা মত আগবঢ়ালোঁ। আনহাতে তেখেতৰ মতামতো নোসোধাকৈ নাথাকিলোঁ। বহু দিন বাগৰি আহিলেও কথাখিনি মোৰ মনত নিত্যনতুন হৈ আছে। শিক্ষানুষ্ঠানত নিৰ্দিষ্ট পোছাকৰ বিশেষত্ব আছে নিশ্চয়ে। পোছাকৰ সমতা ৰক্ষা কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ মাজত থকা বহুত বৈষম্য ভাৱ দূৰ হোৱাটো স্বাভাৱিক। সেই কাৰণে বোধকৰো চিন্তাশীল ব্যক্তিয়ে এনে নিয়ম প্ৰৱৰ্তন কৰিছিল। শিক্ষানুষ্ঠান-সমূহতে এনে শিক্ষা পালে এখন সমাজত সোমালেও এইসকল ব্যক্তিৰ মনত উচ্চ-নীচ, ধনী-দুখীয়া ভাৱবোৰ নাথাকিব। ফলত সমাজৰ কাম-কাজত আগবাঢ়ি যোৱাৰ সুবিধা হয়। দেখা গ'ল পোনপটীয়াভাৱেই হওক বা আওপকীয়াভাৱেই হওক জীৱনৰ সকলো কামৰ উন্নতিয়েই শিক্ষাৰ লগত জড়িত। আকৌ এই শিক্ষাৰ গজালিটো মেলে

সঁচাকৈয়ে প্ৰথমে এখন ঘৰত। তাৰ পাছত শিক্ষানুষ্ঠানসমূহত ই পুষ্ট হয় আৰু পাছত সমাজত ইয়াৰ ফলসমূহ পোৱা যায়। কথা হ'ল এই গোটেই প্ৰক্ৰিয়াটোৰ গুৰি ধৰে কোনে? গুৰি ধৰে আমি জনাত এগৰাকী মাতৃয়ে। সেয়েহে মাতৃগৰাকী হ'ব লাগিব সুশিক্ষিতা। আকৌ শিক্ষিতা মাতৃ গঢ়িবলৈ লাগে ছোৱালীৰ শিক্ষা।

সেই সময়ত পাঠশালা ছোৱালী হাইস্কুলতো পোছাক-পাতিৰ ক্ষেত্ৰত কোনো নিয়ম-নীতি নাছিল। মহিলাৰ শিক্ষাৰ অনুষ্ঠান এটা কোনোমতে গঢ় দিব পৰাটোৱেই আছিল কৰ্তৃপক্ষৰ প্ৰধান চেষ্টা। কিন্তু শিক্ষকসকলৰ যুটীয়া চেষ্টাত স্কুলত নিয়মীয়া পোছাক প্ৰৱৰ্তন কৰাত সহজ হ'ল। পোছাকৰ ক্ষেত্ৰত আনি দিয়া পৰিৱৰ্তনে ছাত্ৰীসকলৰ মনত, অভিভাৱকৰ মনত বেজাৰ ভাৱ অনা আমি গম পাইছিলোঁ। কিন্তু অনুষ্ঠানৰ খাতিৰত সেইটো নগণ্য বুলি ভাবিছিলোঁ। নিয়মীয়া পোছাকৰ মাজেৰে ছাত্ৰীসকলৰ মাজত শ্ৰেণীকোঠাৰ ভিতৰত ধনী-দুখীয়াৰ বৈষম্যটো যে আঁতৰি যায়, এটা পৰিয়ালৰ দৰে থাকি যে শিক্ষা লাভ কৰাত সহায় কৰে সি নিশ্চিত। মাৰ্জিত পোছাকে চিন্তাধাৰা, আচাৰ-ব্যৱহাৰ মাৰ্জিত কৰে, সিও বহু পৰিমাণে সঁচা। এনে ধৰণৰ বহু উপকাৰৰ কথা চিন্তা কৰিয়েই শিক্ষানুষ্ঠানত নিয়মীয়া পোছাকৰ ব্যৱস্থা কৰা হয়, আৰু আমিও কৰিছিলোঁ।

বৰ্তমান প্ৰায় তিনি দশকৰ পাছৰ কথা। আজিৰ বজালী ছোৱালীৰ শিক্ষাত পিছ পৰি থকা নাই। কঠোৰ পৰিশ্ৰম কৰি, ঘৰে-পথাৰে কাম কৰিও ছোৱালী স্কুললৈ আহে। এই কথা আমি গম পাওঁ। বহু কেইখন ছোৱালীৰ হাইস্কুল গঢ় লৈ উঠিছে অভিভাৱক আৰু ছোৱালীবিলাকৰ শিক্ষাৰ প্ৰতি থকা ধাউতিৰ বাবেই। ইয়াৰ উপৰিও ল'ৰাৰ শিক্ষানুষ্ঠান-সমূহতো কিছুসংখ্যক ছাত্ৰীয়ে অধ্যয়ন কৰে। ল'ৰাৰ সমানে ছোৱালীৰো ক্ষমতা থকাটো উচ্চখাপৰ শিক্ষান্ত পৰীক্ষাসমূহৰ ফলাফলতে বুজিব পৰা যায়। আমি জনাত পাঠশালা ছোৱালী হাইস্কুলৰপৰা ওলাই যোৱা বহু ছাত্ৰীয়ে বিভিন্ন বিভাগত উচ্চ শিক্ষা লাভ কৰি সমাজত নিজক সুপ্ৰতিষ্ঠিত কৰাৰ উপৰিও কৰ্মক্ষেত্ৰত সুনাম অৰ্জন কৰিছে।

আজি বজালীত কেইবাখনো মহিলা সমিতি, মহিলা সংঘ, মহিলা শিক্ষানুষ্ঠান গঢ় লৈ উঠিছে। এইবিলাকৰ সহায়ত বহুতো মহিলাই আত্মসংস্থাপনৰ সুবিধা পোৱাৰ উপৰিও বহুত ছোৱালীয়ে কাৰিকৰী শিক্ষা লাভ কৰিছে। এই অনুষ্ঠানসমূহেও মহিলাৰ শিক্ষাত অৰিহণা যোগাইছে। পণ্ডিত জৱাহৰলাল নেহৰুৱে মত প্ৰকাশ কৰি গৈছে যে এগৰাকী মহিলাৰ শিক্ষাই এটা পৰিয়াল শিক্ষিত কৰে, কিন্তু এজন পুৰুষৰ শিক্ষা পুৰুষজনৰ লগতে আৱদ্ধ থাকে। শিক্ষা অনুষ্ঠানত সকলোবিলাক নীতি-নিয়মৰ মাজত থাকি শিক্ষা লাভ কৰি ওলাই আহি এগৰাকী ছোৱালীয়ে নিজৰ সংসাৰতেই হওক বা সমাজতেই হওক আউল নলগাকৈ কাম কৰি আগবাঢ়িব পাৰে। সেয়া আজিৰ সমাজে উপলব্ধি কৰিছে। ■

# প্ৰিয় বন্ধু হেমচন্দ্ৰ শৰ্মাৰ বিষয়ে

## শ্যামচৰণ ডেকা

ঊনৈশ শ আঠচল্লিশ চনৰ কোনোবা এটা দিনত প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ লগত দেখাদখি হওঁ পাটাছাৰকুছি বিদ্যাপীঠৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ হিচাপে। সপ্তম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ এই চাৰিবছৰ কাল ক্লাছত লগালগি হৈছিলোঁ যদিও সেই সময়ত আমাৰ মাজত বিশেষ বন্ধুত্ব গঢ়ি উঠা নাছিল। আমাৰ দুয়োঘৰৰ মাজত সাধাৰণভাৱে মাজে সময়ে অহাযোৱা হৈছিল। ঊনৈশ শ বাৱন্ন চনত আমি উভয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হওঁ আৰু দুয়ো দ্বিতীয় বিভাগত উত্তীৰ্ণ হওঁ। ইয়াৰ পিছত আমি দুয়োজনে গুৱাহাটীৰ কটন মহাবিদ্যালয়ত নামভৰ্তি কৰোঁ। মই কটন মহাবিদ্যালয়ৰ ডি. টি. ছাত্ৰাবাসত আৰু তেওঁ হেপীভিলাৰ খুৰাকৰ ঘৰত থাকি পঢ়াশুনা আৰম্ভ কৰে। এনেকৈয়ে আমি দুয়োৱে আই. এছচি. আৰু বি. এছচি. কটন মহাবিদ্যালয়ৰপৰাই উত্তীৰ্ণ হওঁ। ঊনৈশ শ ছাপ্পন্ন চনত আমি দুয়ো বি. এছচি. চূড়ান্ত বৰ্ষৰ ছাত্ৰ আছিলোঁ যদিও সেই বছৰ মোৰ ককাইদেউৰ অকাল মৃত্যু হোৱাৰ ফলত মই তেখেততকৈ এবছৰ পিছতহে বি. এছচি. পৰীক্ষাত উত্তীৰ্ণ হওঁ। মই তাৰ পাছতেই পাটাছাৰকুছি বিদ্যাপীঠত শিক্ষকতা জীৱন আৰম্ভ কৰোঁ আৰু তেওঁ উনৈশ শ ঊনষাঠি চনত এম. এছচি. পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথমে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জীৱবিজ্ঞান বিভাগৰ বিষয় শিক্ষক হিচাপে আৰু এবছৰ পিছতে বজালী মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে।

ঊনৈশ শ ঊনষাঠি চনত অসম চৰকাৰে দুই বছৰীয়া উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰম আৰম্ভ কৰে। আমি বিষয় শিক্ষকসকলে ইংৰাজী মাধ্যমৰ কিতাপৰপৰা অসমীয়ালৈ তৰ্জমা কৰি শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলক শিকাবলগীয়া হৈছিল আৰু প্ৰয়োজনবোধে নোট আকাৰে ছাত্ৰ-ছাত্ৰীসকলক লিখি দিছিলোঁ। পাটাছাৰকুছি বিদ্যাপীঠৰ সেই সময়ৰ অধ্যক্ষ হৰেন্দ্ৰনাথ শৰ্মাদেৱে মোক এদিন ক'লে, "তোমালোকে দেখোন শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলক দিয়া নোটবোৰ ভালদৰে লিখি উলিয়াই কোনো ভাল প্ৰকাশকক দিলে একোখন অসমীয়া মাধ্যমৰ সুন্দৰ পাঠ্যপুথি হৈ ওলাব।" সেই মৰ্মে তেখেতে মোক জীৱবিজ্ঞানৰ উদ্ভিদবিজ্ঞান শাখা আৰু মোৰ প্ৰিয় বন্ধু হেমচন্দ্ৰ শৰ্মাক প্ৰাণীবিজ্ঞান শাখাৰ নোটখিনি যুগুত কৰি দিবলৈ ক'লে। মই কথাযাৰ বন্ধুবৰ শৰ্মাক জনাই তেওঁৰ

মতামত জানিব বিচৰাত তেওঁ মোৰ প্ৰস্তাৱটোত আনন্দেৰে সন্মতি জনালে। আৰু এনেকৈয়ে এদিন 'জীৱবিজ্ঞান পৰিচয়' নামৰ অসমীয়া মাধ্যমৰ পাঠ্যপুথিখনৰ পাণ্ডুলিপিটো প্ৰস্তুত কৰি গুৱাহাটীৰ আগশাৰীৰ প্ৰকাশন প্ৰতিষ্ঠান 'নিউ বুক ষ্টল'ক কিতাপখন প্ৰকাশ কৰি উলিয়াবলৈ দায়িত্ব অৰ্পণ কৰোঁ। কিতাপখন প্ৰকাশ হৈ ওলোৱাৰ পিছত বিভাগীয় কৰ্তৃপক্ষৰদ্বাৰা কিতাপখন অনুমোদিত কৰা হৈছিল আৰু গ্ৰন্থখনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বেছ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

তেওঁৰ পাঠশালাৰ জ্যোতিনগৰৰ ঘৰত বহি তেওঁৰ লগত বিভিন্ন সময়ত নানান ধৰণৰ গল্প-গুজৰ কৰিছিলোঁ। এদিন হঠাতে তেওঁৰ তালুত হোৱা এটা বগা দাগ দেখুৱাই সেইটো কিহৰ বাবে হ'ব পাৰে বুলি মোক সোধাত মই সঠিক উত্তৰ দিব পৰা নাছিলোঁ যদিও মনে মনে মোৰ অকণমান চিন্তাও হৈছিল। আৰু এই অকণমান দাগটোৱে যে তেওঁৰ জীৱনত কালস্বৰূপ হৈ উঠিব, সেই কথা মই সামান্যতমো ভাৱিব পৰা নাছিলোঁ। ঘৈণীয়েকে গম নোপোৱাকৈ তেওঁ দিনে দুটাকৈ চিগাৰেট সেৱন কৰিছিল। হঠাৎ এদিন তেওঁ সোঁহাতখন দেখুৱাই তেওঁৰ আয়ুসৰ বিষয়ে জানিব বিচাৰিছিল। ইতিমধ্যে মই হস্তৰেখা বিষয়ত কিছু পৰিমাণে চৰ্চা কৰিবলৈ আৰম্ভ কৰিছিলোঁ। ময়ো বিশেষ নভৱাকৈ তেওঁৰ পৰমায়ু সাতাৱন্ন বছৰ বুলি কৈ দিছিলোঁ। মোৰ কথাত তেওঁ উচপ খাই উঠিছিল। পিছত কথাষাৰ ঘূৰাবলৈ অশেষ যত্ন কৰিছিলোঁ যদিও তেওঁ সেইটোকে মুঠি মাৰি ধৰিছিল।কিছুদিন পাছত এদিন পাঠশালালৈ যাওতে তেওঁৰ ঘৰত সোমাই তেওঁৰ অৱস্থা দেখি স্বাভাৱিকতে মই আচৰিত হৈ পৰিলোঁ। বাৰাণ্ডাৰ এমূৰে তেওঁ জুপুকা মাৰি বহি আছিল। মই গৈয়ে তেওঁৰ স্বাস্থ্যৰ খবৰ লৈ কিছু নিৰাশ হৈ পৰিলোঁ। তেওঁৰ কথাৰ পৰাই গম পালোঁ যে ইতিমধ্যে তেওঁৰ শৰীৰত কৰ্কট ৰোগে বাহ লৈছে আৰু তেওঁ বৰ দুখমনেৰে ক'লে যে তেওঁ হয়তো আৰু বৰ বেছিদিন এই পৃথিৱীত জীয়াই নাথাকিব। তেওঁৰ কথাত মোৰ মনত বৰ অসহনীয় দুখ লাগিল আৰু মই ভাৱিবলৈ বাধ্য হ'লোঁ যে কাকতালীয়ভাৱে হ'লেও মোৰ ভৱিষ্যৎ বাণীয়ে তেওঁৰ জীৱনত কিছু পৰিমাণে হ'লেও প্ৰভাৱ বিস্তাৰ কৰিছে। তাৰ পিছত আজিলৈকে মই কাৰোৱেই হস্তৰেখা চাই আয়ুস সম্পৰ্কীয় ভৱিষ্যৎ বাণী কৰা নাই।

তেওঁ এগৰাকী সৎ স্বভাৱৰ নিৰ্জু প্ৰকৃতিৰ ব্যক্তি আছিল। তেওঁৰ বিয়োগত মই এগৰাকী ভাল বন্ধুক হেৰুৱালোঁ। আজিও তেওঁলৈ মনত পৰিলে এক বিশাল শূন্যতাই মন-মগজুক আচ্ছন্ন কৰি তোলে। শেষত তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰি এই লেখাৰে তেওঁলৈ স্মৃতিৰ অঞ্জলি যাচিলোঁ। ■

- *লিখক পাটাছাৰকুছি বিদ্যাপীঠৰ জীৱবিজ্ঞানৰ প্ৰাক্তন বিষয় শিক্ষক আৰু হেমচন্দ্ৰ শৰ্মাৰ সহপাঠী আৰু বন্ধু।*

# সহকৰ্মী প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ স্মৃতিত

## হেমকান্ত শৰ্মা

জয়ন্ত, প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ বৰপুত্ৰ আৰু মোৰ প্ৰিয় ছাত্ৰজনে এদিন তেওঁৰ বন্ধু উৎপলৰ লগত আমাৰ বামুণকুছিৰ ঘৰলৈ আহিছিল। তেওঁলোকে আহি ক'লে যে তেওঁলোকে প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ ওপৰত এখন কিতাপ উলিয়াব বিচাৰিছে আৰু তাত তেওঁৰ বিষয়ে ময়ো অলপ লিখিব লাগে।

হেমচন্দ্ৰ শৰ্মাৰ জন্ম হৈছিল বৰপেটা জিলাৰ অন্তৰ্গত জালিখাটা গাঁৱত। তেওঁৰ পত্নীৰ নাম চাৰু দেৱী আৰু ল'ৰা-ছোৱালীসকল ক্ৰমে জয়ন্ত, বন্দিতা আৰু অচিন্ত্য। আমি দুয়ো একেলগে বজালী মহাবিদ্যালয়ত শিক্ষকতা কৰিছিলোঁ। তেওঁ আছিল উদ্ভিদবিদ্যা বিভাগৰ অধ্যাপক আৰু মই আছিলোঁ গণিত বিভাগৰ অধ্যাপক। আমাৰ দুয়োৰে নাম দুটা একে আছিল বাবে প্ৰায়ভাগ মানুহে কোনজন অংকৰ আৰু কোনজন উদ্ভিদবিদ্যা বিভাগৰ ধৰিব পৰা নাছিল। হেমচন্দ্ৰ মোতকৈ দুটা শ্ৰেণী ওপৰত পঢ়িছিল। তেওঁৰ ল'ৰালিকালৰ স্মৃতিয়ে মোক বৰকৈ আমনি কৰে। তেওঁলোক চাৰিজন ভাই-ককাই আছিল আৰু তেওঁলোকৰ মোমায়েকৰ ঘৰ আমাৰ বামুণকুছি গাঁৱতে আছিল। মোমায়েকৰ ঘৰলৈ আহিলে আমি একে লগে নানা ধৰণৰ খেল-ধেমালি কৰিছিলোঁ। ইয়াৰ উপৰিও আমি দুয়ো হাইস্কুলীয়া শিক্ষা একেখন বিদ্যালয় পাটাছাৰকুছি বিদ্যাপীঠত গ্ৰহণ কৰিছিলোঁ। মনত পৰে তেওঁ জালিখাটাৰপৰা আহি আমাৰ লগত একেলগে স্কুললৈ খোজকাঢ়ি যোৱা। আকৌ মনত পৰিছে হাইস্কুলত পঢ়ি থাকোতে 'কনৌজ কুঁৱৰী' নামৰ নাটকত তেওঁ অভিনয় কৰা। চাকৰি কালত তেওঁ দেৱদাসী নৃত্যৰ ওপৰত গৱেষণা কৰি এখন কিতাপ উলিয়াইছিল আৰু শ্যামচৰণ ডেকাৰ লগত উদ্ভিদবিদ্যা বিষয়ত কিতাপ লিখিছিল। আমাৰ গাঁৱৰে ডাঃ অতুল শৰ্মা, শশী শৰ্মা, ৰোহিণী বৰুৱা আৰু ত্ৰৈলোক্য শৰ্মা আছিল হাইস্কুলীয়া জীৱনৰ তেওঁৰ সহপাঠী।

মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ সময়ত আমি দুয়ো দুয়োৰে বিভাগত অধিক সময় কটাবলগীয়া হৈছিল বাবে বেছিকৈ লগ লোৱা নাছিলোঁ। নিয়তিৰ কি পৰিহাস, চাকৰি কৰি থাকোতেই তেওঁ ইহ সংসাৰ ত্যাগ কৰিছিল। ■

- *লিখক বজালী মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন অধ্যাপক আৰু হেমচন্দ্ৰ শৰ্মাৰ সহকৰ্মী।*

# স্মৃতিৰ সঁফুৰা বিচাৰি

**হৰেন্দ্ৰ নাথ মজুমদাৰ**

এদিন প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আৰু প্ৰয়াত চাৰু দেৱীৰ বৰপুত্ৰ জয়ন্তই মোৰ ঘৰলৈ আহি ক'লে যে, তেওঁ মাক-দেউতাকৰ বিষয়ে এখন স্মৃতিগ্ৰন্থ উলিয়াব। কথাষাৰ শুনি মনত বৰ আনন্দ লাগিল আৰু ময়ো তাত ছাৰ আৰু বাইদেউৰ স্মৃতি জড়িত থকা কথা কিছু দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ। বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক আছিল হেমচন্দ্ৰ শৰ্মাদেৱ। অল্পভাষী ছাৰক ছাত্ৰসকলে অতি ভক্তি কৰিছিল। শিক্ষাদান কৰাৰ সময়ত সকলো ছাত্ৰক তেওঁ বৰ মৰমেৰে পঢ়ুৱাইছিল। সেয়েহে ছাত্ৰসকলে টান বা জটিল বিষয়বস্তুবিলাক অতি সোনকালে আয়ত্ত কৰিবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়ত পঢ়োতে মোৰ প্ৰিয় বন্ধু কিৰণ শৰ্মাৰ জৰিয়তে শৰ্মাছাৰৰ ঘৰখনৰ লগত ঘনিষ্ঠ সম্পৰ্ক এটা গঢ়ি উঠিছিল। ঘৰুৱা দিশৰ কথা আলাপ-আলোচনা কৰোতে ছাৰে জীৱন, সমাজ আদি সম্পৰ্কে বিভিন্ন কথা অৱতাৰণা কৰি আমাক উপকৃত আৰু উৎসাহিত কৰিছিল। তেওঁ যেনে অল্পভাষী তেনে মিতব্যয়ী। বিনা কাৰণত সময় নষ্ট কৰিলে তেওঁ বহুত বেয়া পাইছিল। সময়ৰ টিকনিডাল যে আগফালে এনে শিক্ষাৰে ছাত্ৰবিলাকক অনুপ্ৰাণিত কৰিব বিচাৰিছিল। শৰ্মাছাৰৰ জীৱনৰ আদৰ্শ আজিও আমাৰ পাথেয়।

শৰ্মাছাৰৰ পৰিয়ালৰ লগত সম্পৰ্ক গঢ়ি উঠোতে তেওঁৰ সহধৰ্মিণী চাৰু বাইদেউৰ সান্নিধ্য লাভ কৰাৰ সুযোগ পাইছিলোঁ। যাঠিৰ দশকতে তেওঁ পাঠশালা নগৰত অৱস্থিত তেতিয়াৰ পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ পদ অলংকৃত কৰি বজালী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছিল। তেওঁ এগৰাকী উচ্চ শিক্ষিতা নাৰীয়েই নহয়, সুগৃহিণীও আছিল। বাইদেউ আছিল অতি সাহসী। বিদ্যালয়খন সুচাৰুৰূপে চলোৱাৰ লগতে ঘৰখনো তেওঁ নিয়াৰিকৈ চলাই নিব পাৰিছিল। ঘৰখনেই শিক্ষাৰ কঠিয়াতলী— কথাষাৰ সদায় ঘৰখনতো প্ৰয়োগ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। তেওঁলোক দুয়োগৰাকী ব্যক্তি আজি আমাৰ মাজত নাই সঁচা। কিন্তু তেওঁলোকৰ আদৰ্শ, কৰ্মজীৱনৰ উৎসাহ-উদ্দীপনাবোৰ আজিও আমাৰ স্মৃতিৰ মাজত ধৰা দিয়ে। ■

- *লিখক অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুখ্য সহায়ক আৰু গোবিন্দভৱন গীতা সত্ৰৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি।*

# শ্ৰদ্ধাৰ হেমচন্দ্ৰ শৰ্মাদাৰ সোঁৱৰণত

## শিল্পাচাৰ্য্য প্ৰমোদ চন্দ্ৰ ৰায়

পৃথিৱীত এনে কিছুমান মানুহৰ জন্ম হয় যিসকলৰ কৰ্মসংস্কৃতি বাস্তৱ জীৱনত চিৰদিনলৈ যাউতিযুগীয়া হৈ থাকে আৰু তেওঁলোকৰ সৃষ্টিকৰ্মই উত্তৰপুৰুষৰ জীৱন গঢ়াৰ উজ্জ্বল বাটৰ সৃষ্টি কৰি যায় য'ত তেওঁলোকে নিৰ্বিঘ্নে আগবাঢ়ি যাব পাৰে। তেনে এজন মোৰ অতি মৰমৰ শ্ৰদ্ধাৰ পূজনীয় ব্যক্তিৰ কথা মই ক'ব খুজিছোঁ, যাৰ নাম হেমচন্দ্ৰ শৰ্মা। পুৰণি ঘৰ জালিখাটাত আৰু বৰ্তমান পাঠশালাৰ জ্যোতিনগৰ নিবাসী আছিল। কেৱল হেমচন্দ্ৰ শৰ্মাদাৰ লগতেই নহয়, তেখেতসকলৰ ঘৰৰ লগতো মোৰ বন্ধুত্বৰ মিলন বহুদিনৰপৰাই ঘটিছিল। হেমচন্দ্ৰ শৰ্মাদাৰ ডাঙৰ ভাই মধু শৰ্মা, পিছৰজন হেমচন্দ্ৰ শৰ্মা, তৃতীয়জন প্ৰভাত শৰ্মা আৰু চতুৰ্থজন মহেশ শৰ্মা। আটাইকেইজন মোৰ লগত ভাই-ককাইৰ দৰে আছিল। তেওঁলোকৰ ঘৰখনৰ লগত মোৰ ইমান বন্ধুত্ব বা মিলন কেনেকৈ গঢ়ি উঠিছিল তাৰ প্ৰধান কাৰণটো আছিল মোৰ তলৰ ভনীজনীক শৰ্মাদাহঁতৰ গাঁও জালিখাটাৰ মূল ৰাস্তাৰ পশ্চিমফালে শৰ্মাদাহঁতৰ ঘৰৰ অলপ আগত এঘৰত বিয়া দিয়া হৈছিল। ভনীজোঁৱাইৰ লগত প্ৰভাত শৰ্মাৰ বন্ধুত্বৰ বাবে মই জালিখাটালৈ গ'লে শৰ্মাদাহঁতৰ ঘৰলৈ প্ৰায়ে গৈছিলোঁ। মোৰ ভনীজোঁৱাই কৰুণা ডেকাৰ সহযোগত মোৰ শৰ্মাদাহঁতৰ ঘৰখন আপোন যেন হৈ পৰিছিল, সময়ত মই তেওঁলোকৰ পৰিয়ালৰ এজন সদস্যৰ দৰে হৈ পৰিছিলোঁ। বিয়া-বাৰু বা অন্যান্য কাজ-কৰ্ম আদিত আমাৰ এৰা-এৰি নাছিল। ডাঙৰদা মধু শৰ্মা বৰ সৰলচিতীয়া মানুহ। মোক বৰ মৰম কৰিছিল। প্ৰভাত শৰ্মাই বন্ধুৰ দৰে আৰু মহেশ শৰ্মাই মোক দাদা হিচাপে সন্মান কৰিছিল। মধুদাৰ কেতিয়া বিয়া হৈছিল মোৰ মনত নাই, কিন্তু হেমচন্দ্ৰ শৰ্মাদা আৰু বন্ধুৱৰ প্ৰভাত শৰ্মাৰ বিয়াত বৰযাত্ৰী হোৱা ভালকৈ মনত আছে।

হেমচন্দ্ৰ শৰ্মাদাই পাঠশালা জ্যোতিনগৰত স্থায়ীভাৱে থাকিবলৈ লৈছিল। বজালী মহাবিদ্যালয়ৰ প্ৰবক্তা হেমদা। শিক্ষাৰ লগত জড়িত থকাৰ উপৰিও সামাজিক কামৰ লগতো ওতপ্ৰোতভাৱে জড়িত। মোৰ মনত পৰে তেওঁ দুবছৰমান পাঠশালা শাখা সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ পদো অলংকৃত কৰিছিল। সেই সময়ত ময়ো সাহিত্যসভাৰ

লগত নিবিড়ভাৱে জড়িত হৈ আছিলোঁ। পাঠশালা কলেজ ৰোডৰ কাষত 'মৌচুমী' নামেৰে মোৰ এখন ৰেষ্টুৰেণ্ট আছিল। সেই সময়ত মৌচুমী ৰেষ্টুৰেণ্ট এখন চকুত লগা ৰেষ্টুৰেণ্ট আছিল। দূৰ-দূৰণিৰপৰা গ্ৰাহক আহি ইয়াত আমেজ লৈছিল। থিয়েটাৰৰ অভিনেতা-অভিনেত্ৰী, কলা-কুশলীৰপৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ মানুহৰ আড্ডাৰ সংগমস্থল আছিল এই মৌচুমী ৰেষ্টুৰেণ্টখন। হেমচন্দ্ৰ শৰ্মাদাই প্ৰায়ে মোৰ ৰেষ্টুৰেণ্টত সোমাই চাহ খাইছিল আৰু সাহিত্য সভাৰ কিছু সদস্যৰ লগত আহি আড্ডা মাৰিছিল। অতি মিষ্টভাষী শৰ্মাদা কথাত যেনেকুৱা কামতো তেনেকুৱা আছিল।

এদিন আবেলিৰ কথা। মই স্কুলৰপৰা আহি চোতালতে অকণমান জিৰণি লৈছোঁ। এনেতে শৰ্মাদা আৰু পাটাছাৰকুছি বিদ্যাপীঠৰ শিক্ষক শ্যামচৰণ ডেকা আহি মোৰ ঘৰত উপস্থিত হ'ল। মই তেওঁলোকক মোৰ সাধাৰণ ড্ৰয়িংৰুমতে বহিবলৈ দিলোঁ। তেওঁলোক বহিল। ড্ৰয়িংৰুমটো নিৰীক্ষণ কৰিলে। প্ৰথমতে তেওঁলোকে, বিশেষকৈ শৰ্মাদাই ঘৰৰ সকলোৰে বা-বাতৰি ল'লে। তাৰ পিছত মই তেওঁলোক মোৰ ইয়ালৈ অহাৰ কাৰণ সোধাত শৰ্মাদাই অতি নম্ৰ ভাষাৰে ক'লে— "প্ৰমোদ, আমি দুয়োজনে তোমাৰ ইয়ালৈ বিশেষ কাম এটাৰ বাবে আহিলোঁ। আমি জানোঁ কামখিনি তোমাৰদ্বাৰা সম্ভৱ হ'ব। আমি দুয়োজনে হাইস্কুলীয়া শিক্ষাৰ্থীৰ বাবে বিজ্ঞান বিষয়ৰ কিতাপ এখন সংকলন কৰিম বুলি স্থিৰ কৰিছোঁ। কিতাপখনৰ নাম দিয়া নাই। পিছত ভাবি-চিন্তি দিম। পিছে আচল কথাটো হ'ল, তোমাক সকলো সমল আমি যোগান ধৰিম, তাৰ বাবে চিন্তা নাই, মাথোন তুমি তোমাৰ কিছু সময় খৰছ কৰি কিতাপৰ মাজৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি সৰু-বৰ প্ৰায় ২০০ ৰপৰা ২৫০ ৰ ভিতৰত ছবি অংকন কৰি দিব লাগে। তুমি না-নকৰিবা বুলি আমাৰ বিশ্বাস আছে। এমাহৰ ভিতৰত কামখিনি হ'লে আমাৰ ভাল হয়।" মই এৰাব নোৱাৰিলোঁ। সন্মতি দিলোঁ। তেওঁলোক চাহ-তামোল খাই উঠিল। দুই-এদিনৰ ভিতৰতে বস্তুখিনি যোগান ধৰিম বুলি তেওঁলোক গ'লগৈ। তিনিদিনমানৰ পিছত শৰ্মাদাই অকলে আহি মোক দুখন বিজ্ঞানৰ কিতাপ (মাজত ছবিৰে ভৰপূৰ) আৰু ড্ৰইংছিট পাঁচখন দি গ'ল। কি কি ছবি আঁকিব লাগিব তাৰো এখন তালিকা দি গ'ল।

মই তেওঁলোকৰ দিহামতে প্ৰায় বিছ দিনমানৰ ভিতৰত কামখিনি শেষ কৰিলোঁ। প্ৰায় চল্লিছ দিনমানৰ মূৰত তেওঁলোক আহি মোৰ ঘৰত উপস্থিত হ'ল। কামৰ খবৰ ল'লে। মই আটাইখিনি তেওঁলোকক সমজাই দিলোঁ। তেওঁলোকে ছবিবোৰ চাই খুব খুচী হ'ল। দুয়োজনে সেইবোৰ মিলাই চাই মোক নানা প্ৰশংসা কৰিলে। ধন্যবাদ দিলে। এই কামৰ বাবদ কিমান মাননি লাগিব সুধিলে। মই ক'লোঁ— "শৰ্মাদা, আপোনালোকে দিয়া কামখিনি কৰি মোৰ যথেষ্ট কষ্ট হৈছে যদিও বহু অভিজ্ঞতাও হ'ল। ময়ো কিছু

শিকিলোঁ। মাননি ল'ব নোৱাৰিম। ময়ো এজন শিক্ষক। ল'ৰা-ছোৱালীৰ প্ৰতি আপোনালোকৰ জৰিয়তে ময়ো যে এটা কিবা কৰিব পাৰিছোঁ সেয়েই যথেষ্ট। ইয়াতকৈ বেছি মোক একো নালাগে। কেতিয়াবা যদি কিবা সহায় কৰিব লাগে মোক ক'ব মই নিশ্চয় কৰি দিম।" তেওঁলোক দুয়োজনে হাঁহি হাঁহি মোক ক'লে— "তোমাৰ ইয়ালৈ আহি এটা নতুন আদৰ্শ পালোঁ।" তেওঁলোক গ'ল। তেতিয়াৰেপৰা মোৰ শৰ্মাদা আৰু ডেকাছাৰৰ লগত গভীৰ সম্বন্ধ গঢ়ি উঠিছিল। বিশেষকৈ শৰ্মাদাৰ মৃত্যুৰ আগমুহূৰ্তলৈকে।

এইখিনিতে হেমদাৰ ভায়েক প্ৰভাত শৰ্মাৰ লগত মোৰ বিশেষ বন্ধুত্বৰ বিষয়ে কিছু নজনালে কিবা আধৰুৱা যেন হ'ব বুলি ভাবি অকণমান লিখিলোঁ। মই আগতেই কৈছোঁ প্ৰভাত শৰ্মা মোৰ ভনীজোঁৱাইৰ সমনীয়া বন্ধু। বিশেষ মনত নাই, সম্ভৱতঃ সপ্তম দশকৰ আৰম্ভণিতে চি. পি. এম.ৰ সহযোগত বজালীত এখন কৃষক অধিৱেশন হৈছিল। সেই সময়ত পাঠশালাত 'ৰূপৰেখা' নামেৰে মোৰ এটা অনুষ্ঠান আছিল। এদিন প্ৰভাত শৰ্মাই নলবাৰীৰ চি. পি. এম. নেতা নৰেন দত্ত, সৰভোগৰ চি. পি. এম. নেতা বিধায়ক হেমেন দাস, গুৱাহাটীৰ সংগীত শিল্পী দিলীপ শৰ্মা মোৰ অনুষ্ঠানত উপস্থিত হৈ অধিৱেশনৰ বিষয়ে আলোচনা কৰিলে। অধিৱেশন পতাৰ সিদ্ধান্ত হ'ল, মই পাৰেমানে সহায় কৰি দিম বুলি প্ৰতিশ্ৰুতি দিলোঁ। এই গভীৰ কামৰ দায়িত্ব প্ৰভাত শৰ্মাক দিয়া হ'ল। মোক আৰু মোৰ ভনীজোঁৱাই কৰুণা ডেকাক শৰ্মাৰ সহযোগী নিয়োগ কৰিলে। প্ৰচাৰৰ কাম-কাজ, আলাপ-আলোচনা মোৰ ৰূপৰেখাৰ পৰাই চলিল। মুকলি অধিৱেশনৰ আৰম্ভণি গীতটো মোৰ ওপৰতে পৰিল। মই দহজনী ছোৱালী আৰু দহজনমান ল'ৰা লৈ আখৰাত ব্যস্ত হ'লো। "পুৰণিকলীয়া এলান্ধুকে মচি, পৃথিৱী ধুনীয়া কৰে, জীৱন যুগমীয়া কৰে", এই গীতটোৰে মুকলি সভা আৰম্ভ কৰি ৰাইজৰপৰা যথেষ্ট বাঃ বাঃ উৎসাহ আদি পাইছিলোঁ, সেইবোৰ স্মৃতি আজিও পাহৰা নাই, সদায় মনৰ মাজত ভাঁহি আছে। পিছলৈ প্ৰভাত শৰ্মাই চি. পি. এম. এৰি কংগ্ৰেছী হ'ল আৰু আই কংগ্ৰেছত পাটাছাৰকুছি সমষ্টিৰপৰা পোন প্ৰথমে নিৰ্বাচনত অৱতীৰ্ণ হ'ল কিন্তু ফলৱতী হ'ব নোৱাৰিলে। যিয়েই নহওক হেমচন্দ্ৰ শৰ্মাদাহঁতৰ পৰিয়ালৰ লগত মোৰ নিবিড় সম্বন্ধ আছিল। আজি শৰ্মাদাক সুঁৱৰিছোঁ। তেওঁ হয়তো আজিলৈ বাচি থকা হ'লে আজিৰ সমাজে বহুখিনি লাভৱান হ'লহেঁতেন। কিন্তু কি হ'ব, নিষ্ঠুৰ নিয়তিয়ে তেওঁক অকালতে আমাৰ মাজৰপৰা আঁতৰাই নিলে। তেওঁ যতেই নাথাকক তাতেই যেন শান্তিত, সুখেৰে থাকে তাকে ভগৱানৰ ওচৰত শতবাৰ মিনতি জনাইছোঁ। ■

- *লিখক ধৰমতলা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক আৰু বিশিষ্ট চিত্ৰশিল্পী। 'শিল্পতীৰ্থ'ৰদ্বাৰা 'শিল্পাচাৰ্য্য' উপাধি প্ৰদান।*

# আপদিয়া দেওবাৰ

## নকুল দাস

সেই দিনা দেওবাৰ। সূৰ্য্যদেৱ পূৱ আকাশত উদয় হোৱাৰ লগে লগে কোৰখন কান্ধত লৈ খেতিপথাৰলৈ যাম বুলি ওলাইছোঁ। এনেতে হঠাৎ বন্ধু এজনৰ মুখে শুনিলোঁ যে বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ মৃত্যু হৈছে। অজানিতে মোৰ চকুৰেদি সৰসৰকৈ চকুলোঁ নিগৰিল। ঘৰ আহি পালোঁ, আয়ে সুধিলে— 'ক'ৰবাত দুখ পালি নেকি?' আজি মই চালকবিহীন চলন্ত গাড়ীৰ যাত্ৰী, আজি মই পিতৃহাৰা। যিজনৰ সান্নিধ্যত থাকি জীৱন গঢ়াৰ সপোন দেখিছিলোঁ, যিজনৰ উপদেশ হৃদয়ত বান্ধি সংসাৰ ৰচনা কৰিছিলোঁ সেইজনা পুৰুষে মোৰ সপোন ভাঙি চূৰমাৰ কৰি অজানলৈ গুচি গ'ল। আজিও তেওঁৰ উপদেশ মোৰ মনত বাজি উঠে— "বাচি খাবা জাগি শুবা", "সঁচা কথা ক'বলৈ ভয় নকৰিবা", "নিজৰ ভৰিত থিয় দিবলৈ যত্ন কৰিবা" আৰু বহুতো উপদেশ।

এইজনা অধ্যাপক বজালী মহাবিদ্যালয়লৈ আহে ১৯৬৩ চনত, তেওঁ অহাৰ কেইদিনমান পিছতে ময়ো এই মহাবিদ্যালয়ৰ একে বিভাগতে পত্ৰবাহক হিচাপে কামত সোমাওঁ। তেজৰ সম্বন্ধ নাথাকিলেও তেখেতৰ স্নেহে মোক একেবাৰে আৱদ্ধ কৰি ৰাখিছিল। তেখেতৰ ছাত্ৰ জীৱন মোৰ অজ্ঞাত, কিন্তু যেতিয়াৰপৰা তেখেতক পালোঁ, উদ্ভিদবিজ্ঞানৰ মুৰব্বী হৈও তেওঁ একেৰাহে সাহিত্যিক, সমাজসেৱক, গৱেষক, কৃতী শিক্ষক আৰু নৈষ্ঠিক বেদবিশ্বাসী। তেখেতৰ তত্ত্বগধুৰ লিখনিৰ ওপৰত পৰ্য্যালোচনা কৰি মৃত্যুৰ আগতে ১৯৮৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে তেখেতক এম. ফিল. উপাধি প্ৰদান কৰে। এইজন ব্যক্তিৰ মৃত্যু বজালীবাসীৰ কাৰণে অপূৰণীয় ক্ষতি।

শৰ্মাছাৰৰ ঘৰ যদিও বজালীৰ জালিখাটা গাঁৱত আছিল, তথাপি তেওঁৰ কৰ্মজীৱন পাঠশালা হোৱা হেতুকে ১৯৬৩ চনৰপৰা তেওঁ পাঠশালাতে নিগাজিকৈ থাকিবলৈ লয়। সেয়ে পাঠশালাক কেন্দ্ৰ কৰি গোটেই বজালীৰে উন্নতি কামনা কৰি নিজৰ ক্ষতি স্বীকাৰ কৰি হ'লেও তেওঁ সামাজিক অনুষ্ঠানবোৰত যোগদান কৰিছিল।

## আপদীয়া দেওবাৰ

বিজ্ঞানৰ অধ্যাপক হ'লেও ছাৰৰ সাহিত্যতো অৱদান কম নহয়, তেওঁ ছাত্র-ছাত্রীৰ বাবে উপযোগী পাঠ্যপুথি 'জীৱবিজ্ঞান পৰিচয়' (শ্যামচৰণ ডেকাৰ সৈতে), অসমৰ প্রাচীন ঐতিহ্যমণ্ডিত দেৱালয় দুখনৰ ইতিবৃত্ত 'ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত' (মুনীন্দ্র নাথ শৰ্মা আৰু সতীশ চন্দ্র চৌধুৰীৰ সৈতে) আৰু 'অশ্বক্রান্ত দেৱালয়ৰ ইতিবৃত্ত' (শশীমোহন ভট্টাচাৰ্য্যৰ সৈতে), শিশু উপযোগী গ্রন্থ 'চালৰ্ছ ডাৰউইন' (চাৰু দেৱীৰ সৈতে) আদি গ্রন্থ ৰচনা কৰিছিল।

অধ্যাপনা আছিল তেওঁৰ জীৱনৰ ব্রত, মৃত্যুৰ আগমুহূর্তলৈ তেওঁ অধ্যাপনা কৰি গ'ল। ছাত্রসমাজত শৰ্মাছাৰ আছিল সকলোৰে নমস্য। তেখেতৰ প্রকাশভংগী আছিল সহজ-সৰল আৰু মনোগ্রাহী। সেয়ে ছাত্রসকলে সহজে হৃদয়ঙ্গম কৰিব পাৰিছিল। পাঠদানৰ সময়ত ছাৰে কেতিয়াবা নিজৰ ল'ৰা-ছোৱালীৰ দৰে গালি পাৰি, কেতিয়াবা ধেমেলীয়া কথাৰে, কেতিয়াবা নাটকীয় ভংগীৰে পাঠদান কৰাৰ কাৰণে সকলো ছাত্রৰে শ্রদ্ধাভাজন হৈছিল।

দুৰাৰোগ্য কৰ্কটৰোগ হ'লে কাৰো নিস্তাৰ নাই, এই ৰোগৰ নাম শুনিলে নোম শিয়ৰি উঠে! অধ্যাপক শৰ্মা ছাৰো এই ৰোগত আক্রান্ত হৈ পৰে। এই ৰোগ নিৰাময়ৰ বাবে তেখেতক ভেলোৰলৈ নিয়া হয়। কিন্তু 'যাক ধৰিব কালে, তাক কি কৰিব ওজা ভালে'। গতিকে ভেলোৰৰপৰা উভতি আহোতে বাটতে পৰিয়ালবৰ্গ আৰু আমাক কন্দুৱাই এই মায়াময় সংসাৰৰপৰা চিৰদিনৰ কাৰণে আঁতৰি গ'ল। সেইদিনাই আছিল এই আপদিয়া দেওবাৰ, ২১ আগষ্ট। সেয়ে আজিও এই সৰ্বনশীয়া আপদিয়া দেওবাৰে অধ্যাপক শৰ্মা ছাৰলৈ মনত পৰে। ■

- *লিখক বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্রাক্তন কৰ্মচাৰী।*

❖ বহুদিন ধৰি বহু ক্রোশ দূৰত
বহু ব্যয় কৰি বহু দেশ ঘূৰি
চাবলৈ গৈছোঁ পৰ্বতমালা
চাবলৈ গৈছোঁ সিন্ধু।
চোৱা হোৱা নাই চকুটি মেলি
ঘৰৰপৰা কেৱল দুখোজ দূৰত
একোটি ধানৰ শীহৰ ওপৰত
একোটি নিয়ৰ বিন্দু।

—**ৰবীন্দ্রনাথ ঠাকুৰ**

# এজন সৰল প্ৰকৃতিৰ মানুহ—
# হেমচন্দ্ৰ শৰ্মাদেৱ

## ড° সোণেশ্বৰ শৰ্মা

বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ শিক্ষক হেমচন্দ্ৰ শৰ্মাদেৱৰ লগত মোৰ পৰচয় কেতিয়া, ক'ত, কেনেকৈ হৈছিল সেই কথা মই এতিয়া মনত পেলাব পৰা নাই। যিমান দূৰ সম্ভৱ বজালী মহবিদ্যালয়তেই তেখেতক পোন প্ৰথমবাৰৰ বাবে লগ পাইছিলোঁ, কাৰণ মোৰ লগত একেলগে পঢ়া, আৰু সমসাময়িক কেইবাজনো শিক্ষক তাত থকা কাৰণে, বিশেষ কোনো কাম নথকা সত্ত্বেও বজালী মহাবিদ্যালয়লৈ গৈছিলোঁ। তেনেকৈয়ে বোধকৰো তাতেই তেখেতৰ লগত প্ৰথম পৰিচয় হৈছিল। পাছত অৱশ্যে তেখেতক গুৱাহাটী বিশ্ববিদ্যালয়তেই বহুবাৰ লগ পাইছিলোঁ। তেখেত বয়সত মোতকৈ ভালেখিনি ডাঙৰ আছিল যদিও মোৰ লগত প্ৰায় সমনীয়াৰ দৰেই অত্যন্ত সৌহাৰ্দ্যপূৰ্ণ আচৰণ কৰিছিল আৰু ময়ো তেখেতৰ প্ৰতি যথাযথ সন্মান প্ৰদৰ্শন কৰিছিলোঁ। এই সহজ সম্পৰ্কৰ কাৰক আছিল বোধকৰো তেখেতৰ সৰলতা আৰু সেই সময়ৰ সামাজিক পৰিৱেশ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুত কৰিবৰ বাবে এখন পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি আছিল (এতিয়াও আছে), যাৰ জৰিয়তে বিভিন্ন বিষয়ৰ পাঠ্যপুথি অসমীয়া ভাষাত প্ৰস্তুত কৰা হৈছিল। তাৰ উদ্ভিদবিজ্ঞান বিষয়ৰ পাঠ্যপুথি প্ৰণয়ন প্ৰশাখা এটা আছিল, যাৰ সভাপতি আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী প্ৰফেছৰ, সকলোৰে নমস্য ব্যক্তি ড° হিতেন্দ্ৰ কুমাৰ বৰুৱা ছাৰ। সেই প্ৰশাখাটো মুঠ ২৩ জন সদস্যৰ ভিতৰত মই আৰু হেমচন্দ্ৰ শৰ্মা, দুয়োজনেই আছিলোঁ। যিহেতু সেই সময়ত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ব্যৱস্থাপনাত অসমীয়া ভাষাত স্নাতক মহলাৰ পাঠ্যপুথি প্ৰস্তুতকৰণৰ কাম পূৰ্ণোদ্যমে চলিছিল, সেয়েহে উদ্ভিদবিজ্ঞান প্ৰশাখাটোৰ বৈঠকো মাজে-সময়ে বহিছিল। এবাৰ এনেকুৱা এখন বৈঠকত পাঠ্যপুথি প্ৰণয়নৰ বিভিন্ন দিশ সম্পৰ্কীয় আলোচনা চলিছিল। তাত ড° নৰহৰি দাস ছাৰে এটা পৰামৰ্শ আগবঢ়াইছিল। সেই একে

প্ৰসংগতে মই কৈছিলোঁ যে, কামটো অলপ বেলেগ ধৰণে কৰিলে বেছি ভাল হ'ব। তেতিয়া বৰুৱা ছাৰে সদস্যসকলৰ মতামত বিচাৰিছিল আৰু একমাত্ৰ হেমচন্দ্ৰ শৰ্মাদেৱেহে মোৰ পৰামৰ্শটো বেছি ভাল বুলি মত প্ৰকাশ কৰিছিল। আন এজনে কৈছিল, "সোণেশ্বৰ শৰ্মাই ঠিকেই কৈছে, কিন্তু এইবাৰলৈ ড° নৰহৰি দাসৰ পৰামৰ্শমতেই কাম কৰি চাওঁ।" তেতিয়া বৰুৱা ছাৰে মত দিলে যে "এইবাৰ ড° দাসৰ মতেই আগবঢ়া যাওক, পাছত দৰকাৰ হ'লে আৰু আলোচনা কৰিম।"

এবাৰ তেখেতে মোৰপৰা এটা বিদ্যায়তনিক সহায় বিচাৰি গৈছিল। তেখেতে ড° চম্পকলাল বৈশ্যৰ তত্ত্বাৱধানত পি. এইছ. ডি. ডিগ্ৰীৰ কাৰণে গৱেষণা আৰম্ভ কৰিছিল। গৱেষণাৰ এটা অংশ হিচাপে তেখেতে গছৰ পাতত থকা পত্ৰহৰিতৰ পৰিমাণ নিৰ্ণয় কৰিবলগীয়া হৈছিল। সেই সময়ত আমাৰ বিভাগত (কৃষি উদ্ভিদবিজ্ঞান বিভাগ) এটা স্পেক্ট্ৰ'ফট' মিটাৰ আছিল— 'স্পেক্ট্ৰ'নিক-২০'। সেইটো মোৰ তত্ত্বাৱধানত আছিল আৰু মই মোৰ গৱেষণাৰ কামত ব্যৱহাৰ কৰিছিলোঁ। সেই সময়ত স্পেক্ট্ৰ'নিক-২০ উৎকৃষ্ট মানৰ বুলি বিবেচিত হৈছিল। তাৰ দুবছৰমান পাছত ৰসায়ন বিভাগলৈ 'ব্লেকমেন স্পেক্ট্ৰ'ফট'মিটাৰ' আনিছিল। শৰ্মাদেৱে মোক সুধিছিল মই কেইটামান 'ৰিডিং' লৈ তেখেতক সহায় কৰিব পাৰিম নেকি। আমাৰ মুৰব্বী অধ্যাপকৰ অনুমতি সাপেক্ষে পাৰিম বুলি কৈছিলোঁ যদিও পাছত তেখেতে কামখিনি কৰাবলৈ নাহিল। তেখেতে অন্য কোনো ঠাইত লোৱা ৰিডিং কিছুমান মোকো দেখুৱাইছিল। পাছত পত্ৰহৰিত সম্পৰ্কীয় গৱেষণা প্ৰৱন্ধ এটা এখন গৱেষণা আলোচনীত প্ৰকাশ হোৱা দেখিছিলোঁ। পাছত লগ পাওতে প্ৰৱন্ধটো সম্পৰ্কত মোৰ মতামতো জনাইছিলোঁ।

বজালী মহাবিদ্যালয়ত অনুষ্ঠিত, অসম বিজ্ঞান সমিতিৰ দ্বিবাৰ্ষিক সভাখনলৈ সমিতিৰ এজন সদস্য হিচাপে ভাগ ল'বলৈ যাওতে তেখেতৰ ঘৰলৈ যোৱা মনত পৰে। মোৰ লগত যিমানদূৰ মনত পৰে, ৰসায়ন বিভাগৰ ৰবীন কলিতা আৰু উদ্ভিদবিজ্ঞানৰ উপেন্দ্ৰ নাথ দাস আছিল। আমাক তেখেতে ধুনীয়াকৈ চাহ-তাহ খুৱাই পঠিয়াইছিল।

এজন সৎ প্ৰকৃতিৰ নিষ্ঠাৱান শিক্ষক হিচাপে তেখেতক মোৰ চিৰদিন মনত থাকিব। ■

- *লিখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ জীৱপ্ৰযুক্তিবিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক।*

# জ্ঞান-প্ৰদীপ হেমচন্দ্ৰ

## ড° চন্দ্ৰমোহন শৰ্মা

আমাৰ অসমখন প্ৰাক্‌স্বাধীনতা কালৰেপৰা সকলো দিশতে পাছ পৰা। শিক্ষা-দীক্ষা, অৰ্থনীতি, ৰাজনীতি সকলোতে আমি আছিলোঁ পৰমুখাপেক্ষী। অথচ অসমখন প্ৰাকৃতিক সম্পদত অত্যন্ত চহকী। এইবোৰ দিশ আজি আমাৰ আলোচ্য বিষয় নহয়। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আমি অৱহেলিত হৈ ৰৈ আছিলোঁ আৰু শিক্ষানুৰাগী, শুভানুধ্যায়ী এচাম লোকে কলিকতা (কলকাতা), ঢাকাত উচ্চ শিক্ষা লাভ কৰি অসমতো এক আন্দোলন গঢ়ি তুলিছিল যাৰ ফলশ্ৰুতিতে অসমৰ প্ৰথমখন বিশ্ববিদ্যালয়— গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হয় ১৯৪৭ চনত। স্বাধীনতাই মানুহৰ অন্তৰত বহুত প্ৰত্যাশা জগাই তুলিছিল। বিশেষকৈ ঠায়ে ঠায়ে বিদ্যালয়, মহাবিদ্যালয় আদি খুলি মানুহক অশিক্ষা-অন্ধকাৰৰ পৰা তুলি আনি চৰকাৰে শিক্ষাৰ পোহৰ বিলাব বুলি ভাৱিছিল। কিন্তু দুখৰ কথা, চলি থাকিল ব্ৰিটিছ আমোলাতান্ত্ৰিক ব্যৱস্থা সকলো দিশতে। বিদ্যালয়-মহাবিদ্যালয় ৰাইজেই দান, বৰঙণি, চান্দা তুলি স্থাপন কৰিব লগীয়া হ'ল। তাতো শত-সহস্ৰ বাধা। মই নিজেই এখন ভেন্সাৰ স্কুলত (ককয়া) পঢ়ি প্ৰৱেশিকা পৰীক্ষা দিছিলোঁ। গতিকে জন্ম-বেদনাৰ অভিজ্ঞতা মোৰ আছে। বজালী-পাঠশালা অঞ্চল শিক্ষা-সংস্কৃতিত বহুত আগবঢ়া। মেধাৱী ছাত্ৰ-ছাত্ৰীসকল ওলাই গৈ একমাত্ৰ চৰকাৰী মহাবিদ্যালয় কটন মহাবিদ্যালয়ত শিক্ষা লাভ কৰিছিল। কিন্তু বহু মেধাৱী আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষাৰ আকাংক্ষা মনতে মাৰ গৈছিল। এই প্ৰেক্ষাপটতে জন্ম বজালী মহাবিদ্যালয়ৰ। এক বৃহৎ অঞ্চলৰ লোকৰ আশা-আকাংক্ষাৰ থলী বজালী মহাবিদ্যালয়।

বজালী মহাবিদ্যালয়ৰ প্ৰথমগৰাকী অধ্যক্ষই অশেষ ত্যাগ স্বীকাৰ কৰি কলা শাখাৰ প্ৰায়বোৰ বিষয়েই খুলিছিল। ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিছিল মহাবিদ্যালয়। প্ৰাক্-বিশ্ববিদ্যালয় আৰু স্নাতক (তিনি বছৰীয়া) পৰীক্ষাৰ ফলাফলো যথেষ্ট উন্নত হৈছিল। কিন্তু মহাবিদ্যালয়ৰ সৰ্বাত্মক উন্নতি হ'বলৈ ধৰে অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শৰ্মাৰ দিনত। তেওঁ নিজে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক আছিল। সেয়েহে কলা শাখাৰ লগে লগে বিজ্ঞান শাখাও খোলে। বিজ্ঞান শাখা খোলাত এদল নিষ্ঠাৱান

কৰ্মীয়ে তেওঁক সকলো প্ৰকাৰে সাহায্য আগবঢ়ায়। তাৰ ভিতৰত প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আছিল অন্যতম। পাঠশালাৰ জালিখাটা গাঁৱৰ এক অভিজাত ব্ৰাহ্মণ পৰিয়ালত তেওঁৰ জন্ম হৈছিল। পিতৃ আৰু মাতৃ আছিল পুষ্পচন্দ্ৰ আৰু সাৱিত্ৰী। শিক্ষা লাভৰ অদম্য হেঁপাহৰ বাবেই তেওঁ গাঁৱতেই প্ৰাথমিক শিক্ষা লাভ কৰি পাটাছাৰকুছি বিদ্যাপীঠৰপৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন মহাবিদ্যালয়ৰ পৰা আই. এছচি. আৰু বি. এছচি. পৰীক্ষাত উত্তীৰ্ণ হয়। স্নাতক শ্ৰেণীত উদ্ভিদবিজ্ঞান তেওঁৰ এটি বিষয় আছিল। সেই সময়ত কটন মহাবিদ্যালয়তো উদ্ভিদবিজ্ঞান চালুকীয়া অৱস্থাতে আছিল। অধ্যাপক অতুল চন্দ্ৰ দত্তৰ আশাশুধীয়া প্ৰচেষ্টাত উদ্ভিদবিজ্ঞান আৰম্ভ কৰা হৈছিল সামৰিক বাহিনীৰদ্বাৰা পৰিত্যক্ত এটা সৰু ঘৰত। তাৰপৰা লাহে লাহে বৰ্তমানৰ স্থানলৈ নিয়া হয়। এই বিভাগটো স্থাপনত অধ্যাপক দত্তৰ যি একাগ্ৰতা তাক সেই সময়ৰ ছাত্ৰ-ছাত্ৰীসকলে উপলব্ধি কৰিব পাৰিছিল। প্ৰকৃততে অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই উদ্ভিদবিজ্ঞানৰ বিজ্ঞানাগাৰ। দত্ত ছাৰে যিদৰে এই সমলবোৰ ব্যৱহাৰ কৰি এটা উদ্ভিদৰ সংগ্ৰহালয় গঢ়ি তুলিছিল, শৰ্মায়ো তেনেদৰে বজালী মহাবিদ্যালয়তে এটি আকৰ্ষণীয় সংগ্ৰহালয় গঢ়ি তুলিছিল— য'ত বটল নমুনাৰপৰা আৰম্ভ কৰি 'হাৰ্বেৰিয়াম' পৰ্য্যন্ত আছিল। ছাত্ৰ-ছাত্ৰীয়ে যাতে ভুল কথা নিশিকে তাৰ প্ৰতি তেওঁ সচেষ্ট আছিল। আজিকালি নমুনাৰ নামো সঘনে সলনি হয়। তেওঁৰ মনত খুদুৱনি থাকিলে সেইবোৰ বিশ্ববিদ্যালয়লৈ গ'লেই আলোচনা কৰি আৰু হাৰ্বেৰিয়াম ছিট চাই শুধৰাই আনিছিল। আমি দুয়ো প্ৰাক্‌বিশ্ববিদ্যালয় আৰু স্নাতক পৰ্য্যায়ৰ CCS (Committee of Courses and Studies)ৰ সদস্য আছিলোঁ। আমি দুয়ো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা বিষয়সমূহ যাতে গ্ৰামাঞ্চলৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও উপযোগী হয় তাত জোৰ দিছিলোঁ। শৰ্মা সঁচা অৰ্থতে এগৰাকী জীৱবিজ্ঞানৰ শিক্ষক আছিল।

অসমত চৰকাৰে যেতিয়া স্কুলবোৰত উচ্চতৰ মাধ্যমিক শিক্ষা প্ৰৱৰ্তন কৰে, তেতিয়া শিক্ষক আৰু পাঠ্যপুথিৰ অভাৱ। শৰ্মাই পাঠ্যপুথিৰ অভাৱৰ কথা উপলব্ধি কৰি নিজেই উচ্চতৰ মাধ্যমিক/প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ বাবে লিখি উলিয়ায় 'জীৱবিজ্ঞান পৰিচয়'। সেই সময়ত অসমীয়া ভাষাত বিজ্ঞানৰ পাঠ্যপুথি লিখাৰ ডাঙৰ অন্তৰায় আছিল অসমীয়া বৈজ্ঞানিক পৰিভাষাৰ অভাৱ। অসম বিজ্ঞান সমিতিয়ে সকলো শাখা সামৰি প্ৰকাশ কৰা 'বৈজ্ঞানিক পৰিভাষা'খনেই আছিল একমাত্ৰ আশ্ৰয়। শৰ্মা বা আন যিসকলে পাঠ্যপুথি লিখি উলিয়াইছিল— তেওঁলোকৰ পৰিভাষা বা লিপ্যন্তৰৰ মাজত পৰস্পৰ পাৰ্থক্য আছিল। এই অসুবিধা আঁতৰাবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰতিটো বিষয়ৰ বিশেষজ্ঞৰদ্বাৰা পৰিভাষা প্ৰস্তুত কৰি এখন ডাঙৰ কলেৱৰৰ 'বৈজ্ঞানিক পৰিভাষা' প্ৰকাশ

কৰে (১৯৭৩ চন) আৰু লিপ্যন্তৰৰ খেলিমেলি আঁতৰাবৰ বাবে ভাষাবিদসকলৰদ্বাৰা প্ৰস্তুত কৰি উলিয়াইছিল 'অসমীয়া আখৰ জোঁটনি'। শৰ্মাই তেওঁৰ পুথিৰো সংশোধন ঘটাই পৰৱৰ্তী সংস্কৰণবোৰ প্ৰকাশ কৰি উলিয়াইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰস্তুত কৰা স্নাতক পৰ্য্যায়ৰ পুথিতো তেওঁ অংশবিশেষ লিখি দিছিল।

আমি এবাৰ বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগ পৰিদৰ্শনৰ বাবে গৈছিলোঁ— অনাৰ্হ্ খোলাৰ অনুমতি প্ৰসংগত। মই অভিভূত হৈছিলোঁ সংগ্ৰহালয়টো দেখি। তদুপৰি বিভাগৰ সমুখভাগত বাঁহৰ জেওৰা দি কৰা বাগিচাখন আৰু নতুন আচবাব আদিৰে সজোৱা বিজ্ঞানাগাৰ দেখি শৰ্মা আৰু তেওঁৰ বিভাগৰ সহযোগীসকলৰ নিষ্ঠা আৰু একাগ্ৰতাৰ পৰিচয় পাইছিলোঁ। শৰ্মাই তেওঁৰ জ্ঞানৰ সঁফুৰা খুলি দিছিল নতুন প্ৰজন্মৰ আগত। অতুল চন্দ্ৰ দত্ত যিদৰে কিংবদন্তিত পৰিণত হৈছিল— সেইদৰে হেমচন্দ্ৰ শৰ্মাও বজালী মহাবিদ্যালয়ৰ আৰু সেই অঞ্চলত চিৰস্মৰণীয় হৈ ৰ'ব। মই তেওঁৰ স্মৃতিত শ্ৰদ্ধা জনালোঁ। আশা কৰোঁ ভৱিষ্যৎ প্ৰজন্মই তেওঁৰ কৰ্মপদ্ধতিৰপৰা প্ৰেৰণা আহৰণ কৰি কামত আগবাঢ়িব। ■

● *লিখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক।*

---

❖ যদি আমাৰ গৱেষণাৰ ফলাফলৰ ক্ষেত্ৰত কোনো সান্ত্বনা নাই, তেনেহ'লে অন্ততঃ গৱেষণাতেই কিছু সান্ত্বনা আছে। পুৰুষ বা নাৰীয়ে কেৱল দেৱতা বা দৈত্যৰ কাহিনীতে সন্তুষ্ট থাকিব নোৱাৰে, বা চিন্তাবোৰ কেৱল দৈনন্দিন কামকাজতে আৱদ্ধ ৰাখিব নোৱোৰে। তেওঁলোকে দূৰবীক্ষণ যন্ত্ৰ, কৃত্ৰিম উপগ্ৰহ আৰু কণিকা ত্বৰকযন্ত্ৰও তৈয়াৰ কৰে, আৰু তেওঁলোকে সংগ্ৰহ কৰা তথ্যসমূহৰ অৰ্থ বিচাৰি মেজৰ ওপৰত অন্তহীন সময় অতিবাহিত কৰে। মহাবিশ্বক বুজিবলৈ চলোৱা প্ৰচেষ্টাই হ'ল কিছুমান অতি কমসংখ্যক বস্তুৰ এটা যিয়ে মানৱ জীৱনক ইয়াৰ প্ৰহসনৰপৰা সামান্য ঊৰ্ধলৈ তুলি নিয়ে আৰু এক শোকাৱহ পৰিণতিৰ দয়া প্ৰদান কৰে।

**—ষ্টিভেন ৱেইনবাৰ্গ**

# সান্নিধ্যৰ স্মৃতি

ড° নৃপেন্দ্ৰ নাথ শৰ্মা

মাননীয় প্ৰয়াত হেমচন্দ্ৰ শৰ্মাদেৱ এসময়ত মোৰ বজালী মহাবিদ্যালয়ত সহকৰ্মী আছিল। তেখেতৰ স্মৃতিত দুআষাৰ লিখোঁ বুলি হাতত কলমটো লওতেই মনত পৰিছে ১৯৭০ চনৰ ১৫ জুলাইৰ দিনটোলৈ। সেই দিনটোতে মই পাঠশালাৰ বজালী মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগত শিক্ষকতা কৰাৰ বাবে চাকৰিত যোগদান কৰিছিলোঁ। সেই সময়ৰ অধ্যক্ষ প্ৰয়াত ৰাজেন্দ্ৰ নাথ শৰ্মাদেৱৰ কাৰ্য্যালয়ত মোৰ চাকৰিৰ যোগদান-পত্ৰখন জমা দিয়াৰ পিছত ওচৰতে থকা প্ৰাণীবিজ্ঞান বিভাগটোলৈ আহি বিভাগীয় অধ্যাপক বীৰেন্দ্ৰ প্ৰসাদ ভাৰ্মা আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ লগত পৰিচিত হৈছিলোঁ। তেওঁলোক দুজনাৰ লগত পৰিচিত আৰু ক্লাছ ৰুটিন সম্পৰ্কে আলোচনা হৈ থাকোতেই আন এজনা ব্যক্তিৰ লগত পৰিচয় ঘটিছিল। এইজনা ব্যক্তিয়েই আছিল বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰতিষ্ঠা কালৰ অধ্যাপক তথা বিভাগীয় মুৰব্বী প্ৰয়াত হেমচন্দ্ৰ শৰ্মাদেৱ। ১৯৫৯ চনত বিজ্ঞান শাখা মুকলি কৰাৰপৰা ১৯৬২ চনত বিজ্ঞানৰ স্নাতক শ্ৰেণীসমূহ খোলাৰ মাজৰ সময়ছোৱাত তেৱেঁই জীৱবিজ্ঞানৰ প্ৰধান অধ্যাপক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। মহাবিদ্যালয়ৰ চাকৰিটোত যোগদান কৰাৰ আগতে মোৰ পাঠশালাত থকা-মিলাৰ কোনোধৰণৰ আগতীয়া বন্দৱস্ত হৈ থকা নাছিল। প্ৰাণীবিজ্ঞান বিভাগত পৰিচিত হৈ থাকোতেই মাননীয় শৰ্মাদেৱেই এই বিষয়ত মাননীয় ভাৰ্মা আৰু ঠাকুৰৰ লগত আলোচনা কৰি মোক এমাহমানৰ কাৰণে সদ্যহতে তেওঁলোক দুজনাৰ লগতে থকা-খোৱাৰ সিদ্ধান্ত কৰি দিছিল আৰু লগতে সেইদিনা প্ৰথম নিশাৰ ভাতসাজ তেওঁৰ ঘৰতেই গ্ৰহণ কৰাৰ বাবে মোক জোৰ দি অনুৰোধ জনাইছিল। তেওঁৰ অনুৰোধ এৰাব নোৱাৰি মোৰ চাকৰি জীৱনৰ প্ৰথম সাঁজ ভাত তেখেতৰ ঘৰতেই গ্ৰহণ কৰিছিলোঁ। শৰ্মাদেৱৰ মহানুভৱতা আৰু তেখেতৰ পত্নী চাৰুবালা বাইদেউৰ সেইদিনা নিশাৰ আতিথ্যৰ কথা মই আজিও স্মৰণ কৰোঁ।

চাকৰিৰ কালছোৱাত প্ৰয়াত শৰ্মাদেৱক যিকেইটা বছৰ সহকৰ্মী হিচাপে লগ পাইছিলোঁ মোৰ এইটোকে অনুভৱ হৈছিল যে তেখেত এজন অতি সৰল মনৰ ব্যক্তি

আছিল। খোজ-কাটলত সদায় ধীৰ-স্থিৰ, স্বল্পভাষী, পিন্ধন-উৰণত পৰিপাটি আৰু কৰ্তব্যপৰায়ণ আছিল। শ্ৰেণীত পাঠদানৰ ক্ষেত্ৰত তেখেত অতিকৈ নিয়মীয়া আছিল আৰু কোনো ছাত্ৰ-ছাত্ৰীকে কেতিয়াও উচ্চস্বৰত টান কথা কোৱা নাছিল। সহকৰ্মী তথা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি তেওঁ খুব মৰমিয়াল আছিল আৰু তেওঁলোকৰপৰা শ্ৰদ্ধা আদায় কৰিব পাৰিছিল। কথাৰ মাজত দুই-এটি খুহুতীয়া কথাৰে সকলোকে আমোদ দিব পাৰিছিল। ক্ষীণ দেহৰ এইজনা ব্যক্তিৰ মুখত প্ৰায়েই এটি মৃদু হাঁহি দেখিবলৈ পাইছিলোঁ আৰু কেতিয়াও তেওঁৰ কাৰো ওপৰত কোনোধৰণৰ খং উঠা দেখা নাছিলোঁ। মুখমণ্ডলত তেওঁৰ সদায় যেন এক আত্মতুষ্টিৰ ভাৱে পৰিস্ফুট হৈ আছিল। এইহেন এজন গুণী, মানী, নিৰহংকাৰী ব্যক্তিৰ সান্নিধ্য হেৰুৱাই এসময়ত অন্তৰত বৰ আঘাত পাইছিলোঁ।

ছাত্ৰ-ছাত্ৰীসকলক সফলভাৱে শিক্ষাদান কৰাৰ উপৰিও উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী হিচাপে বিভাগটো তেওঁ বেছ দক্ষতাৰে পৰিচালনা কৰিছিল। ইয়াৰ উপৰিও তেখেত বজালী মহাবিদ্যালয়ৰ মুখপত্ৰ "বজালীয়ান"ৰ সম্পাদনা সমিতিৰ এজন স্থায়ী সদস্যৰ দৰেই আছিল। তেখেতৰ উদ্যোগতেই ১৯৬৯ চনত বজালী মহাবিদ্যালয়ত "বায়োলজিকেল ছ'চাইটি" নামৰ এখন বিজ্ঞান সমিতি গঢ়ি উঠিছিল আৰু তেখেত সেইখন সমিতিৰ সভাপতি আছিল। মহাবিদ্যালয়খনৰ অন্যান্য দিশৰ লগতে সামাজিক দ্বায়বদ্ধতাৰ প্ৰতিও তেখেতৰ লক্ষ্য আছিল। এসময়ৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পাটাছাৰকুছি বিদ্যাপীঠৰ উদ্ভিদ বিজ্ঞানৰ বিষয় শিক্ষক মাননীয় শ্যামচৰণ ডেকাৰ সৈতে যুটীয়াভাৱে জীৱবিজ্ঞানৰ কিতাপ এখন লিখি প্ৰকাশ কৰি সেই বিষয়ৰ অসমীয়া মাধ্যমৰ কিতাপৰ অভাৱ কিছু হ'লেও পূৰণ কৰিছিল। ইয়াৰ উপৰি তেখেতে 'ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত' শীৰ্ষক আন এখন কিতাপো প্ৰকাশ কৰি উলিয়াইছিল। ১৯৮১ চনত প্ৰকাশিত বজালী মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ স্মৰণিকাত "বজালী অঞ্চলৰ নামকীৰ্তন" শীৰ্ষক এটি প্ৰবন্ধও প্ৰকাশ পাইছিল। বজালী মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী "বজালীয়ান"ত তেওঁ সময়ে সময়ে কেবাটাও লেখা আগবঢ়াইছিল। এইজনা প্ৰতিভাৱান ব্যক্তি আৰু কেইটিমান বছৰ আমাৰ মাজত জীয়াই থকা হ'লে হয়তো সময়ত আৰু কিছু কল্যাণমূলক কামৰ অৰিহণা দেখা পালোঁহেঁতেন। শেষত তেখেতৰ আত্মাৰ চিৰশান্তি কামনাৰে মোৰ স্মৃতিৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিলোঁ। ■

- *লিখক বজালী মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ।*

# বিদায় ক্ষণত শ্ৰীযুতা চাৰু দেৱীলৈ

## কুসুম দাস (বৌ)

ভোগদৈৰ বেগৱতী বুকু
আৰু বৰলুইতৰ বিশাল বক্ষ অতিক্ৰমি
আমি মিলিত হৈছিলোঁ
পাঠশালা ছোৱালী হাইস্কুলৰ
এই মিলনথলীত।
দিন-মাহ-বছৰেৰে সমৃদ্ধ
এই তিনিটা দশক
যেন তিনিটা মুহূৰ্ত।
পলে পলে পলকতে
অতীতলৈ হ'ল নিৰ্বাসিত।
এই তিনি দশকত আমি
কত কথা একেলগে কলোঁ
কত গান একেলগে গালোঁ
কত স্থান লগেৰে ভ্ৰমিলোঁ
কত হাঁহি-অশ্ৰুৰ মুহূৰ্ত
একেলগে ভগালোঁ,
লেখ তাৰ সময়ে নাৰাখে জানোঁ।
কিন্তু—

আমাৰ স্মৃতিৰ মণিকোঠাত
সেয়া থাকিব জিলিকি
হৈ স্যমন্তক মণি।
সেয়ে হে সতীৰ্থ!
বিদায়ৰ কাৰুণ্যৰে
কৰিব নোখোজোঁ সিক্ত
এই বিদায় মুহূৰ্ত।
এতিয়া সময় মাথোঁ বাটে বাটে
বাট বুলি যোৱাৰ
আৰু শুভেচ্ছা জনোৱাৰ।
অন্তৰৰো অন্তৰ আছে।
সেই অন্তৰেৰে কামনা কৰিছোঁ—
কৰুণাময়ৰ আশিসেৰে
ধন্য হওক আপোনাৰ
সমাগত প্ৰতিটো জোনাক
সুখ-শান্তি-সমৃদ্ধিৰ
জোৱাৰেৰে উপচি পৰক
অনাগত প্ৰতিটো প্ৰভাত। ■

- *লিখিকা পাঠশালা ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী আৰু চাৰু দেৱীৰ সহকৰ্মী।*

# সোঁৱৰণিৰ কুন্দ্ৰাক্ষজালেৰে প্ৰয়াত চাৰু দেৱী

## নৃপেন্দ্ৰ কুমাৰ মজুমদাৰ

পাঠশালা ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী প্ৰয়াত চাৰু দেৱীৰ পৰিয়ালৰ অনুৰোধমৰ্মে, চাকৰিসূত্ৰে মোৰ সহকৰ্মী হৈ মোৰ সৈতে তেখেতৰ যি সান্নিধ্য ঘটিছিল, তাৰ স্মৃতিত কিছু কথা লিখাৰ মানস কৰিছোঁ। মোৰ লেখাটি আৰম্ভ কৰাৰ প্ৰাকমুহূৰ্তত মহাপুৰুষ শ্ৰীমাধৱদেৱে নামঘোষাত লিখা পদ এফাকি মনলৈ আহিল—

অধমে কেৱলে দোষ            লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ            লৱয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ।। ১২০

কোনো লোকৰ বিষয়ে কিবা ক'ব খুজিলে বা লোকজনৰ চাৰিত্ৰিক দিশ বিশ্লেষণ কৰিব বিচাৰিলে, মোৰ স্মৃতিপটত সেই লোকজনৰ ভাল গুণবোৰৰ কথাই প্ৰথমে ভাঁহি উঠে। দৰাচলতে জগতত কোনো লোককেই একেবাৰে বেয়া বা অসৎ বুলিব নোৱাৰি। গুৰুৰ নিৰ্দেশ অনুসৰি ধৰ্মৰাজ যুধিষ্ঠিৰে নানা ঠাই চলাথ কৰিও বেয়া, অসৎ মানুহ বিচাৰি নাপালে। কাৰণ অসৎ বা বেয়া বুলি ভৱা মানুহবোৰৰ গাতো তেওঁ কিছুমান অতি উত্তম গুণ দেখা পাইছিল। ভালকৈ বিশ্লেষণ কৰি চালে দেখিবলৈ পোৱা যায় সকলোবোৰ মানুহৰ গাত কিবা নহয় কিবা ভাল গুণ থাকেই। আমি সেই ভাল গুণবোৰ, সৎ আদৰ্শবোৰ বিচাৰি উলিয়াই তাক আহৰণ কৰাটোহে আমাৰ কৰ্তব্য।

প্ৰয়াত চাৰু দেৱীৰ মই বহুত আদৰ্শনীয় গুণ দেখিবলৈ পাইছিলোঁ। ময়ো অধম শ্ৰেণীৰ লোকৰ শ্ৰেণীভুক্ত হ'ব খোজা নাই। চাৰু দেৱীৰ সৈতে মোৰ সান্নিধ্যৰ সময়ছোৱাত মোৰ দৃষ্টিত পৰা গুণৰাজিহে মহাপুৰুষজনাই কোৱা সেই উত্তম বা উত্তমোত্তম শ্ৰেণীৰ লোকৰ দৰেই দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ, যদিও মই তেনে শ্ৰেণীৰ লোক বুলি কেতিয়াও দাবী কৰিব নোৱাৰোঁ।

## সোঁৰৰণিৰ কুন্দ্ৰাক্ষ জালেৰে প্ৰয়াত চাৰু দেৱী

চাৰু দেৱী পণ্ডিত চিভিলিয়ান আনন্দৰাম বৰুৱাৰ (ভাৰতৰ পঞ্চমগৰাকী আই. চি. এছ.) জন্মস্থান ইতিহাসপ্ৰসিদ্ধ উত্তৰ গুৱাহাটীৰ শিলসাঁকো অঞ্চলৰ জীয়ৰী। পিছলৈ পাঠশালাৰ বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ সৈতে বিবাহসূত্ৰে পাঠশালাৰ বোৱাৰী হ'ল।

উত্তৰ গুৱাহাটী অঞ্চল অতীজৰেপৰাই শিক্ষা-দীক্ষা, সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়া। নাৰীশিক্ষাৰ ক্ষেত্ৰতো উত্তৰ গুৱাহাটী পিছ পৰি থকা নাছিল। তাৰ উদাহৰণ চাৰু দেৱী কুৰি শতিকাৰ মাজছোৱাত মহাবিদ্যালয়ৰ শিক্ষাৰে শিক্ষিতা, স্নাতক। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগলৈকে নাৰীশিক্ষাত শিশুসকলৰ পিতৃ-মাতৃয়ে বিশেষ গুৰুত্ব দিয়া নাছিল। কিন্তু চাৰু দেৱীৰ সংস্কৃতিৱান পৰিয়ালে ল'ৰা আৰু ছোৱালীৰ শিক্ষাত সমানে গুৰুত্ব দিয়াৰ ফলত আৰু চাৰু দেৱীৰ পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ থকাৰ গুণত, তেখেতে উত্তৰ গুৱাহাটী অঞ্চলৰ সেই সময়ৰ মুষ্টিমেয়সংখ্যক নাৰী স্নাতকসকলৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হৈছিল।

১৯৫৭ চনত পাঠশালাত নতুনকৈ স্থাপন হোৱা পাঠশালা ছোৱালী হাইস্কুলত ১৯৬২ চনলৈকে মহিলা স্নাতক শিক্ষয়িত্ৰী পদত নিযুক্তি দিব পৰা হোৱা নাছিল। সেই সময়ত পাঠশালা অঞ্চলত মহিলা স্নাতকৰ অভাৱ আছিল। ছোৱালী হাইস্কুলত প্ৰথম মহিলা স্নাতক শিক্ষয়িত্ৰী হোৱাৰ সৌভাগ্য ঘটিছিল উত্তৰ গুৱাহাটীৰ জীয়ৰী, পাঠশালাৰ বোৱাৰী চাৰু দেৱীৰ। ইয়াৰ আগতে কুৰি শতিকাৰ দ্বিতীয় দশকত বজালীৰ দৈশিঙৰী গাঁৱৰ চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী পদত নিযুক্তি লাভ কৰিছিল। বৰপেটা মহকুমাৰ (বৰ্তমান জিলা) দ্বিতীয় পুৰণি ছোৱালী হাইস্কুলত চাৰু দেৱীয়ে ১৯৬২ চনত বিয়াৰ পিছতেই কইনাৰ সাজ সলাই স্নাতক শিক্ষয়িত্ৰী পদত যোগদান কৰি বজালীৰ স্ত্ৰী শিক্ষানুষ্ঠানত প্ৰথমগৰাকী মহিলা স্নাতক শিক্ষয়িত্ৰী হিচাপে পৰিগণিত হ'ল। এইদৰে চাৰু দেৱীয়ে বজালীৰ নাৰীশিক্ষাৰ বিস্তাৰৰ ইতিহাস ৰচনাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। ১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহ পৰ্য্যন্ত তেখেতে অবিৰতভাৱে অতি নিষ্ঠাসহিতে ছোৱালী হাইস্কুলখনৰ শিক্ষাদানত ব্ৰতী হৈ থাকিল। পাঠশালা ছোৱালী হাইস্কুলৰ সংকটকালত ত্ৰাণকৰ্ত্তী ৰূপত চাৰু দেৱীৰ অৱদানৰ কথা বজালীৰ ৰাইজে চিৰদিনে নিশ্চয়কৈ সুঁৱৰি থাকিব।

চাৰু দেৱীৰ পিতৃ-মাতৃপ্ৰদত্ত নাম 'চাৰু'— যথাৰ্থবোধক নাম। 'চাৰু' শব্দই উত্তম বা সুন্দৰক বুজায়। এগৰাকী সুগৃহিণী হিচাপে নিজ ঘৰখনৰ সকলো কাম নিয়াৰিকৈ কৰি যোৱাৰ উপৰিও শিক্ষাদান কাৰ্য্য, সামাজিক অনুষ্ঠান, ৰাজহুৱা আৰু স্থানীয় মহিলা সমিতিত সক্ৰিয় সহযোগিতা আগবঢ়োৱা, ওচৰ-চুবুৰীয়াৰ সৈতে সদ্ভাৱনা ৰক্ষা কৰি চলা, ভক্তিভাৱে

আৰু আন্তৰিকতাৰে অতিথি-আলহীক সোধপোচ কৰা আদি বিভিন্ন ক্ষেত্ৰত তেখেতে এগৰাকী উত্তম নাৰীৰ ভূমিকা গ্ৰহণ কৰি সমাজত এক সুন্দৰ চানেকি দাঙি ধৰিছিল।

চাৰু দেৱী আন এক বিৰল গুণৰ অধিকাৰী আছিল। সেয়া আছিল তেখেতক উপকাৰ কৰাজনৰ প্ৰতি অকপটভাৱে কৃতজ্ঞতা প্ৰকাশ কৰা। তেখেতক যদি কোনোবাই কিবা কামত সহায়ৰ হাত আগবঢ়াইছিল, তেনেহ'লে সেই লোকজনৰ প্ৰতি তেখেতক কৰা সহায়ৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ কেতিয়াও পাহৰা নাছিল। তেখেতে প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্বত প্ৰায় দুবছৰ থকাৰ সময়ত মই তেখেতৰ বিভিন্ন কামত কেতিয়াবা নিজে উপযাচি আৰু কেতিয়াবা তেখেতৰ অনুৰোধমৰ্মে সহায় কৰিছিলোঁ। অৱসৰ গ্ৰহণৰ পিছত তেখেতে মোক এইবুলি কৃতজ্ঞতা জনাবলৈ ইতস্ততঃ কৰা নাছিল— "মজুমদাৰ, এই দুবছৰে আপুনি মোৰ বিভিন্ন কামত যি সহায় কৰিলে, সেই কথা মই জীৱনত কেতিয়াও পাহৰি নাযাওঁ।" কিন্তু বেচেৰীক মোৰ সহায়ৰ কথা সুঁৱৰি থাকিবলৈ ভগৱানে দীৰ্ঘায়ুস নিদিলে। তেখেত অকালতে গুচি গ'ল।

চাৰু দেৱীয়ে তেখেতৰ পুত্ৰ-পুত্ৰীকো নিশ্চয় কৃতজ্ঞতা প্ৰকাশ কৰাৰ শিক্ষা দিছিল। এই সন্দৰ্ভতে তেখেতৰ জ্যেষ্ঠ পুত্ৰ জয়ন্তৰ কথা এটি ইয়াৰ উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহ'ব যেন পাওঁ। তেওঁ ছাত্ৰাৱস্থাতে লিখা প্ৰবন্ধপুথি এখনৰ কেইটামান পৃষ্ঠাৰ প্ৰুফ তেওঁৰ অজ্ঞাতে মই প্ৰেছত চাইছিলোঁ। পিছত তেওঁ এই কথা জানি মোৰ এইফেৰা সামান্য সহায়ৰ বাবে পুথিখনৰ পাতনিত মোৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ পাহৰা নাছিল। তেওঁৰ শিষ্টতাত মই সঁচাকৈয়ে বিমুগ্ধ আৰু অভিভূত হৈ পৰিছিলোঁ। কৃতজ্ঞতা প্ৰকাশ মানুহৰ এক দুৰ্লভ, আটকীয়া গুণ।

চাৰু দেৱীক আমি দেখা পাইছিলোঁ দুঃখৰ মাজতো তেখেত কেতিয়াও উদ্বিগ্ন বা চঞ্চল হৈ নপৰা আৰু সুখৰ সময়তো আত্মহাৰা নোহোৱা ("দুঃখ পাইলে উদ্বিগ্ন নোহয় যিজন। সুখ যাহাৰ নাহি আনন্দিত মন।। শ্ৰীকৃষ্ণ গীতা ২।।১৪৩, দুঃখেষুনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ —শ্ৰীমদ্ভগৱত গীতা ২।।৫৬)। গীতাৰ এই প্ৰবুদ্ধবাণী চাৰু দেৱীৰ জীৱনতো প্ৰতিফলিত হৈছিল। যিজনে অহংকাৰশূন্য হৈ নিৰ্বিকাৰচিত্তে নিজৰ জীৱনৰ সুখ-দুখৰ সমভাগী হ'বলৈ অভ্যাস কৰে, তেওঁ গীতাৰ স্থিতপ্ৰজ্ঞ লোকৰ শাৰীলৈ ধাৱমান হোৱাৰ পথ মুকলি কৰি গৈ থাকে। চাৰু দেৱীয়ে নিজৰ স্বামী, পুত্ৰৰ মেধা, জী-জোঁৱাইৰ সুখী জীৱন বা ধন-সম্পত্তি লৈ কদাপি গপ্পুপ মৰা নাছিল। তেখেতে শুনোৱা নাছিল কাকো তেখেতৰ পাৰিবাৰিক জীৱনত ঘটা সুখ-দুখৰ ঘটনাৰ পৰিক্ৰমা। এই গুণ বহুত মানুহে আহৰণ কৰিব নোৱাৰে।

চাৰু দেৱীয়ে কেতিয়াও ধুনপেচ মৰা নাছিল। পোছাক পৰিধানত তেখেত অতি মাৰ্জিত আছিল। আন নাৰীকো তেনে কৰাটো বিচাৰিছিল। অত্যাধুনিক অমাৰ্জিত সাজপাৰ

পিন্ধা ছাত্ৰীসকলক তেখেতে ভাল নাপাইছিল, যাৰ বাবে দুই-এক ছাত্ৰী আৰু তেওঁলোকৰ আধুনিক ভাৱধাৰাৰ পিতৃ-মাতৃৰ তেখেত অপ্ৰিয়ভাজনো হৈছিল, ৰোষত পৰিছিল।

শ্ৰেণীকোঠাত চাৰু দেৱীয়ে ছাত্ৰীসকলৰ শৃংখলা ৰক্ষাত সদায় গুৰুত্ব দিছিল। সেইবাবে তেখেতৰ শ্ৰেণীত কোনোদিনে হাই-উৰুমি হোৱা নাছিল। চাৰু দেৱীকে ধৰি আমি কেইবাগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰীৰ চেষ্টাৰ ফলতে পৰীক্ষাগৃহতো ছাত্ৰীসকলে নিয়মানুৱৰ্তিতা ৰক্ষা কৰি চলিবলৈ বাধ্য হৈছিল। বিদ্যালয়ৰ আভ্যন্তৰীণ খেল-ধেমালিৰ প্ৰতিযোগিতাতেই হওক বা আন্তঃজিলা প্ৰতিযোগিতাতেই হওক পাঠশালা ছোৱালী হাইস্কুলৰ ছাত্ৰীসকলে শৃংখলাবদ্ধভাৱে খেল-ধেমালিত অংশ গ্ৰহণ কৰি পুৰস্কাৰ পাইছিল, সুনাম অৰ্জন কৰিছিল। ছাত্ৰীৰ সুচৰিত্ৰ গঠন, ঘৰে-বাহিৰে আৰু বিদ্যালয়ত ছাত্ৰীয়ে শৃঙ্খলা ৰক্ষা কৰি চলা আদি দিশবোৰত চাৰু দেৱীৰ অৱদানৰ কথা তেখেতে পৰলোক গমনৰ পিছতো আমি শ্ৰদ্ধাৰে সুঁৱৰি আছোঁ।

চাৰু দেৱীয়ে এগৰাকী আদৰ্শ শিক্ষয়িত্ৰীৰ ৰূপত ধনী-দুখীয়া সমাজৰ তথাকথিত উচ্চ-নীচ, সৰু বৰ শ্ৰেণীৰ ছাত্ৰী নিৰ্বিশেষে, সমদৃষ্টিৰে শিক্ষাদানত ব্ৰতী আছিল। তেখেতৰ চাকৰি জীৱনত, সহকৰ্মী, কাৰ্য্যালয়কৰ্মী, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, চাফাইকৰ্মী, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য আদিৰ লগত মধুৰ সম্পৰ্ক আছিল। মোৰ এতিয়াও মনত আছে, তেখেতৰ জোঁৱায়েকৰ গাড়ীৰে আমি কেইজনমান শিক্ষক-শিক্ষয়িত্ৰীয়ে বেলশৰৰ আমাৰ সংস্কৃত শিক্ষক প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাৰ আমন্ত্ৰণক্ৰমে তেখেতৰ ঘৰলৈ গৈছিলোঁ।

গৃহিণী হোৱাৰ উপৰিও সমাজৰ সেৱাবৃত্তিৰ নিয়োজিত এগৰাকী নাৰীয়ে ৰুটিনমতে কাম নকৰিলে কামত আউল লাগে। ৰান্ধনীশালৰ কাম-কাজকে ধৰি বিদ্যালয়ৰ দায়িত্ব পালন কৰালৈকে চাৰু দেৱীয়ে সদায় ঘড়ীৰ কাঁটাকেইডালৰ ওপৰতে দৃষ্টি নিক্ষেপ কৰি চলিছিল।

জ্ঞান আহৰণৰ বাবে চাৰু দেৱীয়ে পুথিভঁৰালৰ পৰা কিতাপ নি পঢ়িছিল। ঘৰত বাতৰিকাকত পঢ়িবলৈ সময় পাইছিল নে নাই, তাক মই জনা নাছিলোঁ যদিও, বিদ্যালয়ত কিন্তু আজৰি সময়ত 'নতুন অসমীয়া' বাতৰিকাকতখনত আৰু অন্যান্য আলোচনীত তেখেতে সদায় চকু ফুৰাইছিল। সাহিত্য চৰ্চাতো তেখেতৰ ৰাপ আছিল। 'ভাৰতত স্ত্ৰীশিক্ষা' নামৰ এটি প্ৰবন্ধত তেখেতে বিদ্যালয়ৰ পাঠ্যক্ৰম সম্পৰ্কত এক গুৰুত্বপূৰ্ণ মত দাঙি ধৰিছিল এইদৰে— "কেনে ধৰণৰ শিক্ষাৰ দ্বাৰাই স্ত্ৰীজাতিৰ উন্নতি সাধন হ'ব সেয়া চিন্তাৰ বিষয়। স্ত্ৰীশিক্ষাৰ পাঠ্যক্ৰমত প্ৰাথমিক পৰ্য্যায় বাদ দি বাকীছোৱাত গাৰ্হস্থ্য বিজ্ঞানৰ বাধ্যতামূলক শিক্ষা থাকিলে ঘৰ, সমাজ আৰু দেশৰ উন্নতি আশা কৰিব পাৰি।"

## স্মৰণীয় সুবাস

চাৰুদেৱীৰ ওৰে জীৱনত প্ৰতিফলিত হৈ থকা এক অনন্য চাৰিত্ৰিক বৈশিষ্ট্য আছিল, তেখেত মিতব্যয়ী। আয় চাইহে তেখেতে ব্যয় কৰিছিল। অসমীয়া মানুহে কিন্তু মিতব্যয়ী আৰু কপন বা কটকিনা শব্দকেইটিৰ অৰ্থ একাকাৰ কৰি শব্দকেইটাৰ সমাৰ্থক ৰূপত ব্যৱহাৰ কৰা দেখা যায়। ব্যক্তিগত উন্নতি তথা ৰাষ্ট্ৰীয় উন্নতিত মিতব্যয়িতাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ভাৰতীয় ইতিহাসত চুলতানে নিজে টুপী চিলাই কৰি পিন্ধা, ৰান্ধনীশালত ৰাণীক (বেগম) খাদ্য প্ৰস্তুত কৰা কামত নিয়োজিত কৰা আদি কাৰ্য্যবোৰৰ কথা উল্লেখ আছে, যিবোৰ কথাই মিতব্যয়িতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰে। মিতব্যয়িতা এক আটকীয়া গুণ। চাৰু দেৱীৰ গাত থকা এই গুণটো আমাৰ বাবে আদৰ্শনীয়।

চাৰু দেৱীৰ সৈতে মোৰ প্ৰায় ৩৩ বছৰকাল সান্নিধ্য ঘটিছিল। এই দীৰ্ঘ সময়ছোৱাৰ মোৰ স্মৃতিপটত ভাহি উঠা ভালেখিনি কথাই লিখা হ'ল যদিও, লিখিবলৈ কিন্তু বহু কথা থাকি গ'ল। মোৰ লেখাটিৰ কলেৱৰ বৃদ্ধি হ'ব বুলি আশঙ্কা কৰি কেৱল স্মৃতিগ্ৰন্থখনি প্ৰকাশ কৰাৰ সন্দৰ্ভত মই দুআষাৰমান ক'বলৈ খুজিছোঁ।

মানুহে জীৱন-পৰিক্ৰমা কালত ভিন্ন ভিন্ন শ্ৰেণীৰ গুৰু লাভ কৰিলেও প্ৰধান গুৰু তিনিগৰাকী। তেওঁলোক হ'ল— নিজৰ পিতৃ-মাতৃ আৰু আচাৰ্য্য বিদ্যাদাতা গুৰু। এওঁলোক তিনিজন পৰম গুৰু। ধৰ্মশাস্ত্ৰতো উল্লেখ আছে— 'ত্ৰয়ঃ পুৰুষস্যাতিগুৰুৰো ভৱন্তি মাতা-পিতা আচাৰ্য্যশ্চেতি'।। গুৰু, পিতৃ, মাতৃৰ মহত্ত্বৰ বিষয়ে শাস্ত্ৰত আকৌ উল্লেখ আছে— 'পিতৃ-মাতৃয়ে সন্তান জন্ম দিয়াৰ আগৰেপৰাই সন্তানক ডাঙৰ-দীঘল কৰালৈকে যি দুঃখ-কষ্ট সহ্য কৰিবলগীয়া হয়, শতেক বছৰতো সেই ঋণ পৰিশোধ কৰাটো সন্তানৰ কাৰণে সম্ভৱ নহয়' (মনুস্মৃতি)। প্ৰয়াত চাৰু দেৱী আৰু প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ যোগ্য পুত্ৰ-পুত্ৰীয়ে তেওঁলোকৰ পিতৃ-মাতৃৰ পৰলোক গমনৰ পিছতো ভক্তি শ্ৰদ্ধা নিবেদন কৰাৰ উদ্দেশ্য সোঁৰৰণি গ্ৰন্থ এখনি প্ৰস্তুত কৰি উলিওৱাৰ যি মহৎ কাম হাতত লৈছে, সি সঁচাকৈয়ে তেওঁলোকৰ পিতৃ-মাতৃৰ প্ৰতি থকা ঋণ পৰিশোধৰ এক সুন্দৰ পন্থা আৰু যথাৰ্থ কৰ্তব্য বুলি আমি বিবেচনা কৰোঁ। প্ৰয়াত চাৰু দেৱী আৰু প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ পৰলোকৰ নতুন দেহত সংস্থাপিত আত্মাই চিৰশান্তিৰে থাকক ইয়াকে পৰমপিতাৰ ওচৰত প্ৰাৰ্থনা জনাই আমাৰ লেখাটিৰ ইমানতে সামৰণি মাৰিলোঁ। ■

- *লিখক পাঠশালা ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু প্ৰয়াত চাৰু দেৱীৰ সহকৰ্মী।*

# অনুভৱৰ ভাষাৰে একলম

## যামিনী পাটগিৰী

কিছুমান স্মৃতিয়ে মনত আনন্দৰ বন্যা বোৱাই আনে। তেনেকুৱা এটি বন্যাৰ ভাৱ কঢ়িয়াই আনে প্ৰয়াত চাৰু দেৱী বাইদেউৰ স্মৃতিয়ে। পোনপ্ৰথমবাৰৰ বাবে বাইদেউক মোৰ চুবুৰীয়া এঘৰত লগ পাইছিলোঁ। প্ৰথম দৃষ্টিতেই ধৰা পৰিছিল শিক্ষয়িত্ৰী বাইদেউৰ ব্যক্তিত্বৰ প্ৰভাৱ। তেওঁৰ ব্যক্তিত্বই মোক খুবেই আকৰ্ষিত কৰিছিল। পিছলৈ মোৰ চুবুৰীয়া হিৰন্ময়ী দাস বাইদেউৰপৰাও তেওঁৰ সহকৰ্মী শ্ৰদ্ধাৰ চাৰু বাইদেউৰ বহুতো গুণৰ কথা শুনিবলৈ পাইছিলোঁ।

পাঠশালা নগৰৰ মাজত অৱস্থিত পাঠশালা ছোৱালী হাইস্কুল (এতিয়া পাঠশালা হাইস্কুল)ৰ প্ৰধান শিক্ষয়িত্ৰী হৈ চাৰু বাইদেউৱে বিদ্যালয়খনৰ সকলো দিশৰ উন্নয়নমূলক কাম-কাজত নজৰ ৰাখিছিল। সকলো সময়তে মেখেলা-চাদৰ পৰিহিতা বাইদেউ এগৰাকী স্বয়ং ব্যক্তিত্বপূৰ্ণ নাৰী হিচাপে সকলোৰে মাজত পৰিচিতা আছিল। এগৰাকী নাৰী হিচাপে তেওঁ আছিল অসীম সাহসী। মাক হিচাপে তিনিটাকৈ সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ তেওঁ সক্ষম হৈছিল।

বাইদেউৰ অদম্য সাহস, বিভিন্ন দিশৰ প্ৰতি থকা সদৰ্থক দৃষ্টিভংগী, উৎসাহ আমাৰ সকলোৰে বাবে প্ৰেৰণাৰ উৎস। বৰ্তমান যুগৰ সামাজিক বাতাৱৰণৰ দিশত বাইদেউৰ দৰে নাৰী আমাৰ বাবে আদৰ্শস্বৰূপ। ■

- *লিখিকা বজালীৰ নৰেশ্বৰ ৰণা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা।*

---

❖ ত্ৰুটিয়েই সৌন্দৰ্য্য, বলিয়ালিয়েই প্ৰতিভা, আৰু অত্যন্ত বিৰক্তিকৰ হোৱাতকৈ অত্যন্ত হাস্যকৰ হোৱাই বেছি ভাল।

❖ ভয় কৰাটো মূৰ্খামি, একেদৰে অনুতাপ কৰাও।

**—মেৰিলীন মুনৰো**

# স্মৃতিৰ সঁফুৰাত সহকৰ্মী প্ৰয়াত চাৰু দেৱী

## ছায়া তালুকদাৰ

পৃথিৱীৰ লগত কোনো জীৱৰে সম্বন্ধ স্থায়ী হ'ব নোৱাৰে। পাৰ্থিৱ জীৱন পৰিপূৰ্ণ হ'লেই তাৰ পৰিসমাপ্তি হয়। ১৯৯৯ চনৰ ২১ অক্টোবৰ তাৰিখে ৰাতিপুৱা চাৰু দেৱীৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে শেষ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে তেওঁৰ বাসস্থানলৈ গৈ দেখিছিলোঁ তেওঁ পৰম শান্তিত চিৰনিদ্ৰাত শুই আছে। সুদীৰ্ঘ দিন তেওঁৰে সৈতে পাঠশালা ছোৱালী হাইস্কুলত সহকৰ্মী হৈ আছিলোঁ। অৱসৰৰ পিছতো বিভিন্ন সামাজিক অনুষ্ঠান আৰু ধৰ্মীয় স্থানলৈ যাওতে তেওঁৰ সঙ্গী হৈছিলোঁ। আজিও তেওঁৰ সজীৱ স্মৃতিয়ে ভুমুকি মাৰি অতীতক জগাই তোলে। মই বৈবাহিকসূত্ৰে পাঠশালালৈ অহাৰ কিছুদিন পিছতেই তেওঁৰ সৈতে চিনাকি হৈছিলোঁ। তেখেতৰ স্বামী স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মা আৰু মোৰ স্বৰ্গীয় গৃহস্থ বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞানৰ অধ্যাপক আছিল।

মই পাঠশালা ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী হৈ যোগদান কৰাৰ সময়ত কুলদা দেৱী বাইদেউ, ধৰ্মেশ্বৰী শালৈ আৰু চাৰু দেৱীক স্কুলৰ শিক্ষক-জিৰণি কক্ষত লগ পাইছিলোঁ। অৱশ্যে আৰু শিক্ষক কেবাগৰাকীও আছিল। লাহে লাহে আমি স্কুলৰ শিক্ষয়িত্ৰী কেইগৰাকী মনৰ সুখ-দুখৰ লগৰীও হৈ পৰিছিলোঁ আৰু ঘৰুৱা সমস্যাবোৰ আমাৰ মাজত মুকলিভাৱেই আলোচনা কৰিছিলোঁ। তেখেতৰ-পৰাই শুনিছিলোঁ ন-কইনাৰ মাহ-হালধিৰ গোন্ধ মাৰ নৌযাওঁতেই বজালীৰ প্ৰথম ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী হৈ যোগদান কৰিছিল। সেই সময়ত বজালীত স্নাতক ডিগ্ৰী লোৱা মহিলাৰ সংখ্যা কম আছিল। পাঠশালাৰ স্ত্ৰী-শিক্ষাৰ অগ্ৰণীসকলে তেওঁক স্ত্ৰী-শিক্ষাৰ মহান ব্ৰতত আগবঢ়াই দিছিল। শিক্ষাদানৰ ক্ষেত্ৰত অমনোযোগী ছাত্ৰীসকলৰ প্ৰতি তেওঁ বিশেষ মনোযোগ দিছিল। শিক্ষাদান কাৰ্য্যত তেওঁৰ নিষ্ঠা আৰু একাগ্ৰতা স্বীকাৰ কৰিবই লাগিব।

সেই সময়ত স্কুলৰ প্ৰধান শিক্ষক ধৰণীধৰ দেৱ গোস্বামী, সহ প্ৰধান শিক্ষক চন্দ্ৰকান্ত কলিতা, জ্যেষ্ঠ শিক্ষয়িত্ৰী চাৰু দেৱী, ৰমেশ শৰ্মা, মহীনাথ দেৱ চৌধুৰী, নৃপেন্দ্ৰ কুমাৰ মজুমদাৰ আদি শিক্ষকসকলৰ শিক্ষাদানৰ ক্ষেত্ৰত বিশেষ অৱদান আছিল। ছাত্ৰীসকলে প্ৰধান শিক্ষক ধৰণীধৰ দেৱ গোস্বামীৰপৰা স্কুলীয়া শিক্ষাৰ উপৰিও পাইছিল নাচ-গান-নাটক আদিৰ বিশেষ চৰ্চাৰ পথৰ নিৰ্দেশনা। স্কুলৰ শৃংখলা, নিয়মানুৱৰ্তিতাৰ

মাজেৰে উন্নত শৈক্ষিক বাতাৱৰণ সৃষ্টি কৰি ছাত্ৰীসকলৰ উৎসাহ-উদ্দীপনাৰে স্কুলত পতা সকলো উৎসৱ আদি সুচাৰুৰূপে পৰিচালনা কৰাত চাৰু দেৱীৰ অৱদান যথেষ্ট আছিল। তেওঁ ছাত্ৰীসকলৰ প্ৰতি সহানুভূতিশীল আৰু মৰমিয়াল আছিল। শ্ৰেণীত শিক্ষাদান কাৰ্য্যত কেতিয়াবা অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হ'লে পিছত হাঁহি হাঁহি সহকৰ্মীসকলক কৈ ৰগৰ কৰিছিল। তেওঁ শ্ৰেণীত বুজাই থাকোঁতে ইংৰাজী শব্দৰ অৰ্থবোৰ আৰু প্ৰশ্নোত্তৰবোৰ সুন্দৰকৈ বুজাই দি বোৰ্ডত লিখি দিছিল। এদিন তেওঁ দেখা পালে যে এজনী ছাত্ৰীয়ে বহীত একো নিলিখাকৈ বহি আছে। তেওঁ সুধিছিল— "তুমি কিয় লিখি লোৱা নাই?" তাই তৎক্ষণাত উত্তৰ দিলে— "আমাৰ ঘৰতো Dictionary আছে"। তেওঁ হেনো তাইৰ উত্তৰ শুনি মুখলৈ চাই ৰ'ল। এইখিনি কথা ক্লাছৰপৰা আহি আমাৰ আগত ৰসালকৈ বৰ্ণনা দি হাঁহিছিল। তেওঁ ৰসালভাৱে গাঁৱৰ কু-সংস্কাৰবোৰো আলোচনাৰ মাজেৰে সমালোচনা কৰিছিল। যদিও তেওঁ পাঠশালাতেই আছিল বৈবাহিকসূত্ৰে জালিখাটা গাঁৱতেই প্ৰথম ন-কইনা হৈ আহিছিল। এই ক্ষেত্ৰত দুই-এটা সৰু সৰু কথা তেওঁ হাঁহি হাঁহি বৰ্ণনা কৰিছিল যদিও নাছিল কোনো কঠোৰ অভিযোগ। কিন্তু তেওঁ আছিল স্পষ্টবাদীও, সময়ত মুকলিকণ্ঠে অন্যায়ৰ প্ৰতিবাদ কৰিব পাৰিছিল।

পাঠশালা ছোৱালী হাইস্কুলত চাৰু দেৱীয়ে সুদীৰ্ঘকাল সহ-শিক্ষয়িত্ৰী হৈ পিছত সহ-প্ৰধান শিক্ষয়িত্ৰী হৈ শিক্ষাদান কাৰ্য্য পৰিচালনা কৰিছিল। ১৯৯২ চনৰ ফেব্ৰুৱাৰীৰ পৰা ১৯৯৫ চনৰ ফেব্ৰুৱাৰীলৈ প্ৰধান শিক্ষয়িত্ৰী হৈ তেওঁ সুখ্যাতিৰে কাৰ্য্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। স্কুল পৰিচালনাতো তেওঁ দক্ষতাৰেই পৰিচয় দিছিল। অৱসৰৰ পিছত ব্যক্তিগত শিক্ষানুষ্ঠানতো শিক্ষাদানৰ বাবে আমন্ত্ৰিত হৈছিল। এইদৰে শিক্ষাদানত সমাদৃত হোৱাৰ উপৰিও তেওঁ এগৰাকী সমাজ সেৱিকাও আছিল। বজালী মহিলা সমিতি, পাঠশালা মহিলা সমিতিৰ সভাপতি পদ অলংকৃত কৰাৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। এবাৰ এটা অনুষ্ঠানৰ একচেটিয়া আধিপত্যত বিৰক্ত হৈ আমাৰ লগতে কেবাগৰাকীকো লগত লৈ তেওঁ তাৰ প্ৰতিবাদ কৰিছিল। অসমৰ বিদেশী খেদা আন্দোলনৰ সময়তো তেওঁ সক্ৰিয়ভাৱেই জড়িত আছিল।

চাৰু দেৱী এগৰাকী সুগৃহিণীও আছিল। ঘৰখন নিয়াৰিকৈ চলাই ল'ৰা-ছোৱালীকেইটিক সুনাগৰিক হিচাপে গঢ়ি তোলা তীক্ষ্ণবুদ্ধি সম্পন্না এই গৰাকী মাতৃৰ সমাজৰ প্ৰতি অৱদান যে যথেষ্ট আছিল এয়া অনস্বীকাৰ্য্য। এনে মহান নাৰীৰ আদৰ্শ সমাজত স্মৰণীয় হৈ ৰওক। আজি এই ক্ষুদ্ৰ লেখাৰ জৰিয়তে তেওঁলৈ আৰু তেওঁৰ প্ৰয়াত স্বামী হেমচন্দ্ৰ শৰ্মালৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ■

- *লিখিকা পাঠশালা হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী আৰু চাৰু দেৱীৰ সহকৰ্মী।*

# শিক্ষাবিদ দম্পতী হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৰী

মুৰাৰি মোহন দত্ত

পাঠশালা। বজালীৰ প্ৰাণকেন্দ্ৰ পাঠশালা। সৰুকৈ নগৰী, মায়া মোহে ভৰা। কতজন আহে যায় জীৱনৰ ভাওঁ লৈ, কতজন ৰৈ যায় নগৰ নিবাসী হৈ, পাঠশালাৰ ৰহণ চৰায়, মানুহবোৰে গমকে নাপায়। সেইসকলৰ মাজতেই আছিল সুখী দম্পতী অধ্যাপক হেমচন্দ্ৰ শৰ্মা আৰু তেওঁৰ পত্নী পাঠশালা ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী চাৰু দেৰী, চাকৰি কালৰ শেষৰ তিনি বছৰত যিয়ে প্ৰধান শিক্ষয়িত্ৰীৰ পদত নিয়োজিতা হৈছিল। আখৰা চাওতে ভাল যোৰা আহিছিল নিশ্চয়, সুন্দৰ বিধি নিবন্ধন, দৰা-কইনা দেখাত মিলা, শিক্ষা-সংস্কাৰত মিলা, পৰিয়ালৰ অৱস্থাত মিলা, সকলো ঠিক ঠিক, বিধিৰ লিখনো নিৰ্ভুল। নহ'লেনো প্ৰফেছাৰ, বিষয় শিক্ষকৰ পদ বিচাৰিব এৰি উদ্ভিদবিজ্ঞানৰ এম.এছচি. হেমচন্দ্ৰই উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ শিক্ষক হ'বলৈ আহেনে? আৰু গুৱাহাটীৰ স্কুলবোৰত স্নাতক শিক্ষকৰ ইমান অভাৱ, পিছে সন্দিকৈৰ ছাত্ৰী হৈ বি.এ. পাছ কৰা সত্ত্বেও নগৰৰ মোহ এৰি চাৰু দেৰীয়ে নিজে পঢ়া উত্তৰ গুৱাহাটীৰ হাইস্কুলখনতহে চাকৰি কৰিবলৈ আহিব লাগেনে? পাঠশালাৰে দিন ভাল। বিবাহ সূত্ৰে বি.এ. পাছ এগৰাকীৰ আগমন হৈছিল। ছোৱালী হাইস্কুলত সংকট। আজি-কালিতেই শিক্ষকৰ তালিকা দাখিল কৰিব লাগে। নহ'লে স্কুলৰ স্বীকৃতি এবছৰ পিছুৱাব। অন্য স্কুলবোৰতো স্নাতকৰ পদ খালী। কোনোবাই আহি লৈ গ'লে—, আয়তী সমাজত কথা ওলাইছিল— 'হা মোৰ আই, কইনাৰ কাপুৰ সলেই মাষ্টেন্নি হবা গে'ল'।

স্বামী-স্ত্ৰী দুয়োৰে পঢ়াশুনা হৈছিল কষ্টকৰ পৰিস্থিতিত। পাঠশালাৰ দক্ষিণ-পূবত জালিখাটা গাঁও। ব্ৰাহ্মণ পৰিয়ালৰ আৰ্থিক অৱস্থা ভাল নাছিল। আনবোৰ পৰিয়ালৰ অৱস্থাও। দেশত বৃটিছৰাজ। অৰ্থনীতি একমাত্ৰ কৃষিভিত্তিক। বামুণেই হওক বা শূদিৰেই হওক, ভাতমুঠি খেতিয়েই। ব্ৰাহ্মণে হালবোৱা নিষেধ। মজুৰি দি হালবোৱা, ভূঁই ৰোৱা, কাম কৰাইছিল। ১০/১২ বিঘা মাটিত খেতি কৰিছিল। খেতিৰ মাটি তেওঁলোকৰ আছিল।

জ্বৰ, হাইজা, বসন্তৰ অনুশাসনত পৰিয়াল-পৰিকল্পনা কল্পনাতীতভাৱে সফল হৈছিল। মানুহ কম, মাটি বেছি। পৰি থকা খেতিৰ মাটি সম্ভ্ৰমী ব্ৰাহ্মণ পৰিয়ালে দান-দক্ষিণা হিচাপেও পাইছিল আৰু কম দামতে কিনিবও পাইছিল। কাৰণ সৰ্বসাধাৰণে নোপোৱা নগদ পইচা ব্ৰাহ্মণসকলে ধৰ্মপ্ৰাণ যজমানসকলৰপৰা দান, দক্ষিণাৰূপে পাইছিল। বেছি মাটিৰ কথা নাছিল, এখন হালৰ মাটি। অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ পিতৃ পুষ্পচন্দ্ৰ শৰ্মা আছিল জালিখাটাৰ তেনে এটা পৰিয়ালৰ মুৰব্বী। মানুহ ৰাখি এখন হালৰ খেতি কৰে আৰু ঘৰ চলায়। গতি বিষম দেখি সৰু ভায়েক মাধৱৰ পঢ়াত মন নবহে। এনেতে খবৰ পালে গুৱাহাটীৰ হেপিভিলাত ফুকন পৰিয়ালৰ এজন ডাঙৰ মানুহে চাকৰি দিয়ে। দাদাকৰ অনুমতি লৈ স্কুলীয়া শিক্ষাকে সাৰোগত কৰি মাধৱ শৰ্মা ফুকনদেউৰ সন্মুখত হাজিৰ। তেওঁলোকৰ কাৰবাৰ ডাঙৰ। ফুকননীয়ে ৰন্ধা-বঢ়া কাম অকলে চলাব নোৱাৰা হৈছে। ঘৰৰ ল'ৰাৰ দৰে থাকি সহায়ক হ'ব লাগে। মাধৱ সন্মত হ'ল। শিষ্ট মাধৱৰ আচৰণ, কৰ্তব্যনিষ্ঠা আৰু বিশ্বাসী গুণে মালিকৰ মন মুহিব পাৰিছিল। মাধৱৰ খেতিৰ নিচা দেখি আহৰি পৰত শাক-পাচলিৰ খেতি কৰিববলৈ মাটিৰ ব্যৱস্থা কৰি দিছিল। লাহে লাহে পাচলি উৎপাদনৰপৰা বীজৰ উৎপাদনত হাত দিলে, উজান বজাৰত বীজৰ দোকান খুলিলে— নাম 'শস্য বীজালয়, উজান বজাৰ'। ফুকন ডাঙৰীয়াই উদ্যোগী মাধৱক নিজাকৈ কৃষিপাম খুলিবলৈ আঠ বিঘা মাটি লিজত দিলে। কৃষিপাম উজলি উঠিল, দোপতদোপে উন্নতি কৰিলে। উৎপাদন, বিপণন, যোগান ব্যৱস্থা সুশৃঙ্খল, ফলদায়ক হ'ল। কষ্টসহিষ্ণুতা, অকপটতা, শ্ৰমিকপ্ৰীতি নিয়মানুৱৰ্তিতা ইত্যাদি গুণৰ বলত মাধৱ শৰ্মা গণ্য-মান্য হৈ উঠিল। বুজনসংখ্যক কৃষক বনুৱাক নিযুক্তি দিব পৰা হ'ল। কৰ্মচাৰীসকলক তেখেতে আন্তৰিক প্ৰীতিৰে গ্ৰহণ কৰিছিল। পামত উপযুক্ত থকা-খোৱাৰ ব্যৱস্থা কৰি দিছিল। শিক্ষা, চিকিৎসাৰ বাবে অহা গাঁৱৰ মানুহক সাময়িকভাৱে আলহী হিচাপে ৰাখিলেও একো আপত্তি কৰা নাছিল। জালিখাটা গাঁৱত বৰ্তমানো এনে সুবিধা ভোগ কৰি অহা লোক কেবাজনো আছে। তেওঁলোকে শ্ৰদ্ধাৰে মাধৱ শৰ্মাৰ গুণৰ কথা স্মৰণ কৰে।

মাধৱ শৰ্মাৰ উদগনিত হেমচন্দ্ৰ শৰ্মাৰ জ্যেষ্ঠ ভাতৃ মধুৰাম শৰ্মাৰ শিক্ষাত বিজুতি নাহিল। শিক্ষা সাং কৰি তেওঁ ৰেল বিভাগৰ চাকৰিত সোমাল। কনিষ্ঠ হেমচন্দ্ৰ শৰ্মাই পাটাছাৰকুছি বিদ্যাপীঠ হাইস্কুলৰপৰা মেট্ৰিক পাছ কৰি হেপিভিলাত খুড়াকৰ লগত থাকি কলেজত পঢ়িবলৈ আহিল। তেওঁ প্ৰাগস্নাতক বিজ্ঞান শাখাত পঢ়িবলৈ ল'লে। এতিয়া শৈশৱত অংকুৰিত ব্যক্তি বৈশিষ্ট্যই বাস্তৱ অভিজ্ঞতাৰ জৰিয়তে চৰিত্ৰৰ দৃঢ় ৰূপৰেখা প্ৰাপ্তিৰ বয়স, নৱ যৌৱন। ইতিমধ্যে পাটাছাৰকুছি বিদ্যাপীঠৰ স্বনামধন্য প্ৰধান শিক্ষক হৰেন্দ্ৰ নাথ শৰ্মাদেৱৰ অনুশাসনত আচৰণৰ নানা গুণৰ অধিকাৰী হৈ আহিছিল। খুড়াকৰ

কৃষিপামত পালে বাস্তৱ জীৱনত কাম-কাজৰ জৰিয়তে সুন্দৰ, সুশৃংখলভাৱে কৰ্ম আগুৱাই নিয়াৰ অভিজ্ঞতা, সৌন্দৰ্য্যৰ অনুভূত আনন্দ। কৃষিপামত বিধে বিধে শাৰী পাতি থকা নানাবিধ ফলেৰে জোপোহা, লতিকা হেম শৰ্মাৰ নিচা লাগি গৈছিল, পামতো, বিদ্যালয়তো, সময় পালেই পামতেই হওক বা দোকানতেই হওক কিবাকিবি কৰি দিছিল। উচ্চ শিক্ষাৰ বেলিকা হেমচন্দ্ৰ শৰ্মাদেৱে উদ্ভিদবিদ্যা বিষয়টি অধ্যয়নৰ বিশেষ বিষয় হিচাপে লৈছিল। এই ক্ষেত্ৰত খুড়াকৰ কৃষিপামৰ সম্পূৰ্ণ প্ৰভাৱ আছিল বুলি ক'ব নোৱাৰি। কাৰণ আন ভিন্ ভিন্ উদ্দেশ্য লৈ বিষয়টোত গুৰুত্ব দিছিল। পিছে বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে আগবঢ়োৱা সেৱাকাৰ্য্যত প্ৰকাশ পোৱা প্ৰৱণতাত খুড়াকৰ প্ৰভাৱৰ স্পষ্ট প্ৰকাশ ঘটিছিল। মুৰব্বী অধ্যাপক হেমচন্দ্ৰ শৰ্মা, উদ্ভিদবিদ্যা বিভাগৰ পৰীক্ষাগাৰ নিৰ্মাতা। কনিষ্ঠ অধ্যাপক ড°ৰমানন্দ দাস, পিছলৈ বি. বি. কিষাণ মহাবিদ্যালয়, গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ, মাজতে গৌহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক। ড° দাসে আজি স্মৃতি ৰোমন্থন কৰি কয় যে তেওঁলোকে মুৰব্বী অধ্যাপকৰ সৈতে কাম কৰি বৰ ভাল পাইছিল— তেওঁ পৰীক্ষাগাৰ পৰিপাটিকৈ ৰখাত গুৰুত্ব দিছিল; পাঠদানৰ ক্ষেত্ৰত নিখুঁত সময়সূচী নিৰ্ধাৰণ কৰিছিল; কৌতুকৰ কথাৰে কামৰ পৰিৱেশ আনন্দদায়ক কৰি ৰাখিছিল।

পত্নী চাৰু দেৱীও দুখীয়া পৰিয়ালৰপৰাই আহিছিল। বোৱাকটা বিভাগৰ প্ৰশিক্ষক দেউতাকৰ তাকৰীয়া বেতনখিনিৰ বাহিৰে আন আয় নাছিল। পিছলৈ জীয়েকৰ পঢ়া চলাই নিব নোৱাৰিব বুলি ভাবি চাৰু দেৱীক এম. ভি. স্কুলত নাম লগাই দিছিল। তাত দুবছৰ পঢ়াৰ পিছত শিক্ষক আৰু বন্ধুবৰ্গই ক'লে বোলে ছোৱালীৰ বুদ্ধি-বৃত্তি ভাল, ইংৰাজী স্কুলত পঢ়াব লাগে। হিচাপ মিলোৱা টান, আনহাতে জীয়েক ছাত্ৰী হিচাপে লগৰ ছোৱালীতকৈ দুই বছৰ পিছত পৰিব। বহুত ভাবিলে, শেষত সাহস গোটাই দিলে উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত নাম লগাই। যুদ্ধত নামিলে বীৰাঙ্গনাক বাধা দিয়া টান। হাইস্কুলৰ শিক্ষাৰ সফল সমাপ্তিত মহাবিদ্যালয়ত পঢ়াৰ প্ৰৱল হেঁপাহ। এটাহে কথা, যিমান হ'লেও কষ্ট কৰিব। সঁচাকৈয়ে কষ্ট কৰি গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত পঢ়িছিল। সময় মিলাবলৈ সাহসী ছাত্ৰীগৰাকীয়ে ভৰা ব্ৰহ্মপুত্ৰ নাৱেৰে পাৰ হৈছিল। কষ্টই সুফল দিছিল, চাৰু দেৱীয়ে বি.এ. পাছ কৰিছিল তেতিয়া, যেতিয়া গ্ৰেজুৱেটৰ সংখ্যা আছিল আঙুলিমূৰত লিখিব পৰা। পৰীক্ষা দি আহিয়ে নিজে পঢ়া স্কুলখনত এমাহে কি দুমাহ শিক্ষয়িত্ৰী হৈছিল। তাৰ পিছত দেখা দেখি, কথা-বতৰা, হাঁহি-ধেমালি, মনৰ মিল। বিয়া, পাঠশালা ছোৱালী হাইস্কুলত শিক্ষকতা আৰম্ভৰ দিনবোৰত চাৰু দেৱীয়ে নিজৰ ছাত্ৰী জীৱনৰ অভিজ্ঞতাৰ কথা কৈ ছাত্ৰীসকলক, সাহসী

আৰু দৃঢ় হ'বলৈ উপদেশ দিছিল, তেওঁৰ কাহিনীয়ে সঁচাকৈয়ে তেওঁলোকৰ বৰ উৎসাহ দিছিল। মাজে মাজে সমাজ অধ্যয়নৰ পাঠ শিকাওতে নাৰীসকল সমাজত অৱহেলিত হোৱা কথাও আলোচনা কৰিছিল। কিন্তু তেখেতৰ চিন্তাত নেতিবাচক নাৰীবাদী চেতনা নাছিল। স্কুলৰ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থত তেখেতে লিখা "ভাৰতত স্ত্ৰীশিক্ষা" শীৰ্ষক প্ৰবন্ধত নাৰী সমাজত পৰম্পৰাগত মৰ্য্যাদাৰ প্ৰতি তেখেতৰ সম্ভ্ৰম প্ৰকাশ পাইছে।

গাৰ্হস্থ্য জীৱনতো বিদুষী মহিলা হিচাপে তেখেতে পত্নী, মাতৃ, নবৌৰ আদৰ্শনীয় কৰ্তব্যনিষ্ঠা দেখুৱাই গৈছে। বৰ্তমান দুধনৈ মহাবিদ্যালয়ৰ উদ্ভিদবিদ্যা বিভাগৰ অধ্যাপক প্ৰতাপ শৰ্মাই কয়— "মই আছিলোঁ হেমচন্দ্ৰ ছাৰৰ অতি প্ৰিয় ছাত্ৰ। তদুপৰি দূৰ সম্পৰ্কীয় ভায়েকো আছিলোঁ। ঘৰৰ কথা জানোঁ, দাদাই এযাৰি-দুযাৰি কৌতুকৰ কথা কৈ সকলো কাম নবৌৰ বাবে এৰিছিল। তথাপি স্বভাৱসুলভ মৰমৰ বলত তেওঁ পৰিয়ালৰ কৰ্তৃত্বশীল মুৰব্বী হ'ব পাৰিছিল। নিজৰ ল'ৰা-ছোৱালীৰ খবৰ ৰখাত দাদা সদায়ে তৎপৰ আছিল। অতি তীক্ষ্ণ বুদ্ধিৰ ভায়েক প্ৰভাত শৰ্মাক পঢ়াশুনাৰ বাবে উদগনি দিছিল। প্ৰভাত দাদাই গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ত এম. এ. পঢ়িছিল, পিছে বামপন্থী আন্দোলনত পঢ়া-শুনা এৰিলে। নবৌৱেক চাৰু দেৱীয়ে সুন্দৰ, সুশ্ৰী, তীক্ষ্ণ বুদ্ধিৰ দেওৰেকক মৰম কৰিছিল। প্ৰভাত দাদাই চাকৰি নকৰিলে যদিও বৌৱে শিক্ষকতা কৰিছিল।" দুজন পুত্ৰৰ বৰ্তমান সৰুজন অভিযন্তা। ডাঙৰজন সীমান্ত শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত কৃতিত্বৰে এম.এছচি. পঢ়ি আহি বৰ্তমান পাঠশালাত শিক্ষকতা কৰি আছে। গাঁৱৰ মূল ঘৰত আছে অধ্যাপক শৰ্মাৰ কনিষ্ঠ ভাতৃ মহেশ চন্দ্ৰ শৰ্মা। বি.এ. পাছ কৰিয়ে নিজ গাঁৱৰ দক্ষিণ বজালী হাইস্কুলত শিক্ষক হিচাপে সোমাল। আজি অৱসৰপ্ৰাপ্ত হৈয়ো কৰ্মজীৱনৰ মোহে মন ভৰি থাকে। পত্নী, ল'ৰা-বোৱাৰী, নাতি-নাতিনীৰে প্ৰাণৱন্ত ঘৰ। কোনোবাই কৈছিল, বাৰ্ধক্যৰ আচল টনিক বোলে নাতিনী। কথাটো মিছা নহয়। (অলপতে তেখেতৰো দেহাৱসান ঘটিছে।)

চাৰু দেৱীৰ ভতিজা ছোৱালী নীৰদা দেৱীয়ে গুৱাহাটীৰ আমবাৰীস্থিত বোৱা-কটা শিক্ষা প্ৰতিষ্ঠানত তিনি বছৰীয়া পাঠ্যক্ৰম পঢ়ি কৃতকাৰ্য্য হৈছিল। ৰেচম বিভাগত প্ৰশিক্ষকৰ চাকৰিত যোগদান কৰিছিল। পেহা-পেহীয়েকে যোগাযোগ কৰি মুগুৰীয়া গাঁৱৰ ভূপেন্দ্ৰ নাথ শৰ্মাৰ সৈতে নীৰদা দেৱীৰ বিয়া পাতি দিছিল। তেওঁ আছিল পাঠশালা ছোৱালী হাইস্কুলৰ সুদক্ষ বিজ্ঞান শিক্ষক। দুৰ্ভাগ্যবশতঃ কম বয়সতে শিক্ষক ভূপেন শৰ্মাৰ বিয়োগ ঘটে। পাঠশালা বোৱা-কটা সমবায় সমিতিৰ কাৰিকৰী বিষয়া হিচাপে নীৰদা দেৱী এই নগৰৰ স্থায়ী বাসিন্দা হৈছিল। কষ্টৰে সন্তানৰ লালন-পালন, তথা উপযুক্ত শিক্ষাৰ দায়িত্ব লৈছিল। বৰ্তমান ল'ৰা-বোৱাৰী, নাতিনীৰে সৈতে অৱসৰী জীৱন-যাপন

কৰিছে। বিপদত দৃঢ়তা আৰু ধৈৰ্য্য আচল আশ্ৰয় বুলি পেহীয়েকে তেখেতক শিকাইছিল। মৰম-বেথা আছিল তেখেতৰ স্বাভাৱিক গুণ, নীৰদা দেৱীয়ে আজিও সোঁৱৰে।

হেম শৰ্মা, চাৰু দেৱীৰ আছিল সুখৰ সংসাৰ। প্ৰকৃত জনপ্ৰীতিৰ ক্ষেত্ৰত দুয়োৰে স্বভাৱ মিলিছিল। ছাত্ৰক উপদেশ দিয়াৰ ক্ষেত্ৰত অধ্যাপক শৰ্মাদেৱৰ ভৱিষ্যৎ পুৰুষৰ প্ৰতি থকা আস্থা আৰু সদিচ্ছা প্ৰকাশ পাইছিল। বহুত ছাত্ৰই এতিয়াও তেখেতৰ মৰমসনা উপদেশৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। বৰ্তমান পাঠশালাৰ জ্যেষ্ঠ নাগৰিক পশুচিকিৎসা বিভাগৰ চিকিৎসা বিষয়া দশৰথ তালুকদাৰে কুৰোবাহাৰ পৰা আহি বজালী মহাবিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয় বিজ্ঞান শাখাত পঢ়িছিল। নলে-গলে লগা বন্ধু আছিল সহপাঠী, সাদেৰী গাঁৱৰ অনিল কুমাৰ দত্ত। শিক্ষকসকলে নৱাগতসকলক নানা উপদেশ দি কথা পাতে। তাতো অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ নিজৰ নিজস্ব পদ্ধতিৰ কাৰবাৰ। চতুৰ্থ বিষয় নোলোৱা ছাত্ৰবোৰৰ নাম লিখি লয়। এইবাৰ সেই তালিকাতে সোমাল দশৰথ, অনিলৰ নাম। দুদিন পিছত দুয়োকে মাতি নিলে বিভাগীয় মুৰব্বীৰ কোঠালৈ। প্ৰথমে খুহুতীয়া কথা— "কিহে, ৰাতি বৰ বৰষুণ গ'ল দেখোন। কালি চহৰা-চেপা পাতিছিলা নে নাই?" উত্তৰ দিবলৈ নৌপাওঁতেই মূল বিষয়লৈ আহিল— "চতুৰ্থ বিষয় লোৱা নাই কিয়?"

মেট্ৰিকত বৰ ভাল মাৰ্ক পোৱা নাই ছাৰ। এই অযথা ভয়ৰ ৰোগটিৰ সৈতে অধ্যাপক শৰ্মাদেৱৰ আগৰপৰাই পৰিচয় আছিল। তেখেতে নতুন সম্ভাৱনাৰ নানা উপদেশেৰে দুয়োকে জীৱবিজ্ঞান বিষয়টো চতুৰ্থ বিষয় হিচাপে পঢ়িবলৈ উপদেশ দিছিল। অতীত স্মৃতিৰ ৰোমন্থনত আজিও দশৰথ তালুকদাৰে কয়, "হেম শৰ্মা ছাৰে সেইকণ মৰম নেদেখুৱালে ময়ো ভেটেৰিনাৰী চাৰ্জন নহ'লোহেঁতেন আৰু বন্ধু অনিলো এম.বি.বি.এছ. ডাক্তৰ নহ'লহেঁতেন। চামে চামে ছাত্ৰৰ মাজত অধ্যাপক শৰ্মাদেৱৰ এনে গুৰুকুলীয়া আশীৰ্বাদৰ সৰবৰাহ ঘটিছিল।

শিক্ষানুৰাগিতাৰ ক্ষেত্ৰত পত্নী চাৰু দেৱীও কোনো গুণে কম নাছিল। নিজৰ ঘৰখন আছিল শিক্ষাৰ আদৰ্শ ক্ষেত্ৰ। বৰপুত্ৰই আনুষ্ঠানিক সুশিক্ষা আৰু ঘৰৰ যতনত বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত নৰম স্থান দখল কৰিছিল। তাৰপিছত তেওঁ বিজ্ঞানৰ প্ৰাক্‌বিশ্ববিদ্যালয় বজালী মহাবিদ্যালয়ত পঢ়ি স্নাতক পঢ়িবলৈ কটন মহাবিদ্যালয়ত নামভৰ্তি কৰিছিল। কিছুদিন পঢ়িয়েই অনুভৱ কৰিছিল। যিমানেই বিখ্যাত অনুষ্ঠান নহওক কিয়, মাতৃৰ মৰমসনা নিৰ্দেশনাৰ অভাৱ পূৰণ কৰিব নোৱাৰে। আজি সমাজে সেই কথা উপলব্ধি কৰিছে। চাকৰিয়াল মাতৃয়ে প্ৰাপ্তবয়স্ক সন্তানৰ যত্ন লোৱাৰ কাৰণেও বেতনসহ ছুটী মঞ্জুৰ কৰাৰ ব্যৱস্থা কৰিছে। শিক্ষাত মাতৃৰ ভূমিকা শৈশৱতে সীমিত নহয়। বৰঞ্চ আজিৰ উৎকণ্ঠা-উদ্বিগ্নতাৰ যুগত বিকাশৰ

স্তৰে স্তৰে ক্ৰমশঃ গভীৰতৰ হয় স্নেহময়ী জননীৰ প্ৰভাৱ। কটনত তেওঁৰ ভাল নালাগিল। ঘূৰি আহি বজালী মহাবিদ্যালয়ত পঢ়িলে। বৰ্তমান তেওঁ তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক। চাৰু দেৱীৰ কনিষ্ঠ সন্তান অচিন্ত্যৰো বুদ্ধি আছিল প্ৰখৰ। পিছে সৰুৰেপৰা তেওঁৰ সকলো বিষয়তে সমানে নিচা। এটা বিষয়তে বহুত সময় লাগি থাকি ভাল নাপাইছিল। বি.এ. পাছ কৰি উপযুক্ত কামত নিযুক্ত হৈছে। সমাজৰ নানা দিশৰ তাৎক্ষণিক সমীক্ষাৰ কাম— সাংবাদিকতা। গুৱাহাটীত কৃতকাৰ্য্যতা লাভ কৰিছে। অধ্যাপক শৰ্মাদেৱৰ একমাত্ৰ কন্যা সন্তান বন্দিতা। মাকৰ হাইস্কুলত আৰু দেউতাকৰ মহাবিদ্যালয়ত পঢ়িছিল। সেই সময়ত সেইটো আছিল ছোৱালী বিয়া দিয়াৰ উপযুক্ত বয়স। দৰাও পালে উপযুক্ত, ওচৰতে মুগুৰীয়া গাঁৱত। শৰ্মাদেৱৰ মৰমৰ মা-জনীৰ বিয়াখনি সুন্দৰকৈ হৈ গৈছিল। অৰুণাচল প্ৰদেশ চৰকাৰৰ উদ্যোগ বিভাগৰ বিষয়া জোঁৱায়েক উত্তৰ গুৱাহাটীৰ বাসিন্দা হ'ল, কুশলে আছে সকলোটি।

প্ৰয়াত ধৰণীধৰ গোস্বামীদেৱৰ লেখীয়া স্বনামধন্য প্ৰধান শিক্ষকৰ পৰিচালনাত চলা পাঠশালা ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী হ'বলৈ পাই চাৰু দেৱীৰ উৎসাহৰ অন্ত নাই। নিয়মমতে চলাব লাগিব ছাত্ৰীসকলক! মাতৃৰ অনুশাসন আৰু শিক্ষয়িত্ৰীৰ অনুশাসনৰ পাৰ্থক্য তেখেতে মনেই কৰিব নোৱাৰিলে। শিক্ষক-ছাত্ৰৰ সম্পৰ্কত অপত্য প্ৰৱণতা প্ৰৱল নহয়। মাকৰ ডাবি-ধমকনি, চিকুট-চাপৰত শিশুৱে কান্দে, কিন্তু আনে ল'ব খুজিলে নাযায়, বৰঞ্চ মাকৰ ডিঙিত টানকৈ ধৰি বেছি কান্দে। শৈশৱৰ এই জেনেটিক প্ৰৱণতা বাল্যকালতো থাকে। ল'ৰা-ছোৱালী, মাক-দেউতাকৰ তিৰস্কাৰত ক্ষুণ্ণ নহয়। শিক্ষক-ছাত্ৰৰ সম্পৰ্কত স্নেহবন্ধন স্বভাৱজাত আৱেগ-প্ৰণোদিত নহয়, যুক্তি-নিৰ্দেশনা পৰিৱেশ-পৰিস্থিতি নিৰ্ভৰ হয়। মৰম আৰু অনুশাসনৰ ভাৰসাম্য ৰাখি ছাত্ৰীক আনন্দিত কৰি ৰাখি নুবুজা কথাবোৰ বুজোৱাটোৱে শিক্ষকৰ কঠিন কাম। প্ৰাথমিক উৎসাহৰ দিনবোৰত নতুন বাইদেউ চাৰু দেৱীয়ে নিজে পৰিশ্ৰম কৰি শিকালে আৰু ছাত্ৰীসকলক পৰিশ্ৰমী হ'বলৈ উপদেশ দিয়াৰ লগতে কঢ়া অনুশাসন চলাবলৈ যত্ন কৰিলে। আজিও বহুতে চাৰু বাইদেউ বৰ কঢ়া আৰু খঙাল আছিল বুলি কয়। অৱশ্যে যোগ্যতাৰ স্বীকৃতিৰে সম্ভ্ৰম ৰাখি কয়। দিন যায় মানে চাৰু বাইদেউ মৰমিয়াল আৰু কাৰ্য্যদক্ষ শিক্ষয়িত্ৰী হৈ উঠিছিল। চাকৰিৰ শেষৰ তিনি বছৰত প্ৰধান শিক্ষয়িত্ৰী হিচাপে ছাত্ৰীসমাজ, শিক্ষক-কৰ্মচাৰী সকলোৰে মতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক ৰাখিছিল। জ্যেষ্ঠ শিক্ষক তথা পৰৱৰ্তী প্ৰধান শিক্ষক নৃপেন মজুমদাৰ ডাঙৰীয়াৰ সহায়-সহযোগিতাৰ শলাগ লৈছিল। বিভাগীয় লিখা-মেলাৰ কামত মজুমদাৰদেৱ বিশেষভাৱে কাৰ্য্যদক্ষ আছিল। কাৰণ শিক্ষক হোৱাৰ পূৰ্বে তেখেতে শ্বিলঙত অসম সঞ্চালকালয়ত চাকৰি কৰিছিল।

## স্মৰণীয় সুবাস

পাঠশালাৰ চেহেৰা তেতিয়া নতুনকৈ ধুতী পিন্ধিবলৈ শিকা চেঙেৰা বা ৰিহা-মেখেলা পিন্ধিবলৈ শিকা গাভৰুৰ নিচিনা আছিল। ঘৰ-দুৱাৰবোৰ সাধাৰণ, চমকবিহীন। তাৰ ভিতৰত অধ্যাপক হেমচন্দ্ৰ শৰ্মাদেৱৰ ঘৰ চালে চকু ৰোৱা। চাল, মূধচ, কাঁথি, চোতাল, দুৱাৰ-খিড়িকি, বাট-পথ, ৰং-ৰহণ সকলো সামৰি দেখিলেই ভাললগা তাহানিৰ টিনৰ ঘৰ। ডাঙৰ খুড়াকৰ কৃষিপাম আৰু কলেজৰ পৰীক্ষাগাৰৰ শৃংখলাইহে যেন অধ্যাপকৰ ঘৰত ভুমুকি মাৰিছে। তাৰ মাজতে ফুলৰ শাৰীবোৰে জকমকাইছিল। পত্নীয়ে বোধহয় জোৰ কৰি ফুল ৰোৱাইছিল। নহ'লে উদ্ভিদৰ অধ্যাপক মহোদয়ে কিজানি দুষ্প্ৰাপ্য জোপোহা গছৰ পুলি ৰুলেহেঁতেন। ভাৰি থাকিলে দুখহে বাঢ়ে, কাৰণ অধ্যাপক জীৱনৰ অভিজ্ঞতা, দক্ষতাই ভৰপক দিয়া সময়তে কৃতী ব্যক্তিগৰাকীৰ চিৰবিদায়ৰ ক্ষণ নামি আহিছিল। কুৰি শতিকাৰ আশীৰ দশকৰ দিনবোৰ, বজালী মহাবিদ্যালয়ৰ জয়জয়-ময়ময় দিন। আনসকলৰ লগতে জ্যেষ্ঠ অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ মনতো আত্মোপলব্ধিৰ আনন্দ। বহুতো ডাক্তৰ, ছাৰ্জন, বনবিষয়া, প্ৰফেছাৰ, শিক্ষক, নানা কৰ্মচাৰী, উদ্যোগী হৈ ওলাই আহিল— আমাৰ ছাত্ৰ-ছাত্ৰী! তাৰপিছত তলকিব নোৱাৰাকৈ জীৱনডিঙা বিপদৰ চাকনৈয়াত সোমাই পৰিল। নিষ্ঠুৰ তীব্ৰতাৰে কৰ্কট ৰোগে আক্ৰমণ কৰিলে সুন্দৰ, নিপোটল ব্যক্তিগৰাকীক। জীৱনযুঁজত পৃষ্ঠভংগ দিয়া লোক তেওঁ নাছিল। টানকৈ যুঁজিছিল। চেন্নাইত যুদ্ধাহত হৈ ঘৰলৈ ঘূৰি আহোতে বাটত, বাসুগাঁৱত ধৰাশায়ী হ'ল। একনায়কত্ববাদী নিয়তিয়ে উত্তৰ দিয়াৰ প্ৰশ্ন নাছিল। পৰিয়াল-পৰিজনে শোকৰ উত্তাপেৰে মনৰ বেদনা উপশম কৰাত বাহিৰে অন্য পথ নাছিল। শোকৰ বাতৰিয়ে পাঠশালা, বৃহত্তৰ বজালী, অসমৰ চুকে-কোণে এন্ধাৰ ছটিয়ালে। ভগ্নহৃদয়া চাৰু দেৱী থৰ হৈ চাই ৰ'ল— উদাসীন মনেৰে বিধাতাৰ অদ্ভুত খেলা।

ছলনাময়ী নিয়তিয়ে আকৌ তৰি দিলে কুঁহকৰ জাল। দহা-পিণ্ড, কৰ্ম-কাণ্ড, ভোজন-দক্ষিণা। সমাজ সুস্থিৰ হ'ল। জ্যেষ্ঠ শিক্ষয়িত্ৰী চাৰু দেৱীয়ে চাকৰিৰ লগতে ঘৰ-সংসাৰৰ সমস্ত দায়িত্ব চম্ভালি ল'লে। কষ্টকাৰী মহিলাগৰাকীয়ে নিজ কৰ্তব্য নিয়াৰিকৈ চলাই নিয়াত কৃতকাৰ্য্য হৈছিল। সামাজিকভাৱেও তেখেত যথেষ্ট পৰিমাণে সক্ৰিয় হৈছিল। ৰাজহুৱা উদ্দেশ্যৰ সভা-সমিতিত ভাগ লৈছিল। পাঠশালাৰ মহিলা সমাজৰ গুৰি ধৰিছিল। জীৱনৰ বিয়লি বেলাত অৱশেষ আঁকোৱালি মোহময়ী অতীত স্মৃতিৰ আশে-পাশে দিনবোৰ কটাইছিল। ১৯৯৯ চনৰ অক্টোবৰ মাহত এই বিদুষী মহিলাগৰাকীয়ে ইহলীলা সম্বৰণ কৰিলে। স্মৃতিৰ সুবাসে আজিও গুণগ্ৰাহীৰ মনকাননত আমোলমোলাই থাকে। ■

- *লিখক বজালী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক আৰু হেমচন্দ্ৰ শৰ্মাৰ সহকৰ্মী।*

# হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ সান্নিধ্যৰ বিষয়ে দুযাৰ

**ৰত্নেশ্বৰ দাস**

কুৰি শতিকাৰ প্ৰথমাৰ্ধত বজালী অঞ্চলৰপৰা বহুকেইগৰাকী মনীষীৰ আৱিৰ্ভাৱ হৈছিল যদিও শিক্ষাৰ প্ৰসাৰ এই অঞ্চলত তেনেকৈ হোৱা নাছিল বুলি ক'লে হয়তো বঢ়াই কোৱা নহ'ব। কামেশ্বৰ দাস, ভবানন্দ দত্ত, কেশৱ নাৰায়ণ দত্ত আদি মনীষীৰ জন্মভূমি বজালী। তেতিয়াৰ বজালী হাইস্কুল এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠান। ইয়াকে কেন্দ্ৰ কৰি পাটাছাৰকুছি বিদ্যাপীঠ, চৌখুটী হাইস্কুল আদিয়ে গা কৰি উঠিছিল। তথাপি এই বৃহৎ অঞ্চলটি প্ৰকৃতাৰ্থত শিক্ষাত সিমান আগবাঢ়ি যাব পৰা নাছিল। তেনেকুৱা সময়তে অ'ত-ত'ত দুই-এগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰী আৰু লগতে কেইগৰাকীমান একনিষ্ঠ শিক্ষক-শিক্ষয়িত্ৰীও দেখা গৈছিল। তাৰ ভিতৰতেই আমি আজি সোঁৱৰণ কৰিবলৈ লোৱা দুগৰাকী শিক্ষক-শিক্ষয়িত্ৰী হ'ল হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱী। নিজ প্ৰতিভাৰ বলত দুয়োগৰাকীয়েই এসময়ত আনুষ্ঠানিক শিক্ষা শেষ কৰি শিক্ষকতা বৃত্তিকেই আকোঁৱালি ল'লে— হেমচন্দ্ৰ শৰ্মাই বজালী মহাবিদ্যালয়ত উদ্ভিদবিজ্ঞান বিষয়ত প্ৰবক্তা হিচাপে আৰু চাৰু দেৱীয়ে পাঠশালা ছোৱালী বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে। দুয়োগৰাকীয়েই এসময়ত কৃতী শিক্ষক-শিক্ষয়িত্ৰী হিচাপে সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। বৈবাহিক সম্পৰ্কৰ ফলত তেওঁলোকে যুগ্ম জীৱন-যাপন কৰি পাঠশালাৰ জ্যোতিনগৰত স্থায়ীভাৱে থাকিবলৈ লয়।

এই দুয়োগৰাকী কৃতবিদ্য শিক্ষক-শিক্ষয়িত্ৰীৰ সান্নিধ্য লাভ কৰিলোঁ ১৯৭০ চনৰ জানুৱাৰী মাহত, যেতিয়া মই ইংৰাজী বিভাগৰ প্ৰবক্তা হিচাপে বজালী মহাবিদ্যালয়ত যোগদান কৰিলোঁ। ১৯৫৫ চনত স্থাপন হোৱা মহাবিদ্যালয়খন বয়সত তেতিয়া তৰুণ; কিন্তু এটা কথা স্বীকাৰ কৰিবই লাগিব যে মহাবিদ্যালয়খনে সেইখিনি সময়ৰ ভিতৰতে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰ স্থান অধিকাৰ কৰিছিল। আমাৰ অনুভূতিৰে সত্তৰ আৰু আশীৰ দশক দুটা মহাবিদ্যালয়খনৰ বাবে সোণালী যুগ। বহুতো প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী ইয়াৰ পৰা ওলাই গৈ বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠিত কৰিলে। ব্যক্তিগতভাৱে আমি এইখন মহাবিদ্যালয়ৰ উপৰি আন বহুকেইখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ

লগত জড়িত হৈ পৰা বাবে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পৃথিৱীৰ চুকে-কোণে বিয়পি আছে সেয়া ভালদৰে অনুভৱ কৰিছোঁ। এয়া আমাৰ বাবে সৌভাগ্য আৰু গৌৰৱৰ কথা। এইখন মহাবিদ্যালয়ত থাকিয়েই হেমচন্দ্ৰ শৰ্মাই কৰ্মজীৱন অসুখৰ বাবে অকালতে সমাপ্ত কৰে বিভাগীয় মুৰব্বী হিচাপে। তেনেকৈ চাৰু দেৱীয়ে কৰ্মজীৱন সমাপ্ত কৰে পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে। দুয়োগৰাকীকে নিচেই ওচৰৰপৰা লগ পোৱাৰ সুবিধা ঘটিল পৰৱৰ্তী কালত যেতিয়া আমি জ্যোতিনগৰত প্ৰতিৱেশী হৈ পৰিলোঁ। সেয়েহে সান্নিধ্য হৈ পৰিল নিকট।

শৰ্মাদেৱ আমাতকৈ বয়সত ডাঙৰ আছিল; সেয়েহে তেখেতৰ প্ৰতি আমাৰ অন্তৰত সদায় এক শ্ৰদ্ধাৰ ভাৱ অক্ষত আছিল। আনহাতে চাৰু দেৱী আমাৰ পৰিবাৰৰ শিক্ষয়িত্ৰী। তেওঁ পাঠশালা ছোৱালী হাইস্কুলৰ ছাত্ৰী আছিল। সেইগুণে দুয়োকে তেওঁ নাম ধৰি মাতিছিল। সময়ত আমাৰ দুয়োটা পৰিয়ালৰে ল'ৰা-ছোৱালী পঢ়িব পৰা হ'ল; তেওঁলোক সমবয়সীয়া। সেয়ে প্ৰায়ে লগা-লগি হয়। তেওঁলোকৰ ডাঙৰ ল'ৰা-জয়ন্ত আছিল পঢ়াশুনাত নিয়মীয়া, শিক্ষাৰ প্ৰতি আগ্ৰহী। এবাৰ তেওঁ মোক এখন বহী চাবলৈ দিলে, তেতিয়া তেওঁ প্ৰাক্-বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ। বহীখন চালোঁ, সুন্দৰ হাতৰ আখৰেৰে নিয়াৰিকৈ লিখা। ৰচনাৰ বহী। ৰচনাবোৰ ভালেই হৈছে। অন্তৰেৰে আশীৰ্বাদ দিলোঁ। পৰীক্ষাৰ ফলাফল ভালেই হ'ল। তেওঁলোকৰ দ্বিতীয়জন ল'ৰা আচিন্ত্য মোৰ ডাঙৰ ল'ৰা প্ৰণৱৰ সমনীয়া। দুয়ো একে শ্ৰেণীতে পঢ়ে। তেওঁলোকে পাঠশালা মজলীয়া স্কুলৰপৰা শেষ পৰীক্ষা দি সাতজনকৈ ছাত্ৰই বৃত্তি পালে। আমাৰ ল'ৰাই এটা ভাল স্থানো লাভ কৰিলে। তেওঁলোকৰ একমাত্ৰ ছোৱালী আইজনীও পঢ়াশুনাত সমানেই ভাল। এইবিলাক কথা কোৱা হ'ল এই কাৰণেই যে তেওঁলোক দুয়োগৰাকীৰে এটা বিশেষত্ব আমি লক্ষ্য কৰিছিলোঁ, সেয়া হ'ল নিয়মানুৱৰ্তিতা। তেওঁলোকে ল'ৰা-ছোৱালী তিনিটাক সময় ঠিক কৰি দিছিল— পঢ়াৰ সময়, খেলাৰ সময়, ফুৰাৰ সময় ইত্যাদি। ইয়াৰ ব্যতিক্ৰম হ'লেই টান কথা শুনোৱাতো কৃপণালি নকৰিছিল। সেই অনুপাতে ল'ৰা-ছোৱালী কেইটিও আছিল নিতান্তই অনুগামী; সুদীৰ্ঘ কাল ধৰি তেওঁলোকক কেতিয়াও মূৰ তুলি কথা কোৱা নেদেখিলোঁ।

পঢ়া-শুনাৰ প্ৰতি শৰ্মাদেৱৰ আছিল অসীম ধাউতি। ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ত যেনেধৰণে সহায় কৰিছিল তাৰ বাবেই তেওঁলোকে সাহস গোটাই শৰ্মাদেৱৰ ঘৰলৈকো আহিছিল বিভিন্ন ধৰণৰ উপদেশৰ বাবে। মই দেখিছিলোঁ শৰ্মাদেৱে তেওঁলোকৰ লগত অতি আন্তৰিকতাৰে কথা পাতিছিল। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সহায় হোৱাকৈ পাঠ্যপুথিও লিখি উলিয়াইছিল। এসময়ত সেই পাঠ্যপুথি ল'ৰা-ছোৱালীৰ বাবে বৰ

সহায়ক হোৱা বুলি কোৱা শুনিছিলোঁ। শৰ্মাদেৱৰ অধ্যয়নশীল মনৰ পৰিচয় পোৱা যায় ডাৰউইনৰ বিষয়ে লিখা তেওঁৰ পুথিখনৰ জৰিয়তে। ইয়াত সহজ-সৰল ভাষাত ডাৰউইনৰ জীৱনৰ বিষয়ে কোৱাৰ উপৰিও এই বিজ্ঞানীগৰাকীৰ গুৰুত্বপূৰ্ণ তত্ত্বসমূহ ব্যাখ্যা কৰিছিল। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি সৰ্বসাধাৰণ পাঠকে বুজিব পৰাকৈ কথাবোৰ উপস্থাপন কৰা বাবে পুথিখন জনপ্ৰিয় হৈছিল। দুৰ্ভাগ্যৰ কথা যে আজি বহুবছৰ ধৰি কিতাপখনৰ পুনৰমুদ্ৰণ নহ'ল। আশাকৰোঁ তেওঁৰ পুত্ৰ-কন্যাসৰে ইয়াৰ সুব্যৱস্থা কৰিব।

সততে চকুত নপৰা শৰ্মাদেৱৰ আন এটি বিশেষত্ব আছিল তেওঁৰ অনুসন্ধিৎসু মন। সৰল-সহজ জীৱন-যাপন কৰা এই শিক্ষকগৰাকীক শিক্ষক হিচাপেই সততে দেখা পোৱা গৈছিল কাৰণে তেওঁৰ এই দিশটোৰ প্ৰতি মানুহৰ মনোযোগ আকৰ্ষিত নহৈছিল। কিন্তু ডাৰউইনৰ দৰে মহান বিজ্ঞানীৰ তত্ত্ব বাখ্যা কৰা মানুহজনৰ মনটো জানো অনিসন্ধিৎসু নহ'ব? নিশ্চয় হ'ব। নোহোৱাটোহে ডাঙৰ কথা । সেয়েহে তেওঁ যে অনলসভাৱে ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ৰ বিষয়েও চিন্তাচৰ্চা কৰিছিল সেই কথা ওলাই পৰিছিল তেওঁ মুনীন্দ্ৰ নাথ শৰ্মা আৰু সতীশ চন্দ্ৰ চৌধুৰীৰ লগত যুটীয়াভাৱে ৰচনা কৰা "ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত" নামৰ পুথিখনৰ যোগেদি। এসময়ৰ বিখ্যাত দেৱদাসী নৃত্য লুপ্ত হ'বলৈ ওলোৱা সময়তে ৰত্ন তালুকদাৰৰ বিশেষ তৎপৰতা আৰু প্ৰবাদ পুৰুষ বিষ্ণুপ্ৰসাদ ৰাভাৰ উপদেশত ইয়াৰ কিছু অংশ বৰ্তাই ৰাখিবলৈ চেষ্টা কৰা হ'ল। বৰ্তমান দেৱদাসী নৃত্যৰ যিখিনি অৱশিষ্ট আছে সেইখিনি এই প্ৰচেষ্টাৰ ফল। এইবোৰকে সামৰি শৰ্মাদেৱে লিখি উলিয়ালে এই সৰু পুথিখন। এই পুথিখনেই প্ৰমাণ কৰে তেওঁৰ অন্তৰত লুকাই থকা দেশপ্ৰেমৰ কথা। নিজৰ অস্তিত্ব আৰু ঐতিহ্যৰ প্ৰতি থকা তেওঁৰ মনৰ আকূতিৰ কথা।

শৰ্মাদেৱে মনৰ এইবোৰ কথা বাহিৰত প্ৰকাশ কৰিব খোজা নাছিল। প্ৰচাৰবিমুখ এই শিক্ষকগৰাকীয়ে প্ৰকৃতাৰ্থতেই শিক্ষাৰ সাধক আছিল তাৰ প্ৰমাণ পোৱা গ'ল চাকৰি জীৱনৰ অৰ্ধেক কাল পাৰ হৈ যোৱাৰ পিছতো যেতিয়া তেওঁ আকৌ ছাত্ৰ অৱস্থালৈ উভতি আহিল। লগৰ শিক্ষকসকলক আচৰিত কৰি তেওঁ বহিল বি.এ. পৰীক্ষাত। সেই সময়ত তেওঁ দুই এটা কথা আমাক সুধিছিল। মই তেওঁক উৎসাহ দিছিলোঁ আৰু প্ৰয়োজন হ'লে সহায় কৰিছিলোঁ। সময়ত তেওঁ সফল হৈছিল। তেওঁৰ এই শিক্ষাব্ৰতী মানসিকতা নতুন প্ৰজন্মৰ বাবে এটা উজ্জ্বল নিদৰ্শন হৈ ৰ'ব।

শৰ্মাদেৱ আৰু চাৰু দেৱী সফল শিক্ষক-শিক্ষয়িত্ৰী হোৱাৰ উপৰিও তেওঁলোক সফল আৰু আদৰ্শ পিতৃ-মাতৃ। এইখিনি উপলব্ধি আমাৰ প্ৰতিৱেশী হিচাপে। তেওঁলোকৰ আদৰ্শ আজিৰ সমাজৰ বাবে পাথেয় হওঁক। ■

- *লিখক সোণাপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আৰু হেমচন্দ্ৰ শৰ্মাৰ সহকৰ্মী।*

# এক প্ৰৌঢ় দম্পতীৰ জীৱন-গাথাৰে

## তৰুণ চন্দ্ৰ মিশ্ৰ ভাগৱতী

হেমচন্দ্ৰ শব্দৰ অৰ্থ হ'ল— হেমৰ অৰ্থ 'সোণ' আৰু চন্দ্ৰ শব্দৰ অৰ্থ 'নিৰ্মল শুভ্ৰবৰ্ণ', অৰ্থাৎ যি নিৰ্মল সোণসদৃশ। প্ৰত্যেক পদাৰ্থৰ বহিঃ আৰু অন্তঃ সৌন্দৰ্য্য প্ৰায়ে উপলব্ধ। সোণৰ বহিঃ সৌন্দৰ্য্য অগ্নিৰ নিচিনা নিৰ্মল। অগ্নিক আকৌ হিৰণ্যৰেতস্ নামেৰে অভিহিত কৰে। অন্তঃ সৌন্দৰ্য্য হিচাপে সোণ অক্ষত। দেৱভাষাত এযাৰ কথা আছে— 'হেম্নঃ সংলক্ষ্যতে হ্য গ্নৌ বিশুদ্ধিঃ শ্যামিকাঽপি বা'— সোণৰ বিশুদ্ধতা নাইবা অইন ধাতুৰ লগত সোণৰ মিশ্ৰণ সম্পৰ্কে অগ্নিত পৰীক্ষা কৰা হয়। আকৌ, পৃথিৱীৰ শ্ৰেষ্ঠ ভাষা এটাক যদি কোনোৱে আঞ্চলিক ভাষাৰ লগত তুলনা কৰে, তেনেহ'লে সেই শ্ৰেষ্ঠ ভাষাটোৱে আক্ৰোশপূৰ্ণভাৱে দুখ প্ৰকাশ কৰে আৰু বিদ্ৰূপৰ হাঁহি মাৰে। সোণৰ ক্ষেত্ৰতো অনুৰূপ শ্লোক এটা এই প্ৰসঙ্গত উল্লেখ কৰিব পৰা যায়, যথা—

"ন বৈ তাড়নাৎ তাপনাৎ বহ্নিমধ্যে
ন বিক্ৰয়াৎ ক্লিশ্যমানোঽহমস্মি।
সুবৰ্ণস্য মে মুখ্যদুঃখং তদেকং
যতো মাং জনা গুঞ্জয়া তোলয়ন্তি।।"

'সুবৰ্ণই (হেম) কয় যে তাক কোনোবাই জুইত তপতাওক, পিটক আৰু এনেধৰণৰ কাম কৰে কৰক, তাত তাৰ দুখ নালাগে। দুখ তেতিয়াহে লাগে যেতিয়া নানা ধৰণৰ কষ্ট খোৱা আৰু জুইত তপতোৱাৰ পিছত, সেই কণ্ঠহাৰাদি অলঙ্কাৰ ৰূপ লাভ কৰাৰ পিছত স্বৰ্ণকাৰে তাক তুলাত গুঞ্জা নামৰ (খুব সম্ভৱ ৰতি নামৰ ফল বিশেষ) অতি সাধাৰণ ফলৰদ্বাৰা জোখে।' হেমৰ সৌন্দৰ্য্য বহনকাৰী হেম আছিল নিৰ্মল আৰু উজ্বল।

বিদ্বৎ সমাজত প্ৰচলিত শ্ৰেষ্ঠ সুভাষিতাৱলীবোৰৰ অন্যতম— 'উদ্যোগিনং পুৰুষসিংহমুপৈতি লক্ষ্মীঃ'— এই সাৰগৰ্ভ বাক্যৰ সাৰ্বজনীন অৰ্থ হ'ল— উদ্যোগী, অৰ্থাৎ উৎসাহী লোকে সংসাৰত শ্ৰেষ্ঠ মানুহ হিচাপে বৰ্তি থাকিবলৈ সক্ষম হয়। আহাৰ,

নিদ্ৰা, ভয়ভাৱ আদিৰেই জীৱন নিৰ্বাহত ৰত থাকিলেই মানুহ শ্ৰেষ্ঠ হোৱাটো নুবুজায়। এনে কিছুমান লোক আছে, যিসকলে বাধা-বিঘিনিৰ সন্মুখীন হ'ব বুলি ভাবি, কৰ্তব্য কৰ্মই আৰম্ভ নকৰে। আন কিছুমান লোকে কিন্তু কৰ্তব্য কৰ্ম আৰম্ভ কৰি, বাধা-বিঘিনিৰ সন্মুখীন হ'লে, সেই কৰ্ম তাতেই শেষ কৰে; আগলৈ সেই কৰ্ম আৰম্ভ কৰাৰ ইচ্ছা প্ৰকাশ নকৰে। কিন্তু সংসাৰত এনে কিছুসংখ্যক লোক আছে, যিসকলে কোনো কৰ্তব্য কৰ্ম আৰম্ভ কৰি, নানান ধৰণৰ বাধা-বিঘিনিৰ সন্মুখীন হ'লেও, সেই কৰ্ম সম্পন্ন কৰিহে সন্তুষ্টি পায়। সেইসকলক শ্ৰেষ্ঠ পুৰুষ বা সিংহ পুৰুষ বুলি কোৱা হয়। আমাৰ হেমচন্দ্ৰ শৰ্মাও শ্ৰেষ্ঠ পুৰুষৰ শ্ৰেণীৰ বুলিয়েই আমাৰ ধাৰণা।

সৎ-সঙ্গতি লাভ কৰা পৰম ভাগ্যৰ কথা। সাধু সঙ্গৰপৰা লোকে নজনা কথা জানিবলৈ সক্ষম হয়, জটিল সমস্যাৰ সমাধান বিচাৰি পায়, পাপ কৰ্ম— অৰ্থাৎ অসৎ কৰ্মৰ পৰা বিৰত থাকে, মনৰ প্ৰফুল্লতা বাঢ়ে, কামত অগ্ৰসৰ হ'বলৈ প্ৰেৰণা পায়, মনৰ দৃঢ়তা বাঢ়ে, সমাজত সদ্‌গুণ বিস্তাৰ কৰাত সহায়ক হয়, সমাজৰ দিক্-দৰ্শন সম্ভৱ হয় ইত্যাদি। আনপিনে লব্ধপ্ৰতিষ্ঠ শিক্ষকৰ ক্ষেত্ৰত, যিসকল শিক্ষকে শিক্ষকতা কেৱল জীৱিকাৰ পথ হিচাপে নলৈ শিক্ষাদানক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰে, সেইসকলৰ ক্ষেত্ৰত, শিক্ষকসকলৰ ছাত্ৰ-সমাজৰ ওপৰত পৰা প্ৰভাৱ সময়ে কেতিয়াও ম্লান পেলাব নোৱাৰে। এটা কথা অপ্ৰিয় হ'লেও সত্য যে সকলো শিক্ষকে সমানে সাৰ্থকতা লাভ কৰি, ছাত্ৰসকলৰ মন জয় কৰিব নোৱাৰে। কিছুমান শিক্ষকৰ শিক্ষাদান পদ্ধতি, সচ্চৰিত্ৰ আৰু ব্যক্তিত্বই ছাত্ৰসমাজৰ মনত গভীৰ সাঁচ বহুৱাই যায়। পাছৰ জীৱনত শিক্ষকতাক বৃত্তি হিচাপে গ্ৰহণ কৰা ছাত্ৰজনে অজানিতেই সেই সাৰ্থক শিক্ষাগুৰুসকলৰ শিক্ষাদানৰ আদৰ্শকে অনুসৰণ কৰে। এনেদৰে উচ্চ মানৰ শিক্ষাদানৰ একোটা পৰম্পৰাৰ সৃষ্টি হয়। ক্ৰমাগতভাৱে পোৱা শিক্ষা আৰু সংস্কৃতিয়ে পৰৱৰ্তী কাললৈ গতি লাভ কৰে। এই সকলোবোৰ কথাৰ বাহক হিচাপে হেমচন্দ্ৰ শৰ্মাদেৱকে নিৰ্ভয়ে ক'ব পৰা যায়।

ওপৰত উল্লেখ কৰা 'সংস্কৃতি' পদৰ স্বৰূপ সম্পৰ্কে দুআষাৰ ক'বলৈ প্ৰয়োজন বোধ কৰা হ'ল। সংস্কৃতি পদটো নিষ্পন্ন হৈছে সংস্কৃত— সম্-কৃ+ক্তিন্ প্ৰত্যয়ৰ ব্যৱহাৰেৰে। এই পদটোৰ প্ৰথম উল্লেখ পোৱা যায় বৈদিক ঐতৰেয় ব্ৰাহ্মণত। 'আত্মসংস্কৃতিৰ্ভাৱ শিল্পানি'— অৰ্থাৎ শিল্পসমূহ আত্মাৰ সংস্কৃতি। আকৌ ইংৰাজী ভাষাত ব্যৱহৃত culture পদৰ পৰিভাষা হিচাপে কৃষ্টি পদটোহে প্ৰয়োগ কৰা হয়। কৰ্ষণৰ লগত কৃষ্টিৰ সম্পৰ্ক ওতপ্ৰোত আৰু কৃষ্টিক সংস্কাৰ কৰি ল'লেই সংস্কৃতিৰ জন্ম হয়। কৃষিৰ বাবে পথাৰত হালবোৱা বা কোৰমৰা ক্ৰিয়াৰ নামেই কৃষ্টি আৰু তাৰ ফলস্বৰূপে পথাৰত শস্য উৎপন্ন হোৱাৰ বাবে উপযোগী যি সংস্কাৰ, ক্ষমতা বা যোগ্যতা, সেয়ে সংস্কৃতি। ওপৰত উল্লিখিত

আত্মসংস্কৃতি বা চিত্তৰ পূৰ্ণ বিকাশ সংস্কৃতিৰ অন্যতম লক্ষ্য হ'লেও, সংস্কৃতিৰ পৰিসৰ ইয়াতোকৈও ব্যাপক আৰু বিস্তৃত। স্বৰূপাৰ্থত সমগ্ৰ জীৱনচৰ্য্যাৰ মাধ্যমেৰে সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটে। জীৱনৰ বিভিন্ন কৃতিয়েই সংস্কৃতি।

গ্ৰন্থ অধ্যয়ন কৰি পোৱা সংস্কৃতি পদৰ সূত্ৰ বিভিন্ন পণ্ডিতে তলত উল্লেখ কৰাৰ দৰে ক'ব খোজে। তাৰে দুই-এটা কথা উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হ'ল— (১) সংস্কৃতি সামাজিক সৌন্দৰ্য্য আৰু বৌদ্ধিক পৰমোৎকৰ্ষ। (২) মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি। (৩) মানৱৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি। (৪) ইংৰাজী cultureৰ প্ৰতিশব্দ সংস্কৃতি। সংস্কৃত আৰু সংস্কৃতি উভয় পদেই সংস্কৃত শব্দ 'সংস্কাৰ'ৰ পৰা আহিছে। বিভিন্ন সংস্কাৰৰ মাধ্যমত সামূহিক জীৱনত লাভ কৰা অৱস্থাৰ আন নাম সংস্কৃতি। প্ৰকৃতিৰ ঊৰ্দ্ধতম প্ৰক্ৰিয়াই সংস্কৃতি। মানুহে জন্মলাভ কৰে অসামাজিকৰূপে আৰু সংস্কাৰৰ মাধ্যমত লাভ কৰে সামাজিকতা। (৫) সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰাজনীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিকৰূপেই সংস্কৃতি। (৬) মানৱৰদ্বাৰা সৃষ্ট সামাজিক আচৰণ বা কৃতিয়েই সংস্কৃতি।

হেমচন্দ্ৰ শৰ্মাই দক্ষিণ বজালীৰ সৰিহ মৌজাৰ অন্তৰ্গত জালিখাটা গাঁৱৰ এক মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰি, প্ৰাথমিক শিক্ষা সাং কৰি, উচ্চ শিক্ষা লাভ কৰাৰ পিছত, বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগত মুৰব্বী অধ্যাপকৰূপে নিযুক্তি লাভ কৰি, কৰ্মসূত্ৰে পাঠশালাৰ জ্যোতিনগৰত স্থায়ী বাসিন্দা হিচাপে বাস কৰিবলৈ লয়। কৰ্মত শিক্ষকতা কৰি প্ৰতিষ্ঠা লাভ কৰা অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ আৰু দুই-এটা কথা ক'বলৈ প্ৰয়াস কৰিলোঁ। অধ্যাপক শৰ্মা কথাত মিতভাষী হ'লেও, কেতিয়াবা তেওঁৰ উক্তিত বক্ৰোক্তি প্ৰকাশ পায়। উদাহৰণস্বৰূপে আমাৰ সমাজত এনে কিছুসংখ্যক লোক দেখা যায়, যিসকল অতি চঞ্চল, নিজৰ কথাত প্ৰায়ে অস্থিৰতা পৰিস্ফুট হয়, বহুক্ষেত্ৰত সুবিধাবাদী, পৰশ্ৰীকাতৰ ইত্যাদি ব্যক্তিসকলক লৈ কৰা উক্তি হিচাপে উল্লেখ কৰিবলৈ হ'লে, তেওঁলোক "হঠাৎ পেত্ৰিয়ৎ" বুলি শৰ্মাই ক'ব বিচাৰিছিল। এই বাক্যাংশখিনি কোন গোষ্ঠী বা সম্প্ৰদায়ৰ, সেই কথা বুজিবলৈ কঠিন। তথাপি উল্লিখিত সুবিধাবাদী লোকৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বুলি ধৰি ল'ব পৰা যায়। শৰ্মা ধূম্ৰপায়ী আছিল। শুভ্ৰ যষ্টি এডাল পান কৰিবলৈ হ'লেও, গৃহিণীৰ অনুমতিপূৰ্বক, সময় আৰু পৰিমাণক লৈহে হেনো ধূম্ৰপান কৰিছিল। সৰু কথাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি থকা কথা তেওঁৰ ইয়াতেই প্ৰকাশ পাইছে। পৰৱৰ্তী কালত, তেওঁ ধূম্ৰপানৰ কুফল ভোগ কৰিব লগা হৈছিল বুলি আমাৰ ধাৰণা।

## এক প্ৰৌঢ় দম্পতীৰ জীৱন-গাথাৰে

সভা-সমিতি, আনন্দ-উৎসৱ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ হৈ ধন সংগ্ৰহৰ বাবে, দলে-বলে লোক আহি, জনদিয়েকৰ ঘৰৰ চোতালত থিয় হোৱা আমাৰ সমাজত প্ৰায়ে দেখা যায়। এবাৰময়ো সেইসকলৰে এজন হৈ শৰ্মা মহোদয়ৰ ওচৰ চাপিছিলোঁ। উদ্দেশ্য আছিল পাঠশালা সংগীত বিদ্যালয়ৰ আৰম্ভণি তথা প্ৰচাৰ। শৰ্মা কিন্তু সংগীতৰ ক, খ, গ নজনাবিধৰ লোক আছিল। প্ৰথমে তেওঁৰ গৃহিণীক দুই টকা উলিয়াই দিবলৈ ক'লে। পিছ মুহূৰ্ততে আকৌ কথাৰ সুৰ বদলাই, দুই টকাৰ পৰিৱৰ্তে দহ টকা দিবলৈ কৈ মিচিকিয়াই হাঁহিলে। সৰু কথা হ'লেও এই ধৰণৰ ব্যৱহাৰৰপৰা ইয়াকে অনুমান কৰিব পাৰি, বিমল আনন্দ দিব পৰা সংগীতৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধা আছিল।

উদ্দেশ্যবিহীনভাৱে আকৌ এদিন হেমচন্দ্ৰ শৰ্মাৰ ঘৰত উপস্থিত হৈ, দুটামান ব্যতিক্ৰমী দৃশ্য দেখিলোঁ। প্ৰথমটো হ'ল— নিষ্ঠাৱান ব্ৰাহ্মণৰ পুত্ৰ হৈ, লুঙী নামৰ বিজতৰীয়া বস্ত্ৰ পৰিধান আৰু আনটো হ'ল— তেওঁৰ দেৱগৃহত প্ৰৱেশ কৰা অস্বাভাৱিক ওখ খট্‌খটি। মই উৎকণ্ঠিত হৈ সুধিয়ে পেলালোঁ। শৰ্মাদেৱে উত্তৰত ক'লে— ঘৰত থকা সময়ত যিকোনো বৰণৰ নিৰ্মল বস্ত্ৰ পৰিধান কৰাত কোনো বাধা নাই।তাতে আকৌ লুঙী এখনত কম জোখৰ কাপোৰ লাগে। সেই কাৰণে লুঙী পৰিধান কৰিলে কম অৰ্থৰ প্ৰয়োজন হয়। মই মনে মনে থাকিলোঁ। দ্বিতীয় দৃশ্য সম্পৰ্কে তেওঁ অলপ বহলাই ক'বলৈ আৰম্ভ কৰিলে— তেওঁ হেনো বজাৰলৈ গৈ, ঘৰ নিৰ্মাণৰ কাৰণে আটাইতকৈ কম দামী টিনপাত কিনিছিল। কাৰণ, বেপাৰীয়ে কম দামত বস্তু বিক্ৰী কৰিলে, গ্ৰাহকক ঠগোৱাৰ ভয় নাথাকে। তাতে আকৌ, দেৱগৃহত প্ৰৱেশ কৰিবলৈ হ'লে, চঞ্চল মনেৰে ওখ খট্‌খটিত উঠিলে উজুতি খোৱাৰ সম্ভাৱনা থাকে। গতিকে অন্তৰত স্থিৰ আত্মবিশ্বাস ৰাখি, দেৱৰ প্ৰতি ভক্তিভাৱ পোষণ কৰিহে সাৱধানে দেৱগৃহত প্ৰৱেশ কৰিলে, কামনা সিদ্ধি হোৱা সম্ভাৱনা থাকে। ইত্যাদিবোৰ সৰু কথাত তীক্ষ্ণ দৃষ্টি ৰখা আদৰ্শৱান ব্যক্তি শৰ্মাদেৱ বৰ্তমান আমাৰ মাজত নাই। তেওঁৰ আত্মাই শান্তি লাভ কৰক— এয়ে কামনা কৰিলোঁ।

এইবাৰ তেওঁৰ যোগ্য সহধৰ্মিণী চাৰু দেৱীৰ বিষয়ে দু-আষাৰ ক'বলৈ লৈছোঁ। প্ৰয়াত হেমচন্দ্ৰ শৰ্মাই উত্তৰ গুৱাহাটীৰ সম্ভ্ৰান্ত পৰিয়ালৰ জীয়ৰী চাৰু দেৱীক বিয়া কৰাইছিল। বিবাহসূত্ৰে পাঠশালাৰ বোৱাৰী হৈ, চাৰু দেৱীয়ে পাঠশালা ছোৱালী হাইস্কুলত শিক্ষকতা কৰিবলৈ সুবিধা পাইছিল। আমাৰ ব্যক্তিগত সম্পৰ্ক নাছিল যদিও তেওঁক দেখাৰ দিনৰেপৰা খোজ-কাটলত গহীন, শোভন, স্মিতমুখৰ বোৱাৰী তথা শিক্ষয়িত্ৰী হিচাপে দেখা পাইছিলোঁ। বছৰদিয়েক শিক্ষকতা কৰাৰ পিছত, শেষত সহ-প্ৰধান শিক্ষয়িত্ৰীৰ পদ বহু কেইবছৰ অলঙ্কৃত কৰি, প্ৰধান শিক্ষয়িত্ৰীৰ পদতো অধিষ্ঠিত হৈছিল।

সুদক্ষা শিক্ষয়িত্ৰী হিচাপে প্ৰতিষ্ঠিত হোৱাৰ উপৰিও, চাৰু দেৱী এগৰাকী পানী নসৰকাবিধৰ শাসক হিচাপে খ্যাত আছিল। হক কথাত কাৰো ওচৰত তেওঁ নতশিৰ নহৈছিল। তেওঁ সমাজৰ ব্যাধিস্বৰূপ বামুণ-শূদিৰ, বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে তৰ্ক কৰিও, তেতিয়াৰ প্ৰধান শিক্ষকৰ ওচৰত হাৰ নমনা লোক বুলি লোকৰ মুখত শুনিবলৈ পাইছিলোঁ।

মোৰ গৃহিণীয়ে সোঁৱৰাই দিয়া কথাৰে, তেওঁৰ বিষয়ে দুই-চাৰিটা কথা ক'বলৈ আৰম্ভ কৰিলোঁ। মোৰ শহুৰে এসময়ত আৰ্থিক দিশত দুৰ্বল হোৱা হেতু, জীয়েকক চাৰু দেৱীৰ ওচৰতে সঁপি দিছিল। তেওঁ তাইক হাতত ধৰি লৈ গৈ স্কুলত নামভৰ্তি কৰাই দিছিল। সেই দিনৰপৰা তেওঁ তাইৰ শিক্ষয়িত্ৰীৰ উপৰি স্থানীয় অভিভাৱিকা হৈ পৰিছিল। দাৰিদ্ৰ্যৰ কবলত থকা চুটি-চাপৰ হাঁহিমুখৰ বালিকাজনীৰ প্ৰতি হেনো তেওঁৰ মৰম উপজিছিল। আমাৰ শ্ৰীমতী বিবাহসূত্ৰে বনগাঁৱৰ বোৱাৰী হোৱাৰ উপৰি পাঠশালা জ্যোতিনগৰৰ স্থায়ী বাসিন্দা হোৱাত, পৰৱৰ্তী কালত, চাৰু দেৱীৰ লগত ঘৰুৱা সম্পৰ্ক গঢ়ি উঠিছিল। বোৱা-কটাৰ প্ৰতি আকৃষ্ট হোৱা শ্ৰীমতীৰ মুখত, তেওঁৰ ধমকনিৰ কথা শুনিবলৈ পাই, বাধ্য হৈ মই এযোৰ তাঁতশালৰ ব্যৱস্থা কৰি দিছিলোঁ। তাৰ উপৰি তাঁতশাল বোৱা আৰু উল গোঁঠাত সিদ্ধহস্ত চাৰু দেৱীয়ে বোৱা আৰু গোঁঠাত তেওঁৰ শিক্ষকৰ ভূমিকা গ্ৰহণ কৰিছিল। মই উপলব্ধি কৰিলোঁ, শিক্ষাগুৰুৱে সদায় ঘৰে-বাহিৰে শিক্ষকৰেই ভূমিকা গ্ৰহণ কৰে।

শেষত, বিদ্বান লোকৰ ঘৰৰ বিদুষী জীয়ৰী এগৰাকীক গৃহিণী হিচাপে লাভ কৰি, দাম্পত্য জীৱন অতিবাহিত কৰা পিতৃ হেম শৰ্মাৰ বিদ্বান পুত্ৰৰ সফল পিতৃ হিচাপে তেওঁৰ পৰিচয় পাওঁ। জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি, সফলতাৰ শীৰ্ষত আৰোহণ কৰা শ্ৰেষ্ঠ আদৰ্শৱান দম্পতী হিচাপে প্ৰতিষ্ঠা লাভ কৰি, সংস্কৃতিৱান লোক হিচাপে পৰিগণিত হোৱা হেম-চাৰু দম্পতী চিৰস্মৰণীয় হৈ ৰওক— এই কামনাৰে। ■

● *লিখক বজালী মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু হেমচন্দ্ৰ শৰ্মাৰ সহকৰ্মী।*

---

❖ যেতিয়া মানুহৰ বাবে আইন অপৰিহাৰ্য্য হৈ পৰে, তেতিয়াই বুজিবা যে তেওঁলোক স্বাধীনতাৰ বাবে উপযুক্ত নহয়।

**—পাইথাগোৰাছ**

❖ স্বাধীনতা কোনেও কাকো নিদিয়ে, তাক লৈ ল'ব লাগে।

**—সুভাষ চন্দ্ৰ বসু**

# প্ৰয়াত হেমচন্দ্ৰ শৰ্মাছাৰৰ সোঁৱৰণত এটি গীত

**কুশল দাস**

এপল, দুপল, বহুপল
শত সহস্ৰ পল
গতিৰ স'তে মিলি
পাৰ হৈ গ'ল।
দুটি জীৱনৰ জীৱন-গাথা
অনেক অনুৰাগীৰ
হৃদয়ৰ কোঁহে কোঁহে
স্মৃতি হৈ ৰ'ল।
জীৱন সাধনাত নিমগ্ন হৈ
সৃষ্টিৰ বীজ সিঁচি গ'ল,
কৰ্মকে জীৱনৰ সাৰথি কৰি
বহুতৰ ভেটি গঢ়ি গ'ল।

ক'ত ঘাত-প্ৰতিঘাত নেওচিও
অক্ষয় কিৰীটি হ'ল,
সাধক-সাধিকাৰ জীৱন সাধনাই
অলেখ ৰত্ন উপহাৰ দি গ'ল।
বিয়লি বেলাতো যাৰ
সৃষ্টিৰ হাবিয়াস থমকি নৰ'ল,
দুৰ্যোগ অমানিশা কাতি কৰি থৈ
জীৱনৰ জয়গান মাথো ৰচি গ'ল।
জীৱন মানেই যে মৃত্যু
মৃত্যুতো নহয় পৰাজয়
সফল জীৱনৰ পম খেদি খেদি
ইতিহাস গঢ়ি গুচি গ'ল। ■

- *গীতিকাৰ বিশিষ্ট তবলাবাদক, সুৰকাৰ, সংগীত পৰিচালক আৰু সৰ্বভাৰতীয় ড° আম্বেদকাৰ কলাশ্ৰী বঁটাপ্ৰাপক।*

# তেওঁ গ'লগৈ

**পুৰন্দৰ পাটগিৰি**

এটা শেলুৰৈ ধৰা গধূলি
একাঁ বেঁকা পথেৰে
তেওঁ আহিছিল।

তেজ, পানী, শিল আৰু
মাটিৰ গোন্ধ থকা
বহু কাহিনীয়েই কৈছিল।

তেওঁ পিন্ধিছিল
সেউজীয়া ৰঙৰ চোলা এটা।

আঙুলিৰ ফাঁকেদি বালি সৰাদি
সৰি পৰিছিল সময়,
ধৰি ৰাখো বুলিও
ধৰি ৰাখিব নোৱাৰিলে তেওঁ।

আত্মসমৰ্পণ কৰে
নিষ্ঠুৰ নিয়তিৰ হাতত।

অনলত তেওঁৰ সেউজীয়া চোলা
লীন হ'ল।

প্ৰজ্ঞাৰ দৰে তেওঁ
আচল চোলা পিন্ধি
অজানত মিলি গ'ল। ■

● *পাঠশালাৰ বিশিষ্ট কবিগৰাকীৰ বহুকেইখন কাব্যগ্ৰন্থ ইতিমধ্যে প্ৰকাশিত হৈছে।*

# তেওঁ শুই আছে

**(প্ৰয়াত হেমচন্দ্ৰ শৰ্মাছাৰৰ সোঁৱৰণত)**

## যজ্ঞেশ্বৰ কাকতি

তেওঁ শুই আছে নীৰৱে
নিজানত মহাশূন্যত।
তেওঁৰ বাবে আকাশ ৰিক্ত
পৃথিৱী অপ্ৰাসংগিক
ৰ'দ বতাহ বৰষুণ
আৰু বিজ্ঞানৰ মহান সূত্ৰ।
তেওঁ নেহাঁহে
নেকান্দে
নোসোধে
নেমাতে
একো নকয়
তেওঁ স্থিতপ্ৰজ্ঞ।
মনৰ পেণ্ডুলামত খেলে
মেণ্ডেলিজম
ডাৰউইনিজম
আৰু এক বক্তৃতা।
তেওঁ সাৰে আছে আজিও
বিজ্ঞানৰ ছাত্ৰৰ মনৰ পাতে পাতে
জীৱনৰ কোঁহে কোঁহে
হৃদয়ৰ স্পন্দে স্পন্দে। ■

- *কবি পেছাত পাঠশালাৰ বিশিষ্ট অধিবক্তা।*

# পূজনীয় শিক্ষাগুৰু হেমচন্দ্ৰ শৰ্মাছাৰৰ সশ্ৰদ্ধ সোঁৱৰণত

**অজিত তালুকদাৰ**

এই বাটেদি যায়
এধানি পোহৰৰ গান

বেলিৰ স'তে তেওঁৰ অহা-যোৱা
নীৰৱতাবোৰ সৰি পৰে
জ্যোতিনগৰৰ আলিবাটত

গছ-লতা-গুল্মৰে তেওঁ
গঢ়ি তুলিছে আত্মীয়তা
প্ৰিয় বিষয় প্ৰকৃতি

তেওঁৰ হাতত থাকে কিতাপ
মুখত হয়তো এটা চিগাৰেট
আমি দূৰৈৰপৰা চাওঁ
ক্ষীণকৈ ওখ মানুহজনক

নিজ বাটে তেওঁ আগবাঢ়ে
গোহাঁইকমল আলিয়েদি পূবলৈ
বিছান্নালাৰ সিটো পাৰে
তেওঁৰ কাংক্ষিত সপোনৰ
আপোন চিনাকি প্ৰাঙ্গণ
য'ত তেওঁৰ বাবে ৰৈ থাকে
পোহৰ-উন্মুখ চকুবোৰ

## পূজনীয় শিক্ষাগুৰু হেমচন্দ্ৰ শৰ্মাছাৰৰ সশ্ৰদ্ধ সোঁৱৰণত

কৌতূহলী মুখবোৰ
হয়, তেওঁৰ বাবেই

তেওঁ শ্ৰেণীকোঠাত সোমায়
অধ্যাপনা তেওঁৰ বৃত্তি— তৃপ্তি
স্বভংগীমাৰে তেওঁ পাঠদান কৰে
দুচকুত তুলি ধৰে
বৈচিত্ৰ্যময় প্ৰকৃতিৰ কোলাত
ফুলি থকা ফুলবোৰৰ কথা
গছ-বিৰিখ, ঘাঁহ-বন, শেলুৱৈ-ঢেকীয়াবোৰৰ কথা
ব্লেকবোৰ্ডত তাৰেই ছবি আঁকে
কৌতূহলী মুখবোৰত
উজলি উঠা সন্ধিৎসু চকুবোৰত
তেওঁ জগাই তোলে
কি? কিয়? কেনেকৈ?
তেওঁ পোহৰৰ বীজ সিঁচে

সঞ্চিত কুম্ভৰপৰা
আৰ্জিত অভিজ্ঞতাৰপৰা
তেওঁ বিলাই দিয়ে মন্থিত জ্ঞানৰ মৌ
দীপ্ত চকুবোৰত
মন-মগজুত জিলিকি উঠে
অণ্বেষী যাত্ৰাৰ নতুন দিগন্ত

আৰম্ভ হয় তেওঁলোকৰ
অনুসন্ধিৎসা, পৰ্য্যৱেক্ষণ, সম্পৰীক্ষাৰ
নতুন পৰিক্ৰমা
ক্ৰমশঃ ওচৰ চাপি আহে
প্ৰিয় শিক্ষাগুৰুৰ কাষলে'

তেওঁ দেখুৱায় পোহৰৰ বাট
তেওঁ চিনি পায় ঐতিহ্যৰ ছন্দ

**স্মৰণীয় সুবাস**

বুজি পায় ডুবিৰ দেৱদাসীৰ গৰিমাৰ কথা
সাহিত্য-কৃষ্টিৰো ফুল বুটলি আনি
ভৰায় তেওঁ মনৰ কৰণিত আলফুলে

প্ৰিয় সাৰথি তেওঁ
তেওঁ পূজনীয়া শিক্ষাগুৰু
পোহৰৰ এধানি গান
তেওঁ দীপ্তিমান
তেওঁ আমাৰ সোণালী সোঁৰৰণিত
সাৰে থাকে
উজলি থাকে
এধানি পোহৰৰ গান
তেওঁ— তেওঁ পূজনীয় শিক্ষাগুৰু
অধ্যাপক হেমচন্দ্ৰ শৰ্মা ছাৰ
আমি অকিঞ্চনৰ লোৱা আজি
সশ্ৰদ্ধ প্ৰণাম। ■

- *কবি গোৰেশ্বৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক।*

---

❖ মই ব্যৰ্থ হোৱা নাই। মাত্ৰ ১০০০০টা উপায় বিচাৰি উলিয়াইছোঁ যিয়ে কাম নকৰে।

**—টমাছ আলভা এডিছন**

❖ সঁচা কথা কোৱাৰ অভ্যাস থাকিলে তোমাৰ কোনো কথা মনত ৰখাৰ দৰকাৰ নহ'ব।

**—মাৰ্ক টোৱেইন**

❖ বাহিৰৰ স্বাধীনতা হেৰাই গৈছে বুলি অন্তৰৰ স্বাধীনতাকো যেন আমি বিসৰ্জন নিদিওঁ।

**—কাজী নজৰুল ইছলাম**

# পাঠশালা সাহিত্য সভাত অধ্যাপক হেমচন্দ্ৰ শৰ্মা

**প্ৰবোধ চন্দ্ৰ শৰ্মা**

বজালী মহাবিদ্যালয়ত তিনি বছৰকাল ছাত্ৰ হৈ থকা সময়ত আমি অধ্যয়ন কৰা বিষয়ৰ ছাৰ নহ'লেও কলা আৰু বিজ্ঞান উভয় শাখাৰে প্ৰায় কেইগৰাকী ছাৰৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ এক বিশেষ সম্পৰ্ক গঢ়ি উঠিছিল। ছাৰসকলৰপৰা লাভ কৰা প্ৰেৰণা আৰু আদৰ্শৰপৰা পৰৱৰ্তী জীৱনত আমি উপকৃত হৈছোঁ। আমি ওচৰ চাপিবলৈ সৌভাগ্য হোৱা ছাৰসকলৰ ভিতৰত অন্যতম আছিল উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক প্ৰয়াত হেমচন্দ্ৰ শৰ্মা ছাৰ। তেখেতৰ লাহি গঠন অথচ পৰিপুষ্ট চেহেৰা আৰু পৰিপাটি শুৱনি সাজ-পোছাকৰ লগতে নিমাখিত ব্যৱহাৰ আছিল বিশেষ আকৰ্ষণ। সেইদৰে একেলগে সমাজ সেৱাৰ সুযোগ গ্ৰহণ কৰিবলৈ সক্ষম হোৱা চিৰনমস্য ছাৰসকলৰ ভিতৰত আছিল অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শৰ্মা, উপাধ্যক্ষ অনন্ত তালুকদাৰ, হেমন্ত শৰ্মা, হৰেন্দ্ৰ নাথ ডেকা, দেৱেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, সিংহনাথ শৰ্মা, অপূৰ্ব চৌধুৰী, ইন্দ্ৰেশ্বৰ তালুকদাৰ, জিতেন দাস, মুনীন্দ্ৰ নাৰায়ণ তালুকদাৰ, ৰত্নধৰ বৰ্মণ, সম্পূৰ্ণানন্দ তালুকদাৰ, মোহন চন্দ্ৰ দাস, হৰেণ বৰুৱা, সদানন্দ মিশ্ৰ, মুৰাৰি মোহন দত্ত, ড° কৰুণাকান্ত পাটগিৰি, ৰত্নেশ্বৰ দাস, ভূপেন্দ্ৰ নাথ শৰ্মা ইত্যাদি। এখেতসকলৰ ভিতৰত কেবাগৰাকীও আজি আমাৰ মাজত নাই যদিও তেখেতসকলৰ কৰ্মময় জীৱনৰ সৌৰভ আমাৰ মনৰ মাজত আৰু ব্যৱহাৰিক জীৱনত সজীৱ হৈয়ে আছে। উল্লেখযোগ্য যে ছাৰসকল যদিও এটা সময়ত আমাৰ বন্ধু হৈ পৰিছিল তথাপিও তেখেতসকলৰ লগত আমি প্ৰয়োজনীয় দূৰত্ব বজাই ৰাখিহে একেলগে কাম কৰিছিলোঁ আৰু কেইগৰাকীমানৰ লগত এতিয়াও সমাজসেৱা কৰাৰ সৌভাগ্য হৈ আছে।

হেমচন্দ্ৰ শৰ্মা ছাৰৰ লগত সম্বন্ধ বেছি ঘনিষ্ঠ আৰু বন্ধুসুলভ হৈ পৰে ১৯৮০ চনৰপৰা। ছাৰৰ ঘৰখনৰ লগতো এটা আত্মিক সম্পূৰ্ণ গঢ়ি উঠিছিল। কিয়নো আমাৰ পিতৃদেৱ ছাৰৰ পুত্ৰ-কন্যাৰ শিক্ষক আছিল সেই অজুহাততেই। হাইস্কুলীয়া পঢ়া কালৰপৰা

অৰ্থাৎ ১৯৬৮ চনৰপৰা আমি পাঠশালা সাহিত্য সভাৰ এগৰাকী দৰ্শক-শ্ৰোতা আৰু লগতে কৰ্মী হিচাপে শৰ্মাছাৰক ওচৰৰপৰা পাইছিলোঁ আৰু তেতিয়াৰেপৰা ছাৰৰ ব্যক্তিত্বই আমাক মুগ্ধ কৰিছিল। কলেজীয়া জীৱনতো বিভিন্ন কামত একেলগে তেখেতৰ লগত সহায়কাৰী কৰ্মী হিচাপে কাম কৰাৰ সুযোগ লাভ কৰি বহুতো অভিজ্ঞতা লাভ কৰিছিলোঁ। অৱশ্যে ১৯৭৩ চনৰ পৰা ১৯৭৯ চনৰ নৱেম্বৰ মাহলৈ চাকৰিসূত্ৰে পাঠশালাৰ বাহিৰত থাকিব লগা হোৱা বাবে পাঠশালা সাহিত্য সভাত মাজে সময়েহে উপস্থিত থাকি কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিব লগা হৈছিল। ১৯৮০ চনৰ ডিচেম্বৰ মাহৰপৰা পুনৰ সক্ৰিয়ভাৱে সভাৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি হেমচন্দ্ৰ শৰ্মাছাৰৰ লগতে তেখেতৰ মৃত্যুৰ সময়লৈকে একেলগে সেৱা আগবঢ়াবলৈ পাই নিজকে ধন্য মানিছোঁ।

১৯৬২ চনত প্ৰতিষ্ঠিত পাঠশালা সাহিত্য সভাৰ লগত শৰ্মা ছাৰ মৃত্যুৰ সময়লৈ জড়িত আছিল। ১৯৭৭ চনলৈ পাঠশালা সাহিত্য সভাৰ স্থায়ী কাৰ্য্যালয় নাছিল। পাঠশালা সাংস্কৃতিক সংঘ, বজালী প্ৰগতি সংঘ আৰু প্ৰয়াত বীৰেণ চৌধুৰীৰ ঘৰ ভাড়া লৈ কাৰ্য্যালয় হিচাপে ব্যৱহাৰ হৈছিল। ১৯৭৭ চনৰপৰাহে বৰ্তমান সভাৰ স্থায়ী কাৰ্য্যালয়টো বিভাগীয় কৰ্তৃপক্ষৰপৰা আবণ্টন লৈ কাৰ্য্যালয় হিচাপে ব্যৱহৃত হয় যদিও আলোচনাৰ বাবে পৰিৱেশ নোহোৱাত লক্ষেশ্বৰ দেৱচৌধুৰীৰ বাতৰিকাকত এজেঞ্চিৰ দোকান, চৌধুৰী চাইকেল ষ্টোৰচ, প্ৰাক্তন সম্পাদক নগেন ৰয়ৰ ভাতৃ উৎসৱ ৰয়ৰ চাহদোকানৰ বাৰাণ্ডা সাহিত্য সভাৰ সদস্যসকলে সদায় গধূলি আড্ডাৰ থলি হিচাপে ব্যৱহাৰ কৰিছিল। সেই আড্ডাত উপস্থিত হোৱা সদস্যসকলৰ ভিতৰত হেমচন্দ্ৰ শৰ্মা ছাৰো অন্যতম আছিল। পাঠশালা সাহিত্য সভাই প্ৰতিষ্ঠা কালৰপৰা বৃহত্তৰ বজালী অঞ্চলৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ বাবে বহুতো আলোকসন্ধানী কাৰ্য্যসূচী ৰূপায়ণ কৰি আহিছে। সাহিত্য সভাৰ ভাষা দিৱস, সংহতি দিৱস, সাহিত্য দিৱস, মনীষীসকলৰ জন্মজয়ন্তী পালন, স্মৃতিচাৰণ অনুষ্ঠান, সাহিত্য সভা সপ্তাহ উদযাপন, মাধ্যম আন্দোলনত সহযোগ, মুখপত্ৰ 'আলিপনা' প্ৰকাশ, বিভিন্ন গ্ৰন্থ প্ৰকাশ, আলোচনা চক্ৰ, পঠন চক্ৰ, প্ৰাচীন সাঁচিপতীয়া পুথি সংগ্ৰহ আৰু সংৰক্ষণ, ডুবি দেৱালয়ৰ দেৱদাসী নৃত্যৰ ক্ৰমবিকাশৰ বাবে পুথি প্ৰণয়ন, নৃত্যৰ কৰ্মশালা, ১৯৬৭ চনৰপৰা চলা সন্তৰাম চৌধুৰী সোঁৱৰণী একাংকিকা প্ৰতিযোগিতা পৰিচালনা, চুটি গল্প; ৰামায়ণী সাহিত্য; একাংক নাট আদিৰ ওপৰত অধ্যয়ন চক্ৰ, ১৯৭০ চনৰপৰা আৰম্ভ হোৱা সদস্যসকলৰ নিজ বাসগৃহত অনুষ্ঠিত বিভিন্ন বিষয়ক আলোচনা চক্ৰ, পুথি প্ৰদৰ্শনী, ১৯৭৪ চনৰপৰা আৰম্ভ কৰা লেখক শিবিৰ, নাট মঞ্চস্থ, নাম সমিতি গঠন আৰু পৰিচালনা, জ্যোতিদিৱস উপলক্ষ্যে আলোচনা চক্ৰ, জ্যোতিসংগীত প্ৰতিযোগিতা, সম্প্ৰীতিমূলক ভ্ৰমণ, ১৯৭৯ চনত ৰেকাৰী অনুদান লাভৰ

বাবে জন্ম হোৱা সভাৰ ভগ্নী অনুষ্ঠান ‘সাহিত্য, সংস্কৃতি আৰু সমাজ কল্যাণ কেন্দ্ৰ, পাঠশালা’ৰদ্বাৰা বিভিন্ন আঁচনি কাৰ্য্যকৰীকৰণ, অসম আন্দোলনত সক্ৰিয় সহযোগ আদিকে ধৰি বিভিন্ন কাৰ্য্যসূচীৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত হেমচন্দ্ৰ শৰ্মা ছাৰৰ সক্ৰিয় সহায়-সহযোগ সভাৰ গতিশীলতাৰ অন্য এটা দিশ। শৰ্মা ছাৰ ১৯৬৬ চনৰপৰা সভাৰ মুখ্য বিষয়বাবৰ দায়িত্ব গ্ৰহণ কৰি সভাক সৃষ্টিশীল আৰু জনমুখী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তেখেতে ১৯৬৬ চনত সহকাৰী সম্পাদক, ১৯৬৭ চনত সম্পাদক, ১৯৭২ চনৰপৰা ১৯৭৪ চনলৈ উপসভাপতি, পুনৰ ১৯৭৯ চনৰপৰা ১৯৮১ চনলৈ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি অঞ্চলটোত সাহিত্য সাধনাৰ বাতাৱৰণ সৃষ্টি কৰিছিল। তেখেতৰ কাৰ্য্যকালত সদস্যসকলৰ আমন্ত্ৰণক্ৰমে বাসগৃহত অনুষ্ঠিত হোৱা আলোচনাচক্ৰ অনুষ্ঠানবোৰ অতি ফলপ্ৰসূ হৈছিল আৰু সভাৰ মৰ্য্যাদা সম্প্ৰসাৰিত হৈছিল। ১৯৮০ চনত শৰ্মা ছাৰৰ বাসভৱনৰ ঘূৰণীয়া বহাকোঠাত অনুষ্ঠিত গাম্ভীৰ্য্যপূৰ্ণ আলোচনাচক্ৰখনিৰ কথা আজিও আমাৰ মনত সজীৱ হৈয়ে আছে। এইদৰে ১৯৮৭ চনৰ ১১, ১২, আৰু ১৩ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৫৩তম পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সদস্য তথা প্ৰকাশন, সংকলন আৰু বিতৰণ উপ-সমিতিৰ সদস্য হিচাপে আগবঢ়োৱা তেখেতৰ নিঃস্বাৰ্থ সেৱাৰ কথা সভাৰ বুৰঞ্জীত জিলিকি থাকিব।

আনহাতে লিখক হিচাপে হেমচন্দ্ৰ শৰ্মা ছাৰে পাঠশালা সাহিত্য সভাৰ মজিয়াৰপৰাই পৰিচিত হৈছিল। উদ্ভিদবিজ্ঞানৰ পাঠ্যপুথি ৰচনা কৰিও তেখেতে লিখক হিচাপে সুখ্যাতি অৰ্জন কৰিছিল। সেই বিষয়ে আলোচনালৈ নগৈ পাঠশালা সাহিত্য সভাৰ যোগেদি তেখেতৰ সাহিত্যসৃষ্টি সম্পৰ্কে আমাৰ মনে ঢুকি পোৱা দুই-এটা কথা ক’বলৈ লোৱা হ’ল। পাঠশালা সাহিত্য সভাই ১৯৬৭ চনৰপৰা সভাৰ মুখপত্ৰ ‘আলিপনা’ প্ৰকাশ কৰে। আলিপনাৰ পাতত তেখেতৰ বহুতো মূল্যৱান কবিতা, গল্প, প্ৰবন্ধ আমি পঢ়িবলৈ পাওঁ। প্ৰকাশযোগ্য যে তেখেতে সদায় নামৰ আগত ‘অধ্যাপক’ ব্যৱহাৰ কৰিছিল, অৰ্থাৎ ‘অধ্যাপক হেমচন্দ্ৰ শৰ্মা’। আলিপনাৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা ‘বেক্টেৰিয়া’ নামৰ প্ৰবন্ধটো শৰ্মা ছাৰৰ এক উল্লেখযোগ্য প্ৰৱন্ধ। এই সংখ্যাটো সম্পাদনা কৰিছিল শচীন দাসে।

দ্বিতীয় সংখ্যাত প্ৰকাশ পোৱা ‘কাঠফুলা’ নামৰ প্ৰৱন্ধটোৰে তেখেত বিজ্ঞান-ভিত্তিক লিখক হিচাপে পৰিচিত হৈ পৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মশতবাৰ্ষিকী সোঁৱৰণী সংখ্যা হিচাপে ১৯৬৮ চনত এই সংখ্যাটো প্ৰকাশ পাইছিল। তৃতীয় সংখ্যাত প্ৰকাশ পোৱা ‘ভাওনা ৰাৱণ বধৰ’ নামত কবিতাৰে তেখেত কবি হিচাপে জনাজাত হৈছিল। সেইদৰে চতুৰ্থ সংখ্যা, সপ্তম সংখ্যা, ১৯৭৬ চনত অসম সাহিত্য সভাৰ ৪০তম

টিহু অধিৱেশন উপলক্ষ্যে প্ৰকাশ কৰা বিশেষ কবিতা সংখ্যাত প্ৰকাশ পোৱা, চতুৰ্দশ সংখ্যাত বিশেষ কবিতা সংখ্যাত প্ৰকাশ পোৱা কবিতাসমূহ হৈছে তেখেতৰ উল্লেখযোগ্য সাহিত্য সৃষ্টি। আনহাতে পঞ্চদশ বছৰৰ প্ৰথম সংখ্যা (১৯৮১ চন) আলিপনাত প্ৰকাশ পোৱা তেখেতৰ প্ৰৱন্ধ, অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশন উপলক্ষ্যে প্ৰকাশ পোৱা বিশেষ প্ৰৱন্ধ সংকলনত 'পাঠশালা সাহিত্য সভাৰ অভিলেখ' আদি প্ৰৱন্ধসমূহ হৈছে তেখেতৰ চিন্তাগধুৰ প্ৰৱন্ধ। তেখেত আলিপনাৰ একাদশ সংখ্যা (জ্যোতি সোঁৱৰণী সংখ্যা), চতুৰ্দশ বছৰৰ তৃতীয় সংখ্যা, পঞ্চদশ বছৰৰ তৃতীয় সংখ্যাৰ প্ৰকাশকৰ দায়িত্বত আছিল। তদুপৰি ১৯৭৯ চনত অনুষ্ঠিত পঠনচক্ৰত পাঠিত প্ৰৱন্ধ 'বজালীৰ থলুৱা অধিবাসী' তেখেতৰ এক উল্লেখযোগ্য প্ৰৱন্ধ।

সাহিত্য সভাই প্ৰকাশ কৰা গ্ৰন্থসমূহৰ প্ৰথম গ্ৰন্থখন হৈছে 'ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত'। এই গ্ৰন্থখন ৰচনা কৰে মুনীন্দ্ৰ নাথ শৰ্মা, সতীশ চন্দ্ৰ চৌধুৰী আৰু হেমচন্দ্ৰ শৰ্মা ছাৰে। বজালীৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত এইখন অমূল্য দলিল। ১৯৮২ চনত পাঠশালা সাহিত্য সভাই প্ৰকাশ কৰা শৰ্মা ছাৰ আৰু তেখেতৰ পত্নী চাৰু দেৱীয়ে যুটীয়াভাৱে ৰচনা কৰা জীৱনীগ্ৰন্থ 'চাৰ্লছ ডাৰউইন' এখন মূল্যৱান গ্ৰন্থ। এই গ্ৰন্থখন পাঠশালা সাহিত্য সভাৰদ্বাৰা ১৯৯৪ চনত দ্বিতীয় সংস্কৰণ হিচাপে প্ৰকাশ পায়। শিক্ষাবিভাগৰ অপাৰেশ্বন ব্লেক বোৰ্ড আঁচনিত নিৰ্বাচিত হোৱাত এইখন বিভাগীয় নিৰ্দেশমৰ্মে অসমৰ প্ৰায়বোৰ জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়ত যোগান ধৰা হয়। গ্ৰন্থখনৰ প্ৰকাশক তদানীন্তন পাঠশালা সাহিত্য সভাৰ সম্পাদক এই লিখক। ইয়াৰ উপৰি তেখেতৰ অন্যান্য গ্ৰন্থ আৰু বিভিন্ন আলোচনী আদিত লেখা প্ৰকাশ পায় যদিও সেইবোৰ আলোচনা ইয়াত অন্তৰ্ভুক্ত নকৰি কেৱল পাঠশালা সাহিত্য সভাৰ লগত জড়িত তেখেতৰ সাহিত্যৰ সম্পদখিনিহে উল্লেখ কৰা হ'ল।

অতি সৰল-সহজ জীৱন-যাপন কৰোতা এগৰাকী উচ্চ চিন্তা-ভাৱনাৰে উদ্বুদ্ধ হেমচন্দ্ৰ শৰ্মা ছাৰ আছিল অতি নিৰ্জু শিশুসুলভ আৰু ৰসাল ব্যক্তি। তেখেতৰ শিশুসুলভ মনৰ আৰু ৰসোত্তীৰ্ণ কেইটামান মুহূৰ্তৰ কথাই আজিও মোৰ মনত দোলা দি আছে। যেনে ১৯৮০ চনত সভাৰ সদস্য শৰ্মা ছাৰ, নৰনাৰায়ণ দেৱশৰ্মা, সতীশ চন্দ্ৰ চৌধুৰী, নগেন ৰয়, বিবেকা ৰায়চৌধুৰী, মাধৱ চন্দ্ৰ অধিকাৰী, চক্ৰপাণি কলিতা, পল্লৱ ভট্টাচাৰ্য্য (বৰ্তমান অসমৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান), দীনেন গোস্বামী আৰু এই লিখকে প্ৰায়ে আবেলি নগেন ৰয়ৰ ভাতৃ উৎসৱ ৰয়ৰ চাহৰ দোকানৰ বাৰাণ্ডাত আড্ডাত বহিছিল। সেই আড্ডাত সহিত্য সভাৰ কথা, সংবাদ সেৱাৰ কথা, সামাজিক, শৈক্ষিক আদি বিভিন্ন গঠনমূলক আলোচনা হৈছিল। আলোচনাত মুখ্য ভূমিকা লৈছিল হেমচন্দ্ৰ শৰ্মা

ছাৰে। এটা নিৰ্দিষ্ট সময়ত শৰ্মা ছাৰে মোৰ হাতত এটি পছিছ্ পইচা দি এটি চাৰমিনাৰ চিগাৰেট আনিবলৈ দিছিল আৰু সেইটো অতি আৰামেৰে হুপি লাহে লাহে নিৰ্দিষ্ট গতিত ঘৰলৈ গৈছিল।

এদিনৰ আড্ডাত হঠাতে পৰিৱেশ বুজি ছাৰে মোক এটা প্ৰশ্ন কৰিছিল— 'হেৰা প্ৰবোধ, নাৰিকল গছে সংগীত বৰ ভাল পায় নেকিহে? মই ক'লোঁ— 'কিয় ক'লে ছাৰ?' ছাৰে ক'লে— 'নহয়হে মোৰ ঘৰৰ সন্মুখত থকা নাৰিকল গছ কেইজোপাত ইমান কেইবছৰে ফুলে, ফল ধৰে কিন্তু সৰি সৰি পৰে। যোৱা দুবছৰে আৱাহন থিয়েটাৰৰ নৃত্য-সংগীতৰ শব্দ শুনি গছবোৰত নাৰিকল থোক ভৰি লাগিছেহে।' কৃষি বিভাগৰ কৰ্মচাৰী হিচাপে ছাৰে মোক সোধা এই প্ৰশ্নত মই বৰ ৰস পাইছিলোঁ আৰু ছাৰক ক'ব লগাখিনি কৈছিলোঁ এনেধৰণে— 'ছাৰ, জনবিশ্বাস অনুসৰি গছৰ তলত নৃত্য-গীতৰ আয়োজন কৰিলে গছৰ ফলদায়ক শক্তি বাঢ়ে। এই বিশ্বাস বিজ্ঞানসিদ্ধ। পৰিৱেশ বিজ্ঞানীয়ে এই কথা স্বীকাৰ কৰিছে যে মানুহৰ মৰম-চেনেহ বা গীত-কথাই গছৰ উৎপাদন শক্তি বঢ়াব পাৰে। গৱেষকসকলে বিজ্ঞানসন্মত পদ্ধতিৰে গৱেষণা কৰি প্ৰমাণ কৰিছে যে নৃত্য-গীত আৰু মানুহৰ কথা-বতৰাই গছক অধিক উৎপাদনশীল কৰিব পাৰে।' ছাৰে মোক পিঠিত চপৰিয়াই দি গুচি গৈছিল। অইন এদিনৰ কথা ক'ব খুজিছোঁ, ১৪ ছেপ্টেম্বৰ, ১৯৮৫ চনত প্ৰয়াত নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰীৰ আদ্যশ্ৰাদ্ধৰ দিনা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভা শেষ কৰি মই চাইকেলত উঠি আহিবলৈ আৰম্ভ কৰোঁতেই শৰ্মাছাৰে দৌৰি আহি মোৰ চাইকেলৰ পিছফালে থকা কেৰিয়াৰত জাপ মাৰি উঠি তেওঁক ঘৰত থৈ আহিবলৈ কৈছিল। ছাৰৰ দৰে এগৰাকী সন্মানীয় আৰু আদৰ্শ ব্যক্তিক ঘৰৰ সন্মুখত নমাই দি আহি মই নিজকে গৌৰৱবোধ কৰিছিলোঁ। এনেবোৰ মুহূৰ্তৰ জৰিয়তে ছাৰে এতিয়াও আমাৰ মনৰ মাজত বিচৰণ কৰি আছে। ইয়াকে ভাবি সুখী অনুভৱ কৰোঁ।

এনে এগৰাকী আদৰ্শ শিক্ষাবিদ, সাহিত্যসেৱী, সমাজসেৱক আৰু আদৰ্শৱান অভিভাৱক শৰ্মাছাৰক ১৯৮৮ চনৰ ২২ আগষ্ট তৰিখে সাহিত্য সভাৰ কাৰ্য্যালয়ৰ সন্মুখত শেষ শ্ৰদ্ধা জনোৱা দৃশ্য আৰু ৩১ আগষ্ট তাৰিখে ৰাতিপুৱা সাহিত্য সভা ভৱনত তেখেতৰ আদ্যশ্ৰাদ্ধ উপলক্ষ্যে অনুষ্ঠিত হোৱা প্ৰাৰ্থনা সভাআৰু স্মৃতিচাৰণ সভাখনৰ কথা, লগতে তেখেতে সভালৈ আগবঢ়োৱা সমূহ কৰ্মৰাজি সভাৰ বুৰঞ্জীত সোণালী আখৰেৰে চিৰদিন সজীৱ হৈ থাকিব। ■

- *লিখক পাঠশালা সাহিত্য সভাৰ বিভিন্ন বিষয়ববীয়া, কৰ্মী আৰু সভাত হেমচন্দ্ৰ শৰ্মাৰ ঘনিষ্ঠ।*

# ৰসিক হেমচন্দ্ৰ শৰ্মা

## গদাধৰ চৌধুৰী

প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ জীৱন আৰু কৰ্মৰ ওপৰত আলোকপাত কৰাটো কঠিন। কাৰণ তেখেতৰ জীৱনটো হাস্যৰসেৰে ভৰপূৰ আছিল। মানুহক আপুনি কন্দুৱাব পাৰে, কিন্তু মানুহ এজনৰ হঁহুৱাটো সিমান সহজ নহয়। তাৰ কাৰণে প্ৰয়োজন এক সুনিপুণ কলাৰ আৰু শৰ্মাছাৰ এইক্ষেত্ৰত আছিল এজন সুনিপুণ খনিকৰ। এটা শ্ৰেণীকোঠাত থকা ষাঠি-সত্তৰজন ছাত্ৰ-ছাত্ৰীক হাস্যৰসেৰে পাঠদান কৰাটো অতিশয় কঠিনেই নহয় তাৰ বাবে প্ৰয়োজন গভীৰ অধ্যয়নৰ।এইক্ষেত্ৰত শৰ্মাছাৰৰ দুয়োটা গুণৰে অভাৱ নাছিল।মই বিজ্ঞানৰ অতি কম সংখ্যক অধ্যাপক পাইছোঁ যিয়ে হাস্যৰসৰ মাধ্যমেৰে পাঠদান কৰিছিল। সেইসকলৰ ভিতৰত শৰ্মাছাৰ আছিল অন্যতম। আজিকালি মানুহে হাস্যৰসৰ সোৱাদ লোৱাৰ কাৰণে বিভিন্ন অনুষ্ঠানৰ জন্ম দিছে। কিন্তু শৰ্মাছাৰ আছিল নিজেই হাস্যৰসৰ অনুষ্ঠান। তেখেতক পাঠশালাৰ ৰসৰাজ বুলি ক'লেও ভুল নহয় যেন লাগে। তেখেতক ব্যক্তিগতভাৱে লগ নোপোৱা ব্যক্তি এজনক তেখেতৰ বিষয়ে জ্ঞান দিবলৈ যোৱাটো অতি কঠিন, বিশেষকৈ মোৰ দৰে লিখামেলাৰ লগত সম্পৰ্ক নথকা ছাত্ৰ এজনৰ বাবে। তথাপি শ্ৰদ্ধাৰ কুশলদাৰ প্ৰেৰণাত অকণমান চেষ্টা কৰিছোঁ। মই কিমান দূৰ সফল হৈছোঁ, নিজেই নাজানোঁ। তেখেতে হাস্যৰসেৰে অতি কঠিন বিষয় এটা ইমান সাৱলীলভাৱে পাঠদান কৰিছিল যে তেখেতৰ শ্ৰেণীত উপস্থিত থকা সকলোৰে হৃদয়ঙ্গম হৈছিল।

১৯৮৬ চনৰ কথা। মই উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পিছত বজালী মহাবিদ্যালয়ত স্নাতক বিজ্ঞান শাখাত নামভৰ্তি কৰিছিলোঁ। সেই কেইদিন মই বিভিন্ন বিষয়ৰ শ্ৰেণীৰ বক্তৃতা শুনিবলৈ গৈছিলোঁ। এদিন মই উদ্ভিদবিদ্যাৰ শ্ৰেণীলৈ গৈছিলোঁ। সেইদিনা উদ্ভিদবিদ্যাৰ প্ৰবক্তা আছিল শৰ্মাছাৰ। সেইদিনা ছাৰৰ বিষয়বস্তু আছিল— গছৰ পাত কিয় সৰে? আমি সৰুতে বজালী মহাবিদ্যালয়ৰ চৌহদত থকা আম গছবোৰৰপৰা আম চুৰি কৰি খুব খাইছিলোঁ। তেখেতে বোধহয় কথাটো জানিছিল। সেইকাৰণে তেখেতে পাঠ আৰম্ভ কৰাৰ আগতে কৈছিল, আজি শ্ৰেণীত বহুকেইজন আমৰ বিশেষজ্ঞ আছে। কোৱাচোন আম চুৰি কৰি খাওঁতে কেতিয়াবা লক্ষ্য কৰিছানে আমৰ পাত কিয় সৰে। মই ক্ষণিকৰ বাবে হতভম্ব হৈছিলোঁ আৰু অলপ লাজো পাইছিলোঁ।

কিন্তু লাজ লাজকৈ কৈছিলোঁ— নাজানো ছাৰ। উত্তৰত তেখেতে হাস্যৰসেৰে কৈছিল আম চুৰি কৰি খালেই নহ'ব, পাতটো কিয় সৰে সেইটোও অনুধাৱন কৰিব লাগে। তেতিয়াহে দুই-এটা কথা জানিব পাৰি। তেখেতে হাস্যৰসেৰে পাঠটো বুজাই দিয়াৰ বাবে সেই পাঠটো আজিও মোৰ মনত আছে। তেখেতে আমাক কৈছিল, গছৰ পাতৰ ঠেনুত এবিধ আঠাজাতীয় পদাৰ্থ থাকে আৰু সেইবিধ ক্ৰমান্বয়ে শুকাই গ'লে পাতটো গছৰপৰা সৰি পৰে। সেইদিনা আছিল মোৰ উদ্ভিদবিদ্যাৰ প্ৰথম আৰু শেষ দিন। তাৰ পিছত ছাৰক মই লগ পাইছিলোঁ বিভিন্ন অনুষ্ঠানত। এদিনাখনৰ কথা, এটা মোৰ আজিও মনত আছে। মই কেইজনমান বন্ধুৰ সৈতে এখন বিয়াঘৰলৈ গৈছিলোঁ, তাতো ছাৰক লগ পাওঁ। যথা সময়ত আমাক অভ্যৰ্থনাৰে মাতিলে। আমাৰ লগত ছাৰো গ'ল। ছাৰৰ লগত আছিল প্ৰয়াত ডাঃ উমেশ দাসছাৰ। উমেশ ছাৰে শৰ্মাছাৰক ক'লে, মোৰ বিয়াঘৰৰ এই খাদ্য বৰ ভয় লাগে। উত্তৰত শৰ্মা ছাৰে ক'লে— মোৰ আকৌ এই কলৰ দোনাখনকে ভয় লাগে। সিহঁতৰ দুয়োজনৰ কথা-বতৰা শুনি আমি খুব হাঁহিছিলোঁ। ছাৰে সৃষ্টি কৰা হাস্যৰস হুবহু প্ৰকাশ কৰাটো মোৰ পক্ষে সম্ভৱ নহয়। এইদৰেই ছাৰক লগ পোৱাৰ ত্ৰিশ বছৰ পাৰ হ'ল। কিন্তু ছাৰে আমাক দি থৈ যোৱা হাস্যৰসবোৰ মই আজিও পাহৰিব পৰা নাই। মই ছাৰক আৰু এবাৰ লগ পাইছিলোঁ পাঠশালা সাংস্কৃতিক সংঘৰ মইনা পাৰিজাতৰ বাৰ্ষিক সভাত। কিন্তু এইবাৰ ছাৰে হাস্যৰস ত্যাগ কৰি এক সম্পূৰ্ণ তথ্যগধুৰ ভাষণ আমাৰ আগত দিছিল। মইনা পাৰিজাতৰ অৰ্থ কি? মইনাসকলক আগবঢ়াই নিয়াত মইনা পাৰিজাতবিলাকৰ ভূমিকা কি? ইত্যাদি ইত্যাদি। ছাৰৰ দৰে ব্যক্তি এজনৰ বিষয়ে মই অকণমান জ্ঞান পাঠকসকলক দিব পাৰি মই নিজকে ধন্য মানিছোঁ।

এই লিখনিৰ মাজেদি দুই-এটা মোৰ ব্যক্তিগত অভিমত দাঙি ধৰিলোঁ। আমি যদি এখন সুশৃংখল সমাজ গঠন কৰিব খোজোঁ তেন্তে মহৎ ব্যক্তিসকলক স্মৰণ কৰাটো অতি প্ৰয়োজনীয় বুলি মই ভাবোঁ কাৰণ তাৰপৰাই নতুন প্ৰজন্মই ভাল কাম কৰাৰ কাৰণে অনুপ্ৰেৰণা পাব। পাঠশালা এখন শিক্ষানগৰী আৰু নাট্যনগৰী বুলি আমি সততে গৰ্ব কৰোঁ। কিন্তু অতি পৰিতাপৰ কথা এই যে, পাঠশালাত বছৰেকত যিকেইটা অনুষ্ঠান হয় তাত সকলো মহৎ ব্যক্তিকে স্মৰণ কৰা নহয়। পাঠশালাখন সৰ্বাংগসুন্দৰ কৰি গঢ়ি তোলা মহৎ ব্যক্তিসকলক আমি স্মৰণ নকৰোঁ। এইটো বৰ পৰিতাপৰ কথা। ইতিহাসে আমাক খাই পাত ফলা বুলি ক'ব। এইক্ষেত্ৰত মই ছাৰৰ পৰিয়ালবৰ্গক ধন্যবাদ জনাইছোঁ ছাৰৰ স্মৰণিকা প্ৰকাশৰ এই মহৎ কাম এটা হাতত লোৱা বাবে। ইয়াৰদ্বাৰা নতুন প্ৰজন্মই ভাল কাম কৰাৰ বাবে অলপ হ'লেও অনুপ্ৰেৰণা পাব বুলি ভাবোঁ। ■

- *লিখক ৰুষ্টমা লেব ৰৈটৰীজৰ এৰিয়া ছেল্‌ছ অফিচাৰ আৰু হেমচন্দ্ৰ শৰ্মাৰ প্ৰাক্তন ছাত্ৰ।*

# এজন অভিভাৱকৰ ৰূপত স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মা

## মৃণাল কুমাৰ মিশ্ৰ

সদ্যপ্ৰয়াত পিতৃৰ স্মৃতিক সাৱটি আৰু পিতৃ অবিহনে বৰপুত্ৰৰূপে এটি সাতজনীয়া পৰিয়ালৰ দায়িত্বভাৰ কান্ধপাতি লৈ পাঠশালাত আহি থিতাপি লৈছিলোঁ ১৯৮২ চনৰ আগষ্ট মাহত, জ্যোতিনগৰৰ এটি সৰু ভাৰাঘৰত। মোৰ বয়স তেতিয়া মাথো সোতৰ বছৰ। মেট্ৰিক পৰীক্ষাৰ মাত্ৰ ১৬ দিন আগত আকস্মিকভাৱে দেউতাক হেৰুৱাই দিশহাৰা হোৱা পৰিয়ালৰ স্বাৰ্থত আৰু মোতকৈ সৰু ভাই-ভনীহঁতৰ লগত থাকি নিজৰ পঢ়া-শুনা আগুৱাই নিয়াৰ বাবে আমাৰ পৰিয়ালটো স্থানান্তৰিত হৈছিলোঁ পাঠশালালৈ যাতে মই পৰিয়ালৰ লগত থাকিয়েই বজালী মহাবিদ্যালয়ত পঢ়িব পাৰোঁ। সেই উদ্দেশ্যে জ্যোতিনগৰৰ কহিনুৰ থিয়েটাৰৰ ওচৰত এটি সৰু ভাৰাঘৰ লৈ আমি পাঠশালাবাসী হৈ পৰিলোঁ, ১৯৮২ চনৰ মাজভাগৰপৰা। নক'লেও হ'ব, পিতৃৰ অবৰ্তমানত ঘৰৰ প্ৰথম সন্তানৰূপে মোৰ ওপৰত ন্যস্ত হোৱা দায়িত্বভাৰৰ কথা। ভাইটিক বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ভন্টিকেইজনীক পাঠশালা মজলীয়া বিদ্যালয় আৰু ছোৱালী হাইস্কুলত ভাগে ভাগে নাম লগাই দিয়া হ'ল। একে সময়তে মোৰো কলেজীয়া জীৱনৰ আদিপাঠ আৰম্ভ হ'ল, বজালী মহাবিদ্যালয়ৰ প্ৰাক-বিশ্ববিদ্যালয় বিজ্ঞান শ্ৰেণীত। লগ পালোঁ, বজালী কলেজৰ সেই সময়ৰ স্বনামধন্য আৰু নমস্য অধ্যাপকসকলক, যিসকলৰ প্ৰচেষ্টাত মোৰ শিক্ষা জীৱনৰ গুৰুত্বপুৰ্ণ সময়ছোৱা এটা নিৰ্দিষ্ট আৰু সঠিক দিশত আগবাঢ়িবলৈ আৰম্ভ কৰিছিল। আগতেই উল্লেখ কৰিছোঁ যে একপ্ৰকাৰ অভিভাৱকহীন অৱস্থাত আমি পাঠশালাবাসী হ'বলৈ আহিছিলোঁ। নিজস্ব স্থায়ী ঠিকনা নোহোৱা, তাতেই অভিভাৱকহীন এটা পৰিয়াল, কেনে এক পৰিস্থিতিৰ মাজেৰে আগবাঢ়িব লগা হৈছিলোঁ সেইটো সহজেই অনুমেয়। ১৯৮২ চনৰ বিখ্যাত অসম আন্দোলনৰ ভৰপক সময়, চাৰিওফালে এক অস্থিৰ পৰিস্থিতি।তাৰ মাজতেই এখন নতুন ঠাইত ভৰি দি এটা পৰিয়ালৰ দায়িত্ব মূৰ পাতি লৈ আগুৱাবলৈ সঁচাকৈয়ে এক তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল মোৰ মা, লগতে পৰিয়ালৰ প্ৰথম সন্তান হিচাপে মোৰ ওপৰতো আহি পৰিছিল এৰাব নোৱাৰা দায়িত্ববোধ। এনেদৰেই দিনবোৰ লাহে লাহে পাৰ হ'বলৈ আৰম্ভ কৰিছিল, মহাবিদ্যালয়ত

মোৰ শ্ৰেণীসমূহ নিয়মিতৰূপত চলিবলৈ আৰম্ভ কৰিলে। মহাবিদ্যালয়ত লাহে লাহে পৰিচিত হ'লোঁ বিভিন্ন বিভাগৰ অধ্যাপকসকলৰ লগত, তেখেতসকলৰ বিভিন্ন বিষয়ৰ ৰসাল আৰু মনোজ্ঞ শ্ৰেণীকোঠাৰ বক্তৃতাসমূহৰ মাজেৰে। সেই সময়ত বজালী মহাবিদ্যালয়ত দুজন 'হেম শৰ্মা' নামৰ ছাৰ আছিল। দুয়োজনেই নিজৰ নিজৰ বিষয়ত খ্যাতিসম্পন্ন অধ্যাপক। এজন হ'ল গণিত বিভাগৰ হেমকান্ত শৰ্মাছাৰ আৰু আনজন হ'ল উদ্ভিদবিজ্ঞান বিভাগৰ হেমচন্দ্ৰ শৰ্মাছাৰ। জীৱবিজ্ঞান বিষয়টো নথকা কাৰণে মহাবিদ্যালয়ৰ শ্ৰেণীত মই হেমচন্দ্ৰ শৰ্মাছাৰক লগ পোৱাৰ সুবিধা পোৱা নাছিলোঁ যদিও বিভিন্ন অনুষ্ঠানত তেখেতৰ ৰসাল কথা শুনাৰ সৌভাগ্য হ'লে হৈছিল। তদুপৰি তেখেতৰ ঘৰ আৰু আমি থকিবলৈ লোৱা ঘৰটো একেটাই পথত হোৱা বাবে তেখেতক প্ৰায়ে ৰাস্তাত দেখাৰ সুবিধা হৈছিল। এদিনাখনৰ কথা। মোৰ ভাইটি তেতিয়া সৰু, পঞ্চম শ্ৰেণীত পঢ়ে। কিছু পৰিমাণে অঘাইতং। আবেলি চোতালত থকা চাইকেলখন লৈ থিতাতেই মূল পথ পালেগৈ আৰু হাফ পেডেল মাৰি বিপদজনকভাৱে মূল পথত চাইকেল চলাবলৈ চেষ্টা কৰিলে। সেইখিনি সময়তে তাত উপস্থিত হৈছিল হেমচন্দ্ৰ শৰ্মাছাৰ। তেখেতে ভাইটিৰ চাইকেলখন নিজে ধৰি আমাৰ পদূলিলৈ সোমাই আহিল, —'এটু কাৰ ছ'লি? ঘৰৰ মানহুগিলাই ঘুমে থাকোঁতে ছ'লি চাইকেল লৈ ৰাস্তা উঠবা কেন্‌কে পাল্লাক? মই দেখা পালু বুলিহে, নহ'লি এখনি সময়ত ছ'লিক বিচাৰি হস্পিটেল পাবা লাগলাকহৈ!'

সেয়াই আছিল ছাৰৰ আমাৰ ঘৰত প্ৰথম প্ৰৱেশ, তাকো এজন দায়িত্বশীল অভিভাৱকৰ ৰূপত। ছাৰে আমাৰ ঘৰলৈ সেইদিনা প্ৰথমবাৰৰ বাবে আহি কিছু সময় বহিছিল, গম লৈছিল আমাৰ পৰিয়ালটোৰ বিষয়ে, কি পৰিস্থিতিত আমি পাঠশালাবাসী হ'ব লগা হ'ল এই সকলোবোৰ কথাৰেই এক সম্যক ধাৰণা লৈ তেখেত সিদিনা উভতি গৈছিল নিজ ঘৰলৈ। স্বাভাৱিকভাৱেই যাবৰ পৰত ভাইটিক অভিভাৱক সুলভ গাম্ভীৰ্য্যৰে সকীয়াই গৈছিল চাইকেল লৈ আৰু যাতে তেনেদৰে অকলে ৰাস্তাত নুঠে। সেয়াই আৰম্ভণি, তাৰ পাছতেই ছাৰ হৈ পৰিছিল আমাৰ পৰিয়ালৰ অভিভাৱকসদৃশ এজন প্ৰকৃত শুভাকাংক্ষী। লাহে লাহে ছাৰৰ ঘৰখনৰ লগতো আমাৰ সম্পৰ্কই পোখা মেলিছিল। বাইদেউ পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী। সেই সূত্ৰে ভণ্টিকেইজনীৰ স্কুলৰ বিভিন্ন সমস্যাৰ সমাধান সূত্ৰ বিচাৰি বাইদেউৰ লগত আলোচনা কৰিবলগীয়া হৈছিল। স্বাভাৱিকতেই এই সকলোবোৰৰ গুৰি ধৰিছিল ছাৰে নিজেই। উদ্ভিদবিজ্ঞান মোৰ বিষয় নহ'লেও আৰু মহাবিদ্যালয়ত তেখেতৰ ক্লাছ কৰাৰ সুযোগ নাপালেও দূৰৈৰপৰা মোক দেখিলেও এবাৰ খবৰ কৰিছিল। অৰ্থাৎ তেখেত হৈ পৰিছিল মহাবিদ্যালয়ৰ ভিতৰে

বাহিৰে মোৰ অভিভাৱক। তেখেতৰ পুত্ৰ জয়ন্তদাৰ লগত পৰিচয় কৰাই দিছিল ছাৰে নিজেই। মোতকৈ দুবছৰ ডাঙৰ জয়ন্তদাৰপৰা পঢ়াশুনাৰ ক্ষেত্ৰত যিকোনো সহায় লাগিলে বিচাৰিবলৈ তেখেতেই আগ্ৰহেৰে কৈছিল। জয়ন্তদাৰ লগত আৰম্ভ হোৱা সেই ভাতৃত্বসুলভ বন্ধুত্ব আজিও একেদৰেই অব্যাহত আছে।

ছাৰ বৰ ৰসিক আছিল। আমাৰ ঘৰলৈ আহিয়েই প্ৰথমতেই মোৰ লগতে ভাইটি আৰু ভণ্টিকেইজনীৰ প্ৰতিজনৰেই পঢ়াৰ খবৰ লয় কাৰণেই পদূলিমুখত ছাৰৰ মাত শুনিলেই সিহঁত পিছফালে গৈ নেদেখা হয়। ছাৰে কথাটো জানিছিল, সেয়েহে কেতিয়াবা মনে মনে আহি আটাইকেইটা পঢ়া টেবুলত আছে নে নাই চাই লৈহে কথা আৰম্ভ কৰিছিল। ছাৰৰ সৰলতাৰে ভৰা কথাবোৰে শ্ৰোতাৰ অন্তৰ সহজেই দখল কৰিব পাৰিছিল। ব্যক্তিগতভাৱে ছাৰ যথেষ্ট খুহুতীয়া আৰু ৰসাল হৃদয়ৰ লোক আছিল। সেই কথা তেখেতৰ প্ৰতিজন গুণমুগ্ধ ছাত্ৰই শ্ৰদ্ধাৰে স্মৰণ কৰে।

সময়ৰ তীব্ৰ গতিৰ লগত তাল মিলাই চলিবলৈ আমি সকলোৱেই বাধ্য। প্ৰাক্-বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা সফলতাৰে সম্পন্ন কৰি মই আভিযান্ত্ৰিক মহাবিদ্যালয়ত পঢ়িবলৈ গ'লোঁ ১৯৮৫ চনত। মই নথকাৰ পাছতো ছাৰে নিয়মীয়াকৈ আমাৰ ঘৰৰ খবৰ ৰাখিছিল, অভিভাৱকৰূপে তেখেতৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। কিন্তু আমি কোনেও অনুমান কৰিব পৰা নাছিলোঁ, ছাৰে যে ইমান সোনকালে সকলোৰেপৰাই বিদায় ল'ব।মহাবিদ্যালয়ৰ অধ্যাপকৰূপে তেখেতে অৱসৰ ল'বলৈ তেতিয়াও বহু বাকী। মোৰ আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষা শেষ নৌহওতেই ১৯৮৮ চনৰ আগষ্ট মাহত তেখেতে আকস্মিকভাৱে ইহজগতৰ পৰা বিদায় লয়। সঁচাকৈয়ে সেয়া আছিল এক অপূৰণীয় ক্ষতি আমাৰ বাবেও। আমি যেন দ্বিতীয়বাৰৰ বাবেও অভিভাৱকহীন হ'লোঁ। ছাৰৰ অভিভাৱকসুলভ মৰমৰ ধমকিবোৰৰ পৰা চিৰদিনৰ বাবে বঞ্চিত হ'লোঁ। সঁচাকৈয়ে আমাৰ পৰিয়ালৰ বাবে সেইটো আছিল বৰ বেদনাদায়ক কথা, পাহৰিব নোৱাৰা কথা। আজিও আমাৰ স্মৃতিৰ মণিকোঠাত সযতনে সংৰক্ষিত কৰি ৰাখিছোঁ ছাৰৰ স্মৃতি। এতিয়াও সজীৱ হৈ আছে ছাৰৰ সংস্পৰ্শত ধন্য হৈ উঠা সৰু সৰু একোটা মুহূৰ্তৰ ছবি। প্ৰয়োজন হ'লেই বিচাৰি চাওঁ তেখেতৰ স্মৃতি, সজীৱ হৈ পৰোঁ পুনৰবাৰ। স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাছাৰৰ স্মৃতিত সেয়েহে আজি শ্ৰদ্ধাৰে পুনৰবাৰ মূৰ দোৱাইছোঁ। ■

- *লিখক ভাৰত সঞ্চাৰ নিগম লিমিটেডৰ প্ৰাক্তন জ্যেষ্ঠ অভিযন্তা, হেমচন্দ্ৰ শৰ্মাৰ প্ৰাক্তন ছাত্ৰ আৰু 'মণিকূট' প্ৰকাশনৰ স্বত্বাধিকাৰী।*

# কালিন্দী তীৰৰ হেম

## মথুৰা মোহন গোস্বামী

“হে কালিন্দী, শত শত জনমৰ
সঞ্চিত আশাৰ বতৰা,
দিয়া তুমি সোঁৰৰাই হিয়াৰ মাজত।
কতজনে দিনে দিনে প্ৰহৰে প্ৰহৰে,
তোমাৰ কাষত বহি মনৰ কথাকে
ভাৱে, নিৰ্জন স্থানত।”

সেই কালিন্দী পাৰতেই জালিখাটা নামৰ বজালীৰ গাঁওখনতেই জন্ম গ্ৰহণ কৰিছিল, হেমচন্দ্ৰ শৰ্মা। পুষ্পচন্দ্ৰ শৰ্মাৰ ঔৰষত আৰু সাবিত্ৰী দেৱীৰ গৰ্ভত তেওঁ জন্মগ্ৰহণ কৰিছিল। প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা গাঁৰৰ প্ৰাথমিক বিদ্যালয়তে গ্ৰহণ কৰিছিল। বৰ্তমান জালিখাটাৰ বৰগছজোপাই অসমৰ মানচিত্ৰত বিশেষ স্থান লাভ কৰিছে। তেখেতৰ জন্ম হৈছিল ১৯৩২ চনৰ ২৩ অক্টোবৰ তাৰিখে। জ্যেষ্ঠ ভ্ৰাতা মধুনাথ, দ্বিতীয় হেম, তৃতীয় প্ৰভাত আৰু কনিষ্ঠ মহেশ। একমাত্ৰ ভনীজনী হ’ল অৱলা। মধ্যবিত্ত পৰিয়ালটো শিক্ষা-দীক্ষাত বিশেষ আগবঢ়া আছিল। এনেকুৱা ভিতৰুৱা গাঁও এখনত এনেকুৱা পৰিয়াল বিশেষ উদাহৰণস্বৰূপ। কনিষ্ঠ মহেশ মোৰ সহপাঠী আছিল। সেই হেতুকে হেম শৰ্মাৰ পৰা সহোদৰ ভ্ৰাতৃৰ দৰে মৰম পাইছিলোঁ।

সেই সময়ত আদৰ্শ প্ৰধান শিক্ষক হৰেন্দ্ৰ নাথ শৰ্মাৰ ‘পাটাছাৰকুছি বিদ্যাপীঠ’ অসমৰ নামজ্বলা বিদ্যালয়। তেখেতৰপৰা অনেক ছাত্ৰ-ছাত্ৰী অনুপ্ৰাণিত হৈ শিক্ষাজগতত সুনাম কঢ়িয়াবৰ বাবে সমৰ্থ হৈছিল। ১৯৫২ চনত এই স্কুলৰপৰাই মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈ হেম শৰ্মাই সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। সেই একে চনতেই আমি বিদ্যাপীঠত চতুৰ্থ শ্ৰেণীত নামভৰ্তি কৰিছিলোঁ। অৱশ্যে স্কুলীয়া জীৱনত তেখেতক পোৱাৰ সুযোগ নাপালোঁ। অন্য এজন হেমকান্ত শৰ্মাক বিদ্যাপীঠৰ সাধাৰণ সম্পাদক হিচাপে লগ পাওঁ। তেতিয়াৰ দিনত ওপৰ মহলাৰ ছাত্ৰ-ছাত্ৰীৰ লগত তলৰ মহলাৰ ছাত্ৰ-ছাত্ৰীৰ কথা-বতৰা পতাটো প্ৰচলিত নাছিল।

হেমচন্দ্ৰ শৰ্মাই বি.এছচি. পাছ কৰে ১৯৫৬ চনত আৰু এম.এছচি. পাছ কৰে ১৯৫৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা। তাৰ পিছত তেখেতে চাকৰি জীৱন আৰম্ভ কৰে। উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত প্ৰথমে শিক্ষকতা কৰে। কিন্তু তাত বেছিদিন চাকৰি নকৰি, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উদ্ভিদবিজ্ঞানৰ শিক্ষক হিচাপে কামত যোগদান কৰে। তেতিয়া আমাৰ দ্বিতীয় দাদা দ্বিজেন্দ্ৰ নাথ গোস্বামীয়ে উক্ত স্কুলতেই শিক্ষকতা কৰিছিল। দাদাই ১৯৫৫ চনৰেপৰা সেই স্কুলত বি.এছচি. শিক্ষক হিচাপে শিক্ষাদান কাৰ্য্য চলাইছিল। তেতিয়াৰপৰা হেমচন্দ্ৰ শৰ্মাৰ লগত আমাৰ সম্বন্ধ গাঢ় হৈ পৰে। কিন্তু শৰ্মাদেৱ ১৯৬৩ চনত বজালী মহাবিদ্যালয়ত উদ্ভিদবিজ্ঞানৰ শিক্ষক হিচাপে নিয়োজিত হয়। তেতিয়াৰপৰা সদাহাস্যবদন শিক্ষকজনক আমি লগ পোৱাৰ সৌভাগ্য হয়। কাৰণ আমি ১৯৬১ চনৰপৰাই বজালী মহাবিদ্যালয়ৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ আছিলোঁ।

বজালী মহাবিদ্যালয়ত তিনিজন হেমৰ ত্ৰিবেণী সঙ্গম হৈছিল। সেই বছৰৰপৰা মহাবিদ্যালয়ত চাৰিটা বিষয়ৰ অনাৰ্চ খোলা হৈছিল— গণিত, অসমীয়া, বুৰঞ্জী আৰু অৰ্থবিজ্ঞান। তিনিজন হেমৰ ভিতৰত উদ্ভিদবিজ্ঞানৰ হেমচন্দ্ৰ শৰ্মা, গণিতৰ হেমকান্ত শৰ্মা আৰু বুৰঞ্জীৰ হেমন্ত কুমাৰ শৰ্মা। তিনিওজন আমাৰ প্ৰিয় শিক্ষক আছিল। সেই সময়ত বজালী মহাবিদ্যালয়লৈ আহিছিল, ভূগোলবিজ্ঞানৰ শিক্ষক জীৱনকৃষ্ণ পাত্ৰছাৰ। তেখেত অসমীয়াপ্ৰেমী আছিল, সেই বাবে সুদূৰ উৰিষ্যাৰপৰা আহি অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। তেখেতে আমাক অসমীয়া অনাৰ্চত হিন্দী সাহিত্য, উড়িয়া সাহিত্য আৰু বাংলা সাহিত্য পঢ়ুৱাইছিল। শিক্ষক হিচাপে তেওঁ আমাৰ বৰ প্ৰিয় আছিল। মোৰ সাহিত্যিক জীৱনত পাত্ৰছাৰে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। অসমীয়া অনাৰ্চত ছাত্ৰ-ছাত্ৰী সাতজনমান, বাকীবোৰত এজন দুজন। গণিতত হৰিহৰ শৰ্মা আৰু অৰ্থবিজ্ঞানত ৰেণু বড়ো আছিল।

আমি পঢ়ি থকা অৱস্থাত চাকৰি কৰা শিক্ষকসকল ইহজগতত প্ৰায় নাই। হেমচন্দ্ৰ শৰ্মাই ১৯৮৮ চনত ইহসংসাৰৰপৰা বিদায় ল'লে। তেখেতৰ সহধৰ্মিণী চাৰু দেৱীয়েও ১৯৯৯ চনত মৃত্যুবৰণ কৰিলে। তেতিয়াও শৰ্মাদেৱৰ চাৰিবছৰ কাল চাকৰি বাকী আছিল। তেখেতেৰ সমসাময়িক শিক্ষক দুজনমান এতিয়াও আছে।

তেখেতৰ ঘৰৰ মহেশৰ লগতেই যে সম্বন্ধ আছিল এনে নহয়, প্ৰভাত শৰ্মাৰ লগতো আমাৰ বিশেষ সম্বন্ধ গঢ়ি উঠিছিল। ১৯৮৭ চনত অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশন অনুষ্ঠিত হৈছিল। ঠিক এবছৰ পিছতেই, অৰ্থাৎ ১৯৮৮ চনত বজালীৰ প্ৰথম সত্ৰ গোবিন্দপুৰ সত্ৰৰ দামোদৰদেৱৰ ৫০০ বছৰীয়া জন্মোৎসৱ অসম ভিত্তিত পালন

কৰা হৈছিল। অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শৰ্মা ছাৰ সমিতিৰ কাৰ্য্যকৰী সভাপতি, মই স্মৃতিগ্ৰন্থৰ সম্পাদক আৰু প্ৰভাত শৰ্মাই কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাপে কাম কৰিছিল। অধ্যক্ষ শৰ্মা ছাৰৰ গাড়ীত উঠি ধন সংগ্ৰহৰ বাবে বিভিন্ন ঠাইলৈ গৈছিলোঁ। আমি সেইসময়ত বজালী দামোদৰ সেৱা সমিতিৰ সম্পাদক আছিল বীৰেণ পাটগিৰী। আটাইবোৰে একেলগে গৈ ধন সংগ্ৰহ কৰিছিলোঁ। দুপৰীয়াৰ আহাৰ আটাইবোৰে মোৰ ঘৰত গ্ৰহণ কৰিছিল। এইদৰে প্ৰভাতৰ লগতো মোৰ বিশেষ সম্বন্ধ গঢ়ি উঠিছিল। একেদৰে মহাবিদ্যালয়ৰ শিক্ষক আৰু প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীক লগ পোৱাৰ আমাৰ সুযোগ হৈছিল, কাৰণ দাদা বিপিন গোস্বামীৰ "বজালী পুস্তকালয়" সেই সময়ৰ জনপ্ৰিয় কিতাপৰ দোকান আছিল। দোকানখন আছিল পাঠশালাৰ জ্যোতিনগৰত সোমোৱা ৰাস্তাৰ উত্তৰ দিশত। তাত হেমচন্দ্ৰ শৰ্মাক প্ৰায়ে দেখা পাইছিলোঁ। তেখেতে খোজকাঢ়িয়েই সেই ৰাস্তাৰে অহা-যোৱা কৰিছিল।

তেখেতৰ চাৰিজন ভাই-ককাইৰ এজন ছাৰ, এজন সহপাঠী আৰু এজন বন্ধুৰ নিচিনা। মই সৰুক্ষেত্ৰীত থকা সময়ত সম্বন্ধ কিছু কমি গ'ল যদিও, কালিন্দী নদীৰ পাৰৰ সেই শুভ্ৰ বসন পৰিধান কৰা, অতি পৰিপাটি মানুহজন মনৰ মাজতে আছিল। তেতিয়া টি. ভি., ফোন আদিৰ ব্যৱহাৰো নাছিল। কেৱল মাৰোৱাৰীৰ দোকানতহে ফোন দেখাৰ সৌভাগ্য হৈছিল। সেইবাবে মৃত্যুৰ সময়ত তেখেতক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা নহ'ল। গতিকে এতিয়াই তেখেতৰ বিদেহ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। শেষত এটি এফাকি কবিতাৰে এই চমু লেখাৰ সামৰণি মাৰিলোঁ।

"ভাগি গ'ল বীণখনি
ছিগি গ'ল তাঁৰ,
ৰৈ গ'ল অৱশেষ
অমিয়া জোকাৰ।"

সকলোকে ভগৱানে কৃপা কৰক। সকলো মানুহ সুখে-সন্তোষে পৃথিৱীত জীয়াই থাকক। শান্তি প্ৰতিষ্ঠা হওক। এয়ে আমাৰ আশা। ■

- *লিখক বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, বজালীৰ গোবিন্দপুৰ সত্ৰৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আৰু হেমচন্দ্ৰ শৰ্মাৰ প্ৰাক্তন ছাত্ৰ।*

# চিৰনমস্য হেমচন্দ্ৰ শৰ্মাছাৰৰ সোঁৱৰণত

## দিবাকৰ গোস্বামী

১৯৭৮ চনৰ আগষ্ট মাহৰ কোনোবা এটা দিনত প্ৰথমবাৰৰ বাবে ছাৰক লগ পাইছিলোঁ। বজালী মহাবিদ্যালয়ত স্নাতক শ্ৰেণীৰ বিজ্ঞান শাখাৰ প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰি উদ্ভিদবিজ্ঞান বিভাগত সন্মান (honours) পাঠ্যক্ৰম লোৱাৰ বাবে বিভাগীয় মুৰব্বীক বিচাৰি গৈছিলোঁ। বিভাগৰ কৰ্মচাৰী এজনে মধ্যবয়সীয়া, পাতল মাখন ৰঙৰ কামিজ পৰিহিত ব্যক্তি এজনলৈ আঙুলিয়াই দি কৈছিল তেখেতেই বিভাগীয় মুৰব্বী। চুচুক-চামাককৈ অনুমতি লৈ কোঠাত প্ৰৱেশ কৰিলোঁ। মিচিকিয়া হাঁহি মাৰি সুধিলে— কি লাগে? মোৰ কথাখিনি কলোঁ। সেয়াই আৰম্ভণি। তাৰ পিছৰ দুটা বছৰ ছাৰৰ মুখত সেই একেটা হাঁহিকে দেখিছিলোঁ।

উদ্ভিদবিজ্ঞান বিভাগৰ পাঠ্যক্ৰমৰ ছাত্ৰ হিচাপে সম্পূৰ্ণ দুটা বছৰ ছাৰৰ একেবাৰে কাষে কাষে আছিলোঁ। কিয় নাজানো, মোৰ প্ৰতি ছাৰৰ আনতকৈ বোধহয় অলপ বেছি মৰম আছিল। ক্ৰমে এটা ঘৰুৱা সম্পৰ্কও গঢ়ি উঠিছিল। পাঠশালাৰ জ্যোতিনগৰত থকা ছাৰৰ ঘৰলৈ প্ৰায়ে গৈছিলোঁ। পাঠ্যক্ৰমৰ উপৰিও সমসাময়িক ৰাজনীতি, সমাজ সম্পৰ্কত ছাৰৰ লগত বিভিন্ন আলোচনা কৰিছিলোঁ। মই বামপন্থী ৰাজনীতিৰ লগত সক্ৰিয়ভাৱে জড়িত আছিলোঁ। গতিকে স্বাভাৱিকতে কিছুমান বিষয়ত ছাৰৰ লগত তৰ্কযুদ্ধতো অৱতীৰ্ণ হৈছিলোঁ। ছাৰৰ ভাতৃ এগৰাকী বামপন্থী ৰাজনীতিৰ সক্ৰিয় কৰ্মী আছিল। ছাৰ যদিও কোনো ৰাজনীতিৰ লগত জড়িত নাছিল, তথাপিও মোৰ এনে ভাৱ হয় যে তেখেতে মনে মনে বামপন্থী আদৰ্শকে সমৰ্থন কৰিছিল। কেতিয়াবা দীৰ্ঘ সময় ধৰি মই আৰু ছাৰৰ ভাতৃ ধৰণী শৰ্মাই ছাৰৰ লগত তৰ্ক কৰিছিলোঁ। পিছত বুজিছিলোঁ যে ছাৰে বিষয় এটাৰ অৱতাৰণা কৰি ইচ্ছাকৃতভাৱেই আমাক তৰ্কত প্ৰবৃত্ত কৰাইছিল। মই মহাবিদ্যালয়ৰ শিক্ষক হিচাপে চাকৰিত যোগদান কৰাৰ পিছত এদিন ছাৰৰ লগত দেখা হওতে তেখেতে এই প্ৰসঙ্গৰ অৱতাৰণা কৰিছিল।

মই অনিয়মীয়া ছাত্ৰ আছিলোঁ, যদিও ছাৰৰ শ্ৰেণীত উপস্থিত থাকিবলৈ সদায় চেষ্টা কৰিছিলোঁ। বিষয়বস্তু প্ৰাঞ্জলকৈ ব্যাখ্যা কৰি হাঁহি-ধেমালিৰে ছাৰে শ্ৰেণীত পাঠদান

কৰিছিল। আমি সকলোৱে ছাৰৰ পাঠদান সুন্দৰভাৱে উপভোগ কৰিছিলোঁ। ফলত তেখেতৰ পাঠ্যক্ৰম আমাৰ বাবে সহজবোধ্য হৈ পৰিছিল। ছাৰ শ্ৰেণীত সদায় নিয়মীয়া আছিল। গুৰুতৰ শাৰীৰিক অসুস্থতাৰ বাহিৰে ছাৰ সদায় শ্ৰেণীত উপস্থিত আছিল। সেইসময়ৰ শিক্ষকৰ সময়ানুৱৰ্তিতা, শৃংখলা, কৰ্তব্যবোধ আজিৰ বেছিভাগ শিক্ষকে কল্পনাও কৰিব নোৱাৰে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব বিচাৰিছোঁ যে সেই সময়ৰ বজালী মহাবিদ্যালয়ৰ আন এজন শিক্ষক আমাৰ বাবে আদৰ্শ ব্যক্তি আছিল। তেখেতৰ নামো ছাৰৰ সৈতে একেই। তেখেত হৈছে অংক বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধেয় হেমকান্ত শৰ্মা ছাৰ। সদায় একে ৰঙৰ পোছাক পিন্ধি চাইকেলৰ পিছফালৰ কেৰিয়াৰত দুখন অংকৰ কিতাপ লৈ চাইকেল চলাই বামুণকুছিৰ ঘৰৰপৰা ছাৰ মহাবিদ্যালয়লৈ আহিছিল। বিভিন্ন কাৰণত আমাৰ বিভাগৰ দুজনমান শিক্ষকে মোক পেটে পেটে বেয়া পাইছিল। পৰোক্ষভাৱে ছাৰে মোক এই কথাটো জনাইছিল আৰু পৰাপক্ষত প্ৰতিবাদ নকৰি সুসম্পৰ্ক বজাই ৰাখিবলৈ পৰামৰ্শ দিছিল।

সত্তৰৰ দশকত বজালী মহাবিদ্যালয় অসমৰ অন্যতম উচ্চশিক্ষাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল, বিশেষকৈ বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত। সমগ্ৰ উত্তৰ পাৰৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞানত উচ্চশিক্ষাৰ বাবে বজালী মহাবিদ্যালয়কে অগ্ৰাধিকাৰ দিছিল। একাংশ একনিষ্ঠ, ছাত্ৰপ্ৰাণ শিক্ষক-শিক্ষয়ত্ৰীৰ বাবে এয়া সম্ভৱ হৈ উঠিছিল। শৰ্মাছাৰো এইসকলৰ এজন। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ উপৰি ব্যক্তিগত সুবিধা-অসুবিধাৰ প্ৰতি তেওঁ লক্ষ্য ৰাখিছিল আৰু এনে অসুবিধাবোৰ আঁতৰ কৰি ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। দ্বিতীয় বাৰ্ষিকত মোৰ বাসস্থানৰ অসুবিধা হোৱাত ছাৰেই মহাবিদ্যালয়ৰ একেবাৰে কাষতে এটা সুন্দৰ আৰু সকলো সুবিধা থকা ভাড়াঘৰৰ ব্যৱস্থা কৰি দিছিল। ব্যৱহাৰিক শ্ৰেণীবোৰত প্ৰথমৰপৰা শেষলৈ উপস্থিত থাকি নিজেও হাতে কামে লাগি ছাত্ৰ-ছাত্ৰীক সহায় কৰিছিল। তেওঁ সদায় বিষয়টো পাঠ্যপুথিৰপৰা উলিয়াই আনি দৈনন্দিন জীৱনত ৰজিতা খুৱাই সহজবোধ্য কৰি তুলিছিল। ছাৰৰ মুখত সদায় লাগি থকা বাক্য এটা আছিল, "প্ৰকৃতিয়েই উদ্ভিদবিজ্ঞানৰ সৰ্বশ্ৰেষ্ঠ পাঠ্যপুথি" —মাথোন ইয়াক পঢ়িব জানিব লাগে। আজিকালি লক্ষ্য কৰিছোঁ উদ্ভিদ বিজ্ঞানত প্ৰথম শ্ৰেণী পোৱা ছাত্ৰ এজনে বিভাগৰ নিচেই কাষতে থকা গছজোপাও চিনি নাপায়। অথচ সেইজোপা গছৰ তলতে তেওঁ তিনি বছৰ বহিছে। পুথিগত বিদ্যাৰ বাহিৰে আনএকোতে কোনো কৌতূহল নাই।

অপ্ৰিয় হ'লেও প্ৰসংগক্ৰমে উল্লেখ কৰিবলৈ বাধ্য হৈছোঁ যে সেই সময়ত বজালী মহাবিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক-শিক্ষয়ত্ৰীসকলৰ মাজত দৃষ্টিকটুভাৱে জাতিগত সাম্প্ৰদায়িকতা প্ৰকট আছিল। ইয়াৰ প্ৰভাৱ মহাবিদ্যালয় চৌহদৰ বাহিৰত বজালীৰ

সমাজ জীৱনতো লক্ষ্য কৰিছিলোঁ। কিন্তু ছাত্ৰ-ছাত্ৰীৰ মাজত এই সংকীৰ্ণতা লেশমানো নাছিল।

উদ্ভিদবিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ক্ষেত্ৰ অধ্যয়ন আৰু টোকা প্ৰস্তুত কৰাটো পাঠ্যক্ৰমৰ অন্তৰ্গত। আমাৰ প্ৰথম বাৰ্ষিকৰ ক্ষেত্ৰ অধ্যয়নৰ তত্ত্বাৱধায়ক আছিল শৰ্মাছাৰ। লক্ষ্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ বিভাগীয় উদ্যান। সেই সময়ত স্নাতকোত্তৰ ছাত্ৰসন্থাৰ সম্পাদক আছিল পাঠশালাৰ কৃতী ছাত্ৰ ব্ৰজনাথ শৰ্মা। ছাৰে তেখেতৰ লগত যোগাযোগ কৰি সকলো ব্যৱস্থা আগতীয়াকৈ কৰি ৰাখিছিল। ৰাতিপুৱা পাঁচ বজাত পাঠশালা ষ্টেচনত ৰে'লত উঠাৰ পৰাই ৰাতি আঠ বজাত ভ্ৰমণৰ সামৰণি পৰালৈ বিভিন্ন কথাৰে ছাৰে গোটেই ভ্ৰমণটোক উপভোগ্য কৰি তুলিছিল। ভাৰতীয় ৰেলৰ ইতিহাস সিদিনা প্ৰথম ছাৰৰ পৰাই শুনিছিলোঁ। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ খোৱা-বোৱা, ফুৰা-চকা আদিত ছাৰে তীক্ষ্ণ দৃষ্টি ৰাখিছিল। ফলত সমগ্ৰ ভ্ৰমণটো সকলোৰে বাবে সমানে উপভোগ্য হৈ উঠিছিল।

প্ৰায় দুকুৰি বছৰৰ পিছত আজি লিখি থাকোতে স্মৃতিৰ মণিকোঠাৰপৰা বহুতো সৰু-সুৰা স্মৃতিয়ে ভুমুকি মাৰিছে। সেই সকলোবোৰ উল্লেখ কৰি এই লেখাৰ কলেৱৰ বৃদ্ধি কৰিব খোজা নাই। ছাৰলৈ শ্ৰদ্ধা জনোৱাৰ এইকণ সুযোগ দিয়া বাবে তেখেতৰ সুযোগ্য বৰপুত্ৰলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আমাৰ মনৰ মণিকোঠাত ছাৰৰ স্মৃতি সদায় চিৰসেউজ হৈ থাকিব। ■

- *লিখক ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু হেমচন্দ্ৰ শৰ্মাৰ প্ৰাক্তন ছাত্ৰ।*

---

❖ জীৱন মানে ধুমুহা পাৰ হৈ যোৱাৰ বাবে অপেক্ষা কৰা নহয়, বৰষুণৰ মাজতে নাচিবলৈ শিকা।

**—ভিভিয়ান গ্ৰিন**

❖ আমি কল্পনা কৰিব পাৰোঁ যে, গতি কৰি থকা জটিল বস্তুৰ সজ্জাৰে তৈয়াৰী বিশ্বখন ভগৱানে খেলা এখন ডাঙৰ ডবাখেল আৰু আমি ইয়াৰ পৰ্য্যবেক্ষক।

**—ৰিচাৰ্ড ফাইনমেন**

❖ হে বিজ্ঞান, অধিবিজ্ঞানৰপৰা সাৱধান!

**—আইজাক নিউটন**

# শ্ৰদ্ধেয় শিক্ষাগুৰু হেমচন্দ্ৰ শৰ্মাছাৰৰ স্মৃতিত

## ড° সুৰেশ ডেকা

বজালী মহাবিদ্যালয়ত আমি নামভৰ্তি কৰা সময়ত দুজন হেম শৰ্মাৰ নাম শুনিছিলোঁ। এগৰাকী হৈছে হেমকান্ত শৰ্মা আৰু আনগৰাকী হৈছে হেমচন্দ্ৰ শৰ্মা। প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত পঢ়ি থাকোতেই হেমকান্ত শৰ্মা ছাৰৰ লগত আমাৰ চিনাকি। তেখেত আমাক অংকৰ অবকলন গণিত শিকাইছিল। তেখেতে অসমীয়া ভাষাত প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ বাবে অবকলন গণিতৰ কিতাপ এখনো লিখিছিল। আনহাতে তেতিয়ালৈকে হেমচন্দ্ৰ শৰ্মাছাৰৰ লগত আমাৰ চিনাকি হোৱা নাছিল। শুনিছিলোঁ তেখেত হেনো উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক। তেখেতে প্ৰাক্‌বিশ্ববিদ্যালয়ৰ নহয় ডিগ্ৰীৰ ছাত্ৰ-ছাত্ৰীৰহে ক্লাছ লয়।

প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী উত্তীৰ্ণ হৈ যেতিয়া বজালী মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীত নামভৰ্তি কৰি উদ্ভিদবিজ্ঞানত অনাৰ্চ লওঁ, তেতিয়াৰপৰাই উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হেমচন্দ্ৰ শৰ্মাছাৰৰ লগত আমাৰ পৰিচয়। দুয়োজন হেম শৰ্মাছাৰৰে শাৰীৰিক-ভাৱে কিছু মিল লক্ষ্য কৰিছিলোঁ— বিশেষকৈ দুয়োজন ছাৰৰে তালুত চুলি নাছিল আৰু মুখখন দীঘলীয়া অৰ্থাৎ জোঙা ধৰণৰ আছিল। এই মুহূৰ্তত মোৰ চকুৰ আগত দুয়োজন ছাৰৰে অবয়ৱ ভাঁহি উঠিছে।

সি যি কি নহওক, উদ্ভিদবিজ্ঞানত অনাৰ্চ লোৱাৰ লগে লগে বিভাগটোৰ আটাইবোৰ শিক্ষাগুৰুৰে নিকট সান্নিধ্যলৈ আহিবলৈ সুযোগ পালোঁ। দিনটোৰ বেছিভাগ সময়ে বিভাগত কটাওঁ। অনাৰ্চৰ ছাত্ৰ-ছাত্ৰী আমি মাথো নজন। বিভাগৰ ছাৰসকলে বহা কোঠালিৰ লগতে আমাৰ শ্ৰেণী কোঠা আৰু ছেমিনাৰ তথা লাইব্ৰেৰীৰ কোঠা। কোঠা মানে প্লাইবোৰ্ডেৰে পাৰ্টিচন দিয়া। গতিকে ছাৰসকলে পতা কথা আৰু আমি পতা কথা শুনিবলৈ পোৱা যায়। কোনো কথাই গোপনে নাথাকে। কেতিয়াবা কেতিয়াবা ছাৰসকলে বহা কোঠাৰপৰা কোনোবা এজনে আহি হয়তো আমাৰ কথাৰ লগত সংগতি ৰাখি কথা পাতে। আমি পঢ়া সময়ত এই বিভাগৰ মুৰব্বী অধ্যাপক হেমচন্দ্ৰ শৰ্মাছাৰৰ উপৰিও অন্যান্য শিক্ষাগুৰুসকল আছিল গিৰীন পাটগিৰি, হৰেন্দ্ৰ নাথ বৰুৱা, উপেন্দ্ৰ

চন্দ্ৰ দাস, তৰুণ চন্দ্ৰ হালৈ আৰু মৃগেন দাস। আমি পঢ়া সময়ত স্নাতকৰ পাঠ্যক্ৰম দুবছৰীয়া আছিল। দুবছৰৰ মূৰত বিশ্ববিদ্যালয়ে ফাইনেল পৰীক্ষা পাতিছিল। ফাইনেল পৰীক্ষাৰ লগত প্ৰথম বৰ্ষত পোৱা নম্বৰৰ কোনো সম্পৰ্ক নাছিল। প্ৰাক্‌বিশ্ববিদ্যালয় আৰু স্নাতকৰ পাছ কোৰ্ছৰ পুথি অসমীয়া মাধ্যমত প্ৰকাশ পাইছিল যদিও অনাৰ্চ বিষয়ৰ পুথি অসমীয়া মাধ্যমত প্ৰকাশ হৈ ওলোৱা নাছিল। এই পুথিবোৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি'ৰ জৰিয়তে প্ৰকাশ পাইছিল। ইয়াৰ আহ্বায়ক আছিল শ্ৰদ্ধেয় ভবেন্দ্ৰ নাথ শইকীয়াদেৱ।

কিতাপ নথকাৰ বাবে অনাৰ্চৰ প্ৰশ্নকাকতৰ উত্তৰ আমি ইংৰাজীতে লিখিছিলোঁ। অৱশ্যে, পাছ কোৰ্ছৰ বিষয়বোৰৰ প্ৰশ্নোত্তৰ অসমীয়া ভাষাতে লিখিছিলোঁ। অনাৰ্চৰ প্ৰশ্নোত্তৰ ইংৰাজীতে লিখিবলগীয়া হোৱা বাবে আমি প্ৰথম অৱস্থাত বৰ অসুবিধা পাইছিলোঁ। লাহে লাহে অৱশ্যে ইংৰাজীত লিখিব পৰা হৈছিলোঁ। এই ক্ষেত্ৰত শ্ৰদ্ধেয় শিক্ষাগুৰু শৰ্মাছাৰে ইংৰাজীত প্ৰশ্নৰ উত্তৰবোৰ কেনেকৈ লিখিব লাগে সেই বিষয়ে কিছুমান উপদেশ দিছিল। তেখেতে কৈছিল— "তোমালোকে পাঠ্যপুথিৰ যিটো অধ্যায় পঢ়া সেইটো পঢ়ি ভালদৰে বুজি ল'বা। তাৰ পিছত বহীত যি বুজিলা সেইখিনি নিজৰ ভাষাত ইংৰাজীতে লিখিবলৈ চেষ্টা কৰিবা। ইংৰাজী শব্দ কিবা মনত নাথাকিলে কিতাপখন আকৌ খুলি সেই শব্দটো চাই ল'বা। এনেদৰে যদি অধ্যায়টোত থকা কথাখিনি লিখি উলিয়াব পাৰা তেতিয়া পৰীক্ষাৰ সময়ত সেই অধ্যায়ৰপৰা অহা যিকোনো প্ৰশ্নৰে উত্তৰ দিব পাৰিবা।" ছাৰৰ এই উপদেশে মোক আজিও জীৱনত বহুত সহায় কৰি আহিছে। সঁচা কথা, বিষয়টোৰ সম্পৰ্কে সম্যক জ্ঞান থাকিলে ভাষা কেতিয়াও অন্তৰায় হ'ব নোৱাৰে।

ছাৰৰ স্মৃতি ৰোমন্থন কৰি থাকোঁতে আজি এই মুহূৰ্তত ছাৰৰ পূৰ্ণ অবয়ৱ মূৰ্তিটো মোৰ চকুৰ পটাত ভাঁহি উঠিছে। কাণত যেন শুনিবলৈ পাইছোঁ তেখেতৰ চিৰপৰিচিত সেই মাতটো। মানুহ এজন চিৰদিনৰ বাবে নোহোৱা হৈ গ'লেও কিন্তু তেওঁৰ নিকট সান্নিধ্যলৈ অহা মানুহৰ অন্তৰত ৰৈ যায় কিছুমান মচিব নোৱাৰা সাঁচ। প্ৰয়াত হেমচন্দ্ৰ শৰ্মাছাৰৰ লগত মোৰ সম্পৰ্ক শিক্ষাগুৰু হিচাপে মাথো দুবছৰৰ। কিন্তু এই দুবছৰতেই যেন শৰ্মাছাৰৰ লগত মোৰ সম্পৰ্কৰ এক নিকপ্‌কপীয়া বান্ধোনৰ সৃষ্টি হৈছিল।

অকল উদ্ভিদবিজ্ঞানৰ ছাত্ৰ হিচাপেই নহয়; ছাৰৰ লগত মোৰ অন্য এক সামাজিক সম্পৰ্কৰো সৃষ্টি হৈছিল। ছাৰে লিখা-মেলা কৰিছিল। বিশেষকৈ অসমীয়া সাহিত্যত তেখেতৰ ভাল দখল আছিল। সৰুৰপৰাই ময়ো গল্প, কবিতা আদি লিখিবলৈ চেষ্টা কৰিছিলোঁ। সেই সময়ত 'অসমবাণী' কাকতত 'মইনা পাৰিজাত চ'ৰা' বুলি এটি শিশুৰ কাৰণে শিতান আছিল। এই শিতানত মোৰ লেখা প্ৰায়ে প্ৰকাশ পাইছিল। পাঠশালাৰ

ওচৰৰ মুগুৰীয়া গাঁৱৰ মনোমোহন শৰ্মা নামৰ এজনেও এই শিতানত লিখিছিল। পিছত চিঠি-পত্ৰৰ জৰিয়তে মনোমোহন শৰ্মাৰ লগত আমাৰ পৰিচয় হৈছিল। লিখা-পঢ়াৰ জৰিয়তেই অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পাঠশালাৰ সতীশ চন্দ্ৰ চৌধুৰীদেৱৰ নামটোও মই শুনিছিলোঁ। বজালী মহাবিদ্যালয়ত নামভৰ্তি কৰি মনোমোহন শৰ্মাৰ লগত এদিন চিনাকি হোৱাৰ বাবে শ্ৰদ্ধেয় সতীশ চন্দ্ৰ চৌধুৰীদেৱৰ ওচৰ পালোহি। সেই সময়ত পাঠশালাৰ চাৰিআলিত চৌধুৰীদেৱৰ এখন চাইকেলৰ দোকান আছিল। তেখেতে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ লগতে আজৰি সময়ত দোকানত বহিছিল। সতীশ চন্দ্ৰ চৌধুৰীদেৱৰ লগত চিনাকি হোৱাৰ পিছত তেখেতৰ আমন্ত্ৰণক্ৰমে পাঠশালা সাহিত্য সভাৰ বৈঠকবোৰত ভাগ লোৱাৰ সৌভাগ্য হৈছিল। এই বৈঠকবোৰত হেমচন্দ্ৰ শৰ্মাছাৰেও উপস্থিত থাকি লেখা পাঠ কৰিছিল। পাঠশালা শাখা সাহিত্য সভাই বছৰেকীয়াভাৱে 'আলিপনা' নামৰ এখন আলোচনী প্ৰকাশ কৰি উলিয়াইছিল। শৰ্মাছাৰে এই 'আলিপনা'ৰো এটি নে দুটি সংখ্যা সম্পাদনা কৰিছিল। এইখিনিতে উল্লেখ কৰিব বিচাৰিছোঁ যে পাঠশালা সাহিত্য সভাই 'আলিপনা' আলোচনীখনৰ জৰিয়তে সদৌ অসম ভিত্তিত এখন গল্প প্ৰতিযোগিতা পাতিছিল। এই গল্প প্ৰতিযোগিতাত আমিও ভাগ লৈ পুৰস্কাৰ ল'বলৈ সক্ষম হৈছিলোঁ। পিছত আমাৰ সেই গল্পটো 'সেই দিনটোৰ বাবে' নামেৰে 'আলিপনা'ৰ পাতত প্ৰকাশ পাইছিল।

১৯৭৭ চনত বজালী মহাবিদ্যালয়ত 'অসম বিজ্ঞান সমিতি'ৰ বাৰ্ষিক অধিবেশনৰ লগতে এখন বিজ্ঞান প্ৰদৰ্শনীও অনুষ্ঠিত হৈছিল। তাত আমাৰ উদ্ভিদবিজ্ঞান বিভাগৰ পৰাও ষ্টল দিয়া হৈছিল। প্ৰদৰ্শনীৰ দিন ঠিক হোৱাৰ এমাহমান আগৰপৰাই আমাৰ ষ্টলত কি কি প্ৰদৰ্শন কৰা হ'ব, কেনেধৰণে কামবোৰ কৰিব লাগিব এই বিষয়ে মুৰব্বী অধ্যাপক হিচাপে ছাৰে বিভিন্ন দিহা-পৰামৰ্শ দিছিল আৰু নিতৌ আমাৰ কামৰ অগ্ৰগতিৰ বুজ লৈছিল। দিনে-ৰাতি একাকাৰ কৰি কৰা এই কামবোৰে ছাত্ৰ-শিক্ষকৰ মাজত এক নিগূঢ় সম্পৰ্ক গঢ়ি তুলিছিল।

উদ্ভিদবিজ্ঞানৰ অনাৰ্চৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতি বছৰে বনাঞ্চললৈ গৈ তাত থকা উদ্ভিদবোৰৰ বিষয়ে একো একোটা প্ৰতিবেদন ফটোৰে সৈতে দাখিল কৰিব লাগে। এই ভ্ৰমণবোৰলৈ ছাত্ৰ-ছাত্ৰীৰ লগতে পৰিচালক হিচাপে এগৰাকী শিক্ষকো লগত যায়। দ্বিতীয়বাৰ আমাৰ এই ভ্ৰমণটোৰ গুৰিয়াল আছিল শিক্ষাগুৰু হেমচন্দ্ৰ শৰ্মাছাৰ। আমাক ছাৰে সেইবেলি গুৱাহাটীৰ চিৰিয়াখানা আৰু বশিষ্ঠলৈ নি তাত থকা উদ্ভিদবোৰৰ লগত চিনাকি কৰাই দিছিল। ছাৰে বহুতো খুহুতীয়া কথাৰে আমাৰ এই ভ্ৰমণটো আনন্দময় কৰি তোলা কথাটো এতিয়াও মনত পৰে।

উদ্ভিদবিজ্ঞানৰ অনাৰ্চৰ ছাত্ৰ হিচাপে ছাৰৰ ঘৰলৈকে কেবাবাৰো গৈছিলোঁ। ১৯৭৬ চনত যেতিয়া ছাৰৰ ঘৰলৈ পোন প্ৰথমবাৰৰ বাবে গৈছিলোঁ তেতিয়া ছাৰৰ ডাঙৰ ল'ৰা জয়ন্ত (বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক) অষ্টম নে নৱম শ্ৰেণীৰ ছাত্ৰ আছিল। ছাৰ নাথাকিলেও জয়ন্তৰ লগত মোৰ সম্পৰ্কটো আজিকোপতি চলি আছে আৰু চলি থাকিব। ছাৰৰ বাইদেউৱে পাঠশালা ছোৱালী হাইস্কুলত শিক্ষকতা কৰিছিল। বাইদেউৰ লগতো আমাৰ সম্পৰ্ক এটি গঢ়ি উঠিছিল। ছাৰৰ ঘৰলৈ গ'লে বাইদেউৱে চাহ একাপ নুখুউৱাকৈ নপঠিয়াইছিল।

১৯৭৮ চনত আমি বজালী মহাবিদ্যালয়ৰপৰা বি. এছচি. পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ কটন মহাবিদ্যালয় (বৰ্তমান বিশ্ববিদ্যালয়)ৰ উদ্ভিদবিজ্ঞান বিভাগত নামভৰ্তি কৰিছিলোঁ। তাৰ পিছত আৰু বজালী মহাবিদ্যালয়লৈ ভালেমান বছৰ যোৱা হোৱা নাছিল। ছাৰসকলৰ লগতো সম্পৰ্ক ৰাখিব পৰা নাছিলোঁ— কিয়নো সেই সময়ত আজিকালিৰ দৰে ফোনৰ যোগাযোগ নাছিল। চিঠিৰেহে যোগাযোগ হৈছিল।

মই তেতিয়া দুধনৈ মহাবিদ্যালয়ত উদ্ভিদবিজ্ঞান বিভাগত শিক্ষকতা কৰি আছিলোঁ। ১৯৮৮ চনৰ ২৮ আগষ্ট তাৰিখে মোৰ বিভাগৰে সহকৰ্মী ড° প্ৰতাপ শৰ্মাই আমাৰ শিক্ষাগুৰু হেমচন্দ্ৰ শৰ্মা ছাৰৰ বিয়োগৰ খবৰটো দিছিল। ইয়াৰ কিছুদিন আগৰপৰাই ছাৰ এক দুৰাৰোগ্য ৰোগত অসুস্থ হৈ থকা খবৰটো পাইছিলোঁ। কিন্তু ছাৰৰ খবৰ এটি ল'বলৈ যোৱাৰ সময় উলিয়াব নোৱাৰিলোঁ। অন্তৰত দুখ এটি থাকি গ'ল।

আমাৰ মাজৰপৰা ছাৰ আঁতৰি যোৱা আজি প্ৰায় ত্ৰিছ বছৰকাল হৈ গ'ল। ইমান বছৰ পিছত হ'লেও যে তেখেতৰ সোঁৱৰণী গ্ৰন্থ এখন উলিয়াব যো-জা কৰিছে তাক জানিব পাৰি অত্যন্ত সুখী হৈছোঁ। এই ক্ষেত্ৰত ছাৰৰ বৰপুত্ৰ জয়ন্তক মই আন্তৰিক ধন্যবাদ জনাইছোঁ। সদৌ শেষত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰয়াত হেমচন্দ্ৰ শৰ্মাছাৰলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদিছোঁ। ■

- *লিখক গুৱাহাটীৰ 'ইনষ্টিটিউট অব্ এড্ভান্সড ষ্টাডীজ ইন্ ছায়েন্স এণ্ড টেক্নোলোজী'ৰ প্ৰাক্তন অধ্যাপক আৰু হেমচন্দ্ৰ শৰ্মাৰ প্ৰাক্তন ছাত্ৰ।*

---

❖ একঠা মাটি মই উপজিয়ে পাওঁ।
এমুঠি পেটৰ ভাত
এখনি কাপোৰ গাত
আজি কিয় তাকো নাপাওঁ?

**—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা**

# মানসপটত মোৰ জেঠীমা

## দীপা শৰ্মা

সুদীৰ্ঘ বছৰৰ অন্তত মোৰ মানসপটত উদ্ভাসিত হৈ থকা জেঠীমাৰ স্মৃতিত প্ৰণাম জনাই বিগত দিনবোৰৰ কথা সুঁৱৰিব খুজিছোঁ। জেঠীমাৰ স্মৃতিবিজড়িত দিনবোৰ ধূসৰ হৈ অহা সময়তে গম পালোঁ জয়ন্তদাই তেওঁৰ নামত এখন স্মৃতিগ্ৰন্থ উলিয়াবলৈ যো-জা কৰিছে। গতিকে বহুত পলমকৈ সুযোগ বুজি ময়ো তেওঁৰ স্মৃতিত অলপ লিখিবলৈ প্ৰয়াস কৰিছোঁ। তেওঁ মোক মাতৃৰ দৰে স্নেহ কৰিছিল। সেই মৰমৰ আনন্দৰ দিনবোৰৰ কথা লিখি শেষ কৰাটো সম্ভৱ নহয়, সেয়া মোৰ মৃত্যুলৈকে অন্তৰতে গঁথা থাকিব। গঁথা থাকিব তেওঁৰ কৰ্তব্যনিষ্ঠা, ল'ৰা-ছোৱালীৰ প্ৰতি দায়িত্ববোধৰ কথা।

মোৰ দেউতা আৰু জেঠা একেখন জালিখাটা গাঁৱত জন্ম হৈছিল। গতিকে সেইখন ঘৰৰ লগত আমাৰ ঘৰখনৰ এক মধুৰ সম্পৰ্ক আছিল। জেঠীৰ ছত্ৰছায়াত ডাঙৰ হ'লোঁ। গহীন স্বভাৱৰ কাৰণে ভিতৰি ভিতৰি ভয় কৰিছিলোঁ, পিছত তেওঁৰ মৰমসনা মাতত ভয়ৰ ভাৱ নাইকিয়া হৈ গৈছিল। কিমান হাঁহিৰে দিনবোৰ যে পাৰ হৈছিল! এদিন জেঠাৰ মৃত্যুত ঘৰখন শূন্য হৈ পৰিছিল। মই যে কিমান দুখ পাইছিলোঁ! দিনটোৰ বেছিভাগ সময় মই জেঠীৰ ঘৰখনতেই পাৰ কৰিছিলোঁ! এদিন জেঠীৰ স্কুলখনতেই মোৰ চাকৰি হ'ল। জেঠীয়ে বেছ কৰ্তব্যনিষ্ঠাৰে স্কুলখনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰীসকলক সু-অনুশাসনৰ বান্ধোনেৰে বান্ধি ৰাখিছিল। সময়বোৰ ধীৰে ধীৰে গৈ থাকিল।

এদিনাখন জেঠীয়ে স্কুলৰ চাকৰিৰ পৰা অৱসৰ ল'লে। তেওঁৰ শাৰীৰিক অসুস্থতা আৰম্ভ হ'ল।স্কুল ছুটী হ'লেই তেওঁ সদায় বাৰাণ্ডাত বহি মোলৈ বাট চাই আছিল। তেওঁ নিঃসঙ্গ হৈ পৰিছিল। মোৰ লগত বহুত কথা পাতিছিল। হয়তো বহুত বেদনা বুকুত বান্ধি এদিন সংসাৰৰ পৰা তেওঁ বিদায় ল'লে।

শেষত তেখেতৰ আত্মাই স্বৰ্গত স্থান লাভ কৰক, ভগৱানৰ ওচৰত এয়ে প্ৰাৰ্থনা। ■

- *লিখিকা পাঠশালা হাইস্কুলৰ শিক্ষয়িত্ৰী আৰু চাৰু দেৱীৰ প্ৰাক্তন ছাত্ৰী।*

# শিক্ষাগুৰু চাৰু দেৱীৰ চৰণকমলত ভক্তি-অঞ্জলি

## গীতা পাটগিৰি

মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু পৰম পূজনীয়া স্বৰ্গীয়া চাৰু দেৱীৰ শ্ৰীচৰণকমলত মোৰ হিয়াভৰা সেৱা আৰু ভক্তি-অঞ্জলি যাচিছোঁ। এজন শিক্ষাগুৰুৰ ধাৰ কোনো ছাত্ৰ-ছাত্ৰী বা শিষ্যই এটা জীৱনত কেতিয়াও শুজিব নোৱাৰে।বাইদেউ মোৰ ছাত্ৰীজীৱনৰ শিক্ষাগুৰু। ১৯৭২ চনত পঞ্চম শ্ৰেণীত যেতিয়া প্ৰথম স্কুলত নামভৰ্তি কৰিছিলোঁ তেতিয়াৰপৰাই বাইদেউৰ তত্ত্বাৱধানত আছিলোঁ। মাননীয় চাৰু দেৱী পাঠশালা ছোৱালী হাইস্কুলৰ এটি বিশেষ নাম, সকলো ছাত্ৰীৰ বাবে এগৰাকী বিশেষ বাইদেউ। তেওঁৰ চকুলৈ চাই অন্ততঃ কোনো ছাত্ৰীৰ কথা কোৱাৰ সাহস নাছিল। নিৰ্ভীক, স্পষ্টবাদী বাইদেউৰ ওচৰত নতশিৰে থিয় হোৱাৰ বাহিৰে উপায় নাছিল। পাঠশালা ছোৱালী হাইস্কুল বজালীৰ বাবে এক যুগান্তকাৰী প্ৰথম ছোৱালী হাইস্কুল। বৰপেটা জিলাৰ দ্বিতীয় আৰু বজালীৰ প্ৰথম! আজি বহু স্কুলৰ সমাহাৰত এই কথাটোৰ গুৰুত্ব কিমান? যেতিয়া নাৰীশিক্ষা গোটেই ভাৰতবৰ্ষত বহু পিছপৰি আছিল, আৰু অত্যন্ত কষ্টসাধ্য আছিল, সেই সময়তে এচাম দূৰদৰ্শী মহান ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লৈছিল পাঠশালা ছোৱালী হাইস্কুলে। ১৯৬১ চনত পাঠশালালৈ বোৱাৰী হৈ অহা চাৰু বাইদেউৱে কইনাৰ সাজ সলাই পিন্ধি লৈছিল শিক্ষয়িত্ৰীৰ সাজ আৰু হাতত তুলি লৈছিল প্ৰত্যাহ্বান। মানুহ গঢ়াৰ ব্ৰতত ব্ৰতী বাইদেউ হাইস্কুলখনৰ প্ৰথম মহিলা গ্ৰেজুৱেট শিক্ষক। সাজ-পাৰ পৰিধানত অত্যন্ত সহজ-সৰল সাধাৰণ মহিলাগৰাকীৰ দৃঢ়মনা নিয়মেৰে কঠোৰ শিক্ষাদান যেন জীৱনৰ ভূষণ; ছাত্ৰীক সকলো ফালৰপৰা সৰ্বাংগীনভাৱে সুন্দৰ কৰি পাৰ্গত কৰা যেন বাইদেউৰ উদ্দেশ্য। সেই সময়ত ছোৱালী হাইস্কুলত শিক্ষাগ্ৰহণ কৰিবলৈ পোৱাটো আমাৰ বাবে ভাগ্যৰ কথা। বিশেষকৈ নাচ-গান আৰু সহ-পাঠ্যক্ৰমসমূহত অংশগ্ৰহণ। পুথিভঁৰালত কিতাপ পঢ়া, বিভিন্ন অনুষ্ঠানত ভাগ লোৱা, খেলা-ধূলা সকলোতে আমাৰ অংশগ্ৰহণ স্কুলৰ শিক্ষকসকলৰ অহোপুৰুষাৰ্থৰ ফলতহে সম্ভৱ হৈছিল, স্কুলখন শৃংখলিত কৰি ৰখাত বাইদেউৰ অৱদান প্ৰতিজন ছাত্ৰীয়ে উপলব্ধি কৰিছিল।

## শিক্ষাগুৰু চাৰু দেৱীৰ চৰণ কমলত ভক্তি-অঞ্জলি

স্কুলৰ ৰুটিনমতে ইংৰাজীৰ ক্লাছ তেওঁ আমাক নৱম মানত পাইছিল আৰু দশম মানত ৰেপিড ৰীডাৰ। তেওঁৰ ইংৰাজী শিক্ষণ পদ্ধতি অতি উন্নত মানৰ আছিল। সেই সময়তে কোঠাৰী আয়োগৰ ১২ বছৰীয়া পাঠ্যক্ৰম আৰম্ভ হৈছিল, হাইস্কুলৰপৰা চতুৰ্থ শ্ৰেণী উঠি গৈছিল। আমি চতুৰ্থত নপঢ়াকৈ পঞ্চম শ্ৰেণীত নাম লগাইছিলোঁ। এচামে সপ্তম শ্ৰেণী নপঢ়াকৈ অষ্টম শ্ৰেণীত নাম লগাইছিল, অৰ্থাৎ অষ্টম শ্ৰেণীত দুটা শ্ৰেণী লগ লাগিছিল; ছাত্ৰীৰ সংখ্যা হৈছিল অজস্ৰ। স্কুলৰ ইউনিফৰ্ম আছিল তলৰ শ্ৰেণীৰ ছাত্ৰীৰ বাবে নীলা স্কাৰ্ট আৰু বগা ছাৰ্ট আৰু ডাঙৰ শ্ৰেণীৰ উকা মুগা মেখেলা, নীলা পাৰিৰ চাদৰ আৰু নীলা ব্লাউজ। ইউনিফৰ্ম পৰিধান নকৰা ছাত্ৰী বাইদেউৰ সন্মুখৰপৰা সাৰি যাব পৰা নাছিল; তেওঁৰ কঠোৰ শাসনৰ নত হৈ বহু ছাত্ৰী ঘূৰি যাব লাগিছিল। দেৰী হ'লে, ক্লাছ খতি হ'লে যথাযথ উত্তৰ নোপোৱালৈকে তেওঁ সন্তুষ্ট নাছিল। দৰ্খাস্ততো অভিভাৱকৰ স্বাক্ষৰ হ'লেহে অৰ্ধছুটী বা পূৰ্ণ ছুটী মঞ্জুৰ কৰিছিল। আমাৰ ৰেকৰ্ড বুক আছিল আৰু তাত প্ৰতি শ্ৰেণীৰ পৰীক্ষাৰ নম্বৰ, উপস্থিতি-অনুপস্থিতি, পাছ-ফেলৰ তথ্য আছিল। এইবোৰৰপৰা বাইদেউৱে কাকো ৰেহাই নিদিছিল। স্কুলৰ সকলো উৎসৱতে অংশগ্ৰহণ বাধ্যতামূলক আছিল। উপস্থিত নাথাকিলেও জবাবদিহি হ'ব লাগিছিল। তেওঁৰ ৰবপুত্ৰ জয়ন্ত মোৰ সমনীয়া আছিল আৰু একে শ্ৰেণীতে বজালী হাইস্কুলত পঢ়িছিল।

আমি নম্বৰ পালে বাইদেউৱে আমাক উৎসাহ যোগাইছিল আৰু প্ৰতিযোগিতা-মূলকভাৱে পঢ়াৰ কথা কৈছিল। প্ৰাৰ্থনাৰ সময়ত তেওঁ প্ৰতিজনী ছাত্ৰীক তদাৰক কৰিছিল, আনকি নখ আদিও চাইছিল। আমি দুডাল বেণী গাঁঠি আহিব লাগিছিল, নীলা ফিটা মাৰি। নিয়ম ভংগ কৰিলে তেওঁ কিন্তু ৰূঢ় আছিল।সপ্তম শ্ৰেণীত জয়ন্তই এম. ই. শাখাত প্ৰথম হৈ আৰু মই হাইস্কুল শাখাত দশম হৈ বৃত্তি পাইছিলোঁ। কামৰূপ জিলাত তেতিয়া প্ৰতিযোগিতামূলক বৃত্তি মাত্ৰ ষাঠি জনক দিছিল। মেট্ৰিকৰ পাছত বজালী মহাবিদ্যালয়ত জয়ন্তৰ লগত একেলগে পঢ়িছিলোঁ। মহাবিদ্যালয়ত বাইদেউৰ স্বামী হেমচন্দ্ৰ শৰ্মা ছাৰৰ সান্নিধ্যও আমাৰ বাবে চিৰস্মৰণীয় আছিল।

১৯৯২ চনত আকৌ বাইদেউৰ তলতে সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰিবলগীয়া হ'লোঁ। তেতিয়া তেওঁ প্ৰধান শিক্ষয়িত্ৰী। যোগদানৰ দিনাই তেওঁ আমাক শিক্ষয়িত্ৰী হৈ আহিবলৈ, অৰ্থাৎ মেখেলা-চাদৰ পিন্ধি আহিবলৈ কৈছিল। ছাত্ৰী অৱস্থাৰপৰাই থকা ভয় আৰু শ্ৰদ্ধাই আমাক নত হৈ থকাত সহায় কৰিছিল। শৃংখলতাৰ জৰীডাল বাইদেউৱে কেতিয়াও ঢিলাই দিয়া নাছিল। সেয়ে কেতিয়াবা কেতিয়াবা কাৰোবাৰ অপ্ৰিয়ও হৈছিল। সকলোতকৈ টান মানুহ চলোৱা। আজি সেই একেখন আসনত বহি মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ, তেওঁ কোৱা কথাবোৰৰ অৰ্থ।

সেই সময়ত এখন উন্নত স্কুলৰ নক্সা পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰতিটো স্তৰতে প্ৰকাশ পাইছিল, হয়তো তেওঁৰ সুশাসনৰ ফলশ্ৰুতিত। কি নাটক, কি নাচ, কি খেলা, কি ৰিজাল্ট সকলোতে পাঠশালা ছোৱালী হাইস্কুল জাকত-জিলিকা আছিল। পাঠশালা ছোৱালী হাইস্কুল যোৱাবেলি চৰকাৰে সহশিক্ষালৈ পৰিৱৰ্তিত কৰিলে ছোৱালীৰ সংখ্যা কমি যোৱাৰ বাবে। এতিয়া 'পাঠশালা হাইস্কুল' নামেৰে নামাংকিত স্কুলখনত ছাত্ৰ-ছাত্ৰী উভয়ে অধ্যয়ন কৰে। বেচৰকাৰী শিক্ষানুষ্ঠানে ঘেৰি ধৰা পাঠশালাত চৰকাৰী স্কুল বৰ্তি থকাটো বৰ কঠিন। জনসংখ্যা গাঁথনিয়েও বাইদেউসকলে কষ্টেৰে গঢ়ি তোলা স্কুলখনত প্ৰভাৱ পেলাইছে। চাৰু বাইদেউ এটি নাম নহয়, অন্ততঃ ছোৱালী হাইস্কুলত অধ্যয়ন কৰা প্ৰতিগৰাকী ছাত্ৰীৰ বাবে এটি অনুষ্ঠান, যি কথা হয়তো প্ৰাপ্তবয়স্ক অৱস্থাতহে উপলব্ধি কৰিব পাৰি। শিক্ষাগুৰু তথা সহকৰ্মী প্ৰধান বাইদেউ হিচাপে আমি বিদায় দিয়াৰ কিছু বছৰ পিছতে তেওঁ স্বৰ্গগামী হয়। তথাপি বাইদেউৰ স্মৃতি আমাৰ মনত তেনেই সজীৱ হৈ আছে। যিসকল ব্যক্তিয়ে আমাৰ জীৱনত অনুপ্ৰেৰণা দি গ'ল, আদৰ্শ হৈ ৰ'ল, অনুকৰণীয় সেই ব্যক্তিসকলৰ ভিতৰত বাইদেউ অন্যতম।

বহুদিন আগেয়ে কৰিবলগীয়া স্মৃতিগ্ৰন্থৰ কামটো জয়ন্তৰ ব্যস্ততাৰ বাবে হয়তো দেৰি হ'ল; সময় কাৰো বাবে বৈ নাথাকে। জয়ন্তৰ প্ৰচেষ্টাৰ শলাগ লৈছোঁ। স্মৃতিবিভ্ৰম, কৰ্মব্যস্ততা আদিৰ বাবে লেখাত বহু যতি পৰিল। তাৰ বাবে ক্ষমাপ্ৰাৰ্থী। ■

- *লিখিকা পাঠশালা হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আৰু চাৰু দেৱীৰ প্ৰাক্তন ছাত্ৰী।*

---

❖ তুমি আছা কঠীয়াতলিত— কৃষকৰ সেউজী স্বপ্নত
ধান য'ত মূৰ দাঙি গান হৈ জাগে
চাহবনুৱাৰ ঝুমুৰৰ মাদলে মাদলে
তেজৰ বুলনি সনা বাগিচাৰ পাতে পাতে
বিদ্ৰোহৰ কঁপনি তোলোঁ— ৰুদ্ৰ সংগীতত।

❖ হে বন্ধু, তোমাৰ স্বদেশ
আজিওতো ছিন্নবস্ত্ৰা, দুঃশাসন ধৰ্ষিতা
বুৰঞ্জী ছাইৰ দ'মত উচুপিছে শোণিত কুঁৱৰী
চিত্ৰলেখা ক'ত, জ্যোতি ক'ত?

**—গণশিল্পী হেমাংগ বিশ্বাস**

# শ্ৰদ্ধাৰ শিক্ষয়িত্ৰী চাৰু দেৱী বাইদেউৰ সোঁৱৰণত

প্ৰণীতা দত্ত পাঠক

এক নষ্টালজিক আৱেগৰ আওতাত বহি লিখিবলৈ লৈছোঁ মোৰ হাইস্কুলীয়া শিক্ষাজীৱনৰ সাতোটা বছৰ সাঙোৰ খাই থকা শিক্ষয়িত্ৰী বাইদেউ চাৰু দেৱীৰ স্মৃতিগাথা। পাঠশালা ছোৱালী হাইস্কুলত পঢ়ি থকা সময়ত মই শিক্ষাগুৰু হিচাপে পাইছিলোঁ চাৰু দেৱী বাইদেউক। সেই সময়ত ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক আছিল প্ৰয়াত ধৰণীধৰ গোস্বামী ছাৰ। সেই সময়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ বৰ জ্ঞানপিপাসু আৰু কৰ্তব্যনিষ্ঠ একো একোজন শিক্ষাবিদ আছিল। সহপ্ৰধান শিক্ষক চন্দ্ৰকান্ত কলিতা, চাৰু দেৱী, কুলদা দেৱী, মহীনাথ চৌধুৰী, নৃপেন মজুমদাৰ, ছায়া তালুকদাৰ, ধৰ্মেশ্বৰী শালৈ ইত্যাদি বহু গুণী-জ্ঞানী শিক্ষাগুৰুৰ জ্ঞানৰ আলোকত পাঠশালা ছোৱালী হাইস্কুলখন উজলি উঠিছিল।

ছাৰ, বাইদেউসকলে অশেষ কষ্ট কৰি আমাক তেওঁলোকৰ জ্ঞানেৰে উদ্বুদ্ধ কৰি তুলিছিল। শিক্ষয়িত্ৰীসকলৰ ভিতৰত শ্ৰদ্ধাৰ চাৰু দেৱী বাইদেউ আছিল বৰ কাঢ়া মেজাজৰ। বাইদেউৱে ছাত্ৰীসকলক সদায়ে শৃংখলাবদ্ধতা, নিয়মানুবৰ্তিতা মানি চলিবলৈ বাধ্য কৰাইছিল। ছাত্ৰীসকলে ইউনিফৰ্ম পিন্ধি নাহিলে, ক্লাছৰ সময়ত কোনোবাই মনোযোগ নিদিলে, কোনোবাই দুষ্টামি কৰিলে বাইদেউৱে অনুশাসনমূলক কথাৰে তেখেতৰ আয়ত্তলৈ আনিছিল। বাইদেউৱে বেছিকৈ ওপৰৰ শ্ৰেণীতে ক্লাছ লৈছিল। নৱম-দশমমানত বাইদেউৱে বুৰঞ্জী আৰু ইংৰাজীৰ ক্লাছ কৰিছিল। বাইদেউৱে বৰ সুন্দৰভাৱে ছাত্ৰীসকলক পাঠদান কৰিছিল। কোনোবাই কিবা নোৱাৰিলে তেখেতে সহজভাৱে বিষয়বোৰ বুজাইছিল।

ছাত্ৰীসকলৰ চৰিত্ৰ গঠন প্ৰক্ৰিয়াত ছাৰ-বাইদেউসকলে সততে নজৰ দিছিল। সেই সময়ত চিঠি-পত্ৰৰ যুগ। কোনোবা ছাত্ৰীলৈ কাৰোবাৰ প্ৰেমপত্ৰ আহিলে বাইদেউৱে কেইজনমান ছাৰৰ লগত ছাত্ৰীসকলে দেখাকৈ চিঠিবোৰ খুলি পঢ়ি পুৰি পেলাইছিল। ছাত্ৰীসকলে যাতে সেইবোৰ পঢ়িব নোৱাৰে আৰু কোনো অসামাজিক কামত লিপ্ত নহয় তাৰ প্ৰতি ছাৰ-বাইদেউৰ লগতে প্ৰধান শিক্ষক গোস্বামী ছাৰৰো আছিল তীক্ষ্ণ নজৰ।

## স্মৰণীয় সুবাস

শ্ৰদ্ধেয়া বাইদেউ চাৰু দেৱী। যাৰ নামেই পৰিচয় আছিল। বাইদেউ সেই সময়ত বি. এড. ডিগ্ৰীধাৰী আছিল। দেখাত বাইদেউ আছিল ধুনীয়া আৰু গৌড় বৰ্ণৰ। তেখেতৰ ব্যক্তিত্ব আছিল সুদৃঢ়। দেখাত কঠিন যেন লাগিলেও বাইদেউ আছিল মৰমিয়াল। স্কুলৰ পৰিৱেশত বাইদেউক সকলো ছাত্ৰীয়ে ভয় কৰিছিল কিন্তু বাহিৰা পৰিৱেশত বাইদেউ আছিল কোমল আৰু সকলোকে আঁকোৱালি ল'ব পৰা গুণেৰে গুণী। আমি যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি স্কুলৰপৰা বিদায় লৈছিলোঁ তাৰ পিছত বাইদেউৱে প্ৰধান শিক্ষয়িত্ৰীৰ পদো অলংকৃত কৰিছিল।

স্কুল এৰাৰ পিছত বাইদেউক প্ৰায়ে ঘৰুৱা পৰিৱেশত লগ পাইছিলোঁ। আমাৰ নিজৰ বাইদেউ হিমানী দত্তই এইখন স্কুলত শিক্ষয়িত্ৰী হিচাপে কাম কৰিছিল। তেওঁ এই স্কুলৰে ছাত্ৰীও আছিল। বাইদেউৰ সহকৰ্মী হিচাপে চাৰু দেৱী বাইদেউক প্ৰায়ে লগ পাইছিলোঁ। বাইদেউৰ আমাৰ ঘৰখনৰ লগত সম্পৰ্ক আছিল ঘৰুৱা। আমাৰ পিতা প্ৰয়াত উমেশ চন্দ্ৰ দত্ত পাঠশালা ছোৱালী হাইস্কুলৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল আৰু পৰিচালনা সমিতিৰ সক্ৰিয় সদস্যও আছিল। সেই সূত্ৰে বাইদেউৱে আমাৰ ঘৰলৈ আহিছিল। ঘৰুৱা পৰিৱেশত বাইদেউক লগ পাই অনুভৱ হৈছিল— এইগৰাকী বাইদেউকে আমি স্কুলীয়া জীৱনত ইমান ভয় কৰিছিলোঁনে? ১৯৭৯ চনত পাঠশালা নগৰৰ ছোৱালীসকলে লগ লাগি 'মৈত্ৰেয়ী সংঘ' নামৰ এটি মহিলা অনুষ্ঠানৰ জন্ম দিছিল। তাৰ মূল আঁত ধৰোতা আছিল আমাৰ বাইদেউ হিমানী দত্ত, মাধুৰী দেৱী, নীলিমা কলিতা ইত্যাদি। এই 'মৈত্ৰেয়ী সংঘ'ৰ চাৰু দেৱী বাইদেউ আছিল সভানেত্ৰী। সংঘৰ কামত আমি প্ৰায়ে বাইদেউৰ ঘৰলৈ গৈছিলোঁ। বাইদেউৱে বন্ধুত্বসুলভ মনোভাৱেৰে এই অনুষ্ঠানৰ উদ্যোক্তাসকলক নানা দিহা-পৰামৰ্শ দিছিল। চাৰু দেৱী বাইদেউৰ স্বামী প্ৰয়াত হেমচন্দ্ৰ শৰ্মা ছাৰ বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক আছিল। ছাৰ শান্ত-শিষ্ট আৰু মৰমিয়াল লোক আছিল। ছাৰেও ঘৰুৱাভাৱে আমাৰ অনুষ্ঠানটোৰ বিষয়ে নানা দিহা-পৰামৰ্শ দিছিল।

প্ৰয়াত চাৰু দেৱী বাইদেউৰ পাৰিবাৰিক জীৱন আছিল পূৰ্ণাংগ। দুজন পুত্ৰ আৰু এগৰাকী কন্যাৰে এখন পৰিপূৰ্ণ সংসাৰ। কিন্তু বাইদেউ আৰু ছাৰে বেছিদিনলৈ জীৱনৰ সুখ ভোগ কৰিবলৈ নাপালে। ছাৰ আৰু বাইদেউৱে এই জীৱনৰ মায়া এৰি বহুদিন আগেয়ে গুচি গ'ল পৃথিৱীৰপৰা। এতিয়া মাথো চাৰু বাইদেউৰ স্মৃতিহে বৰ্তমান। এগৰাকী উচ্চশিক্ষিতা, সুন্দৰ চেহেৰাৰ জ্ঞানদৰ্শী শিক্ষয়িত্ৰী চাৰু দেৱীৰ স্মৃতিবোৰ ধূসৰ হ'ল। তেখেতৰ বিদেহ আত্মাই মুক্তি লাভ কৰি ভগৱানৰ লগত বিলীন হওক। বাইদেউলৈ জনালোঁ ভক্তিভৰা প্ৰণাম। ■

- *লিখিকা উত্তৰ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপিকা আৰু চাৰু দেৱীৰ প্ৰাক্তন ছাত্ৰী।*

# এটি শ্ৰদ্ধাঞ্জলি ঃ ছাৰ-বাইদেউলৈ

ড° তপন কাকতি

আদি-অন্তহীন কালৰ কোনো এটা ক্ষণত হঠাতে মানুহে এইখন বিচিত্ৰ পৃথিৱীত জন্মগ্ৰহণ কৰে আৰু এটা সময়ত ইয়াৰপৰা কোনেও নজনা কেতিয়াও নেদেখা অচিনাকি ঠাইলৈ গুচি যায়। জন্ম-মৃত্যুৰ এই চক্ৰৰ পৰা কোনেও হাত সাৰিব নোৱাৰে। মাথো ৰৈ যায় কিছুমান মানুহৰ স্মৃতিৰ সঁফুৰাত মানুহজন সম্পৰ্কে এক মচিব নোৱাৰা ধাৰণা, তেওঁৰ কৰ্মৰাজি আৰু গুণ-গৰিমাহে। মোৰ জীৱনৰ অতি মূল্যৱান সময়ছোৱাত লগ পোৱা আৰু মোৰ স্মৃতিত এতিয়াও সজীৱ হৈ থকা এনে দুগৰাকী ব্যক্তি হ'ল মোৰ অতি শ্ৰদ্ধাৰ স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাছাৰ আৰু তেওঁৰে সহধৰ্মিণী স্বৰ্গীয়া চাৰু দেৱী বাইদেউ। মোৰ মানসপটত কাহানিও কেতিয়াও মচিব নোৱাৰা সাঁচ বহুৱাই থৈ গৈছে শ্ৰদ্ধাৰ ছাৰ-বাইদেৱে।

১৯৮৫ চনৰ মে' মাহৰ কোনোৱা এটা দিনত এজন মোৰ সমবয়সীয়া ল'ৰাৰ পৰা প্ৰস্তাৱ এটা পালোঁ। তেওঁ বি. এছচি. পৰীক্ষা দিছে আৰু মই বি.এ. পৰীক্ষা দিছোঁ। বি.এ. পৰীক্ষাৰ পাঠ্যসূচী সম্পৰ্কে ধাৰণা এটা দিব লাগে। ল'ৰাজন আছিল জয়ন্ত কুমাৰ শৰ্মা আৰু তেওঁৰ প্ৰস্তাৱটো মই সহজতেই গ্ৰহণ কৰিলোঁ। সেইসূত্ৰে মই সিহঁতৰ ঘৰলৈ গৈছিলোঁ। এটা সময়ত 'বাবা কোন আহিছে' বুলি এগৰাকী অতি স্পষ্ট আৰু ডাঙৰ মাতৰ মহিলাৰ মাত শুনিবলৈ পাইছিলোঁ। সেইগৰাকীয়ে আছিল বন্ধুবৰ জয়ন্তৰ পৰম শ্ৰদ্ধাৰ মাতৃ চাৰু দেৱী। ইয়াৰ পিছত বন্ধুৰ দেউতাক হেমচন্দ্ৰ শৰ্মাছাৰৰ লগত মোৰ চিনাকি হৈছিল। এজন অতি সৎ-অমায়িক, শান্ত-সুমধুৰ মাতৰ ব্যক্তি। প্ৰথম চিনাকিতে কিবা অতি আপোন আপোন যেন লাগি গৈছিল।

এইদৰে দিনবোৰ পাৰ হৈ গ'ল আৰু এটা সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত আমি দুয়ো দুটা বিভাগত— পদাৰ্থবিজ্ঞান আৰু দৰ্শনত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰিলোঁ। মোৰ এম.এ. (প্ৰাৰম্ভিক) পৰীক্ষাৰ পাছত দুয়োজনৰ মাজত যুক্তি-তৰ্কৰ অন্তত বন্ধুৱে মোক এটা প্ৰস্তাৱ দিলে— ঠিক আছে আমাৰ ঘৰত মোৰ দৰে একে সুবিধাত থাকি পঢ়িবি, ফলাফল কিন্তু ভাল হ'ব লাগিব। কথা মতে কাম। এনেদৰে মই বন্ধৰ সময়ত

ছাৰ-বাইদেউৰ ঘৰতে থাকি তেওঁলোকৰ টকাৰে পঢ়ি এম.এ. পাছ কৰি এতিয়া মহাবিদ্যালয়ত চাকৰি কৰি আছোঁ। পঢ়ি থকাৰ সময়ত এদিন খবৰ পালোঁ ছাৰৰ টান বেমাৰ হৈছে আৰু তেওঁ হঠাতে ইহ-সংসাৰৰপৰা চিৰবিদায় মাগিলে। যিজন মানুহে আমাক বন্ধুৰ দৰে আচৰণ কৰিছিল, যিজন মানুহে আমাৰ সুখ-দুখৰ লগত সমভাগী হৈ মানৱতাৰ জয়গান গাইছিল, যিজন মানুহে আমাক নানা ধৰণে দিহা-পৰামৰ্শ দি উৎসাহিত কৰি নিজকে গঢ়াৰ সপোন দেখুৱাইছিল, যিজন মানুহে নিজৰ কষ্টোপাৰ্জিত ধনেৰে মোৰ নিচিনা নিঃকিন এজনক নিজৰ ল'ৰাৰ সমান মৰ্য্যাদা দি পঢ়া-শুনাৰ সুবিধা কৰি দিছিল, সেই মহান ব্যক্তিজনে এদিন আমাক সকলোকে কন্দুৱাই চিৰবিদায় মাগিলে। এনেকুৱা এজন মহান ব্যক্তিয়ে মোক কৰা উপকাৰৰ ঋণ মই কাহানিও পূৰণ কৰিব নোৱাৰিম। অশ্ৰুসিক্ত নয়নেৰে মাথোন ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।

মোৰ স্মৃতিত সঞ্চিত হৈ থকা বন্ধুৰ মাক বাইদেউ সঁচাকৈয়ে এগৰাকী আদৰ্শ মাতৃ। মাতৃ হৃদয়ত থাকিবলগীয়া সকলো গুণ-গৰিমাৰে তেওঁ মহীয়ান হৈ আছিল। আন মানুহৰ, বিশেষকৈ মোৰ আন বন্ধুবোৰৰ দৃষ্টিত তেওঁ আছিল এগৰাকী অতি কঠিন ধৰণৰ মানুহ। প্ৰকৃততে তেওঁ নাৰিকল সদৃশ মানুহ আছিল, আৱৰণটো বৰ কঠিন কিন্তু অন্তৰখন বৰ কোমল। কাৰো তেতিয়াও তেওঁ অপকাৰ চিন্তা কৰা নাছিল। শিক্ষয়িত্ৰী হিচাপেও তেওঁ আছিল অতি কাঢ়া আৰু স্পষ্ট কথাৰ। যিদৰে নানা সম্ভাৰেৰে ব্যঞ্জন এখন তৈয়াৰ কৰিলেও নিমখ অবিহনে সুস্বাদু নহয় তেনেদৰে সমাজ গঢ়াৰ হাতিয়াৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে টান বা হুটা মাতেৰে হ'লেও বিপথে পৰিচালিত হ'বলৈ ধৰা ছাত্ৰ-ছাত্ৰীসকলক সুপথে পৰিচালিত কৰিবই লাগিব। নিজৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতো বাইদেউ ব্যতিক্ৰম নাছিল। এনে ব্ৰততে জীৱন যুদ্ধত অৱতীৰ্ণ হৈ নাতিদীৰ্ঘ জীৱন পৰিচালিত কৰিছিল। তেওঁ আছিল জাতি-ভেদৰ উৰ্দ্ধত। মই নিজে কলিতা কুলৰ হৈও দুবছৰতকৈ বেছি কাল একেলগে একেখন খোৱা মেজতে তেওঁলোকৰ পাকঘৰত অন্ন গ্ৰহণ কৰিছিলোঁ। এনেকুৱা উদাৰনৈতিক পৰোপকাৰী মানৱতাবাদী হৃদয়ৰ মানুহ এইখন পৃথিৱীত খুবসম্ভৱ কমেই আছে। জীৱনৰ সুদীৰ্ঘ ১৫-২০ বছৰ কাল নষ্ট কৰি অনাই-বনাই ঘূৰি ফুৰা ল'ৰাজনে (মই নিজে) এনেকুৱা এটা পৰিয়ালৰ সংস্পৰ্শলৈ গৈ নিজকে গঢ়াৰ সুৱৰ্ণ সুযোগ পাইছিলোঁ। কেতিয়াও বাইদেউৱে সুনাম বা প্ৰশংসাৰ বাবে লালায়িত হৈ কোনো কাম কৰা নাছিল। নিজে উচিত বুলি ভৰা কামবোৰ নিৰ্ভীকভাৱে কৰি গৈছিল। কোনে কি ভাৱে সেইটো তেওঁৰ বাবে গুৰুত্বপূৰ্ণ নাছিল। আমি দুপৰীয়া শুই থকা অৱস্থাত কোনো বন্ধুৱে আহি জয়ন্ত বা মোক মাতিলে 'নাই শুই আছে, পিছত আহিবা'

বুলি অকণো দ্বিধাবোধ নকৰাকৈ ক'ব পাৰিছিল। কাৰণ এইখিনি সময়ত জগাই দিলে আমাৰ ৰাতি পঢ়া নহ'ব। ভৱিষ্যতৰ বংশধৰসকলক যদি এনেদৰে প্ৰতিগৰাকী মাতৃয়ে সচেতনতাৰে গঢ় দিলেহেঁতেন বোধহয় অসমত থলুৱাৰ কাৰণে চাকৰি সংৰক্ষণৰ চিন্তা কৰি কোনোৱে কেতিয়াও আন্দোলন কৰিবলগীয়া নহ'লেহেঁতেন।

আৰুনো কিমান লিখিম, লিখি শেষ কৰিব নোৱাৰা বহুতো কথাই হয়তো আছে। বহু ক্ষেত্ৰত নিজকে বৰ অপৰাধী যেনো লাগে। চাকৰিৰ তাড়নাত বহু দূৰত থাকি সাংসাৰিক ব্যস্ততাৰ বাবে হয়তো জীৱনৰ অন্তিম সময়ত এইগৰাকী মানুহক বিশেষ একো সহায় কৰিব নোৱাৰিলোঁ। তাৰ বাবে আজিও অনুতপ্ত। শেষত ছাৰ-বাইদেউৰ আত্মাই চিৰশান্তি লাভ কৰক— তাৰেই কামনাৰে। বন্ধুবৰ জয়ন্তই এখন সুন্দৰ, আটকধুনীয়া স্মৃতিগ্ৰন্থ প্ৰণয়ন কৰি তেওঁলোকক আধুনিক সমাজখনত জীয়াই ৰাখিবলৈ কৰা প্ৰয়াসক ধন্যবাদ জনাই ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি সামৰিছোঁ। ■

- *লিখক নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহযোগী অধ্যাপক।*

---

❖ আজি মন্দিৰ দুৱাৰ খোলা  
বহে মিলন উৎসৱ মেলা  
শুনোঁ মংগল আৰতি গান  
নাচি উঠে ভকতৰ প্ৰাণ  
অ' তোৰ হ'ল যে পূজাৰে বেলা।

**—কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা**

❖ মই নৰিয়া লাচিত জুৰীয়া গাৰেই  
নাৱত জঁাপ দিওঁ নদাই পাতহি কান্ধ  
মই চাকোলা পিয়লি খাৰঘৰ পোৰোঁ  
নাৰায়ণ বুকুচা বান্ধ।

**—গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱা**

❖ ৰাতি যিমানেই গভীৰ হয় প্ৰভাত সিমানেই উজ্জ্বল হ'ব।  
চাৰিওফালৰ পৰা আন্ধাৰে আবৰি ধৰিলেও ভয় নকৰিব, প্ৰভাত হ'বই।

**—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা**

# এটি সংস্কৃত পৰিয়ালৰ সান্নিধ্যৰ স্মৃতি

## বীৰেন দাস

বজালী অঞ্চলৰ কেন্দ্ৰস্থল পাঠশালা নগৰ আৰু দাঁতি-কাষৰীয়া অঞ্চলৰপৰা হাজাৰগৰাকী পণ্ডিতে বিশ্বৰ চুকে-কোণে বজালীক পৰিচিত কৰি তুলিছে। মূলতঃ কৃষিপ্ৰধান গ্ৰামাঞ্চল হোৱা হেতুকে বজালীৰ অৰ্থনৈতিক অৱস্থা অতি সবল নহয় যদিও সমগ্ৰ বজালী অঞ্চলত শিক্ষাৰ প্ৰভাৱ চকুতলগা। অতীতৰপৰাই এই অঞ্চলৰ প্ৰতিটো পৰিয়ালতে শিক্ষাৰ প্ৰতি আগ্ৰহী ব্যক্তি আছিল যাৰ বাবে তাহানিতে বহুতো ব্যক্তিয়ে উচ্চশিক্ষাৰে শিক্ষিত হৈ বজালীক বিশ্বত বিখ্যাত কৰি তুলিছিল। বজালীৰ জালিখাটা গাঁৱৰ এই পুৰণি পৰিয়ালটোও তেনে এটি পৰিয়াল য'ত জন্ম হৈছিল বজালীৰ অন্যতম শিক্ষানুষ্ঠান বজালী মহাবিদ্যালয়ৰ এসময়ৰ সন্মানিত শিক্ষক হেমচন্দ্ৰ শৰ্মাদেৱৰ। পাঁচগৰাকী ভাই-ভনীৰ মাজত তেখেত আছিল দ্বিতীয় সন্তান। গাঁৱৰ বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ শিক্ষকতাৰ জীৱনেৰে নিজকে সু-প্ৰতিষ্ঠিত কৰিছিল অধ্যাপক হেমচন্দ্ৰ শৰ্মাদেৱে।

উল্লেখনীয় যে কেইবাশ গাঁও আৰু পাঠশালা, পাটাছাৰকুছি, বাঘমাৰা, জালাহ আদিৰ লেখীয়া সৰু কেইখনমান নগৰ বা বজাৰ এলেকাই বজালীৰ অৰ্থনীতিৰ উন্নয়নত অৰিহণা যোগাই আহিছে যদিও কৃষিভিত্তিক গ্ৰামাঞ্চলৰ অতীত আছিল দুখলগা। মূলতঃ যোগাযোগ ব্যৱস্থা আছিল দুৰ্বল। সম্প্ৰতি বজালী মহকুমা সৃষ্টিৰ জৰিয়তে বজালীক উন্নয়নৰ ক্ষেত্ৰত আগবঢ়া দেখা গৈছে। এই বজালীৰ সদৰ পাঠশালাৰপৰা প্ৰায় বাৰ কিলোমিটাৰ দূৰৰ গাঁও পূব পিপলাৰপৰা বজালী মহাবিদ্যালয়ত স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিবলৈ আহি প্ৰথমে লগ পাইছিলোঁ শ্ৰদ্ধেয় হেমচন্দ্ৰ শৰ্মাদেৱক। মোৰ সম্পৰ্কীয় মামা প্ৰয়াত বিপিন চন্দ্ৰ দাস আৰু শ্ৰদ্ধেয় শৰ্মাছাৰ আছিল পৰম বন্ধু। পদাৰ্থবিজ্ঞানত অনাৰ্চ পাঠ্যক্ৰমত অধ্যয়ন কৰি থাকোঁতে লগ পাওঁ সেই সময়ত মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী জয়ন্ত কুমাৰ শৰ্মাক। জয়ন্ত হ'ল হেমচন্দ্ৰ শৰ্মাদেৱৰ জ্যেষ্ঠ পুত্ৰ। জয়ন্তৰ সংস্পৰ্শলৈ আহি তাৰ ঘৰলৈ গৈ পৰিচিত হওঁ মাতৃ চাৰু দেৱীৰ লগত। ছাৰৰ গৃহিণী হিচাপে প্ৰথমে তেখেতক বাইদেউ বুলি মাতিছিলোঁ যদিও পিছলৈ সেই

সম্বন্ধ 'খুড়ীদেউ'লৈ পৰিৱৰ্তিত হৈছিল। খুড়ীদেউৱে কিন্তু মোক নিজৰ সন্তানৰ দৰেই মৰম কৰিছিল— যাক মই আজীৱন স্মৰণ কৰিম।

লাহে লাহে ঘৰখনৰ লগত ঘনিষ্ঠতা বাঢ়ি গৈছিল; অহা-যোৱাও বাঢ়িছিল। বন্ধু জয়ন্তই ইতিমধ্যে বজালীত স্নাতক পাঠ্যক্রম শেষ কৰি গুৱাহাটী বিশ্ববিদ্যালয়লৈ ঢাপলি মেলিলে স্নাতকোত্তৰ পাঠ্যক্রমৰ বাবে। পিছৰ বছৰত ময়ো গুৱাহাটী বিশ্ববিদ্যালয়লৈ গৈ তিনি নম্বৰ আৰ. চি. চি. (বাণীকান্ত) ছাত্ৰাবাসত পুনৰ জয়ন্তক লগ পাওঁ। এই সময়তে জয়ন্তৰ দেউতাক শ্ৰদ্ধেয় হেমচন্দ্ৰ শৰ্মাছাৰৰ মৃত্যু হয়; যাৰ মৃত্যু বজালী অঞ্চলৰ মূলতঃ উচ্চ শিক্ষাৰ ক্ষেত্ৰত, এক অপূৰণীয় ক্ষতি হিচাপে চিহ্নিত হয়। কিয়নো তেখেতে মহাবিদ্যালয়ৰ এগৰাকী সুশিক্ষক হোৱাৰ লগতে বজালীত সাহিত্যচৰ্চা, বিজ্ঞানচৰ্চা, বিজ্ঞানক জনপ্ৰিয়কৰণ আদি কাৰ্য্যসূচীত আগ-ভাগ লৈছিল; পাঠশালা সাহিত্য সভা, বজালী বিজ্ঞান সমিতি আদি আন বহুতো সামাজিক অনুষ্ঠানৰ লগতো জড়িত আছিল।

শৰ্মাছাৰৰ মৃত্যুৰ পিছত খুড়ীদেউৱে বিদ্যালয়ৰ লগতে ঘৰৰ সমস্ত দায়িত্ব চম্ভালি লৈ তিনি সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত অভিভাৱকৰ দায়িত্বও পালন কৰিছিল। এই অৱস্থাত খুড়ীদেউৱে এগৰাকী সফল মাতৃ হিচাপে সন্তানৰ, মূলতঃ সৰু ল'ৰা আৰু জীয়ৰীৰ সমস্ত দায়িত্ব পালন কৰাৰ লগতে বিদ্যালয়ৰ সফল মুৰব্বী হিচাপেও নিজকে প্ৰতিষ্ঠিত কৰিছিল। সমান্তৰালভাৱে তেখেতে পাঠশালা মহিলা সমিতি, মৈত্ৰেয়ী সংঘ আদিৰো নেতৃত্ব দিছিল— যাৰ জৰিয়তে তেখেতে এচাম কৰ্মহীনা নাৰীক কৰ্মসংস্থাপন পোৱাত সহায় কৰিছিল; কেইটামান পৰিয়াল বৰ্তি থকাত মুখ্য ভূমিকা লৈছিল।

এগৰাকী আদৰ্শ শিক্ষয়িত্ৰী, এগৰাকী আদৰ্শ মাতৃ, এগৰাকী সমাজসেৱিকা তিনিওটা ৰূপত খুড়ীদেউক দেখি প্ৰগাঢ় শ্ৰদ্ধা জন্মিছিল তেখেতৰ প্ৰতি। ঘৰখনলৈ যেতিয়াই যাওঁ প্ৰথমে মৰমৰে খোৱাৰ ব্যৱস্থা কৰি দি তাৰ পিছতহে আমাৰ পঢ়া-শুনাৰ খা-খবৰ লৈ অন্যান্য কথাৰে সমাজৰ প্ৰতি থকা তেখেতৰ দায়বদ্ধতাৰ মনোভাৱ প্ৰকটভাৱে ব্যক্ত কৰিছিল। সমাজৰ যিকোনো ব্যক্তিৰ দুঃখ তেখেতৰ বাবে আছিল অতি কষ্টৰ বিষয়। তেখেতৰ সান্নিধ্যৰপৰা পোৱা কিছুমান শিক্ষাই মোৰ জীৱনত, মূলতঃ আনক চিনি পোৱাত, বিশেষভাৱে সহায় কৰি আহিছে। শৰ্মাছাৰ আৰু খুড়ীদেউ, আৰু কিছুদিন জীয়াই থকা হ'লে সমাজখন তেওঁলোকৰপৰা যথেষ্ট উপকৃত হলহেঁতেন নিশ্চয়; কিয়নো আমাৰ সমাজত তেওঁলোকৰদৰে সংস্কৃত ব্যক্তিৰ বিশেষ প্ৰয়োজন আছে।

দুটি মহান আত্মাৰ সদগতি কামনা কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদিছোঁ। আশা কৰিছোঁ তেওঁলোকৰ আদৰ্শই আমাৰ উদীয়মান চামক ভাল আৰু নিঃস্বাৰ্থ কামৰ বাবে অনুপ্ৰাণিত কৰিব। ■

● *লিখক তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক।*

# কৃতী শিক্ষাবিদ, সাহিত্যিক হেমচন্দ্ৰ শৰ্মা

**নৰনাৰায়ণ দেৱশৰ্মা**

১৯৩২ চনৰ ২৩ অক্টোবৰ তাৰিখে বজালী অঞ্চলৰ সৰিহ মৌজাৰ অন্তৰ্গত জালিখাটা গাঁৱৰ এটি নিম্ন মধ্যবিত্ত ব্ৰাহ্মণ পৰিয়ালত হেমচন্দ্ৰৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল স্বৰ্গীয় পুষ্পচন্দ্ৰ শৰ্মা আৰু মাতৃৰ নাম আছিল স্বৰ্গীয়া সাৱিত্ৰী দেৱী। বৰ্তমানলৈ উদ্ধাৰ হোৱা তথ্য অনুযায়ী তেওঁলোকৰ আদিপুৰুষ কামদেৱ আছিল বুলি ঠাৱৰ কৰা হৈছে। মূল বংশটো জালিখাটাত বসবাস কৰি থাকিলেও পিছলৈ পাটাছাৰকুছি, মুগুৰীয়া, বিছানকুছি আদি গাঁৱলৈ ইয়াৰ বংশ বিস্তাৰিত হৈছিল।

সৰিহ মৌজাৰ অন্তৰ্গত জালিখাটা এখন ডাঙৰ গাঁও। ই কেবাটাও চুবুৰিত বিভক্ত। তাৰ ভিতৰত বালাৰটাৰী, ঔকুছি, গোবৰকুছি, শীতপুৰ, ঘোৰামাৰা আদিয়ে প্ৰধান। গাঁওখনৰ চাৰিসীমা এনেধৰণৰ— উত্তৰে বামুণকুছি গাঁও, পূবে কালদিয়া নদী, দক্ষিণে বনগাঁও আৰু পশ্চিমে ডুবি মালিপাৰা গাঁও। গাঁওখনৰ প্ৰাকৃতিক পৰিৱেশ অতি মনোৰম। গাঁৱৰ পূব পিনে কালদিয়া নদীৰ পাৰত থকা প্ৰকাণ্ড বটগছজোপাই পুৰণি ঐতিহ্য বহন কৰি আছে। উত্তৰৰ শীতপুৰৰ কাষত থকা কৌছাজানে এসময়ৰ মাছপুঠিৰ উভৈনদীৰ কথাকে সোঁৱৰায়। গাঁওখনৰ আৱাসস্থলীৰ মাজে মাজে আছে বৃহৎ বৃহৎ খেতিপথাৰ। এই উৰ্বৰ ভূমিত খেতি কৰি গাঁওবাসীয়ে সুন্দৰভাৱে জীৱন-নিৰ্বাহ কৰে। ব্ৰাহ্মণ, কোঁচ, কলিতা আদি সকলো সম্প্ৰদায়ৰ লোকৰ বাসস্থান জালিখাটা এখন আদৰ্শ গাঁও। অধিক-সংখ্যক লোক কৃষিজীৱী যদিও চাকৰিয়াল, ব্যৱসায়ী আদি লোকো গাঁৱত নথকা নহয়।

দেউতাক পুষ্পচন্দ্ৰৰ পাঁচটি ল'ৰা-ছোৱালীৰ ভিতৰত হেমচন্দ্ৰ দ্বিতীয় সন্তান। জালিখাটা প্ৰাথমিক বিদ্যালয়ত শিক্ষা শেষ কৰি তেওঁ পাটাছাৰকুছি বিদ্যাপীঠত নামভৰ্তি কৰে। তাৰপৰাই তেওঁ ১৯৫২ চনত তেতিয়াৰ মেট্ৰিকুলেচন পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। সপ্তম শ্ৰেণীত পঢ়ি থাকোতে পিতৃবিয়োগ ঘটাত তেওঁলোকৰ পৰিয়ালটি অথাই সাগৰত পৰাৰ দৰে আৰ্থিক দুৰৱস্থাত নিমজ্জিত হয়। লঘোণে-ভোকে বিদ্যালয়ত পঢ়াশুনা চলাই যাব লগা হোৱাত নানা আহুকালৰ সৃষ্টি হয়। শেষত যেনিবা খুড়াক মাধৱ চন্দ্ৰ শৰ্মাই পৰিয়ালটিৰ ত্ৰাণকৰ্তাৰূপে আগবাঢ়ি আহি কিছু সকাহ দিয়ে। মাধৱ

শৰ্মাই গুৱাহাটীৰ হেপীভিলাৰ পাহাৰীয়া দখলী মাটিত এটি খেৰৰ জুপুৰিঘৰ সাজি নিজৰ পৰিয়ালসহ বসবাস কৰিছিল। উজানবজাৰৰ এটি গুমটিত শস্যৰ বীজ বিক্ৰীৰ ব্যৱসায় খুলি কোনোমতে পেটে-ভাতে খাই জীয়াই আছিল।পিতৃৰ মৃত্যুৰ পিছত হেমচন্দ্ৰৰ ককায়েক মধু শৰ্মা আৰু ভায়েক প্ৰভাত শৰ্মায়ো খুড়াকৰ লগ হৈ ব্যৱসায়ত অংশ লয়। অধ্যয়নৰ প্ৰতি প্ৰৱল আগ্ৰহী হেমচন্দ্ৰ শৰ্মাই খুড়াকৰ আশ্ৰয়ত হেপীভিলাৰ ঘৰত থাকি কটন কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰি ১৯৫৪ চনত দ্বিতীয় বিভাগত আই. এছচি. আৰু ১৯৫৬ চনত বি. এছচি. পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰ পিছত প্ৰৱল ইচ্ছা থকা সত্ত্বেও তেওঁক বিশ্ববিদ্যালয়ত এম. এছচি. পঢ়ুৱাবলৈ খুড়াকে অপাৰগতা প্ৰকাশ কৰাত তেওঁৰ অধ্যয়নৰ পৰিসমাপ্তি ঘটিব বুলি বোধ হৈছিল। এই সন্ধিক্ষণত তেওঁক মোমায়েকে বিশ্ববিদ্যালয়ত নাম লিখাৰ খৰচ দিব বুলি কোৱাত কিছু আশ্বস্ত হ'ল যদিও নিৰ্দিষ্ট সময়ত মোমায়েক গুৱাহাটী নোপোৱাত বিফল মনোৰথ হৈ পাটাছাৰকুছিলৈ আহি থাকোতে দৈৱক্ৰমে গুৱাহাটীলৈ গৈ থকা মোমায়েকৰ লগত দেখাদেখি হয়। দুয়োজনে আলোচনা কৰি সেইদিনাখনে নামভৰ্তিৰ শেষ দিন হোৱা বাবে পাঠশালাৰপৰা টেলিগ্ৰাম মানিঅৰ্ডাৰ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কলৈ এম. এছচি.ৰ নামভৰ্তি মাছুল প্ৰেৰণ কৰে। এইদৰে এটি চৰম বিপৰ্য্যয়ৰ মাজত উদ্ভিদবিজ্ঞান বিভাগত অধ্যয়ন কৰি ১৯৫৯ চনত তেওঁ দ্বিতীয় বিভাগত এম. এছচি. ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। ধনৰ অভাৱত তেওঁ সেই সময়ত গুৱাহাটীৰ পল্টনবজাৰত নতুনকৈ খোলা নৈশ হাইস্কুলত অংশকালীন শিক্ষক হিচাপে কাম কৰিছিল। পৰৱৰ্তী কালত তেওঁ উত্তৰ গুৱাহাটী বালিকা বিদ্যালয়তো কিছুদিন শিক্ষকতা কৰিছিল। অতি মেধাৱী ছাত্ৰ নহ'লেও একনিষ্ঠতাৰে কঠোৰ পৰিশ্ৰম কৰি তেওঁ তেতিয়াৰ দিনতে বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰী ল'বলৈ সক্ষম হৈছিল।

১৯৬১ চনত তেওঁ পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জীৱবিজ্ঞানৰ বিষয় শিক্ষক হিচাপে যোগদান কৰে। শৰ্মা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ প্ৰথম স্নাতকোত্তৰ ডিগ্ৰীধাৰী শিক্ষক। তেতিয়াৰ বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য স্বৰ্গীয় ধৰণীধৰ গোস্বামী ছাৰে ধেমালি কৰি কৈছিল যে মহাবিদ্যালয়ত অধ্যাপকৰ বাবে বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী লোকৰ অভাৱৰ দিনত উচ্চতৰ মাধ্যমিকত এম. এছচি. শিক্ষক পোৱাটো সঁচাকৈয়ে অতি আনন্দৰ বিষয়। গতিকে বিদ্যালয়ৰ শিক্ষক জিৰণীকোঠাত পূৰ্বৰ নিচিনা হাত থকা দীঘলীয়া আউজি বহিব পৰা বেঞ্চৰ সলনি আছুতীয়াকৈ চকী-মেজ তৈয়াৰ কৰিব লাগে। তদানুসাৰে পৰিচালনা সমিতিয়ে হেমচন্দ্ৰ শৰ্মাৰ বাবে আছুতীয়া চকী-মেজৰ ব্যৱস্থা কৰি দিছিল। অৱশ্যে তেতিয়াও শিক্ষক জিৰণীকোঠাত

উপাধ্যক্ষ মহোদয়ৰ আছুতীয়া চকী-মেজ থকাৰ উপৰিও জ্যেষ্ঠ শিক্ষকসকলৰ বাবে উমৈহতীয়া মেজ আৰু একোখনকৈ চকীৰ ব্যৱস্থা আছিল। প্ৰায় আঢ়ৈ বছৰকাল এই পদত কাৰ্য্যনিৰ্বাহ কৰাৰ পিছত তেওঁ ১৯৬৩ চনত বজালী মহাবিদ্যালয়ৰ জীৱবিজ্ঞান বিভাগত অধ্যাপক হিচাপে যোগদান কৰে। প্ৰাৰম্ভিক কালত প্ৰাণীবিজ্ঞান বিভাগটো আছুতীয়াকৈ নথকাত আৰু প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত জীৱবিজ্ঞান বিষয়টো অধ্যয়ন কৰিব লগা হোৱাত হেমচন্দ্ৰ শৰ্মাই জীৱবিজ্ঞানৰ মুৰব্বী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। পিছলৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত ডিগ্ৰী বিষয়ৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাত প্ৰাণীবিজ্ঞান আৰু উদ্ভিদবিজ্ঞান দুটা পূৰ্ণাংগ বিষয়ৰ সূচনা হয়। শৰ্মাদেৱে উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী পদত প্ৰায় পঁচিশ বছৰ কাল সেৱা আগবঢ়াই বিভাগটো এটা জাকত-জিলিকা বিভাগ হিচাপে গঢ়ি তোলে। তেওঁৰ দিনত মহাবিদ্যালয়খনত সৰুকৈ হ'লেও এখন 'উদ্ভিদবৈজ্ঞানিক উদ্যান' ঠন ধৰি উঠিছিল।

চাকৰি কালৰ প্ৰাৰম্ভিক অৱস্থাতে তেওঁ ১৯৬২ চনত উত্তৰ গুৱাহাটীৰ শিলসাঁকোৰ জীয়ৰী চাৰু দেৱীৰ লগত বিবাহ পাশত আবদ্ধ হয়। তেওঁৰ পৰিবাৰ চাৰু দেৱী কলাশাখাৰ স্নাতক ডিগ্ৰীধাৰী হোৱা বাবে বিয়াৰ পিছতেই পাঠশালা বালিকা বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী পদবীত মকৰল হৈছিল। তেতিয়াৰ দিনত ডিগ্ৰীধাৰী মহিলা শিক্ষয়িত্ৰী পাঠশালা বালিকা বিদ্যালয়ত এগৰাকীও নাছিল বাবে তেতিয়াৰ বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি বিধায়ক সমাজসেৱক ড° কৃষ্ণকান্ত লহকৰদেৱৰ লগতে বিদ্যালয়খনৰ শুভাকাংক্ষীসকলে চাৰুদেৱীক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী পদত যোগদান কৰিবৰ অনুৰোধ জনোৱাত হেমচন্দ্ৰ শৰ্মাই ৰাইজৰ অনুৰোধ উপেক্ষা নকৰি নৱবিবাহিত পত্নীক উক্ত পদত যোগদান কৰাৰ অনুমতি প্ৰদান কৰে। প্ৰথম অৱস্থাত চাৰু দেৱীয়ে জালিখাটাৰপৰাই অহা-যোৱা কৰি চাকৰি বৰ্তাই ৰাখিছিল যদিও পাছত দুয়োজনৰ চাকৰিৰ খাতিৰতেই শৰ্মাই পাঠশালাতেই এটি ঘৰ ভাড়া লৈ সস্ত্ৰীক থাকিবলৈ লয়। পাঠশালাত স্থায়ীভাৱে বসবাস কৰাৰপৰাই তেওঁ নগৰৰ শিক্ষা আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত হৈ পৰে। কিছুদিনৰ পিছতেই তেওঁ পাঠশালাৰ জ্যোতিনগৰত এটুকুৰা মাটি ক্ৰয় কৰি সাধাৰণভাৱে এটি গৃহ নিৰ্মাণ কৰি লয়। এই স্থানতে তেওঁ জীৱনৰ অন্তিম দিনলৈ বসবাস কৰিছিল। মৃত্যুৰ পিছত তেওঁৰ সুযোগ্য পত্নী চাৰু দেৱী পৰিয়ালসহ এই বাসগৃহতে জীৱন যাপন কৰি পৰিয়ালটি সুন্দৰকৈ গঢ়ি তুলিছিল। ভাগ্যৰ বিড়ম্বনা হেতু তেওঁৰো অকালতে দেহান্তৰ হয়।

ছাত্ৰাৱস্থাৰপৰাই হেমচন্দ্ৰ শৰ্মা প্ৰৱল সাহিত্যানুৰাগী আছিল। তেওঁ সেই সময়তে নিয়মিতভাৱে প্ৰকাশ পোৱা মাহেকীয়া আলোচনী 'আৱাহন', 'ৰামধেনু', 'নৱযুগ', 'বিজ্ঞান

জেউতি' আদিৰ গ্ৰাহক হৈ প্ৰাণঢালি অধ্যয়ন কৰিছিল। ক'ৰবালৈ গ'লে এখন হ'লেও কিতাপ ক্ৰয় কৰাটো তেওঁৰ স্বভাৱত পৰিণত হৈছিল। সাহিত্য সম্বন্ধীয় বিভিন্ন আলোচনাচক্ৰবোৰত তেওঁৰ উপস্থিতি আছিল অতি নিয়মীয়া। বিশ্ববিদ্যালয়ৰ ষষ্ঠ বাৰ্ষিক শ্ৰেণীত থাকোতে তেওঁ 'পতিতা' নামৰ উপন্যাস এখন ৰচনা কৰিছিল। হেপীভিলাৰ সাৱিত্ৰী সংঘই কিতাপখন প্ৰকাশ কৰাৰ কথা আছিল যদিও কিবা অজুহাতত গ্ৰন্থখন প্ৰকাশ নহ'ল। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাম কৰাৰ সময়ত অসমীয়া মাধ্যমত জীৱবিজ্ঞান পঢ়াবলগীয়া হোৱাত আৰু তেতিয়া উচ্চতৰ মাধ্যমিকৰ বাবে কোনো ধৰণৰ পাঠ্যপুথি নথকাত বিশেষ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। এই আহুকাল দূৰীকৰণৰ বাবে তেওঁ পাটাছাৰকুছি বিদ্যাপীঠৰ জীৱবিজ্ঞান বিভাগৰ বিষয় শিক্ষক বন্ধুবৰ শ্যামচৰণ ডেকাৰ লগত যুটীয়াভাৱে 'জীৱবিজ্ঞান পৰিচয়' শীৰ্ষক পাঠ্যপুথিখন ৰচনা কৰি উলিয়ায়। দুটা খণ্ডত লিখি উলিওৱা এই পুথিখনে উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয়ত চলি থকা প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ বাবে অতি উপাদেয় পাঠ্যপুথি হিচাপে খ্যাতি লাভ কৰিছিল। ১৯৬৫ খৃষ্টাব্দত গুৱাহাটীৰ অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠান 'নিউ বুক ষ্টলে' প্ৰকাশ কৰি উলিওৱা পাঠ্যপুথিখনে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ থকা অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰভূত উপকাৰ সাধন কৰিছিল।

ইতিমধ্যে শৰ্মা ডাঙৰীয়াই পাঠশালাৰ বিভিন্ন অনুষ্ঠান আৰু প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সেইবোৰত বিভিন্ন উন্নয়নমূলক কাম-কাজত আত্মনিয়োগ কৰে। বিশেষকৈ পাঠশালা সাহিত্য সভাৰ লগত অতি নিবিড়ভাৱে একাত্ম হৈ তেওঁ সভাৰ দুবাৰকৈ সম্পাদক আৰু এবাৰ উপসভাপতি পদত অধিষ্ঠিত হয়। নিজৰ জন্মস্থান জালিখাটাৰপৰা পাঠশালালৈ আহোতে বাটত অতিক্ৰম কৰি অহা ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ঐতিহ্য আৰু পৰম্পৰা সৰ্ম্পকে অধ্যয়ন কৰাৰ এটা অদম্য হেঁপাহ তেওঁৰ মনত জাগ্ৰত হয়। স্থানীয়ভাৱে এই দেৱালয়খনক 'বুঢ়া গোঁসাইৰ থান' বুলিহে জনাজাত। দেৱতাৰ সন্তুষ্টিৰ বাবে ইয়াত নৃত্যৰ অঞ্জলি দিয়া কুমাৰীসকলক দেৱদাসী বুলিছিল। সমগ্ৰ ভাৰততে প্ৰচলিত থকা এই প্ৰথা অসমৰ দেৰগাঁও, হাজো আৰু ডুবি দেৱালয় প্ৰচলিত আছিল বুলি ইতিহাসে কয়। এই দেৱদাসী প্ৰথা অনুসৰি কিছুমান অবিবাহিত কুমাৰীক দেৱদাসীৰূপে দেৱতাৰ সন্মুখত নৃত্যৰ অঞ্জলি প্ৰদান কৰিবলৈ অৰ্পণ কৰা হৈছিল আৰু আজীৱন তেওঁলোকে আবিয়ৈ হৈ কুমাৰী হিচাপে জীৱন-যাপন কৰিব লাগিছিল। পিছলৈ এই দেৱদাসীসকলক লৈ দেৱালয়ত নানা ব্যভিচাৰে গা কৰি উঠাত স্থানীয় ৰাইজে দেৱদাসী প্ৰথা বন্ধ কৰি দিয়ে। লগে লগে পুৰণি পৰম্পৰা সম্বলিত এই আপুৰুগীয়া নৃত্যটি বিস্মৃতিৰ অতল তলিত হেৰাই যোৱাৰ উপক্ৰম হয়। পাঠশালাৰ সাংস্কৃতিক কৰ্মী ৰত্ন তালুকদাৰদেৰে

অশেষ পুৰুষাৰ্থ কৰি দেৱালয়ৰ তদানীন্তন অন্তিম দেৱদাসী ৰৈয়া বালা আৰু কৌশল্যাক পাঠশালালৈ মাতি আনি নৃত্যগীত কিয়দংশ উদ্ধাৰ কৰি বিজ্ঞানসন্মতভাৱে পৰিৱেশন কৰাৰ যো-জা কৰে। এই ক্ষেত্ৰত বায়ন বেচাৰাম আৰু তবলাবাদক কিনাৰামে সহায়ৰ হাত আগবঢ়ায়। এই কামত তেওঁক কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰেৰণা যোগায়। বৰ্তমান পাঠশালাৰ 'দেৱদাসী শিল্পী সমাজে' অশেষ পুৰুষাৰ্থ কৰি নৃত্যটি জীয়াই ৰাখিছে। পাঠশালা সাহিত্য সভাৰ কৰ্মী হিচাপে হেমচন্দ্ৰ শৰ্মাই পূৰ্বতে উল্লেখ কৰা ব্যক্তি দুগৰাকীৰ লগত যথেষ্ট কষ্ট কৰি তেতিয়াও জীয়াই থকা নৃত্যৰ লগত জড়িত বায়ন আৰু নটীসকলক লগ ধৰি "ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত" শীৰ্ষক গ্ৰন্থখন লিখি উলিয়ায়। ১৯৭৬ চনত এই গ্ৰন্থখন পাঠশালা সাহিত্য সভাই প্ৰকাশ কৰি উলিয়ায়। দেৱদাসী নৃত্য সম্পৰ্কীয় এইখনেই বহু বছৰ পিছলৈ প্ৰামাণ্য গ্ৰন্থ হিচাপে স্বীকৃত হৈ থাকে।

হেমচন্দ্ৰই মুনীন্দ্ৰ নাথ শৰ্মা আৰু সতীশ চন্দ্ৰ চৌধুৰীৰ লগত যুটীয়াভাৱে প্ৰণয়ন কৰা এই গ্ৰন্থখন দেৱদাসী নৃত্য সম্পৰ্কীয় এখন প্ৰামাণ্য হাতপুথি। গ্ৰন্থখনত পৰিহৰেশ্বৰ দেৱালয়ৰ কিম্বদন্তি, প্ৰাচীন ইতিহাস, পুৰণি আৰু আধুনিক পৰিচালনা পদ্ধতি, ৰজাদিনীয়া দান আৰু তামৰ ফলিৰ বৰ্ণনা আদিৰ উপৰি অসমৰ দেৱদাসী নৃত্যৰ ইতিহাস, বৰ্ণনা, তালমান আদি সম্পৰ্কেও বিস্তৃতভাৱে উল্লেখ কৰা হৈছে। পাঠশালা সাহিত্য সভাই পৰৱৰ্তী সময়ত দেৱদাসী সম্পৰ্কে এখন নাতিদীৰ্ঘ গ্ৰন্থও প্ৰকাশ কৰি উলিয়াইছে। দেৱদাসীৰ ওপৰত গৱেষণা কৰি অসম সাংস্কৃতিক সঞ্চালকালয়ৰ পুথি প্ৰকাশন বিষয়া পৱনচন্দ্ৰ বৰদলৈদেৱে পিএইচ. ডি. ডিগ্ৰী লাভ কৰাটো আমাৰ বাবে এটি সুখবৰ।

ইয়াৰ পিছত হেমচন্দ্ৰই সহধৰ্মিণী চাৰু দেৱীৰ সৈতে লগ হৈ চেমনীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী বিশ্ববিশ্ৰুত বিজ্ঞানী চাৰ্লছ ডাৰউইনৰ জীৱনীগ্ৰন্থ 'চাৰ্লছ ডাৰউইন' ৰচনা কৰে। ১৯৮১ চনত এইখন জীৱনীগ্ৰন্থ পাঠশালা সাহিত্য সভাই প্ৰকাশ কৰে। ১৯৮২ চনত শৰ্মাই 'অশ্বক্ৰান্ত দেৱালয় ইতিবৃত্ত' নামৰ এখন গৱেষণামূলক গ্ৰন্থ প্ৰণয়ন কৰে। তদানীন্তন অশ্বক্লান্ত দেৱালয়ৰ দলৈ শশীমোহন ভট্টাচাৰ্য্যৰ লগত যুটীয়াভাৱে ৰচনা কৰা এই গ্ৰন্থখন দেৱালয়ৰ পুঁজিৰ অৰ্থ ব্যয় কৰি প্ৰকাশ কৰা হয়।

মৃত্যুৰ সময়ত শৰ্মাই কেবাখনো হাতেলিখা গ্ৰন্থ এৰি থৈ যায়। ইয়াৰ ভিতৰত দুখন শিশু উপযোগী পুথি হ'ল 'জোনবাইৰ সাধু' আৰু 'সানমিহলি কথা'। 'জোনবাইৰ সাধু' নামৰ পুথিখনত জোনবাইৰ লগত জড়িত কিম্বদন্তি, সাধুকথা আদিৰ উপৰিও ইয়াৰ জন্ম, পৃথিৱীৰ লগত সম্পৰ্ক, প্ৰথম চন্দ্ৰলৈ মানুহৰ অভিযান আৰু ইয়াত পদাৰ্পণ, জোনবাইৰ বুকুত গাড়ীৰে ভ্ৰমণ আদিৰ বিষয়ে ব্যাখ্যা কৰি ভৱিষ্যতে মানুহে ইয়াত বসতিস্থাপন কৰিব পৰা সম্ভাৱনা আদিৰ বিষয়ে সহজ-সৰল বৰ্ণনা কৰা হৈছে। আনখন

গ্ৰন্থ ‘সানমিহলি কথা’ত বিশ্বৰ বিভিন্ন ঠাইত উপলব্ধ মানৱ সমাজৰ ব্যৱহাৰ্য্য সা-সামগ্ৰী আৰু সেইবোৰৰ লগত থকা মানুহৰ সম্পৰ্কৰ বিষয়ে ৰসাল বৰ্ণনা দাঙি ধৰা হৈছে। আন এখন নাতিদীৰ্ঘ বৰ্ণনাৰে ৰচিত শৰ্মাদেৱৰ ‘বজালীৰ ইতিবৃত্ত’ গ্ৰন্থ অতি হেঁপাহেৰে ৰচনা কৰিও প্ৰকাশ কৰিব নোৱাৰিলে। অসমৰ ভিতৰতে এক সুকীয়া বৈশিষ্ট্যপূৰ্ণ অঞ্চল বজালীৰ প্ৰাচীন বুৰঞ্জী, ৰাজনৈতিক ইতিহাস, ভাৰতৰ স্বাধীনতা যুঁজৰ বজালীৰ অৱদান, আধুনিক শাসন ব্যৱস্থা, এই অঞ্চলৰ দৌল-দেৱালয়, মঠ-মন্দিৰ আদি ধৰ্মীয় স্থান, প্ৰতিষ্ঠান-শিক্ষানুষ্ঠান, সাহিত্য-সংস্কৃতিৰ চৰ্চা, জনসাহিত্য তথা জনসংস্কৃতি, যাতায়াত, পৰিবহণ, যোগাযোগ ব্যৱস্থা আদিৰ লগত আধুনিক বিশ্বৰ পৰিৱেশত বজালীৰ স্থান সম্পৰ্কে ইয়াত বিস্তৃত আলোচনা কৰা হৈছে।

‘বজালীৰ জনসাহিত্য’ শীৰ্ষক এখন অতি মূল্যৱান গ্ৰন্থও তেওঁ বহুদিন কষ্ট কৰি লিখি উলিয়াইছিল যদিও এইখনে প্ৰকাশৰ মুখ নেদেখিলে। ‘বজালীৰ জনসাহিত্য’ শীৰ্ষক গ্ৰন্থখনত তেওঁ বজালী অঞ্চলত প্ৰচলিত আইনাম, ধাইনাম, বিয়ানাম, লোকগীত, বনগীত, টোকাৰীগীত, মহখেদা গীত, বিহুগীত, দেহ বিচাৰৰ গীত, সাধুকথা, ফকৰা যোজনা, সাঁথৰ, তন্ত্ৰ-মন্ত্ৰ আদি জনসাহিত্যৰ বিস্তৃত বিষয়সমূহ অন্তৰ্ভুক্ত কৰি ইয়াৰ আলোচনা সবিস্তাৰে লিপিৱদ্ধ কৰিছে। মৃত্যুৰ আগমুহূৰ্তত তেওঁ ‘নীলাচল’ নামেৰে এখন উপন্যাসো লিখি উলিয়ায়। নীলাচলৰ বিখ্যাত কামাখ্যা মন্দিৰৰ ওপৰত যুগুত কৰা এই উপাদেয় উপন্যাসখনেও ছপাৰ মুখ নেদেখিলে। উপন্যাসখনত কামাখ্যা মন্দিৰৰ প্ৰাচীন ইতিহাস, কিম্বদন্তি, ইয়াৰ লগত জড়িত অসংখ্য পীঠস্থান, জনশ্ৰুতি আদি বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে। বেদ, উপনিষদ আদিৰ তথ্য সন্নিৱিষ্ট কৰি উপন্যাসখন তথ্যবহুল আৰু বাস্তৱসন্মত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। উক্ত হাতেলিখা অৱস্থাত থকা গ্ৰন্থসমূহ আমি স্বচক্ষে প্ৰত্যক্ষ কৰাৰ অভিজ্ঞতা আছে যদিও গভীৰভাৱে অধ্যয়ন কৰাৰ সুযোগ নাপালোঁ। হেমচন্দ্ৰৰ এই গ্ৰন্থসমূহ প্ৰকাশ কৰি উলিয়াব পাৰিলে অসমীয়া সাহিত্যৰ ভঁৰাললৈ অন্যতম অৱদান হ’ব বুলি আমি নিশ্চিতভাৱে ক’ব পাৰোঁ।

কিছুমান সামাজিক কাম-কাজ কৰাৰ সুবিধাৰ্থে পাঠশালা সাহিত্য সভাৰ উদ্যোগত আন এটি ভগ্নী অনুষ্ঠান ‘সাহিত্য, সংস্কৃতি আৰু সমাজকল্যাণ কেন্দ্ৰ’ নামেৰে জন্ম দিয়া হয় শৰ্মাদেৱ পাঠশালা সাহিত্য সভাৰ সম্পাদক হৈ থকা কালতে। সাধাৰণতে শাখা সাহিত্য সভাই আঁচনি ভিত্তিক কোনো সমাজকল্যাণৰ কামতে চৰকাৰী সাহায্য পোৱাৰ নিয়ম নাই। সেয়েহে সভাই উক্ত নামেৰে এটি বেচৰকাৰী অনুষ্ঠান জন্ম দি চৰকাৰী নিয়মানুসাৰে পঞ্জীয়ন কৰি লয়। এই অনুষ্ঠানৰ জৰিয়তে চৰকাৰৰ ওচৰত কেবাখনো সমাজকল্যাণমূলক আঁচনি যথানিয়মে প্ৰেৰণ কৰি আৰ্থিক সাহায্য লাভ কৰাৰ গুৰি

ধৰোতা আছিল প্ৰয়াত হেমচন্দ্ৰৰ শৰ্মা। মুঠতে শৰ্মাদেৱৰ অক্লান্ত পৰিশ্ৰম আৰু নিস্বাৰ্থ সেৱাৰ ফলত সেই সময়ত সাহিত্য, সংস্কৃতি আৰু সমাজকল্যাণ কেন্দ্ৰই এটি আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান হিচাপে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল।

বজালী মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা কালত তেওঁ অসম বিজ্ঞান সমিতিৰ বজালী শাখাৰ সম্পাদক পদত অধিষ্ঠিত হৈছিল। 'বজালী বিজ্ঞান সমিতি' পাঠশালাত প্ৰতিষ্ঠিত হোৱাৰ আগেয়ে শৰ্মাদেৱৰ উদ্যোগত মহাবিদ্যালয়ত Biological Society নামৰ এটি বিজ্ঞান সম্পৰ্কীয় অনুষ্ঠান গঢ় লৈ উঠিছিল। এই ছ'ছাইটিৰ সদস্য হিচাপে বজালী মহাবিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ প্ৰবক্তাসকলৰ উপৰিও পাটাছাৰকুছি বিদ্যাপীঠৰ বিষয় শিক্ষক শ্যামচৰণ ডেকা আৰু বজালী উচ্চতৰ মাধ্যমিকৰ জীৱবিজ্ঞান বিভাগৰ বিষয় শিক্ষকৰূপে মই নিজে সদস্য আছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ ৰিডাৰ ড° চম্পকলাল বৈশ্য উক্ত ছ'ছাইটিৰ উপদেষ্টা আছিল। বিজ্ঞানৰ ক্ৰমবিকাশ আৰু ইয়াৰ গ্ৰহণযোগ্যতা সম্পৰ্কে সজাগতা বৃদ্ধি কৰাই অনুষ্ঠানটিৰ প্ৰধান উদ্দেশ্য আছিল। তিনি বছৰমান চলাৰ পিছত বজালী বিজ্ঞান সমিতি গঠন হোৱাত অনুষ্ঠানটিৰ বিলুপ্তি ঘটে।

বজালীত অসম বিজ্ঞান সমিতিৰ এটি শাখা গঠন কৰাৰ প্ৰথমে আয়োজন চলিছিল ১৯৬৯ চনত। সেই বছৰৰ ১০ ছেপ্তেম্বৰ তাৰিখে বজালী মহাবিদ্যালয়ৰ অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত বজালী বিজ্ঞান সমিতিৰ সভ্যসকলৰ প্ৰথম সাধাৰণ সভা বহে আৰু সেই সভাতেই অনুষ্ঠানটিৰ প্ৰথম কাৰ্য্যনিৰ্বাহক সমিতি গঠিত হয়।উল্লিখিত বছৰৰ ৪ অক্টোবৰ তাৰিখে বজালী বিজ্ঞান সমিতি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়।

কটন মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক দেৱীচৰণ মহন্তই অনুষ্ঠানটি উদ্বোধন কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ জৈৱৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক প্ৰতুল চন্দ্ৰ গোস্বামীদেৱে মুখ্য অতিথি হিচাপে যোগদান কৰিছিল। সিদিনাৰপৰা বজালী বিজ্ঞান সমিতিয়ে অসম বিজ্ঞান সমিতিৰ স্বীকৃতিপ্ৰাপ্ত শাখা হিচাপে কাম কৰি আহিছে। প্ৰথম বৰ্ষৰ কাৰ্য্যনিৰ্বাহক সভাতে হেমচন্দ্ৰ শৰ্মাই এজন কাৰ্য্যনিৰ্বাহক সদস্য হিচাপে অংশগ্ৰহণ কৰি মৃত্যুৰ আগমুহূৰ্তলৈ বিভিন্ন সময়ত সমিতিৰ বিষয়বাব গ্ৰহণ কৰি ইয়াৰ পৰিবৰ্দ্ধন আৰু আঁচনি ৰূপায়ণত ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। অসম বিজ্ঞান সমিতিৰ একবিংশতিতম বাৰ্ষিক অধিৱেশনখন ১৯৭৭ চনৰ ২৫, ২৬ আৰু ২৭ ফেব্ৰুৱাৰী তাৰিখে বজালী মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল বজালী বিজ্ঞান সমিতিৰ আমন্ত্ৰণমৰ্মে। এই অধিৱেশন সাফল্যমণ্ডিত কৰিবৰ বাবে বিজ্ঞান সমিতিৰ সকলো সদস্যই দেহেকেহে খাটিছিল। হেমচন্দ্ৰ শৰ্মা স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ এজন অন্যতম সদস্য

আছিল। ১৯৭৬-৭৭ বৰ্ষৰ বজালী বিজ্ঞান সমিতিৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্য হৈ থকা বাবে শৰ্মাদেৱৰ কান্ধত অধিৱেশনৰ গধুৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। নিজৰ কৰ্তব্যনিষ্ঠা আৰু প্ৰৱল মনোবলেৰে সকলো কাম তেওঁ অতি নিয়াৰিকৈ সম্পাদনা কৰিছিল। স্মৃতিগ্ৰন্থ সম্পাদনা উপসমিতিৰ এজন প্ৰধান সদস্য হিচাপে থকাৰ উপৰি তেওঁ উদ্‌যাপন সমিতিৰ বিভিন্ন উপসমিতিবোৰৰ লগত সমন্বয়ক হিচাপে কাম কৰি অধিৱেশনখন সাফল্যমণ্ডিত কৰাত বিশেষ অৰিহণা আগবঢ়াইছিল। অধিৱেশন শেষ হৈ যোৱাৰ পিছত হেমচন্দ্ৰ শৰ্মাৰ বিস্তৃত কৰ্মৰাজিৰ সকলোৰে একেমুখে শলাগ লয়।

বজালী বিজ্ঞান সমিতিয়ে আৰম্ভণি কালৰেপৰা বজালী অঞ্চলত বৈজ্ঞানিক মানসিকতা গঠনৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। সমিতিৰ সদস্যসকলে বজালী অঞ্চলৰ বিভিন্ন বিদ্যালয়লৈ গৈ বিজ্ঞান বিষয়ক জনপ্ৰিয় বক্তৃতা প্ৰদান কৰি আহিছে। এসময়ৰ এই কাৰ্য্যসূচী ইমানে জনপ্ৰিয় আছিল যে প্ৰায় প্ৰতিমাহতে একোটিকৈ এনে বক্তৃতাৰ আয়োজন কৰিবলগা হৈছিল। কিছুমান বিশেষ ধৰণৰ কাৰ্য্যসূচী বজালী মহাবিদ্যালয়তে অনুষ্ঠিত কৰি বিশিষ্ট লোকসকলক আমন্ত্ৰণ কৰি দুদিনীয়া কৰ্মশালাৰো আয়োজন কৰা হৈছিল। এই ক্ষেত্ৰত জীৱবিজ্ঞানৰ বিষয় সম্বলিত বহুতো কথিকাত হেমচন্দ্ৰ শৰ্মাই অংশগ্ৰহণ কৰি নিজৰ অধ্যয়নৰ প্ৰমাণ দিব পাৰিছিল। বিজ্ঞান সমিতিৰ এনে এটি কাৰ্য্যসূচী নাছিল য'ত শৰ্মা ডাঙৰীয়াই অংশ নোলোৱাকৈ থাকিছিল। প্ৰয়াত জিতেন্দ্ৰ দাস সমিতিক সম্পাদক হৈ থাকোতে দক্ষিণ বজালী আৰু সৰুক্ষেত্ৰী মৌজাৰ আমদহ বৰলাত থকা গোপীনাথ বৰদলৈ ছোৱালী হাইস্কুলত এটি ১৫ দিনীয়া শিবিৰ অনুষ্ঠিত হৈছিল। আমি কেবাগৰাকীও বিজ্ঞান সমিতিৰ সদস্যই শিবিৰটো নিষ্ঠাৰে পৰিচালনা কৰিছিলোঁ। সদায় চাইকেল চলাই সেই বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়ৰ বাহিৰেও ওচৰৰ গাঁওবোৰত ঘৰে ঘৰে গৈ স্বাক্ষৰ অভিযান, জনস্বাস্থ্য আদি কল্যাণমূলক আঁচনি ৰূপায়ণত অংশ লৈছিলোঁ। আৱশ্যকবোধে আমি নিশা ওচৰৰ গাঁওবাসীৰ ঘৰত ৰাত্ৰিযাপনো কৰিছিলোঁ। শিবিৰটো নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে অসম বিজ্ঞান সমিতিয়ে সামান্য আৰ্থিক অনুদান আগবঢ়াইছিল। বজালী বিজ্ঞান সমিতিয়ে প্ৰয়োজন সাপেক্ষে হিতাকাংক্ষীসকলৰপৰা দান-বৰঙণি সংগ্ৰহ কৰিছিল। স্থানীয় স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান বিষয়ক ৰচনা প্ৰতিযোগিতা আৰু মডেল নিৰ্মাণ প্ৰতিযোগিতা অনুষ্ঠিত কৰি উৎকৃষ্টসকলক বঁটা প্ৰদান কৰা হৈছিল। এটা সময়ত বজালী বিজ্ঞান সমিতি অসমৰ ভিতৰত এটি জাকত-জিলিকা অনুষ্ঠান পৰিণত হৈছিল। আঠগৰাকীলৈকে সদস্য অসম বিজ্ঞান সমিতিৰ অধিৱেশনত যোগদান কৰাৰ স্বীকৃতি লাভ কৰিব পাৰিছিল। বজালী মহাবিদ্যালয়ৰ অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শৰ্মা আৰু পিছলৈ জিতেন্দ্ৰ দাস ডাঙৰীয়া

অসম বিজ্ঞান সমিতিৰ উপসভাপতি পদত অধিষ্ঠিত হৈছিল। প্ৰায় প্ৰতি বছৰে বজালী বিজ্ঞান সমিতিৰপৰা অসম বিজ্ঞান সমিতিৰ কাৰ্য্যনিবাহক সমিতিৰ সদস্য নিৰ্বাচিত হৈছিল। সমিতিৰ এনেধৰণৰ সফলতাৰ আঁৰত হেমচন্দ্ৰ শৰ্মা আদি সদস্যৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফচল বুলি সকলোৱে একেমুখে স্বীকাৰ কৰিব।

১৯৬২ চনত শৰ্মা ডাঙৰীয়াই উত্তৰ গুৱাহাটীৰ শিলসাঁকোৰ এটি নিম্ন মধ্যবিত্ত পৰিয়ালৰ পিতৃহীনা শিক্ষিতা কন্যা চাৰু দেৱীৰ লগত বিবাহপাশত আৱদ্ধ হয়। শৰ্মাদেৱে সেই সময়ত কিছুদিনৰ বাবে উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত শিক্ষকতা কৰাৰ বাবে সেই সময়ত অস্থায়ীভাৱে উক্ত বিদ্যালয়ত শিক্ষয়িত্ৰী পদত মকৰল হোৱা চাৰু দেৱীৰ লগত তাতে চিনাকি হয়। সেই সময়ত উক্ত বিদ্যালয়ত কাম কৰি থকা ব্ৰজ শৰ্মা আদি জ্যেষ্ঠ শিক্ষকসকলে দুয়ো গৰাকীকে বৈবাহিক কাৰ্য্যৰদ্বাৰা সম্পৰ্ক স্থাপন কৰি দিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখে আৰু দুয়ো গৰাকী উপযুক্ত পাত্ৰ-পাত্ৰীৰ মাজত সুসম্পৰ্ক গঢ়ি তুলিবলৈ অভিভাৱক-অভিভাৱিকাৰ লগত যোগাযোগ কৰি বিয়াৰ পূৰ্ণ প্ৰস্তুতি সম্পূৰ্ণ কৰে। মই তেতিয়া উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ হাইস্কুলত কাম কৰি থকা বাবে বিষয়টোৰ লগত জড়িত হৈ পৰোঁ। হেমচন্দ্ৰ শৰ্মা মোৰ ডাঙৰ জেঠীৰ ভাতৃ জালিখাটাৰ পুষ্পচন্দ্ৰ শৰ্মাৰ সন্তান হোৱা বাবে এটি সুন্দৰ সম্পৰ্কও আমাৰ মাজত বিৰাজ কৰিছিল। পাঠশালাৰপৰা কইনা চাবলৈ যোৱা, বিয়াৰ দিন ঠিক কৰা আদি কামত মই নিজেও উপস্থিত আছিলোঁ। দুখীয়া পৰিয়ালৰ ছোৱালী হ'লেও চাৰু দেৱী স্নাতক ডিগ্ৰীধাৰী হোৱা বাবে কোনেও অপছন্দ নকৰিলে। বিবাহৰ দিনা সামান্য এটা খেলিমেলি লাগিছিল যদিও মই নিজে জড়িত হৈ সেই খেলিমেলি দূৰ কৰিলোঁ।

বৈবাহিক কাৰ্য্য সম্পন্ন হোৱাৰ পিছত শৰ্মা ডাঙৰীয়াই কিছুবছৰ পাঠশালা নগৰৰ এটি ভাড়াঘৰত আছিল। কম দিনৰ ভিতৰতে দুয়োগৰাকীৰ যৌথ প্ৰচেষ্টাত পাঠশালাৰ জ্যোতিনগৰত এটুকুৰা মাটি ক্ৰয় কৰি তাত সাধাৰণভাৱে এটি গৃহ নিৰ্মাণ কৰি থাকিবলৈ লয়। এই গৃহটোতে তেওঁ জীৱনৰ অন্তিম দিনলৈ বসবাস কৰিছিল। আৰম্ভণিৰপৰাই তেওঁ পাঠশালাৰ সাহিত্য-সংস্কৃতিমূলক বিভিন্ন অনুষ্ঠানৰ লগতে তেওঁ জড়িত হৈ পৰি অনুষ্ঠানবোৰৰ শ্ৰীবৃদ্ধি সাধনত ব্ৰতী হৈ পৰিছিল। ১৯৮৮ চনৰ প্ৰথমাৰ্ধতে তেওঁ দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হয়। আৰম্ভণিতে ডিঙিত এই ৰোগে আক্ৰমণ কৰিছিল যদিও পিছত গোটেই শৰীৰতে এই ৰোগ বিয়পি পৰাত তিনিবাৰ ভেলোৰৰ মিছন হাস্পতাললৈ নি চিকিৎসা প্ৰদান কৰা হৈছিল যদিও তৃতীয়বাৰ ভেলোৰৰ পৰা ঘূৰি আহোঁতে বাটত বাসুগাঁও ৰে'ল ষ্টেচনত ১৯৮৮ চনৰ ২১ আগষ্ট তাৰিখে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। সেই সময়ত তেওঁৰ লগত আছিল সহধৰ্মিণী চাৰু দেৱী আৰু জ্যেষ্ঠ ভাতৃ প্ৰভাত শৰ্মা।

শৰ্মাৰ মৃতদেহ বঙাইগাঁও ৰে'ল ষ্টেচনত নমোৱা হয় আৰু সম্বন্ধীয় দাদাক অৰবিন্দ শৰ্মাৰ গাড়ীৰে পাঠশালালৈ অনা হয়। পাঠশালা পোৱাৰ পিছত শৰ্মাৰ মৃতদেহ সাহিত্য সভাৰ পতাকাৰে ঢাকি দিয়া হয়। বৰপুত্ৰ জয়ন্ত আহি নোপোৱাত তেওঁৰ মৃতদেহ পিছদিনালৈ সংৰক্ষণ কৰি ৰখা হয়। পিছত মৃতদেহ শোভাযাত্ৰা কৰি পাঠশালা সাহিত্য সভা, বজালী মহাবিদ্যালয়, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি স্থানলৈ নিয়া হয় আৰু বিয়লি তেওঁক বিছান্নালা জানৰ সমীপৰ শ্মশানত সৎকাৰ কৰা হয়।

শৰ্মাৰ আদ্যশ্ৰাদ্ধৰ দিনটো পাঠশালা সাহিত্য সভাই দিনজোৰা কাৰ্য্যসূচীৰে 'হেমচন্দ্ৰ শৰ্মা দিৱস' হিচাপে উদ্‌যাপন কৰে। তেওঁৰ মৃত্যুৰ বাতৰি দূৰদৰ্শন, আকাশবাণী আদিয়ে প্ৰচাৰ কৰাৰ উপৰি অসমৰ বিভিন্ন বাতৰি কাকতত সবিস্তাৰে প্ৰকাশ পায়। পাঠশালাৰ উপৰিও বজালীৰ বিভিন্ন স্থানত হেমচন্দ্ৰ শৰ্মা জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে তেওঁৰ মৃত্যুত শোকসভা অনুষ্ঠিত কৰি বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনাৰ বাণী প্ৰেৰণ কৰে।

হেমচন্দ্ৰৰ মৃত্যুৰ পিছত তেওঁৰ পৰিয়ালবৰ্গই 'হেমচন্দ্ৰ শৰ্মা স্মৃতি সাহিত্য সভা' বঁটাৰ ব্যৱস্থা কৰিছিল। বজালী মহাবিদ্যালয়ৰ বছৰেকীয়া মহাবিদ্যালয়ৰ সপ্তাহৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীজনক এই বঁটা প্ৰদান কৰা হয়। কিন্তু বিভিন্ন কাৰণত বৰ্তমানে ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা হোৱা নাই। তেওঁৰ স্মৃতিৰ সৌৰভ ৰক্ষাৰ্থে আৰু কিছুমান আঁচনি প্ৰণয়নৰ কথা ভৱা হৈছিল যদিও সেইবোৰ আজিলৈ কাৰ্য্যকৰী হৈ উঠা নাই। তেওঁৰ হাতেলিখা গ্ৰন্থসমূহ ছপাই প্ৰকাশ কৰাৰ এটি দীৰ্ঘকালীন আঁচনি প্ৰস্তুত কৰা হৈছিল যদিও নানা আহুকালৰ বাবে সি এতিয়ালৈ বাস্তৱায়িত হোৱা নাই। সাধাৰণ দোষত্ৰুটিসমূহ বাদ দি শৰ্মাদেৱৰ শিক্ষা আৰু সংস্কৃতিৰ উন্নতিকল্পে আগবঢ়োৱা উপাদানসমূহৰ বিস্তৃত অধ্যয়ন আৰু গৱেষণা কৰিলে বহুতো ন-ন তথ্য উদ্‌ঘাটন হ'ব।

বিভিন্ন সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হ'লেও শৰ্মাদেৱে শিক্ষকতা কামত অলপো হীন-দেঢ়ি নকৰিছিল। এজন সফল শিক্ষক হিচাপে খুহুটীয়া কথাৰে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক কঠিন পাঠবোৰ হৃদয়ঙ্গম কৰাবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়ৰ শৈক্ষিক দিশত উন্নতিৰ বাবে প্ৰাক্তন অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শৰ্মাৰ লগত সকলো ক্ষেত্ৰতে সহযোগ আগবঢ়াইছিল। মহাবিদ্যালয়ত ভালদৰে থিতাপি লোৱাৰ পিছত শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° চম্পকলাল বৈশ্যৰ তত্ত্বাৱধানত গৱেষণা আৰম্ভ কৰে। তেওঁৰ গৱেষণাৰ বিষয় আছিল Factors Affecting Concentartion on Nitrogenous Compounds in Plants. পিএইছ. ডি. ডিগ্ৰীৰ বাবে তেওঁ নিজৰ গৱেষণাপত্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৮৪

চনত জমা দিয়ে যদিও বিশ্ববিদ্যালয়ৰ কিবা বিভাগীয় বিজুতিৰ বাবে বিশ্ববিদ্যালয়ে তেওঁক এম.ফিল. ডিগ্ৰীহে প্ৰদান কৰে। তেওঁ অৱশ্যে পিএইছ. ডি. ডিগ্ৰীৰ বাবেহে গৱেষণা চলাই আছিল। শৰ্মাদেৱৰ অন্তৰত ৰৈ যোৱা দুখটোৱেই হৈছে এই ডিগ্ৰী লাভ কৰিব নোৱাৰাটো। শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'শিক্ষা পৰিষদ' আৰু 'পাঠ্যপুথি প্ৰস্তুতি আৰু সমন্বয় সমিতি'ৰ উদ্ভিদবিজ্ঞান গোটৰ সদস্য আছিল, আৰু পাঠ্যপুথিৰ বিভিন্ন অংশ প্ৰস্তুত কৰি দিছিল। জীৱনৰ শেষৰ ফালে তেওঁ 'বিশ্ব হিন্দু পৰিষদ'ৰ বিভিন্ন কাম-কাজতো জড়িত হৈ পৰিছিল। অসমৰ বিদেশী বহিষ্কৰণ আন্দোলনতো তেওঁ অংশগ্ৰহণ কৰি পাটাছাৰকুছি চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ সন্মুখত গণ সত্যাগ্ৰহত যোগ দি আৰক্ষীৰ লাঠীৰ কোবো খাইছিল।

পৰোপকাৰী আৰু অমায়িক লোক শৰ্মাৰ কোনো শত্ৰু নাছিল। তেওঁৰ সংস্পৰ্শলৈ অহা প্ৰতিজন লোকে অকপটে স্বীকাৰ কৰিব যে শৰ্মাৰ নিচিনা দয়ালু, মিষ্টভাষী লোক লগ পোৱাটো অতি সৌভাগ্যৰ কথা। মহাবিদ্যালয়লৈ নিয়মিতভাৱে অহা-যোৱা কৰাৰ বাহিৰে তেওঁ সন্ধিয়াভাগত পাঠশালা সাহিত্য সভা নাইবা কলেজ ৰোডত থকা মৌচুমী চাহদোকানত কেইগৰাকীমান বিশিষ্ট লোকৰ সান্নিধ্যত কটাইছিল। মৌচুমী চাহদোকানৰ পিছৰফালে থকা খেৰী পঁজাটি বিভিন্ন বিষয়ৰ আড্ডাথলীলৈ ৰূপান্তৰিত হৈছিল। ৰাজনৈতিক, সামাজিক, শৈক্ষিক আদি বিভিন্ন বিষয়ৰ গঠনমূলক আলোচনা এই আড্ডাতে হৈছিল। আমাৰ ডাঙৰ জেঠাৰ সহধৰ্মিণী তেওঁলোকৰ পেহীয়েক আছিল। গতিকে দুয়োটি পৰিয়ালৰ মাজত এটি সৌহাৰ্দ্যপূৰ্ণ বাতাৱৰণৰ সৃষ্টি হৈছিল। আমি প্ৰাথমিক স্কুলত গঢ়ি থকা সময়ৰপৰা তেওঁলোকৰ গাঁও জালিখাটাৰ নিচেই ওচৰৰ হেলনালৈ ৰাস চাবলৈ গৈছিলোঁ। দুপৰীয়াৰ ভাত খাই আবেলি ৰাসস্থলীত অনুষ্ঠিত ঢুলীয়া, ওজাপালি আদি অনুষ্ঠানবোৰ উপভোগ কৰি সন্ধিয়া মামাহঁতৰ (হেমচন্দ্ৰৰ শৰ্মাৰ পৰিয়ালৰ) ঘৰলৈ আহি সোনকালে ৰাতিৰসাঁজ ভাত খাই পুনৰ ৰাসস্থলীলৈ গৈছিলোঁ ৰাতি অনুষ্ঠিত যাত্ৰাগান চাবলৈ। তেতিয়া বিভিন্ন ঠাইৰপৰা অহা যাত্ৰাদলবোৰে ৰাতিপুৱা পোহৰ হোৱালৈকে নাট উপস্থাপন কৰিব লাগে। ৰাতি পোহৰ হোৱাৰ লগে লগে পুনৰ জালিখাটাৰ মামাহঁতৰ ঘৰৰ সমুখেদি ঘৰলৈ ৰাওনা হৈছিলোঁ। হেমচন্দ্ৰৰ দাদাক মধু শৰ্মা, ভাতৃ প্ৰভাত শৰ্মা আৰু হেমচন্দ্ৰ নিজেও আমাৰ সংগী হৈছিল। এইদৰে নানা ৰং-ৰহইচ কৰি আমি মেট্ৰিক পৰীক্ষা পাছ কৰালৈ (১৯৫২ চন) হেলনাৰ ৰাসোৎসৱ উপভোগ কৰাত অকণো কৃপণালি কৰা নাছিলোঁ। হেমচন্দ্ৰৰ মাকে আমাক অতি আদৰ কৰি খোৱা-লোৱাৰ যোগাৰ কৰি দি আপ্যায়িত কৰিছিল। সেইদৰে মামীহঁত ভাগৰতীপাৰাৰ জেঠাহঁতৰ ঘৰলৈ আহিলে আমাৰ ঘৰতো এপাক মাৰি এসাঁজ ভাত খাই যোৱাটো এটা

বিশেষ দস্তুৰ আছিল। হেম দাদাই আমাক নিজ ভাতৃৰ দৰে আদৰ-সাদৰ কৰি এটি সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। পাঠশালালৈ আহিলে আমাৰ ঘৰৰ সন্মুখেৰে খোজকাঢ়ি আহিছিল। তেতিয়া গৰুৰ গাড়ীৰ বাহিৰে কোনো যান-বাহন নথকাত খোজকাঢ়ি অহা-যোৱা কৰাটোৱে আছিল সৰ্বদৃশ্যমান ৰূপ। নতুন কইনা আহিব লাগিলে ছৈদিয়া গৰুগাড়ীত অহাযোৱা কৰাটো অৱশ্য কৰ্তব্য আছিল। তাহানিৰ দিনৰ অকপট মৰম, নিৰ্ভেজাল মনৰ অধিকাৰী ইষ্ট-কুটুম্বৰ সম্বন্ধ আজিৰ দিনত দেখিবলৈ নাই। সামাজিক কামত হেমচন্দ্ৰই সাহস দেখুৱাইছিল, কিন্তু পাৰিবাৰিক ক্ষেত্ৰত তেওঁ বহু পৰিমাণে উদাসীনহে আছিল। প্ৰকৃততে তেওঁৰ উপযুক্তা সহধৰ্মিণী চাৰু দেৱীয়েহে পাৰিবাৰিক সকলো দিশ চোৱাচিতা কৰিছিল বাবে তেওঁ সামাজিক কাম-কাজত নিষ্ঠাসহকাৰে জড়িত হ'ব পাৰিছিল। প্ৰাচীন ধৰ্মীয় সংস্কাৰৰ প্ৰতিও তেওঁ বহু পৰিমাণে আগ্ৰহী আছিল, কিন্তু তেওঁ অন্ধবিশ্বাসক কেতিয়াও প্ৰশ্ৰয় দিয়া নাছিল। দুজন পুত্ৰ আৰু এগৰাকী কন্যাক যথাবিহিত শিক্ষা-দীক্ষা প্ৰদানেৰে গঢ়ি তোলাত তেওঁ অকণো কাৰ্পণ্য কৰা নাছিল।

মই ১৯৫৫ চনৰ পৰা ১৯৬৪ চনলৈ দহ বছৰ উত্তৰ গুৱাহাটীত বসবাস কৰি থাকিব লগা হোৱাত সেই সময়ছোৱাৰ সকলোবোৰ অনুষ্ঠানতে জড়িত হৈ পৰিছিলোঁ। চাৰু দেৱী মোতকৈ দুবছৰ পিছত গুৱাহাটীৰ সন্দিকৈ মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। তেতিয়াৰ কালত আমি উত্তৰ গুৱাহাটীৰপৰা গুৱাহাটীৰ মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ দুখ কুলাই-পাচিয়ে নধৰা বিধৰ আছিল। সন্ধিয়াৰ পাঁচ বাজি পোন্ধৰ মিনিটৰ ফেৰী জাহাজখন কিবা কাৰণত ধৰিব নোৱাৰিলে টুলুঙা নাৱত ব্ৰহ্মপুত্ৰ পাৰ হোৱাৰ বিকল্প নাছিল। ফেৰী ধৰিব নোৱাৰাসকলে উপায়হীন হৈ টুলুঙা নাৱতে উঠি নদী পাৰ হোৱাৰ ক্ষেত্ৰত যথেষ্ট সাহসৰ পৰিচয় দিব লগা হৈছিল। নাওখন পাৰৰপৰা এৰি দিব খোজাৰ লগে লগে আৰু দুজনমান আহি নাৱৰীয়াক মাতিব ধৰে। সকলোৱে আলোচনা কৰি সেই দুজনকো নাৱত উঠাই লোৱা হয়। ইফালে নাৱৰ জোখতকৈ মানুহ বেছি হোৱাত নাওখন পাৰতে ডুবু-ডুবু হয়। নাৱৰীয়াক মৰসাহ দি সকলোৱে নাওখনত থিতাপি লাগি বহি লোৱাৰ পিছত সকলোকে সতৰ্কবাণী শুনোৱা হয় যাতে কোনেও সামান্যভাৱে হ'লেও লৰচৰ নকৰে। এজন গুৰিয়াল আৰু দুজন দাৰমৰা মানুহে নাওখন প্ৰবল বেগেৰে চলাই দিয়ে যাতে পশ্চিমফালৰপৰা অহা ধুমুহা-বতাহে ঢুকি নাপায়। কিন্তু বিধি বাম হ'লে সেয়াই হয়। নদীখনৰ একচতুৰ্থাংশমান অহাৰ পিছত পশ্চিম ফালৰপৰা অহা প্ৰবল ধুমুহাই নাওখনত পানী সুমুৱাই দিয়ে। সকলোবোৰ যাত্ৰী উত্তৰ গুৱাহাটীৰ বাবে হৰিধ্বনিৰ মাজেৰে উত্তৰপাৰত উপনীত হওঁ। এবাৰ এনে ধৰণৰ দুৰ্য্যোগৰ সহযাত্ৰী চাৰু দেৱী হোৱা বাবে কেনে ধৰণৰ অৱস্থাত উপনীত হ'ব লগা হৈছিলোঁ

তাক ভাষাৰে বৰ্ণাব নোৱাৰি। তেওঁ নিশ্চিতভাৱে সিদিনাখন সলিল সমাধি ঘটিব বুলি ধৰি লৈছিল আৰু পিছলৈ কোনোদিনে এনেকুৱা বতৰত টুলুঙা নাৱত পাৰ নহ'ব বুলি তিনি সইত খাইছিল। মই নিজেও সেই দুৰ্য্যোগপূৰ্ণ দিনৰ এজন সহযাত্ৰী আছিলোঁ। পিছলৈ মই এনেকুৱা দুৰ্য্যোগৰ দুবাৰো সন্মুখীন হৈছিলোঁ।

কটন মহাবিদ্যালয়ত পঢ়া কালত আৰু উত্তৰ গুৱাহাটীত থকা কালত মই বহুত দিন হেমচন্দ্ৰ শৰ্মাৰ খুড়াকৰ হেপীভিলাৰ ঘৰত নিশা যাপন কৰিছিলোঁ। সন্ধিয়াৰ পাঁচ বজাৰ ফেৰীজাহাজ ধৰিব নোৱাৰিলে ফাঁচীবজাৰৰপৰা হেপীভিলালৈ খোজ কাঢ়ি গৈ নিজৰ বিপদৰ কথা মামীদেউক কৈছিলোঁ। মামীয়ে অতি আগ্ৰহেৰে ৰাতিটো তেওঁলোকৰ ঘৰত থকা-খোৱাৰ ব্যৱস্থা কৰি দিছিল। তেতিয়া তাত থকা হেম দাদাহঁতে মোক নিজৰ ভাইৰ নিচিনা মৰম-চেনেহ কৰি ৰাখিছিল। তেওঁ পঢ়ি থকা উদ্ভিদবিজ্ঞান বিভাগত ময়ো পঢ়িব পাৰিম বুলি মনে ধৰিছিল। শেষত যেনিবা চাকৰি কৰি থকা কালত এটি চৰকাৰী আঁচনিৰ আওতালৈ আহি গৰমৰ বন্ধ আৰু পূজাৰ বন্ধৰ সময়তে বিশ্ববিদ্যালয়ত খোলা Sandwitch Courseত নামভৰ্তি কৰি ১৯৬৫ চনত উদ্ভিদবিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী ল'বলৈ সক্ষম হৈছিলোঁ। বজালী উচ্চতৰ মাধ্যমিকত কাম কৰি থকা হেমচন্দ্ৰই বজালী মহাবিদ্যালয়লৈ বদলি হৈ অহাত সেই খালি পদটিত মই ১৯৬৪ চনত যোগদান কৰি অৱসৰ পোৱাৰ দিনলৈ (১৯৯৬ চনৰ ৩১ জুলাই) সেই পদতে সেৱা আগবঢ়াওঁ। মই তেওঁৰ অনুপ্ৰেৰণাতে বজালী বিজ্ঞান সমিতি আৰু পাঠশালা সাহিত্য সভাৰ লগত নিবিড়ভাৱে জড়িত হৈ পৰোঁ। তেওঁৰ সহধৰ্মিণী চাৰু দেৱী মোৰ সম্পৰ্কীয় আৰু উত্তৰ গুৱাহাটীত থাকোঁতে চিনাকি হোৱা বাবে মোৰ তেওঁলোকৰ পাঠশালাৰ জ্যোতিনগৰৰ ঘৰলৈ অবাধ আহ-যাহ আছিল। তেওঁলোকৰ ল'ৰা-ছোৱালীহঁতে মোক নিজৰ খুড়াকৰ সন্মান দিছিল। তেওঁৰদ্বাৰা ৰচিত অপ্ৰকাশিত গ্ৰন্থসমূহ মই ছেগা-চোৰোকাকৈ পঢ়িছিলোঁ। হাতেলিখা অৱস্থাত থকা গ্ৰন্থসমূহ একাণপতীয়াভাৱে অধ্যয়ন কৰিবলৈ মোৰ আহৰি নহ'ল। শৰ্মাদেৱৰ নিচিনা পৰোপকাৰী স্বাধীনচিতীয়া বিদ্বান লোকৰ অকাল মৃত্যুৱে সমাজৰ বহুতো ক্ষতি সাধন কৰিছে। মই তেওঁৰ জীৱন সম্বলিত কিছু কথাহে এই জীৱনপঞ্জীত উল্লেখ কৰিলোঁ। বহুতো কথা পাহৰণিৰ গৰ্ভত লীন হৈ গৈছে। শেষত এইগৰাকী কৃতী শিক্ষক সাহিত্যানুৰাগীৰ আত্মাই পৰমপিতা পৰমেশ্বৰৰ লগত একাত্ম হৈ সুখে-সন্তোষে বাস কৰক এয়ে মোৰ শুভ কামনা। ■

- *লিখক বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন বিষয় শিক্ষক আৰু হেমচন্দ্ৰ শৰ্মাৰ সম্বন্ধীয় ভাতৃ।*

# স্মৃতিয়ে যেতিয়া আমনি কৰে

## বিষ্ণু শৰ্মা

কেতিয়াবা কেতিয়াবা কিছুমান স্মৃতিয়ে মনৰ এচুকত বৰকৈ আমনি কৰে। তেনে আমনিৰ স্মৃতি হ'ল জ্যোতিনগৰস্থিত হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱী (বাইদেউৰ) বাসগৃহটো। যিটো বাসগৃহ জ্যোতিনগৰস্থিত সকলো পুৰণি মানুহখিনিৰ চিৰপৰিচিত। এক বিশেষ আৰ্হিৰ এই ঘৰটোত বাস কৰিছিল তদানীন্তন বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আৰু পাঠশালা ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী চাৰু বাইদেউ। সম্বন্ধত মই ছাৰক দাদি বুলি মাতিছিলোঁ। তেতিয়াৰ ছোৱালী হাইস্কুলৰ বিপৰীতে আছিল আমাৰ সৰু দোকানখন। তালৈ দাদি প্ৰায়ে আহে আৰু কিছু সময় বহি দুই-চাৰিটা কথা কৈ পুনৰ অহা বাটে ঘূৰি যায়। এয়া যেন চিৰাচৰিত কথা। পিন্ধনত দাদি আছিল অতি পৰিপাটি। সুন্দৰ ঘী ৰঙৰ এটা বিশেষ চাৰ্টসহ কাঢ়া ইস্ত্ৰি কৰা পেণ্টটোৰে মানুহজনে আহি বিষ্ণু বুলি মাত আষাৰ দি বহি সমসাময়িক দুই-চাৰিটা কথা কৈ পুনৰ ঘৰলৈ যায়।

দাদিৰ জন্ম হৈছিল পাঠশালাৰ পৰা দক্ষিণ দিশে অৱস্থিত জালিখাটা নামৰ বিখ্যাত গাঁওখনত। যি গাঁওত আজিও বিদ্যমান এছিয়াৰ ভিতৰত বৃহৎ বটবৃক্ষ। তেওঁলোকৰ ককাই-ভাই চাৰিজন আৰু ভনী এজনী। ইয়াৰে দ্বিতীয়জন আছিল দাদি। ইয়াৰ পিছত কৰ্মসূত্ৰে দাদি পাঠশালালৈ আহি স্থায়ীভাৱে বসতি কৰে। মই জনাত বজালী মহাবিদ্যালয়ত কাম কৰাৰ আগতে দাদি বজালী হাইস্কুলতো কৰ্মৰত হৈ আছিল। পৰৱৰ্তী সময়ত তেখেতে বজালী মহাবিদ্যালয়লৈ আহি উদ্ভিদবিজ্ঞান বিভাগত কৰ্মৰত হয়। মই দেখাত তেখেতৰ বাসগৃহৰ সন্মুখৰ ফালে ওলাই অহা যিটো কোঠা আছে তাত বিভিন্ন লতাজাতীয় উদ্ভিদ বিদ্যমান হৈ আছিল।

এইখিনিতে উল্লেখ কৰা নহ'লে মোক পাপে চুব। সেই সময়ত চিনি নোপোৱা কোনো উদ্ভিদ পালে, এইটো কি বুলি সুধিলে, তেতিয়া সেয়া সহজভাৱে চিনাকি কৰাই দিছিল দাদিয়ে। বাইদেউ আছিল জন্মসূত্ৰে উত্তৰ গুৱাহাটীৰ। পিছলৈ বৈবাহিকসূত্ৰে জালিখাটাৰ দাদাৰ ঘৰখনৰ বোৱাৰী হৈ পৰৱৰ্তী সময়ত কৰ্মসূত্ৰে পাঠশালাৰ জ্যোতিনগৰত দাদিৰ সহধৰ্মিণী হৈ স্থায়ী বাসিন্দা হৈ পৰে।

বাইদেউ মই দেখাত এগৰাকী নিয়মীয়া শিক্ষয়িত্ৰী আছিল। সময়তকৈ সদায় এখোজ আগত আছিল। পৰৱৰ্তী সময়ত যেতিয়া প্ৰধান শিক্ষয়িত্ৰী হৈছিল, তেতিয়া দেখিছিলোঁ শাসনৰ ক্ষেত্ৰতো তেওঁ এগৰাকী দক্ষ শিক্ষয়িত্ৰীৰ পৰিচয় দাঙি ধৰিছিল। তেওঁক সময়তকৈ ১০-১৫ মিনিট আগত আহি বিদ্যালয়ৰ চাৰিওফালে চকু ফুৰোৱা আমি প্ৰত্যক্ষ কৰিছিলোঁ। ইংৰাজী বিষয় শিকোৱাৰ ক্ষেত্ৰত বাইদেউৰ যথেষ্ট দখল আছিল।

আজি যি নাৰী সবলীকৰণৰ কথা টিভি বা বাতৰিকাকতত পঢ়িবলৈ পোৱা যায়, সেই সময়তে বাইদেউ বা তেওঁৰ লেখীয়া শিক্ষাৰ লগত জড়িত শিক্ষয়িত্ৰীসকলে সমাজক নাৰী শিক্ষাৰ গুৰুত্ব বুজাবলৈ চেষ্টা কৰিছিল, আৰু স্ত্ৰী-শিক্ষাৰ প্ৰসাৰত গুৰুত্ব দিছিল। আজি এই লেখাৰ জৰিয়তে প্ৰয়াত হেমচন্দ্ৰ শৰ্মা (দাদি) আৰু প্ৰয়াত চাৰু বাইদেউলৈ জনালোঁ মোৰ হিয়াভৰা অশ্ৰু-অঞ্জলি। ■

- *লিখক গণকপুখুৰী হাইস্কুলৰ শিক্ষক আৰু হেমচন্দ্ৰ শৰ্মাৰ সম্পৰ্কীয় ভাতৃ।*

---

❖ এই পৃথিৱী কেতিয়াও বেয়া মানুহৰ বেয়া কামৰ কাৰণে ধ্বংস হ'ব নোৱাৰে। যিসকলে বেয়া মানুহৰ বেয়া কাম দেখিও একোৱেই নকৰে, তেওঁলোকৰ কাৰণেহে ধ্বংস হ'ব।

**—এলবাৰ্ট আইনষ্টাইন**

❖ যিসকলে কোনো কাম নকৰে কেৱল তেওঁলোকেই যে এলেহুৱা সেইটো নহয়, যিসকল মাত্ৰ সৰু কামতে লাগি আছে আৰু বৃহত্তৰ আৰু মহত্তৰ কামত যিসকলক ব্যৱহাৰ কৰিব পাৰি তেওঁলোকো এলেহুৱা।

**—চক্ৰেটিছ**

❖ এই দেশ হিন্দুৰো নহয়, মুছলমানৰো নহয়, এই দেশক যিয়ে নিজৰ দেশ বুলি ভাৱে এই দেশ সেইসকলৰ। এই দেশৰ মঙ্গল দেখি যাৰ মন আনন্দত ভৰি উঠিব, এই দেশ সেইসকলৰ। এই দেশৰ দুখত যিসকলে কান্দিব, এই দেশ সেইসকলৰ।

**—ফজলুল হক**

# সোঁৱৰণিৰ পাতত দাদা

## দীপালী দেৱী

জন্ম আৰু মৃত্যু সৃষ্টিকৰ্তাৰ আমোঘ নিয়ম। ই চিৰসত্য। কোনেও কাকো ধৰি ৰাখিব নোৱাৰে। সেয়ে আপোনজনো সময়ৰ সোঁতত হেৰাই যায়। মাথোঁ দি থৈ যায় স্মৃতিৰ পাতত কৰ্মৰাজিৰ কথা। মোৰ মাজু বৰজনা অৰ্থাৎ আমাৰ তেখেতৰ মাজুদাদা হেমচন্দ্ৰ শৰ্মাও এনেদৰে এদিন হেৰাই গৈছিল আমাৰ মাজৰপৰা। তেখেতৰ কথা মনত পৰিলে আজিও মনটো বেদনাৰে ঢাক খাই পৰে। স্মৃতিৰ পাতত জিলিকি উঠে তেওঁৰ হাঁহি ভৰা মুখখন আৰু ধেমালি কৰি কোৱা কথাবোৰ। বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞানৰ অধ্যাপক হিচাপে কাম কৰি বহুতো ছাত্ৰ-ছাত্ৰীক উন্নতিৰ পথটোত আগবঢ়াই নিয়াত তেখেত আছিল অপৰিহাৰ্য্য।

পাঠশালাৰ অন্তৰ্গত জালিখাটা গাঁৱত তেওঁৰ জন্ম। প্ৰয়াত সাৱিত্ৰী দেৱীৰ তেওঁ দ্বিতীয় সন্তান আছিল। দেউতাক পুষ্প শৰ্মাই পুৰোহিত হিচাপে কাম কৰি ল'ৰা-ছোৱালীক পোহপাল দিয়াত কষ্ট হোৱাত তেওঁৰ ভায়েক মাধৱ শৰ্মাই তৃতীয় সন্তান প্ৰভাত শৰ্মাক গুৱাহাটীৰ ঘৰলৈ লৈ যায়। তদুপৰি হেম শৰ্মাকো পঢ়া জীৱনত বহতো সহায় কৰিছিল। যি নহওঁক এদিন সুখ্যাতিৰে এম. এছচি. পাছ কৰি আহি প্ৰথম অৱস্থাত তেওঁ উত্তৰ গুৱাহাটীৰ হাইস্কুল এখনত কাম কৰিবলৈ লয় আৰু তাতেই চাৰু দেৱীৰ লগত চিনাকি হয়। সেই চিনাকি সূত্ৰেই চাৰু দেৱীক তেওঁ জীৱন সঙ্গিনী হিচাপে পায়। চাৰু দেৱীক বিয়া কৰোৱা সময়ত তেওঁ বজালী উচ্চতৰ মাধ্যমিক স্কুলত শিক্ষক হিচাপে কাম কৰি আছিল। তাৰ পিছত তেওঁ বজালী মহাবিদ্যালয়ত উদ্ভিদবিজ্ঞানৰ অধ্যাপক হিচাপে নিযুক্তি পায়। তেওঁৰ সহধৰ্মিনী চাৰু দেৱীয়ে বিয়াৰ পিছতেই পাঠশালা ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষয়িত্ৰী হিচাপে নিযুক্তি পায়। তেওঁলোকৰ যুগ্মজীৱনৰ সাক্ষী হিচাপে তিনিটা সন্তানেৰে বৈবাহিক জীৱনটো আগবঢ়াই নিয়ে।

তেখেতক মই খুবেই শ্ৰদ্ধা কৰিছিলোঁ। তেখেত এজন শ্ৰদ্ধাশীল ব্যক্তি আছিল। তেখেত বজালী মহাবিদ্যালয়ত কাম কৰি থকা সময়ত মই প্ৰথম বাৰ্ষিকৰ ছাত্ৰী হিচাপে

পঢ়িবলৈ লৈছিলোঁ। তেখেতে মোক খুব মৰম কৰিছিল। তদুপৰি মই যেতিয়া 'গাৰ্লছ কমনৰুম' চেক্ৰেটাৰী হিচাপে পদটো পাইছিলোঁ তাতো তেখেতৰ অৰিহণা যথেষ্ট আছিল।

পাঠশালা সাহিত্য সভাৰ তেখেত এজন আগভাগ লোৱা সদস্য আছিল। লিখা-মেলাৰ প্ৰতি বৰ আগ্ৰহশীল ব্যক্তি আছিল আৰু "ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত", "চাৰ্লছ ডাৰউইন" নামৰ কিতাপখন লিখিয়েই তাৰ প্ৰমাণ দিছিল। ইয়াৰ উপৰিও অন্যান্য বহুতো প্ৰবন্ধ আদি লিখিছিল। সকলোৰে তেখেতৰ সৰলতাত মুগ্ধ হৈছিল আৰু ভালো পাইছিল যথেষ্ট পৰিমাণে। তেখেতক মই খুব শ্ৰদ্ধা কৰিছিলোঁ। স্মৃতিত পাতত জিলিকি থাকিব লগা বহু কথাই আজি মোৰ মনৰ মাজৰপৰা হেৰাই গৈছে। সদৌ শেষত আমাৰ মাজৰ পৰা হেৰাই যোৱা দাদা-বাইদেউৰ দুয়োজনাৰ আত্মাই যাতে চিৰশান্তি লাভ কৰিব পাৰে তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই, ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আজিলৈ সামৰিছোঁ। ■

- *লিখিকা গণকপুখুৰী হাইস্কুলৰ প্ৰাক্তন শিক্ষয়িত্ৰী আৰু হেমচন্দ্ৰ শৰ্মাৰ ডাঙৰ ভাইবোৱাৰী।*

---

❖ যেতিয়া মই বেছি পৰিপক্ক মানুহ হৈ উঠিছিলোঁ, মই যত্নশীলভাৱে, ঘণ্টাৰ পাছত ঘণ্টা, বহু বছৰ সমস্যাসমূহৰ ওপৰত কাম কৰিছিলোঁ— কেতিয়াবা বহু বছৰ, কেতিয়াবা হ্ৰস্বতৰ সময়— সিহঁতৰ বহুবোৰ অকৃতকাৰ্য্য হৈ, অসংখ্য বস্তু পেলনীয়া পাচিলৈ গৈ; কিন্তু প্ৰতিবাৰতে এক নতুন অন্তৰ্দৃষ্টিৰ ঐশ্বৰ্য্য আছিল, যিটোৰে মই পৰ্য্যবেক্ষণৰ ফলাফলসমূহ আশা কৰিবলৈ শিকিছিলোঁ। কাৰণ মই শিকা নাছিলোঁ যে কিছুমান পৰ্য্যবেক্ষণ প্ৰচেষ্টাযোগ্য নাছিল।

❖ বিজ্ঞানৰপৰা শিকক যে আপোনালোকে নিশ্চিতভাৱে বিশেষজ্ঞসকলক সন্দেহ কৰিব লাগে। দৰাচলতে ময়ো আন এক ধৰণে বিজ্ঞানৰ সংজ্ঞা দিব পাৰোঁ ঃ বিজ্ঞান হ'ল বিশেষজ্ঞসকলৰ অজ্ঞানতাত বিশ্বাস।

❖ এক ধৰণৰ ভাৰসাম্যতাৰে, যিটোৰ বাবে যথেষ্ট দক্ষতা লাগে, অতীতক গ্ৰহণ আৰু প্ৰত্যাখ্যান দুয়োটা কৰিবলৈ শিকোৱাটো আৱশ্যকীয়। সকলো বিষয়ৰ ভিতৰত একমাত্ৰ বিজ্ঞানে পূৰ্বৱৰ্তী পুৰুষৰ সৰ্বশ্ৰেষ্ঠ শিক্ষকসকলৰ অভ্ৰান্তিৰ ওপৰত বিশ্বাসৰ বিপদৰ পাঠ অন্তৰ্বিষ্ট কৰে।

**—ৰিচাৰ্ড ফাইনমেন**

# পিতৃভ্যাং নমো নমঃ

**ব্ৰজেন শৰ্মা**

যং মাতাপিতৰৌ ক্লেশং সহেতে সম্ভৱে নৃণাং।
ন তস্য নিষ্কৃতিঃ শক্যা কৰ্ত্তুং ৱৰ্ষশতৈৰপি।।

মনুসংহিতাৰ এই আপ্তবচনে ল'ৰা-ছোৱালী আৰু পিতৃমাতৃৰ মাজৰ নিবিড় সম্পৰ্কৰ কথাকেই সূচনা কৰিছে। প্ৰকৃতাৰ্থত সন্তান জন্মৰ সময়ত মাক-পিতাকে যি দুখ-কষ্ট সহ্য কৰিবলগীয়া হয়, শ শ বছৰ অতিক্ৰম কৰিলেও তাক নোহোৱা কৰিব নোৱাৰি। অৰ্থাৎ সন্তানে সেই ঋণ পৰিশোধ কৰিব নোৱাৰে। সঁচাকৈ পিতৃ-মাতৃৰ ওচৰত পুত্ৰ-পুত্ৰীসকল চিৰঋণী। সেয়েহে কৃতজ্ঞতাৰ চিনস্বৰূপ ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক জীৱিত অৱস্থাত সেৱা-শুশ্ৰূষা কৰাৰ উপৰিও মৃত্যুৰ পিছতো অন্ত্যেষ্টিক্ৰিয়া আদি সম্পাদন কৰে আৰু প্ৰতি বছৰে মৃত্যুতিথিত পিণ্ডদান আদিৰদ্বাৰা কৃতকৃত্য হয়। কাৰণ মাক-পিতাকৰ মৰম সতি-সন্ততিয়ে চিৰদিন স্মৰণ কৰে। অকল মানৱপ্ৰাণীৰ ক্ষেত্ৰতে নহয় ইতৰ প্ৰাণীৰ মাজতো অপত্য স্নেহ বিদ্যমান। পিতৃপৰিচয়বিহীন হ'লেও ইতৰ প্ৰাণীৰ জন্মৰ পিছতে মাক আৰু পোৱালিৰ মাজৰ যি মৰম-স্নেহ সেইটো তুলনাবিহীন। কিন্তু বোধশক্তিৰ অভাৱৰ বাবে পিছলৈ সেই সম্পৰ্ক বৰ্তি নাথাকে। এইখিনিতেই মানুহ আৰু পশুৰ মাজত প্ৰভেদ। মনীষীসকলে কৈছে— আহাৰনিদ্ৰাভয়মৈথুনঞ্চ সামান্যমেতৎ পশুভিৰ্ণাৰাণাং। ধৰ্মো হি তেষামধিকো বিশেষো ধৰ্মেণ হীনাঃ পশুভিঃ সমানাঃ।। আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুন এই চাৰিটা পশু আৰু মানুহ উভয়ৰে সহজাত প্ৰবৃত্তি। কিন্তু ধৰ্ম হ'ল তাৰ মাজৰ এটা বিশেষ গুণ যিটো নহ'লে পশু আৰু মানুহৰ মাজত পাৰ্থক্য নাথাকে। সেয়েহে জনক-জননী আৰু জাতক-জাতিকাৰ মাজৰ সম্পৰ্ক ইতৰ প্ৰাণীৰ বেলেগ আৰু মানুহৰ বেলেগ।

বৰপুত্ৰ জয়ন্তই নিজৰ মাক-দেউতাকৰ কৃতজ্ঞতাৰ চিনস্বৰূপে তেখেতসকলৰ স্মৃতিত এখন গ্ৰন্থ প্ৰকাশ কৰাৰ কাৰণে যি উদ্যোগ লৈছে সেইটো সন্তোষৰ বিষয়। কোনো মানুহৰ কৰ্মৰাজি লিপিবদ্ধ কৰি গ্ৰন্থ আকাৰে প্ৰকাশ কৰিলে পিছৰ প্ৰজন্মই তেওঁলোকৰ

গুণৰাশিৰ দ্বাৰা উদ্বুদ্ধ হ'ব পাৰে আৰু আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'ব পাৰে। আনহাতে তেওঁৰ পিতৃ-মাতৃ উভয়ে কৃতবিদ্য খ্যাতিমান লোক। তেখেতসকলৰ কৰ্মময় জীৱনৰ আদৰ্শ নৱপ্ৰজন্মৰ উৎসাহ-উদ্দীপনাৰ কাৰণ যে হ'ব ই নিশ্চিত। আত্মীয় হিচাপে মোক দুকলম লিখিবলৈ দিয়াত অতি খৰখেদাকৈ কম সময়ৰ ভিতৰত লেখাটো প্ৰস্তুত কৰিবলগা হ'ল। সেয়েহে মোৰ লগত থকা ব্যক্তিগত সম্পৰ্কখিনিহে ইয়াত সংক্ষেপে আলোচ্য বিষয় হিচাপে অনা হৈছে। কাৰণ তেখেতসকলৰ কৰ্মময় জীৱনৰ ব্যক্তিগত দিশ আৰু কৰ্মৰাজিৰ দিশসমূহ নিশ্চয় অইন লেখাত ভালদৰে প্ৰকাশ পাব।

শ্ৰদ্ধেয় প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আৰু প্ৰয়াত চাৰু দেৱী মোৰ পিতৃ-মাতৃ স্থানীয় তথা নিকট সম্পৰ্কীয়। মোৰ সৰু ভাই কৌতুকে তেখেতসকলৰ একমাত্ৰ জীয়ৰী বন্দিতাৰ পাণিগ্ৰহণ কৰিছিল। সেইসূত্ৰে তেখেত দুয়োজন মোৰ শহুৰ-শাহু। কিন্তু দুৰ্ভাগ্যৰ বিষয়, আমাৰ লগত বৈবাহিক সম্বন্ধ হোৱাৰ আগেয়ে হেমচন্দ্ৰ শৰ্মা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ অকালতে ইহলীলা সম্বৰণ কৰে। সেয়েহে আত্মীয় হিচাপে তেখেতক লগ পোৱাৰ সৌভাগ্য নহ'ল। ব্যক্তিগতভাৱে যিখিনি লগ পাইছিলোঁ সেইখিনি হ'ল, আমি বজালী মহাবিদ্যালয়ত পঢ়া কালত তেখেত উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক। আমি কলা শাখাৰ ছাত্ৰ হোৱা বাবে শিক্ষক-ছাত্ৰৰ সম্বন্ধ নাছিল। কিন্তু সময়ত মই অত্যন্ত মূৰৰ বিষত ভুগি থাকি নলবাৰীৰ ওচৰৰ বনগাঁৱত থকা ৰমেশ দত্ত নামৰ এজন হোমিওপ্যাথিক চিকিৎসকৰ চিকিৎসা গ্ৰহণ কৰি আৰোগ্য লাভ কৰিছিলোঁ। মাজে-সময়ে তালৈ অহা-যোৱা কৰাত কেতিয়াবা তেখেতক লগ পাওঁ আৰু অসুখ সম্পৰ্কে কথা-বতৰা হওঁ। তেখেতো পৰিয়ালৰ চিকিৎসাৰ বাবে সেই একেজন চিকিৎসকৰ ওচৰলৈ যায়। কথা-বতৰাত গম পাওঁ যে হোমিওপ্যাথিক চিকিৎসাৰ ওপৰত তেখেতৰ গভীৰ বিশ্বাস। পিছলৈ তেখেতে হোমিওপ্যাথিক চিকিৎসা পদ্ধতি অধ্যয়ন কৰি চিকিৎসা সেৱা প্ৰদান কৰাৰ কথাও শুনিছিলোঁ।

আমাৰ সম্পৰ্কৰ এনাজৰী কটকটীয়া কৰি ৰাখিছিল শাহু চাৰু দেৱীয়ে। বিয়াৰ বন্দবস্ত হোৱাৰ পৰা মৃত্যু পৰ্য্যন্ত তেখেতৰ লগত আছিল মোৰ গভীৰ সম্পৰ্ক। তেখেত আছিল মোৰ Friend, Philosopher and Guide. বিভিন্ন সময়ত আমাৰ মাজত পাৰিবাৰিক, সামাজিক, শৈক্ষিক আদি বিষয়ক লৈ আলোচনা হৈছিল। তেতিয়াই তেখেতৰ গভীৰ জ্ঞান, অসাধাৰণ ব্যক্তিত্ব, জীৱনলব্ধ অভিজ্ঞতা আৰু কৰ্তব্যবোধৰ উমান পাইছিলোঁ। শিক্ষক হিচাপে তেখেত আছিল শিলতকৈ কঠিন আৰু কুসুমতকৈ কোমল। এদিনাখনৰ কথা। মই কাম কৰা বিদ্যালয়খনৰ এজন নৱনিযুক্ত কম বয়সীয়া কৰ্মচাৰীয়ে পাঠশালা ছোৱালী হাইস্কুললৈ বিশেষ কামৰ বাবে গৈছে। গেটখন খোলা বাবে পোনে পোনে গৈ প্ৰধান শিক্ষকৰ কাৰ্য্যালয়ৰ সন্মুখত চাইকেলৰ পৰা নামিছে। প্ৰধান শিক্ষয়িত্ৰী

চাৰু দেৱীয়ে কৰ্মচাৰীজনৰ আচৰণ লক্ষ্য কৰি আছিল। লগে লগে উঠি আহি তেওঁক ধমক দি ক'লে— "তুমি কোন স্কুলৰহে? বিদ্যালয় চৌহদত চাইকেলৰ পৰা নামিব যে লাগে নাজানা নে কি?" কৰ্মচাৰীজনে লগে লগে ভুল স্বীকাৰ কৰি অজ্ঞতা প্ৰকাশ কৰাত মৰমসুলভ মাতেৰে তেওঁক বুজনি দি বিদ্যালয়ৰ আচৰণ বিধিৰ বহু কথা ক'লে। তেতিয়াৰপৰাই কৰ্মচাৰীজন সেইগৰাকী প্ৰধান শিক্ষয়িত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ল। এনেকুৱা উদাহৰণ আকৌ বহু আছে। মুঠতে তেখেতৰ কঢ়া অনুশাসন ভংগ কৰাৰ সাহস কাৰো নাছিল। বোধহয় সেইবাবে তেখেতৰ ছোৱালী বন্দিতাক আমাৰ ঘৰৰ বোৱাৰী হিচাপে বিয়া ঠিক হোৱা শুনি দুই-এজনে মোক সৰ্তক কৰি দি কৈছিল— "কি কৰিলি? মাক কিন্তু বৰ কাঢ়া, এটা বাঘ।" মই তপৰাই উত্তৰ দিছিলোঁ— আমাক তেনেকুৱা মাকৰ ছোৱালীৰেই দৰকাৰ। লগে লগে সিহঁতৰ জোকৰ মুখত চূণ দিয়া যেন হ'ল।

বজালীলৈ ন-কইনা হৈ অহাৰ পিছতেই তেখেতে পাঠশালা ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী হিচাপে যোগদান কৰিব লগা হৈছিল। কাৰণ উচ্চশিক্ষিতা মহিলা সেইসময়ত বিচাৰি পোৱা বৰ কঠিন আছিল। আনহাতে ছোৱালী হাইস্কুল শিক্ষয়িত্ৰী নহ'লে নচলে। তেতিয়াৰপৰাই উক্ত বিদ্যালয়ত শিক্ষকতা কৰি তেখেতে যি সুনাম অৰ্জন কৰিছে সি আজিও সজীৱ হৈ আছে। পৰিয়ালৰ প্ৰতি, আত্মীয়-স্বজনৰ প্ৰতি, বিদ্যালয়ৰ প্ৰতি, আৰু সমাজৰ প্ৰতি সমানে দায়বদ্ধতাৰে এই বিদুষী মহিলাগৰাকীয়ে সকলোক্ষেত্ৰতে যিদৰে আগভাগ লৈছিল সেইটো সঁচাকৈ বিস্ময়কৰ। মই B.Ed. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ ক্ষেত্ৰত তেখেতৰ অৰিহণা চিৰদিন মনত থাকিব। তিনি সন্তানৰ লালন-পালন, শিক্ষা-দীক্ষা, বিয়া-বাৰু আদিৰ ক্ষেত্ৰত তেখেতৰ ভূমিকা সঁচাকৈ প্ৰশংসনীয়। নাতিসকললৈ থকা মৰমৰপৰা তেখেতৰ কোমল মনৰ পৰিচয় পোৱা যায়। প্ৰকৃতাৰ্থত তেখেত আছিল বিৰল মাতৃত্বৰ অধিকাৰিণী। আপোচবিহীন হৈও যথাসময়ত সঠিক সিদ্ধান্ত গ্ৰহণ কৰা তেখেতৰ চৰিত্ৰৰ অন্যতম দিশ।

এনে এগৰাকী মহীয়সী মাতৃক স্মৰণ কৰি দুকলম লিখাৰ সৌভাগ্য হোৱা বাবে নিজকে কৃতাৰ্থ হোৱা যেন অনুভৱ হৈছে। কাৰণ তেখেতৰ কৰ্মৰাজিয়ে পিতৃকুল আৰু ভৰ্ত্তৃকুল উভয়কে ধন্য কৰিছে। এই কৃতবিদ্য দম্পতীহালৰ আত্মাই চিৰশান্তি লাভ কৰাৰ কামনাৰে—

গংগা গীতা চ গায়ত্ৰী গোৱিন্দেতি হৃদি স্থিতে।
চতুৰ্গকাৰৈঃ সংযুক্তে পুনৰ্জন্ম ন ৱিদ্যতে।। ■

● *লিখক উত্তৰ বজালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আৰু হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ জোঁৱাই স্থানীয় (জোঁৱায়েকৰ ককায়েক)।*

# মোৰ স্মৃতিৰ পটত চাৰু বাইদেউ

## ভাৰতী দেৱী

তিনি মাহমান আগৰ ঘটনা। সন্ধিয়া প্ৰায় ৬ মান বজাত মোৰ ভাইবোৱাৰী দীপাঞ্জলিৰ মোবাইলৰ পৰা এটা ফোন আহিল। কিন্তু ফোনত অইন এজন পুৰুষৰ মাত। মাতটো অচিনাকি। "বাইদেউ, মোক চিনি পাইছেনে! মই জয়ন্ত, আপোনাৰ চাৰু বাইদেউৰ ল'ৰা।" ফোনটো পাই অৱশ্যে মোৰ ভাল লাগিল। জয়ন্তই মোক বাইদেউৰ বিষয়ে লিখিবলৈ ক'লে। ময়ো লিখিম বুলি কথা দিলোঁ।

আমাৰ সকলোৰে প্ৰিয় চাৰু বাইদেউৰ আমি নৱম শ্ৰেণীত থাকোতেই বিয়া হৈছিল বজালীৰ জালিখাটা গাঁৱৰ প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ লগত। সেই সময়ত বাইদেউ আছিল বি.এ. উত্তীৰ্ণ। গতিকে তেওঁ অতি সোনকালে পাঠশালা ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী হ'ব পাৰিছিল। বাইদেউৰ মাকৰ ঘৰ আছিল উত্তৰ গুৱাহাটীত। তেওঁ ঘৰুৱা সকলো কামতে পাৰ্গত আছিল। স্কুললৈ অহা-যোৱা কৰোতে বাইদেউৱে মোক বহু কথা কৈছিল। কিন্তু স্কুলৰ ভিতৰ সোমোৱাৰ লগে লগে বাইদেউৱে অন্য এটা ৰূপ লৈছিল।

দেখিবলৈ চাৰু বাইদেউ বৰ ধুনীয়া আছিল আৰু শিকাইছিলো ভালেই। সকলোৰে লগত সমান ব্যৱহাৰ কৰিছিল। পিছত তেওঁ আমাৰ ঘৰুৱা সম্পৰ্কীয় হ'ল। মোৰ ডাঙৰ ভাইবোৱাৰীজনী বাইদেউৰ ননদ হোৱা হেতুকে আমাৰ লগত বৰকৈ অহা-যোৱা হৈছিল। বাইদেউৱে আমাক অসমীয়া পঢ়ুৱাইছিল। আমাৰ ক্লাছৰ নৱম শ্ৰেণীত ৰীণা দাস প্ৰথম আৰু মই দ্বিতীয় আছিলোঁ। ৰীণা দাস মুক্তিযুঁজাৰু কেশৱলাল দাসৰ ছোৱালী। চাৰু বাইদেউৱে ক্লাছত কিবা লিখাত ভুল হ'লে সম্পূৰ্ণকৈ কাটি দিছিল আৰু ঘৰত অভিভাৱকৰ চহী লৈ আহিব দিছিল। সেইবাবে এবাৰ ৰীণা, মই আৰু ক্লাছৰ বাকীবোৰে বাইদেউৰ ক্লাছ নকৰোঁ বুলি হেডমাষ্টৰক কথাখিনি কলোঁ। বাইদেউৱে খঙত অগ্নিশৰ্মা হৈ আমাক ভালকৈ গালি দিছিল। বৰ ভয় লাগিছিল। পিছত ভালদৰে পঢ়িছিলোঁ। বাইদেউ সেইখিনি কঠোৰ নোহোৱা হ'লে আমি হয়তো আগ নাবাঢ়িলোঁহেঁতেন। প্ৰথমতে বাইদেউৱে জালিখাটাৰপৰাই স্কুল কৰিছিল যদিও পিছত পাঠশালাৰ পশ্চিম পট্টিত ৰজনী ডাক্তৰৰ কাষত ঘৰভাড়া কৰি আছিল, কিৰণ চৌধুৰীৰ ঘৰৰ সন্মুখত। এবাৰ এটা ঘটনা ঘটিল।

## মোৰ স্মৃতিৰ পটত চাৰু বাইদেউ

তেতিয়া সম্ভৱ জয়ন্তৰ জন্ম হৈছিল আৰু বাইদেউৱে এগৰাকী ধাই ৰাখিছিল। ধাইজনীৰ লগত কেঁচুৱাটো থৈ বাইদেউ স্কুললৈ আহিছিল। মাজতে বাইদেউ এবাৰ ঘৰলৈ গৈ দেখে যে ধাইজনীয়ে তেওঁৰ কেঁচুৱাটোক স্তনপান কৰাই আছে। লগে লগে বাইদেউৰ খুব খং উঠিল আৰু সেইদিনাৰ পৰাই ধাইজনীক বিদায় দিলে। তাৰ পিছত বাইদেউৰ বায়েকৰ ছোৱালী মাখন বাইদেউৰ লগত আছিল আৰু মাখন আমাৰ লগত একেলগে পঢ়িছিল।

বাইদেউৰ কথা আৰুনো কি লিখিম! শিক্ষয়িত্ৰী হিচাপে বাইদেউ এগৰাকী সফল শিক্ষয়িত্ৰী আৰু সফল মাক আছিল। ল'ৰাহঁতকো মানুহ কৰিলে। বহু বছৰ হ'ল বাইদেউৰ সান্নিধ্য এৰাৰ। ময়েই চাকৰিৰপৰা অৱসৰ লোৱাৰ কেবাবছৰো হ'ল। তথাপিও জয়ন্তৰ শলাগ ল'লোঁ। তেৱেঁই মোকো এবাৰ মনত কৰিলে। সুখেৰে থাকা দেই বোপাহঁত! মোৰ দেউতা গোলাপ চন্দ্ৰ দেৱ চৌধুৰীয়েও অলপতে মোক বাইদেউহঁতৰ কথা সুধিছিল। জয়ন্তই চাগে তেওঁকো একলম লিখিবলৈ দিছে। অৱশ্যে মোৰ ভাই সৰোজৰ বোৱাৰী দীপাই অলপ সহায় কৰিব বুলি দেউতাই কৈছে। ■

- *লিখিকা চাৰু দেৱীৰ প্ৰাক্তন ছাত্ৰী আৰু হেমচন্দ্ৰ শৰ্মাৰ সম্বন্ধীয়া ভনীয়েক।*

---

❖ মহান গুৰুসকলৰ শিকনিৰ প্ৰত্যক্ষ অন্তৰ্বস্তুটো মনত নেপেলোৱাকৈ কেৱল ৰূপ অনুসৰণ কৰিলে ধৰ্মসমূহ ক্ষয়প্ৰাপ্ত হয়।

**—ৰিচাৰ্ড ফাইনমেন**

❖ শ শ বছৰ আগতে মানুহে যেতিয়াই পৰম সত্যৰ সন্ধান এৰি বস্তুসমূহেনো কেনেদৰে কাৰ্য্য সম্পাদন কৰে তাক জানিবলৈ বিচাৰিলে, তেতিয়াই জন্ম হ'ল আধুনিক বিজ্ঞানৰ।

**—হেনজ পেগেলছ**

❖ মই বিশ্বাস কৰোঁ— বিজ্ঞানৰ ক্ষেত্ৰত জ্ঞানৰ নিৰ্দেশক খুঁটিৰে সৈতে কোনো দাৰ্শনিক পথ নাই।

**—মেক্স বৰ্ন**

❖ পৰীক্ষাই জ্ঞান লাভ কৰাৰ বাবে আমাৰ হাতত থকা একমাত্ৰ উপায়। আন সকলোবোৰ হ'ল কবিতা, কল্পনা।

**—মেক্স প্লাংক**

সোঁৰণি বুটলি

# স্বৰ্গীয় মামা আৰু মামীৰ স্মৃতিত

## অনু দেৱী

মামা হেমচন্দ্ৰ শৰ্মা আৰু মামী চাৰু দেৱীৰ বিষয়ে তেওঁলোকৰ ডাঙৰ পুত্ৰ জয়ন্ত দাদাই ভাগিন বোৱাৰী হিচাপে দুআষাৰ লিখিবলৈ কোৱাত আচলতে বিবুধিত পৰিছোঁ। মামাক দেখাৰ যে সৌভাগ্যই নহ'ল আৰু মামীকো বৰ বেছিদিন লগেই নাপালোঁ। তথাপি এটা কথা ভালদৰে মনত আছে। মই যিদিনা প্ৰথম মামাহঁতৰ ঘৰলৈ গৈছিলোঁ তেতিয়া যোৱাৰ কিছুসময় পিছতেই মামীয়ে এটা মালভোগ কল আনি মোৰ হাতত দিছিল আৰু মোৰ মুখৰফালে কিছুসময় চাই আছিল। মামীৰ কথা-বতৰা, ভাৱ-ভংগী বৰ মাৰ্জিত আছিল। মই বৰ সংযত হৈ মামীৰ লগত কথা-বতৰা পাতিছিলোঁ। মামীয়ে মামাৰ ফটোখন দেখুৱাই কৈছিল— "এইজন তোমাৰ মামা, বহু সোনকালে তেওঁ মোক এৰি থৈ গ'ল।" দুয়োৰে মুখৰপৰা এটি এটি হুমুনিয়াহ বাগৰি গৈছিল।

মামাৰ জীৱন বৃত্তান্ত সম্পৰ্কে মই একেবাৰে জ্ঞাত নহয় আৰু এটা কথা ঠিক যে এখন গ্ৰন্থত এজন মানুহৰ জীৱনী যেতিয়া বহুকেইজনে লিখিব, তেতিয়া গ্ৰন্থখন পঢ়াৰ প্ৰতি মানুহৰ অনীহা আহিব। কোনো বস্তুৰে পুনৰাবৃত্তি ভাল নালাগে। মামাৰ বিষয়ে যিখিনি জানোঁ সেইখিনি মোৰ শ্ৰদ্ধাৰ শাহুমা স্বৰ্গীয়া অৱলা দেৱীৰ মুখৰপৰা গম পাইছোঁ। মামাৰ জন্মস্থান আছিল ভিতৰুৱা গাঁও জালিখাটাত, য'ত আছে এক নৈসৰ্গিক শক্তি থকা শিৱধাম যাৰ নিচেই কাষতে আছিল মামাহঁতৰ ঘৰ। সৰুতেই পিতৃ পুষ্পচন্দ্ৰ শৰ্মাক হেৰুৱাই আলৈ-আথানি হৈ গৈছিল তেখেতৰ পৰিয়াল। তেখেতৰ মাতৃ সাৱিত্ৰী দেৱীয়ে কেনেকৈনো সন্তানকেইটিক লালন-পালন কৰিব তাৰ চিন্তাত হাবুদুবু খাইছিল। পাঁচটাকৈ সন্তান— চাৰিগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা। সংসাৰৰ সকলো বোজা মাতৃৰ ওপৰতে পৰাৰ বাবে সৰু হ'লেও মামাহঁতে কিছু ভাগ ল'বলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁ অকাল বৈধব্যৰ যন্ত্ৰণা সহিও পাঁচটিকৈ সন্তানক মানুহ কৰাৰ যি আপ্ৰাণ চেষ্টা তাত কোনোদিনেই ত্ৰুটি কৰা নাছিল।

## সোঁৰৰণী বুটলি স্বৰ্গীয় মামা আৰু মামীৰ স্মৃতিত

পিতৃৰ বিয়োগৰ সময়ত মামাৰ বয়স আছিল আনুমানিক ৬-৭ বছৰ। মামা হেনো সৰুৰেপৰা ধীৰ-স্থিৰ অল্পভাষী, চোকা বুদ্ধিৰ আছিল। আজিকালিৰ নিচিনা তেতিয়াতো কাজু, আলমন্দ, ব্ৰেনোলিয়া, হৰলিক্স, কেশৰ, বাদাম এইবোৰ নাছিল। মাকে লাউপাত, কচুপাত, গুৱা সান্দহৰ লাড়ু, আঠীয়া কল, এইবিলাক খুৱাই ডাঙৰ কৰিছিল। কেতিয়াবা মাকে নিজৰ ভাগৰ ভাতকেইটাও সন্তানকেইটিলৈ থৈ দিছিল। এনেকৈ বছৰ বাগৰিল। ডাঙৰ মামা মধু শৰ্মাই এটি সংস্থাপন পালে। পৰিয়ালটোলৈ এটা সকাহ আহিল। মামাই বহু কষ্টেৰে পঢ়া-শুনা কৰি বহুদূৰ বাট বুলি জালিখাটাৰ পৰা পাটাছাৰকুছিলৈ আহি স্কুল কৰিছিল। মাকৰ কষ্টৰ মূল্য দি তেওঁ একেসময়ত উচ্চশিক্ষাৰে শিক্ষিত হৈ বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ অধ্যাপক পদত নিযুক্ত হৈছিল। এতিয়াও গোটেই বজালী অঞ্চলত তেওঁৰ নামটো ক'লেই সেই ধীৰ-স্থিৰ মানুহজনলৈ মনত পৰে।

মোৰ শাহুমাৰৰ মুখত বহু কথাই শুনিছিলোঁ। মায়ে অতীতৰ কথাবোৰ সুঁৱৰি কেতিয়াবা হাঁহিছিল, কেতিয়াবা চকুলোৰে দুচকু ভৰি পৰিছিল। ময়ো মাৰ সুখ-দুখৰ কথাবোৰ অতি আগ্ৰহেৰে শুনিছিলোঁ। মায়ে কৈছিল, তেতিয়াৰ দিনত মাছ বৰ উভৈনদী আছিল। মামাহঁতে, বিশেষকৈ সৰু মামা মহেশ শৰ্মাই মাছ ধৰি বৰ ভাল পাইছিল। মা কিছু ডাঙৰ হোৱাৰ পিছত মায়ে সকলোবোৰ মাছ-পুঠি বাছি লৈ নিজে ৰান্ধিছিল। ইমানেই মাছ পাইছিল যে কেতিয়াবা খাব নোৱাৰি মাছ নেমুগছৰ গুৰিত পেলাই দিছিল। মামাই এইবিলাকত বেছি লাগিবলৈ সময় নাপাইছিল। যিহেতু তেওঁ বিজ্ঞান শাখাৰ ছাত্ৰ আছিল পঢ়াৰ প্ৰতি তেওঁৰ দায়িত্ব বেছি আছিল। চাকৰি পোৱাৰ দুবছৰমান পাছত মামাৰ জীৱন বাটৰ লগৰী হৈ আহিল মামী চাৰু দেৱী। বিয়াৰ পিছতেই মামীয়ে পাঠশালা ছোৱালী হাইস্কুলত শিক্ষকতাৰ কাম আৰম্ভ কৰে। জালিখাটাৰপৰা অহা-যোৱা কৰা অসুবিধা হোৱাৰ বাবে মামাই মামীৰ লগত কিছুবছৰ অস্থায়ীভাৱে পাঠশালাত থাকিবলৈ লয়। তাৰ পিছত জ্যোতিনগৰত স্থায়ী বাসিন্দাৰূপে প্ৰতিষ্ঠিত হয়। তেওঁলোকৰ জীৱনলৈ আহিল তিনিটা সন্তান— জয়ন্ত, অচিন্ত্য আৰু একমাত্ৰ ছোৱালী বন্দিতা। মামা আৰু মামী খোৱা-লোৱা আদি সকলো দিশতে বৰ সচেতন আছিল।

মোৰ শাহু মায়ে কৈছিল মামাই হেনো ভজা মাছ খাই বৰ ভাল পায়। বিয়াৰ পিছত মায়ে যেতিয়া জ্যোতিনগৰৰ ঘৰলৈ গৈছিল তেতিয়া মামাই বজাৰৰপৰা ডাঙৰ মাছটো কিনি আনিছিল আৰু মাক কৈছিল— 'মাই মাছৰ আঞ্জাখন তই বনাবি দেই, মোলৈ এডোখৰ ভজা মাছ ৰাখিবি।' মোৰ শাহু মাৰ বিয়াৰ এবছৰ পিছত হেনো মামাৰ বিয়া হৈছিল। মামাই মাক এযোৰ কাপোৰ দিছিল, পাটৰ মেখেলা-চাদৰ আৰু কৈছিল 'মাই তই এইযোৰ মোৰ বিয়াত পিন্ধিবি'। মা স্বৰ্গগামী যোৱাৰ পিছতো এতিয়াও চাগে'

বাকচৰ কোনোবা এচুকত স্মৃতি হৈ ৰৈ আছে আমাৰ বাবে। মামাহঁতৰ বাবে মা আছিল অতিকৈ আলাসৰ। মা সৰু হৈ থাকোতে হেনো মামাই কৈছিল— 'মাই তোক ৰজাৰ লগত বিয়া দিম'। সঁচাকৈ মাক ৰজাৰ লগত বিয়া নিদিলেও এজন সৎ আৰু ব্যক্তিত্বসম্পন্ন মানুহলৈ বিয়া দিয়াত মা ৰাণীৰ দৰে আছিল। কিন্তু কি হ'ব, মাও যে আমাৰপৰা বহু দূৰলৈ গুচি গ'ল! বৰ্তমান মাৰ অনুপস্থিতি বাৰুকৈ অনুভৱ কৰিছোঁ। মা যদি থাকিলেহেঁতেন আৰু বহু কথাই জানিব পাৰিলোহেঁতেন। বৰ দুখৰ কথা এই যে জীৱনৰ আদি বয়সতেই মামাৰ সুখৰ বাটত কাঁইটে আগচি ধৰিছিল যাৰ ফলত তেওঁ জীয়াই থকাৰ সংগ্ৰাম কৰিও ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰিবলগা হৈছিল। জীৱনৰ মায়া চাকিগছি নুমাই তেওঁ সকলোৰেপৰা চিৰবিদায় লৈছিল। তেওঁৰ অকাল মৃত্যুত তেওঁৰ বৃদ্ধা মাতৃ, তেওঁৰ পৰিয়াল আৰু আত্মীয়সকলে মৰ্মান্তিক আঘাত পাইছিল। পুত্ৰশোকত দগ্ধ হোৱা মাতৃৰ হৃদয়ে হয়তো বহু কষ্ট অনুভৱ কৰিছিল। তেওঁ যেতিয়া অসুস্থ অৱস্থাত আছিল মোৰ শাহু মায়ে তেখেতৰ খবৰ ল'বলৈ গৈছিল। মাক কাষলৈ মাতি আনি মামাই কৈছিল 'মাই মোৰ জীয়াই থকাৰ বৰ ইচ্ছা আছে। মই দেখোন একোৱেই কৰিব নোৱাৰিলোঁ'। এইবিলাক কথা কৈ মায়ে কেতিয়াবা কান্দি উঠিছিল। তেওঁৰ ছাগে ইচ্ছা আছিল জীৱনটো সম্পূৰ্ণ কৰাৰ, জীৱনত কি পালে কি হেৰুৱালে হিচাপ ৰাখিবলৈ তেওঁৰ অৱকাশেই নহ'ল। তথাপিও তেওঁৰ অবিহনে সংসাৰখনত আউল নালাগিল। তেওঁৰ সচেতন পত্নী চাৰু দেৱীয়ে অতি সযতনে সংসাৰখন সজাই থৈ গ'ল। তেওঁ প্ৰতিভাশালী সন্তানৰ মাতৃ হিচাপেও স্বীকৃতি পালে। তেওঁৰ মৰমিয়াল বোৱাৰী ববী, জোঁৱাই অভিযন্তা কৌতুক শৰ্মা আৰু নাতিয়েকসকলকো লগ পাইছিল। সেইফালৰপৰা মামীৰ জীৱনটো সাৰ্থক হোৱা বুলিয়েই ক'ব লাগিব।

কিন্তু মামীও এদিন গুচি গ'ল মায়াময় সংসাৰৰপৰা। যতনে সজাই ৰখা ঘৰখন উকা হৈ ৰ'ল। আশাবোৰ মৰহি গ'ল, স্মৃতি হৈ থাকিল তেওঁলোকৰ গুণ-গৰিমাবোৰ। সঁচাকৈ এয়েটো জীৱন, কেতিয়াবা হাঁহি, কেতিয়াবা কান্দোন, কেতিয়াবা উদাস ক্ষণ, আশা-নিৰাশাৰে ভৰা এই জীৱন!

লেখা সামৰিছোঁ। লেখাখিনি সুশৃংখল হোৱা নাই, কাৰণ যিবিলাক কথা যেতিয়া মনত পৰিছে তেনেকৈয়ে লিখি গৈছোঁ। শেষত মামা আৰু মামীক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। ■

- *লিখিকা হেমচন্দ্ৰ শৰ্মাৰ ভাগিন বোৱাৰী।*

# হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীক মই যিদৰে জানিছিলোঁ

## গোলাপ চন্দ্ৰ দেৱ চৌধুৰী

দুমাহমান আগতে হেমচন্দ্ৰ শৰ্মাৰ বৰপুত্ৰ বোপা জয়ন্ত আমাৰ ঘৰলৈ আহিছিল। আলহী হিচাপে আগতে ভাল আহ-যাহ আছিল যদিও সময়ত ব্যস্ততাই মানুহৰ সঙ্গী হোৱা হেতুকে আহ-যাহ অলপ কমিছিল।কিন্তু সেইদিনা বোপাৰ পৰা গম পালোঁ তেওঁ মাক-দেউতাকৰ স্মৃতিবোৰ সজীৱ কৰি ৰাখিব বিচাৰিছে। মনতো ভাল লাগিল। আমাৰ এতিয়া বয়স হ'ল। মোৰো বয়স ৯২ বছৰ হ'ল। তথাপিও আমি বিচাৰোঁ ল'ৰাহতে আমাৰ অতীতবোৰ সজীৱ কৰি ৰাখক।

প্ৰয়াত হেম শৰ্মাক মই প্ৰথমে বজালী কলেজৰ অধ্যাপক হিচাপেহে জানিছিলোঁ। কেতিয়াবা কিবা পূজা-পাতলৰ সামগ্ৰী প্ৰয়োজন হ'লে মোৰ দোকানলৈ আহিছিল। ধুনীয়া মানুহজন। অমায়িক কথা-বতৰা ভাল লাগিছিল। বিশেষ চিনাকি নাছিল।

কিন্তু মোৰ ডাঙৰ ল'ৰা ফুলেনৰ বোৱাৰী শ্যামলীৰ ককায়েক আৰু বৌয়েক আছিল এই হেম শৰ্মা আৰু চাৰু দেৱী। গতিকে ডাঙৰ ল'ৰাৰ বিয়াৰ পিছত তেওঁলোক আমাৰ আলহী হ'ল আৰু তেওঁলোকক ওচৰৰ পৰাই পাইছিলোঁ। আমাৰ ঘৰলৈ প্ৰায়ে আহিছিল। মোৰ ডাঙৰ নাতি (মৃগনাভ)ৰ জন্মৰ সময়ত চাৰু সঘনাই আমাৰ ঘৰলৈ আহি মোৰ বোৱাৰীক সান্নিধ্য দিয়াৰ লগতে ভালেমান দিহা পৰামৰ্শ দিছিল।

অৱশ্যে তাৰো আগতে চাৰুক মই জানিছিলোঁ স্কুলৰ শিক্ষয়িত্ৰী হিচাপে। মোৰ ডাঙৰ ছোৱালী ভাৰতী আৰু মাজু ছোৱালী উষা ছোৱালী হাইস্কুলত পঢ়া কালত তেওঁ শিক্ষয়িত্ৰী আছিল। শিক্ষয়িত্ৰী হিচাপে সঁচাকৈয়ে তেওঁ উপযুক্ত গুণৰ অধিকাৰী আছিল। তেওঁৰ কঠোৰ শাসনে মোৰ ছোৱালীহঁতৰ ভৱিষ্যৎ গঢ়াত সহায়ক হৈছিল। বাহ্যিকত কঠোৰ যদিও ভিতৰি কোমল মহিলাগৰাকীক মোৰ এতিয়াও মনত পৰে।

বয়সৰ বাবে বহু কথা পাহৰিলোঁ। লিখিবও ভালকৈ নোৱৰা হ'লোঁ। তথাপি মোৰ সৰু ল'ৰা সৰোজৰ বোৱাৰী দীপাই এইখিনি লিখি-মেলি দিয়া বাবে আজি হেম আৰু চাৰুক মনত পেলাব পাৰিলোঁ। জয়ন্ত বোপা, তোমালোক সকলোৰে কুশলে থাকা দেই। ■

- *লিখক পাঠশালা নগৰৰ বিশিষ্ট পুৰণি ব্যৱসায়ী।*

# সোঁৱৰণিৰ পাতত শ্ৰদ্ধাঞ্জলিৰে একলম

**(প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ প্ৰতি)**

**কিৰণ চন্দ্ৰ চৌধুৰী**

পৃথিৱীৰ চিৰন্তন সত্যটো হ'ল 'মৃত্যু'। এক বুজাব নোৱৰা বেদনাদায়ক শব্দটো হ'ল 'মৃত্যু'। ইওতো এটা শিল্প, কঠিন শিলত খোদিত কৰা নিৰ্লোভ ভাস্কৰ্য্য!

যিমানে বেদনাদায়ক নহওক কিয় এই মৃত্যু শব্দটো আমি প্ৰত্যেক ব্যক্তিয়ে মানি ল'বই লাগিব। এদিন পাঠশালা নগৰৰ জ্যোতিনগৰ নিবাসী হেমচন্দ্ৰ শৰ্মাই এই মৃত্যুকেই আকস্মিকভাৱে বৰণ কৰি লৈছিল। বজালী মহকুমাৰ সৰিহ মৌজাৰ জালিখাটা গাঁৱৰ পুষ্পচন্দ্ৰ শৰ্মা আৰু সাৱিত্ৰী দেৱী তেওঁৰ পিতৃ-মাতৃ আছিল। তেওঁলোক চাৰিগৰাকী ভাই-ককাই আৰু এগৰাকী ভনীৰ ভিতৰত হেমচন্দ্ৰ দ্বিতীয় পুত্ৰ আছিল। তেওঁ স্থানীয় জালিখাটা গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰপৰা শিক্ষা সাং কৰি পাটাছাৰকুছি বিদ্যাপীঠৰ পৰা মেট্ৰিক পাছ কৰে। সৰুকালতে পিতৃবিয়োগ ঘটাত আৰ্থিক অনাটনৰ বাবে সেই সময়ত উচ্চ শিক্ষা লোৱাৰ বাবে সমস্যাই গা কৰি উঠিছিল। সুখৰ বিষয় তেওঁলোকৰ খুড়াক মাধৱ চন্দ্ৰ শৰ্মাই গুৱাহাটীৰ উজানবজাৰস্থিত হেপীভিলাত স্থায়ীভাৱে বসতি কৰিছিল। মাধৱ শৰ্মাই উজানবজাৰত এখন শস্য বীজালয় আৰু বেলতলাত এখন কৃষিপাম খুলি এগৰাকী সফল ব্যৱসায়ী হিচাপে পৰিগণিত হৈছিল। সেইমৰ্মে খুড়াকে তেওঁৰ ঘৰতেই ৰাখি কলেজীয়া শিক্ষাৰ বাবে তিনিওজন ডাঙৰ ভতিজাককে লৈ যায়। ডাঙৰ মধু শৰ্মা, মাজু হেমচন্দ্ৰ আৰু প্ৰভাত শৰ্মাই গুৱাহাটীতেই কলেজীয়া শিক্ষা লৈছিল। সৰু ভতিজাক মহেশ শৰ্মাই জালিখাটাৰ ঘৰতেই থাকিল। খুড়াকৰ মৰম আৰু তেওঁলোকৰ পঢ়াৰ প্ৰতি দায়িত্ব আৰু নিজ অধ্যাৱসায়ৰ গুণত আটাইকেইজন প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল।

মাধৱ শৰ্মাই তিনিগৰাকী পুত্ৰ, বোৱাৰী, এগৰাকী জীয়ৰী, জোঁৱাই, নাতি-নাতিনী সমন্বিতে মৃত্যুৰ সময়ত অনেক গুণমুগ্ধক এৰি থৈ যায়। এইখিনিতে মাধৱ শৰ্মা সম্পৰ্কে দুষাৰ লিখাৰ প্ৰয়াস কৰিলোঁ। পাঠশালা তথা জালিখাটা অঞ্চলৰ মানুহৰ বাবে বিপদে-আপদে মাধৱ শৰ্মাৰ ঘৰখনেই আশ্ৰয়স্থলী, অতিথিশালা হিচাপে জনা গৈছিল। মোৰ সম্বন্ধত আতা-আবু হিচাপে গুৱাহাটীলৈ গ'লেই এবাৰ হ'লেও এই ঘৰখনলৈ গৈছিলোঁ।

এইক্ষেত্ৰত আতা-আবুৰ পৰা পোৱা মৰমৰ কথা সুঁৱৰি নষ্টালজিক হৈ পৰোঁ। যি কি নহওক, পাহৰণিৰ গৰ্ভত হেৰাই যোৱা বহু অলিখিত কথাই মনৰপৰা হেৰাই যোৱাত "ভাগি গ'ল বীণখনি, ছিগি গ'ল তাঁৰ, বৈ গ'ল অৱশেষ অমিয়া জোকাৰ"ৰ নিচিনাই হৈছে।

হেমচন্দ্ৰ শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা উদ্ভিদবিজ্ঞানৰ ডিগ্ৰী লোৱাৰ পিছত প্ৰথম অৱস্থাত ক'ত চাকৰি কৰিছিল সেই তথ্য মোৰ হাতত নাথাকিলেও ১৯৬১ চনৰপৰা ১৯৬৩ চনলৈ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষকৰ চাকৰিত মকৰল হৈছিল। দুবছৰ পিছত বজালী মহাবিদ্যালয়লৈ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰি এগৰাকী সুনিপুণ শিক্ষকৰ সন্মান লাভ কৰিছিল। তেওঁ সম্পৰ্কত মোৰ মামা আছিল। তদুপৰি আমি যেতিয়া বজালী মহাবিদ্যালয়ৰ তিনিবছৰীয়া ডিগ্ৰী কোৰ্চৰ ছাত্ৰ আছিলোঁ এগৰাকী শিক্ষাগুৰু হিচাপে তেওঁ আমাক উদ্ভিদবিজ্ঞানৰ এটি অধ্যায় পঢ়ুৱাইছিল। তেওঁ বজালী মহাবিদ্যালয়ৰ প্ৰবক্তা হৈ থকা কালছোৱাত উত্তৰ গুৱাহাটীৰ এটি সম্ভ্ৰান্ত পৰিয়ালৰ চাৰু দেৱীৰ সৈতে বিবাহ সম্পন্ন হৈছিল। চাৰু দেৱীয়ে উত্তৰ গুৱাহাটীৰ এখন হাইস্কুলত শিক্ষকতা কৰিছিল। বিয়াৰ পিছত আহি পাঠশালা ছোৱালী হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰীৰ পদত মকৰল হয়। পিছলৈ নিজ দক্ষতাৰ গুণত প্ৰধান শিক্ষয়িত্ৰী হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। দুয়োগৰাকীৰ যুগ্মজীৱনৰ কেইমাহমান পিছতেই জালিখাটাৰপৰা পাঠশালালৈ আহি স্কুল-কলেজৰ ক্লাছ কৰাৰ অসুবিধা হেতু পাঠশালা নগৰৰ হাউলীৰোডস্থিত আমাৰ ঘৰৰ সন্মুখতে এটি ঘৰ ভাড়া লৈ থাকিবলৈ লৈছিল। আমাৰ ঘৰৰ নিচেই ওচৰত আছিল বাবেই মামা আৰু মামীহঁতৰ লগত আত্মীয়তা বাঢ়িছিল আৰু অহা-যোৱা সঘনাই হৈছিল। আমাৰ স্বৰ্গীয় পিতৃদেৱ উমেশ চন্দ্ৰ চৌধুৰীক দুয়োগৰাকী মামা আৰু মামীয়ে শ্ৰদ্ধা-ভক্তিৰে আপোন কৰি লৈছিল। এই মৰ্মে মামাই যেতিয়া সময় পাইছিল তেতিয়াই ভিনিহিয়েকৰ লগত কিবা নহয় কিবা এটা আলোচনা নকৰিলে আধৰুৱা যেন মনতে ভাবিছিল।

এইদৰেই দিন যোৱাৰ লগে লগে পাঠশালাৰ জ্যোতিনগৰত ঘৰ বন্ধা উপযোগী মাটিৰ খবৰ পোৱাত মামাই আমাৰ পিতৃৰ লগত গৈ মাটিটুকুৰা দেখি পছন্দ কৰিছিল। সেই সময়ত মোৰ পিতৃয়ে জীৱন বীমাৰ এখন পলিচিৰ পৰা টকা পোৱাত প্ৰয়োজন নোহোৱা বাবে মামাৰ ওচৰত অলপ দিনৰ বাবে জমা ৰাখিছিল। ইয়াৰ অলপ দিন পিছতেই মামাই মাটিটুকুৰা ক্ৰয় কৰি তাতেই ঘৰ বান্ধি স্থায়ীভাৱে বসবাস কৰে। এগৰাকী শিক্ষক হিচাপে প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আছিল বহু গুণেৰে বিভূষিত আৰু অতি উদাৰ দৃষ্টিভংগীসম্পন্ন ব্যক্তি। তদুপৰি আছিল এজন নিষ্ঠাৱান, উদ্যমী, মৃদুভাষী, ৰসিক, গহীন-গম্ভীৰ, পৰোপকাৰী আৰু পৰিশ্ৰমী ব্যক্তি। বজালী মহাবিদ্যালয়ত উদ্ভিদবিদ্যাৰ শিক্ষক

হিচাপে তেওঁ প্ৰয়াত শ্ৰদ্ধাৰ অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শৰ্মাৰ দিহা-পৰামৰ্শত মহাবিদ্যালয়ৰ চৌহদত নানা ধৰণৰ বৃক্ষ ৰোপণ কৰি মহাবিদ্যালয়খন শুৱনি কৰি তুলিছিল। এগৰাকী শিক্ষক হিচাপে তেওঁ নিয়মানুৱৰ্তিতাৰে আৰু সময়মতে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিছিল। এগৰাকী সফল শিক্ষাবিদ, সমাজকৰ্মী হেমচন্দ্ৰ শৰ্মাই পাঠশালা সাহিত্য সভাৰ সম্পাদক হিচাপে তিনিটা কাল ১৯৬৬-৬৭, ১৯৭৯-৮০, ১৯৮০-৮১ত কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থৰাজিৰ ভিতৰত যুটীয়াভাৱে লিখা 'ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত' পাঠশালা সাহিত্য সভাই ১৯৭৬ চনত প্ৰকাশ কৰিছিল। পত্নী চাৰু দেৱীৰ লগত তেওঁ যুটীয়াভাৱে 'চাৰ্লছ ডাৰউইন' ৰচনা কৰিছিল। ইয়াৰ বাহিৰেও বিভিন্ন পত্ৰ-পত্ৰিকাত তেওঁৰ লেখা প্ৰকাশ পায়; এখনি সামাজিক উপন্যাস 'পতিতা' অপ্ৰকাশিত অৱস্থাত থাকি গ'ল। প্ৰয়াত চাৰু দেৱীয়ে বিভিন্ন প্ৰৱন্ধ আলোচনী আৰু স্মৰণিকাযোগে প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বৰঙণি আগবঢ়ায়। পাটাছাৰকুছি বিদ্যাপীঠৰ বিষয় শিক্ষক শ্যামচৰণ ডেকাৰ লগত হেমচন্দ্ৰ শৰ্মাই যুটীয়াভাৱে উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ 'জীৱবিজ্ঞান পৰিচয়' ৰচনা কৰে, যিখন ৰাজ্যিক পাঠ্যপুথি নিগমৰদ্বাৰা মঞ্জুৰীপ্ৰাপ্ত হৈ স্কুল-কলেজত জনপ্ৰিয় হয়।

এইগৰাকী শিক্ষাবিদে কৰ্কট ৰোগত আক্ৰান্ত হৈ ১৯৮৮ চনৰ আগষ্ট মাহত ভেলোৰৰপৰা চিকিৎসা কৰি ঘূৰি আহোতে আকস্মিকভাৱে মৃত্যুক আঁকোৱালি লয়। তেওঁ মৃত্যুৰ আগমুহূৰ্তলৈ মহাবিদ্যালয়ত কৰ্মৰত হৈ আছিল। হেমচন্দ্ৰ শৰ্মাৰ মৃত্যুৰ কেইবছৰমান পিছতেই ১৯৯৯ চনৰ অক্টোবৰ মাহত চাৰু দেৱীৰ আকস্মিকভাৱে পৰলোকপ্ৰাপ্তি ঘটিছিল। মৃত্যুৰ সময়ত তেওঁলোকে দুগৰাকী পুত্ৰ, এগৰাকী জীয়ৰী, বোৱাৰী, জোঁৱাই, নাতি সমন্বিতে পূৰ্ণ সংসাৰ এৰি থৈ যায়। আজি দুয়োগৰাকী পুণ্যাত্মা আমাৰ মাজত নাই যদিও কীৰ্তি যাৰ থাকে, তেৱেঁই বিশাল জনসমুদ্ৰৰ মাজত জীয়াই থাকে, মানুহ মৰণশীল যদিও কামেই তেওঁক জীয়াই ৰাখে। এই শাশ্বত বাণীৰে তেওঁলোকৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক। মৃত্যুৰ দিনাখন দুয়োগৰাকীৰে নশ্বৰদেহ আমাৰ গাড়ীৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ লৈ যোৱা হয় আৰু শেষ শ্ৰদ্ধাঞ্জলিৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। সৰ্বশেষত দুয়োগৰাকী মামা আৰু মামীক মোৰ আন্তৰিক শ্ৰদ্ধা, ভক্তি নিবেদন কৰি তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। ■

- *লিখক পাঠশালাৰ বিশিষ্ট সমাজকৰ্মী আৰু নিৱন্ধকাৰ, আৰু হেমচন্দ্ৰ শৰ্মাৰ ভাগিন।*

# প্ৰয়াত হেমখুড়া আৰু চাৰুখুড়ীৰ সোঁৱৰণত

**জয়মতী দেৱী**

তেজপুৰ বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে কৰ্মৰত মোৰ ভাই জয়ন্তই তেওঁৰ প্ৰয়াত পিতৃ-মাতৃ হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ সোঁৱৰণত এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ যো-জা কৰা সময়তে মোক এটা লেখাৰ দায়িত্ব দিছিল। সেই দায়িত্ব পালন কৰিবলৈ গৈ ত্ৰিছ বছৰ আগৰ পুৰণি স্মৃতিৰ এলবামৰ পাতবোৰ এখিলা এখিলাকৈ চকু ফুৰাই যাওতে হেমখুড়া আৰু চাৰুখুড়ীৰ চিনাকি মুখ দুখনে অতীতক মনত পেলোৱাৰ সুযোগ দিলে।

পাঠশালাৰ জ্যোতিনগৰত নিগাজীকৈ থকা খুড়া-খুড়ীহঁতৰ পৰিয়ালটো এটা সৰু আৰু সুখী পৰিয়াল আছিল। দুই পুত্ৰ আৰু একমাত্ৰ কন্যাক লৈ খুড়া-খুড়ীৰ সংসাৰ। খুড়া বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰবক্তা হিচাপে আৰু খুড়ী পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে প্ৰতিষ্ঠিত আছিল। কিন্তু খুড়া-খুড়ীয়ে সহজ-সৰল জীৱন যাপন কৰি পুত্ৰ-কন্যা তিনিটাক তেওঁলোকৰ আদৰ্শেৰে গঢ় দিবলৈ চেষ্টা কৰিছিল।

মোৰ দৃষ্টিত খুড়া-খুড়ী উভয়ে আছিল এক ব্যতিক্ৰমী দম্পতী। গাঁৱত ডাঙৰ-দীঘল হোৱা খুড়াৰ লগত চহৰৰ পৰা অহা খুড়ীয়ে নতুন পৰিৱেশত নিজকে সুন্দৰকৈ খাপ খুৱাই লৈছিল। খুড়ীৰ গুণানুকীৰ্তন মই মা-দেউতাৰ মুখৰ পৰাই শুনিছিলোঁ। বয়োজ্যেষ্ঠসকলক সন্মান জনাই খুড়ীয়ে ওৰণি ল'বলৈ কেতিয়াও পাহৰা নাছিল। নানা ব্যস্ততাৰ মাজতো তেওঁ আলহী শুশ্ৰূষা কৰি আদৰ্শ গৃহিণীৰ পৰিচয় দিছিল।

শৈশৱ আৰু কৈশোৰৰ দিনবোৰত, মই কেইবাবাৰো খুড়াহঁতৰ ঘৰলৈ গৈছিলোঁ। খুড়ীয়ে ৰন্ধা জহা চাউলৰ ভাত আৰু মাগুৰ মাছৰ জোলৰ সোৱাদ বহুদিনলৈ পাহৰিব পৰা নাছিলোঁ। সাজপাৰৰ ক্ষেত্ৰত খুড়ী অতি মাৰ্জিত আছিল। নিজে পৰিপাটি হোৱাৰ উপৰিও নিজৰ ঘৰখন পৰিপাটিকৈ ৰখাত খুড়ীয়ে গুৰুত্ব দিছিল। আমি তেওঁক ভয় কৰাই নহয়, ভালো পাইছিলোঁ। শিক্ষয়িত্ৰী হিচাপেও তেওঁ এগৰাকী সফল শিক্ষয়িত্ৰী আছিল। সেই সময়ৰ ছাত্ৰীসকলে খুড়ীৰ বিষয়ে একে কথাকেই কৈছিল। মুঠতে খুড়ীৰ

ব্যক্তিত্ব আছিল বহুমুখী ধৰণৰ। ঘৰ আৰু স্কুলৰ দায়িত্ব সুচাৰুৰূপে সম্পন্ন কৰিও খুড়ীয়ে অৱসৰৰ সময়খিনিৰ সদ্ব্যৱহাৰ কৰিছিল। কেতিয়াবা তাঁতশালত বহি, কেতিয়াবা ছুৰেটাৰ গুঁঠি বা চিলাইৰ কাম কৰি তেওঁ ব্যস্ত হৈ আছিল।

খুড়ীয়ে নিজৰ কন্যা বন্দিতাকো সকলো ঘৰুৱা কাম-বন শিকাই উপযুক্ত কৰি তুলিছিল আৰু এদিন উপযুক্ত পাত্ৰ কৌতুকৰ লগত কন্যাৰ বিবাহ সম্পন্ন কৰিছিল। পুত্ৰবধূ ববীকো খুড়ীয়ে আন্তৰিকতাৰে আদৰি লৈছিল, ঘৰৰ পৰম্পৰা ৰক্ষা কৰি চলিবৰ বাবে দিহা-পৰামৰ্শ দিছিল। কেতিয়াবা খুড়ীয়ে ওচৰ-চুবুৰীয়াৰ আগত পুত্ৰবধূৰ প্ৰশংসা কৰাও শুনা গৈছিল। এনেবোৰ মহৎ গুণৰ অধিকাৰী আছিল চাৰুখুড়ী।

খুড়ীয়ে ঘৰখন পৰিচালনা কৰাৰ ক্ষেত্ৰত খুড়াৰ লগত কেতিয়াও মতান্তৰ ঘটা নাছিল। স্বল্পভাষী খুড়া কিছু পৰিমাণে ৰসিক স্বভাৱৰ আছিল। খুড়াৰ মাজত এটা শান্ত-সমাহিত ৰূপ আমি সদায় দেখা পাইছিলোঁ। ঘৰে-বাহিৰে তেওঁৰ ৰূঢ় আচৰণ কোনেও কেতিয়াও দেখা নাছিল। খুড়াই পুত্ৰ-কন্যাৰ লগতো বন্ধুসুলভ ব্যৱহাৰ কৰিছিল। আনকি খুড়ীৰ সহায়কাৰী ছোৱালী পূৰ্ণিমাই কেতিয়াবা কিবা ভুল কৰিলেও তেওঁ নিজগুণেৰে ক্ষমা কৰিছিল। নম্ৰ, বিনয়ী আৰু সৎস্বভাৱৰ অধিকাৰী খুড়াৰ আদৰ্শ আছিল অনন্য ধৰণৰ। শান্তিপ্ৰিয় মানুহজনে কোনো কাৰণতে পাৰিবাৰিক অশান্তি হোৱাটো বিচৰা নাছিল।

জ্যেষ্ঠ ভাতৃ হিচাপে মোৰ দেউতাৰ প্ৰতি খুড়াই অকৃত্ৰিম শ্ৰদ্ধা-ভক্তি প্ৰকাশ কৰিছিল। তেওঁৰ অমায়িক ব্যৱহাৰত মোৰ মা-দেউতাই নহয়, আন সকলো মানুহ মুগ্ধ হৈছিল। সাধাৰণতে খুড়াৰ কথাবোৰ দেউতাই গ্ৰহণযোগ্য বুলি বিবেচনা কৰিছিল। মোৰ বিয়াৰ ক্ষেত্ৰত খুড়াই আগভাগ লৈছিল আৰু এদিন খুড়াহঁতৰ নিচেই ওচৰৰ ঘৰলৈ মই বিয়া হৈ আহিছিলোঁ। বিয়াৰ পিছত খুড়াহঁতৰ ঘৰলৈ মোৰ আহ-যাহ ক্ৰমান্বয়ে বাঢ়ি গৈছিল। কিন্তু খুড়াৰ মৃত্যুৰ সময়ত মই কৰ্মসূত্ৰে কাৰ্বিআংলঙত থকা হেতুকে পাঠশালাৰ ঘৰলৈ আহিব পৰা নাছিলোঁ।

হেমখুড়া আৰু চাৰুখুড়ী ইহজগতৰপৰা বিদায় লোৱাৰ বহু বছৰেই হ'ল। তেওঁলোকৰ মৃত্যুৰ বাতৰি শুনি আমি মৰ্মান্তিক দুখ পাইছিলোঁ। ১৯৮৮ চনত খুড়া আৰু ১৯৯৯ চনত খুড়ীৰ অকাল বিয়োগ ঘটিছিল। খুড়াই কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত ভুগি আছিল বুলি শুনিছিলোঁ। উন্নত চিকিৎসাৰ বাবে খুড়াক ভেলোৰলৈ নিয়া হৈছিল আৰু দুৰ্ভাগ্যজনকভাৱে চিকিৎসা শেষ কৰি ঘৰলৈ আহি থকা অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল। মোৰ দেউতাই তেওঁৰ জীৱিত কালতে সৰু ভায়েকৰ বিয়োগৰ বাতৰি শুনি মৰ্মাহত হৈছিল।

## প্ৰয়াত হেমখুড়া আৰু চাৰুখুড়ীৰ সোঁৱৰণত

খুড়াহঁতে অহা ৰে'লগাড়ীখন নিউবঙাইগাঁও ৰে'লৱে ষ্টেচন পোৱাৰ পিছতেই আমাৰ বঙাইগাঁৱৰ ঘৰত দুঃসংবাদটো দিয়া হৈছিল। দেউতাই লগে লগে ষ্টেচনলৈ গৈ পৰিস্থিতিৰ বুজ লৈছিল। দেউতাৰ পৰামৰ্শ মতে মোৰ ভাই পৰেশে বঙাইগাঁৱৰপৰা গাড়ীৰে খুড়াৰ শৰদেহ লৈ পাঠশালালৈ আহিছিল। কিন্তু এনে অভাৱনীয় পৰিস্থিতিতো খুড়ীয়ে নিজকে চম্ভালি লৈছিল। খুড়াৰ অনুপস্থিতিত তেওঁ সকলো কাম ধৈৰ্য্যসহকাৰে কৰি গৈছিল। পিছে দুৰ্ভাগ্যই পৰিয়ালটোৰ লগ এৰা নাছিল।

দহ বছৰ স্বাভাৱিকভাৱে পাৰ হৈ যোৱাৰ পিছত এদিন হঠাৎ খুড়ীৰ মৃত্যুৰ সংবাদ পাইছিলোঁ। খবৰ পায়েই মই পাঠশালাৰ ঘৰত উপস্থিত হৈছিলোঁ। নিঠৰুৱা ভাই-ভনী তিনিটাক দেখি মই অন্তৰত বৰ দুখ পাইছিলোঁ। সিহঁতক সান্ত্বনা দিয়াৰ ভাষা মোৰ হেৰাই গৈছিল। গোটেই ঘৰখন খবৰ ল'বলৈ অহা মানুহেৰে ভৰি আছিল যদিও ক'ৰবাত মই শূন্যতা উপলব্ধি কৰিছিলোঁ। ঘৰৰ লাইখুঁটা দুটা যেন অগা-পিছাকৈ নাইকিয়া হ'ল।

বৰ্তমান খুড়াহঁতৰ অসম আৰ্হিৰ ঘৰটো আগৰ দৰেই আছে। এসময়ত আটোমটোকাৰিকৈ ৰখা ঘৰটোত এতিয়া ভাড়াঘৰৰ মানুহ। বিভিন্ন বিপৰ্য্যয়ে জুৰুলা কৰা পৰিয়ালটোৰ একমাত্ৰ সাক্ষী হিচাপে ঘৰটোৱে মাথো সোঁৱৰায় সোণালী দিনৰ স্মৃতি। ■

- *লিখিকা গণেশ মন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাক্তন বিষয় শিক্ষয়িত্ৰী আৰু হেমচন্দ্ৰ শৰ্মাৰ ভতিজী।*

---

❖ ধৰ্মৰ বিষয়ত যিসকল অন্ধ, সেইসকলে কেতিয়াও স্বাধীনভাৱে চিন্তা কৰিব নোৱাৰে।

**—বাৰ্ট্ৰাণ্ড ৰাছেল**

❖ নিজকে ডাঙৰ বুলি ভৰাতো, যেনেদৰে দোষৰ কথা; নিজকে সৰু বুলি ভৰাও দোষৰ কথা। নিজৰ সম্বন্ধে সঠিক ধাৰণা থকাটোহে যুক্তিযুক্ত কথা।

**—কাৰ্ভেণ্টিছ**

❖ যিবোৰ জীৱ পৰিৱেশৰ লগত খাপ খাই বা অভিযোজিত হৈ উপযুক্ত হ'ব, সেইবোৰেই প্ৰাকৃতিকভাৱে নিৰ্বাচিত হ'ব আৰু বাচি থাকিব।

**—চাৰ্লছ ডাৰউইন**

# স্মৃতিৰ ৰেঙণিত মামা-মামী

## ড° ৰশ্মি দেৱী

"পিতা স্বৰ্গঃ পিতা ধৰ্মঃ পিতা হি পৰমং তপঃ।
পিতৰি প্ৰীতিমাপন্নে প্ৰীয়ন্তে সৰ্বদেৱতা।।"

"জন্মিলে মৰিব লাগে
ৰীতি এই বন্ধা ধৰা,
একেৰাহে আছে চলি
সৃষ্টিৰ পাতনিৰে পৰা।"

সৃষ্টিৰ পাতনিৰপৰা চলি অহা ৰীতিটো জগতৰ এক নৈসৰ্গিক নিয়ম। কোনেও কাকো ধৰিও ৰাখিব নোৱাৰে আৰু পৃথিৱীলৈ অহাৰ পথত কোনেও কাকো বাধাও দিব নোৱাৰে। দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিনৰ আগমন হোৱাৰ দৰে জন্ম আৰু মৃত্যুও এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ নিচিনা। জন্ম-মৃত্যু সৃষ্টিৰ নিত্য, শাশ্বত, চিৰন্তন সত্য ঘটনা যদিও শ্ৰীমদ্ভগৱদ্ গীতাৰ দ্বিতীয় অধ্যায়ত কৈছে মানুহৰ অৱয়ৱৰহে মৃত্যু হয় আত্মাৰ মৃত্যু নহয়। গতিকে সৃষ্টিকৰ্তাৰ স্বাভাৱিক প্ৰক্ৰিয়াক মানি লৈ স্বকীয় কৰ্তব্য নিষ্ঠাৰে পালন কৰি মৃত্যুৱে ধ্বংস কৰিব নোৱাৰা সৎ কৰ্মৰ সুফলেই মানৱক অমৰ কৰি ৰাখে। শাস্ত্ৰত কৈছে 'কীৰ্ত্তিৰ্যস্য স জীৱতি।' মৃত্যুৰপৰা হাত সাৰিব নোৱাৰিলেও ধৰাৰ বুকুত ৰাখি যোৱা আদৰ্শক সোঁৱৰণ কৰাৰ বাবে মামা-মামীৰ পুত্ৰই আজি সোঁৱৰণী গ্ৰন্থ প্ৰস্তুত কৰাৰ প্ৰয়াস কৰিছে।

আজি মোৰ মনত পৰিছে ষষ্ঠ, সপ্তম শ্ৰেণীত পঢ়ি থাকোতে জ্যোতিনগৰস্থিত মোৰ ডাঙৰ বাইদেউৰ (স্বৰ্গীয়া ড° ৰুণু দেৱী) ঘৰৰ লগত এটা সুসম্পৰ্কেৰে বান্ধ খাই থকা হেতুকে প্ৰায়েই তালৈ অহা-যোৱা কৰা বগা, ধুনীয়া, পিন্ধন-উৰণত পৰিপাটি দম্পতীহালৰ কথা। বাইদেউ-ভিনদেউৰ মুখত শুনি শুনি আৰু প্ৰায়েই দেখি থকা দম্পতীহাল আপোন হৈ পৰিছিল। সেই দম্পতীহাল আন কোনো নহয়। তেওঁলোক আছিল স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাছাৰ আৰু স্বৰ্গীয়া চাৰু দেৱী বাইদেউ। তাৰ পিছত জানিব

পাৰিলোঁ যে সেই সময়ৰ বজালীৰ ভিতৰুৱা গাঁও জালিখাটাত জন্মগ্ৰহণ কৰা শৰ্মাদেৰ চাকৰিসূত্ৰে বজালীৰ মাজ-মজিয়াত অৱস্থিত পাঠশালাৰ জ্যোতিনগৰৰ বাসিন্দা। ১৯৬৩ চনৰপৰা ১৯৮৮ চনলৈকে বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰ পদ অলংকৃত কৰা শৰ্মাদেৰ এই বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপক আছিল। অতিশয় নিয়াৰিকৈ নিষ্ঠাসহকাৰে কৰ্তব্য পালন কৰি সুখময় কৰি তুলিছিল তেওঁৰ কৰ্মময় জীৱন।

দেখিলে ভক্তিভাৱ জাগ্ৰত হোৱা, মিচিকিয়া হাঁহিৰে মুখমণ্ডল উজ্জ্বল কৰি ৰখা, অমায়িক শান্ত-শিষ্ট মানুহজনক মোৰ দেউতাই (স্বৰ্গীয় মহোদৰ দেৱ শৰ্মা) খুড়া বুলি সম্বোধন কৰিবলৈ কৈছিল। তেখেতে সহধৰ্মিণী হিচাপে উত্তৰ গুৱাহাটীৰ চাৰু দেৱীক গ্ৰহণ কৰিছিল। ছাৰৰ পত্নী হিচাপে তেওঁক বাইদেউ বুলি মাতিছিলোঁ। পিছত খুড়াৰ পত্নী হিচাপে খুড়ীও বুলিছিলোঁ। তেওঁ আছিল পাঠশালা ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষয়িত্ৰী। অৱশ্যে অৱসৰ গ্ৰহণ কৰে প্ৰধান শিক্ষয়িত্ৰী হিচাপে। খুড়াতকৈ অকণমান খুড়ী বিপৰীত আছিল। তেওঁ আছিল সৎ, যুক্তিবাদী আৰু শাসনকৰ্ত্ৰী। মামা আৰু মামীয়ে পঢ়া-শুনা কৰা লোকক বৰ মৰম কৰিছিল।

বাইদেউৰ পৰিয়ালৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা তথা আমাৰ (মোৰ অবিবাহিত অৱস্থাত) চাৰিদিনীয়া ভাগীৰ সম্পৰ্ক থকা হেতুকে মাজে মাজে তেওঁলোকৰ ঘৰলৈ গৈছিলোঁ। তেওঁলোকৰ সৰু পুত্ৰ অচিন্ত্য মোৰ বজালী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত সহপাঠী তথা তেওঁলোকৰ ছোৱালী বন্দিতা মোৰ বাইদেউৰ বান্ধৱী আছিল। পৰৱৰ্তী কালত বন্দিতা বাইদেউক মোৰ মাৰ ঘৰৰ ওচৰৰ কৌতুক শৰ্মালৈ বিয়া দিয়াৰ পিছত খুড়ীয়ে ছোৱালীৰ ঘৰলৈ আহিলে আমাৰ ঘৰতো মাত নিদিয়াকৈ যোৱা নাছিল। তেওঁলোকৰ ডাঙৰ বোৱাৰী ববী (বিভা) মোৰ সহপাঠী আছিল। ধুনীয়া মৰমীয়াল বোৱাৰী ববীৰ মাজেৰেও তেওঁলোকৰ ঘৰৰ লগত মোৰ সম্পৰ্ক আকৌ বেছি সুদৃঢ় হৈ পৰিছিল।

কিন্তু মানৱজাতি দৈৱৰ অধীন। দৈৱক বাধা দিবলৈ কাৰো সামৰ্থ্য নাই। সেয়ে ১৯৮৮ চনত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ কম বয়সতে খুড়াই এই সংসাৰৰপৰা আঁতৰি যায়। স্বামী অবিহনে তেওঁৰ পত্নী অৰ্থাৎ খুড়ীয়ে ল'ৰা-ছোৱালীৰ শিক্ষা, বিবাহ আদি সাংসাৰিক দায়িত্ববোৰ পালন কৰে। তেওঁ উপযুক্ত পাত্ৰত ছোৱালীক সম্প্ৰদান কৰি তথা পুত্ৰদ্বয়ক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলি, সমাজত সুপ্ৰতিষ্ঠিত কৰি আদৰ্শ মাতৃৰ পৰিচয় দাঙি ধৰিছিল। চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰাৰ দুই-তিনি বছৰমান পিছতে খুড়ীও এই সংসাৰৰ পৰা বিদায় লয়। খুড়াৰ দৰে খুড়ীৰ মৃত্যুৰ বাতৰিয়েও মোৰ লগতে আমাৰ পৰিয়ালৰ সকলোকে আঘাত দিছিল আৰু মনটোক যেন কোনোবাই কৈছিল আমাৰ

এগৰাকী হিতাকাংক্ষী ব্যক্তি নাইকিয়া হ'ল। তাৰ পিছত সেই পৰিয়ালটোৰ লগত আমাৰ সম্পৰ্ক নোহোৱাৰ দৰেই হ'ল।

পুনৰ ঈশ্বৰকে ধন্যবাদ দিছোঁ। খুড়া-খুড়ীবিহীন পৰিয়ালটোৰ ল'ৰা-ছোৱালীৰ লগত সম্পৰ্ক পুনৰ সুদৃঢ় হ'ল, যিটো সম্পৰ্ক কোনোকালে এৰিব নোৱাৰি। সেই সম্বন্ধটো হ'ল জীৱিত কালত লগ পোৱা খুড়া-খুড়ী বুলি কৰা সম্বোধনৰ পৰিৱৰ্তে মৃত্যুৰ পিছত সৌভাগ্যৰশতঃ হৈ পৰিল মামা-মামী তথা ভাগিন-ভাগিনী বোৱাৰীৰ সম্বন্ধ। ২০০৩ চনৰ ১৩ মাঘ (২৭ জানুৱাৰী)ত মোৰ বিৱাহ হ'ল ভোগপুৰ গাঁও নিৱাসী গিৰীশচন্দ্ৰ দেৱ শৰ্মা আৰু প্ৰয়াত অৱলা দেৱীৰ সৰু পুত্ৰ প্ৰবীৰ কুমাৰ শৰ্মাৰ লগত। মোৰ শাহু মা স্বৰ্গীয়া অৱলা দেৱী আছিল মামাৰ একমাত্ৰ ভনী। সেয়ে মই হৈ পৰিলোঁ ভাগিন বোৱাৰী। তেওঁলোক হ'ল মোৰ মামা শহুৰ আৰু মামী শাহু। মামা-ভাগিনৰ সম্পৰ্ক বুলি ক'লে আৰু পৃথিৱীত কোনো সম্পৰ্কই ডাঙৰ হ'ব নোৱাৰে।

মামা-মামীৰ বিষয়ে শাহু মাৰ মুখত কিছুমান কথা শুনিছিলোঁ, যিবোৰ কথাই আজি মনৰ মাজত ভুমুকি মাৰিছে। মায়ে কৈছিল যে পাঠশালাৰ মামা বৰ শান্ত প্ৰকৃতিৰ আছিল। ভনীয়েক হিচাপে মালৈ মামাৰ বৰ মৰম আছিল। মামাক মাই সদায় 'পাঠশালাৰ দাদা' বুলিয়ে কৈছিল। মাৰ বাবে মামাৰ নাম সেইটোহে আছিল। শাহু মাৰ বিয়াৰ পিছত মামাই আমাৰ ভোগপুৰস্থিত গাঁৱৰ ঘৰলৈ সঘনাই ভনীয়েকৰ খবৰ ল'বলৈ আহিছিল। লগতে শাহু মাই এই কথাও কৈছিল যে, মোক ভাগিন বোৱাৰী হিচাপে পালে মামাই হেনো গৌৰৱ কৰিলেহেঁতেন এই বুলি যে মামাই চাকৰি কৰা মহাবিদ্যালয়খনত তেখেতৰ ভাগিন বোৱাৰীয়েকেও কাম কৰে।

মাৰ পৰাই জানিব পাৰিছিলোঁ যে মামী বৰ ধৈৰ্য্যশীলা আছিল। মামাৰ চিকিৎসাৰ বাবে গৈ ভেলোৰৰ পৰা উভতি আহি থকা সময়ত ৰেলতে মামাই এই পৃথিৱীৰপৰা আঁতৰি গৈছিল। সেই সময়ত মামাৰ ভাতৃ স্বৰ্গীয় প্ৰভাত চন্দ্ৰ শৰ্মা আৰু মামী লগত আছিল। স্বামীৰ মৃত্যু মানে পত্নীগৰাকীৰ মৃত্যু হোৱাৰ দৰে হয়। ব্ৰাহ্মণ সম্প্ৰদায়ৰ নাৰীৰ সৰ্বস্ব কাঢ়ি লৈ যোৱাৰ দৰে হয়। তেওঁলোকৰ বাবে বৈধব্য যন্ত্ৰণা বৰ কষ্টকৰ। শিক্ষিতা মামীয়ে এইবোৰ জানিও বিচলিত নোহোৱাকৈ মামাৰ নশ্বৰদেহ পাঠশালাৰ গৃহলৈ লৈ আহিছিল। সাধাৰণ নাৰীৰ বাবে এই কথা অসম্ভৱ। এয়া ভগৱানে মামীৰ ধৈৰ্য্যৰ পৰীক্ষাহে কৰিছিল বুলি মোৰ ভাব হয়। এনেকুৱা দিশৰপৰা মামীক গীতাত উল্লিখিত স্থিতপ্ৰজ্ঞৰ শাৰীত বহুৱাব পাৰি।

পাঠশালা এখন নাট্যনগৰী। পাঠশালাৰ লোকসকলৰ বাবে আগষ্ট মাহটো বৰ হেঁপাহৰ। সেই সময়ত আৱাহন, কহিনুৰ আদি থিয়েটাৰে পাঠশালাৰ পৰিৱেশ উখল-

মাখল কৰি আনন্দমুখৰ কৰি তোলে। মামা-মামীৰ ঘৰ আৱাহন থিয়েটাৰৰ আখৰাস্থলীৰ সন্মুখতে। মাই কোৱামতে তেওঁলোকে এই আনন্দৰপৰা দূৰত থকা নাছিল। আনকি শাহু মাই ল'ৰা-ছোৱালীক লৈ গৈ মামা-মামীৰ ঘৰত থাকি নাটক চাই আনন্দ উপভোগ কৰিছিল। মামা-মামীৰপৰা পোৱা সুপৰামৰ্শই শাহু মাকো বহুতো সহায় কৰা বুলি মাই আমাৰ আগত কৈছিল।

সৎ ব্যক্তিৰ সৎ কথা কৈ থাকিলে শেষ নহয়। মামা-মামী হিচাপে তেওঁলোকৰ সান্নিধ্য নাপালেও খুড়া-খুড়ী হিচাপে তথা শাহু মাৰ কথাই মোৰ হৃদয়ত তেওঁলোকৰ সাঁচ বহুৱাই থৈছে। মানসপটত তেওঁলোকৰ স্মৃতি সদায় সজীৱ হৈ থাকিব। পৰিয়ালৰ লগতে আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱ সকলোৰে মাজত তেওঁলোকৰ আদৰ্শ জীয়াই থাকক। শাস্ত্ৰত কৈছে— "শৰীৰং ক্ষণবিধ্বংসি কল্পান্ত স্থায়িনো গুণাঃ"। এই যৎ কিঞ্চিৎ লেখাৰে মামা-মামীলৈ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

গীতাৰ দ্বিতীয় অধ্যায়ত কৈছে—

জাতস্য হি ধ্ৰুৱো মৃত্যুঃ ধ্ৰুৱং জন্ম মৃতস্য চ।
তস্মাদপৰিহাৰ্যেঽৰ্থে ন ত্বং শোচিতুমৰ্হসি।। ২-২৭

ন জায়তে ম্ৰিয়তে ৱা কদাচিন্
নায়ং ভূত্বা ভৱিতা ৱা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।। ২-২০ ■

- *লিখিকা বজালী মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা আৰু হেমচন্দ্ৰ শৰ্মাৰ ভাগিন বোৱাৰী।*

---

❖ সুখ তেতিয়াহে লাভ কৰিব যেতিয়া আপুনি যি ভাৱে, সি কয় আৰু যি কৰে সেয়া এটাই হয়।

❖ আপুনি মানৱতাৰ ওপৰত বিশ্বাস নেহেৰুৱাব। মানৱতা সাগৰৰ দৰে। যদি সাগৰৰ কেইটামান টোপাল লেতেৰা হয়, সাগৰখন লেতেৰা হৈ নাযায়।

**—মহাত্মা গান্ধী**

# স্মৃতিৰ মণিকোঠাত আতা-আবু

## মেঘালী শৰ্মা

প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আৰু প্ৰয়াত চাৰু দেৱী সম্পৰ্কত মোৰ আতা-আবু, মোৰ সৰু খুড়ীৰ মাক-দেউতাক। মই সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতেই সৰু খুড়াৰ বিয়া হৈছিল। খুড়াৰ বিয়াৰ বহু আগতেই যিহেতু খুড়ীৰ দেউতাক হেমচন্দ্ৰ শৰ্মা ঢুকাইছিল, গতিকে তেখেতক মই লগ নাপালোঁ। খুড়াৰ বিয়াৰ পাছৰপৰাই এওঁলোকৰ লগত মোৰ এটা ভাল সম্পৰ্ক আছিল। বেলেগৰ মুখত আবু বৰ কঠোৰ বুলি শুনিছিলোঁ যদিও মই বাস্তৱ ক্ষেত্ৰত সেইটো অনুভৱ কৰা নাছিলোঁ। অতিশয় চাফ-চিকুণ আৰু নিয়মানুবৰ্তিতাৰ মাজেৰে আবুই দৈনন্দিন জীৱন-যাপন কৰিছিল। পাঠশালাৰ এখন অগ্ৰণী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ বাব এটাত দায়িত্বশীলতাৰে কাম কৰাৰ উপৰিও ঘৰুৱা অন্যান্য কাম-কাজতো তেওঁ পাৰদৰ্শী আছিল। বিশেষকৈ আবুৱে অতি সুস্বাদু আচাৰ বনোৱাত পাকৈত আছিল। পাকঘৰত বিধে বিধে আচাৰ বনাই বটলবোৰ শাৰী শাৰীকৈ ৰাখি মোক নিজৰ ইচ্ছামতে খাবলৈ দিছিল। আচাৰ খাই ভালপোৱা মইজনীয়ে কোনটো খাম, কোনটো নাখাম ভাবি থাকোতেই আবুৱে প্ৰায়েই কৈছিল— 'অধিক মাছত বগলী কণা'।

মোৰ জীৱনৰ প্ৰথম পিক্‌নিক্ যাত্ৰা আবুৰ লগতেই হৈছিল। সম্ভৱ ১৯৯২ চনৰ ঘটনা। পাঠশালা ছোৱালী হাইস্কুলৰ পৰা গুৱাহাটীৰ বশিষ্ঠ মন্দিৰলৈ পিক্‌নিক্ খাবলৈ যোৱা হৈছিল। মই যদিও পাঠশালা ছোৱালী হাইস্কুলৰ ছাত্ৰী নহয়, তথাপি আবুৰ কাৰণেই মই সেই পিকনিক যাত্ৰাত অংশগ্ৰহণ কৰিব পাৰিছিলোঁ। একমাত্ৰ আবুৰ ব্যক্তিত্বৰ বাবেই মই সেই আনন্দত ভাগ ল'বলৈ ঘৰৰপৰা অনুমতি পাইছিলোঁ। আমাৰ এই যাত্ৰাত আমাক উত্তৰ গুৱাহাটীৰ আউনিআটি সত্ৰ, শিলসাঁকো, দৌলগোবিন্দ মন্দিৰ আদিলৈ লৈ যোৱা হৈছিল। বাছখন মূল পথৰ পৰা উত্তৰ গুৱাহাটীমুৱা হওঁতেই সেই সময়ৰ ছোৱালী হাইস্কুলৰ কৰ্মচাৰী সদাকাই "চাৰু বাইদেউৰ মায়েক আহাৰ ঘৰ পালু কী জয়" বুলি চিঞৰা মোৰ এতিয়াও মনত আছে। সকলো ছাত্ৰীৰ লগতে যাতে শিক্ষক-শিক্ষয়িত্ৰীসকলেও কোনো ধৰণৰ বিপদ নোহোৱাকৈ বিদ্যালয়লৈ ঘূৰি আহিব পাৰে তাৰ বাবে তেওঁ যথেষ্ট সন্তম আছিল।

## স্মৃতিৰ মণিকোঠাত আতা-আবু

মুগুৰীয়া আৰু জ্যোতিনগৰ— কিমাননো দূৰ? তথাপিও জ্যোতিনগৰৰ আবুৰ ঘৰলৈ আহিলে এসপ্তাহ নোহোৱাকৈ মুগুৰীয়াৰ ঘৰলৈ ঘূৰি যোৱাটো মোৰ বাবে টান কাম আছিল। আনকি জ্যোতিনগৰৰপৰাই মই বহুদিন কলেজলৈ গৈছিলোঁ। সেয়া আছিল আবু আৰু মোৰ মাজত থকা মৰমৰ এক অলিখিত সম্বন্ধৰ বান্ধোন।

আজি প্ৰায় বিছ বছৰৰ পিছত আবুৰ কথা লিখিবলৈ গৈ সেই সময়ৰ বাহিৰত কঠোৰমনা অথচ ভিতৰত সহজ-সৰল মানুহগৰাকীৰ প্ৰতিচ্ছবিয়ে স্মৃতিৰ মণিকোঠাত অহা-যোৱা কৰি আছে। আবুৰ আত্মাই পৰলোকত বিলীন হৈ যাওক— এয়ে কামনা কৰিলোঁ। ■

- *লিখিকা চাৰু দেৱীৰ সম্বন্ধীয় নাতিনীয়েক।*

---

❖ আপুনি মোক শিকলিৰে বান্ধিব পাৰে, মোক কষ্ট দিব পাৰে, এই শৰীৰটো নষ্ট কৰিব পাৰে, কিন্তু আপুনি কেতিয়াও মোৰ আদৰ্শক কাৰাৰুদ্ধ কৰিব নোৱাৰে।

❖ মই হিংসাক বিৰোধ কৰোঁ, কাৰণ ইয়াৰপৰা লাভ কৰা সমাধান বহুত কম সময়ৰ বাবেহে, আৰু ইয়াৰপৰা জন্ম হোৱা ঘৃণা সকলো সময়ৰ বাবে।

❖ দুৰ্বল লোকে কেতিয়াও ক্ষমা কৰিব নোৱাৰে, ক্ষমা কৰাটো শক্তিশালী লোকৰহে গুণ।

❖ নিজকে বিচৰাৰ সকলোতকৈ ভাল উপায় হ'ল, নিজকে অইনৰ সেৱাত বিলীন কৰি দিয়া।

❖ নিজৰ উদ্দেশ্যত দৃঢ় বিশ্বাস ৰখা এটি সূক্ষ্ম শৰীৰে ইতিহাসৰ গতি সলনি কৰি দিব পাৰে।

❖ মই মৰিবলৈ সাজু আছোঁ, কিন্তু এনে কোনো কাৰণ নাই যাৰ বাবে মই মাৰিবলৈ সাজু আছোঁ।

❖ ব্যক্তি নিজৰ আদৰ্শৰদ্বাৰা নিৰ্মিত এক প্ৰাণী। ই যি ভাৱে সেয়ে হৈ পৰে।

**—মহাত্মা গান্ধী**

# মোৰ স্মৃতিত শাহু আই আৰু শহুৰ দেউতা

## কৌতুক শৰ্মা

স্বৰ্গীয় শহুৰ দেউতা মই তেওঁৰ জোঁৱাই হোৱাৰ আগতেই ইহসংসাৰৰ পৰা মেলানি মাগিছিল। তথাপি মোৰ মানসপটত এটা কথাই জিলিকি আছে যে তেওঁ মোক ভালদৰে চাই যাবলৈ সুযোগ পাইছিল, যদিও কথাটো কাকতালীয় আছিল। অলপ বহলাই ক'ব গ'লে এনেকুৱা হয় যে ১৯৭৯ চনত মই পি. ইউ. পৰীক্ষা দিছিলোঁ আৰু সেই পৰীক্ষাৰ দুদিন আগতে মোৰ বসন্ত ৰোগে দেখা দিছিল বাবে মই চাৰ্ট-পেণ্ট পিন্ধিব পৰা নাছিলোঁ আৰু লগতে যথেষ্ট জ্বৰো উঠিছিল। সেয়েহে মই ৰুগীয়াৰ বাবে থকা বিছনা লৈ ধুতী পিন্ধি পৰীক্ষা দিছিলোঁ। কোঠাত পৰীক্ষক হিচাপে উপস্থিত আছিল মোৰ শহুৰ দেউতা আৰু সেই দিনাখনেই তেওঁ মোক ভালদৰে জনাৰ সুযোগ পাইছিল।

শিক্ষক হিচাপে তেওঁ এজন অন্তৰমুখী ব্যক্তিত্বৰ মানুহ আছিল। আৰু ছাত্ৰৰ লগত সুসম্পৰ্ক ৰাখি ভাল পাইছিল। ছাত্ৰসকলেও তেওঁক খুব শ্ৰদ্ধা-ভক্তি কৰিছিল। তেখেতে তেখেতৰ মত কাৰো ওপৰত জাপি দিবলৈ টান পাইছিল আৰু আনৰ মত পছন্দ নহ'লেও প্ৰতিবাদ কৰা নাছিল। সেইবাবে হয়তো অন্তৰ্দ্বন্দ্বত ভুগিছিল। শেষত এটা কথা ঠিক যে যিহেতু তেখেতে বিদ্যালয় আৰু মহাবিদ্যালয় দুয়োবিধ শিক্ষানুষ্ঠানতেই পঢ়ুৱাইছিল সেয়েহে ছাত্ৰ-ছাত্ৰীৰ মানসিকতা ভালদৰে বুজি পাইছিল আৰু ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰিয়ভাজন আছিল।

তাৰ পিছত আহিল শাহু আইৰ কথা। তেওঁক মই ভালদৰে পাইছিলোঁ মোৰ বিয়াৰ পিছতহে। তেখেতে বজালী অঞ্চলত চাৰু বাইদেউ বুলিহে বেছি জনাজাত আছিল। প্ৰশাসক হিচাপে পৰিস্থিতি সাপেক্ষে কঠোৰ আছিল যদিও দুখীয়া-নিচলাক সহায়ৰ হাত আগবঢ়াইছিল। সেয়েহে তাৰিণী কাকাহঁতে এতিয়াও তেখেতক নিজৰ মাকৰ দৰে স্মৰণ কৰে। তেখেতৰ আটাইতকৈ ধনাত্মক দিশটো আছিল তেখেতৰ কৰ্তব্যনিষ্ঠা আৰু পৰিস্থিতি বিশ্লেষণ কৰি সিদ্ধান্ত লোৱাৰ ক্ষমতা।

তেখেতসকলৰ স্বৰ্গগত আত্মাৰ শান্তি কামনা কৰিলোঁ। ■

- *লিখক অৰুণাচল চৰকাৰৰ উদ্যোগ বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-অধীক্ষক আৰু হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ একমাত্ৰ জোঁৱাই।*

# তেওঁলোক আছিল গ্ৰীষ্মকালৰ কৃষ্ণচূড়া গছৰ দৰে

**অচিন্ত্য শৰ্মা**

আপোনজনে আপোনজনৰ বিষয়ে লিখাটো এক অত্যন্ত জটিল কাম। কাৰণ কোনো এক বিষয় বা কোনো এগৰাকী ব্যক্তিৰ বিষয়ে লিখিবলৈ হ'লে সংশ্লিষ্ট লেখকজনে যি নিৰপেক্ষ স্থিতি আৰু নিৰ্মোহ দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে, আপোনজনৰ ক্ষেত্ৰত সেয়া প্ৰায়েই সম্ভৱ হৈ নুঠে। ঠিক এইটো কাৰণতেই যেতিয়া আমাৰ দেউতা-মাৰ স্মৃতিত গ্ৰন্থ এখন প্ৰণয়ন কৰাৰ কথা ওলাল আৰু প্ৰকল্পটো আগবাঢ়িল, তেতিয়া মই তাত কিবা এটা লিখাৰ পৰা নিজকে বিৰত ৰাখিলোঁ; বিভিন্নজনৰ হেঁচা সত্ত্বেও। পিছে শেষ ৰক্ষা নহ'লগৈ। গ্ৰন্থখনৰ সম্পাদক উৎপল শৰ্মাই একপ্ৰকাৰ আদেশ দিলে, কিবা এটা লিখিবই লাগিব। সম্পাদকৰ কথাৰ প্ৰতি সন্মান জনাই 'কিবা এটা' লিখিবলৈ ল'লোঁ। কিন্তু লিখিবলৈ লৈয়েই মোৰ অৱস্থাটো 'অধিক মাছত বগলী কণা'ৰ নিচিনা হ'ল। যাৰ বিষয়ে লিখিবলৈ ল'লোঁ, তেওঁলোক প্ৰয়াত হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱী যিহেতু মোৰ দেউতা-মা আৰু বহুবছৰ ধৰি তেওঁলোকক অতি ঘনিষ্ঠভাৱে পাইছিলোঁ, সেয়ে তেওঁলোকৰ বিষয়ে লিখিবপৰা কথা ইমানেই আছে যে কোনটো এৰিম, কোনটো ধৰিম যেন পৰিস্থিতি এটাই দেখা দিলে। অথচ স্থান বা কিতাপৰ পৃষ্ঠা সীমিত, পাঠকৰ সময়ো নিশ্চয় সীমিত। সেয়ে মন আৰু কলম স্থিৰ কৰি এটা মাত্ৰ দিশৰ ওপৰতেই আলোকপাত কৰাৰ সিদ্ধান্ত ল'লোঁ।

মোৰ দেউতা-মা, হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীয়ে লগ লাগি এখন ঘৰ গঢ়ি তুলিছিল। সেই ঘৰখনৰ এটা চৌহদ আৰু চৌহদটোৰ এখন গেট আছিল (প্ৰথমতে কাঠৰ, পিছলৈ লোহাৰ), যিখন গে'ট একেৰাহে হয়তো এঘণ্টাৰ বাবেও বন্ধ হৈ নাথাকিছিল। পুৱাৰপৰা নিশালৈকে অভ্যাগতৰ আগমনে গেটখন খুলি ৰাখিছিল। কাৰণ মোৰ দেউতা-মা আছিল বহুতৰ বাবেই গ্ৰীষ্মকালৰ কৃষ্ণচূড়া গছৰ দৰে আৰু তেওঁলোকৰ ঘৰখন আছিল ধুমুহা আক্ৰান্ত সাগৰৰ মাজৰ লাইট হাউছটোৰ দৰে। গ্ৰীষ্মকালত সূৰ্য্যৰ

উত্তাপে দহি পেলোৱা বাটৰুৱাই যেনেকৈ নিকটৱৰ্তী কৃষ্ণচূড়া গছজোপাৰ ছাঁত আশ্ৰয় লয়, তেনেদৰে জীৱনৰ বাটত আগবাঢ়ি গৈ থকা অজস্ৰজনে নিজৰ বিভিন্ন বিপদৰ সময়ত হেমচন্দ্ৰ শৰ্মা, চাৰু দেৱীৰ ঘৰখনলৈ দৌৰ মাৰিছিল, দেউতা-মাৰ ওচৰত বিপদৰপৰা পৰিত্ৰাণ বিচাৰিছিল। এইক্ষেত্ৰত আৰ্থিক সমস্যাত পৰা লোকৰ সংখ্যাই আছিল বহুখিনি। অথচ দিব পৰাকৈ দেউতা-মাৰ হাততো যে বহু ধন আছিল তেনেকুৱা নহয়; কিন্তু মানুহক সহায় কৰাৰ মন একোটা আছিল। ঘাটিমঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়ৰ অধ্যাপক বা উচ্চমাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ দৰ্মহা তেতিয়া আছিল আজিৰ তুলনাত নিচেই কম। তথাপি দেউতা-মাই মানুহক পাৰ্য্যমানে সহায় কৰিছিল। ধাৰ দিছিল, সেইবোৰ ধাৰ কোনোদিন পৰিশোধ নহ'ব বুলি জানিও। আজি সমাজত প্ৰতিষ্ঠিত বহুতো লোকৰ পৰিয়ালক দেউতা-মাই সহায় আগবঢ়াইছিল। এইবোৰ আমি নিজ চকুৰে দেখা কথা।

মানুহে দেউতা-মাৰ পৰা অকল যে আৰ্থিক বা বৈষয়িক সহায়েই পাইছিল এনে নহয়। তেওঁলোকৰ পৰা বৌদ্ধিক সহায়ো পাইছিল বিভিন্নজনে। যিসময়ত তেওঁলোকৰ বহু সতীৰ্থই টিউচন কৰি হোৱাহোৰে ধন ঘটিছিল, সেই সময়ত তেওঁলোকে নিজৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ পঢ়ুৱাইছিল। দুই-একক আনকি বিনামূলীয়া খোৱাৰে সৈতে নিজৰ ঘৰত আশ্ৰয়ো দিছিল। অৱশ্যে পৰৱৰ্তী দিনবোৰত দেখা গৈছিল যে ইয়াকে কৰি তেওঁলোকে অকৃতজ্ঞ মানুহৰ বৃহৎ দল এটাৰহে সৃষ্টি কৰিছিল।

নিজৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও সমাজৰ অন্য বহু প্ৰতিষ্ঠিত লোকেও দেউতাৰ বৌদ্ধিক সহায়ৰ ওপৰত নিৰ্ভৰ কৰি নিজকে আগুৱাই নিছিল। পৰৱৰ্তী দিনবোৰত সাহিত্যিক-লেখক হিচাপে পৰিচিতি লাভ কৰা কেইবাজনো লোক আছিল দেউতাৰ বৌদ্ধিক সহায়ৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। একেদৰে পিছৰ জীৱনত জনপ্ৰিয় শিক্ষক হিচাপে খ্যাতি লাভ কৰা কেইবাজনো লোকৰ শৈক্ষিক জীৱনো আগুৱাই যোৱাটো সম্ভৱ হৈছিল একমাত্ৰ দেউতাৰ সহায়ৰ বাবে। সম্প্ৰতি তেওঁলোকৰ উত্তৰপুৰুষসকলে এইবোৰ কথা স্বীকাৰ কৰিবনে নাই নাজানোঁ। কেৱল এইটো কথাই জানোঁ যে এনেকুৱা বিৰল পৰোপকাৰ গুণৰ বাবেই দেউতাক বহুতে 'ৰিপ্ ভান ৰিংকল' নাম দিছিল।

অকল ব্যক্তিগত স্বাৰ্থতেই নহয়, সামাজিক স্বাৰ্থতো বহু মানুহে হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ ঘৰৰ চৌহদৰ গেটখন নিশালৈকে খুলি ৰাখিছিল। দেউতা জীয়াই থকা দিনত আমাৰ ঘৰখন আছিল পাঠশালা সাহিত্য সভাৰ এটা অঘোষিত কাৰ্য্যালয়ৰ দৰে। সেই অনুষ্ঠানটোৰ বাবে দেউতাই জীৱনৰ বহু মূল্যৱান সময় আৰু শক্তি খৰচ কৰা আমি নিজ চকুৰে দেখিছিলোঁ। অথচ পৰৱৰ্তী দিনবোৰত অনুষ্ঠানটোৱে দেউতাক যেনেদৰে মনত ৰাখিব লাগিছিল তেনেদৰে নাৰাখিলে বুলি অনুভৱ কৰোঁ।

## তেওঁলোক আছিল গ্ৰীষ্মকালৰ কৃষ্ণচূড়া গছৰ দৰে

যোৱা শতিকাৰ পঞ্চাছৰ দশকৰ বিজ্ঞানৰ স্নাতকোত্তৰ দেউতা হেমচন্দ্ৰ শৰ্মা আৰু যোৱা শতিকাৰ ষাঠিৰ দশকৰ কলা আৰু শিক্ষকতাৰ স্নাতক মা চাৰু দেৱীয়ে সেই যুগত অতি সহজেই নিজৰ বাবে অধিক সমৃদ্ধ, উন্নততৰ কেৰিয়াৰ একোটা বাচি ল'ব পাৰিলেহেঁতেন। হয়তো হ'ব পৰিলেহেঁতেন গুৱাহাটীৰ নিচিনা এখন মহানগৰীৰ বাসিন্দা। মাহঁতৰ— অৰ্থাৎ দেউতাৰ শহুৰৰ ঘৰখন আছিল উত্তৰ-গুৱাহাটীত। দেউতাৰ খুৰাক বহু বছৰ আগতেই উজানবজাৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী আছিল। হাতীগাঁওত তেওঁৰ আছিল বহু বিঘাৰ কৃষিপাম। বহু বছৰ আগতেই দেউতাৰ ককায়েক, অৰ্থাৎ জেঠা আছিল উজানবজাৰ হেপীভিলাৰ বাসিন্দা। দেউতাই উচ্চ শিক্ষা লাভ কৰিছিল কটন মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত। দেউতাই শিক্ষকতাও কৰিছিল গুৱাহাটী নৈশ বিদ্যালয়ত আৰু উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত। একেদৰে মাই পঢ়িছিল সন্দিকৈ ছোৱালী মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত। উত্তৰ গুৱাহাটীত শিক্ষকতাও কৰিছিল। এনে ক্ষেত্ৰত গুৱাহাটীৰ বাসিন্দা হোৱা তেওঁলোকৰ বাবে অতি সহজ আছিল। কিন্তু তেওঁলোকে সেইবোৰ একো নকৰিলে। বজালী মহাবিদ্যালয় আৰু পাঠশালা ছোৱালী হাইস্কুল— এই অনুষ্ঠান দুটা বুকুত বান্ধি সেই উচ্চশিক্ষিত দম্পতীহাল সৰু নগৰখনতে ৰৈ গ'ল। তাতেই জীয়াই থাকিল, তাতেই মৃত্যুবৰণো কৰিলে। শিক্ষাৰ আলোকেৰে বজালীক আলোকিত কৰিলে। বহুজনক অন্ন দিলে, বহুজনৰ জীৱন গঢ়িলে। বৃহত্তৰ অঞ্চলটোৰ সমাজ জীৱনক দিলে নতুন মাত্ৰা, নতুন গতি, নতুন পৰিচিতি। আজি বজালীবাসীয়ে যদি সেই কথা উপলব্ধি কৰি তেওঁলোকৰ স্মৃতিত সামান্যতমো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে তেনেহ'লে তাতকৈ ডাঙৰ দুৰ্ভাগ্যৰ কথা আন একোৱেই হ'ব নোৱাৰে। ■

- *লিখক সাংবাদিক, আৰু হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ কনিষ্ঠ পুত্ৰ।*

---

❖ যিমানেই সুন্দৰ কথা নহওক কিয় আৰু অতি সুন্দৰ বৰ্ণনা নহওক কিয়, মানুহে পুনৰাবৃত্তি ভাল নাপায়। মানুহৰ জীৱনত পুনৰাবৃত্তি নাই।

**—শৰৎ চন্দ্ৰ চট্টোপাধ্যায়**

❖ মানুহ প্ৰগতিশীল। চিন্তাৰ ৰাজ্যত প্ৰগতি নাহিলে কৰ্মৰ ৰাজ্যত কেতিয়াও প্ৰগতি আহিব নোৱাৰে।

**—আবুল ফজল**

# শ্ৰদ্ধাৰ মা আৰু দেউতাৰ সোঁৰণত

## বন্দিতা দেৱী

১৯৮৮ চনৰ ২১ আগষ্টত যেতিয়া মোৰ দেউতা হেমচন্দ্ৰ শৰ্মাৰ মৃত্যু হৈছিল তেতিয়া ভাৰতবৰ্ষৰ জাতীয় পতাকা অৰ্ধনমিত কৰা হোৱা নাছিল। আকাশবাণী আৰু দূৰদৰ্শনে নিজৰ অন্য সকলো অনুষ্ঠান বাতিল কৰি কেৱল শোকসংগীত বজাবলৈ লোৱা নাছিল। কাৰণ কোনোদিনে তেওঁ উচ্চ ৰাজনৈতিক আৰু প্ৰশাসনিক পদত অধিষ্ঠিত হোৱা নাছিল। আৰু সেইবাবেই তেওঁ আছিল এজন সৰু মানুহ। কিন্তু তেওঁ দেশত সম্পত্তিৰ আৰু বিদেশত ক'লা ধনৰ পাহাৰো গঢ়া নাছিল। মনুষ্যত্ব, মানৱীয়, প্ৰমূল্যবোধ, পৰোপকাৰিতা, সমাজ আৰু জাতিৰ প্ৰতি দায়বদ্ধতা আদি যিবোৰ গুণে একো একোজন মানুহক প্ৰকৃত মানুহ কৰি ৰাখে, সেইবোৰ গুণৰ পৰা বিচাৰ কৰি চালে মোৰ দেউতা এজন 'ডাঙৰ' মানুহ। আমি ডাঙৰ হোৱাৰপৰা বা বুজা হোৱাৰপৰা দেউতাক মূলতঃ পৰোপকাৰৰ এক প্ৰতীক হিচাপেই পাই আহিছিলোঁ। হয়তো নিজে এক দাৰিদ্ৰ্যপীড়িত কঠিন জীৱন যাপন কৰি প্ৰতিষ্ঠিত হ'ব লগা হৈছিল বাবে আনৰ প্ৰতি এক সহজাত সহানুভূতি দেউতাৰ অন্তৰত সদায় ৰৈ গৈছিল।

দেউতাৰ কথা লিখিবলৈ লোৱাত বহু কথা মনলৈ আহিছে। মা-দেউতা দুয়ো চাকৰিয়াল হোৱা বাবে কাহিলি পুৱাতে বিছনা এৰাৰ অভ্যাস আছিল। মোৰ কিন্তু সম্পূৰ্ণ ওলোটা আছিল। যিটো মই আজিও এৰিব পৰা নাই। সদায় ৰাতিপুৱা দেউতাই মোক কোঁচত লৈ উঠাই আনিলেহে মই উঠি আহিছিলোঁ। দেউতাৰ প্ৰিয় খাদ্যৰ ভিতৰত মাগুৰ মাছ আছিল অন্যতম। মাগুৰ মাছৰ মূৰেৰে জিলমিল শাক খাৰ দিয়া খাই দেউতাই বৰ ভাল পাইছিল। দেউতাৰ পৰাই কিজানি মাছ ভাল পোৱা অভ্যাসটো মোৰো ৰৈ গৈছে। আমাৰ গাঁৱৰ ঘৰ জালিখাটাৰপৰা আবু মাজে-সময়ে আমাৰ ঘৰলৈ আহিছিল। আৰু তেতিয়া দুপৰীয়া আবুৱে ভাত ৰান্ধিছিল। আবুৱে ৰন্ধা মুগৰ দালিখন খাই দেউতাৰ লগতে আমিও বৰ তৃপ্তি পাইছিলোঁ। দেউতাৰ পাৰৰ মাংসও প্ৰিয় আছিল। দেউতাৰ মুখত শুনিছিলোঁ যে দেউতাৰ মামীয়েক বনোৱা পাৰৰ মাংসৰ সোৱাদ আছিল হেনো বেলেগ ধৰণৰ, যিটো জুতি জিভাৰ আগত দেউতাৰ সদায় লাগি আছিল।

শ্ৰদ্ধাৰ মা আৰু দেউতাৰ সোঁৱৰণত

দেউতাই সকলো কাম-বন নিয়াৰিকৈ কৰিছিল। আমাৰ ঘৰৰ অকণমান মাটিতে দেউতাই খৰালি শাক-পাচলি, কবি, গাজৰ আৰু বাৰিষা জিকা, তিয়ঁহ, ভাতকেৰেলা আদি বৰ পৰিপাটিকৈ কৰিছিল। দেউতাৰ আৰু এটা গুণ দেখিছিলোঁ যে দেউতাই বাঁহ-বেঁতৰ কামতো পাকৈত আছিল। সময় সুবিধা পালে দেউতাই কুলা-চালনি আদি নিজে তৈয়াৰ কৰিছিল। দেউতাৰ আন এটা আকৰ্ষণীয় দিশ আছিল অতি সক্ৰিয় সামাজিক জীৱন। 'অসম বিজ্ঞান সমিতি', 'পাঠশালা সাহিত্য সভা' আদি অনুষ্ঠানৰ লগত দেউতা ওতপ্ৰোতভাৱে জড়িত আছিল। ইয়াৰ উপৰিও আমাৰ গাঁৱৰ ঘৰ জালিখাটাৰপৰাও বহু লোক আহি দেউতাৰ পৰামৰ্শ লৈছিল। বিশেষকৈ সংস্থা একোটাৰ সংবিধান বনোৱা আৰু প্ৰকল্প প্ৰস্তাৱ তৈয়াৰ কৰি দিয়া কামত দেউতা আছিল সিদ্ধহস্ত। দেউতাৰ অকাল মৃত্যু আমাৰ পৰিয়ালৰ বাবে এক বৃহৎ ক্ষতি যাক আমি কেতিয়াও পূৰণ কৰিব নোৱাৰোঁ।

দেউতাৰ মৃত্যুৰ এঘাৰ বছৰ দুমাহৰ পিছত মাৰ মৃত্যু হৈছিল। যোৱা শতিকাৰ যাঠিৰ দশকতেই স্নাতক আৰু শিক্ষকতাৰ স্নাতক ডিগ্ৰী লাভ কৰা মাৰ জীৱনটোৰ প্ৰথমছোৱা সংঘাত আৰু সংগ্ৰামপূৰ্ণ আছিল বুলি আমি শুনিছিলোঁ। অৱশ্যে বৈষয়িক জীৱনত দেউতাৰ এক সম্পূৰ্ণ বিপৰীত ব্যক্তিত্ব হিচাপেহে আমি মাক পাইছিলোঁ। মাৰ প্ৰচেষ্টাৰ বাবেই পাঠশালাৰ জ্যোতিনগৰত আমাৰ ঘৰ-মাটি হোৱাটো সম্ভৱ হৈছিল। দৈনন্দিন জীৱনৰ খৰতকীয়া গতি আছিল মাৰ অন্যতম বৈশিষ্ট্য। সেই বাবেই হয়তো চাকৰি কৰি থাকিও, তেওঁ সকলো ঘৰুৱা কাম-কাজ কৰাৰ উপৰিও চিলাই কাম কৰা, শাল বোৱা আদিৰ নিচিনা কামো কৰিব পাৰিছিল। মা ছুৰেটাৰ গোঁঠা কামত পাকৈত আছিল। আমি সৰু থাকোতে বহুত ধুনীয়া ধুনীয়া চুৰেটাৰ মায়ে আমাক গুঁঠি দিছিল। ইমান ব্যস্ততাৰ মাজতো মাই নিজৰ শাহুৰেকৰ প্ৰতি যি দায়িত্ব তাক সুচাৰুৰূপে পালন কৰিছিল। সেই সময়ত আবু আৰু সৰু খুড়া আমাৰ গাঁৱৰ ঘৰ জালিখাটাত আছিল। আবুৰ অসুখ-বিসুখ হ'লে খুড়াই আবুক আমাৰ পাঠশালাৰ ঘৰলৈ লৈ আহিছিল আৰু মায়ে ডাক্তৰৰ ওচৰলৈ লৈ গৈছিল। মায়ে যিমানখিনি পাৰে আবুৰ যত্ন লৈছিল। আমিও দেখিছিলোঁ যে আবুৰেও মাক যথেষ্ট মৰম কৰিছিল।

ইমান কামৰ মাজতো মাৰ এটা সামাজিক জীৱন আছিল। বজালী মহিলা সমিতি, পাঠশালা মহিলা সমিতি, মৈত্ৰেয়ী সংঘ আদি অনুষ্ঠানৰ লগত মা জড়িত আছিল। আনহাতে পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে অৱসৰ গ্ৰহণ কৰাৰ পিছতো তেওঁ একাধিক শিক্ষানুষ্ঠানৰ লগত জড়িত আছিল। মাৰ আকস্মিক মৃত্যুও আমাৰ বাবে বৃহৎ ক্ষতি। মাৰ আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ। ■

- *লিখিকা হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ একমাত্ৰ কন্যা।*

# মা-দেউতা— স্মৃতি আৰু বিস্মৃতি

## ড° জয়ন্ত কুমাৰ শৰ্মা

কেইবা বছৰ ধৰি কৰা পৰিকল্পনা আৰু অবিৰত প্ৰচেষ্টাৰ অন্তত মা আৰু দেউতাৰ এই স্মাৰক গ্ৰন্থখনৰ কাম প্ৰায় শেষ পৰ্য্যায়ত উপনীত হৈছে। আৰম্ভণিতে গ্ৰন্থখনত মোৰ নিজৰ কোনো লেখা সন্নিৱিষ্ট কৰাৰ পৰিকল্পনা নাছিল যদিও পাছত বৰপুত্ৰ হিচাপে চমুকৈ হ'লেও এটি লেখা ইয়াত অন্তৰ্ভুক্ত কৰাটো উচিত বুলি বিবেচনা কৰিলোঁ।

প্ৰায় ডেৰকুৰি বছৰ দেউতাৰ আৰু দুকুৰি বছৰ মাৰ সান্নিধ্যৰ বহুখিনি কথা স্মৃতি হৈ আছে যদিও বহুখিনি কথা বিস্মৃতিৰ গৰ্ভত হেৰাই গৈছে। আজি মোৰ নিজৰ অভিজ্ঞতাৰে ক'ব পাৰোঁ, এই সান্নিধ্যৰপৰা জনা কথাৰ সাৰমৰ্ম হ'ল এই যে— মা-দেউতা দুয়োগৰাকীয়ে মাত্ৰ মেধা আৰু প্ৰচণ্ড ইচ্ছাশক্তিৰে শৈশৱ-কৈশোৰৰ দাৰিদ্ৰ্য অতিক্ৰম কৰি আজিৰপৰা প্ৰায় তিনিকুৰি বছৰ আগতেই উচ্চশিক্ষা আৰু স্ত্ৰীশিক্ষাৰ পথাৰ দুখনত খোজ পেলাইছিল, কেইবা হাজাৰো ছাত্ৰ-ছাত্ৰীক হাতত ধৰি এই ক্ষেত্ৰ দুখনলৈ আগবঢ়াই আনিছিল আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰত বৈচিত্ৰ্যময় অৱদান আগবঢ়াইছিল। তেওঁলোকৰ চুটি জীৱনচোৰা আছিল এটা সুসংস্কৃত, শৃংখলাবদ্ধ, কৰ্মময় জীৱন।

এই স্মাৰক গ্ৰন্থখনত দুকুৰিৰো অধিক মা-দেউতাৰ ছাত্ৰ-ছাত্ৰী, সহকৰ্মী, বন্ধু-বান্ধৱী, আত্মীয়-স্বজন আৰু গুণমুগ্ধই তেওঁলোক দুগৰাকীৰ স্মৃতিচাৰণ কৰি প্ৰবন্ধ লিখিছে। নিজৰ মা-দেউতা হিচাপে তেওঁলোকৰ বিচিত্ৰতাময় জীৱনৰ বহুতো নজনা কথাৰ সম্ভেদ এই লেখাসমূহৰ জৰিয়তে লাভ কৰিছোঁ, লগতে বুজিব পাৰিছোঁ মোটামুটিভাৱে যোৱাটো শতিকাৰ ষাঠিৰপৰা নৱৈৰ দশকত বজালী অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনত তেওঁলোকৰ প্ৰভাৱৰ কথা।

মা-দেউতাই যিটো বয়সত এই পৃথিৱীৰপৰা আঁতৰি গৈছিল সেই বয়সলৈ মই নিজেও আগবাঢ়িছোঁ। এনে অৱস্থাত তেওঁলোকৰ বিস্তৃত আৰু গভীৰ কৰ্মসূচী মোটামুটিভাৱে বৰ্ণনা কৰিবলৈ তিনিশৰো অধিক পৃষ্ঠাৰ এই গ্ৰন্থখনৰ প্ৰয়োজন হৈছে। কিন্তু তেওঁলোকৰ কৰ্মৰাজিৰ লগত বৰ্তমানলৈকে মোৰ নিজৰ কৰ্মৰাজি তুলনা কৰিলে

মই কি পর্য্যায়ত আছোঁ অতি সহজেই অনুমান কৰিব পাৰি। আজিৰপৰা প্ৰায় তিনি কুৰি বছৰ আগতেই বজালী-পাঠশালা অঞ্চলৰ উচ্চশিক্ষা আৰু স্ত্ৰীশিক্ষাৰ একেবাৰে চালুকীয়া অনুষ্ঠান দুটাৰ সন্মুখত পৰি থকা বৃহৎ কৰ্মসূচীৰ ওপৰত মাত্ৰ কেইগৰাকীমান সহকৰ্মীৰে সৈতে তেওঁলোকে প্ৰচণ্ড গতিৰে জঁপিয়াই পৰিছিল। বৰ্তমান সময়ত চৌদিশে নতুনকৈ গঢ়ি উঠা অসংখ্য এনে অনুষ্ঠানৰ ধামখুমীয়াত, বা সুযোগ্য নেতৃত্বৰ অভাৱত, বা হয়তো চৰকাৰী নীতি-নিয়মৰ ভুলৰ বাবে সেই অনুষ্ঠান দুটাই পূৰ্বৰ খ্যাতি অক্ষুণ্ণ ৰাখিব পৰা নাই। কিন্তু ইয়াক চালুকীয়া অৱস্থাপৰা খ্যাতিৰ উচ্চ শিখৰলৈ লৈ যোৱা কৰ্মসূচীত মা আৰু দেউতাৰ অপৰিহাৰ্য্য অৱদানৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

মূল কৰ্মসূচীৰ উপৰিও মা-দেউতাই —বিশেষকৈ দেউতাই সাহিত্য-সমাজ-সংস্কৃতিৰ জগতখনতো খোজ পেলাইছিল আৰু নিজৰ অৱদান আগবঢ়াবলৈ সক্ষম হৈছিল। স্মাৰক গ্ৰন্থখনৰ লেখাসমূহৰ প্ৰতিগৰাকী লিখকে মা-দেউতাৰ এনে অৱদানৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰিছে। দুয়োগৰাকীয়ে নিজৰ অতি চমু জীৱদ্দশাত যিখিনি অৱদান আগবঢ়াইছে তাৰ একমাত্ৰ কাৰণ আছিল কৰ্মৰ প্ৰতি গভীৰ প্ৰেম, নিস্বাৰ্থ সেৱাৰ মনোভাৱ, শৃংখলাবদ্ধতা আৰু কাম কৰাৰ তীব্ৰ গতি। ঘড়ীৰ কাঁটাৰ লগে লগে পৰিচালিত হৈছিল তেওঁলোকৰ দৈনন্দিন জীৱন, আৰু মই নিজেও সেই শিক্ষা গ্ৰহণ কৰিছিলোঁ।

মা-দেউতাৰ মৃত্যুত বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে শোকপ্ৰস্তাৱ আমালৈ প্ৰেৰণ কৰিছিল, কেইবাখনো বাতৰিকাকতত তেওঁলোকৰ মৃত্যুৰ বাতৰি বিস্তৃতভাৱে প্ৰকাশ পাইছিল। মা-দেউতা ডাঙৰ মানুহ নাছিল, কিন্তু দেউতাৰ শৱদেহ পাঠশালা সাহিত্য সভাৰ পতাকাৰে ঢাকি দিয়া হৈছিল, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ নিয়া হৈছিল আৰু শোভাযাত্ৰা কৰা হৈছিল। চিৰবিদায়ৰ মুহূৰ্তত পাঠশালাবাসীয়ে তেওঁলোকক সন্মান দিছিল। কিন্তু মই ভাবোঁ, তেওঁলোকৰ তুলনাত এই আধুনিক যুগতো মোৰ সমাজৰ প্ৰতি অৱদান ইমান নিঃকিন যে, মোৰ মৃত্যুত মই হয়তো পৰি থাকিম বাতৰি কাকতৰ এচুকত এটি ক্ষুদ্ৰ 'মৃত্যুৰ বাতৰি' বা obituary হৈ। ■

- *লিখক তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক আৰু হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ জ্যেষ্ঠ পুত্ৰ।*

# জীৱন পৰিক্ৰমা

## হেমচন্দ্ৰ শৰ্মা

### জন্ম

জন্ম তাৰিখ ঃ ২৩ অক্টোবৰ, ১৯৩২ চন
জন্ম স্থান ঃ জালিখাটা গাঁও (পাঠশালাৰ ওচৰত), অসম
পিতৃ ঃ প্ৰয়াত পুষ্পচন্দ্ৰ শৰ্মা
মাতৃ ঃ প্ৰয়াত সাৱিত্ৰী দেৱী

### পৰিয়াল

| | | |
|---|---|---|
| ভাতৃ ঃ | প্ৰয়াত মধুনাথ শৰ্মা (জ্যেষ্ঠ) | প্ৰয়াত তাৰিণী দেৱী (বৌয়েক) |
| | প্ৰয়াত প্ৰভাত চন্দ্ৰ শৰ্মা (কনিষ্ঠ) | শ্ৰীদিপালী দেৱী (ভাই-বোৱাৰী) |
| | প্ৰয়াত মহেশ চন্দ্ৰ শৰ্মা (কনিষ্ঠ) | প্ৰয়াত প্ৰতিভা দেৱী (ভাই-বোৱাৰী) |
| ভগ্নী ঃ | প্ৰয়াত অবলা দেবী (কনিষ্ঠ) | প্ৰয়াত গিৰীশ চন্দ্ৰ শৰ্মা (ভনী-জোঁৱাই) |

### শিক্ষা

| | |
|---|---|
| প্ৰাথমিক ঃ | জালিখাটা প্ৰাথমিক বিদ্যালয়, জালিখাটা |
| মাধ্যমিক আৰু উচ্চ মাধ্যমিক ঃ | পাটাছাৰকুছি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়, পাটাছাৰকুছি (উচ্চ মাধ্যমিকত ১৯৫২ চনত উত্তীৰ্ণ) |
| উচ্চতৰ মাধ্যমিক আৰু স্নাতক ঃ | কটন মহাবিদ্যালয়, গুৱাহাটী (উচ্চতৰ মাধ্যমিকত ১৯৫৪ চনত আৰু স্নাতক পৰীক্ষাত ১৯৫৬ চনত উত্তীৰ্ণ) |
| স্নাতকোত্তৰ ঃ | গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী (উদ্ভিদ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত ১৯৫৯ চনত উত্তীৰ্ণ) |
| এম. ফিল. উপাধি ঃ | গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী (১৯৮৭ চনত Factors Affecting Concentration of Nitrogenous Compounds in Plants শীৰ্ষক থেছিছৰ বাবে এম. ফিল. উপাধি লাভ) |

## জীৱন পৰিক্ৰমা

### বৃত্তিগত কৰ্মজীৱন

- সহকাৰী শিক্ষক, গুৱাহাটী নৈশ উচ্চ মাধ্যমিক বিদ্যালয়, গুৱাহাটী
- সহকাৰী শিক্ষক, উত্তৰ গুৱাহাটী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, উত্তৰ গুৱাহাটী
- জীৱবিজ্ঞানৰ বিষয় শিক্ষক, বজালী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়, পাঠশালা (১৯৬১ চন)
- উদ্ভিদ আৰু জীৱবিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক, বজালী মহাবিদ্যালয়, পাঠশালা (১৯৬৩ চন)

### সাংসাৰিক জীৱন

উত্তৰ গুৱাহাটী নিবাসী প্ৰয়াত জয়কান্ত শৰ্মা আৰু প্ৰয়াত কালিন্দ্ৰী দেৱীৰ জীয়ৰী চাৰু দেৱীৰ পাণিগ্ৰহণ (১৯৬২ চন)

### পুত্ৰ-কন্যা নাতি-নাতিনী

ড° জয়ন্ত কুমাৰ শৰ্মা (পুত্ৰ) শ্ৰীবিভা তালুকদাৰ (বোৱাৰী)

শ্ৰীপ্ৰত্যয় প্ৰীতম (নাতি)

শ্ৰীবন্দিতা দেৱী (কন্যা) শ্ৰীকৌতুক শৰ্মা (জোঁৱাই)

শ্ৰীসুপ্ৰতীম শৰ্মা (নাতি) শ্ৰীতন্ময় শৰ্মা (নাতি)

শ্ৰীঅচিন্ত্য শৰ্মা (পুত্ৰ) শ্ৰীঅঞ্জলি দেৱী (বোৱাৰী)

শ্ৰীৰাজনন্দন দেৱশৰ্মা (নাতি)

### বিশেষভাৱে জড়িত সামাজিক অনুষ্ঠানসমূহ

- পাঠশালা সাহিত্য সভা (উপসভাপতি আৰু দুবাৰো সম্পাদক)
- পাঠশালা সাংস্কৃতিক সংঘ (উপাধ্যক্ষ)
- সাহিত্য-সংস্কৃতি আৰু সমাজ কল্যাণ কেন্দ্ৰ (প্ৰতিষ্ঠাপক সম্পাদক)
- বজালী বিজ্ঞান সমিতি (সভাপতি আৰু সম্পাদক)
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'শিক্ষা পৰিষদ' (সদস্য)
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'পাঠ্যপুথি প্ৰস্তুতি আৰু সমন্বয় সমিতি'
- পাঠশালা মহিলা সমিতি
- মৈত্ৰেয়ী সংঘ
- অসম কলেজ শিক্ষক সংস্থা
- জালিখাটা গাঁও উন্নয়ন সমিতি

### মৃত্যু

মৃত্যুৰ তাৰিখ ঃ ২১ আগষ্ট, ১৯৮৮ চন (ৰাজহাড়ৰ কৰ্কট ৰোগ)

স্মৰণীয় সুবাস

## চাৰু দেৱী

### জন্ম

জন্ম তাৰিখঃ ২৬ এপ্রিল, ১৯৩৯ চন
জন্মস্থানঃ শিলসাঁকো, উত্তৰ গুৱাহাটী, অসম
পিতৃঃ প্ৰয়াত জয়কান্ত শৰ্মা
মাতৃঃ প্ৰয়াত কালিন্দ্ৰী দেৱী

### পৰিয়াল

ভাতৃঃ প্ৰয়াত ললিত চন্দ্ৰ শৰ্মা (জ্যেষ্ঠ) প্ৰয়াত বৰদা দেৱী (বৌয়েক)
প্ৰয়াত গোলাপ চন্দ্ৰ শৰ্মা (জ্যেষ্ঠ) শ্ৰীকিৰণ দেৱী (বৌয়েক)
প্ৰয়াত খগেন্দ্ৰ নাথ শৰ্মা (জ্যেষ্ঠ) প্ৰয়াত দীপিকা দেৱী (বৌয়েক)

### শিক্ষা

প্ৰাথমিক ঃ ৰজাদুৱাৰ প্ৰাথমিক বিদ্যালয়, উত্তৰ গুৱাহাটী
মাধ্যমিক আৰু উচ্চ মাধ্যমিক ঃ উত্তৰ গুৱাহাটী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, উত্তৰ গুৱাহাটী (উচ্চ মাধ্যমিকত ১৯৫৬ চনত উত্তীৰ্ণ)
উচ্চতৰ মাধ্যমিক আৰু স্নাতক ঃ সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী (স্নাতক পৰীক্ষাত ১৯৬১ চনত উত্তীৰ্ণ)
শিক্ষক-প্ৰশিক্ষণ স্নাতকঃ গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী (শিক্ষক-প্ৰশিক্ষণ স্নাতক পৰীক্ষাত ১৯৭১ চনত উত্তীৰ্ণ)

### বৃত্তিগত কৰ্মজীৱন

- সহকাৰী শিক্ষয়িত্ৰী, উত্তৰ গুৱাহাটী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, উত্তৰ গুৱাহাটী
- সহকাৰী শিক্ষয়িত্ৰী, পাঠশালা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, পাঠশালা (১৯৬২ চন, পৰৱৰ্তী কালত একে বিদ্যালয়ৰে প্ৰধান শিক্ষয়িত্ৰী হিচাপে নিযুক্তি, ১৯৯৫ চনত অৱসৰপ্ৰাপ্তি)
- প্ৰধান শিক্ষয়িত্ৰী, গিলবাৰ্ট ইংলিছ স্কুল, পাঠশালা
- প্ৰধান আচাৰ্য্যা, সৰ্বোন্নয়ন ব্ৰহ্মাচৰ্য্যাশ্ৰম আদৰ্শ বিদ্যালয়, পাঠশালা

## জীৱন পৰিক্ৰমা

### সাংসাৰিক জীৱন

বজালীৰ জালিখাটা গাঁও নিবাসী প্ৰয়াত পুষ্পচন্দ্ৰ শৰ্মা আৰু প্ৰয়াত সাৱিত্ৰী দেৱীৰ দ্বিতীয় পুত্ৰ হেমচন্দ্ৰ শৰ্মাৰ লগত বিবাহ (১৯৬২ চন)

### পুত্ৰ-কন্যা নাতি-নাতিনী

ড° জয়ন্ত কুমাৰ শৰ্মা (পুত্ৰ)　শ্ৰীবিভা তালুকদাৰ (বোৱাৰী)
শ্ৰীপ্ৰত্যয় প্ৰীতম (নাতি)
শ্ৰীবন্দিতা দেৱী (কন্যা)　শ্ৰীকৌতুক শৰ্মা (জোঁৱাই)
শ্ৰীসুপ্ৰতীম শৰ্মা (নাতি)　শ্ৰীতন্ময় শৰ্মা (নাতি)
শ্ৰীঅচিন্ত্য শৰ্মা (পুত্ৰ)　শ্ৰীঅঞ্জলি দেৱী (বোৱাৰী)
শ্ৰীৰাজনন্দন দেৱশৰ্মা (নাতি)

### বিশেষভাৱে জড়িত সামাজিক অনুষ্ঠানসমূহ

- পাঠশালা মহিলা সমিতি
- মৈত্ৰেয়ী সংঘ
- বজালী মহিলা সমিতি
- পাঠশালা সাহিত্য সভা
- পাঠশালা নগৰ 'ভাৰতীয় জনতা দল' (প্ৰতিষ্ঠাপক সভানেত্ৰী)

### মৃত্যু

মৃত্যুৰ তাৰিখ ঃ ২১ অক্টোবৰ, ১৯৯৯ চন (হৃদযন্ত্ৰৰ বিকলতা)

---

## হেমচন্দ্ৰ শৰ্মাৰ গ্ৰন্থসমূহৰ তালিকা

### প্ৰকাশিত গ্ৰন্থ

১) **জীৱবিজ্ঞান পৰিচয়— ১ম খণ্ড আৰু জীৱবিজ্ঞান পৰিচয়— ২য় খণ্ড ঃ** শ্যামচৰণ ডেকাক সহযোগী হিচাপে লৈ ৯ম আৰু ১০ম শ্ৰেণীৰ (বৰ্তমান উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ) উপযোগীকৈ লিখা জীৱবিজ্ঞানৰ পাঠ্যপুথি। গুৱাহাটীৰ 'নিউ বুক ষ্টলে' ১৯৬৫ চনত গ্ৰন্থখন প্ৰকাশ কৰে।

২) **ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত ঃ** মুনীন্দ্ৰ নাথ শৰ্মা আৰু সতীশ চন্দ্ৰ চৌধুৰীক সহযোগী হিচাপে লৈ বজালীৰ ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিহাস, দেৱদাসী নৃত্য আদিৰ ওপৰত লিখা তথ্যভিত্তিক গ্ৰন্থ। 'পাঠশালা সাহিত্য সভা'ই গ্ৰন্থখন ১৯৭৬ চনত প্ৰকাশ কৰে।

৩) **চাৰ্লছ ডাৰউইন ঃ** চাৰু দেৱীক সহযোগী হিচাপে লৈ বিশ্ববিখ্যাত জীৱবিজ্ঞানী জীৱৰ বিৱৰ্তনবাদৰ প্ৰবক্তা চাৰ্লছ ডাৰউইনৰ ওপৰত লিখা শিশু উপযোগী জীৱনীভিত্তিক গ্ৰন্থ। 'পাঠশালা সাহিত্য সভা'ই গ্ৰন্থখন ১৯৮১ চনত প্ৰকাশ কৰে।

৪) **অশ্বক্ৰান্ত দেৱালয়ৰ ইতিবৃত্ত ঃ** শশীমোহন ভট্টাচাৰ্য্যক সহযোগী হিচাপে লৈ উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ ইতিহাসৰ ওপৰত লিখা তথ্যভিত্তিক গ্ৰন্থ। দেৱালয়খনৰ দলৈ শশীমোহন ভট্টাচাৰ্য্যই গ্ৰন্থখন ১৯৮২ চনত প্ৰকাশ কৰে। ১৩৯৪ ভাস্কৰাব্দত গ্ৰন্থখনিৰ ২য় সংস্কৰণ প্ৰকাশ পায়।

## অপ্ৰকাশিত গ্ৰন্থ

১) **পতিতা ঃ** সামাজিক উপন্যাস। হেমচন্দ্ৰ শৰ্মা স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থাকোতে উপন্যাসখন লিখা হৈছিল।

২) **নগ্নবীজী উদ্ভিদ ঃ** শংখলাৱদ্ধ উদ্ভিদবিজ্ঞানৰ স্নাতক শ্ৰেণীৰ উপযোগী পাঠ্যপুথি।

৩) **বজালীৰ ইতিবৃত্ত ঃ** বজালী অঞ্চলৰ বিভিন্ন তথ্যৰ ওপৰত লিখা বিৱৰণমূলক গ্ৰন্থ।

৪) **বজালীৰ জনসাহিত্য ঃ** বজালী অঞ্চলত প্ৰচলিত গীত-মাত, ফকৰা-যোজনা, সাধুকথা আদিৰ সংগ্ৰহমূলক পুথি।

৫) **নীলাচল ঃ** নীলাচল পাহাৰত অৱস্থিত বিখ্যাত কামাখ্যা দেৱীৰ মন্দিৰৰ ওপৰত ভিত্তি কৰি লিখা উপন্যাস।

৬) **জোনবাইৰ সাধু ঃ** জোনবাইৰ ওপৰত বিস্তৃত বিৱৰণসহ লিখা শিশুৰ উপযোগী গ্ৰন্থ।

৭) **সানমিহলি কথা ঃ** সাধাৰণ জ্ঞানৰ কিতাপ।


## হেমচন্দ্ৰ শৰ্মাৰ মৃত্যুত বিভিন্নজনৰপৰা পোৱা চিঠিৰ তালিকা

১) আইজল মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰবক্তা অনন্ত মোহন শৰ্মাৰ ৮/০৯/১৯৮৮ তাৰিখৰ চিঠি

২) গোৰেশ্বৰ মহাবিদ্যালয়ৰ অজিত তালুকদাৰৰ ০৭/০৯/১৯৮৮ তাৰিখৰ চিঠি

৩) জালুকবাৰীৰ অপূৰ্ব গোস্বামীৰ ০৩/০৯/১৯৮৮ তাৰিখৰ চিঠি
৪) গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰদীপ কুমাৰ কলিতাৰ ২৬/০৮/১৯৮৮ তাৰিখৰ চিঠি
৫) দুধনৈ মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰবক্তা প্ৰতাপ শৰ্মাৰ ১১/০৯/১৯৮৮ তাৰিখৰ চিঠি
৬) বিভাস চন্দ্ৰ শৰ্মাৰ ০৯/০৯/১৯৮৮ তাৰিখৰ চিঠি
৭) উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ দলৈ শশীমোহন ভট্টাচাৰ্য্যৰ ১৪/০৯/১৯৮৮ তাৰিখৰ চিঠি
৮) গুৱাহাটীৰ মণিমাণিক প্ৰকাশৰ প্ৰযোজক পঙ্কজ কুমাৰ দত্তৰ ০১/০৯/১৯৮৮ তাৰিখৰ চিঠি
৯) গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'বিবিধালয়'ৰ স্বত্বাধিকাৰী, 'ৰূপালীম সাহিত্য সমাজ'ৰ সঞ্চালক সাহিত্যিক পেঞ্চনাৰ দ্বীপেন্দ্ৰ নাথ দেৱশৰ্মাৰ ০২/০৯/১৯৮৮ তাৰিখৰ চিঠি
১০) দুধনৈ মহাবিদ্যালয়ৰ ফুলেন শৰ্মাৰ ১২/০৯/১৯৮৮ তাৰিখৰ চিঠি
১১) পাঠশালাৰ মুগুৰীয়াৰ অৱসৰপ্ৰাপ্ত এ.চি.এছ. বিষয়া গৌৰীকান্ত শৰ্মাৰ ০৮/০৯/১৯৮৮ তাৰিখৰ চিঠি
১২) শিৱসাগৰৰ মিনতি ফুকনৰ ০৮/০৯/১৯৮৮ তাৰিখৰ চিঠি
১৩) গুৱাহাটী বিশ্ববিদ্যালয়ৰ দিলীপ শৰ্মাৰ ১১/০৯/১৯৮৮ তাৰিখৰ চিঠি
১৪) গুৱাহাটীৰ গ্ৰন্থ প্ৰকাশক আৰু বিক্ৰেতা 'বুকলেণ্ড'ৰ স্বত্বাধিকাৰী বি. নাথৰ ০৫/০৯/১৯৮৮ তাৰিখৰ চিঠি
১৫) নগাঁৱৰ এ.ডি.পি. মহাবিদ্যালয়ৰ মীনা চৌধুৰী (শৰ্মা)ৰ ২৩/০৯/১৯৮৮ তাৰিখৰ চিঠি
১৬) গুৱাহাটীৰ ধৰণীধৰ শৰ্মাৰ টেলিগ্ৰাম
১৭) যোৰহাটৰ দুলু দেবীৰ ০৫/০৯/১৯৮৮ তাৰিখৰ চিঠি
১৮) গুৱাহাটীৰ বীণা ভাগৱতীৰ ১৯/০৯/১৯৮৮ তাৰিখৰ চিঠি
১৯) 'বজালী মহাবিদ্যালয় শিক্ষক সংস্থা'ৰ সম্পাদক অক্ষয় চৌধুৰীৰ ২৭/০৮/১৯৮৮ তাৰিখৰ চিঠি
২০) মাজুলীৰ কমলাবাৰীৰ চন্দ্ৰধৰ বৰুৱাৰ ২৫/০৮/১৯৮৮ তাৰিখৰ চিঠি

## হেমচন্দ্ৰ শৰ্মাৰ বংশলতিকা



## অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক-প্ৰস্তাৱসমূহ

Phone : 32

**BAJALI COLLEGE TEACHERS' ASSOCIATION**

**( B. C. T. A. )**

**( Affiliated to ACTA )**

**PATHSALA : 781325**

**ASSAM**

***Ref.*** ***Date.***

প্ৰস্তাৱ

আজিৰ সভাই বজালী কলেজৰ উদ্ভিদ বিজ্ঞানৰ মূৰব্বী অধ্যাপক শ্ৰীহেমচন্দ্ৰ শৰ্মাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পাৰিয়াললৈ সমবেদনা জনাই মৃতকৰ আত্মাৰ সদ্গতিৰ বাবে ১ মিনিট মৌনতা অৱলম্বন কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। সভাই লগতে কৃতী শিক্ষক হিচাপে শৰ্মাৰ বজালী কলেজলৈ থকা অৱদানৰ কথাও স্মৰণ কৰে।

শ্ৰী অক্ষয় চৌধুৰী।
২৭।৮।৮৮ ইং।

# পাঠশালা সাহিত্য সভা

স্থাপিত ঃ ১৯৬২ চন

পাঠশালা সাহিত্য সভা ভৱন

পাঠশালা—৭৮১৩২৫

ক্ৰমাংক :

দিনাংক : ২২/৮/৮৮ ইং

## শোক প্ৰস্তাৱ

আজি ইং ২২/৮/৮৮ তাৰিখে পাঠশালা সাহিত্য সভাৰ এখন বিশেষ জৰুৰী শোক সভাত পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু সম্পাদক, সমাজকৰ্মী, সাহিত্যিক শিক্ষাবিদ্ অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। সভাই স্বৰ্গীয় শৰ্মাৰ সাহিত্য কৰ্মৰাজীৰ বাবে আৰু এই শাখা সভাক অগ্ৰণী ভূমিকা লোৱাত অবিহনা যোগোৱাত নিস্বাৰ্থভাৱে আগবঢ়োৱাৰ দিশ শ্ৰদ্ধাৰে সোঁৱৰে। মৃতকৰ আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

শ্ৰীনৱনাৰায়ণ দেৱশৰ্মা
সম্পাদক,
পাঠশালা সাহিত্য সভা
পাঠশালা : বৰপেটা

স্বা/- শ্ৰী ৰাজেন্দ্ৰ নাথ শৰ্মা
২২/৮/৮৮
সভাপতি

ৰূপালী জয়ন্তী বৰ্ষ

# পাঠশালা সাহিত্য সভা

স্থাপিত : ১৯৬২ চন
পাঠশালা চহৰ, পাঠশালা—৭৮১৩২৫
জিলা—বৰপেটা ( অসম )

ক্ৰমাংক— পা সা স/ দিনাংক—২২/৮/৮৮ইং

## শোক প্ৰস্তাৱ

সাংস্কৃতিক অঞ্চলকালয়ৰ সৌজন্যত পাঠশালা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত জ্যোতি-সঙ্গীত প্ৰশিক্ষণ শিবিৰৰ সমূহ প্ৰশিক্ষক আৰু প্ৰশিক্ষাৰ্থীয়ে পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, সাহিত্যিক, সমাজকৰ্মী, শিক্ষাবিদ অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰি আজি ইং ২২/৮/৮৮ তাৰিখৰ প্ৰশিক্ষণৰ সমূহ কাৰ্যসূচী বাতিল কৰাৰ লগতে মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনায় আৰু শোক-সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

শ্ৰী [illegible]
সম্পাদক,
পাঠশালা সাহিত্য সভা
পাঠশালা : বৰপেটা

[illegible]
সভাপতি

**অসম বিজ্ঞান সমিতি**
**বজালী শাখা**
কাৰ্য্যালয়—বজালী কলেজ
পাঠশালা, অসম
পিন— ৭৮১৩২৫
ফোন— ৩২

**Assam Science Society**
**Bajali Branch**
Office— Bajali College
Pathsala, Assam
Pin — 781325
Phone— 32

No. B. S. S/ Date –

আজি ২৩-৮-৮৮ তাৰিখৰ অসম বিজ্ঞান সমিতিৰ বজালী শাখাৰ কাৰ্যকৰী কমিটিৰ সভাই শাখাৰ একৰাকী বিশিষ্ট সদস্য আৰু বজালী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিষয়ৰ মুৰব্বী অধ্যাপক শ্ৰীহেম চন্দ্ৰ শৰ্মা দেৱৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু মৃতকৰ আত্মাৰ সদগতি কামনা কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰে; লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

শ্ৰীবীৰেন্দ্ৰ ...
সভাপতি
অসম বিজ্ঞান সমিতি
বজালী শাখা
- পাঠশালা -

Phone : 31209

**ASSAM COLLEGE TEACHERS ASSOCIATION**

*Regd. No. 51/236, 1956/57*

ACTA HOUSE, Solapar, Guwahati- 781008

Prof Umesh Chandra Sarma.
General Secretary A.C.T.A.
Guwahati Commerce College.

অসম কলেজ শিক্ষক সংস্থা
এ, চি, টি, এ, হাউচ, চোলাপাৰ
গুৱাহাটী—৭৮১০০৮
ফোন নং—৩১২০৯

*Ref* ..................... *Date* ২/৬/৮৮

: অসম কলেজ শিক্ষক সংস্থাৰ শ্ৰদ্ধাৰ্ঘ্য :

অসম কলেজ শিক্ষক সংস্থাৰ সক্ৰিয় সদস্য বজালী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰী হেমচন্দ্ৰ শৰ্মাৰ অকাল বিয়োগত সংস্থাই গভীৰ শোক প্ৰকাশ কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। প্ৰয়াত শৰ্মাৰ বিয়োগে অসমৰ শৈক্ষিক জগতৰ এক অপূৰণী ক্ষতি সাধন কৰিলে। তেখেতৰ মৃত্যুত সংস্থাই এজন সক্ৰিয় কৰ্মী হেৰুৱালে। তেখেতৰ আত্মাৰ চিৰশান্তিৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়।

শ্ৰী উমেশ চন্দ্ৰ শৰ্মা
সাধাৰণ সম্পাদক
অসম কলেজ শিক্ষক সংস্থা।

# বজালী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়

**BAJALI H. S. M. P. SCHOOL**

পাঠশালা, বৰপেটা : অসম

Pathsala, Barpeta : Assam

পিন—৭৮১৩২৫

PIN— 781325

শ্ৰীৰুবুল কুমাৰ শৰ্মা
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা,
কাৰ্য্যকাল ১৯৮৭-৮৮ চন।

Sri Rubul Kumar Sarma
General Secretary,
Student Union
Session – 1987–88

প্ৰসংগ

তাৰিখ ১১।১।৮৮ ইং;

-শোক প্ৰস্তাৱ-

বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ তৰফৰ পৰা এই বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক, বজালী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ মুৰব্বী অধ্যাপক, বিশিষ্ট সাহিত্যিক আৰু সমাজ কৰ্মী শ্ৰী হেম চন্দ্ৰ শৰ্মাৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গগত আত্মাৰ সদ্‌গতি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

স্বাক্ষৰ :
~~শ্ৰী~~ শচীন্দ্ৰ কুমাৰ দাস
সভাপতি।

# বীৰঝোৰা মহাবিদ্যালয়

বঙাইগাঁও : অসম

তাৰিখ............................

শোকপ্ৰস্তাৱ

২২/৮/৮৮

আজিৰ শোক সভাত

বীৰঝৰা মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰছাত্ৰী সকলে বজালী মহা-বিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মূৰব্বী, শিক্ষাবিদ, লেখক ঁহেমচন্দ্ৰ শৰ্ম্মাৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। তেখেতৰ স্বৰ্গগত আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হওঁক।

BIRJHORA MAHAVIDYALAYA · BONGAIGAON: ASSAM

২৩/৮/৮৮

# বীৰঝোৰা মহাবিদ্যালয়

বঙাইগাঁও ঃ অসম

চিঠি নং : বি,এম/জি,ই,এম/৮৮/৩৭৪ তাৰিখ ৩০/৮/৮৮

প্ৰেৰক : মৃগেন দাস
অধ্যক্ষ বীৰঝৰা মহাবিদ্যালয়
বঙাইগাঁও ।

BIRJHORA MAHAVIDYALAYA BONGAIGAON:ASSAM

প্ৰতি
শ্ৰীমতী চাৰু দেৱী
সহকাৰী প্ৰধান শিক্ষয়িত্ৰী ।
জ্যোতি নগৰ, পাঠশালা, অসম ।

মাননীয়া মহাশয়া,

যথাবিহিত সম্মানপূৰ্ব্বক আপোনাক জনাঁও যে এই মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাবিদ, লেখক হেমচন্দ্ৰ শৰ্ম্মাৰ অকাল বিয়োগত শোকাভিভূত হৈ যোৱা ইং ২২/৮/৮৮ তাৰিখে এখনি শোকসভা পাতে । উক্ত সভাৰ গৃহীত শোকপ্ৰস্তাৱটো আপোনালোকৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল ।

এজন নিষ্ঠাবান প্ৰবীন শিক্ষক হেম চন্দ্ৰ শৰ্ম্মাৰ মৃত্যুত অসমৰ শিক্ষাজগতে তেখেতৰ পৰা পাবলগীয়া অৰিহনাখিনি হেৰুৱালে ।

তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক । তেখেত আমাৰ সকলোৰে অনুপ্ৰেৰণাৰ থল হওঁক তাৰেই কামনাৰে ।

আপোনাৰ বিশ্বাসী,

মৃগেন দাস

**পাঠশালা সাংস্কৃতিক সংঘ**

স্থাপিত : ১৯৪৬ চন।

পাঠশালা-৭৮১৩২৫ : কামৰূপ (অসম)

[ ১৮৬০ চনৰ সমিতি পঞ্জীয়ণ বিধিমতে ১৯৬৫ চনত পঞ্জীকৃত নং ১৩২ ]

পাঠশালা সাংস্কৃতিক সংঘ ★ স্থাঃ- ১৯৪৬ ★ পাঠশালা, কামৰূপ

ক্ৰমাঙ্ক  দিনাংক ১/৯/৮৮।

প্ৰতি,
শ্ৰী জয়ন্ত শৰ্মা।
জ্যোতি নগৰ, পাঠশালা।

যোৱা ৩১।৮।৮৮ ইং তাৰিখে বহা পাঠশালা সাংস্কৃতিক সংঘৰ কাৰ্য্যনিৰ্বাহক সভাত গৃহীত শোক প্ৰস্তাৱটো আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

> <u>শোক প্ৰস্তাৱ</u> : "আজি পাঠশালা সাংস্কৃতিক সংঘৰ কাৰ্য্যনিৰ্বাহক সভাই সংঘৰ প্ৰাক্তন উপাধ্যক্ষ, শিক্ষাবিদ আৰু সমাজসেৱী মাননীয় শ্ৰী হেম শৰ্মাৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু তেওঁৰ বিদেহী আত্মাৰ সদ্গতিৰ বাবে ১ মিনিট মৌন প্ৰাৰ্থনা কৰি পৰম পিতা পৰমেশ্বৰৰ ওচৰত প্ৰণতি জনায়। লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।"
>
> স্বাঃ শ্ৰী অতুল কুমাৰ শৰ্মা
> সভাপতি।
> ৩১।৮।৮৮ ইং

শ্ৰী [illegible] তালুকদাৰ
৩১।৮।৮৮ ইং
পাঠশালা সাংস্কৃতিক সংঘ

Resolution (II)

CONDOLENCE

This meeting of the Teachers, Research Scholars, Staff and Students of the Department of Botany, Gauhati University expresses profound sorrow at the sudden and premature demise of Prof. Hem Chandra Sarma, Head of the Department of Botany, Bajali College, Pathsala

Prof. Sarma was closely associated with this Department and his qualities of head and heart were highly admired.

This meeting payed for the eternal peace of the departed soul and expresses heart fealt sympathy for the bereaved family

The meeting was presided over by Prof. C.L. Baruya, Head, Botany Deptt, GU

President 7/9/88

PROFESSOR & HEAD
DEPARTMENT OF BOTANY:
GAUHATI. UNIVERSITY
GUWAHATI-14. INDIA.

To
Mrs. Charu Devi,
Asstt Head Mistress
Jyoti Nagar, Pathsala


**শোক প্ৰস্তাৱ**

আজি উত্তৰ গুৱাহাটী বালিকা উচ্চ-ইংৰাজী বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী ও ছাত্ৰীবৃন্দ সমবেত হৈ এই স্কুলৰে প্ৰাক্তন শিক্ষক তথা বজালী মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰী হেমচন্দ্ৰ শৰ্ম্মাদেৱৰ যোৱা ইং ২১।৮।৮৮ তাৰিখ, ৰবিবাৰে ঘটা অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ আত্মাৰ সদগতিৰ অৰ্থে ঈশ্বৰৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। লগতে শোক-সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

আমি পাঠশালা মহিলা সমিতিৰ সমূহ কৰ্মী আৰু প্ৰশিক্ষাৰ্থীনী সকলৰ এক সন্মিলিত সভাই স্থানীয় বজালী মহাবিদ্যালয়ৰ প্ৰবক্তা হেমচন্দ্ৰ শৰ্মাদেৱৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

ইতি
পাঠশালা মহিলা সমিতিৰ
সমূহ কৰ্মী আৰু
প্ৰশিক্ষাৰ্থী।

২২/৮/৮৮
পাঠশালা



— শোক প্ৰস্তাৱ —

আজি (২২/৮/৮৮) ইং তাৰিখে পাঠশালা ছোৱালী হাইস্কুলৰ শিক্ষক শিক্ষয়িত্ৰী আৰু সমূহ ছাত্ৰীৰ মিলিত সভাই স্থানীয় বজালী মহাবিদ্যালয়ৰ প্ৰবক্তা, সাহিত্য সেৱী আৰু এই স্কুলৰ হিতাকাঙ্খী শ্ৰী হেমচন্দ্ৰ শৰ্ম্মাৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গগত আত্মাৰ চিৰশান্তিৰ নিমিত্তে পৰম পিতা পৰমেশ্বৰৰ ওচৰত মৌন প্ৰাৰ্থনা জনায় আৰু শোকাভিভূত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

২২/৮/৮৮ ইং

President Students' Union
Pathsala Girls' High School

'পাঠশালা কবি চক্ৰ'
পাঠশালা—৭৮১৩২৫
বৰপেটা জিলা

স্থানঃ পাঠশালা সাহিত্য সভা ভৱন তাৰিখঃ ২৩/৮/৮৮ ইং

শোক প্ৰস্তাৱ

আজি ২৩/৮/৮৮ ইং তাৰিখ মঙ্গলবাৰে অনুষ্ঠিত হোৱা 'পাঠশালা কবি চক্ৰ'ৰ সভাত পাঠশালা অঞ্চলৰ অগ্ৰবৰ্তী ব্যক্তি, শিক্ষাবিদ, সাহিত্যসেৱী; বজালী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক, পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক শ্ৰী হেমচন্দ্ৰ শৰ্মাৰ অকাল বিয়োগত গভীৰ দুঃখ প্ৰকাশ কৰে আৰু মৃতকৰ আত্মাৰ প্ৰতি সদগতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাই এক মিনিট সময় মৌনতা অৱলম্বন কৰে।


[illegible]
২৩/৮/৮৮

[illegible]
২৩/৮/৮৮ ইং
[illegible]
পাঠশালা কবি চক্ৰ
পাঠ[illegible]

শোক সভা:— বালকিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়
(জালিখাটা)
তাৰিখ — ২২।৮।৮৮

শোক প্ৰস্তাৱঃ— আজি বালকিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সমবেত হৈ জালিখাটা গাঁও; বজালী মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিষয়ৰ মুৰব্বী অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ যোৱা ২১।৮।৮৮ ইংৰাজী তাৰিখে কৰ্কট ৰোগত আক্ৰান্ত হৈ ৰাতিপুৱা ১০-৩০ বজাত ইহলীলা সম্বৰণ কৰে। উক্তৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। লগতে উক্তৰ শোক সন্তপ্ত পৰিয়াললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

শ্ৰী [illegible]
২২।৮।৮৮
Principal
Balakin Bajali H. S. School
Jalikhata



# বজালী মহকুমা দাবী কৰ্ম্মপৰিষদ

অস্থায়ী কাৰ্য্যালয় পাঠশালা

বজালী জিঃ বৰপেটা

প্ৰসঙ্গ— তাৰিখ—

শ্ৰীগৌৰীকান্ত শৰ্ম্মা
সভাপতি

শ্ৰীউমেশ দত্ত
শ্ৰীঅমৃত চন্দ্ৰ তালুকদাৰ
যুটীয়া সম্পাদক

- শোক-প্ৰস্তাৱ -

বজালী মহকুমা দাবী কৰ্ম্মপৰিষদৰ আজিৰ সভাত বজালীৰ উদীয়মান প্ৰতিভাশালী ব্যক্তি, বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞানৰ প্ৰবক্তা অধ্যাপক, সাহিত্যিক - কৰ্ম্মপৰিষদৰ সক্ৰিয় কৰ্মী হেমচন্দ্ৰ শৰ্মাৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰি শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

শ্ৰীগৌৰীকান্ত শৰ্ম্মা
সভাপতি
বজালী মহকুমা দাবী কৰ্ম্মপৰিষদ
তথা অধিবেশন
২৮/৮/৮৮ ইং

উক্ত প্ৰস্তাৱটি প্ৰতিলিপি শ্ৰীমতী ৰেণু দেৱীলৈ পঠোৱা হওক।

শ্ৰীউমেশ দত্ত
শ্ৰীঅমৃত তালুকদাৰ

সভাপতি/যুটীয়া সম্পাদক
বজালী মহকুমা দাবী কৰ্ম্ম পৰিষদ
পাঠশালা, বজালী
২৮/৮/৮৮

॥ সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি ॥

:বৰপেটা জিলা সমিতি:

॥ ALL ASSAM NEW WRITERS' AND ARTISTS' ASSOCIATION ॥

: BARPETA DISTRICT COMMITTEE :

মুখ্য কাৰ্যালয় : — পাঠশালা—৭৮১৩২৫

প্ৰসংগ : শোক প্ৰস্তাৱ

দিনাংক ২১/৮/৮৮ ইং

সদৌ বৰপেটা জিলা নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ এখন জৰুৰী সভাই পাঠশালা অঞ্চলৰ সৰ্বৰহী ব্যক্তি, শিক্ষাবিদ, সাহিত্য সেৱী, পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক আৰু উপসভাপতি, বজালী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক শ্ৰী হেমেন্দ্ৰ শৰ্মাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

ভৱদীয়

[illegible],

সভাপতি,

প্ৰদীপ শৰ্মা

সহঃ সম্পাদক,

বৰপেটা জিলা সমিতি

পাঠশালা

সভাপতি/সম্পাদক,
সদৌ বৰপেটা ...
আৰু শিল্পী সমিতি

**Office Of The Headmistress,**

***Pathsala Girls' High School.***

P. O.— Pathsala
Dist.— BARPETA (Assam)

*Memo No.*.......... *Date* ২৫-১০-৯৯

শোক প্ৰস্তাৱ

আজি ২৫-১০-৯৯ ইং সোমবাৰে পাঠশালা ছোৱালী হাইস্কুলৰ শিক্ষক শিক্ষয়িত্ৰী, কৰ্ম্মচাৰী, তথা ছাত্ৰী সকলৰ মিলিত সভাই আমাৰ স্কুলৰ প্ৰাক্তন প্ৰবীন শিক্ষয়িত্ৰী সমাজ সেৱিকা, ধৰ্ম্মপ্ৰাণা মহিলা চাৰু দেৱীৰ অকাল বিয়োগত গভীৰ দুখ, শোক প্ৰকাশ কৰে আৰু তেখেতৰ আত্মাৰ চিৰ শান্তিৰ বাবে পৰম পিতা পৰমেশ্বৰৰ ওচৰত মৌন প্ৰাৰ্থনা জনায়। লগতে শোক সন্তপ্ত পৰিয়ালে বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

শ্ৰী প্ৰাণকৃষ্ণ ভৰালী
সভাপতি
ছাত্ৰী একতা সভা
পাঠশালা ছোৱালী
হাইস্কুল।
পাঠশালা। ২৫-১০-৯৯ ইং

শ্ৰী ছায়া তালুকদাৰ
২৫-১০-৯৯
Headmistress
Pathsala Girls' High School
P. O. Pathsala

অসম সাহিত্য সভা

# পাঠশালা সাহিত্য সভা

স্থাপিত ঃ ১৯৬২ চন
পাঠশালা—৭৮১৩২৫

ফোন নং ঃ ২৮
" গৃহ ঃ ২৯

ক্ৰমাংক ঃ
দিনাংক ঃ

২২/১০/৭৭

শোক-প্ৰস্তাৱ

পাঠশালা সাহিত্য সভাৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বিশেষ সভাই আজি সন্ধিয়া ৫'৩০ বজাত পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী তথা পাঠশালা সাহিত্য সভাৰ সভ্যা শ্ৰীমতী চাৰু দেৱীৰ অকাল আৰু আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰি একমিনিট সময় মৌন থাকি বিদেহী আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

[illegible]
সম্পাদক
পাঠশালা সাহিত্য সভা
পাঠশালা ঃ বৰপেটা

শ্ৰীঃ নৰনাৰায়ণ দেৱশৰ্মা
সভাপতি

## Condolence Message

*Teaching stuff and students of Gilbert English School resolves the departed soul of late Charu Devi of her death and pray to God in one minute silence in a Condolence meeting for her eternal peace.*

On behalf of the School

Mrinal Dutta.
General Secratary
Gilbert Eng. School, Pathsala.
27-10-99

Countersigned
27/10/99
Principal
Gilbert Eng School
Pathsala

OFFICE OF THE HEADMISTRESS

**NORTH GUWAHATI GIRLS' H.E. SCHOOL**

P. O. Guwahati-30 : Dist. Kamrup ( Assam )

*Memo No*................

: শোকপ্ৰস্তাৱ :

আজি উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ সমূহ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী ও কৰ্মচাৰীবৃন্দই এই স্কুলৰেই প্ৰাক্তন ছাত্ৰী তথা প্ৰাক্তন শিক্ষয়িত্ৰী, পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, সৰ্বজনশ্ৰদ্ধেয় মহিলা শ্ৰীচাৰু দেৱীৰ অকাল বিয়োগত সমবেত হৈ গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ সদ্গতিৰ অৰ্থে ভগৱানৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায় আৰু শোক-সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

শ্ৰীলীলা দেৱী
22/১০/৯৯

*Headmistress,*
North Guwahati Girls' H.E. School
P.O.-Guwahati-30

॥ শোক-প্ৰস্তাৱ ॥

পাঠশালাৰ অৰ্দ্ধেন্দুয়ন ব্ৰহ্মচৰ্যাশ্ৰম আদৰ্শ বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ এক মিলিত সভাই এই বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান আচাৰ্যা শ্ৰীমতী চাৰু দেৱীৰ যোৱাকালি হোৱা অকাল আৰু আকস্মিক বিয়োগত গভীৰ শোক অনুভৱ কৰি মৃতকৰ বিদেহী আত্মাৰ সদগতিৰ বাবে এক মিনিট মৌন হৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

প্ৰধান আচাৰ্য  
[illegible] ব্ৰহ্মচৰ্যাশ্ৰম আদৰ্শ বিদ্যালয়  
পাঠশালা

## হেমচন্দ্ৰ শৰ্মাৰ অকাল বিয়োগ

(নিজা বাতৰি দিওঁতা)

পাঠশালা ঃ অসমৰ এগৰাকী কৃতী সাহিত্যিক, অসম সাহিত্য সভাৰ নিষ্ঠাৱান কৰ্মী, পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা উপ সভাপতি আৰু বজালী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ অৱসৰী অধ্যাপক শ্ৰীহেমচন্দ্ৰ শৰ্মাৰ যোৱা ২১ আগষ্টৰ ৰাতিপুৱা প্ৰায় চাৰে দহমান বজাত পৰলোকপ্ৰাপ্তি ঘটে। যোৱা কিছুদিনৰ পৰা তেওঁ দুৰাৰোগ্য কৰ্কট ৰোগত ভুগি আছিল আৰু ভেলোৰৰ পৰা অহাৰ পথত ৰেলতে বাসুগাওঁ ষ্টেচন পোৱাৰ সময়ত শেষ নিশ্বাস ত্যাগ কৰে। পিচত শৱদেহ বঙাইগাৱঁত নমাই তাৰ পৰা পাঠশালালৈ অনা হয় আৰু ২২ আগষ্টৰ ৰাতিপুৱাৰ ভাগত অগণন গুণমুগ্ধ লোকৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। তাৰ আগেয়ে তেওঁৰ শৱদেহ তেওঁৰ কৰ্মক্ষেত্ৰ বজালী মহাবিদ্যালয় আৰু পাঠশালা সাহিত্য সভালৈ আনি আনুষ্ঠানিক ভাৱে শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। তেওঁ বিধৱা পত্নী পাঠশালা ছোৱালী হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী চাৰু দেৱী আৰু দুজন লৰা আৰু এগৰাকী কন্যাসহ কেইবা গৰাকী ভাতৃ এৰি থৈ যায়।

উচ্চতৰ মাধ্যমিক শিক্ষাত যোগদান কৰাৰ পিচত অসমীয়া পাঠ্যপুথিৰ অভাৱ পূৰণৰ বাবে তেওঁ সচেষ্ট হয় আৰু শ্ৰীশ্যামচৰণ ডেকাৰ লগ লাগি তেতিয়াৰ উচ্চতৰ মাধ্যমিকৰ জীৱ বিজ্ঞানৰ একমাত্ৰ পাঠ্যপুথি খন ৰচনা কৰে । তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন সমিতিৰ সদস্য হিচাপেও সেৱা আগবঢ়ায়। তেওঁৰ গৱেষণামূলক গ্ৰন্থ "ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত" আৰু অশ্বক্লান্ত দেৱালয়ৰ মাহাত্ম্য ক্ৰমে ১৯৭৬ আৰু ১৯৮৪ চনত প্ৰকাশ পায়। শিশু সাহিত্য চাৰ্লছ ডাৰউইন ১৯৮২ চনত প্ৰকাশ পায়। ইয়াৰ উপৰিও তেওঁ ভালেমান প্ৰৱন্ধ, কবিতা শিশু সাহিত্য বিজ্ঞান বিচিত্ৰা, প্ৰৱন্ধ গ্ৰন্থ "বজালীৰ ইতিবৃত্ত", বজালীৰ লোক সংস্কৃতিকে ধৰি ভালেমান গ্ৰন্থ ৰচনা কৰি গৈছে। পাঠশালা সাহিত্য সভাৰ প্ৰকাশন আঁচনি ফলৱতী কৰাত তেওঁৰ অৱদান অপৰিসীম ।

## হেমচন্দ্ৰ শৰ্মা স্মৃতি দিৱস

**পাঠশালা, ১০অক্টোবৰ ঃ** বজালী অঞ্চলৰ কৃতী সাহিত্যিক, বজালী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাৰ স্মৃতি দিৱস দিনজোৰা কাৰ্যসূচীৰে অলপতে হৈ যায়। সমূহীয়া প্ৰাৰ্থনাৰ পিছত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। পিছত পাঠশালা সাহিত্য সভাৰ সভাপতি ৰাজেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত স্মৃতি সভা বহে। সভাৰ সম্পাদক নৰনাৰায়ণ দেৱ শৰ্মাই স্বৰ্গীয় শৰ্মাৰ বহুমুখী প্ৰতিভাৰ ওপৰত সতীশ চন্দ্ৰ চৌধুৰীয়ে লিখা আলোচনা এটি পাঠ পাঠ কৰে। অধ্যাপক সদানন্দ মিশ্ৰ আৰু অধ্যাপক জীৱনকৃষ্ণ পাত্ৰই স্বৰ্গীয় শৰ্মাৰ প্ৰতিভা সম্পৰ্কে আলোচনা কৰে। সভাপতি শৰ্মাই স্বৰ্গীয় শৰ্মাৰ আদৰ্শ গ্ৰহণ কৰিবলৈ যুৱচামলৈ আহ্বান জনায়। স্বৰ্গীয় শৰ্মাৰ পৰিয়ালবৰ্গৰ পৰা মধু শমাই স্মৃতি দিৱসৰ বাবে সভালৈ কৃতজ্ঞতা জনায়। সান্ধ্য বন্তি প্ৰজ্বলনেৰে স্মৃতি দিৱসৰ সামৰণি মৰা হয়।

## হেম চন্দ্ৰ শৰ্মাৰ স্মৃতি দিৱস পালন

(নিজা বাৰ্তাৰ দিওঁতা)

পাঠশালা ঃ বজালী অঞ্চলৰ কৃতী সাহিত্যিক, পাঠশালা সাহিত্য সভাৰ একনিষ্ঠ সেৱক বজালী মহাবিদ্যালয় উদ্ভিদ বিজ্ঞানৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাৰ স্মৃতি দিৱস দিনজোৰা কাৰ্যসূচীৰে অলপতে হৈ যায়। সমূহীয়া প্ৰাৰ্থনাৰ পিচত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। পিচত পাঠশালা সাহিত্য সভাৰ সভাপতি শ্ৰীৰাজেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত স্মৃতি সভা বহে। সভাৰ সম্পাদক শ্ৰীনৰনাৰায়ণ দেৱ শৰ্মাই স্বৰ্গীয় শৰ্মাৰ প্ৰতিভাৰ ওপৰত শ্ৰীসতীশ চন্দ্ৰ চৌধুৰীয়ে লিখা আলোচনা এটি পাঠ কৰে। শ্ৰীসদানন্দ মিশ্ৰ আৰু শ্ৰীজীৱনকৃষ্ণ পাত্ৰই পৰলোকগত গুণী ব্যক্তি স্বৰ্গীয় শৰ্মাৰ প্ৰতিভাৰ ওপৰত আলোচনা কৰে।

সভাপতি শ্ৰীশৰ্মাই স্বৰ্গীয় শৰ্মাৰ আদৰ্শ গ্ৰহণ কৰিবলৈ যুৱচামলৈ আহ্বান জনায়।

## Hem Chandra Sarma

From Our Correspondent

PATHSALA, Sept. 7 — Death occurred of Sri Hem Chandra Sarma, Head of the Department of Botany, Bajali College recently. His end came in train at Basugaon Railway Station when he was returning from Christian Mission Hospital, Vellore after receiving second time treatment for cancer there. He was 55.

Sri Sarma a man of mild nature was loved by all. After his post graduation, he served as teacher in Bajali HS & MP School for about two years. Then he was appointed a Lecturer of Bajali College where he served from 1963 till the time of his illness. His dead body was brought to the Bajali College campus and the Pathsala Sahitya Sabha Bhawan where floral wreaths were placed on the dead body to show him last respect. His funeral was largely attended by teachers, students and public of the localtiy.

Sri Sarma had a literary bent of mind and was closed connected with the publication works of Pathsala Sahitya Sabha. He edited a number of books published by Pathsala Sahitya Sabha. He wrote a book— 'Parihareswar Devalayar Itibritta' published by Pathsala Sahitya Sabha. He also co-authored a book 'Darwin' with his wife. He was a member of the Academic Council, GU to represent the Assam College Teachers' Association.

He has left behind his wife two sons and one daughter.

## হেম চন্দ্ৰ শৰ্মাৰ স্মৃতি দিৱস পালন

(নিজা বাৰ্তাৰ দিওঁতা)

পাঠশালা : বজালী অঞ্চলৰ কৃতী সাহিত্যিক, পাঠশালা সাহিত্য সভাৰ একনিষ্ঠ সেৱক বজালী মহাবিদ্যালয় উদ্ভিদ বিজ্ঞানৰ মূৰব্বী অধ্যাপক স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাৰ স্মৃতি দিৱস দিনজোৰা কাৰ্যসূচীৰে অলপতে হৈ যায়। সমূহীয়া প্ৰাৰ্থনাৰ পিচত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। পিচত পাঠশালা সাহিত্য সভাৰ সভাপতি শ্ৰীৰাজেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত স্মৃতি সভা বহে। সভাৰ সম্পাদক শ্ৰীনৰনাৰায়ণ দেৱ শৰ্মাই স্বৰ্গীয় শৰ্মাৰ প্ৰতিভাৰ ওপৰত শ্ৰীসতীশ চন্দ্ৰ চৌধুৰীয়ে লিখা আলোচনা এটি পাঠ কৰে। শ্ৰীসদানন্দ মিশ্ৰ আৰু শ্ৰীজীৱনকৃষ্ণ পাঠকই পৰলোকগত গুণী ব্যক্তি স্বৰ্গীয় শৰ্মাৰ প্ৰতিভাৰ ওপৰত আলোচনা কৰে।


সভাপতি শ্ৰীশৰ্মাই স্বৰ্গীয় শৰ্মাৰ আদৰ্শ গ্ৰহণ কৰিবলৈ যুৱচামলৈ আহ্বান জনায়।

## Hemchandra Sarma passes away

Mr Hemchandra Sarma, an educationist a writer and a social worker passed away recently

Mr Sarma came of a very poor family of Jalikhata village in the district of Barpeta in 1932. He had started his school life at Jalikhata. After matriculation, he was admitted to Cotton college and obtained his graduation in Science from this college with credit. He did his MSc from Gauhati University in 1959.

He worked as a teacher in Gauhati night high school and North Gauhati girl's high school. In 1961, he joined the Bajali Higher Secondary school as subject teacher in the department of Botany. In 1963, he joined the Bajali college as professor. In 1987, he secured M.Phil degree from the Gauhati University.



Mr. Sarma was associated with many Socio-cultural and educational organizations in Bajali area. He was also the member of "Text book production Samitee" of Gauhati University. He was a famous writer. He wrote many books (both English and Assamese) including text books for college level students.

## সাহিত্যিক হেমচন্দ্ৰ শৰ্মা দিৱস

(নিজা বতৰি দিওঁতা)

পাঠশালা : বজালী অঞ্চলৰ কৃতী সাহিত্যিক, অসম সাহিত্য সভাৰ একনিষ্ঠ কৰ্মী তথা পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক আৰু উপ সভাপতি স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাৰ অহা ৩১ আগষ্টৰ আদ্যশ্ৰাদ্ধৰ দিনটো পাঠশালা সাহিত্য সভা আৰু সাহিত্য সংস্কৃতি আৰু সমাজ কল্যাণ কেন্দ্ৰই হেমচন্দ্ৰ শৰ্মা স্মৃতি দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি

## OBITUARY

# Charu Devi

**From Our Correspondent**

PATHSALA, Oct 27 – Smti Charu Devi, retired headmistress of Pathsala Girls' High School, died on October 21 last at her residence here. She was 62.

She started her teaching career at a time when a dearth of female graduate teacher was greatly felt in the locality.

She co-authored a book *Charles Darwin* with her husband Late Hem Sarma then Head of the Department of Botany, Bajali College, who predeceased her a few years back.

She is survived by her two sons, including Dr Jayanta Sarma, a teacher of Tezpur Central University and a daughter.

## চাৰু দেৱী

**পাঠশালাৰ নিজা বাতৰি দিওঁতা**

পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী চাৰু দেৱীৰ যোৱা ২১ অক্টোবৰৰ পুৱা ন বজাত জ্যোতি নগৰস্থ নিজ বাসভৱনত অকাল বিয়োগ ঘটে। ১৯৩৯ চনৰ ২৬ এপ্ৰিলত উত্তৰ গুৱাহাটীত জন্ম গ্ৰহণ কৰি স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত তেওঁ শিক্ষকতা আৰম্ভ কৰে। পিছত বিবাহসূত্ৰে পাঠশালা নগৰত থাকিবলৈ লয় আৰু ১৯৬২ চনত পাঠশালা ছোৱালী হাইস্কুলত যোগদান কৰি, পদোন্নতি লাভ কৰি সহকাৰী প্ৰধান শিক্ষক আৰু ১৯৯২ চনত উক্ত হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী হয়। ১৯৯৫ চনৰ ৩১ মাৰ্চত তেওঁ অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছতো তেওঁ পাঠশালাৰ সৰ্বোন্নয়ন ব্ৰহ্মচৰ্যাশ্ৰম বিদ্যালয়, গিলবাৰ্ট ইংলিছ স্কুল আদিত প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেওঁ পাঠশালা মহিলা সমিতি আৰু পাঠশালা নগৰ বি জে পিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। বজালী মহিলা সমিতি, মৈত্ৰেয়ী সংঘ, পাঠশালা সাহিত্য সভা আদিৰ লগত ঘনিষ্ঠভাৱে জড়িত থাকি তেওঁ সেৱা আগবঢ়াই গৈছে।

বজালী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মাৰ পত্নী চাৰু দেৱীয়ে পতিৰ লগত যুটীয়াভাৱে 'চাৰ্লছ ডাৰউইন' নামৰ গ্ৰন্থখন ৰচনা কৰাৰ উপৰি ভালেমান প্ৰবন্ধাদি লিখি গৈছে,। ধৰ্মপ্ৰাণা, সৰবৰহী আৰু সাহসী চাৰু দেৱীৰ মৃত্যুৰ সময়ত ৬১ বছৰ হৈছিল। তেওঁ তেজপুৰস্থ কেন্দ্ৰীয় বিশ্ববিদ্যালৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ জয়ন্ত কুমাৰ শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ শিক্ষক তথা 'প্ৰান্তিক'ৰ ষ্টাফ ৰিপৰ্টাৰ অচিন্ত্য শৰ্মা এই দুই পুত্ৰ আৰু এগৰাকী কন্যা এৰি থৈ যায়। তেওঁৰ শেষকৃত্য ২১ অক্টোবৰ তাৰিখে সম্পন্ন কৰা হয়। অঞ্চলটোৰ বিভিন্ন শৈক্ষিক আৰু সমাজিক অনুষ্ঠানে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে আৰু বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ মৃত্যু

**নিজা প্ৰতিবেদক, পাঠশালা, ২৮ অক্টোবৰ ঃ** স্থানীয় পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী চাৰু দেৱীৰ যোৱা ২১ অক্টোবৰৰ পুৱা ন বজাত জ্যোতি নগৰস্থ নিজ বাসভৱনত অকাল আৰু আকস্মিকভাৱে মৃত্যু হয়। ১৯৩৯ চনৰ ২৬ এপ্ৰিলত উত্তৰ গুৱাহাটীত জন্ম গ্ৰহণ কৰি স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত তেওঁ শিক্ষকতা আৰম্ভ কৰে। পিছত বিবাহসূত্ৰে পাঠশালা নগৰত থাকিবলৈ লয় আৰু ১৯৬২ চনত পাঠশালা ছোৱালী হাইস্কুলত যোগদান কৰি, পদোন্নতি লাভ কৰি সহকাৰী প্ৰধান শিক্ষক আৰু ১৯৯২ চনত উক্ত হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হয়। ১৯৯৫ চনৰ ৩১ মাৰ্চত তেওঁ অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছতো তেওঁ পাঠশালাৰ সৰ্বোন্নয়ন ব্ৰহ্মাচাৰ্যাশ্ৰম বিদ্যালয়, গিলবাৰ্ট ইংলিচ স্কুল আদিত প্ৰধান শিক্ষক হিছাপে কাৰ্য নিৰ্বাহ কৰে। তেওঁ পাঠশালা মহিলা সমিতি আৰু পাঠশালা নগৰ বিজেপিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। বজালী মহিলা সমিতি, মৈত্ৰেয়ী সংঘ, পাঠশালা সাহিত্য সভা আদিৰ লগতে ঘনিষ্ঠভাৱে জড়িত থাকি তেওঁ সেৱা আগবঢ়াই গৈছে।

ধৰ্মপ্ৰাণ, সৰবৰহী আৰু সাহসী চাৰু দেৱীৰ মৃত্যুৰ সময়ত ৬১ বছৰ হৈছিল।

প্ৰীতিভাজনেষু


# চাৰু দেৱীৰ সোঁৱৰণত

সিদিনা ২১ অক্টোবৰ বৃহস্পতিবাৰ। হঠাৎ শুনিবলৈ পালো আমাৰ মৰমৰ আৰু শ্ৰদ্ধাৰ চাৰু মামীদেউ (সম্পৰ্কীয়া) ৰাতিপুৱা ন বজাত জ্যোতি নগৰস্থ নিজা বাসভৱনত আকস্মিকভাৱে পৰলোকগামী হৈছে। সঁচাকৈ প্ৰথমে কথাটো ভাবিবই পৰা নাছিলো। আগৰে পৰা তেনে কোনো সাংঘাতিক অসুখ-বিসুখ নোহোৱাকৈ মৃত্যু কিদৰে আহে? মৃত্যু শেতেলিত চিৰনিদ্ৰা অৱস্থাত চোতালত অসংখ্য লোক শোকত ভাগি পৰি সকলোৱে শেষ শ্ৰদ্ধা পুষ্পাৰ্ঘৰে নিবেদন কৰিছে।

১৯৩৯ চনৰ ২৬ এপ্ৰিলত উত্তৰ গুৱাহাটীৰ এটি মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰি স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত তেওঁ পোনতে শিক্ষকতা জীৱন আৰম্ভ কৰে। ইয়াৰ পিছত বৈবাহিক সূত্ৰে পাঠশালালৈ আহি ১৯৫২ চনত পাঠশালা ছোৱালী হাইস্কুলত যোগদান কৰি পদোন্নতি লাভ কৰি সহকাৰী প্ৰধান শিক্ষয়িত্ৰী হয়। ১৯৯২ চনত হাইস্কুলখনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি ১৯৯৫ চনৰ ৩১ মাৰ্চত তেওঁ অৱসৰ গ্ৰহণ কৰে। এগৰাকী আদৰ্শ শিক্ষয়িত্ৰী আৰু সুগৃহিণী হিচাপে তেওঁ সকলোৰে পিয়পাত্ৰ হ'ব ৰা গুণেৰে বিভূষিতা আছিল। পিন্ধনত সদায় মেখেলা চাদৰ পৰিহিত মহিলাৰূপে পৰিচিত। তেওঁৰ এষাৰ কথা আজিও আমাৰ স্মৃতি পটত ভাঁহি উঠে 'হাউচে বিদ্যা কৃপণে ধন'। এই শিক্ষাব্ৰতীয়ে অৱসৰ গ্ৰহণ কৰাৰ পিছতো পাঠশালাৰ সৰ্বোন্নয়ন ব্ৰহ্মৰ্যোপ্ৰম বিদ্যালয়, গিলবাৰ্ট ইংলিছ স্কুল আদিত প্ৰধান শিক্ষত্ৰিয়ীৰ আসন লৈছিল। তদুপৰি তেওঁ পাঠশালা মহিলা সমিতি, পাঠশালা নগৰ বি জে পিৰ প্ৰাক্তন সানেত্ৰী আছিল। ইয়াৰ বাহিৰেও বিভিন্ন অনুষ্ঠানৰ লগত বজালী মহিলা সমিতি, মৈত্ৰেয়ী সংঘ, পাঠশালা সাহিত্য সভা আদিকে লৈ জড়িত হৈ পৰিছিল। বজালী মহাবিদ্যালয় উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক প্ৰয়াত হেমচন্দ্ৰ শৰ্মাৰ (স্বামী) লগত যুটীয়াভাৱে 'চাৰ্লছ ডাৰউইন' নামৰ গ্ৰন্থখন ৰচনা কৰিছিল। শিক্ষা সম্পৰ্কীয় ভালেমান প্ৰবন্ধ বিদ্যালয়ৰ বাৰ্ষিক মুখপাত্ৰ আৰু অন্যান্য সংবাদ পত্ৰযোগে প্ৰকাশ পায়। ধৰ্মপ্ৰাণা সৰবৰহী মহিলা চাৰু দেৱীৰ মৃত্যুৰ সময়ত ৬১ বছৰ হৈছিল। তেওঁৰ সুযোগ্য সন্তান তেজপুৰস্থ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ডঃ জয়ন্ত কুমাৰ শৰ্মা আৰু কনিষ্ঠ পুত্ৰ অসম জাতীয় বিদ্যালয়ৰ শিক্ষক তথা প্ৰান্তিকৰ ষ্টাফ ৰিপ'ৰ্টাৰ অচিন্ত্য শৰ্মা এই দুই পুত্ৰ এজন কন্যা জোঁৱাইসহ নাতি ইহ সংসাৰত এৰি থৈ যায়।

কিৰণ চন্দ্ৰ চৌধুৰী
পাঠশালা।

## হস্তাক্ষৰৰ নমুনা



বজালীৰ জন সাহিত্য

যি সাহিত্যই পুৰুষানুক্ৰমে মুখে মুখে প্ৰচলিত হৈ আছে, তাক সাধাৰণতে মৌখিক সাহিত্য, বা জন সাহিত্য বা লোক সাহিত্য বুলি কোৱা হয়।

সকলো জাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে, মৌখিক গীত-মাত, প্ৰৱচন, ফকৰা-যোজনা, সাধুকথা আদি থকাৰ প্ৰমাণ পোৱা যায়। অসমীয়া ভাষাতো তেনে ধৰণৰ গীত-মাত, প্ৰৱচন, ফকৰা-যোজনা, সাধুকথা আদিৰ প্ৰচলন হয়তো আছিল। সাহিত্যই লিখিত ৰূপ পোৱাৰ পিছতো, আনকি বৰ্ত্তমানো নিৰক্ষৰ জনসমাজত মুখে মুখে গীত-পদ ৰচনা কৰি, মৌখিক ভাবে প্ৰচলন হোৱাৰ ৰীতি চলি আছে। মুখে মুখে চলি অহা কাৰণে, এই সাহিত্যক মৌখিক সাহিত্যও বোলা হয়।

এই সাহিত্যৰ ৰচকৰ কোনো পৰিচয় পোৱা নাযায়। কাৰণ এই সাহিত্য গাঁৱলীয়া নিৰক্ষৰী আৰু অৰ্দ্ধনিৰক্ষৰী সমাজৰ সাহিত্য। বিভিন্ন সময়ত বিভিন্ন ৰচকে এই গীতমাতবোৰ মৌখিকভাৱেই ৰচনা কৰি প্ৰচাৰ কৰি আছে। অৱশ্যে বিভিন্ন যুগৰ পৰিবেশৰ প্ৰভাৱত পৰি মোট সলায়, ভাষাই আধুনিক ৰূপ লয়, আৰু সাজ-সজ্জাও কিছু নতুন হৈ পৰে।

মৌখিক সাহিত্যৰ ৰচকৰ কোনো পৰিচয় নথকাত, ইয়াৰ ৰচনা কালো সঠিককৈ নিৰ্ণয় কৰা টান। তথাপি ইয়াৰ ভাষা, আদিলৈ লক্ষ্য কৰি, এই সাহিত্য যে বিভিন্ন সময়ত, বিভিন্ন যুগত ৰচনা হৈছিল, বা বৰ্ত্তমানো ৰচনা হৈ আছে, সেইটো সহজে অনুমেয়।

হেমচন্দ্ৰ শৰ্মাৰ অসমীয়া হস্তাক্ষৰ

CHAPTER- 6

## The Leaf

The leaf may be regarded as the flattened, thin, expanded, lateral outgrowth of the stem or the branches, developing from a node, and having a bud in its axil. It is generally green in colour, and is regarded as the important vegetative organs of the plant, since the various food materials are prepared in it. Leaves always follow an acropetal order of development, and are exogenous in origin.


### Parts of a Typical Foliage Leaf:

A typical or an ideal leaf consists of the following parts:

**1. Leaf-base** — Leaf base is that portion of leaf, by means of which it remains attached to the stem or branch. In many plants, the leaf-base expands into a **sheath** which wholly or partially encloses the stem. This sheathing leaf base is of frequent occurence, among monocotyledons and is well developed in graminaceae; in the banana plant, the so-called stem is made up of leaf-sheaths. On the other hand, in dicotyledons, the leaf-base generally

হেমচন্দ্ৰ শৰ্মাৰ ইংৰাজী হস্তাক্ষৰ

## হস্তাক্ষৰৰ নমুনা




বঙালীত নাৰী শিক্ষাৰ বিষয়ে দুকথাৰ:

শ্ৰীমতী চাৰু দেৱী
সহকাৰী প্ৰধান শিক্ষয়িত্ৰী
পাঠশালা ছোৱালী হাইস্কুল।

১৯৬২ চনৰ পাঁচ এপ্ৰিল, পাঠশালা ছোৱালী হাইস্কুলৰ দুয়ো বছৰ মাত্ৰ, উক্ত দিনটো এই স্কুলত শিক্ষয়িত্ৰী হিচাবে যোগদান কৰি আজিলৈকে কাম কৰি আছোঁ। সেই সময়ত বজালী, বিশেষকৈ নাৰী শিক্ষাৰ ক্ষেত্ৰত, আৰু আজিৰ বজালীৰ মাজত বহুত পাৰ্থক্য। শুনিছোঁ শিক্ষিতা মহিলাৰ অভাৱত পাঠশালাৰ ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰী নিযুক্তি দিয়া হৈ আছিল। সেয়েহে মাৰ্চ মাহতো বজালীৰ কোনো শিক্ষয়িত্ৰী হিচাবে কাম কৰাৰ সুযোগ পাইছিলোঁ, তেতিয়া বজালীৰ ভিতৰতো এইখনেই একমাত্ৰ ছোৱালীৰ শিক্ষা অনুষ্ঠান। এই অনুষ্ঠানখনো স্থানীয় কেইগৰাকীমান শিক্ষানুৰাগী লোকৰ ত্যাগস্বীকাৰ আৰু কষ্ট স্বীকাৰৰ মাজেৰে গঢ়ি উঠিছে। বৰ্তমান সমগ্ৰ বজালীতে কেইখনমান ছোৱালীৰ হাইস্কুল প্ৰতিষ্ঠা হৈছে, ইয়াৰোপৰি কেইবাখনো হাইস্কুলত লৰা ছোৱালীয়ে সমানে শিক্ষা লাভ কৰি আছে। উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহতো লৰাৰ সমানে সমানে ছোৱালীয়েও অধ্যয়ন কৰিছে। ইয়াৰ দ্বাৰাই বৰ্তমান ছোৱালীৰ শিক্ষাৰ প্ৰতি ৰাইজৰ সজাগতা বৃদ্ধিৰ ইংগিত পোৱা যায়।

সময়ে দাবী নকৰিলে বহুত কামেই পিছ পৰি থাকে, পৰিস্থিতিয়ে বাধ্য নকৰিলে বহুত উপলব্ধিয়েই মানুহৰ মনলৈ নাহে। সেয়েহে মোৰ কৰ্মক্ষেত্ৰৰ অভিজ্ঞতাৰে আলোচনা কৰিলে মনত পৰিল। এদিন স্কুলৰ প্ৰবীণ শিক্ষক মহোদয়ক হঠাতে সুধিলোঁ, স্কুলৰ নিৰ্দিষ্ট পোচাকৰ বিষয়ে। এই পোচাকৰ গুৰুত্ব বৰ বেছি সেই বিষয়ত


চাৰু দেৱীৰ অসমীয়া হস্তাক্ষৰ



Aids :— A map of Assam, usual class book and chalk, duster etc.

| Steps. | Matter. | Method. |
| --- | --- | --- |
| 1. Preparation. (5 minutes). | ~~1)~~ Previous knowledge of the pupils are to be tested. (1) ~~Assam~~, Gauhati. (2) ~~India~~. Assam. (3) The ganges, the Brahamaputra, the Jamuna etc. (4) The Brahamaputra. Announcement of lesson :— To day we shall discuss about the river "Brahamaputra" | First I shall arrange the class. Some questions are to be put to test the previous knowledge of the pupils, viz:— (1) What is the name of the place you live in? 2. What is the name of your provience? 3. What are the important rivers in India? 4. What is the ~~biggest~~ ~~river~~ name of the biggest river that passes through your provience. In this way the topic "River Brahamaputra" will come and I shall announce to-day's Lesson. |

চাৰু দেৱীৰ ইংৰাজী হস্তাক্ষৰ



1191

University of Gauhati

1952

MATRICULATION EXAMINATION

I certify that Hem Chandra Sarma


Roll Gau No. 573, aged 17 years 3 months x days on the First of March, 1952, duly passed the Matriculation Examination, 1952, of this University, and was placed in the Second Division.

GAUHATI, ASSAM

The 1st August, 1952

Registrar

হেমচন্দ্ৰ শৰ্মাৰ উচ্চমাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ প্ৰমাণ-পত্ৰ



140770
11/9/84

No 02255

# GAUHATI UNIVERSITY

**DUPLICATE**

**Matriculation Examination Marks**

*The following are the marks obtained by* Hem Chandra Sarma *Roll No.* Gau 573
*of* Patacharkuchi High *School at the Matriculation Examination, in 19*52..

| ENGLISH First Paper (Full marks 100) | ENGLISH Second Paper (Full marks 100) | ENGLISH Third Paper (Full marks 100) | ENGLISH Total (Full marks 300, Pass marks 108) | Mathematics or Arithmetic & Domestic Science Including Domestic Hygiene (Full marks 100, Pass marks 30) | HISTORY (Full marks 100, Pass marks 30) | GEOGRAPHY (Full marks 100, Pass marks 30) | Major Vernacular Language First Paper (Full marks 100) | Major Vernacular Language Second Paper (Full marks 100) | Major Vernacular Language Total (Full marks 200, Pass marks 72) | Subjects offered in liue of Major Vernacular (Full marks 100, Pass marks 30) | Subjects offered in liue of Major Vernacular (Full marks 100, Pass marks 30) | Classical Language or modern European Language (Full marks 100, Pass marks 30) S | Indian Vernacular or any other Subject offered in liue of Classical Language (Full marks 100, Pass marks 30) | Total without additional Subject (Full marks 900, Pass marks 324) | Additional Subject (Full marks 100, Pass marks 30) Sc | Additional Subject: Excess over 30% | GRAND TOTAL (Full marks 1000) | DIVISION (Minimum for a 1st Division 540, 2nd Division 450, 3rd Division 324) |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 68 | 51 | 58 | 177 | 74 | 54 | 30 | 63 | 60 | 123 | | | 60 | | | 43 | 13 | 531 | II |

G. U. Press, Gau 14 Assam


Rs. 10/-
~~Rs. 4.00~~

First Tabulator 11/9/84
Date......


Second Tabulator
Date ...../9/84

Deputy Registrar (Examinations)
Asstt. Controller of Examinations
Gauhati University.
Date..............

হেমচন্দ্ৰ শৰ্মাৰ উচ্চমাধ্যমিক শিক্ষান্ত পৰীক্ষাত লাভ কৰা নম্বৰৰ তালিকা




স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থাকোঁতে হেমচন্দ্ৰ শৰ্মাই লিখা 'পতিতা' উপন্যাসৰ (অপ্ৰকাশিত) শিৰোনাম আৰু উপহাৰ পৃষ্ঠা




প্ৰশান্তি ।

আন্ধাৰৰ প্ৰথৰ স্তব্ধ,
ক্লান্ত-ক্লিষ্ট জন-মানৱে,
সূৰ্য্যদেৱ অস্তাচলত,
তেনেতে দুজন বন্ধু ওলাল
মলয়াদেৱীৰ পৰশ বিচাৰি
মোৰ প্ৰিয়াৰ চিকমিকিয়া সোণ
আঁকোৱা পাঁকোৱা চুলিতাৰিৰ দৰে
আলি বাটেৰে ।
মাত্ৰেক নীৰৱতা !
এজনে কলে, শুনা বন্ধু,
হেজাৰ, হেজাৰ শোষিত,
অৱহেলিত, নিষ্পেষিত,
অন্নহাৰা, বস্ত্ৰহাৰা,
জনমানৱৰ — আৰ্তনাদ !
ৰবা, আনজনে কলে ——
বন্ধকৰা, বন্ধকৰা,
এই জনদৰদ —!
বন্ধকৰা, তোমাৰ চমন্ত ৰাইফল,
মই শুনিবলৈ পাইছো
নাগাচাকিৰ করুণ আৰ্তনাদ,
আৰু দেখিবলৈ পাইছো
হীৰোচিমাৰ বিভীষিকাৰ
প্ৰতিচ্ছবি —।

শ্ৰীহেমচন্দ্ৰ শৰ্ম্মা

হেমচন্দ্ৰ শৰ্মাৰ হস্তাক্ষৰত তেওঁৰ এটি কবিতা


February 1977

14 MONDAY


15 TUESDAY

February 1977

WEDNESDAY 16

THURSDAY 17

হেমচন্দ্ৰ শৰ্মাই কিতাপ লিখাৰ কাৰণে তথ্য সংগ্ৰহ কৰা এখন টোকাবহী


Mrs CHARU DEVI B A. B T.
H M, Pathsala Girls' H. E. School


*Ref* *Date*

***Prof. H. C. Sarma*** **M. Sc. M. Phil**
**Head, Deptt. of Botany & Biology**
**Bajali College, Pathsala**
**Pin-781325 (Assam)**

**Date—**

***Rfr. No.***

হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ ৰাইটিং পেডৰ একোটা পৃষ্ঠা



Lesson No 8. 75

Happy Villa primary School.

Class :— III
No. of pupils :—
Average age :—
Date :—
Teacher :— Mrs. Charu Debi.

Subject :— Geography.
Lesson unit :— Shillong.

previous knowledge :— pupils live in Assam and know that Shillong is the capital of Assam and is a nice town on hill.

Aims :— The aim of the lesson is to give fair knowledge about Shillong, to increase their vocabulary and powers of expression.

Aids :— pictures of waterfalls, lakes etc. of Shillong and other Classroom equipments such as chalk and dusters.

| Steps | Matter. | Method. |
|---|---|---|
| Preparation | Testing of previous knowledge. | The teacher will ask some questions to test the previous knowledge of the pupils and to elicit their interest in the study. |
| | 1. Shillong. | 1. What is the capital of Assam? |
| | 2. A town. | 2. Is it a town. |

চাৰু দেৱীৰ ‘বিটি পাঠ্যক্ৰম’ৰ ‘লেছন প্লেন’ৰ বহীৰ এটি পৃষ্ঠা

॥ ওম্ শান্তি শান্তি শান্তি ॥

সবিনয় নিবেদন !

আমি অতি দুখেৰে জনাওঁ যে যোৱা ২১/৮/৮৮ ইং তাৰিখে মোৰ/আমাৰ পৰম আৰাধ্য স্বামী/পিতৃ ৺ অধ্যাপক হেমচন্দ্ৰ শৰ্মা দেৱৰ পৰলোক প্ৰাপ্তি ঘটে। অহা ৩১/৮/৮৮ ইং তাৰিখে তেখেতৰ আদ্য শ্ৰাদ্ধ আৰু ২/৯/৮৮ ইং তাৰিখে মৎস্যস্পৰ্শৰ দিন। এই দুয়ো দিনতে আপুনি সপৰিয়ালে আমাৰ ঘৰত উপস্থিত হৈ আমাক অকণ শান্তনা দি বাধিত কৰিব বুলি আশা ৰাখিলোঁ। ইতি—

বিনীত—

শ্ৰীচাৰু দেৱী।

জ্যোতিনগৰ — শ্ৰীজয়ন্ত কুমাৰ শৰ্মা।

পাঠশালা — শ্ৰীবন্দিতা দেৱী।

২৪-৮-৮৮ ইং — শ্ৰীঅচিন্ত্য শৰ্মা।

হেমচন্দ্ৰ শৰ্মাৰ আদ্যশ্ৰাদ্ধৰ কাৰণে পৰিয়ালৰ নিমন্ত্ৰণী পত্ৰ

পাঠশালা সাহিত্য সভা

স্থাপিত— ১৯৬২ চন

ডাকঘৰ— পাঠশালা – ৭৮১৩২৫

২৪ আগষ্ট, ’৮৮ চন

"হেম চন্দ্ৰ শৰ্মা দিৱস"

নিবেদন,

পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা উপ-সভাপতি স্বৰ্গীয় হেম চন্দ্ৰ শৰ্মাৰ অহা ৩১ আগষ্টৰ আদ্যশ্ৰাদ্ধৰ দিনটো সভা আৰু কেন্দ্ৰৰ ফালৰ পৰা তলত দিয়া কাৰ্য-সূচীৰে হেম চন্দ্ৰ শৰ্মা দিৱস হিচাপে পালন কৰিবলৈ লোৱা হৈছে। দিৱসৰ সমূহ কাৰ্য-সূচীতে আপোনাৰ/আপোনালোকৰ উপস্থিতি কামনা কৰা হ'ল। সহযোগ কামনা কৰোঁ। ইতি –

ভৱদীয়—

শ্ৰীনৰনাৰায়ণ দেৱ শৰ্মা

সম্পাদক,

পাঠশালা সাহিত্য সভা আৰু সাহিত্য সংস্কৃতি আৰু সমাজ কল্যাণ কেন্দ্ৰ,

পাঠশালা

স্থান—পাঠশালা সাহিত্য সভা ভৱন

কাৰ্য-সূচী


ৰাতিপুৱা— ৮-৩০ বজাত প্ৰাৰ্থনা সভা

ৰাতিপুৱা— ৮-৪৫ বজাত শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান

ৰাতিপুৱা— ৯-০০ বজাত স্মৃতি সভা

সন্ধিয়া— ৬-০০ বজাত বন্তি প্ৰজ্বলন

'হেমচন্দ্ৰ শৰ্মা দিৱস' উপলক্ষে পাঠশালা সাহিত্য সভাৰ নিমন্ত্ৰণী পত্ৰ



হেমচন্দ্ৰ শৰ্মা

(জন্ম ঃ ২৩ অক্টোবৰ, ১৯৩২ চন; মৃত্যু ঃ ২১ আগষ্ট, ১৯৮৮ চন)

কৃতী সাহিত্যিক, সমাজসেৱক, অধ্যাপক হেমচন্দ্ৰ শৰ্মাৰ জন্ম হয় অসমৰ বজালী অঞ্চলৰ জালিখাটা গাঁৱত। তেওঁৰ পিতৃ পুষ্পচন্দ্ৰ শৰ্মা আৰু মাতৃ ফুলেশ্বৰী দেৱী। জালিখাটা প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি তেওঁ পাটাছাৰকুছি বিদ্যাপীঠৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ কটন মহাবিদ্যালয়ৰ পৰা বিজ্ঞানৰ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা উদ্ভিদ বিজ্ঞান বিভাগত স্নাতকোত্তৰ উপাধি লাভ কৰে। উত্তৰ গুৱাহাটী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত চাকৰি জীৱন আৰম্ভ কৰি তেওঁ বজালী উচ্চতৰ বহুমুখী বিদ্যালয়ত শিক্ষকতা কৰে আৰু শেষত বজালী মহাবিদ্যালয়ৰ উদ্ভিদ আৰু জীৱ বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰে। মৃত্যুৰ সময়লৈকে তেওঁ সেই পদতেই সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি থাকে। বজালীত চাকৰি জীৱন আৰম্ভ কৰাৰ লগে লগে তেওঁ বহুতো সাহিত্য-সংস্কৃতি, সমাজসেৱাৰ অনুষ্ঠানৰ লগত জড়িত হৈ পৰে। তেওঁ পাঠশালা সাহিত্য সভাৰ উপসভাপতি আৰু দুবাৰো সম্পাদক নিযুক্ত হয় আৰু 'সাহিত্য-সংস্কৃতি আৰু সমাজ কল্যাণ কেন্দ্ৰ, পাঠশালা'ৰ প্ৰতিষ্ঠাপক সম্পাদক হয়। 'বজালী বিজ্ঞান সমিতি', 'পাঠশালা মহিলা সমিতি', 'মৈত্ৰেয়ী সংঘ', 'জালিখাটা গাঁও উন্নয়ন সমিতি' আদিৰ লগতো তেওঁ নিবিড়ভাবে জড়িত আছিল। তদুপৰি তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'শিক্ষা পৰিষদ' আৰু 'পাঠ্যপুথি প্ৰস্তুতি আৰু সমন্বয় সমিতি'ৰ উদ্ভিদ বিজ্ঞান গোটৰো সদস্য আছিল। অসমৰ বিভিন্ন সংবাদ-পত্ৰ আৰু আলোচনীত বহুতো প্ৰবন্ধ-পাতি লিখি থৈ যোৱাৰ উপৰিও তেওঁ কেবাখনো পাঠ্যপুথি তথা সাহিত্য-সংস্কৃতি-বিজ্ঞান বিষয়ক পুথি লিখি থৈ যায়। তেওঁৰ প্ৰকাশিত পুথিবোৰৰ ভিতৰত যুটীয়াভাবে লিখা 'জীৱ-বিজ্ঞান পৰিচয়', 'চাৰ্লছ ডাৰউইন', 'অশ্বক্লান্ত দেৱালয়ৰ ইতিবৃত্ত' আৰু 'ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত' উল্লেখযোগ্য।

হেমচন্দ্ৰ শৰ্মা
স্মৃতি সাহিত্য বঁটা


বজালী মহাবিদ্যালয়
পাঠশালা
স্থাপিত ঃ ১৯৫৫ চন

মানপত্ৰ

বজালী মহাবিদ্যালয়ৰ ১৯....... চনৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী শ্ৰী ................................................... ক হেমচন্দ্ৰ শৰ্মা স্মৃতি সাহিত্য বঁটাৰ এই মানপত্ৰ প্ৰদান কৰাৰ লগতে সাহিত্য ক্ষেত্ৰত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰা হ'ল।

| | | |
|---|---|---|
| অধ্যক্ষ<br>বজালী মহাবিদ্যালয় | ভাৰপ্ৰাপ্ত অধ্যাপক<br>আলোচনী বিভাগ<br>বজালী মহাবিদ্যালয় | সম্পাদক<br>আলোচনী বিভাগ<br>বজালী মহাবিদ্যালয় |
| তাং.................... | তাং.................. | তাং.................. |

'হেমচন্দ্ৰ শৰ্মা স্মৃতি সাহিত্য বঁটা'ৰ প্ৰমাণ-পত্ৰৰ আৰ্হি



শ্ৰীযুত হেম বৰ্মন বিদায়

গুৰুদেৱ,

যদি অপৰাধ নহয় আমাৰ
দিব নেকি এটি সমিধান ?–
স্বাগতম সম্ভাষণ জনালো যিদিনা
যিদিনাই আপোনাৰ হল আবিৰ্ভাৱ
জ্ঞান মন্দিৰতে, বিলাবলৈ জ্ঞানৰ পোহৰ
–আজি কিয় বিদায়ৰ এই আয়োজন–? ...
সঁচাকৈয়ে জেনেহলে যাবগৈ আপুনি
মহান স্বাৰ্থৰ বাবে ক্ষুদ্ৰ স্বাৰ্থ এৰি ?– ...
সভক্তিৰে যাঁচিছো বিদায়
(জীৱনৰ) উন্নতিৰ প্ৰণতি জনাই !...
অবোধ বালিকা আমি
এয়ে মাথো ভক্তিৰ অৰ্পণ ...

আমাৰ সকলোৰে অপৰাধ ক্ষমিবনে ?–
ইতি

–মধ্যমান শ্ৰেণীৰ ছাত্ৰীবৃন্দৰ
ভক্তি পুষ্পাঞ্জলি

উত্তৰ গুৱাহাটী ...
আগষ্ট, ২৫, ১৯৬০ ইং

# শ্ৰীযুত হেম শৰ্মাৰ বিদায় উপলক্ষে

পূজনীয় গুৰুদেৱ

হিয়াঁ ভৰা বেজাৰলে আজি আমি আপোনাক বিদায় দিবলৈ ওলাইছো। আপোনাৰ বিদায় বাতৰিয়ে ছাত্ৰীসকলৰ হিয়াঁ সাগৰত বিষাদৰ ঢৌ তুলিছে।

হে অক্লান্ত কৰ্ম্মী!

উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ শিক্ষকৰ এটি সন্ধিক্ষণত আপুনি আহি আমাৰ ছাত্ৰীসকলক কৰ্ত্তব্য পথত বাট দেখুৱাই দিলেহি। আপোনাৰ একান্ত আগ্ৰহত, কৰ্ম্মপ্ৰেৰণাত আমি অধ্যয়ন কাৰ্য্যত বহুখিনি সম্বল পালোঁ।

হে ত্যাগী!

বিশাল ব্ৰহ্মপুত্ৰ বুকুত লৈও আপুনি আপোনাৰ অক্লান্ত পৰিশ্ৰম, ঐকান্তিকতা আৰু মহান ত্যাগৰ বলতেই আমাক যিখিনি জ্ঞান দি থৈ গল তাক আমি পাহৰিব নোৱাৰো। আপুনি ইমান দিনে আমাক চেনেহ পাশত বান্ধি ৰাখি আপোনাৰ পবিত্ৰ জ্ঞানেৰে যি শিক্ষা দিলে তাৰ বাবে আমি আপোনাৰ ওচৰত চিৰকৃতজ্ঞ।

হে মহান!

আপোনাৰ বিদায় বেলাত আজি আমি আমাৰ শাত এটি মিনিষন কৰিবলৈ অনুৰোধ জনাই আপোনাৰ ভৱিষ্যত জীৱন উজ্বলৰ পৰা উজ্বলতৰ হওঁক কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।

ইতি—

সপ্তম মান শ্ৰেণীৰ ছাত্ৰীবৃন্দ

উত্তৰ গুৱাহাটী

শ্রীশ্রীপ্রজাপতয়ে নমঃ।

[illegible]

**প্রীতি-উপহার।**

সখী চারু,

"আগন্তুক-মহাপ্রলয়" যাত দিন সেওটি আজ বিদ্যার অধিষ্ঠাত্রী দেবীর পূজা অর্চনা সমাপন করি আনন্দোৎফুল্লিত হৃদয়ে [illegible] নাচ বসরা [illegible] সর্ব্বের মাধবী নিশা — সুদূর নীলিমার [illegible] স্নিগ্ধ জোছনার উত্তাল তরঙ্গে উদ্ভাসিত হয়ে উঠা প্রকৃতির আনন্দ [illegible] — এমে এটি শুভ ক্ষণে তোদের সমাগত মিলনের মেদুরা জীবনের সুন্দর স্পন্দন শুনি [illegible] [illegible] যে আগামীতে মোর [illegible] [illegible] — বিনিময়ে [illegible] মোর প্রীতি ভরা অন্তরের শুভ সম্ভাষণ, তোদের মিলন মধুর, চারু!

সখী! সাঁঝ বেলা, [illegible] [illegible] [illegible] [illegible] এই [illegible] [illegible] [illegible] জীবনের [illegible] [illegible], সেই দিন যদি [illegible], তোমার [illegible] [illegible] স্ফূর্তিক [illegible] [illegible] নাছিলা; ..... [illegible] [illegible] [illegible] ......।

[illegible] [illegible] [illegible] [illegible] [illegible] [illegible] মিলন। তোমার সেই [illegible] সুখের [illegible] — [illegible] [illegible] তোমার [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] — তোমায় আমি তোমার [illegible] — [illegible] মিলন [illegible]।

[illegible], জীবনের আঙ্গিনায় [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] তুমি হবেক যেন [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] যেন বিদ্যার [illegible] পথ [illegible] [illegible] [illegible] [illegible]। ইতি —

"জীবন মধুর হউক
মিলন মধুর,
প্রেম মধুর হউক"

"[illegible] [illegible] [illegible]
[illegible] [illegible],
[illegible] [illegible]"

প্রীতির
[illegible]

## পৰম শ্ৰদ্ধাভাজন, পাঠশালা ছোৱালী হাইস্কুলৰ মাননীয়া প্ৰধান শিক্ষয়িত্ৰী শ্ৰীযুতা চাৰু দেৱীলৈ বিদায় সম্ভাষণ

মহাশয়া,

সৰ্বপ্ৰথমে আপোনালৈ যাচিছোঁ আমাৰ সশ্ৰদ্ধ প্ৰণিপাত। বিগত তেত্ৰিশ বছৰে এই বিদ্যালয়ত সহঃ শিক্ষয়িত্ৰী তথা আঠ বছৰে প্ৰধান শিক্ষয়িত্ৰীৰো দায়িত্ব-ভাৰ বহন কৰি অৱসৰ প্ৰাপ্তি হেতু আমাৰ মাজৰ পৰা যাবলৈ ওলাইছে। সেয়ে আমাৰ অন্তৰ বেদনা বিধুৰ হৈ পৰিছে

হে জ্ঞানদাত্ৰী!

স্নেহপূৰ্ণ নিষ্ঠা আৰু একাগ্ৰতাৰে আপুনি আমাৰ জ্ঞানচক্ষু মুকলি কৰি দিলে। আপুনি যে কেৱল পাঠ্যপুথিৰ জ্ঞান দানতেই ব্যস্ত আছিল এনে নহয় আপুনি আমাক শৃংখলা, পৰিপাটিতা আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতিও সচেতন কৰি তুলিছিল। বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ অক্ষুণ্ণ ৰাখি এই অনুষ্ঠানৰ গৌৰৱোজ্জ্বল ঐতিহ্য অম্লান ৰাখিবলৈ আমাক সদায়ে শিকাইছিল আপুনি নিজেও যত্নপৰ হৈছিল।

হে জননী!

সন্তানে হাজাৰ দোষ কৰিলেও যেনেকৈ মাতৃস্নেহৰ পৰা বঞ্চিত নহয় তেনেকৈ আপুনিও যেন আমাৰ শতসহস্ৰ দোষ ক্ষমাৰ চকুৰে চায়।

হে বৰেণ্যা!

আজিৰে এই বিদায় বেলাত হিয়াভৰা শ্ৰদ্ধা আৰু এটুপি চকুলোৰ বাহিৰে আপোনাক দিবলৈ আমাৰ আৰু একো নাই।

পৰমপিতা পৰমেশ্বৰে আপোনাক সুস্বাস্থ্যৰে সুদীৰ্ঘজীৱী কৰক- এয়ে আমাৰ এক মাত্ৰ প্ৰাৰ্থনা।

ইতি

বিনয়াৱনত

তাং:- ১৪/১১/৯৬ইং

পাঠশালা ছোৱালী হাইস্কুলৰ

ছাত্ৰীবৃন্দ

# পাঠশালা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীযুতা চাৰু দেৱীৰ করকমলেষু।

হে শ্ৰদ্ধেয়া

বিগত প্ৰায় তেত্ৰিশ বছৰ ধৰি পাঠশালা ছোৱালী হাইস্কুলৰ জন্মলগ্নৰে পৰা এই অনুষ্ঠানটিৰ সৈতে গঢ়ি উঠা আপোনাৰ এক সুগভীৰ সম্পৰ্কৰ হয়তো এতিয়া অন্ত পৰিল; অন্ত পৰিল সতীৰ্থ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰী তথা কৰ্মচাৰী সকলৰ লগত গঢ়ি উঠা স্নেহ বন্ধন। এতিয়াৰ পৰা আপোনাৰ সহৃদয়তা, স্নেহ-প্ৰীতি আৰু সাহচৰ্য্যৰ পৰা হয়তো আমি বঞ্চিত হম। মিলন বিচ্ছেদ যদিও চিৰন্তন জাগতিক ৰীতি তথাপিতো আমাৰ আৱেগসিক্ত অন্তৰে ইয়াক স্বীকাৰ কৰিবলৈ টান পাইছে। ইমান-দিনৰ প্ৰীতি-মধুৰ সম্পৰ্ক ছিন্ন কৰাটো বৰ নিদাৰুণ – অতি করুণ।

---- তথাপিতো আৱেগক ৰুদ্ধ কৰি আপোনাক বিদায় মাগিছোঁ। আপুনি যাবগৈ, কিন্তু আপোনাৰ স্মৃতি আমাৰ মাজত সদায় মূৰ্ত্তমান হৈ ৰ'ব। আপোনাৰ কাৰ্য্যদক্ষতা আৰু প্ৰশাসনিক কুশলতাই সদায় আমাক আপোনালৈ মনত পেলাব।

হে বৰেণ্যা!

এই বিদ্যালয়খনিৰ প্ৰাণপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত আপোনাৰ ত্যাগ আৰু বৰঙণিৰ কথা অনাগত ভৱিষ্যতে সদায়ে শ্ৰদ্ধাৰে সোঁৱৰাব। এই বিদ্যালয়ত আপোনাৰ কৰ্মময় জীৱনৰ অৱসান হ'ল যদিও সামাজিক কামত আপুনি আত্মোৎসৰ্গ কৰিব বুলি আমাৰ বিশ্বাস।

হে সতীৰ্থ!

এই বিদায় বেলাত একাঞ্জলি শ্ৰদ্ধাৰ বাহিৰে আপোনাক দিবলৈ আমাৰ একো নাই। যাচো যাচিছোঁ আপোনাৰ সুখময়, শান্তিময় অনাগত ভৱিষ্যতৰ বাবে আমাৰ অন্তৰ ভৰা শুভেচ্ছা।


চিৰসুন্দৰে আপোনাক সুদীৰ্ঘজীৱী কৰক এয়ে আমাৰ একান্ত প্ৰাৰ্থনা।

"চিৰং জীৱতু সুখম্"

১৪/১১/৯৬ ইং
পাঠশালা

ইতি
ভৱদীয়
পাঠশালা ছো: হা: শিক্ষক, শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বৃন্দ

## লিখিত গ্ৰন্থসমূহৰ প্ৰচ্ছদ


জীৱ বিজ্ঞান পৰিচয়


প্ৰথম খণ্ড


শ্ৰীহেমচন্দ্ৰ শৰ্ম্মা

শ্ৰীশ্যামচৰণ ডেকা


নিউ বুক ষ্টল


গুৱাহাটী-১ঃ অসম


জীৱ বিজ্ঞান পৰিচয়
শ্ৰী হমচন্দ্ৰ শৰ্ম্মা
শ্ৰীশ্যামচৰণ ডেকা
নিউ বুক ষ্টল
গুৱাহাটী : অসম


ডুবি পৰিহৰেশ্বৰ
দেৱালয়ৰ ইতিবৃত্ত
পাঠশালা সাহিত্য সভা

লিখিত গ্ৰন্থসমূহৰ প্ৰচ্ছদ





# অশ্বক্ৰান্ত দেৱালয়ৰ ইতিবৃত্ত

ওপৰ দেৱালয়, বিষ্ণুমন্দিৰ

নাম দেৱালয়, কূৰ্মজনাৰ্দন

'অশ্বক্ৰান্তসমং তীৰ্থং নাস্তি ব্ৰহ্মাণ্ডগোচৰে'


অশ্বক্রান্ত দেৱালয়ৰ ইতিবৃত্ত
“অশ্বক্রান্তে ৰথক্রান্তে বিষ্ণুক্রান্তে বসুন্ধৰে।
মৃত্তিকা হৰয়ে পাপং জন্ময়াদৌ কৃতাকৃতম্॥
স্নান কৰিলে শান্তিলাভ হয়॥

## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ




হেমচন্দ্ৰ শৰ্মাৰ মাতৃ সাবিত্ৰী দেৱী

## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ

## বিভিন্ন চিত্ৰশিল্পীৰ তুলিকাত হেমচন্দ্ৰ শৰ্মা



শিল্পী ঃ হেমাঙ্গিনী বৰদলৈ



শিল্পী ঃ দেৱব্ৰত কলিতা




শিল্পী ঃ সীমান্ত শৰ্মা



শিল্পী ঃ অজ্ঞাত

শিক্ষামূলক ভ্ৰমণত হেমচন্দ্ৰ শৰ্মা










সহপাঠীৰ সৈতে হেমচন্দ্ৰ শৰ্মা





## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ







হেমচন্দ্ৰ শৰ্মাই কাম কৰা সময়ত উত্তৰ গুৱাহাটী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়



বিৱাহৰ ঠিক পাছতে হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱী

## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ




শিশু জয়ন্তৰ সৈতে হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱী



শিশু জয়ন্ত আৰু বন্দিতা, সহায়কাৰী মাপাই আৰু চাৰু দেৱীৰ ভাগিনী মাখনৰ সৈতে হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱী



বজালী মহাবিদ্যালয়ৰ 'বায়'লজিকেল ছ'চাইটি'ৰ কাৰ্য্যনির্বাহক (১৯৬৯-৭০ চন) সমিতিৰ সদস্য হেমচন্দ্ৰ শৰ্মা



অসম বিজ্ঞান সমিতিৰ ২১তম বাৰ্ষিক অধিৱেশন (বজালী মহাবিদ্যালয়, ১৯৭৭ চন)ৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্য হেমচন্দ্ৰ শৰ্মা



অসম বিজ্ঞান সমিতিৰ ২১তম বাৰ্ষিক অধিৱেশন
(বজালী মহাবিদ্যালয়, ১৯৭৭ চন)ৰ স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সদস্য হেমচন্দ্ৰ শৰ্মা




নিজ বাসগৃহৰ সন্মুখত থকা ‘নিউ ষ্টাৰ মেচ’ৰ আৱাসীসকলৰ সৈতে হেমচন্দ্ৰ শৰ্মা আৰু ইন্দ্ৰেশ্বৰ তালুকদাৰ



হেমচন্দ্ৰ শৰ্মাৰ ককায়েক-বৌয়েক মধুনাথ শৰ্মা আৰু তাৰিণী দেৱী






হেমচন্দ্ৰ শৰ্মাৰ জ্যেষ্ঠ ভাতৃ-ভাইবোৱাৰী প্ৰভাত চন্দ্ৰ শৰ্মা আৰু দিপালী দেৱী



হেমচন্দ্ৰ শৰ্মাৰ কনিষ্ঠ ভাতৃ-ভাইবোৱাৰী মহেশ চন্দ্ৰ শৰ্মা আৰু প্ৰতিভা দেৱী



হেমচন্দ্ৰ শৰ্মাৰ ভনী জোৱাই-ভনী গিৰীশ চন্দ্ৰ শৰ্মা আৰু অবলা দেৱী


## হেমচন্দ্ৰ শৰ্মা আৰু চাৰু দেৱীৰ পৰিয়াল



দুই পুত্ৰ আৰু কন্যাৰ সৈতে নিজগৃহত



বৰপুত্ৰৰ পৰিয়াল



কন্যাৰ পৰিয়াল



সৰুপুত্ৰৰ পৰিয়াল

## স্মৰণীয় সুবাস

## হেমচন্দ্ৰ শৰ্মাৰ বাসগৃহসমূহ



জালিখাটা গাঁৱৰ জন্মস্থান




গুৱাহাটীৰ হেপীভিলাৰ বাসগৃহ

## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ



পাঠশালাৰ জ্যোতিনগৰৰ বাসগৃহ

## হেমচন্দ্ৰ শৰ্মাই শিক্ষাগ্ৰহণ কৰা, চাকৰি কৰা আৰু জড়িত হৈ থকা অনুষ্ঠানসমূহ



জালিখাটা প্ৰাথমিক বিদ্যালয়




পাটাছাৰকুছি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়



বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়


## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ



বজালী মহাবিদ্যালয়




বজালী মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগ



কালিবাৰী শিৱ থান, জালিখাটা



দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়

## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ



পাঠশালাৰ জ্যোতিনগৰৰ নামঘৰ




পাঠশালা মজলীয়া বিদ্যালয়



বজালী প্ৰগতি সংঘ




বজালী বিজ্ঞান সমিতি

## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ




পাঠশালা সাহিত্য সভা



পাঠশাল সাংস্কৃতিক সংঘ

হেমচন্দ্ৰ শৰ্মাই ব্যৱহাৰ কৰা বিভিন্ন সা-সামগ্ৰী





## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ





















হেম শৰ্ম্মা



নিজৰ ঘৰত হেমচন্দ্ৰ শৰ্মা

## হেমচন্দ্ৰ শৰ্মাৰ লগত জড়িত আলোকচিত্ৰসমূহ




হেমচন্দ্ৰ শৰ্মাৰ গৱেষণাত ব্যৱহৃত ফেন্সবীনৰ পুলিসমূহ




ছাত্ৰৰ লগত নিজৰ ঘৰত হেমচন্দ্ৰ শৰ্মা

মহাপ্ৰয়াণত হেমচন্দ্ৰ শৰ্মা









বৰপুত্ৰ জয়ন্তৰদ্বাৰা প্ৰথম ‘হেমচন্দ্ৰ শৰ্মা স্মৃতি বঁটা’ প্ৰদান



হেমচন্দ্ৰ শৰ্মাৰ আলোকচিত্ৰ, লিখা কিতাপ, ব্যৱহাৰ্য্য সা-সামগ্ৰী, অস্থিভস্ম ইত্যাদি



চাৰু দেৱীৰ মাতৃ কালিন্দ্ৰী দেৱী



চাৰু দেৱীৰ জ্যেষ্ঠ ককায়েক ললিত চন্দ্ৰ শৰ্মা আৰু বৌয়েক বৰদা দেৱী



চাৰু দেৱীৰ কনিষ্ঠ ককায়েক খগেন্দ্ৰ নাথ শৰ্মা (সোঁফালৰজন)

## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ

সহপাঠীসকলৰ সৈতে চাৰু দেৱী







সহপাঠীসকলৰ সৈতে চাৰু দেৱী

## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ



বিৱাহৰ ঠিক পাছতে চাৰু দেৱী



বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী হোৱাৰ সময়ত চাৰু দেৱী



পাঠশালা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান পাঠশালা উচ্চ মাধ্যমিক বিদ্যালয়)ৰ শিক্ষক-কৰ্মচাৰীৰ লগত চাৰু দেৱী



ভিন্ন সময়ত পাঠশালা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান পাঠশালা উচ্চ মাধ্যমিক বিদ্যালয়)ৰ শিক্ষক-কৰ্মচাৰীৰ লগত চাৰু দেৱী

## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ

## চাৰু দেৱীৰ জন্মস্থান, শিক্ষাগ্ৰহণ কৰা, চাকৰি কৰা আৰু জড়িত হৈ থকা অনুষ্ঠানসমূহ





উত্তৰ গুৱাহাটীৰ শিলসাঁকোৰ জন্মস্থান



উত্তৰ গুৱাহাটী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়




পাঠশালা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়
(বৰ্তমান পাঠশালা উচ্চ মাধ্যমিক বিদ্যালয়)





বজালী মহিলা সমিতি

## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ

## চাৰু দেৱীয়ে ব্যৱহাৰ কৰা বিভিন্ন সা-সামগ্ৰী









PATOWARY OPTICAL











জ্যেষ্ঠ পুত্ৰ জয়ন্ত, কন্যা বন্দিতা আৰু কনিষ্ঠ পুত্ৰ অচিন্ত্যৰ সৈতে চাৰু দেৱী



জ্যোতিনগৰৰ নিজৰ বাসগৃহত চাৰু দেৱী


## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ



জ্যোতিনগৰৰ নিজৰ ঘৰত সহপাঠীৰ লগত চাৰু দেৱী



জ্যোতিনগৰৰ নিজৰ ঘৰত সহকাৰিণীৰ লগত চাৰু দেৱী





কনিষ্ঠ পুত্ৰৰ উপনয়নত চাৰু দেৱী

## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ

### প্ৰথমবাৰ ভাৰত ভ্ৰমণত আত্মীয়সকলৰ লগত চাৰু দেৱী














কন্যা বন্দিতাৰ বিৱাহত চাৰু দেৱী




কন্যা বন্দিতাৰ বিৰাহত চাৰু দেৱী

## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ

দ্বিতীয়বাৰ ভাৰত ভ্ৰমণত আত্মীয়সকলৰ লগত চাৰু দেৱী








## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ











## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ



তপন কাকতিৰ বিয়াত কইনাৰ লগত চাৰু দেৱী

জ্যেষ্ঠ পুত্ৰ জয়ন্তৰ বিয়াত চাৰু দেৱী





WEL COME



## চাৰু দেৱীৰ লগত জড়িত আলোকচিত্ৰসমূহ

## মহাপ্ৰয়াণত চাৰু দেৱী










# স্মৰণীয় সুবাস















মণিকূট
মথুৰা নগৰ, দিছপুৰ
গুৱাহাটী-৭৮১০০৬
প্ৰচ্ছদ সজ্জা : মনজিৎ ৰাজখোৱা

ISBN: 978-93-93096-26-5
978-93-93096-26-5

Rs. 350.00